শিক্ষাবিদ উমাকান্ত গোস্বামীদের স্মৃতিগ্রন্থ

সম্পাদিকাঃ
শ্রীমতী অম্বিকাদেবী গোস্বামী
সহকাবীঃ
শ্রীকনক চন্দ্র ডেকা

Shikhyabid Umakanta Goswami dev—Smritigrantha, Edited by Smti Ambika Devi Goswami and Published by Sri Satyabrata Goswami, Natun Sarania, Guwahati-3.

Price Rs. 100·00

প্রথম প্রকাশ

জুন, ১৯৯০ ইং

প্রকাশক : শ্রীসত্যব্রত গোস্বামী
নতুন শরণীয়া
গুয়াহাটী—৭৮১০০৩
আলোকচিত্র : শ্রীশিবব্রত গোস্বামী।

মূল্য : ১০০·০০ (একশ) টকা

মুদ্রক :
উদয়ণ প্রিণ্টার্স
নতুন শরণীয়া
গুয়াহাটী—৭৮১০০৩



উমাকান্ত গোস্বামী

(জন্ম—১৮৯৭ ইং : মৃত্যু—১৯৫৩ ইং)

পাতনি

অধ্যাপক উমাকান্ত গোস্বামী অসমৰ প্ৰথম মহাবিদ্যালয় কটন কলেজৰ বুৰঞ্জীৰ প্ৰথম ভাগৰ অধ্যাপক, অধ্যাপক হোৱা প্ৰথম বামৰ অসমীয়া পণ্ডিতসকলৰ এজন। কলিকতা বিশ্ববিদ্যালয়ৰ এজন কৃতী ছাত্ৰৰূপে অধ্যয়ন সমাপ্ত কৰি তেওঁ চৰকাৰী কটন কলেজৰ ছিভিল আৰু ইকনমিক্সৰ (সেই কালত পিছৰ বিষয়টোৱে ৰাজনীতি বা পলিটিক্সকো সামৰিছিল) অধ্যাপক-ৰূপে নিযুক্ত হয়। তেওঁৰ ওপৰত এজন ইংৰাজ অধ্যাপক—প্ৰফেছৰ ব্ৰাউন; তেৱেঁই বিভাগটোৰ প্ৰধান। ১৯৩৪ ত যেতিয়া আমি কটনত নাম লগাওঁহি, তাৰ বহুত পূৰ্বেই ব্ৰাউন ছাহাবে অৱসৰ লৈ গ'ল। কটনৰ ছাহাব অধ্যাপকসকলৰ ভিতৰত আমি যি অধ্যক্ষ ডি. ই. ৱৰাৰ্ট্‌ছকেহে দেখা পাইছিলো! আমি দেখাকেপৰা গোস্বামী ছাৰ ছিভিল-ইকনমিক্স বিভাগৰ মুৰব্বি। ছাৰ মোৰ প্ৰত্যক্ষ নহয়, পৰোক্ষ গুৰুহে আছিল। মই ছিভিল ইকনমিক্স শ্ৰেণীৰ ছাত্ৰ নাছিলোঁ। মই ছাৰৰ অধীনৰ ছাত্ৰাৱাসৰো আৱাসী নাছিলোঁ। কিন্তু সিমানতো ছাৰৰ লগত সম্বন্ধ ৰহিত নাছিল, আহেকে-পহেকে লগ পাই আছিলোঁ। বিশেষকৈ হাঁহি-মুখেৰে ছাৰে সকলোকে আকৰ্ষণ কৰিছিল। কেতিয়াবা দুই মিনিটমান পলমকৈ গোস্বামী ছাৰে নিজৰ ক্লাছ-ৰুমত প্ৰৱেশ কৰা আমি দূৰৰপৰাই লক্ষ্য কৰি আছিলোঁ। ছাৰে দুৱাৰ মুখতে বৈ সোধে, 'আৰ্ ইউ মাই পিপল্।' ভিতৰৰ ল'ৰাবোৰে হয় বুলিলে ছাৰ ভিতৰলৈ সোমাই হাজিৰা-বহি মুকলি কৰি খালি পৰি থকা প্ৰথম বেঞ্চিলৈ চাই সোধে, 'লেডি পিপল্ নট্ কাম্?' হাজিৰা

কথা শেষ হ'লে ছাবে পুবণি বহি কিছু উলিয়াই লৈ নোটব শ্রুতলিপি দি যায় আক তাব মাজে মাজে বসাল দুই-এটি বাক্যেবে শ্রেণীটো গবম কবি বাখে। ছাবব খুহুতীয়া কথাবোব চমু চমু। তাকে ছাবে চমুতে উচ্চাবণ কবি শ্রোতাক ইঙ্গিত দিয়ে, নিজে মুখখন অলপমান বেঁকা কবি, কেতিয়াবা সৰু শব্দ কবি হাঁহে, ডাঙব শব্দ নকবে। এই হাঁহিবেই ইকনমিক্সব শ্রেণী সজীব হৈ থাকে, সাধাবণ দুজনবো মেলো বসাল হয়। ছাবব হাঁহিত ব্যঙ্গ নাথাকেই। সেয়ে বৈশিষ্ট্য।

সাধাবণ কথা-বতবাতো হাঁহিয়ে ছাবব লগ নেবিছিল। ১৯৪৮ ছনত আমি সকলোৱে ভাবি আছো, ছাব খিলঞলৈ শিক্ষাধিকাব হৈ যাব। এদিনাখন ফুবিবলৈ যাওঁতে বাটত পাই কথাটো সুধিবব মন গৈছে। কিন্তু মই সোধাব আগতেই ছাবেহে চকুব টিপ মাবি মোক ইঙ্গিতা দি বাটব কাষবলৈ মাতি নি সুধিলে, "খিলঞব ফালব কিবা খবব-বাতবি পোৱানে?"

এদিন ছাবে মোক মাতি পঠিয়ালে ছাত্রাবাসব অধ্যক্ষব বঙলালৈ আক কেইটামান টকা হাতত দি কলে, "এয়া সাহিত্য-সভাব মোব বৰঙণি। তুমি যোৱহাটব অযিচত খবব কবিবাঁগৈ মোব সভ্য-পদ তামাদি হ'ল নেকি কেনেবাকৈ।"

ছাবব "সমবায়" নামব পুথিখনি সমবায় আন্দোলন, তাব প্রকাব, প্রসাব আক প্রক্রিয়াব বিষয়ে এখনি সবল, মনোৰম গ্রন্থ। সেই বিষয়ব তেনে দ্বিতীয় এখন পুথি আমাব আজিও ওলোৱা নাই।

ছাবে এইদবে সাহিত্য-জগতবো খবব বাতবি বাখিছিল। আমাক সেই কথাব ভু দিব বর্তমান সঙ্কলনখনিত সন্নিবিষ্ট দুখন অভিভাষণ আক এখনি গ্রন্থব ভূমিকাই। অসম সাহিত্য-সভাই বার্ষিক সম্মিলনব লগত এবাবেই মাথোন (১৯৩৬) সমাজ আক অর্থনীতি শাখাব সভা পাতিছিল। তাবে সভাপতি ৰূপে অধ্যাপক গোস্বামীয়ে এখনি জ্ঞানগর্ভ ভাষণ পাঠ কবিছিল, আক সেই ভাষণতে অসমব তথা ভাবতব নানা

অর্থনৈতিক সমস্যাৰ বিষয়ে গভীৰ আলোচনা কৰিছিল। দ্বিতীয় অভিভাষণখনি হ'ল অসম সংস্কৃত সমিতিৰ অষ্টাদশ বাৰ্ষিক অধিবেশন আৰু সমাবৰ্তনত (১৯৫২) অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ভাষণ—য'ত সংস্কৃত সাহিত্য, অসমত অতীতৰ আৰু বৰ্তমান সংস্কৃত শিক্ষাৰ সমস্যা আদি সম্পৰ্কীয় চিন্তা আগবঢ়োৱা হৈছে। তৃতীয় লেখাটি হ'ল পণ্ডিত জনক চন্দ্ৰ শৰ্মাৰ সংস্কৰণৰ "ৰামায়ণ"ৰ (১৯৪১) পাণ্ডিত্যপূৰ্ণ ভূমিকা; এই তিনিওটিয়েই গম্ভীৰ ৰচনা। কিন্তু তাৰ মাজতো ৰসিক গোস্বামী ছাৰে হাঁহিবলৈ পাহৰা নাই। সাহিত্য সভাৰ সমাজ আৰু অৰ্থনীতি অধিবেশনৰ সভাপতিৰ আসনৰপৰা গহীন কথাৰ মাজতে কোৱা হৈছে মানুহৰ কিছুমান অদ্ভুত ধাৰণাৰ কথা: "কোনো কোনোয়ে ভাবিব পাৰে যে ধনবিজ্ঞান পঢ়িলে খুব ধন সাঁচিব পাৰি। পলিটিক্চ পঢ়িলে পলিটিচিয়ান হ'ব পাৰি। সেইদৰেই ক'ব পৰা যায় যে Chemistry পঢ়িলে বিহ্ গেচ্ তৈয়াৰ কৰিব পাৰি। Physics পঢ়িলে মেচিন্ গান্ তৈয়াৰ কৰিব পাৰি আৰু দৰ্শন অৰ্থাৎ Philosophy পঢ়িলে খুব টোপনিয়াৰ পাৰি।" দেশৰ সংস্কৃত শিক্ষাৰ বিষয়ে আলোচনা শুনিবলৈ উদ্‌গ্ৰীৱ অসম সংস্কৃত সমিতিৰ সদস্য সকলক ছাৰে সম্বোধন কৰি কৈছে, "দেশৰ সক ৰৰ সকলোৱে আমাৰ সংস্কৃতিৰ বিষয়ে বক্তৃতা দিবলৈ ওলালে কথাৰ ওৰ নপৰে। দেশৰ বহুত নেতাই আমাৰ দেশৰ সংস্কৃতিৰ বিষয়ে বক্তৃতা দিওঁতে এনেকুৱা মতলীয়া হৈ যায় যে তেওঁলোকে সভাত শ্ৰোতাসকলে যে একো চাহ তামোল নোপোৱাকৈ ৫/৬ ঘণ্টা ঠেৰেঙ্গা লাগি বহি আছে, তালৈ একেবাৰে পাহৰিয়ে যায়।" এবাৰ ১৯৫০ কি ১৯৫১ ছনত চৰকাৰে আয়োজন কৰা শিক্ষা-সম্মিলনত মাধ্যমিক শিক্ষা নানা আঁচনিৰে ভাৰাক্ৰান্ত হোৱা কথাৰ আলোচনা হৈছিল। গোস্বামীদেৱে নিজ বক্তব্যৰ মাজত হাঁহি মাৰি কৈছিল, "Our Government possesses such great love for secondary education that all good programmes are massed into it."

ছাবৰ হাঁহি হ'ল সমালোচনাৰ সদায় কটাক্ষ। ভেওঁৰ জ্ঞানগৰ্ভ ভাষণৰ মাজতো সেই দেখি হাঁহিয়ে আনক ক'ৰ নোৱাৰাকৈয়ে সজাগ কৰি যায়।

এই গ্ৰন্থখনিয়ে সদয় হাঁহিৰ গোস্বামীদেৱক আমাৰ মাজত আকৌ এবাৰ থিয় কৰিব।

মহেশ্বৰ নেওগ

বৈজয়ন্তী
উত্তৰ শৰণীয়া
গুৱাহাটী-৩
১৪ মাৰ্চ ১৯৯০

সম্পাদিকাৰ একাষাৰ

শিক্ষাবিদ স্বৰ্গীয় উমাকান্ত গোস্বামীদেৱ এক অসাধাৰণ ব্যক্তি আছিল। তেওঁৰ দৰে মেধাবী লোক বিৰল আছিল। অনেক স্বৰ্ণ আৰু ৰূপৰ পদক তেওঁ লাভ কৰিছিল। বৃটিছ চৰকাৰৰ পৰা তেওঁ Coronation Commemorative মেডেলো লাভ কৰিছিল। নিজৰ সত্ৰত স্কুল আৰু চিকিৎসালয়ৰ বাবে মাটি বাৰী দান কৰিছিল। সেই সময়ত অসমত শিক্ষা প্ৰচাৰৰ বাবে তেওঁ নানাধৰণে যত্ন কৰিছিল। ১৯৫০ চনৰ পৰা ১৯৫৩ চনলৈ অসমৰ শিক্ষাধিকাৰ হৈ থকা সময়ত শিক্ষা বিভাগৰ বাবে তেওঁ কেইবাটাও নতুন যোজনা কৰিছিল।

'সমবায়' নামৰ পুথিখনকে আদি কৰি কেইবাখনো মূল্যৱান পুথি গোস্বামীদেৱে ৰচনা কৰিছিল। এইবোৰৰ ভিতৰত মাত্ৰ 'সমবায়' নামৰ পুথিখনহে ১৯৪০ চনত প্ৰকাশিত হৈছিল। বাকী পুথিবোৰ পাণ্ডুলিপি হিচাবেহে ৰৈ গৈছে।

এই স্মৃতি গ্ৰন্থত স্বৰ্গীয় গোস্বামীদেৱৰ কিছুমান মূল্যৱান লেখাহে প্ৰকাশ কৰা হল। হাতে লিখা অৱস্থাত থকা অনেক প্ৰৱন্ধ এই স্মৃতি গ্ৰন্থত প্ৰকাশ কৰিব পৰা নহ'ল। ছাত্ৰ ছাত্ৰীৰ বাবে লিখা কেইটামান কাহিনীও ইয়াত প্ৰকাশ কৰা হ'ল।

গোস্বামীদেৱ নীৰৱ সাধক আছিল। তেওঁ এৰি থৈ যোৱা 'দিনপঞ্জী' সমূহ আমি ভৱিষ্যতে প্ৰকাশ কৰিব পাৰিম বুলি আশা ৰাখিছো। তেওঁৰ এই 'দিনপঞ্জী' সমূহৰ মাজত সেই সময়ৰ সমাজ আৰু জীৱন ধাৰাৰ এক অপূৰ্ব্ব ছবি দেখা পোৱা যায়।

যি সকল পণ্ডিত গোস্বামীদেৱৰ সংস্পৰ্শলৈ আহিছিল, সেই সকলৰ লেখনীয়েও এই স্মৃতি গ্ৰন্থ সমৃদ্ধ কৰিছে। আমি এই সকল

লোকৰ ওচৰত—কৃতজ্ঞ হৈ থাকিলো।

বাইজে এই 'স্মৃতিগ্ৰন্থ'ক, আদৰেৰে গ্ৰহণ কৰিলে আমাৰ পৰিশ্ৰম নিশ্চয় সাৰ্থক হব।

চেনিকুঠি
গুৱাহাটী
২৬। ১০। ৮৯

শ্ৰীমতী অম্বিকা দেৱী গোস্বামী
সম্পাদিকা,
[শিক্ষাবিদ উমাকান্ত গোস্বামী দেৱ-স্মৃতিগ্ৰন্থ।]

—সূচীপত্র—

১। জীবনালেখ্য ... শ্রীমতী অম্বিকা দেবী গোস্বামী ... ১

গোস্বামীদেবৰ বচনাবলী

২। সমবায় ৯
৩। সমাজ আৰু অর্থনীতি শাখাৰ অধিবেশনৰ অভিভাষণ ... ১৯৯
৪। অসম সংস্কৃত সমিতিৰ সভাপতিৰ অভিভাষণ ... ২৩৯
৫। ৰামায়ণ ... ২৫১

গোস্বামীদেবৰ স্মৃতিচাৰণ

৬। ... ড° সত্যেন্দ্র নাথ শর্মা ... ২৮৫
৭। ... ড° কালীনাথ শর্মা ... ২৮৮
৮। ... জাষ্টিচ পার্ব্বতী কুমাৰ গোস্বামী ... ২৯৬
৯। ... শ্রীগৌৰী শংকৰ ভট্টাচার্য্য ... ২৯৯
১০। ... ড° প্রমোদ চন্দ্র ভট্টাচার্য ... ৩০৪
১১। ... দণ্ডেশ্বৰ গগৈ ... ৩০৮
১২। ... শ্রীৰামপ্রসাদ খাউণ্ড ... ৩১০
১৩। ... শুভ বৰুৱা ... ৩১৩
১৪। ... শ্রীগোপাল শর্মাবৰুৱা ... ৩১৭
১৫। ... শ্রীশিৱপ্রসাদ বৰুৱা ৩৩৪
১৬। .... শ্রীমান প্রফুল্ল গোস্বামী ৩৩৬
১৭। .... শ্রীনৱদ্বীপ বৰুৱা পাটগিৰি ৩৪২
১৮। .... শ্রীমথুৰা নাথ গোস্বামী ... ৩৫০
১৯। .... ড° মামণি ৰয়চম গোস্বামী ৩৫২

২০। .... সাহিত্যার্য্য শ্রীযজ্ঞেশ্বর শর্মা ৩৭৬
২১। .... শ্রীমতী সুপ্রভা গোস্বামী ... ৩৭৮
২২। গোস্বামীদেৱৰ মান পত্র সমূহ ৩৮৩

গোস্বামীদেৱৰ অপ্রকাশিত লিখনীসমূহ

২৩। ৰৱনগৰ সাহিত্য সম্মিলন ৩৯৫
২৪। বুনিয়াদী শিক্ষা ৪১৮
২৫। শিক্ষা আৰু প্রজাতন্ত্র ৪২০
২৬। জ্ঞানৰ আৰু শিক্ষাৰ পথত শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন ... ৪২৭
২৭। স্থানীয় স্বায়ত্ব শাসন ৪৩৬
২৮। মুদ্রা আৰু বিনিময় ৪৪০
২৯। হিন্দু ধর্ম ৪৪৩
৩০। ধর্ম ৪৪৯
৩১। সৰস্বতী পূজা ৪৫০
৩২। ৰবীন্দ্র নাথ ঠাকুৰ ৪৫৩
৩৩। মহাপুৰুষ শঙ্কৰাচার্য ৪৫৭
৩৪। আমাৰ টোলবোৰ ... ৪৬২
৩৫। মহাপুৰুষ সন্তুদেৱ . ৪৬৩
৩৬। এটা দৈত্য আৰু এজাক দেৱশিশু .. ৪৬৭
৩৭। অনুকৰণ .. ৪৭৩
৩৮। উমাকান্ত গোস্বামীদেৱৰ ডায়েৰীৰ কেইখিলামান পাত ... শ্রীসুব্রতা বৰুৱা ... ৪৭৬
৩৯। গোস্বামীদেৱৰ পদকসমূহ ৪৮১

উমাকান্ত গোস্বামীদেৱৰ জীৱনালেখ্য

অসমৰ অন্যতম শিক্ষাব্ৰতী উমাকান্ত গোস্বামীদেৱ মোৰ স্বামী আছিল। ১৮৯৫ চনৰ ৪ আগষ্ট তাৰিখে পলাশবাৰীৰ পৰা সাত মাইল দূৰৈত আমৰঙা সত্ৰত তেওঁৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল ৰঘুকান্ত গোস্বামী আৰু মাতৃৰ নাম সিদ্ধেশ্বৰী দেৱী। গোস্বামীদেৱৰ পথিয়ালক 'তিনিসত্ৰীয়া গোসাঁই' বুলি সকলোৱে জানিছিল। মোৰ স্বামীৰ পূৰ্বপুৰুষ আছিল প্ৰখ্যাত সন্তভূষণদেৱ।

ৰঘুকান্ত গোস্বামী বৰ সাহসী আৰু কৰ্ত্তব্য পৰায়ণ লোক আছিল। তেওঁ অকলে হাতীত উঠি অটব্য হাবিত চিকাৰ কৰিবলৈ গৈছিল। 'তাৰকাসুৰৰ যুদ্ধ' নামে এখন কিতাপো তেওঁ লিখিছিল। কিতাপখন ইংৰাজ চৰকাৰে বাজেয়াপ্ত কৰিছিল। তেওঁ কিছুমান প্ৰবন্ধও লিখিছিল। সিদ্ধেশ্বৰী দেৱীও অতি সৰল আৰু উদাৰ মনৰ মহিলা আছিল। তেওঁ অনেক লোকক সহায় কৰিছিল। সাতোটি ল'ৰা-ছোৱালীৰ ভিতৰত উমাকান্ত গোস্বামী ডাঙৰ আছিল। তেওঁৰ ভায়েক চন্দ্ৰকান্ত, মহীকান্ত আৰু ভনীয়েক চাৰিগৰাকী। উমাকান্ত গোস্বামীদেৱৰ ভাতৃ-ভগ্নীপ্ৰেম অতুলনীয় আছিল। খুড়াক পদ্মকান্ত গোস্বামীক তেওঁ বৰ শ্ৰদ্ধা কৰিছিল। পদ্মকান্ত গোস্বামী সৰুৱে পৰা নগৰত বাস কৰিছিল। উমাকান্ত গোস্বামীদেৱে হেনো সদায় মনোযোগ দি অধ্যয়ন কৰিছিল। ঠেহ্ পেচ্ একো নাছিল। মাক-পিতাকক সৰুৱে পৰা ভক্তি কৰিছিল। খুড়াকৰ লগত স্কুলৰপৰা আহি ঘৰত যি থাকে তাকে খাই গছৰ ওপৰত উঠি বাঁহী বজাইছিল। তেওঁৰ সেই প্ৰিয় বাঁহীটো আজিও সযতনে ৰখা হৈছে। গোস্বামীদেৱে নিম্ন প্ৰাইমাৰী পৰীক্ষাত বৃত্তি পাইছিল। তাৰ পিচত পলাশবাৰী মজলীয়া স্কুলত পঢ়ে। তেওঁ সৰুৱে পৰা শান্ত-স্বভাৱৰ আৰু অতি ন্যায় আৰু কৰ্ত্তব্য পৰায়ণ লোক আছিল। কাৰো ওপৰত খং অভিমান নকৰিছিল।

গোস্বামীদেৱে পলাশবাৰীত পঢ়োতে কম বয়সতে এখন কবিতাৰ পুথি লিখিছিল। তাত জোন, বেলি, তৰা, ফুল, চৰাই, আকাশ আৰু ভগৱান সম্পৰ্কীয় বহুতো কবিতা আছে। তেওঁৰ সকৰে পৰা ডায়েৰী লিখা অভ্যাস আছিল।

গোস্বামীদেৱে মঞ্জলীয়া স্কুলৰ পৰা ১৯০৯ চনত অসমৰ ভিতৰত প্ৰথম হৈ "বাবু খগেন্দ্ৰ নাৰায়ন চৌধুৰী ৰূপৰ পদক" লাভ কৰে। তাৰ পাছত কলেজিয়েট স্কুলত উচ্চ শিক্ষাৰ পাতনি মেলে। তেতিয়াৰ দিনত পলাশবাৰীৰ পৰা গুৱাহাটীলৈ অহা-যোৱা কৰাৰ যান-বাহনৰ সুবিধা নাছিল। তেওঁ গধূলি যাবতীয় বস্তু লৈ নিজৰ ঘৰৰ গৰুৰ গাড়ীত উঠি পিচদিনা পুৱাতে কামাখ্যাত থকা ঘৰ পাইছিলহি। কেতিয়াবা তেওঁ হাতী নাইবা ঘোঁৰাতো অহা-যোৱা কৰিছিল। পিছলৈ পাণবজাৰত এটা থকা ঘৰ ঠিক কৰি লৈছিল। তেওঁৰ লগত পদ্মকান্ত গোস্বামীও আহি প্ৰায়েই থাকিছিল হ। ভাত-পানী বন্ধাৰ কাৰণে গাৱঁৰ পৰা শ্ৰীকৃষ্ণ ভাগৱতী নামৰ ল'ৰা এজন আনিছিল। পিছত তেওঁক স্থায়ীভাৱে চাকৰিত নিযুক্তি দিয়ে। কেতিয়াবা ল'ৰাজন নাথাকিলে নিজেই ভাত-পানী বান্ধি খাইছিল। নিতৌ পুৱা-গধূলি মনোযোগেৰে নিজৰ পঢ়া-শুনা কৰিছিল। পাণবজাৰৰ ঘৰৰ ওচৰতে থকা ব্ৰহ্মপুত্ৰত সদায় গা ধুইছিল। পুৱা আৰু সন্ধিয়া গায়ত্ৰী আৰু ঈশ্বৰ উপাসনা নকৰাকৈ ভাত নাখাইছিল। তেওঁ শ্ৰেণীৰ ল'ৰাৰ লগত সদায় প্ৰতিযোগিতা কৰিহে পঢ়িছিল। কটন কলেজিয়েট স্কুলত পঢ়োতে প্ৰতিদিনে 'কাৰ্জন হল' লাইব্ৰেৰীৰ পৰা কিতাপ আনি পঢ়িছিল। তেতিয়াৰ দিনত অসমীয়া কিতাপ বেছি নাছিল। বঙালী কিতাপহে বেছি আছিল। 'শ্ৰীকৃষ্ণ জীৱন' 'প্ৰবাসী' ইত্যাদিৰ বাহিৰেও 'ৰাজপুত্ৰ' 'ৰাজবেশী ৰাক্ষস' 'ৰাজকোটাল মন্ত্ৰী' 'বৈশ্যপুত্ৰ' 'পৰমাৰাধ্যা পুজনীয়া আই' 'ৰাণী ভৱানী' আদি বহুতো পুথি পঢ়িছিল। তেওঁ এজন ব্ৰহ্মচাৰীৰ পৰা 'ব্ৰহ্মচৰ্য্য সাধন' নামৰ কিতাপ এখন পাই অসমীয়ালৈ অনুবাদ কৰিছিল। গোস্বামীদেৱৰ অন্তৰ ককণা আৰু কোমলতাৰে ভৰা আছিল। সকৰে পৰা খোজনীয়া

মগনীয়াক টকা পইছা দান দিছিল। খেলা-ধূলা গান-বাজনাতো তেওঁৰ বিশেষ বাপ আছিল। খেলা চাবলৈ প্ৰায়েই 'জজ্'খেল পথাবলৈ গৈছিল। নিজেও ফুটবল, বেড্‌মিণ্টন আদি খেলত পাকৈত আছিল। ডেকা কালত এছ্‌বাজ, হাৰমনিয়াম আৰু বাঁহী বজাইছিল।

১৯১৪ চনত তেওঁ কটন কলেজিয়েট স্কুলৰ পৰা অসম উপত্যকাৰ ভিতৰত প্ৰথম হৈ প্ৰবেশিকা পৰীক্ষা পাছ কৰি কেইবাটাও সোণৰ আৰু ৰূপৰ লাভ কৰে। সেই সমূহ হ'ল—"খগেন্দ্ৰ নাৰায়ণ" সোণৰ পদক। "দত্তদেৱ গোস্বামী" সোণৰ পদক। "হেমধৰ বৰুৱা" ৰূপৰ পদক। আৰু "হেমচন্দ্ৰ বৰুৱা" ৰূপৰ পদক।

১৯১৬ চনত তেওঁ কটন কলেজৰ পৰা বিশ্ববিদ্যালয়ৰ ভিতৰত ৮ম স্থান লাভ কৰি আই, এ পৰীক্ষা পাছ কৰে আৰু অসম উপত্যকাৰ ভিতৰত প্ৰথম হোৱা বাবে "ডিপক মেধি" ৰূপৰ পদক লাভ কৰে।

১৯১৮ চনত কটন কলেজৰ পৰা অৰ্থনীতি বিষয়ত সম্মান (honours) সহ বি. এ. পৰীক্ষা পাছ কৰে। আৰু বিশ্ববিদ্যালয়ৰ ভিতৰত তৃতীয় স্থান লাভ কৰি স্নাতকোত্তৰ বৃত্তি লাভ কৰে।

১৯২০ চনত তেওঁ কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা অৰ্থনীতি বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাই এম, এ পৰীক্ষা পাছ কৰে আৰু বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম হোৱা বাবে "বিশ্ববিদ্যালয় পদক" আৰু এটি "সোণৰ পদক" লাভ কৰে।

কটন কলেজত পঢ়া সময়ত অধ্যক্ষ আৰ্থাৰ ব্ৰাউন চাহাবে তেওঁক বৰ মৰম কৰিছিল, আৰু সহায়ো কৰিছিল। আৰ্থাৰ ব্ৰাউন ইংলেণ্ডলৈ যোৱাৰ পাছতো সকলো খবৰ-বাতৰি লৈ চিঠি পত্ৰেৰে যোগা-যোগ ৰাখিছিল।

১৯২৪ চনত আইন পৰীক্ষা পাছ কৰি তেওঁ ওকালতি আৰম্ভ কৰে। ওকালতি কৰি থাকোতেই তেওঁ ১৯২৫ চনত কটন কলেজত অসমীয়া বিভাগত অস্থায়ী অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে। ১৯২৬ চনত চিলেটৰ মুৰাৰি চাঁদ কলেজত অধ্যাপনা কৰে। তাত তেওঁ ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ বিষয় শিক্ষা দিছিল। পিচলৈ তাত স্থায়ী-

ভাৱে নিযুক্তি লাভ কৰে।

মুৰাৰি চাঁদ কলেজৰ ছাত্ৰ আৰু শিক্ষকসকলৰ মাজত গোস্বামীদেৱ বৰ প্ৰিয় আছিল। ছাত্ৰসকলে তেওঁক অতি শ্ৰদ্ধা আৰু ভক্তি কৰিছিল। গোস্বামীদেৱেও ছাত্ৰসকলক অপত্য স্নেহেৰে আকোঁৱালি লৈছিল।

১৯৩৩ চনত তেওঁ গুৱাহাটীলৈ আহি কটন কলেজত অৰ্থনীতিবিষয়ত অধ্যাপনা কৰিবলৈ লয়। ১৯৪৭ চনত কটন কলেজৰ উপাধ্যক্ষ আৰু ১৯৪৯ চনত অধ্যক্ষ পদত নিযুক্তি লাভ কৰে। কটন কলেজৰ দ্বিতীয় ছাত্ৰাবাসটি তিনিবছৰ তেওঁৰ তত্ত্বাৱধানত আছিল। ছাত্ৰসকলৰ কাৰোবাৰ কিবা অসুবিধা হলে তেওঁ নিজে আগবাঢ়ি গৈ সহায় কৰিছিল। দ্বিতীয় মহাসমৰৰ সময়ত তেওঁ হোষ্টেল এৰিব লগা হয়। চিলেটত থাকোঁতে অবিনাশ দৈত্যাৰি নামৰ পিতৃহীন দুখীয়া বঙালী ল'ৰা এজনক আঠ বছৰমান বয়সৰ পৰা বাখি পঢ়াই-শুনাই বি, এ, পাছ কৰাই দিছিল। অবিনাশ দৈত্যাৰি অসমত জীৱন বীমাৰ এজন বিষয়া হৈ থাকি বিয়া-বাক কৰাই শেষত পেঞ্চন আদি লৈ কলিকতাত থাকেগৈ। এইদৰে তেওঁ বহুতো দুখীয়া মানুহক সহায় কৰিছিল।

গোস্বামীদেৱে ভায়েক চন্দ্ৰকান্তক বৰ মৰম কৰিছিল। চন্দ্ৰকান্ত গোস্বামী এজন অমায়িক আৰু উদাৰ মনৰ ল'ৰা আছিল। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম, এ, পাছ কৰে। তেওঁ কিন্তু চৰকাৰী চাকৰি নকৰি ঘৰতে মাটিবাৰী আদি চলাই ঘৰখন চম্ভালি আছিল। তেওঁ মঙ্গলদৈৰ কনক চন্দ্ৰ শৰ্মাদেৱৰ জীয়াৰী শ্ৰীমতী বাসন্তী দেৱীক বিয়া কৰায়। মোৰ স্বামী ঢুকুৰাৰ প্ৰায় ছয় বছৰ পাছত ভায়েক চন্দ্ৰকান্ত ঢুকায়।

গোস্বামীদেৱে তেওঁৰ চাৰিজন ভনীজোঁৱায়েকক লগৰীয়াৰ দৰে ব্যৱহাৰ কৰিছিল। প্ৰথমজন ভনীজোঁৱায়েক ভুবনেশ্বৰদেৱ গোস্বামীয়ে পদ্মাৱতীক বিয়া কৰাইছিল। দ্বিতীয় ভনীজোঁৱায়েক গণপতি গোস্বামীয়ে হেমেক বিয়া কৰাইছিল। তৃতীয়জন ভনীজোঁৱাই, যজ্ঞেশ্বৰীদেৱীৰ স্বামীৰ নামো ভুবনেশ্বৰ গোস্বামী আছিল। তেওঁ ডক্টৰ শ্ৰীমান

অনিল গোস্বামীৰ দেউতাক আছিল। গোস্বামীদেৱৰ প্ৰথম শহুৰ আছিল সুসাহিত্যিক শিক্ষাবিদ শৰৎচন্দ্ৰ গোস্বামী।

গোস্বামীদেৱ অতি মিতব্যয়ী আৰু চাফ্-চিকুণ আছিল। কলেজলৈ যাওঁতে সদায় কোট-পেণ্ট, টাই-টুপি পিন্ধি গৈছিল। কিন্তু ঘৰত সদায় হাতে বোৱা ধুতি পিন্ধিছিল। সেই ধুতি ভনীয়েক সাবিত্ৰীয়ে বৈ দিছিল। তেওঁ কোনো মানুহকে মনত দুখ পোৱাকৈ কথা নকৈছিল। মানুহৰ দুখ-সুখৰ সমভাগী আছিল। গোস্বামীদেৱে নিজৰ ব্যক্তিগত দুখ-কষ্টৰ কথা ক'তো প্ৰকাশ নকৰিছিল। ৰাতিপুৱা উঠিয়েই সদায় ব্ৰহ্মপুত্ৰৰ পাৰলৈ ফুৰিবলৈ গৈছিল। তাৰ পিছত স্নানাদি কৰি গীতা পঢ়িছিল। গীতাৰ উল্লিখিত কেইটামান মহৎ গুণ তেওঁৰ গাতে দেখা পোৱা গৈছিল।

কটন কলেজত অধ্যাপনা কৰি থাকোঁতে শ্ৰেণীত কোনো প্ৰকাৰৰ কঠিন শব্দ ব্যৱহাৰ নকৰিছিল। সহজ-সৰল ইংৰাজীৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দান কৰিছিল। তেওঁ হাস্যৰসিক ব্যক্তি আছিল। শ্ৰেণীত পাঠদানৰ সময়তো হাস্যৰসৰ সৃষ্টি কৰিছিল। তেওঁ কোনো এটি বিষয় পঢ়াওতে সহজ ইংৰাজী, ঘৰুৱা উদাহৰণ আৰু ধেমেলিয়া ভঙ্গীৰে ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলক মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল।

১৯২২ চনৰ পৰা ১৯২৬ চনলৈ কামৰূপ অনুসন্ধান সমিতিৰ গোস্বামী অবৈতনিক সচিব আছিল। গুৱাহাটীৰ উপকণ্ঠ অঞ্চলত পুৰাতত্ত্বৰ সমল বিচৰা কাৰ্য্যত তেওঁ সক্ৰিয় ভূমিকা লৈছিল। তেওঁ শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱৰ জীৱন চৰিতখনো অনুবাদ কৰি থৈ গৈছে। ১৯৩৭ চনত অসম সাহিত্য সভাৰ সপ্তদশ অধিৱেশনত সমাজ আৰু অৰ্থনীতি শাখাৰ তেওঁ সভাপতি আছিল। ৰবনগৰ ৭ম সাহিত্য সম্মিলনৰ সভাপতি হৈ তেওঁ এটি মূল্যবান ভাষণ দিছিল। ১৯৪২ চনত বহা অসম সংস্কৃত সমিতিৰ অষ্টাদশ বাৰ্ষিক অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ আসনৰ পৰা তেওঁ এটি সাকল্য ভাষণ দিছিল। ১৯৪১ চনত তেওঁ "সমবায়" নামে এখন কিতাপ লিখে। সেই কিতাপখনত

ভাৰতৰ সমবায় আন্দোলনৰ ইতিবৃত্ত আৰু অগ্রগতিৰ বিষয়ে তেওঁ বহলাই আলোচনা কৰিছে।

সম্বন্দেৱৰ জীৱন চৰিত তেওঁৰ আন এখন মূল্যবান গ্রন্থ। গ্রন্থখনি পাণ্ডুলিপি অৱস্থাতে আছে। মাধৱ কন্দলিৰ ৰামায়ণখনৰ এটি মূল্যবান পাতনিও তেওঁ লিখিছিল। ৰামায়ণ খনৰ ৰাবে অধ্যাপক উপেন্দ্র চন্দ্র লেখাকৰ লগত যুটীয়াভাৱে সাঁচিপাতৰ পুথিৰপৰা পাঠ উদ্ধাৰ কৰিছিল। নগাৱৰ পণ্ডিত কনকচন্দ্র শর্মাই সেই গ্রন্থখনি ছপা কৰি উলিয়াইছিল। "নিবন্ধুৱা অনুসন্ধান কমিটি"; "অর্থনৈতিক অনুসন্ধান কমিটি" আদি প্রবন্ধৰ দ্বাৰা তেওঁ বহুতো মূল্যবান তথ্য আগবঢ়াইছিল।

কটন কলেজখনক তেওঁ নিজৰ ঘৰৰ দৰে ভাবিছিল। কলেজৰ ছাত্রসকলৰ মাজত কাজিয়া-পেচাল লাগিলে ধীৰ-স্থিৰ ভাবে মীমাংসা কৰি দিছিল। তেওঁৰ মূৰৰ ওপৰেদি বহুতো সমস্যাৰ ধুমুহা বৈ গৈছিল, যদিও তেওঁ অকণো ধৈর্য্য নেহেকৰাকৈ সকলো কাম নিয়াৰিকৈ কৰি গৈছিল। ভায়েকহঁতৰ পঢ়া সময়তে পিতাক-খুড়াক ঢুকুৱাত তেওঁ সকলো দায়িত্ব নিজে মূৰ পাতি লৈছিল। প্রতি শনিবাৰে চাইকেলেৰে গাৱঁৰ ঘৰলৈ গৈ সোমবাৰ ৰাতিপুৱা আহি ক্লাছ কৰিছিল। তদুপৰি জাগী, মায়ং, ক্ষেত্রী আদিলৈ গৈ 'শিখা ফুৰিছিল'। ১৯৫০ চনত শিক্ষা বিভাগৰ অধিকর্ত্তা হৈ গোস্বামীদেৱ ছিলঙলৈ যায়। তাত সুখ্যাতিৰে কাম কৰি ১৯৫৪ চনত পেঞ্চন লাভ কৰে।

গোস্বামীদেৱে দুবাৰ সংসাৰ কৰিব লগা হৈছিল। প্রথমবাৰ অসমৰ শিক্ষা বিভাগৰ পৰিদর্শক ৺শৰৎচন্দ্র গোস্বামীদেৱৰ জ্যেষ্ঠা কন্যা প্রতিভাদেৱীক বিয়া কৰায়। এটি পুত্র আৰু এজনী ছোৱালী এৰি থৈ প্রতিভা দেৱীয়ে ইহলীলা সম্বৰণ কৰে। পুত্রৰ নাম শ্রীদেৱব্রত গোস্বামী। তেওঁ অসম ইঞ্জীনিয়াৰিং কলেজৰ অধ্যক্ষ আছিল। তেওঁৰ পত্নী শ্রীমতী সৱিতা। গোস্বামীদেৱৰ প্রথম জীয়াৰী উচ্চ শিক্ষিতা শ্রীমতী সুব্রতা বৰুৱা। তেওঁৰ স্বামী ৺কমলেশ্বৰ বৰুৱা। প্রতিভা

দেৱীৰ মৃত্যুৰ পাছত তেওঁ মোক বিয়া কৰায়।

আমাৰ পিতৃৰ পূৰ্বপুৰুষ বিখ্যাত বুৰঞ্জীবিদ কাশীনাথ তামুলি ফুকন। মোৰ পিতৃৰ নাম দুৰ্গানাথ ফুকন। দুৰ্গানাথ ফুকনৰ মোমায়েক আছিল স্বনামধন্য সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। মোৰ মাতৃৰ নাম আছিল ভগৱতী দেৱী।

আমাৰ দুজন ল'ৰা। সত্যব্ৰত আৰু শিৱব্ৰত আৰু দুই বোৱাৰী ক্ৰমে শ্ৰীমতী বেলি আৰু শ্ৰীমতী কমলা। আমাৰ তিনিগৰাকী কন্যা ক্ৰমে ড' শ্ৰীমতী ইন্দিৰা (মামণি), শ্ৰীমতী সবিতা আৰু শ্ৰীমতী অৰুন্ধতী। তিনিগৰাকী জোঁৱাই যথাক্ৰমে ৺মাধৱেন্দ্ৰ বৰুৱা, শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা আৰু শ্ৰীজ্যোতিৰ্ময় গোস্বামী।

মোৰ স্বামী আৰু দেওৰ চন্দ্ৰকান্ত গোস্বামীয়ে আমৰাডা ৰবিহাট অঞ্চলৰ লোকৰ হিতাৰ্থে চিকিৎসালয়, প্ৰাথমিক বিদ্যালয়, উচ্চ বিদ্যালয় আদি পতাত আগভাগ লৈছিল। সেইবোৰ অনুষ্ঠানক ৰূপ দিয়াত মাটি বৃত্তি দান কৰিছিল, তথা আৰ্থিক সাহায্য আগবঢ়াইছিল। ভতিজাক ৰতকান্ত গোস্বামীক সকৰেপৰা লগত ৰাখি বি, এছ, ছি পাছ কৰাই সেই হাইস্কুলতে সুবিধা কৰি দিছিল। শেষত তেওঁ প্ৰধান শিক্ষক হৈছিল। তেখেতে গাঁৱৰ সকলো শ্ৰেণীৰ মানুহৰ লগত ঘনিষ্ঠ সম্বন্ধ ৰাখি বহুতক বিপদ-আপদত সহায় কৰিছিল।

অৱসৰ কালত তেওঁ বহুত কামেই কৰিম বুলি ভাবিছিল যদিও আশা পূৰণ নহ'ল। গোস্বামীদেৱৰ বহুতো লিখনী, প্ৰবন্ধ-পাতি, অন্যান্য ৰচনা আদি হাতে লিখা অৱস্থাতে সিচঁৰিত হৈ আছিল। বহুত দিনৰ পাছত সেই ৰচনাখিনি গোটাই এখন পুথিৰ আকাৰে, উলিওৱাৰ প্ৰয়াস কৰা হৈছে। এইবোৰত বহুত ভুল-ভ্ৰান্তি থাকিব পাৰে, কাৰণ ৰচনাখিনি বহুত পুৰণি। মোৰ ছোৱালী, দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড' শ্ৰীমতী মামণিয়ে লিখাবোৰ ঠিকঠাক লগাই দিয়াৰ বাবে তাইক আশীৰ্বাদ দিলো। মোৰ পুত্ৰ-বোৱাৰী আৰু জী-জোঁৱাই-সকলে পুথিখন প্ৰকাশ কৰাৰ বাবে সততে উৎসাহ দিয়া বাবে

তেওঁলোকৰ শলাগ ললো।

মোৰ স্বামীৰ শিক্ষা আৰু কৰ্মজীৱনৰ সৈতে নিবিড়ভাৱে জড়িত থকা কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অকুণ্ঠ চিত্তে প্ৰবন্ধাদি আগবঢ়াই গ্ৰন্থখনিৰ সৌষ্ঠৱ বঢ়াই আমাক চিৰঋণী কৰি ৰাখিছে। সিসকল মহান ব্যক্তিৰ প্ৰতি আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। গ্ৰন্থখনি প্ৰকাশ কৰাৰ কাৰণে মাজে-সময়ে উদগনি দি থকা শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু শ্ৰীমান শুভচন্দ্ৰ বৰুৱাৰো শলাগ লৈছো।

শেষত আমাৰ স্নেহাস্পদ, বাণীকান্ত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীকনকচন্দ্ৰ ডেকাই গ্ৰন্থখনিৰ প্ৰবন্ধাদি যুগুত কৰাৰে পৰা সম্পাদনা আদি বিভিন্ন দিশত সহায় কৰি দি আমাৰ আশীৰ্বাদৰ পাত্ৰ হৈছে। ড° হেমন্ত শৰ্মাদেৱে কিতাপখন চকু ফুৰাই দিয়া বাবে তেওঁ আমাৰ শলাগৰ পাত্ৰ হৈছে।

সদৌশেষত উদয়ণ ছপাশালৰ স্বত্বাধিকাৰিণী শ্ৰীমতী লাৱণ্য গোস্বামীয়ে বিশেষ তৎপৰ হৈ গ্ৰন্থখনি ছপাই দি আমাৰ আশীৰ্বাদৰ পাত্ৰী হৈছে।

গুৱাহাটী
৪ আগষ্ট, ১৯৯০ ইং

শ্ৰীঅম্বিকাদেৱী গোস্বামী

অধ্যাপক মথুরা নাথ গোস্বামীর সৈতে উমাকান্ত গোস্বামীদের

কটন কলেজৰ অধ্যক্ষ আর্থাৰ ব্রাউনৰ সৈতে গোস্বামীদের

কটন কলেজৰ অধ্যাপক সকলৰ সৈতে গোস্বামীদের।

VICEREGAL LODGE, SIMLA

By Command

of

HIS MAJESTY
THE KING-EMPEROR

the accompanying Medal is forwarded

to

Sj. Uma Kanta Goswami

to be worn in commemoration of

Their Majesties' Coronation

12th May, 1937

গোস্বামীদের রচনাবলী

সমবায়।

(A study of the Co-operative Movement in India and abroad with special reference to Assam)

শ্রীউমাকান্ত গোস্বামী এম, এ ; বি, এল
অধ্যাপক, কটন কলেজ
গুৱাহাটী।

প্রথম সংস্কৰণ

[এই কিতাপখন ১৯৪১ ইং চনত লেখা হৈছিল ; গতিকে সেই সময়ৰ লেখা হিচাবেহে ইয়াক লোৱা উচিত।]

১৯৪১

Published by the AUTHOR,
Gauhati.

৮৫নং অপার চারকুলার রোড, কলিকাতা
'ভারতমিহির' যন্ত্র,
শ্রীমুগলচরণ দাসর দ্বারা মুদ্রিত।

মূল্য ২ টকা

"If the system of co-operation can be introduced and utilized to the full, I foresee a great and glorious future for the agricultural interests of the country."

(His Majesty the King Emperors' Speech on 13th December 1911)

If co-operation fails, there will fail the best hope of rural India.

(The Royal Commission on Agriculture.)

গাতনি।

আজি কেইবছৰমানৰ পৰা অকল অসমত নহয় গোটেই ভাৰতবৰ্ষতে সমবায় সমিতিবিলাকৰ অৱস্থা দিনক দিনে বেয়া হৈ আহিছে যুলি এটা নৈৰাশ্যৰ ভাবে দেখা দিছে। ভাৰতবৰ্ষৰ কেইবাখনো প্ৰদেশৰ চৰকাৰী ৰিপোৰ্ট আদিতো কেই-বছৰমানৰ পৰা এই ভাবটো স্পষ্টৰূপে প্ৰকাশ পাইছে। এই অৱস্থাৰ কাৰণ অনুসন্ধান আৰু তাৰ পৰা উদ্ধাৰৰ উপায় আলোচনা কৰিবৰ অৰ্থে প্ৰায় প্ৰত্যেক প্ৰদেশতে নানা প্ৰকাৰ কমিটি, বোৰ্ড আদিও পতা হৈছে। অসম গৱৰ্ণমেণ্টেও এনেকুৱা এখনি বোৰ্ড গঠন কৰি কাম হাতত লৈছে।

আদিতে সমবায় আন্দোলনৰ পৰা ভাৰতবষৰ নানা প্ৰকাৰ আৰ্থিক সমস্যাৰ সমাধান হব বুলি আশা কৰা গৈছিল। এই সমবায় আন্দোলন সম্বন্ধেই এদিন কোৱা হৈছিল "If co-operation fails, there will fail the best hope of rural India". সমবায় আন্দোলনৰ পৰা যি খিনি কাম পোৱা হৈছে তাৰ পৰিমাণ নিচেই সামান্য নহয়। এতিয়া দুৱৱস্থাৰ সময়ত কিংকৰ্ত্তব্য-বিমূঢ় হৈ বহি নেথাকি এই আন্দোলনটোক বঁচাই ৰাখিবলৈ যত্ন কৰা সকলো ভাৰতবাসীৰে কৰ্ত্তব্য।

বিচাৰ কৰি চালে সমবায় সমিতিবিলাকৰ অধিকাংশৰে অবনতিৰ কাৰণ দুটা দেখা যায়। এটা হৈছে সমিতি পতা সময়তে হোৱা কেতবোৰ ভুল আৰু আনটো হৈছে কেতবোৰ জগতব্যাপী আৰ্থিক সঙ্কট, যাৰ প্ৰতিকাৰৰ উপায় কোনো এখন বিশেষ প্ৰদেশ বা দেশৰ হাতত নাই। আজি কালিৰ ঋণ সম্বন্ধীয় কেইটা মান আইনৰ পৰাও এপিনে ভাল কৰিবলৈ চাওঁতে আন পিনে সমবায় সমিতি-বিলাকৰ ওপৰত এটা ডাঙৰ আঘাত পৰি গোটেই দেশৰে ভয়ানক অপকাৰ হব পাৰে বুলি ভয় হৈছে। আশাকৰোঁ। বৰ্ত্তমান সময়ত যিবোৰ সমিতি লোপ পাবলগীয়া হৈছে আৰু সমবায় আন্দোলনত যিবোৰ দুৰ্ব্বলতা দেখা গৈছে সেইবোৰৰ এটা নিৰাকৰণ হৈ যোৱাৰ পিছত এই আন্দোলনে এটা নতুন জীৱন লাভ কৰিব।

সমবায়ৰ পৰা যদি আমি আশাৰ অনুৰূপে উপকাৰ পোৱা নাই সেইটো সমবায় নীতিৰ কোনো দোষৰ বাবে নহয়, তাক ভালদৰে কামত খটাব নজনাৰ বাবে হে। এইটো কথালৈ আমি মন কৰা উচিত যে বৰ্ত্তমান যুগত নানা প্ৰকাৰ

আৰ্থিক আৰু ৰাজনৈতিক মতবাদ আৰু বিপ্লবৰ মাজতো, কোনো ঠাইতে সমবায় নীতিৰ নিন্দা আজিলৈকে কেৱে ক'তো কৰিব পৰা নাই। ইংলণ্ড, জাৰ্মেনি, ইটালি, ৰুচিয়া, জাপান, আমেৰিকা আদি সকলো দেশতে সমবায় নীতিৰ প্ৰতি আগ্ৰহ সমানেই আছে।

সমবায়ৰ উন্নতিৰ প্ৰধান অবলম্বন হৈছে জনসমূহৰ মাজত সমবায় নীতিৰ প্ৰচাৰ। যি যি ঠাইত সমবায় সমিতিৰ দুৰবস্থা ঘটিছে তাত সেই দুৰবস্থাৰ বাবে কাক দোষ দিয়া উচিত তাকে বিচাৰ কৰোঁতে সকলোখিনি সময় নকটাই বাইজৰ মাজত সমবায় নীতিৰ যাতে ভালদৰে প্ৰচাৰ হয় তাৰ বাবে চেষ্টা কৰাহে প্ৰকৃত কাৰ্য্যকৰী আৰু গঠনমূলক কাম হব। সমবায় নীতি সম্বন্ধে মানুহৰ প্ৰকৃত ধাৰণা উপজিলে তালৈ আটাইবে আগ্ৰহ নোহোৱাকৈ নাথাকে আৰু তাৰ পৰাই ইয়াৰ উন্নতিৰ বাট মুকলি হব।

সমবায় সম্বন্ধে সৰ্ব্বসাধাৰণৰ পাঠ্য এখনি কিতাপ লিখিবৰ নিমিত্তে আজি বহুত বছৰ আগতে ৰায় বাহাদুৰ শ্ৰীযুত ৰাধানাথ ফুকন ডাঙ্গৰীয়াই তেখেত অসম সমবায় বিভাগৰ ৰেজিষ্ট্ৰাৰৰ হৈ থকা কালতে মোক কয়। তেখেতৰ পিছত আন আন কেবাজনো ৰেজিষ্ট্ৰাৰে আৰু লগে লগে অসমৰ শিক্ষা বিভাগেও এই ধৰণৰ এখনি কিতাপৰ আৱশ্যক আছে বুলি মাজে সময়ে উল্লেখ কৰে। সময়ৰ অভাৱত আৰু নানা প্ৰকাৰ অসুবিধাৰ কাৰণে ইমান দিনৰ পিছত হে এই কিতাপখনি প্ৰকাশ কৰিব পৰা হ'ল।

এই কিতাপত সমবায় সম্বন্ধে প্ৰাথমিক কথাখিনি চাৰিটা অংশত লিখিবৰ চেষ্টা কৰিছোঁ। প্ৰথমতে সমবায় কাক বোলে আৰু তাৰ উদ্দেশ্য আদি আলোচনা কৰা হৈছে। দ্বিতীয় অংশত বৰ্ত্তমান জগতত সমবায় আন্দোলনৰ অৱস্থা সম্বন্ধে দুই এটা কথা কৈ তৃতীয় অংশত ভাৰতীয় সমবায় আন্দোলন সম্বন্ধে এটি চমু আভাস দিবৰ চেষ্টা কৰা হৈছে। শেহৰ অংশত অসমৰ সমবায় আন্দোলন সম্বন্ধে সংক্ষেপ আলোচনা কৰা হৈছে। এই প্ৰাথমিক কিতাপত সমবায় সম্পৰ্কীয় কোনো জটিল কথা আলোচনা কৰিবলৈ যোৱা নাই। যি সকল মানুহ সমবায় সম্বন্ধে বিশেষজ্ঞ তেওঁলোকৰ পক্ষে নতুনকৈ জানিবলগীয়া কোনো কথা ইয়াত নাই বুলি সৰলভাবে মই এইখিনিতে কৈ থোৱা উচিত। আমাৰ দেশৰ যি সকল মানুহৰ বাবে সমবায় সমিতিৰ বিশেষ দৰকাৰ তেওঁলোকক এটা সাধাৰণ আভাস দিবৰ উদ্দেশ্যত হে ইয়াক লিখা হৈছে। মই এই কাৰ্য্যত কিমান দূৰ কৃতকাৰ্য্য হৈছোঁ তাক সহৃদয় পাঠক সকলে বিচাৰ কৰিব।

১৯১২ চনৰ ভাৰতীয় সমবায় আইন (The Indian Co-operative Societies Act of 1912) আৰু ১৯৩৩ চনত অসম গৱৰ্ণমেণ্টে কৰা সমবায় আইনৰ (Rules made by the Government of Assam) অসমীয়া ভাঙনি এটি কৰি এই কিতাপখনিৰ শেষৰ ফালে দিবৰ ইচ্ছা আছিল। কিন্তু তাৰ পৰা কিতাপৰ আকাৰ বহুত ডাঙৰ হয় আৰু আইন দুখনৰো বেগেতে পৰিবৰ্ত্তন হব বুলি কথা হৈ আছে দেখি তাক এই বাৰলৈ দিয়া নহল।

এই কিতাপৰ কথাখিনি লিখোতে সমবায় বিভাগৰ কেবাজনো কৰ্ম্মচাৰীৰ পৰা উৎসাহ আৰু পৰামৰ্শ পাইছোঁ। তেখেত সকলৰ মাজত মোৰ শ্ৰদ্ধেয় বন্ধু, সমবায় বিভাগৰ এচিষ্টেণ্ট ৰেজিষ্ট্ৰাৰ শ্ৰীযুক্ত ক্ষীৰোদবিহাৰী লোম আৰু সমবায় শিক্ষা বিভাগৰ ইনিস্পেক্টৰ শ্ৰীযুত ৰামপ্ৰসাদ বেজবৰুৱাৰ নাম বিশেষকৈ উল্লেখ কৰিবলগীয়া। তেখেত সকলক আৰু আন আন যি সকলে এই কিতাপখনি প্ৰকাশ কৰাত মোক উৎসাহ দিছে আচাইকে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। এই কিতাপখনিয়ে বাইজৰ আদৰ পালে ভবিষ্যতলৈ বেলেগ বেলেগ প্ৰকাৰৰ সমিতি সম্বন্ধে সূক্ষ্মভাবে আলোচনা কৰিবলৈ মোৰ আশা থাকিল। ইতি—

গুৱাহাটী, কটন কলেজ,
১৯৪১

শ্ৰীউমাকান্ত গোস্বামী

সূচী পত্র।

প্রথম অধ্যায়।

সমবায় আন্দোলনৰ উৎপত্তি।

১। ভাৰত সম্রাট আৰু ভাৰতীয় কৃষি কমিচনৰ উক্তি ... ২৩
২। সমবায় (co-operation) কথাৰ অৰ্থ ২৩
৩। বৰ্ত্তমান পাশ্চাত্য সভ্যতা আৰু প্রতিযোগিতা ... ২৪
৪। প্রতিযোগিতামূলক সভ্যতাৰ উৎপত্তি—শিল্পবিপ্লব (Industrial Revolution) আৰু তাৰ পৰিণাম ... ২৬
৫। প্রতিযোগিতাৰ প্রতিকাৰৰ অৰ্থে সমবায় ... ২৮
৬। সমবায়ে দুখীয়া মানুহক কি প্রকাৰে সহায় কৰিব পাৰে .. ২৮
৭। ভাৰতবৰ্ষৰ সমস্যা ৩০
৮। ভাৰতবৰ্ষৰ খেতিয়ক ৩০
৯। ভাৰতবৰ্ষৰ খেতিয়কৰ দৰিদ্রতা ৩১

দ্বিতীয় অধ্যায়।

সমবায় সমিতি।

১০। সমবায় কাক বোলে ? ৩৩
১১। সমবায় ঋণ সমিতি ৩৪
১২। অঋণ সমবায় সমিতি ৩৫
১৩। আমাৰ দেশত সমবায় বিভাগৰ গঠন (Co-operative organisation). ৩৬
১৪। প্রাথমিক সমিতি (Primary Society) ... ৩৬
১৫। কেন্দ্রীয় সমিতি (Central Bank). ৩৮
১৬। প্রাদেশিক বেঙ্ক (Provincial or Apex Bank) ... ৩৯
১৭। সৰ্ব্বভাৰতীয় কো-অপাৰেটিভ্ বেঙ্কৰ পৰিকল্পনা ... ৪০

তৃতীয় অধ্যায়।

সমবায় জগত—পৃথিবীৰ দেশ বিদেশত সমবায়।

১৮। ইউৰোপত সমবায়ৰ আৰম্ভ ৪২
১৯। জার্ম্মেনিত সমবায় ৪২

২০। ৰাফেজন (Raiffeisen) ৪৩
২১। চুল্‌জ্‌ ডিলিট্‌চ্‌ (Schulze Delizsch) ৪৫
২২। জাৰ্মেণিত ৰাফেজন আৰু চুল্‌জ্‌ ডিলিট্‌চ্‌ৰ দুই প্ৰকাৰৰ সমবায় ৪৬
২৩। ৰাফেজন সমিতিৰ মূল দহোটা নীতি ৪৯
২৪। সমবায়ৰ দহোটা মূল নীতিৰ উদ্দেশ্য ৫০
২৫। ৰাফেজন সমিতিৰ পৰা জাৰ্মেনিৰ উন্নতি ৫৫
২৬। চুল্‌জ্‌ ডিলিট্‌চৰ সমিতি ৫৬
২৭। ৰাফেজন আৰু চুল্‌জ্‌ ডিলিট্‌চৰ সমবায়ৰ মাজত প্ৰভেদ ... ৫৭
২৮। ইটালিত সমবায় আন্দোলন ৫৯
২৯। ইংলণ্ডত সমবায় ৬২
৩০। আয়ৰ্লণ্ডত সমবায় ৬৬
৩১। ডেনমাৰ্কত সমবায় ৬৮
৩২। ইউৰোপৰ আন আন দেশত সমবায় ৭০
৩৩। ফেচিজ্‌ম্‌, কমিউনিজ ম্‌ আৰু সমবায় (Fascism, Communism and Co-operation) ৭০
৩৪। জাপানত সমবায় ৭১
৩৫। বৰ্ত্তমান যুগত সমবায় আন্দোলনৰ গুৰুত্ব ৭৫

চতুৰ্থ অধ্যায়।

ভাৰতবৰ্ষৰ অৰ্থিক সমস্যা।

৩৬। আমাৰ দেশত কৃষিৰ প্ৰাধান্য ৭৬
৩৭। আন আন দেশত বেলেগ বেলেগ ব্যৱসায়ত নিযুক্ত মানুহৰ সংখ্যা ৭৬
৩৮। বৃটিচ ভাৰতবৰ্ষত বেলেগ বেলেগ ব্যৱসায়ত নিযুক্ত মানুহৰ সংখ্যা ৭৭
৩৯। আমাৰ দেশৰ আৰু আন আন দেশৰ মানুহৰ পাইপতি আয়ৰ তুলনা ৭৯
৪০। ভাৰতবৰ্ষৰ আৰু আন আন দেশৰ খেতিৰ তুলনা ... ৮২
৪১। ভাৰতবৰ্ষৰ খেতিয়ক সম্বন্ধে অৰ্থনীতিজ্ঞ সকলৰ মত ... ৮২

২৪। খেতিয়কৰ ঋণ—এই ঋণ কেনেকৈ বৃদ্ধি পায় ৮৪
৪৩। আমাৰ দেশত কৃষিঋণৰ পৰিমাণ আৰু বেলেগ বেলেগ প্ৰদেশত সুতৰ হাৰ ৮৫
৪৪। খেতিয়কৰ ঋণ হোৱাৰ কাৰণ ৮৬
৪৫। অসমত খেতিয়কৰ ঋণ ৮৯

পঞ্চম অধ্যায়।

ভাৰতবৰ্ষত সমবায় আন্দোলন।

৪৬। ভাৰতবৰ্ষৰ সমবায় আন্দোলনৰ ইতিহাস ৯০
৪৭। ভাৰতবৰ্ষত আগৰে পৰা চলি অহা কেতবোৰ সমবায়মূলক অনুষ্ঠান—"কুত্তচিৎ" আৰু "নিধি" ৯০
৪৮। ভাৰতবৰ্ষত সমবায় আইন হোৱাৰ পূৰ্ব্ববৰ্ত্তী অবস্থা ... ৯৩
৪৯। ১৯০৪ চনৰ সমবায় ঋণ সমিতিৰ আইন (Co operative Credit Societies Act of 1904) ... ৯৫
৫০। ১৯০৪ চনৰ আইনৰ ফলে সমবায় সমিতিৰ বৃদ্ধি আৰু নতুন আইনৰ আৱশ্যকতা ৯৭
৫১। ১৯১২ চনত সমবায় আইন (Co-operative Societies Act of 1912) ৯৮
৫২। মেক্‌লাগান কমিটি ৯৯
৫৩। ১৯১৯ চনৰ শাসন সংস্কাৰ আৰু সমবায়—প্ৰাদেশিক সমবায় তদন্ত কমিটি ১০২
৫৪। ১৯৩৫ চনৰ শাসন সংস্কাৰ আৰু সমবায় ১০৩

ষষ্ঠ অধ্যায়।

সমবায় সমিতিৰ শ্ৰেণী বিভাগ আৰু সমবায় সংগঠন

৫৫। সমবায় সমিতিৰ শ্ৰেণীবিভাগৰ বেলেগ বেলেগ প্ৰণালী ... ১০৪
৫৬। ভাৰত গবৰ্ণমেণ্টৰ শ্ৰেণীবিভাগ ১০৭
৫৭। ভাৰতীয় সমবায় সংগঠন (Co-operative organisation) আৰু নানাপ্ৰকাৰৰ সমিতি ১০৮

৫৮। নানাপ্রকাৰৰ অঋণ কৃষি সমিতি ১০৯
৫৯। কৃষি ভিন্ন অন্য বিষয়ৰ ঋণ সমিতি ১০৯
৬০। কৃষি ভিন্ন অন্য বিষয়ৰ অঋণ সমিতি ১১০
৬১। ভাৰতবৰ্ষৰ ভিন ভিন প্ৰদেশত প্ৰাথমিক সমবায় সমিতিৰ সংখ্যা ১১১

সপ্তম অধ্যায়।

প্ৰাথমিক সমবায় সমিতি আৰু কিছুমান সমবায় মূলক বিশেষ অনুষ্ঠান।

৬২। প্ৰাথমিক সমিতি পতা আৰু চলোৱা নিয়ম ১১২
৬৩। প্ৰাথমিক সমিতিয়ে টকা তে'লাবে উপায় ১১৩
৬৪। প্ৰাথমিক সমিতি চলোৱাৰ কিছুমান সাধাৰণ নিয়ম ... ১১৪
৬৫। "ধঞ্চগোলা" (Grain Bank or Grain Society) ১১৫
৬৬। বীজ সমিতি (Seed Socity) ১১৬
৬৭। জমিবন্ধক সমবায় সমিতি (Land Mortgage Co-operative Society) ১১৭
৬৮। অঋণ সমবায় (Non Credit Co-operation) ১১৯
৬৯। মালবস্তু কিনা আৰু টক ধাৰে দিয়া সমিতি (Purchase and Credit Society) ১১৯
৭০। সমবায় ভঁৰাল (Co-operative Store) ১২০
৭১। সমবায় ঋণ আৰু বিক্ৰি সমিতি (Co-operative Credit and Sale Society) ১২১
৭২। বিক্ৰি সমবায় সমিতি (Co-operative Sale Society) ... ১২২
৭৩। বস্তু কিনা আৰু বিক্ৰিকৰা সমিতি (Co operative Purchase and Sale Society) ১২২
৭৪। সমবায় উৎপন্ন সমিতি (Co-operative Production) ... ১২৩
৭৫। শ্ৰমিকৰ সমবায় (Labour Society) ১২৫
৭৬। উৎপন্ন আৰু বিক্ৰি সমবায় (Production and Sale Society) ১২৫
৭৭। ঘৰ সজা সমিতি (Co-operative Housing Society) ... ১২৬
৭৮। আমাৰ দেশৰ গৰু ম'হৰ অৱস্থা ১২৭
৭৯। গৰু পোহা সমিতি (Cattle Breeding Society) ... ১২৯

৮০। গৰু মহ বীমা কৰা সমিতি (Cattle Insurance Society) ১২৯
৮১। খেতিৰ জমি গঠন কৰা সমিতি (Society for consolidation of holdings) ১৩০
৮২ খেতিৰ উন্নতিৰ অৰ্থে আন আন সমিতি ১৩১
৮৩। আন আন নানা তৰহৰ সমিতি ১৩২
৮৪। মৰাপাটৰ সমিতি (Jute control Co-operation ... ১৩২
৮৫। গাঁও সংগঠন সমিতি (Rural Reconstruction Society) ১৩৪
৮৬। 'গোঁসাবা'ত চাৰ ডেনিয়েল হেমিল্টনৰ সমবায় প্ৰণালী ... ১৩৫
৮৭। গোসাবাৰ বাহিৰে আন আন ঠাইত অনুষ্ঠান ... ১৩৮
৮৮। অসমত এই প্ৰকাৰ অনুষ্ঠানৰ ঠাই আৰু আৱশ্যকতা ... ১৩৯

অষ্টম অধ্যায়।

কেন্দ্ৰীয় সমিতি।

৮৯। কেন্দ্ৰীয় বেঙ্ক্ আৰু বেঙ্কিং ইউনিয়ন (Central Bank and Banking Union) ... ১৪০
৯০। ইউৰোপৰ আৰু আমাৰ দেশৰ কেন্দ্ৰীয় সমিতি ... ১৪০
৯১। কেন্দ্ৰীয় সমিতিৰ কাম ১৪১
৯২। কেন্দ্ৰীয় সমিতি চলোৱাৰ নিয়ম ১৪১
৯৩। প্ৰাদেশিক বেঙ্ক্ (Provincial or Apex Bank) ... ১৪৩
৯৪। সৰ্ব্বভাৰতীয় সমবায় সমিতি (All India Co-operative Organisation) ১৪৪
৯৫। প্ৰাথমিক সমিতি, কেন্দ্ৰীয় সমিতি আৰু প্ৰাদেশিক বেঙ্ক্ বিলাকৰ কেইখনমান প্ৰদেশত সুতৰ হাৰ ... ১৪৬

নবম অধ্যায়।

ভাৰতীয় সমবায় আন্দোলন সম্বন্ধে কেইটামান কথা।

৯৬। ভাৰতীয় সমবায়ৰ কেইটামান প্ৰধান ত্ৰুটি ... ১৪৭
৯৭। সমবায় আৰু মহাজন ১৪৯
৯৮। সমবায় আৰু আমাৰ গৱৰ্ণমেণ্ট ১৫০

৯৯। বর্ত্তমান সময়ৰ সমবায় আন্দোলনৰ ওপৰত নতুন
কিছুমান আইনৰ প্ৰভাব ১৫১
১০০। বৰ্ত্তমান সময়ৰ অৰ্থনৈতিক পৰিকল্পনা (Economic
Planning) ইত্যাদি ১৫২

দশম অধ্যায়।

সমবায় আৰু শিক্ষা (Co-operation and Education)

১০১। সমবায় সমিতি পৰিচালনৰ নিমিত্তে বিশেষ শিক্ষা ... ১৫৩
১০২। সমবায়ৰ আদৰ্শ আৰু সাধাৰণ শিক্ষা ১৫৪

একাদশ অধ্যায়।

(১) অসমত সমবায় (নানা প্ৰকাৰৰ সমিতিৰ বিবৰণ)।

১০৩। অসমত সমবায় আন্দোলনৰ আৰম্ভ ১৫৬
১০৪। অসম ভেলি আৰু সুৰমা ভেলিৰ সমবায় ১৫৭
১০৫। অসম আৰু আন আন প্ৰদেশৰ সমবায়ৰ তুলনা ... ১৫৮
১০৬। অসমত বেলেগ বেলেগ প্ৰকাৰৰ সমিতিৰ সংখ্যা ... ১৫৯
১০৭। অসমৰ কৃষিঋণ সমিতি ১৬০
১০৮। অসমৰ অকৃষি ঋণ সমিতি (Non agricultural Society) ১৬৩
১০৯। অসমৰ জমিবন্ধক সমবায় সমিতি (Co-operative
Land Mortgage Bank) ১৬৪
১১০। অসমৰ অঋণ সমবায় (Non Credit Co-operative) ... ১৬৭
(ক) সমবায় ভাণ্ডাৰ (Co-operative Stores) ... ১৬৭
(খ) গাখীৰৰ সমিতি (Milk Societies) ... ১৬৭
(গ) জমিৰ উন্নতিৰ অৰ্থে পতা সমিতি (Land
Improvement Society) ১৬৮
(ঘ) মাছৰ সমিতি (Fishery Society) ১৬৮
(ঙ) পৰস্পৰ সহায়ৰ অৰ্থে সমিতি (Mutual
Benefit Society) ১৬৮
(চ) সমবায় বীমা সমিতি (Co-operative
Insurance Society) ১৬৮

(ছ) গাওঁৰ উন্নতি সাধিনী সমিতি (Village Welfare and Better living Society) ... ১৬৯
(জ) নৈশ স্কুল (Night School) ১৬৯
(ঝ) সমবায় সংগঠন সমিতি (Co-operative Organisation Society) ১৭০
(ঞ) বোৱা কটা সমিতি (Weaving Society) ... ১৭০
(ট) শ্রীহট্ট নগৰত মাইকী মানুহক মিতব্যয়িতা শিকোৱা সমিতি (Women's Co-operative Thrift and Home Saving Society) ১৭০
১১১। অসমৰ কেন্দ্রীয় সমবায় সমিতি (Central Bank in Assam) ১৭১
১১২। অসম প্রাদেশিক সমবায় বেংক (Assam Provincial Co-operative Bank) ... ১৭২

দ্বাদশ অধ্যায়।

(২) অসমত সমবায়—অসমৰ সমবায় সমিতিৰ পৰিচালন সম্বন্ধে আলোচনা।

১১৩। "অসীমাবদ্ধ দায়িত্ব" (Unlimited liability) কথাৰ অর্থ ১৭৪
১১৪। সমবায়ত যোগ দিয়া মানুহ কি প্রকাৰৰ হব লাগে ... ১৭৭
১১৫। অগেইনাজাৰৰ কর্ত্তব্য আৰু সাধাৰণ সভাত কৰিব লগীয়া কথা ১৭৭
১১৬। কি দৰে সমিতিলৈ টকা আহিব ১৮০
১১৭। সমিতিয়ে টকা ধাৰলৈ দিওঁতে লক্ষ্য কৰিব লগীয়া কথা
১১৮। মূল দহোটা কথা ১৮২
১১৯। সীমাবদ্ধ দায়িত্বৰ অকৃষি ঋণ সমিতি (Non-agricultural Societies with limited liability) ... ১৮৪
১২০। অসমৰ সমবায় আন্দোলনৰ কেইটা মান ত্রুটি আৰু তাক দূৰ কৰিবৰ উপায় ১৮৬

A select bibliography of Co-operative literature.

সমবায়।

প্রথম অধ্যায়।

সমবায় আন্দোলনৰ উৎপত্তি।

১। ভাৰতত সমবায়ৰ সম্পূৰ্ণৰূপে প্ৰচাৰ হলে ভাৰতীয় কৃষকৰ এটা উজ্জ্বল ভবিষ্যত আহিব বুলি আশা কৰিব পাৰি। (ভাৰত সম্ৰাটৰ বাণী)

সমবায় আন্দোলন নিষ্ফল হলে ভাৰতীয় পল্লী-সমাজৰ উন্নতিৰ কোনো আশা নাই। (ভাৰতীয় কৃষি কমিচন)

আমাৰ দেশত সমবায় আন্দোলন চলিবৰ মাথোন ত্ৰিশ বছৰ মান হৈছে। ইয়াৰ ভিতৰতে ই দেশৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত, বিশেষকৈ খেতিয়ক সকলৰ ওপৰত যিখিনি প্ৰভাব বিস্তাৰ কৰিছে ভালৈ চালে ইয়াৰ মহৎ উপকাৰিতা স্বীকাৰ নকৰি নোৱাৰি।

২। 'সমবায়' কথাৰ অৰ্থ (Co-operation).

'সমবায়' বুলিলে সাধাৰণতে কেইবা জনো মানুহে গোট খাই পৰস্পৰৰ সহায় আৰু উন্নতিৰ নিমিত্তে কাম কৰা এটা প্ৰণালীক বুজায়। কিন্তু আজি কালি এই কথাটোক এটা বিশেষ অৰ্থত ব্যৱহাৰ কৰা হয়। 'সমবায়' (Co-operation আৰু 'সমবায় আন্দোলন' (Co-operative movement) এই কথা দুটা ইয়াত সেই বিশেষ অৰ্থত ব্যৱহাৰ কৰা হব।

৩। বর্ত্তমান পাশ্চাত্য সভ্যতা আৰু প্রতিযোগিতা (Competition)

বর্ত্তমান যুগৰ পাশ্চাত্য সভ্যতাৰ কথা ভাবিলে প্রথমতে পাশ্চাত্য শিল্প, বিজ্ঞান আৰু বাণিজ্যৰ কথা আমাৰ মনত পৰে। বিজ্ঞান মূলক শিল্প আৰু বাণিজ্যৰ সহায়ে পশ্চিমৰ জাতি সকলে অতুল ঐশ্বর্য্য আৰু অসীম শক্তিৰ অধিকাৰী হৈ, পৃথিবীৰ অধিকাংশ ঠাইকে নিজৰ অধীনলৈ আনিছে আৰু তেওঁলোকৰ ধন সম্পদ সকলোৰে মনত বিস্ময় জন্মাইছে। ইয়াৰ ফলত আন আন জাতি বোৰেও তেওঁলোকৰ কার্য্য প্রণালী অনুকৰণ কৰিবলৈ ব্যস্ত হৈ উঠিছে। কিন্তু এটা কথা মন কৰিব লগীয়া এই যে পাশ্চাত্যৰ এই সম্পদৰ লগতে কেতবোৰ অমঙ্গলেও আহি দেখা নিদিয়াকৈ থকা নাই।

এটা প্রধান অশান্তি আৰু ভাবনাৰ কথা এই যে আজি বেলেগ বেলেগ জাতিৰ মাজত আৰু একেটা জাতি বা একোখন দেশৰে বেলেগ বেলেগ শ্রেণীৰ মানুহৰ মাজত প্রতিযোগিতাৰ ভাব দিনক দিনে বেছি হৈ আহিব ধৰিছে। 'প্রতিযোগিতা' কথাটোৰ নানা প্রকাৰ অর্থ হব পাৰে। প্রত্যেক মানুহৰে মনত আত্মপ্রতিষ্ঠাৰ বাবে যি এটা ইচ্ছা বা উদ্যম থাকে তাকো এক প্রকাৰ প্রতিযোগিতা বুলিব পাৰি। কিন্তু ইয়াত যে হিংসাৰ ভাব থাকিবই লাগিব এনে কথা নাই আৰু এনেকুৱা প্রতিযোগিতা থাকিলেও মানুহে সমাজত শান্তিৰে থাকিব পাৰে, আৰু আন কি সমস্ত মানব জাতিৰে সাধাৰণ কল্যাণৰ লগত নিজৰ কল্যাণৰ মিল খুৱাই চলিবৰ বাবে বাট ওলাব পাৰে।

মুঠতে মানুহৰ দৰকাৰী যিখিনি প্রতিযোগিতা সি মানুহৰ জীৱনী শক্তিৰ হে লক্ষণ।

কিন্তু এনেকুৱা প্রতিযোগিতাৰ উপৰিও বেলেগ বেলেগ

শ্রেণীৰ মানুহৰ মাজত আন এবিধ ঈর্ষা আৰু অঁবিয়া-অঁবিৰ ভাব জাগি উঠিব পাৰে। আজি কালি অকল ব্যক্তিৰ ভিতৰতে নহয়, একে দেশৰ ভিন ভিন শ্রেণীৰ মাজত আৰু ভিন ভিন জাতিৰ মাজতো এনেকুৱা অঁবিয়া-অঁবিৰ ভাব দিনক দিনে বেছি হৈ উঠিব ধৰিছে; ইয়াৰ ফলত যুদ্ধৰ বাবে সৈন্য সামন্ত বঢ়োৱাত, যুদ্ধৰ সজুলি তৈয়াৰ কৰাত প্ৰত্যেক দেশতে কিমান টকা যে খৰচ হব ধৰিছে তাৰ সীমা নাই। কাৰো চকুত টোপনি নাই। পাশ্চাত্য জগতত এই প্ৰতিযোগিতাৰ ভাবটো বৰ প্ৰবল ৰূপে উপস্থিত হৈছে আৰু জাপানতো আহি এই ভাব সংক্ৰমিত হৈছে। এই বিলাকলৈ লক্ষ্য কৰিয়েই আজি কালিৰ যুগক প্ৰতিযোগিতামূলক যুগ বুলিব পাৰি। ব্যক্তিসকলৰ মাজত যি সমবায়ৰ আয়োজন হৈছে জাতি সকলৰ মাজতো তেনেকুৱা সমবায় ভাবৰ প্ৰতিষ্ঠা হলে হে এই বিলাক সমস্যাৰ সমাধান হব।

প্ৰতিযোগিতাত যেয়ে ছলে বলে কৌশলে টিকিব পাৰে সেয়ে সাংসাৰিক অৱস্থাৰ উন্নতি কৰি লব পাৰে; কিন্তু বাকী বিলাকৰ অৱস্থা দিনক দিনে হীন হৈ যায়। ইয়াৰ পৰাই সমাজত এটা স্থায়ী অশান্তিৰ সৃষ্টি হয়। আমাৰ দেশতো বেলেগ বেলেগ শ্রেণীৰ মানুহৰ মাজত এই প্ৰতিযোগিতাৰ ভাব কালৰ গতিত আহি পৰিবই। এলেহুৱা অকামিলা মানুহৰ অৱস্থা বেয়া হলে আন কাকো দোষ দিব নোৱাৰি। কিন্তু দুখীয়া দুৰ্ব্বলীৰ মাজতো এনেকুৱা অলেখ মানুহ থাকিব পাৰে যি সকলে নিজৰ শোচনীয় অৱস্থাৰ বাবে সম্পূৰ্ণ জগৰীয়া নহয়। কেতিয়াবা এনেকুৱা দেখা যায় যে বহুত মানুহে নিজ পৰিশ্ৰমৰ সম্পূৰ্ণফল ভোগ কৰিব

নোৱাৰি দুখতে জীৱন কটাব লগীয়াত পৰে। কিছুমানে বা আকৌ নিজৰ শ্ৰম আৰু বুদ্ধি কামত লগাবৰ সুবিধাকে নাপায়। এনেকুৱা অৱস্থাত জগতৰ সাম্যনীতিৰ ব্যাঘাত ঘটে। ইয়াৰ ফলত হোৱা সামাজিক বিপ্লৱৰ দৃষ্টান্ত আজি কালি বহুতো পোৱা যাব। সমাজৰ এই ঘোৰ বৈষম্য দূৰ কৰিবৰ নিমিত্তে যিবোৰ উপায় দেখা গৈছে, তাৰ মাজত 'সমবায়' এটা প্ৰধান।

৪। প্ৰতিযোগিতামূলক সভ্যতাৰ উৎপত্তি —শিল্পবিপ্লব (Industrial Revolution) আৰু তাৰ পৰিণাম

আগৰ দিনত মানুহে খেতিৰ কাম, বাটৰ কাম আদি অতি সাধাৰণ সজুলিৰে নিজ হাতে কৰিছিল। সমাজৰ সহজ আৰু সৰল অৱস্থাত মানুহে নিজ হাতে কৰত বাটঁুল চলায়, খেতিৰ বাবে হাতেৰে নাঙ্গল বায়, কাপোৰৰ দৰকাৰ হলে নিজ হাতে বই লয়। আমাৰ দেশত প্ৰায় সকলো খিনি কাম এতিয়াও এইদৰেই চলি আছে।

প্ৰায় দুশ মান বছৰৰ আগতে ইউৰোপত শিল্প, কৃষি আদি সকলো প্ৰকাৰ কামতে এটা নতুন প্ৰণালীয়ে আহি দেখা দিয়ে। পৃথিবীৰ বুৰঞ্জীত এনেকুৱা নতুনত্ব বৰ কম। এনেকুৱা নতুনত্ব আহিবলৈ পালে বিজ্ঞানৰ সহায়ত। হাতেৰে চলোৱা সাধাৰণ সজুলিৰ ঠাইত বাষ্প, বিজুলী আদিৰ শক্তিৰে চলোৱা যন্ত্ৰৰ ব্যৱহাৰ আৰম্ভ হ'ল। হাতেৰে এশ মানুহে যিমান খিনি বস্তু তৈয়াৰ কৰি লব পাৰে, কল কাৰখানাত এজনেই সিমান কাম সমাধা কৰিব পৰা হ'ল। কোনো বস্তুৰ আৱশ্যক হলে আগেয়ে সকলোৱে নিজ হাতে উৎপন্ন কৰি লোৱা যিটো সহজ উপায় আছিল সেইটোৰ পৰিবৰ্ত্তে একোজন ধনীয়ে একে ঠাইতে কল কাৰখানাৰ সহায়ে কাৰবাৰৰ অৰ্থে অলেখ বস্তু তৈয়াৰ কৰিবলৈ ধৰিলে। এই মহৎ পৰিবৰ্ত্তনটোকে ইউৰোপত শিল্প বিপ্লব

(Industrial Revolution) বোলে। এই শিল্প বিপ্লবত মানুহৰ জীবিকা আর্জ্জনৰ প্রণালীৰ তেনেই পৰিবর্ত্তন ঘটিল। মুঠতে দেশত উৎপন্ন বস্তুৰ পৰিমাণ বাঢ়িল। কিন্তু এপিনে যি দৰে কিনি খাবলৈ টকা থকা মানুহৰ সস্তাতে বস্তু কিনি লবৰ সুবিধা হ'ল সেইদৰে আন পিনে অলেখ সৰু-সুৰা মানুহৰ জীবিকাৰ উপায় বন্ধ হ'ল। সৰহ মূল ধন থকা মানুহ খিনিয়ে কল কাৰখানা পাতি বস্তু তৈয়াৰ কৰি দেশে বিদেশে ৰপ্তানি কৰি দিনক দিনে ধনী হবলৈ ধৰিলে। লগে লগে নিজৰ মাটি-ভূমি, আনকি থাকিবৰ ঘৰ বাৰিও নথকা আৰু কল কাৰখানাত শ্রমিকৰ কাম কৰি জীবিকা নির্ব্বাহ কৰা এক শ্রেণী মানুহৰ সৃষ্টি হ'ল। নিবনুৱা আৰু ব্যবসায়হীন মানুহৰ লেখ বাঢ়িবলৈ ধৰিলে। আমাৰ দেশত বৈদেশিক প্রতিযোগিতাৰ হেঁচাত বহুত পুৰণি শিল্প লোপ পালে। আগেয়ে শিল্পত লাগি থকা কিছুমান মানুহে নিজ শিল্প এৰি দি কোনো প্রকাৰে অলপ অচৰপ খেতি কৰি প্রাণ প্রৰ্ত্তাৰ লগাত পৰিল। বাকী কিছুমান মানুহৰ জীবিকাৰ একো অবলম্বন নাইকিয়া হ'ল। প্রতি-যোগিতাৰ যুগত যি বলী সি দিনেক দিনে ধনী হব পৰা হ'ল; কিন্তু যি দুখীয়া সি আৰু অৱস্থাৰ উন্নতি কৰা অসম্ভৱ হ'ল। প্রতিযোগিতাৰ ক্ষেত্রত বলীয়ে নিজৰ শক্তি খটুৱাই কাম কৰিবলৈ সুবিধা আৰু উৎসাহ পায়, কিন্তু দুখীয়া আৰু দুর্ব্বলীয়ে এনেকুৱা সুবিধা পোৱাৰ আশা নাই। মানৱ জাতিৰ কল্যাণলৈ চাৰ লাগিলে দুখীয়া আৰু দুর্ব্বলীয়েও যাতে উন্নতিৰ বাটত আগুৱাব পাৰে তাৰ বাবে কিবা এটা ব্যৱস্থা হব লাগিব, আৰু সিহঁতেও যাতে জীয়াই থাকিব পাৰে তাৰ এটা উপায় হব লাগিব ইয়াৰ একমাত্র উপায় মাথোন 'সমবায়'।

৫। প্রতিযোগিতার প্রতিকারর অর্থে সমবায়

প্রতিযোগিতা যে দুর্ব্বলীর পক্ষে অতি বিষম তার প্রমাণ বহুতো দিব পারি। পাশ্চাত্যর আধুনিক সমাজ বিপ্লবরোবর বারে বহুতে বর্ত্তমান প্রতিযোগিতামূলক সভ্যতাকে দোষী বুলি ধরে। দেশত যিখিনি অর্থ সম্পদ উৎপন্ন হয় তার ভাগ যি এবার ধনী হৈ লর পারিছে সি যিদরে পায়, দুখীয়ার সেইদরে পোরার সুবিধা কম। এইটো এটা ডাঙর অশান্তির কারণ হৈ উঠিছে যে বনুয়া সকলে পরিশ্রম করি যিখিনি লাভ করে তার সরহ ভাগ ধনীর ঘরলৈ যায়। 'বাণিজ্যে বসতি লক্ষ্মীঃ' এই কথাটো সকলোরে জানে; কিন্তু লক্ষ্মীর আবাস যি ব্যবসায় সি ধনীর বারে হে সহজ, দুখীয়ার বারে অতি টান। যদি দুখীয়া সকলে একে লগ হৈ সমবায়মূলক অনুষ্ঠান পাতি নিজর উদ্‌গতির উপায় নকরে তেনেহলে তেওঁলোকে অবস্থার উন্নতি করিব নোরারে।

৬। সমবায়ে দুখীয়া মানুহক কি প্রকারে সহায় করিব পারে।

এইটো সকলোরে স্বীকার করিবই লাগিব যে দেশর ধনী সম্প্রদায়ে যোগার করি দিয়া আহিলা-পাতি কল-কারখানা আদির সহায়-নহলে শ্রমিক সকলেও সুদা হাতে বেছি পরিমাণে উপার্জ্জন করিব নোরারে। ধনী সম্প্রদায়ে যি মূলধন, বুদ্ধি আরু সাহস কামত খটায় তার মূল্য অশেষ শারীরিক পরিশ্রমর সমান। কিন্তু দুখর বিষয়, দুখীয়াই পরিশ্রম করি অনেক সময়ত সিহঁতর পরিশ্রমর অনুপাতে যিখিনি পাবলগীয়া তাকো নেপায় আরু বেছি আয় থকা কামত পরিশ্রম খটারলৈ সুবিধা নেপায়। ধনী (Capitalist) সকলে তো লাভ করেই তার উপরিও আন কেতরোর মাজর মানুহে যেপার চলাই শ্রমিক সকলতকৈ শতগুণে বেছি আয় করে। আমি সদায় দেখিবলৈ পাওঁ

যদি ধান বিদেশলৈ মোনে চাবি টকা দামত চালান যায়, প্রকৃত খেতিয়ক সকলে বেপাবৰ খবৰ নজনা বাবে আৰু টকাৰ অভাবত পৰি থিতাতে মহাজনক সস্তাতে বিক্রি কবিবলৈ বাধ্য হৈ মোনে দু টকা মান হে পায়। এইদবে পোৱা ধনৰ কিছু অংশ আকৌ মহাজনক সুত দিওঁতে যায়। মানুহে যিমানে দুৰবস্থাত পৰে সিমানে টকা ধাবলৈ বিচাবিলে সৰহকৈ সুত দিবলগা হয়।

ভাৰতবৰ্ষ কৃষি প্রধান দেশ দেখি ইয়াত খেতিযকৰ কথা বেছি পৰিমাণে উল্লেখ কৰা হব। খেতিয়কৰ সম্বন্ধে যি কোৱা হয় সি আন আন হাতৰ শিল্পত নিযুক্ত থকা মানুহ আৰু কাৰখানাৰ বস্তুৰা—এই আটাইবোৰতে খাটে।

সমবাযৰ উদ্দেশ্য এই যে ই একতা শক্তিৰ বলেৰে দুখীয়া মানুহৰ অন্যায অসুবিধাবোৰ দূৰ কবি সমাজত সাম্যভাব আনিব, ধনী আৰু দুখীযাৰ মাজত অনাবশ্যক বিবাধৰ হেতুবোৰ দূৰ কবিব; মাজৰ মানুহে ওপৰতে খোৱা লাভখিনি প্রকৃত শ্রমিক সকলে পোৱাৰ আৰু আৱশ্যকীয মূলধন কম সুতত পোৱাৰ উপায় কবি দিব। সমবায়ৰ সম্বন্ধে এইদবে কোৱা হৈছে--"The Co-operative system of economy and its social ideals represent the future basis of civilization and the surest guarantee of peace", অর্থাৎ সমবায় নীতিয়ে যি সামাজিক আৰু অর্থনৈতিক আদর্শ দেখুৱায় তাৰ ওপৰতেই এদিন ভবিষ্যতৰ আদর্শ সভ্যতা প্রতিষ্ঠিত হব লাগিব আৰু তেতিয়াহে নিশ্চিতৰূপে জগতত শান্তি আহিব।

৭। ভাৰত-বৰ্ষৰ সমস্যা।

ভাৰতবৰ্ষৰ প্ৰায় শতকৰা ৭৫ জন মানুহ খেতিয়ক। খেতিৰে সৈতে সম্পৰ্ক থকা আন আন মানুহৰ হিচাব ললে সকলো মিলি শতকৰা ৮০ জনৰ ওপৰ হব গৈ। বিদেশৰ প্ৰতিযোগিতাত আৰু নিজক বৰ্ত্তমান কালৰ উপযোগী কৰিলব নোৱাৰা গতিকে আমাৰ ধকণা শিল্পবোৰ লোপ পাব ধৰিছে। আন একো জীবিকাৰ উপায় নাপাই আমাৰ আগৰ কমাৰ, কুমাৰ, ঘনিকৰ, বনিয়া ইত্যাদিয়ে নিজ নিজ ব্যৱসায় বন্ধ কৰি খেতিত লাগিবলগীয়া হৈছে গৈ। এনেকুৱাকৈ বাধ্য হৈ খেতি কৰাৰ পৰা ভবিষ্যত উন্নতিৰ আশা নাই।

আমাৰ দেশৰ খেতিয়কসকল অতি দুখীয়া বুলি সকলোৱে জানে। আন আন দেশৰ তুলনাত ইমান দুখীয়া হৈও এওঁলোকে কি প্ৰকাৰে সামাজিক শৃঙ্খলা ৰাখি এতিয়ালৈকে জীয়াই আছে সি এটা বেলেগ আলোচনাৰ বিষয়। জাপান আৰু ইউৰোপ আমেৰিকাৰ দেশ বিলাকত বৈজ্ঞানিক প্ৰণালীতে যি প্ৰকাৰে খেতি কৰা হয় ইয়াৰ মানুহে সেইদৰে কৰিব পৰা নাই আৰু কৰিবৰ উপায়ো নাই। আমাৰ ইয়াত মূলধন, শিক্ষা, সাহস, উৎসাহ আদি সকলোৰে অভাব। সাধাৰণ জন-শিক্ষাৰ অভাবত খেতিয়সকলে কৃষি সম্পৰ্কীয় বৈজ্ঞানিক তথ্যবোৰৰ সম্পৰ্কে একো ভু নাপায় আৰু সেইবোৰৰ সম্বন্ধে কিবা অলপ ক'ৰবাৰ পৰা শুনিলেও বৰ্ত্তমান অৱস্থাত থাকি তেওঁলোকে যে প্ৰকৃত কাৰ্য্যক্ষেত্ৰত কিবা উন্নতি দৰ্শাব পাৰিব তাৰ আশা নাই।

৮। ভাৰত-বৰ্ষৰ খেতিয়ক।

আমাৰ দেশৰ খেতিয়কৰ পৰিশ্ৰম কৰিবৰ ক্ষমতা, খেতিবাতি চলোৱাৰ অভিজ্ঞতা আৰু স্বভাৱৰ সৰলতা আদি সম্বন্ধে বহুত লিখকে প্ৰশংসা কৰি গৈছে। বাস্তবিকে বৰ্ত্তমান

নিজ অবস্থাত থাকি যি খিনি কবিব পাবি তাক আমাব দেশব খেতিয়কে কবিবলৈ বাদ দিয়া নাই।

ধানব খেতি সম্বন্ধে এজন বিশেষজ্ঞব ৭০ বছব মান আগেবে মত এই—

"If we were to live another thousand years, we should hardly see any improvement in that branch of cultivation". (Dr. Wallie, Superintendent of the East India Company); অর্থাৎ "আমি আক এহেজাব বছবব পিছতো ধানব খেতি সম্বন্ধে ভাবতীয় খেতিয়কে যি খিনি জানে তাতকৈ আক বেছি উন্নতিব উপায় উলিয়াব নোৱাৰোঁ।"

৯। ভাবতবর্ষব খেতিয়কব দবিদ্রতা

আটাই কথাব গুবিতে হৈছে আমাব দেশব খেতিয়ক সকলব দবিদ্রতা। আক বহুত আন আন অসুবিধাও আছে যাক বেগেতে আঙ্গুলিয়াই দেখুৱাব পাবি। কিন্তু একতা নহলে কোনোৱে অকলে সেইবোবব প্রতিকাব কবিব নোৱাবে। মানুহব মনব বা স্বভাবব এনে কোনো দুর্ব্বলতা নাই যি দবিদ্রতাব পবা আহিব নোৱাবে। বছবি বছবি আয়ব অভাব কিন্তু খবচব বাহুল্যব কাবণে যে খেতিয়ক সকল দিনক দিনে দবিদ্রতাব শেষ সীমালৈকে গতি কবিব ধবিছে তাক সকলোৱে জানে। অসমব গাৱেঁ গাৱেঁ ধাবব টকা সোধাব নোৱাবি মানুহে হালব গৰু, মাটি-বাবি সমস্তকে বেছিব লগা হোৱা সদায় দেখি থকা গৈছে। হাতী বোকাত পবিলে উঠিবব চেষ্টা কবেমানে যেনেকৈ আক তললৈ যায়, দুখীয়া মানুহে টকা ধাব কবিলেও ঠিক তেনেকুৱা অবস্থা হয়।

ভাৰতবৰ্ষৰ আন আন কিছুমান জনসংখ্যা বহুল প্ৰদেশৰ খেতিয়কৰ অৱস্থা অসমীয়া খেতিয়কতকৈও বেছি শোচনীয়। কিন্তু অসমৰ খেতিয়কসকলৰ অৱস্থাও দিনক দিনে বেয়াৰ ফালে যাব ধৰিছে। ইউৰোপৰ বহুত দেশত সমবায়ৰ সহায়ে সকলো দৰিদ্ৰ প্ৰজাই—বিশেষকৈ খেতিয়কসকলে অশেষ উপকাৰ পাইছে। আমাৰ দেশতো সমবায়ৰ একান্ত আৱশ্যক। সমবায়ৰ সহায়ে দুখীয়া মানুহৰ কেইজনমানে লগলাগি একোটা সমিতি পাতি আটাইৰে উমৈহতীয়া দায়িত্বত কম সুতত টকা ধাৰ কৰিব পাৰে, সস্তাতে আৰু সুবিধা দামত শস্যৰ বীজ আৰু কৃষিশিল্প আদিৰ সজুলি কিনি লব পাৰে। আটায়ে লগ হৈ বস্তু উৎপন্ন কৰি তাক উপযুক্ত দামত বিক্ৰি কৰিব পাৰে। সমবায় প্ৰণালী যে কত প্ৰকাৰ কামত খটাব পাৰি তাক লাহে লাহে কোৱা হব। আমাৰ দেশত কৃষিয়ে প্ৰধান সম্বল। সেই দেখি পোন প্ৰথমে খেতিৰ কথাকে বেছিকৈ উল্লেখ কৰা হ'ল।

দ্বিতীয় অধ্যায়।

সমবায় সমিতি।

১০। সমবায় কাকে বোলে ?

সমবায় সমিতি অনেক প্রকারে পাতিব পবা যায়। ইউবোপব দেশ বিলাকত নানা প্রকাবব সমবায় সমিতি আছে। দহজনে লগ হৈ পবস্পবব ওপবত বিশ্বাস বাখি কাম কবিলে যে অতি নিঃকিন আৰু দুখীয়া অৱস্থাব মানুহেও ধনীলোক সকলব সমানে কাববাবব সুবিধা পাব পাবে তাব প্রমাণ সমবায় সমিতিবোবব পবাই পোৱা গৈছে।

এতিয়া 'সমবায়' কথাটোব অর্থ পুনব ভালদবে আলোচনা কবি চোৱা যাওক। মেকলাগান কমিটিয়ে 'সমবায়ব' ব্যাখ্যা তলত লিখা দবে দিছে—

"The theory of co-operation is briefly that an isolated and powerless individual can by association with others and by moral development and mutual support, obtain in his own degree, the material advantages available to wealthy and powerful persons and thereby develop himself to the fullest extent of his natural abilities. By the union of forces material advancement is secured and by united action self-reliance is fostered and it is from the inter-action of these influences that it is hoped to attain effective realization of the higher and more prosperous standard of life which has been characterized as better business, better farming and better living". ইয়াব তাৎপর্য এই—

সমবায় প্রণালীৰ মূলনীতি এয়ে যে একোজন অকল-শৰীয়া আৰু অক্ষম মানুহেও দহজনে সৈতে যোগ হৈ পৰস্পৰৰ সহায় আৰু নিজৰ নৈতিক প্রভাৱৰ ফলে, যিবোৰ সুবিধা ধনী আৰু প্রতিপত্তিশালী মানুহৰ হে প্রাপ্য, সেই বোৰকো যথেষ্ট পৰিমাণে পাৱ পাৰে আৰু এইদৰে নিজৰ যিখিনি শক্তি সামর্থ্য আছে তাৰ উৎকর্ষ সাধন কৰি নিজক উন্নত কৰিব পাৰে, অনেক মানুহৰ শক্তি সংযোগৰ ফলত সাংসাৰিক উন্নতিৰ বাট মুকলি হয় আৰু আটায়ে আত্মনির্ভৰশীল হবলৈ শিকে। আত্মনির্ভৰশীলতা আৰু সাংসাৰিক উন্নতি এই দুয়োটাৰে এটা নহলে আনটো নহয়। ইয়াৰ ফলে উন্নত জীবন অর্থাৎ উন্নত ব্যৱসায়, উন্নত ধৰণৰ কৃষি আৰু উন্নত ধৰণৰ খোৱা থকা এই তিনিওটা পোৱা যাব বুলি আশা কৰিব পাৰি।

১১। সমবায় ঋণ সমিতি

ঘাইকৈ দুই শ্রেণীৰ সমবায় সমিতি দেখা যায়। কিছুমান সমিতি টকা ধাৰে দিবৰ নিমিত্তে পতা হয়। এই বিলাকক সমবায় ঋণ সমিতি (Co-operative Credit Society) বা সমবায় বেঙ্ক (Co-operative Bank) বোলা হয়। আন কিছুমান সমিতি টকা ধাৰে দিয়াত বাজে অন্যান্য উদ্দেশ্যত পতা হয়। এই বিলাকক অঋণ সমবায় সমিতি (Co-operative Non-credit Society) বোলা হয়।

এতিয়া প্রথমতে সমবায় ঋণ সমিতিৰ কথা কোৱা যাওক। আমাৰ দেশত দুখীয়া মানুহে টকা ধাৰ কৰিব লাগিলে কিমান বেছি পৰিমাণে সুত দিব লাগে আৰু তাৰ ফল কি হয় গৈ তাক আগতে উল্লেখ কৰা হৈছে। সাধাৰণ বেঙ্ক্ বিলাকৰ নিচিনা সমবায় ঋণ সমিতিয়েও টকা ধাৰে দিয়ে; কিন্তু এইদৰে টকা ধাৰ দিওঁতে সমবায় সমিতিয়ে

অকল লাভলৈ লক্ষ্য নকবি ধকন্না বিলাকৰ যাতে সুবিধা আৰু উন্নতি হয় তালৈ হে বেছি লক্ষ্য কৰে।

ইয়াতে এইটো কথা স্পষ্টকৈ উল্লেখ কৰা উচিত যে সমবায় ঋণ সমিতি আৰু সাধাৰণ টকা ধাৰে দিয়া 'বেঙ্ক্' এই দুয়ো যদিও টকা ধাৰলৈ দিয়ে সিহঁতৰ মূল উদ্দেশ্য আৰু চলোৱাৰ ৰীতি সম্পূর্ণ বেলেগ। সাধাৰণ টকা ধাৰে দিয়া বেঙ্কৰ উদ্দেশ্য হৈছে বেছি পৰিমাণে লাভ কৰি অংশীদাৰ সকলক বেছি পৰিমাণে লাভ (dividend) দিয়া। কিন্তু সমবায় সমিতিৰ মূল উদ্দেশ্য হৈছে সভ্যসকলৰ নৈতিক উন্নতি সাধন কৰি তেওঁলোকক পৰস্পৰৰ সহায়ৰ বাবে নিযুক্ত কৰা আৰু তাৰ ফলে তেওঁলোকৰ আর্থিক উন্নতি সাধন কৰা। সমবায় ঋণ সমিতিতো লাভ নোহোৱাকৈ নাথাকে, কিন্তু সেই লাভ মাথোন এটা আনুসঙ্গিক ফল হে, মূল উদ্দেশ্য নহয়।

বেঙ্ক্ আৰু সমবায় সমিতিৰ মাজত প্ৰভেদ দেখুৱাবৰ বাবে কোৱা হয় "A Bank is a union of Capital, but a Co-operative Society is a union of persons", অর্থাৎ সমবায় সমিতিয়ে মানুহৰ সমষ্টি বুজায় কিন্তু বেঙ্ক্ হৈছে মূলধনৰ সমষ্টি।

১২। অঞ্চল সমবায় সমিতি

আমাৰ দেশত সমবায় সমিতি বুলিলে মানুহে প্ৰায় টকা ধাৰে দিয়া সমিতিক হে বুজে। ইউৰোপৰ নানা দেশত সমবায় প্ৰণালী যে কিমান প্ৰকাৰৰ ব্যবসায়ত খটোৱা হৈছে তাৰ লেখ ললে আচৰিত হব লাগে।

ঋণ দিয়া আৰু ঋণ নিদিয়া এই দুই প্ৰকাৰ সমিতিৰে আকৌ গঠন প্ৰণালী অনুসাৰে কিছুমানক নগৰীয়া সমিতি (Urban Society) আৰু কিছুমানক গাঁৱলীয়া সমিতি

(Rural Society) বোলা হয়। কেতিয়াবা আকৌ সমবায় সমিতি বিলাকক কৃষিবিষয়ক সমিতি (Agricultural Society) আৰু অকৃষি সমিতি Non Agricultural Society) এই দুই শ্রেণীত ভাগ কৰা হয়। "সমবায় সমিতিৰ শ্রেণী বিভাগ" অধ্যায়ত এই বিষয়ে ভাল দৰে আলোচনা কৰা হব।

১৩। আমাৰ দেশত সমবায় বিভাগৰ গঠন। (Co-operative organisation).

আমাৰ দেশত সমুদায় সমবায় সমিতিকে তিনি ধাপত লোৱা হৈছে, যেনে প্রাথমিক সমিতি (Primary Society), কেন্দ্রীয় সমিতি (Central Bank or Central Union) আৰু প্রাদেশিক সমিতি (Provincial Bank)। কেন্দ্রীয় সমিতি বিলাকৰ দুই শ্রেণী আছে—ইউনিয়ন বেঙ্ক্ ('Union' or Banking Union) আৰু কেন্দ্রীয় বেঙ্ক্ (Central Bank).

ইয়াত বাজেও জমি বন্ধক ৰাখি টকা ধাৰে দিয়া এবিধ সমবায় সমিতি আছে। ইয়াক জমি বন্ধক সমবায় সমিতি (Co-operative Land Mortgage Bank) বোলা হয়। আমি ইয়াৰ প্রত্যেক বিধৰে কথা যথা সময়ত বহলাই কম।

১৪। প্রাথমিক সমিতি

একে গাওঁৰ নাইবা একে জাতি, সম্প্রদায় বা একে ব্যৱসায়ৰ দহ জন বা তাতকৈ সৰহ সভ্যই পৰস্পৰৰ সহায়ৰ নিমিত্তে যি সমিতি পাতে তাক প্রাথমিক সমিতি বোলে। প্রাথমিক সমিতিৰ সভাসকলৰ মাজত পৰস্পৰৰ ভাল দৰে চিনাকি থাকিব লাগে, যাতে প্রত্যেক সভ্যৰ ধাৰৰ বাবে আন সকলো সভ্যই দায়ী হব পাৰে। ইয়াকে অসীমাবদ্ধ দায়িত্ব (Unlimited Liability) প্রণালী বোলে। প্রাথমিক সমিতি আকাৰত ডাঙৰ হোৱা অনুচিত। একো-

খন সমিতিব এলাকাত দুই তিনিখনতকৈ বেছি গাওঁ থকা অনুচিত। যি বিলাক প্রাথমিক সমিতি খেতিয়কসকলব মাজত টকা ধাৰে দিয়াব উদ্দেশ্যে পতা হয় অর্থাৎ Agricultural Credit Society, সেইবোৰত দায়িত্ব প্রায়ে অসীমাবদ্ধ, অর্থাৎ সমিতিব সকলোখিনি দেনাব বাবে সকলো সভ্যই মিলিত আৰু ব্যক্তিগত হিচাবে দায়ী। অসীমাবদ্ধ দায়িত্ব প্রণালী কার্য্যত খটোৱা সম্বন্ধে নানা প্রকাব নিয়ম আছে। সেই বিষয়ে পিছত আলোচনা কৰা হব।

খেতিয়কত বাজে আন মানুহব মাজত পতা প্রাথমিক সমিতিব সভ্যসকলব দায়িত্ব প্রায়ে সীমাবদ্ধ (Limited Liability)। সীমাবদ্ধ দায়িত্বত সভ্যসকলব দায়িত্বব পবিমাণ নিজ নিজ অংশতকৈ বেছি হব নোৱাবে।

প্রাথমিক সমিতিবোৰেই সমবায় আন্দোলনব ভেঁটি। আমি সমবায় সমিতি বুলিলে পোনতে এই প্রাথমিক সমিতিকে বুজোঁ। ১৯৩৩—৩৪ চনত বৃটিচ ভাৰতবর্ষত প্রাথমিক সমিতিব সংখ্যা ৮৮৩৬৪টা আছিল। প্রাথমিক আৰু প্রাথমিকতকৈ ওখ খাপব আন আন সমিতিক ধবি বৃটিচ ভাৰতবর্ষত গড় হিচাবে এক লাখ মানুহব মাজত প্রায় ৩৩ টাকৈ সমিতি পোৱা যায়।

প্রাথমিক সমিতি বিলাকব দ্বাৰা কম সুতত টকা ধাৰে দিয়া হয়। খেতিয়কব লাগতীয়াল নানা প্রকাব বস্তু একেলগে সুবিধা দামত কিনা বেচা কৰা হয় আৰু নানা প্রকাব শিল্প ব্যৱসায় আদি চলোৱা হয়। সমবায় সমিতিব সহায়ে কৰা নানা প্রকাব কার্য্যব সম্বন্ধে পিছত বহলাই কোৱা হব।

১৫। কেন্দ্রীয় সমিতি

প্রাথমিক সমিতিব সংখ্যা সবহ হলে সেই বিলাকব তত্বাবধান কবি সুশৃঙ্খল ভাবে চলাবব নিমিত্তে আৰু আবশ্যক মতে মূলধন যোগাবব নিমিত্তে আন এক প্রকাবব সমবায় অনুষ্ঠানব আবশ্যক হৈ পবে। যি দবে একোটা প্রাথমিক সমিতিত যুক্ত হৈ দহজন বা তাতকৈ বেছি সভ্য থাকে, সেই দবে একোটা কেন্দ্রীয় সমিতিত যুক্ত হৈ তাব তত্বাবধানত আন কিছুমান প্রাথমিক সমিতি থাকে। এটা কেন্দ্রীয় সমিতিব তত্বাবধানত থকা প্রাথমিক সমিতি বিলাকক স্বীকৃত বা যুক্ত সমিতি (Affiliated Society) বোলা হয়। ১৯০৪ চনব সমবায় আইনত কেন্দ্রীয় সমিতিব বিষয়ে কোনো কথা নাছিল, কিন্তু ১৯১২ চনব সমবায় আইনত কেন্দ্রীয় সমিতি পতাব ব্যবস্থা কবা হয়।

কেন্দ্রীয় সমিতি দুই শ্রেণীব হব পাবে; যেনে (১) সাধাবণ কেন্দ্রীয় সমিতি (Central Bank) আৰু (২) ইউনিয়ন (Union or Banking Union)। সাধাবণ কেন্দ্রীয় সমিতি বিলাকব ঘাই কাম হৈছে প্রাথমিক সমিতি বিলাকক টকা যোগোৱা। কেন্দ্রীয় সমিতি আৰু ইউনিয়ন এই দুয়ো প্রকাবব সমিতিয়ে তলতীয়া সমিতি বিলাকব হিচাব আদি পবিদর্শন কবে আৰু প্রাথমিক সমিতিব সংখ্যা বৃদ্ধি কবিবব নিমিত্তে সাহায্য আৰু শিক্ষা দিয়ে। কিছুমান ইউনিয়ন সমিতিয়ে প্রাথমিক সমিতি বিলাকক নিজে টকা নিদি কেন্দ্রীয় বেঙ্কব পবা দিয়াই তাব দায়িত্ব গ্রহণ কবে। এনেকুৱা সমিতি ব্রহ্মদেশত পোৱা যায় আৰু ইয়াব নাম হৈছে দায়িত্ব গ্রহণ কবা ইউনিয়ন (Guaranteeing Union)। কোনো কোনো প্রদেশত ইউনিয়নবোবে তলতীয়া সমিতিব বাবে অসীমাবদ্ধ দায়িত্ব লয়। কেতিয়াবা একোটা কেন্দ্রীয় সমিতিব

অধীনত কেইবাখনো ইউনিয়ন চলোৱা হয়। এই সম্বন্ধে বেলেগ বেলেগ প্রদেশত অৱস্থা অনুসৰি বেলেগ বেলেগ নিয়ম আছে।

প্রাথমিক সমিতিৰ সভ্যসকলৰ সৰহ ভাগেই গাঁৱলীয়া অশিক্ষিত আৰু অসহায়হীন মানুহ; কিন্তু কেন্দ্রীয় বেঙ্কৰ সভ্যসকল প্রায়ে অৱস্থাপন্ন আৰু শিক্ষিত মানুহ। কেন্দ্রীয় বেঙ্কৰ সভ্যসকলৰ ভিতৰত কিছুমান আকৌ প্রাথমিক সমিতিয়ে নির্ব্বাচন কৰি পঠোৱা প্রতিনিধি।

কেন্দ্রীয় বেঙ্কবিলাকে অংশ বিক্রি কৰে আৰু তাৰ সভ্যসকলৰ দায়িত্ব সীমাবদ্ধ। প্রায় প্রত্যেক জিলাতে অন্ততঃ একোটাকৈ কেন্দ্রীয় সমিতি দেখা যায়। কিছুমান কেন্দ্রীয় বেঙ্কে অকল প্রাথমিক সমিতিকহে টকা ধাৰে দিয়ে; কিছুমানে প্রাথমিক সমিতি আৰু ব্যক্তি দুয়োকো টকা ধাৰ দিয়ে।

১৬। প্রাদেশিক বেঙ্ক Provincial or Apex Bank.

এখন প্রদেশৰ কেন্দ্রীয় বেঙ্ক্ বিলাকৰ ওপৰত ডাঙৰ এটা বেঙ্ক নহলে কাম ভাল দৰে চলিব নোৱাৰে। কেন্দ্রীয় বেঙ্ক্ বিলাকৰ দায়িত্ব বৰ বেছি। বছৰৰ কোনো কোনো সময়ত সকলো বেঙ্কতে টকাৰ টান পৰে। তেনেকুৱা সময়ত কেন্দ্রীয় বেঙ্কবোৰক টকাৰে সহায় কৰিবৰ নিমিত্তে একোখন প্রদেশত একোটাকৈ ডাঙৰ বেঙ্ক লাগে। ভাৰতবৰ্ষৰ প্রায় প্রত্যেক প্রদেশতে একোটাকৈ প্রাদেশিক বেঙ্ক্ আছে। প্রাদেশিক বেঙ্ক্বোৰৰ দায়িত্ব সীমাবদ্ধ আৰু আটায়ে অংশ (share) বিক্রী কৰে। আটাইবোৰ সমিতিৰে ওপৰত থকা গতিকে প্রাদেশিক বেঙ্ক্বোৰক "Apex" বেঙ্ক্ বোলা হয়। তলত ১৯৩০—৩১ চনত বৃটিছ ভাৰতবৰ্ষত প্রাদেশিক বেঙ্ক্, কেন্দ্রীয় বেঙ্ক্ আৰু ইউনিয়নৰ হিচাব দেখুওৱা হল।

প্রদেশৰ নাম	প্রাদেশিক বেঙ্কৰ সংখ্যা	কেন্দ্রীয় বেঙ্কৰ সংখ্যা	ইউনিয়নৰ সংখ্যা
অসম	১	১৮	*
বঙ্গদেশ	১	১১৯	৩
বোম্বাই	১	১৯	১০৮
মাদ্রাজ	১	৩২	৪৫৪
পাঞ্জাব	১	১১৯	*
ব্রহ্মদেশ	১	১১	৪৩৩
বিহাৰ আৰু উৰিষ্যা	১	৬৭	১৮৬
মধ্যপ্রদেশ আৰু বেৰাৰ	১	৩৫	১৭
যুক্তপ্রদেশ	*	৬৯	৩
মুঠ	৮	৪৮৯	১২০৪

বৰ্ত্তমান সময়ত উৰিষ্যা প্রদেশত প্রাদেশিক বেঙ্ক আৰু কেন্দ্রীয় বেঙ্ক আদি পাতিবৰ নিমিত্তে আয়োজন চলিছে।

১৭। 'সৰ্ব্ব-ভাৰতীয় কো-অপাৰেটিভ বেঙ্ক'ৰ পৰিকল্পনা। (All India Co-operative Bank)

আটাইবোৰ প্রাদেশিক বেঙ্কৰ মূলধন যোগাবলৈ আৰু সেইবিলাকৰ কার্য্যৰ তত্ত্বাবধান কৰিবলৈ সমুদায় ভাৰতবর্ষৰ বাবে এটা প্রধান সমবায় সমিতি (All India Co-operative Bank) লাগে বুলি মাজে সময়ে কথা উঠিছিল; কিন্তু প্রাদেশিক স্বাতন্ত্র্য (Provincial Autonomy) হোৱাৰ বাবে আৰু নতুনকৈ পতা বিজার্ভ বেঙ্কে কেন্দ্রীয় আৰু প্রাদেশিক বেঙ্ক বিলাকক কাৰবাৰৰ সুবিধা দিবলৈ প্রতিশ্রুতি দিয়াৰ বাবে এনেকুৱা 'সৰ্ব্ব-ভাৰতীয়

সমবায় অনুষ্ঠান'ৰ আৱশ্যকতা কমি আহিছে। সম্প্ৰতি ভাৰতীয় কো-অপাৰেটিভ কন্‌ফাৰেঞ্চত ভাৰত-গৱৰ্ণমেণ্টৰ অধীনত এটা চেণ্ট্ৰাল কো-অপাৰেচন্ বোৰ্ড (Central Co-operation Board) পতাৰ স্থিৰ হৈছে।

তৃতীয় অধ্যায় (১)

সমবায় জগত

পৃথিবীৰ দেশ বিদেশত সমবায়।

১৮। ইউৰোপত সমবায়ৰ আৰম্ভ।

আমাৰ দেশত সমবায় আন্দোলন চলিবৰ বেছি দিন হোৱা নাই। বৰ্ত্তমান যুগৰ উপযোগী অৰ্থনৈতিক অনুষ্ঠান বিলাকত ইউৰোপ ভাৰতবৰ্ষতকৈ বহুত গুণে উন্নত। সমবায় আন্দোলন ইউৰোপত প্ৰথমে আৰম্ভ হয়। আজিকালিৰ নানাবিধৰ সমবায়ৰ বিষয়ে জ্ঞান লাভ কৰিবলৈ হলে আমি প্ৰথমে ইউৰোপৰ সমবায়মূলক অনুষ্ঠান বিলাকলৈ চকু দিব লাগিব। আমাৰ দেশত প্ৰাচীন ৰীতিৰে চলা যিখিনি সমবায়মূলক প্ৰণালী আছিল তাৰ কথা পিছত উল্লেখ কৰা হব।

১৯। জার্ম্মেণিত সমবায়

বৰ্ত্তমান কালৰ সমবায় প্ৰণালীৰ আৰম্ভ প্ৰথমে জার্ম্মেণিত হয় বুলি ধৰিব পাৰি। প্ৰায় সকলো দেশতে খেতিয়ক সকলৰ অৱস্থাত বহুত কথাৰ মিল দেখা যায়। আজি কালি ভাৰতবৰ্ষৰ খেতিয়কসকলৰ মাজত দুখ, দাৰিদ্ৰ্য, ঋণ আদিৰ যি বিলাক সমস্যাই দেখা দিছে, ঠিক তেনেকুৱা সমস্যা ইউৰোপতো খেতিয়ক সকলৰ মাজত এসময়ত দেখা গৈছিল। ইউৰোপত, বিশেষকৈ জার্ম্মেণিত খেতিয়ক আৰু সৰু-সুৰা শিল্প ব্যবসায়ীসকলৰ উন্নতিৰ অৰ্থে যিবিলাক উপায় লোৱা হৈছিল, সেইবোৰকে অৱস্থানুসাৰে অলপ লৰচৰ কৰি আমাৰ দেশতো চলাব পৰা যায়।

সমবায়ৰ আদি বৃত্তান্ত কওঁতে প্ৰথমতে জাৰ্ম্মেণিৰ দুজন বিখ্যাত মানুহৰ কথা মনত পৰে। তেওঁলোক হৈছে ৰাফেজন (Raiffeisen) আৰু চুল্‌জ্‌ ডিলিট্‌চ্‌ (Schulze Delitzsch)। এওঁলোকৰ প্ৰথম জনে গাঁৱলীয়া খেতিয়ক সকলৰ উপযোগী আৰু দ্বিতীয় জনে নগৰীয়া সৰু সুৰা শিল্প ব্যবসায়ী আৰু কাৰবাৰী লোকসকলৰ উপযোগী সমবায় প্ৰণালী উলিয়ায়। প্ৰথম অধ্যায়তে কোৱা হৈছে যে সমবায় নানাপ্ৰকাৰৰ হব পাৰে। প্ৰায় সেই সকলো বোৰৰেই মূল সূত্ৰ বিচাৰিলে ৰাফেজন আৰু চুল্‌জ্‌ ডিলিট্‌চ্‌ এই দুজনৰ সমবায় প্ৰণালীত পোৱা যাব।

২০। ৰাফেজন।

জাৰ্ম্মেণিৰ ৰাইন্‌লেণ্ড জিলাত ১৮১৮ চনত ফ্ৰেড্‌ৰিক উইল্‌হেল্‌ম্‌ ৰাফেজনৰ জন্ম হয়। সেই সময়ত জাৰ্ম্মেণিৰ খেতিয়ক সকলৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। সৰহ ভাগ খেতিয়কেই মহাজনৰ ওচৰত ধকৰা আছিল আৰু অতি পুৰণি ধৰণে কোনো প্ৰকাৰে প্ৰাণ প্ৰৱৰ্ত্তাবৰ জোখেৰে খেতিবাতি কৰি দিন নিয়াইছিল। মহানুভৱ ৰাফেজনে কি উপায়েনো তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰিব পৰা যায় সেই বিষয়ে ভাবিবলৈ ধৰিলে। বহুত চিন্তাৰ পিছত তেওঁ ইয়াকে স্থিৰ কৰে যে যদি এই নিঃসহায় খেতিয়ক সকলক কোনোপ্ৰকাৰে সংঘবদ্ধ হৈ কাম কৰিবলৈ শিকোৱা হয় তেনেহলেহে লাহে লাহে একতা শক্তিৰ বলত তেওঁলোকে নিজ অৱস্থাৰ উন্নতি কৰিবৰ উপায় উলিয়াব পাৰিব। এইটো তেওঁ নিশ্চয়কৈ বুজিলে যে চৰকাৰে অকল বাহিৰৰ পৰা সাহায্য দি, যিবিলাক নিজ দোষৰ কাৰণে মানুহ ধকৰা আৰু দুখীয়া হয় সেই বিলাকৰ কেতিয়াও সংস্কাৰ কৰিব নোৱাৰে। হঠাৎ আনৰ টকা হাতত পৰিলে সেই টকা

সাময়িক অভাব পুৰাওঁতেই শেষ হৈ যায়। বহুত সময়ত তেনেদৰে পোন্ধা টকাৰ অপব্যয় হে হয়। নিজে উপায় কৰি উপার্জ্জন আৰু সঞ্চয় কৰিব পাৰিলেহে মানুহৰ স্থায়ী উন্নতিৰ বাট মুকলি হয়। এই উন্নতিৰ বাট উলিয়াবৰ হলে মানুহৰ মাজত একতা আৰু সহযোগৰ আৱশ্যক।

একতাৰ পৰা উন্নতি হয় বুলি মুখেৰে কোৱা যিমান সহজ, কামত কৰি দেখুৱা সিমান সহজ নহয়। একেলগ হৈ কাম কৰিবৰ হলে ধৈর্য্য আৰু উৎসাহ লাগে, ব্যক্তিগত মতভেদ দমাব পাৰিব লাগে আৰু কাম কৰিবৰ নিমিত্তে উপযুক্ত কার্য্যপ্রণালী লাগে। উপযুক্ত কার্য্যপ্রণালীৰ অভাৱত বহুত সময়ত উৎসাহ নিৰর্থক হৈ পৰে। এইবোৰ কথা কার্য্যত খটুৱাবৰ নিমিত্তে বাফেজনে নিজেই কার্য্য-ক্ষেত্রত আগ বাঢিল।

সেই সময়ত, জার্ম্মেণিত দুর্ভিক্ষ উপস্থিত হলে খেতিয়ক-সকলে গম আলু আদি যোগাৰ কৰিবৰ নিমিত্তে মাজে সময়ে একেলগ হৈ একোটা সমিতি পাতিছিল। এই বিষয়ে নিজে পৰীক্ষা কৰি চাবৰ নিমিত্তে বাফেজনে এখন গাওঁত এনেকুৱা এটা সমিতি পাতি ললে। দুবছৰমানৰ পিছত তেওঁ আন এখন গাওঁত খেতিৰ বাবে কিছুমান হালৰ গৰু একেলগে কিনি খেতিয়কসকলক নিয়মিত দামত বিক্রি কৰাৰ নিয়ম কৰে। এয়ে শেষত গৈ এটা সমিতিত পৰিণত হয়। এই সমিতিয়ে লাহে লাহে জমি বা আন সম্পত্তি জামিন ৰাখি খেতিয়কসকলক টকা ধাৰলৈ দিয়াৰ নিয়ম কৰিলে। এইদৰে আন এখন গাওঁত আৰু এটা সমিতি পাতি তেওঁ দুখীয়া খেতিয়কসকলৰ বাবে গৰু মহ আৰু টকা যোগাৰ কৰি দিয়াৰ নিয়ম কৰিলে। এই সমিতি বিলাক প্রথমতে

তেওঁৰ নিজৰ মূলধনেৰে আৰম্ভ কৰিছিল আৰু সমিতিৰ নির্দ্দিষ্ট আইন মানিবলৈ যিয়ে অঙ্গীকাৰ কৰে তাকে হে সমিতিৰ পৰা সাহায্য দিছিল।

লাহে লাহে অলপ অর্থ সম্পত্তি থকা ওচৰ চুবুৰীয়া আন আন মানুহে এই সমিতি বিলাকত টকা জমা থবলৈ আৰম্ভ কৰিলে। যি সকল খেতিয়কে ধন ধাৰলৈ নিয়ে তেওঁলোকৰ ইটোৱে সিটোৰ ধাৰৰ বাবে দায়ী হব লাগিছিল। এনেকৈয়া যুটীয়া দায়িত্ব থকা বাবে যদি কোনো মানুহে পিছত গৈ অপব্যয়ৰ মতলবে বা খেতিত বাজে আন কিবা উদ্দেশ্যত টকা ধাৰ কৰিবলৈ আহে তাক টকা দিয়াত আন সভ্য বিলাকে বাধা দিছিল। ১৮৬২ খৃষ্টাব্দত তেওঁ অন্‌হজেন (An hausen) নামে গাঁৱত পতা সমিতিখন সকলোৰে আদর্শ স্থানীয় হৈ উঠে। ৰাফেজনে যি অৱস্থাত জার্ম্মেণিৰ খেতিয়কসকলৰ উন্নতিৰ নিমিত্তে আত্মোৎসর্গ কৰিছিল। ভাৰতবর্ষৰ খেতিয়কসকলৰ অৱস্থা তাতকৈও শোচনীয়। আমাৰ দেশৰ কৃষি-সমবায় সমিতিবিলাক মূলতে ৰাফেজনৰ আৰ্হিৰে পতা। সেইবাবে ইয়াত ৰাফেজন সমিতিৰ সম্পর্কে অলপ বহলাই আলোচনা কৰা হব।

এই সময়ত জার্ম্মেণিৰ চেক্‌চনি প্রদেশত চুল্‌জ ডিলিটচে (Schulze Delizsch) চহৰৰ শ্রমিক শিল্পী আৰু সৰুসুৰা কাৰখানাৰ মালিক আদিৰ বাবে আন একপ্রকাৰ সমবায় সমিতি পাতিবলৈ আৰম্ভ কৰে। চুল্‌জ্‌ ডিলিট্‌চ্‌ আগেয়ে এজন বিচাৰকর্ত্তা আৰু প্রুচিয়াৰ জাতীয় সভাৰ সভ্য আছিল। ১৮৪৯ চনত চুল্‌জ্‌ ডিলিট্‌জে নবীয়া মানুহৰ চিকিৎসা আৰু সহায়ৰ নিমিত্তে এটা বান্ধৱ-সমিতি

২১। চুল জ্‌ ডিলিচ

(Friendly Society) স্থাপন কৰে। সেই বছৰতে তেওঁৰ জুতাৰ কাম কৰা কিছুমান মানুহৰ নিমিত্তে চামৰা আৰু আন আন লাগতিয়াল মালবস্তু কিনিবৰ অৰ্থে আন এটা সমিতি পাতে। হেৰ চুল্‌জ্‌ (Her Schulze) ডিলিট্‌চ্‌ নগৰৰ মেয়ৰ আছিল। তেওঁৰ প্ৰথম ঋণ-সমিতি (Loan Society) ১৮৫০ চনত ডিলিট্‌চ্‌ নগৰত পতা হয়। ১৮৫২ চনত তেওঁৰ এইলেন বাৰ্গত আৰু এটা ঋণ-সমিতি স্থাপন কৰে। এই সমিতিৰ অংশ (share) বিক্ৰি কৰি ইয়াৰ মূলধন যোগাৰ কৰা হৈছিল। ইয়াৰ কেইবছৰমান পিছত তেওঁ সমবায় প্ৰণালী আৰু তাৰ উদ্দেশ্য সম্বন্ধে এখন কিতাপ লিখি প্ৰকাশ কৰে। ১৮৫৯ চনত সমুদায় জাৰ্ম্মেণিৰ বাবে এটা সমবায় সঙ্ঘ (General Union of German Co-operative Society) পতা হয় আৰু চুল্‌জ্‌ ডিলিট্‌চ তাৰে এজন ডাইৰেক্টৰ হয়।

২২। জাৰ্ম্মেণিত ৰাফেজন আৰু চুল্‌জ্‌ ডিলিট্‌চৰ দুই প্ৰকাৰৰ সমবায়।

লাহে লাহে চুল্‌জ্‌ ডিলিট্‌চ্‌ আৰু ৰাফেজন সমিতি বিলাকৰ মাজত নিয়ম প্ৰণালীৰ এটা প্ৰভেদ দেখা দিয়ে। চুল্‌জ্‌ ডিলিট্‌চৰ সমিতি বিলাকৰ সভ্য আছিল নগৰীয়া মানুহ আৰু তেওঁলোকৰ পৰা অংশ (share) বিক্ৰি কৰা টকাৰে সমিতিৰ মূলধনৰ যোগাৰ হৈছিল। তেওঁৰ একেটা সমিতিৰ এলাকাত বহুত ঠাই লৰ পৰা হৈছিল আৰু সমিতিৰ সভ্য সকলৰ দায়িত্ব প্ৰায় সীমাবদ্ধ আছিল। মুঠতে আজি কালিৰ সাধাৰণ বেঙ্ক বিলাকত টকা ধাৰে দিয়াৰ যি নিয়ম, সেই সমিতি বিলাকৰো প্ৰায় তেনে নিয়ম আছিল।

ৰাফেজনৰ সমিতি বিলাকৰ সভ্য আছিল গাঁৱলীয়া খেতিয়ক মানুহ। এই শ্ৰেণীৰ মানুহে অংশ (share) কিনি সমিতিৰ মূলধন তুলি দিবৰ আশা কৰিব নোৱাৰি।

কোনো কোনো সমিতিত অংশ বিক্রি কবাব নিয়ম থাকিলেও, অতি কম মূল্যব হে অংশ বিক্রি হৈছিল। এই সমিতি বিলাকত লাভব পবিমাণ বঢ়োৱাতকৈ একতা আৰু নৈতিক উন্নতি বৃদ্ধি কবাব ফালেহে বেছিকৈ দৃষ্টি বখা হৈছিল। একোটা সমিতিব এলাকাত অলপীয়া ঠাই আছিল আৰু সভ্যসকলব মাজত পবস্পবব চিনাকি থকা বাবে অসীমাবদ্ধ দায়িত্ব গ্রহণ কবিবলৈ কোনোৱে ভয় নেপাইছিল। সমবায় আন্দোলনব আবম্ভণিতে এই দুই শ্রেণীব সমিতিব প্রচাবক সকলব মাজত ঠায়ে ঠায়ে বিবোধব ভাবো দেখা গৈছিল।

যি হওক পিছত আটায়ে বুজিলে যে দুয়ো প্রকাব সমিতিবে আবশ্যকতা আছে। বাফেজনব সমিতি গাঁৱলীয়া মানুহব উপযোগী আৰু চুলজ্ ডিলিট্চব সমিতি নগবীয়া মধ্যবিত্ত অবস্থাব মানুহব বেছি উপযোগী। ভাবতবর্ষ দুখীয়া নিবক্ষব খেতিয়কব দেশ। সুতবাং ইয়াত বাফেজন সমিতিব হে যে বিশেষ আবশ্যক তাক সহজে বুজা যায়।

২৩। বাফেজন সমিতিব মূল দহোটা নীতি

বাফেজনে কৈছিল যে খেতিয়ক সকলব আর্থিক আৰু বিশেষকৈ নৈতিক উন্নতি সাধন কবাই তেওঁব সমিতি বিলাকব ঘাই উদ্দেশ্য। তেওঁব সমিতি বোবব তলত লিখা দহোটা মূলনীতি আছিল।

(১) যি সকল খেতিয়ক বিশ্বাসব উপযুক্ত আৰু টকা আদায় দিয়া সম্পর্কে অঙ্গীকাব মতে কাম কবিব বুলি আশা কবিব পাবি অকল তেওঁলোকক হে সমিতিব সভ্য কবি লোৱা হব।

(২) যি সকল মানুহ একে গাওঁব, একে খেলব নাইবা একে সম্প্রদায়ব আৰু সেই বাবে যি সকলব মাজত একতা

ভাব ওপজা স্বাভাবিক তেওঁলোকে হে একোটা সমিতিব সভ্য হব পাবিব।

(৩) সমিতিব সভ্য সকলব দায়িত্ব অসীমাবদ্ধ হব। এই অসীমাবদ্ধ দায়িত্ব সম্পর্কে পিছত বহলাই কোৱা হব।

(৪) সাধাৰণতে সমিতিব পৰা কোনো অংশ (share) বিক্রি কৰা নিয়ম নাথাকিব। কিন্তু যদি কোনো সমিতিত এনেকুৱা নিয়ম থাকে যে অংশ কিনিলেহে সভ্য হব পৰা যায় তেনেহলে সেই অংশব পৰিমাণ অতি কম হব যাতে দুখীয়া মানুহেও অংশ কিনি সভ্য শ্রেণীভুক্ত হবলৈ টান নাপায়। সমিতিত বছবি যি লাভ হয় তাবে এটা স্থায়ী পুঁজি (Reserve fund) কবি জমা বখা হব। এই পুঁজিব টকা সভ্য সকলক দিয়া নহব। কেতিয়াবা তাব কোনো অংশ দিয়াব নিয়ম হলেও সি অতি কম পবিমাণে হে হব।

(৫) সমিতিয়ে উৎপন্নব কামত খটাবব বাবে হে টকা ধাবে দিব। কোনো প্রকাব অপব্যয়ব কামত খবচ কবিবলৈ টকা দিয়া নহব। সমিতিব সভ্যত বাজে আন মানুহে টকা ধাবলৈ নাপাব। যদি দীঘলীয়া দিনব বাবে টকা ধাবে দিয়া হয় তেনেহলে টকা শোধাবব নিমিত্তে ধকল্লাব সুবিধা মতে কিস্তি ঠিক কবি দিয়া হব।

(৬) সমিতিব স্থায়ী পুঁজিব (Reserve fund) টকা সভ্য সকলক ভগাই দিয়া নহব। কিবা কাৰণত সমিতি লোপ পাবব হলে সেই পুঁজিব টকা কোনো বাজহুৱা সজ কামত খবচ কবা হব।

(৭) টকা ধাব দিয়াব সময়ত সভ্য সকলব পৰা জমি বা সম্পত্তিব জামিন নলৈ কেবল হাতব লিখা লৈ টকা

যাবে দিয়া হব। কিন্তু এই দবে টকা দিওঁতে সভ্য সকলব অন্ততঃ দুজনে এই টকাব যাবে জামিন হব লাগিব। টকা আদায় নোহোৱাব ভিতবতে যদি এইদবে জামিন হোৱা কোনো সভ্যব আর্থিক অবস্থা বেয়া হৈ যায়, নাইবা মৃত্যু হয় তেওঁব সলনি আন কোনো সভ্য জামিন হব লাগিব।

(৮) সমিতিব সভাত প্রত্যেক সভ্যবে একোটাকৈ ভোট থাকিব। বেছি প্রভাব প্রতিপত্তি থকা যাবে বা বেছিকৈ অংশ (share) কিনা যাবে কোনোৱে এটাতকৈ বেছি ভোট নাপাব।

(৯) সমিতিব সকলো সভ্যকে লৈ একোটা সাধাবণ সভা (General Meeting) থাকিব। এই সাধাবণ সভাই সকলো সভ্যব ওপবতে আৰু সমিতিব সকলো প্রকাব কথাতে কর্ত্তৃত্ব চলাব পাবিব। সমিতিব কাম চলাবব নিমিত্তে এটা কার্য্যনির্ব্বাহক কমিটি (Executive Committee) আৰু এটা তত্ত্বাবধান কবা কমিটি (Supervising Committee) পতা হব। সাধাবণ সভাব নির্দ্দেশ অনুসবি এই দুয়োটা কমিটিব কাম চলিব। সমিতিব সম্পাদকত (Secretary) বাজে আন কোনো কার্য্যকাবকে দবমহা নাপাব।

(১০) সমিতিব প্রধান উদ্দেশ্য হব সভ্য সকলব নৈতিক উন্নতি সাধন কবা। নৈতিক উন্নতিব সহায়ে আর্থিক উন্নতিব বাট উলিয়াব লাগিব।

সমবায়ব প্রকৃত মর্ম্ম ঠিক বাখি ঠাই অনুসবি ইয়াব নিয়ম বিলাকব কিছু পবিমাণে সাল-সলনি হব পাবে। ওপবত যি দহোটা নিয়ম দিয়া হল তাক নানা প্রকাবে সজাব পাবি।

২৪। সমবায়ৰ দহোটা মূল নীতিৰ উদ্দেশ্য

এতিয়া সমবায়ৰ মূলনীতি বিলাকৰ উদ্দেশ্য সম্বন্ধে অলপ বহলাই আলোচনা কৰা যাওক।

প্ৰথমটো নিয়মৰ উদ্দেশ্য হৈছে মানুহক চৰিত্ৰবান আৰু বিশ্বাসযোগ্য কৰি তোলা। স্বভাব-চৰিত্ৰৰ গুণে বিশ্বাস-ভাজন হব নোৱাৰিলে কোনোৱে সমিতিৰ পৰা সাহায্য পাব নোৱাৰে। কোনো মানুহ দুখীয়া হওক তাত একো দোষ নাই কিন্তু ভাবি চিন্তি যিটো অঙ্গীকাৰ কৰে তাত ঠিক থাকিব লাগে। মহাজনৰ পৰা টকা ধাৰলৈ ললে বেছি সুত দিব লাগে আৰু মাটি-বাৰি বা অলঙ্কাৰ আদি বন্ধক ৰাখিব লাগে। সমিতিয়ে কম সুততে টকা ধাৰ দিয়ে আৰু সম্পত্তিৰ বন্ধক নিবিচাৰে। ইয়াৰ পৰা এইটো আশা কৰা যায় যে যিবোৰ মানুহ স্বভাৱতে অপৰিমিত খৰচি নাইবা অসচ্চৰিত্ৰ তেওঁলোকেও আগৰ বেয়া অভ্যাস এৰি দি সমিতিৰ বিশ্বাসভাজন হবলৈ চেষ্টা কৰিব।

দ্বিতীয় নিয়মৰ উদেশ্য হৈছে সমিতিৰ সভ্য সকলৰ মাজত ভাল দৰে চিনাকি ৰখা। দূ�ৰৈৰ মানুহৰ স্বভাব চৰিত্ৰ আৰ্থিক অবস্থা আদিৰ খবৰ ৰখা টান আৰু সিহঁতে টকা ধাৰে নি কি প্ৰকাৰে খৰচ কৰে তাৰ ওপৰত চকু ৰখাও টান। সুতৰাং একে গাওঁ বা একে খেলৰ মানুহক লৈ হে একোটা সমিতি হোৱা উচিত।

তৃতীয় নিয়ম অনুসাৰে প্ৰত্যেক সভ্যই সমিতিৰ সমুদায় দেনাৰ বাবে সৰ্বশেষত গৈ দায়ী থাকিব। ওপৰত কোৱা দৰে অলপ ঠাই লৈ একোটা সমিতি হলেহে অসীম দায়িত্ব লোৱা সম্ভৱ হয়।

অসীম দায়িত্বৰ কথাটো শুনোঁতে বৰ টান লাগিব পাৰে কিন্তু এইটো মনত ৰাখিবলগীয়া যে প্ৰত্যেক সভ্য

পাউঁতোতে আৰু টকা ধাৰে দিওঁতে এনে ধৰণৰ মানুহ বাচি লব লাগে যেন তেওঁলোকৰ পৰা ভবিষ্যতে বিপদ নঘটে। ধাৰলৈ দিয়া টকা কিস্তি মতে আদায় হৈ থাকিলে কেতিয়াও সমিতি বিপদ্‌গ্রস্ত হব নোৱাৰে আৰু সভ্য সকলৰো বিপদ ঘটিবৰ ভয় নাই।

প্রত্যেক সভ্যই মুঠ দেনাৰ বাবে দায়ী থাকিলেহে বেয়া মানুহ সভ্যশ্রেণী ভুক্ত হৈ যাতে সকলোকে বিপদত নেপেলায় তাৰ বাবে আটায়ে সাৱধান হব। কোনো মানুহে টকা ধাৰে নিবলৈ আহিলে যোগ্যতা সম্বন্ধে আটায়ে বিবেচনা কৰিব লাগে। ইয়াৰ পৰা সভ্যসকলৰ মাজত একতাৰ ভাব দৃঢ় হয় আৰু সমিতিও স্থায়ী হবৰ আশা হয়।

চতুর্থ নিয়মৰ উদ্দেশ্য হৈছে দুখীয়া মানুহে সমিতিৰ পৰা সাহায্য পোৱাত যাতে কোনো বাধা নহয়। দুখীয়া মানুহবেই সাহায্যৰ বেছি দৰকাৰ—কিন্তু সংসাৰৰ সকলো সুখ-সুবিধাই দুখীয়া মানুহৰ পৰা যেন আঁতৰি আঁতৰি হে ফুৰে। সমবায়ৰ উদ্দেশ্য হৈছে দুখীয়া মানুহক হিচাবী আত্ম-নির্ভৰশীল আৰু তাৰে পৰা লাহে লাহে চহকী হবলৈ শিকোৱা। অংশৰ টকা কিনোতে আগেয়ে হাতত মূলধন লাগে। কিন্তু সমবায় সমিতিৰ কার্য্যক্ষেত্র হৈছে এনেকুৱা মানুহৰ মাজত হে যি সকলৰ হাতত মূলধন থকাৰ বিশেষ আশা কৰিব নোৱাৰি। দুখীয়া মানুহৰ চৰিত্রৰ (personal credit) ওপৰত নির্ভৰ কৰি টকা ধাৰে দিয়া হয়। বেছি টকাৰ অংশ কিনিবৰ নিমিত্তে যি মানুহৰ হাতত টকা আছে তেওঁ সমবায় সমিতি নহলেও চলিব পাৰে। সেই দেখি সমবায় সমিতিয়ে অংশ বিক্রিৰ বন্দবস্ত কৰিলে তাক অতি অলপ মূল্যৰ হে কৰিব লাগে।

পঞ্চম নিয়মৰ উদ্দেশ্য হৈছে এই যে সভ্য সকলক কোনো আয় হোৱা কামৰ বাবে হে সাহায্য কৰিব লাগে। অনেক সময়ত খেতিয়ক সকলে টকা খৰচ কৰোঁতে ভবিষ্যতৰ কথা হিচাব কৰি চলিব নোৱাৰে। ইয়াৰ বাবে আমাৰ কেতবোৰ সামাজিক প্ৰথাকো দায়ী নুবুলি নোৱাৰি। বহুত মানুহে ধাৰ কৰি আনিও বিয়া সবাহত অনিয়মিত পৰিমাণে টকা খৰচ কৰে। এনেকুৱা উৎসব অনুষ্ঠান বিলাকত ভাল কথা বহুত আছে, কিন্তু অৱস্থা অনুযায়ী হে ব্যৱস্থা হব লাগে। সকলো দেশৰে গাঁৱলীয়া সমাজত ধাৰ কৰিও সামাজিক ক্ৰিয়া কৰ্ম্মত খৰচ কৰা অভ্যাসটো দেখা যায়। মুঠতে সকলো দেশৰে খেতিয়ক সম্প্ৰদায়ৰ সাধাৰণ দোষ-গুণৰ বহুত মিল আছে। ভাৰতবৰ্ষৰ খেতিয়ক সকলৰ মাজত অনিয়মিত খৰচৰ পৰিমাণ বৰ বেছি। আন আন দেশৰ খেতিয়ক সকলে এতিয়া বহুত পৰিমাণে হিচাব কৰি চলিবলৈ শিকিছে।

সমবায় সমিতিয়ে সেই দেখি উৎপন্নৰ কামত খটাবলৈ নাইবা পুৰণি ঋণ পৰিশোধ কৰিবৰ বাবেহে টকা ধাৰলৈ দিয়ে। খেতিৰ বাবে টকা ধাৰে নিলে খেতিৰ উৎপন্ন হৈ উঠিলেহে ধকৰাই টকা শোধ কৰিব পাৰে। এইবাবে আদায় দিবলৈ যাতে সুবিধা হয় সেই অনুমানে হে টকা শোধোৱা কিস্তি ঠিক কৰিব লাগে। সৰহ টকাৰ ধাৰ হলে কেইবা কিস্তিও কৰি টকা আদায় দিয়াৰ নিয়ম কৰা হয়। সভ্য সকলে টকা আদায় দিয়াত যাতে টান নেপায় তালৈ চাব লাগে ; তাৰ লগে লগে ঠিক দিনতে যাতে টকা আদায় হয় তালৈও চকু বাখিব লাগে। টকা ঠিক সময়ত আদায় দিয়াটো মানুহৰ নৈতিক জীবনৰ উন্নতিৰ এটা প্ৰধান লক্ষণ।

ষষ্ঠ নিয়মব পবা এইটো বুজা যায় যে কাববাব কবি সবহকৈ লাভ কবা বা সভ্যসকলক অকল সবহ পবিমাণে ডিভিডেণ্ড দিয়াটো সমবায়ব উদ্দেশ্য নহয়। পবস্পবব সহায় আৰু তাক লগে লগে নৈতিক আৰু আর্থিক উন্নতি কবাটো হে সমবায়ব উদ্দেশ্য। লাভব টকাব এটা অংশ সভ্যসকলক ভগাই নিদি বেলেগে পুজি কবি বাখিলে সমিতিব এটা ডাঙৰ সহায় হয়। কোনো লোকচান ঘটিলে সভ্যসকলব ওপবত হেঁচা পবিবব ভয় নেথাকে আৰু টকাব অভাবত সমিতিও বেগেতে বন্ধ হবব ভয় নেথাকে। যদি সমিতি লোপ পাই যায় তেতিয়া এই লাভব টকা সাধাবণব হিতকব কামত হে খটোৱা হয়। এই নিয়মব পবা অকল লাভ কবাব পিনে মানুহব মন নগৈ সমিতিব মূল নৈতিক উদ্দেশ্যব প্রতি হে বেছিকৈ দৃষ্টি পবিব।

সপ্তম নিয়মব উদ্দেশ্য হৈছে যাতে ধন-সম্পত্তি নথকা মানুহেও চবিত্রবান হলে সমিতিব সভ্য হব পাবে। সম্পত্তি বন্ধক বাখি যদি টকা ধাবলৈ দিয়াব নিয়ম কবা হয়, বহুত দুখীয়া মানুহে টকা পোৱাব আৰু উপায় নাথাকিব। টকা ধাবে পাবলৈ হলে প্রত্যেক সভ্যব বাবে দুজনকৈ জামিন থাকিব লাগে। আন্তবিক সদ্ভাব থাকিলে আৰু বিশ্বাস-যোগ্য হলে দুখীয়া মানুহব মাজতো ইটোৱে সিটোব জামিন হবলৈ ওলোৱা টান কথা নহয়। যি মানুহ একেবাবে টকা পোৱাব অনুপযুক্ত সিয়েহে জামিন হবলৈ মানুহ বিচাবি নেপাব।

অষ্টম নিয়মব উদ্দেশ্য হৈছে যাতে সভ্য সকলব মাজত কোনো এজনে অতিপাত ক্ষমতা পাব নোৱাবে। ইয়াব বাবে কোনো কোনো সমিতিত এনেকুৱা নিয়ম আছে যে

এটা নির্দ্দিষ্ট সংখ্যাতকৈ বেছি অংশ এজন সভ্যই কিনিব নোৱাৰিব। সমিতিৰ সকলো কথাতে, বিশেষকৈ সমিতিৰ কার্য্যকাৰক সকলৰ কোনোবাই কামত হেলা কৰিলে সেই সম্বন্ধে আলোচনা কৰিবলৈ সকলো সভ্যৰে সমান অধিকাৰ থাকিব।

সকলো সভ্যয়ে সমিতিৰ সাধাৰণ সভাৰ (General Meeting) সভ্য হব পাৰে। এই সভাৰ ওপৰতে সকলো কথাৰে শেষ সিদ্ধান্ত দিয়াৰ ভাৰ থাকে আৰু এই সভাত প্ৰত্যেক সভ্যৰে একোটাকৈ হে ভোট থাকে। সমিতিৰ আন আন কমিটি সাধাৰণ সভাৰ তলতীয়া। সাধাৰণ সভাই মন কৰিলে যি কোনো মানুহৰ নাম সভ্যৰ তালিকাৰ পৰা বাদ দিবও পাৰে।

কিন্তু এইদৰে শেষ সিদ্ধান্ত দিয়াৰ ক্ষমতা থাকিলেও কার্য্যক্ষেত্ৰত সাধাৰণ সভাই এটা উপকৰা তত্ত্বাৱধান হে চলাব পাৰে। সমিতিৰ কাৰবাৰ চলাবলৈ বেলেগ কার্য্যনির্ব্বাহক কমিটি (Executive Committee) লাগে। কার্য্য নির্ব্বাহক কমিটিয়ে টকা জমা ৰখা, ধাৰলৈ দিয়া, ধাৰ আদায় কৰা আদি সকলো প্ৰকাৰ কাম কৰিব লাগে। ইয়াৰ উপৰিও কোনো কোনো ঠাইত এটা বেলেগ তত্ত্বাবধায়ক কমিটি (Supervising Committee) পতা হয়। এই সমিতিয়ে সভ্য সকলে কি দৰে টকা খৰচ কৰে তাৰ অনুসন্ধান কৰে। কোনো সভ্যৰ অৱস্থা বেয়াৰ পিনে যোৱা দেখিলে এই কমিটিয়ে কার্য্যনির্ব্বাহক কমিটিক জনায়।

দৰমহা নোহোৱাকৈ সমিতিৰ বাবে খাটিবলৈ উৎসাহী আৰু সাধু চৰিত্ৰৰ উদ্যোগী মানুহ নহলে সমবায়ৰ মহৎ

উদ্দেশ্য কেতিয়াও সফল হব নোৱাৰে। সুতৰাং বিন্ দৰমহাতে খাটিবলৈ কার্য্যকাৰক সকলক অনুৰোধ কৰা হয় আৰু তেনেকুৱা মানুহ যাতে দুই এজনকৈ সকলো ঠাইতে ওলায় তাৰ বাবে চেষ্টা কৰা হয়। কিন্তু যিজন চেক্রেটৰি বা সম্পাদকৰ ওপৰত সকলোখিনি হিচাব ৰখাৰ ভাৰ থাকে তেওঁৰ পৰিশ্রম আৰু দায়িত্ব বেছি, গতিকে সমিতিয়ে তেওঁক দৰমহা নাইবা লাভৰ অলপ অংশ পুৰস্কাৰ স্বৰূপে দিব পাৰে।

২৫। ৰাফেজন সমিতিৰ পৰা জার্ম্মেনিৰ উন্নতি

ৰাফেজন সমিতিবিলাকে জার্ম্মেনিত কিমান কাম কৰিছে তাৰৈ চালে আচৰিত হব লাগে। ১৯০৮ চনত ৰাফেজন কমিটিয়ে তদন্ত কৰি সমবায় সমিতিৰ পৰা হোৱা তলত লিখা কামবিলাক পাইছিল।

(ক) শিক্ষাৰ নিমিত্তে ৪৫৮ টা লাইব্রেৰী, ২৫৭টা বয়স্ক মানুহৰ বাবে স্কুল আৰু ৯৬টা সান্ধ্য সমিতি। এই বিলাক সমিতিত আর্থিক উন্নতিৰ বিষয়ে আলোচনা কৰা হয়। ইয়াত বাজেও ১৩টা যুবক সঙ্ঘ আৰু ২৪টা গাঁৱলীয়া আলোচনি সভা পতা হৈছিল।

(খ) সৰু লৰা ছোৱালীৰ নিমিত্তে ১০৮ টা স্কুল আৰু ১৪১ টা সৰু চেভিংচ বেঙ্ক।

(গ) নৰিয়াৰ পৰিচর্য্যাৰ নিমিত্তে, গাঁৱত কাম কৰিবলৈ ৩৫৭ জন ৰোগীৰ পৰিচাৰক, ২০টা পৰিচর্য্যাৰ সমিতি।

(ঘ) ৩২ সাজ অস্ত্রশিক্ষাৰ সজুলি।

(ঙ) সভ্যসকলৰ সাধাৰণ উপকাৰৰ নিমিত্তে ৩৯২টা মৃতকৰ পৰিয়ালৰ সাহায্যৰ অর্থে ধন-ভঁৰাল। ১৩টা নৰিয়াৰ সাহায্যৰ অর্থে টকাৰ পুঁজি।

(চ) কৃষিব উন্নতিব নিমিত্তে ৩৮৭০ সাজ কৃষি-যন্ত্রপাতি।

১৯১০ চনব হিচাবত জার্ম্মেনিত ১৪৯৯৩টা বাফেজন বেঙ্ক আৰু তাত ১৪৪৭৭৬৪ জন সভ্য আছিল। উল্‌ফে তেওঁব পিপল্‌চ্‌ বেঙ্ক (People's Bank) নামে কিতাপত লিখিছে—জার্ম্মেনিত বাফেজন সমবায় সমিতিবপবা কৃষিব উন্নতি হৈছে, শিল্প বাণিজ্যব আগতকৈ বৃদ্ধি হৈছে। যিবিলাক খেতিব সজুলি খুচবাকৈ কিনিলে, বেছি দামত কিনিব লগা হয় সেইবোব খেতিয়কসকলে সস্তা দামতে কিনিব পাবিছে। মহাজনসবলে অতিপাত সুত লোৱা ব্যৱসায় বন্ধ হৈছে। সদায় ধাবত পোত গৈ থকা খেতিয়ক সকলে কিছু পবিমাণে ধন সাঁচিব পাবিছে আৰু সেই ধন তেওঁলোকে সমিতিত জমা থৈ সমবায় আন্দোলনব প্রভাব অনেক গুণে বঢ়াইছে। অনিয়মিত ভাবে চলা যিবোব সভাব অবস্থা আগেয়ে অতি শোচনীয় আছিল তেওঁলোকেও সমিতিব আদর্শ সভ্য হৈ উঠিব পাবিছে।

২৬। চুল্‌জ্‌ ডিলিট্‌চব সমিতি

এতিয়া চুল্‌জ্‌ ডিলিট্‌চব সমিতিব বিষয়ে অলপ বহলাই আলোচনা কবা যাওক। বাফেজনব কার্য্যক্ষেত্র আছিল গাৱঁলীয়া, সমাজ কিন্তু চুল্‌জ্‌ ডিলিট্‌চব কার্য্যক্ষেত্র নগবীয়া সমাজ। চুল্‌জ্‌ ডিলিট্‌চব সমিতি বিলাকব বিশেষত্ব তলত দিয়া গ'ল।

(১) একোটা সমিতিব এলাকাত বাফেজন সমিতিতকৈ বেছি পবিমাণে ঠাই আৰু বেছি সংখ্যাব মানুহ থাকিব পাবে। নগবীয়া সমিতিত প্রতিজন সভ্যবে কার্য্য-কলাপ সম্বন্ধে বিশেষ খবব বখাব আবশ্যক নাই।

(২) সমিতিৰ মূলধনত অংশ বিক্রি কৰি পোন্ধা টকাৰ পৰিমাণ বেছি। একোটা অংশৰ দাম পাঁচশ বা হেজাৰ টকাও হব পাৰে।

(৩) টকা দীঘলীয়া সময়ৰ বাবে ধাৰে দিয়া নহয়। প্ৰায় তিনিমাহ বা ছ মাহৰ বাবে হে ধাৰ দিয়া হয়। কি উদ্দেশ্যত টকা ধাৰলৈ নিয়ে তাৰ অনুসন্ধান লোৱাৰ বিশেষ আবশ্যক নাই।

(৪) সভ্যসকলৰ দায়িত্ব অসীমাবদ্ধ নহয়।

(৫) সমিতিৰ লাভৰ টকাৰ অধিকাংশ ভগাই দিয়া হয়। লাভৰ অলপীয়া অংশ—প্ৰায় দহভাগৰ এভাগ হে স্থায়ী পুঁজিত (Reserve fund) জমা ৰখা হয়।

(৬) সমিতিৰ কাৰবাৰৰ টকাৰ পৰিমাণ বেছি আৰু সেইবাবে সমিতিৰ কাৰ্য্যকাৰক সকল হিচাব ৰখাত উপযুক্ত মানুহ হোৱাৰ নিতান্ত আবশ্যক আৰু তেওঁলোকক দৰমহা দিয়া হয়।

(৭) সমিতিৰ মুখ্য উদ্দেশ্য কাৰবাৰ কৰা। নৈতিক আৰু সামাজিক উন্নতি লৈ চোৱাটো গৌণ উদ্দেশ্য হে।

২৭। বাফেজন আৰু চুল্‌জ্‌ ডিলিট্‌চৰ সমবায়ৰ মাজত প্ৰভেদ

ওপৰত দিয়া নিয়ম বিলাকৰ পৰাই দুয়ো প্ৰকাৰ সমিতিৰে মাজত প্ৰভেদ ভালদৰে বুজা যায়। চুল্‌জ্‌ ডিলিট্‌চৰ সমিতিৰ কাৰ্য্যপ্ৰণালী আজি কালিৰ সাধাৰণ বেঙ্কৰ নিচিনা। দুবৰ মানুহেও সভ্য শ্ৰেণীভুক্ত হব পাৰে গতিকে সভ্যসকলৰ দায়িত্ব সীমাবদ্ধ হবই লাগিব। কাৰবাৰী মানুহে তিনি চাৰি মাহৰ বাবে টকা পালেই

কিনা মাল বিক্রি কবি টকা আদায় দিব পাবে। কিন্তু খেতিব বাবে অনা টকা অলপ দিনব ভিতবতে ফিবাই দিয়া টান।

ভাবতবর্ষত দুয়ো প্রকাব সমিতিবে আবশ্যক। খেতিয়ক আৰু কাৰবাৰী দুয়ো প্রকাব মানুহবে অবস্থা আমাব দেশত প্রায় একেশাবীতে পবে। তথাপি এইটো মনত বাখিব লাগিব যে ভাবতবর্ষ কৃষিপ্রধান দেশ। সুতবাং আমাব দেশত যে অলেখ বাফেজন সমিতিব আবশ্যক তাক অতি সহজে বুজিব পাবি। বাফেজন সমিতিয়ে আবম্ভণিবে পবা অন্তলৈকে ঘাইকৈ লোক-হিতকব কামব বাবে আৰু নৈতিক চবিত্রব উন্নতিব বাবে লক্ষ্য বাখে। এনেকুবা সমিতি আমাব দেশত গাঁৱে গাঁৱে যিমান বেছি হয় সিমানেই মঙ্গল।

আমাব দেশব কৃষক সমাজ স্বভাবতে ধর্ম্মপ্রাণ আৰু শান্ত প্রকৃতিব। তেওঁলোকব শাস্ত্র, সমাজ আৰু সভ্যতাই অতি প্রাচীন কালবেপবা নীতি, সংযম আৰু পবোপকাব ব্রতব মহিমা প্রচাব কবি আহিছে। আজি দুববস্থাত পবি আটায়ে পবস্পবব প্রতি ঈর্ষান্বিত হৈছে আৰু ভালকৈখাবলৈ থাকিবলৈ নাপাই আৰু কেতিয়াবা কিবা কামত লাগিবব মন কবিলেও তাব বাবে একো সুবিধা নাপাই পবস্পবে হিংসা দ্বেষ কবিবলৈ শিকিছে। ইপিনে বর্ত্তমান যুগব প্রতিযোগিতাত আগব যিখিনি শিল্প বাণিজ্য আছিল সিও তেনেই লুপ্ত হ'ল। কোনো প্রকাব উন্নতিশীল কামত লাগিব নোৱাবা বাবে দিনক দিনে শাৰীবিক মানসিক আৰু আর্থিক অবনতি গুৰুতব হৈ আহিব ধবিছে। আমাব এই অবস্থাত সমবায়ে নিশ্চয় অলপ নহয় অলপ উন্নতি আনিব।

২৮। ইটালিত সমবায় আন্দোলন

সমবায়ৰ কথা আলোচনা কৰোঁতে জাৰ্ম্মেনিৰ পিছতে ইটালিৰ কথা লেখত লবলগীয়া। চুল্‌জ্‌ ডিলিটচে জাৰ্ম্মেনিত যি কাম কৰিলে চিগ্‌নৰ লুজ্জাটিয়ে (Signor Luzzati) ইটালিত সেই কাম হাতত ললে। লুজ্জাটি মিলান নগৰৰ শিল্প বিদ্যালয়ত অৰ্থনীতিৰ অধ্যাপক আছিল। জাৰ্ম্মেনিত বাফেজন আৰু ডিলিট্‌চৰ সমবায় সমিতি বিলাকৰ সুফল দেখি লুজ্জাটিয়ে ইটালিৰ দৰিদ্ৰ খেতিয়ক সকলৰ দুৰবস্থা কিদৰে দূৰ কৰিব পৰা যায় তাকে ভাবিবলৈ ধৰিলে। ১৮৬৬ চনত তেওঁ ৭০০ লায়াৰ (প্ৰায় ৪০০্‌ টকা) মূলধন লৈ বাফেজন আৰু ডিলিট্‌চ্‌ এই দুয়ো প্ৰকাৰৰ সমিতিৰ নিয়ম মিহলাই এটা নতুন ধৰণৰ সমিতি স্থাপন কৰে; এই সমিতিৰ নাম "The Popular Bank of Milan" আছিল। লুজ্জাটিয়ে নিজে তাত ১০০ লায়াৰৰ অংশ লৈছিল। সেই নিয়ম তলত লিখা দৰে আছিল।

(১) সমিতিয়ে অংশ বিক্ৰি কৰিব। একো অংশৰ মূল্য অন্ততঃ ৫০ লায়াৰ বা ৩০্‌ টকা হব। প্ৰত্যেক সভ্যই অন্ততঃ এটা অংশ কিনিব লাগিব। প্ৰত্যেক অংশৰ টকা দহ মাহৰ ভিতৰত কিস্তি কৰি আদায় দিব লাগিব।

(২) একোজন সভ্যই এটাতকৈ বেছি অংশ কিনিব পাৰে কিন্তু কোনো সভ্যই এটাতকৈ বেছি ভোট পাব নোৱাৰিব।

(৩) সভ্যসকলৰ দায়িত্ব সীমাবদ্ধ হব।

(৪) সমিতিৰ চেক্রেটবি, হিচাব-ৰক্ষক আৰু ধন-ভঁবালি এই তিনিজনে দৰমহা পাব; কিন্তু আন আন কার্য্যকাৰক সকলে বিনা-দৰমহাতে কাম কৰিব লাগিব।

(৫) বিশ্বাসযোগ্য আৰু সৎচৰিত্ৰৰ মানুহে হে সমিতিৰ সভ্য হব পাৰিব।

ইয়াৰৈ চালে বুজা যাব যে ইয়াত ৰাফেজন আৰু চুল্‌জ্‌ ডিলিট্‌চ্‌ এই দুয়োবিধৰ সমিতিৰে নিয়ম মিহলাই লোৱা হৈছে। বেঙ্কৰ সভাসকলৰ এটা ডাঙৰ কমিটিয়ে (Consiglio d'amministrazine) সকলো কামৰ তত্ত্বাবধান কৰিছিল। ইটালি আৰু জার্ম্মেনিৰ সামাজিক অবস্থাৰ মাজত প্ৰভেদ আছে। জার্ম্মেনিত সোতৰ শ শতিকাৰ পিছৰে পৰা বেঙ্কৰ কাৰবাৰ চলিবলৈ আৰম্ভ হৈছিল আৰু সাধাৰণ মানুহৰ মাজত বেঙ্ক সম্বন্ধে নানাপ্ৰকাৰ আলোচনা হৈ থকা গতিকে তাৰ মানুহে অসীম দায়িত্বত সোমাবলৈ ভয় নেপাইছিল। কিন্তু ইটালিৰ অবস্থা বেলেগ আছিল আৰু তাত ধনী আৰু দুখীয়া সকলৰ মাজত বৰ ডাঙৰ ব্যবধান আছিল। এইবিলাক কাৰণত লুজ্জাটিয়ে অসীম দায়িত্বৰ নিয়ম এৰি দিয়ে।

ইটালিত কিন্তু এই এটা ভাল কথা আছিল যে ইয়াৰ মানুহৰ মাজত ভালেমান দিন আগৰেপৰা হুণ্ডীৰে কাৰবাৰ চলোৱা নিয়ম প্ৰচলিত আছিল। বেঙ্কৰ মূলধনৰ নাটনি পৰাত লুজ্জাটিয়ে এটা নতুন উপায় ললে। তেওঁ দেখিলে যে এটা বেঙ্কৰ হুণ্ডী আন এটা বেঙ্কে গ্ৰহণ কৰিলে নগদ টকাৰ লেন-দেন নকৰাকৈয়ে কাৰবাৰ চলিব পাৰে। হুণ্ডীৰ টকা প্ৰায় তিনি মাহত পৰিশোধ কৰা নিয়ম। লুজ্জাটিয়েও

বেঙ্কৰ পৰা দিয়া ঋণ তিনি মাহৰ ভিতৰত শোধ কৰা নিয়ম কৰি টকা ধাৰলৈ দিলে নগদ টকা নিদি হুণ্ডী দিবলৈ ধৰিলে। এইদৰে কাৰবাৰ চলাৰৰ হলে বেঙ্কবিলাকৰ মাজত পৰস্পৰৰ বিশ্বাস থকা আবশ্যক। আনৰ বিশ্বাস পাৰৰ হলে প্ৰত্যেক বেঙ্কৰ অবস্থা আন সকলোৱে জানিব পাৰ লাগে। সেইবাবে লুজ্জাটিয়ে তেওঁৰ বেঙ্কৰ দেনা পাওনাৰ তালিকা (Balance Sheet) দিনে দিনে বাতৰি কাকতত প্ৰকাশ কৰি দিব ধৰিলে। এই নিয়মে কাৰবাৰ চলোৱা প্ৰথমতে কিছু টান আছিল। কিন্তু শেষত গৈ এই উপায়েৰেই লুজ্জাটিৰ সমিতিবিলাকৰ মূলধনৰ অভাৰ দূৰ হ'ল।

লুজ্জাটিৰ সমিতিৰ আৰু এটা বিশেষত্ব আছিল এই যে ইয়াত খুচুৰা টকা ধাৰ কৰিবলৈ অহা দুখীয়া মানুহৰ প্ৰতি বেছি মনোযোগ দিয়া হৈছিল। জাৰ্ম্মেনিৰ সমিতি বিলাকত প্ৰায়ে অলপ অৱস্থাপন্ন আৰু সৰহীয়া টকা ধাৰ কৰিবলৈ অহা মানুহে বেগেতে ধাৰ পায়। লুজ্জাটিৰ সমিতিয়ে সভ্যত বাজে বাহিৰা মানুহকো মাজে সময়ে টকা দিছিল।

জাৰ্ম্মেনিত বাফেজনৰ গাঁৱলীয়া সমিতি আৰু ডিলিট্‌চৰ নগৰীয়া বেঙ্ক এই দুই শ্ৰেণীৰ ভিতৰত পৰিচালনৰ নিয়ম প্ৰণালীত এটা পাৰ্থক্য দেখা যায়; আনকি প্ৰথমতে এক শ্ৰেণীৰ বেঙ্কৰ মানুহে আন শ্ৰেণীৰ মানুহক সময়ে সময়ে ইতিকিং কৰিছিল আৰু কেতিয়াবা বিৰুদ্ধ আচৰণ কৰাও দেখা গৈছিল। কিন্তু ইটালিৰ বেঙ্কবিলাকে এটা মজলীয়া পথ লৈ চলিছিল। লুজ্জাটিৰ সমিতিবিলাকৰ উপকাৰিতা লাহে লাহে মানুহে বুজিবলৈ আৰম্ভ কৰে। তেওঁৰ চেষ্টাত পাঁচ বছৰৰ ভিতৰতে প্ৰায় এক কোটি টকা মূলধনেৰে পঞ্চাশটা সমিতি স্থাপিত হয়। ১৯০২ চনত

সমিতিৰ সংখ্যা ছয়শ আৰু তাত মূলধন আৰু জমাথোৱা টকাৰ পৰিমাণ প্ৰায় ছত্ৰিশ কোটি টকা হয় গৈ।

ইটালিৰ সমবায় আন্দোলনৰ প্ৰসঙ্গত ডাক্তৰ ওলেম-বৰ্গৰো (Signor Wollemborg) নাম উল্লেখযোগ্য। তেওঁ তেওঁৰ জন্মভূমি লৰিগিয়া নগৰত ১৮৮৩ চনত এটা ঋণসমিতি স্থাপন কৰে। প্ৰায়ে দেখা যায় যে এটা নতুন কাম হাতত ললে সাধাৰণৰ সহানুভূতিৰ পৰিবৰ্ত্তে অবিশ্বাস আৰু সন্দেহৰ পৰা হে বেছিকৈ ভুগিব লগীয়া হয়। কিন্তু সেই কাম যদি সঁচাকৈ ভাল হয় তেন্তে তাত স্থিৰভাৱে লাগি থাকিলে এদিন নহয় এদিন তাৰ প্ৰতি মানুহৰ আগ্ৰহ জন্মিবই। ডাক্তৰ ওলেমবৰ্গৰো সেই অৱস্থা হয়। প্ৰথমে তেওঁ ৰোমান কেথলিক ধৰ্ম্মযাজক সকলৰ পৰা বাধা পায়। বহুত বাধা-বিঘিনিৰ মাজতো ১৯০৬ চনত তেওঁৰ প্ৰণালীত পতা বেঙ্কৰ সংখ্যা ১৪৬১টা হয় গৈ।

২৯। ইংলণ্ডত সমবায়।

ইংলণ্ডত কৃষিতকৈ শিল্প আৰু বাণিজ্যৰ প্ৰভাব বেছি আৰু খেতিয়তকৈ কাৰবাৰী আৰু কল-কাৰখানাৰ বনুৱাৰ সংখ্যা অনেক গুণে অধিক। শিল্প-বিপ্লবৰ লগে লগে ইংলণ্ডত কেতবোৰ আৰ্থিক সমস্যাই দেখা দিয়ে—বিশেষকৈ বনুৱা সমাজৰ মাজত। কল-কাৰখানাৰ প্ৰতিযোগিতাৰ ফলত অনেক মানুহে স্বাধীনভাবে জীবিকা অৰ্জ্জন কৰাৰ সুযোগ হেকৰাই ধনী সম্প্ৰদায়ৰ অধীনত কল-কাৰখানাত মজুৰি কৰিবলৈ বাধ্য হয়। এইদৰে বনুৱা সকলৰ সংখ্যা দিনক দিনে বৃদ্ধি পাব ধৰে। সমাজে যেতিয়া এই নতুন গঢ় ললে তেতিয়া বনুৱা সম্প্ৰদায়ৰ পৰিশ্ৰমলব্ধ উৎপন্নৰ সহায়ে ধনী সকলে দিনক দিনে বেছি আয় কৰিবলৈ ধৰিলে।

বনুৱা সম্প্রদায়ৰ আৰ্থিক অৱস্থালৈ লক্ষ্য কৰিলে এইটো দেখা যায় যে তেওঁলোকে যিখিনি দৈনিক বা মাহিলি দৰমহা পায় তাৰ সকলোখিনি নানা ওৱহৰ আৱশ্যকীয় বস্তু কিনোঁতে খৰচ হৈ যায়। তেওঁলোকৰ সাঁচতীয়া ধন বা আন কোনো প্ৰকাৰ আনুসঙ্গিক উৎপন্নৰ বাট নাই। কিনি খোৱা বস্তুবোৰৰ দৰ-দাম আৰু সেইবোৰ বস্তু খাঁটি নে ভাঁজ থকা এইবিলাক কথাৰ ওপৰত তেওঁলোকৰ সুখ-দুখ ঘাইকৈ নিৰ্ভৰ কৰে। ইংলণ্ড শিল্পী আৰু বেপাৰীৰ দেশ আৰু তাত প্ৰায় সকলো প্ৰকাৰ খাদ্যবস্তুকে বিদেশৰপৰা আমদানি কৰি লোৱা হয়। শিল্প-বিপ্লৱৰ সময়ত ইংলণ্ডত নানা প্ৰকাৰ ভাঁজ থকা খাদ্যবস্তু বিয়পি পৰিছিল। এই সময়ত ইংলণ্ডত বনুৱা সম্প্ৰদায়ৰ দুৰ্গতিৰ ইও এটা প্ৰধান কাৰণ।

এই সময়ত ইংলণ্ডত ৰবাৰ্ট ওৱেন (Robert Owen) নামে এজন বিখ্যাত লোকহিতৈষী মহাপুৰুষে মানুহৰ বিপত্তি দেখি সমবায় নীতিৰ ওপৰত প্ৰতিষ্ঠিত এখন শান্তি-পূৰ্ণ সমাজ পাতিবৰ চেষ্টা কৰে। এই সমাজত বেলেগ বেলেগ সম্প্ৰদায়ৰ মানুহৰ মাজত প্ৰতিযোগিতাৰ ভাৱ নেথাকিব আৰু সমাজত ধনী আৰু দুখীয়া এনেকুৱা দুটা শ্ৰেণীৰ সৃষ্টি হৈ মানুহৰ মাজত সামাজিক আৰু আৰ্থিক বৈষম্য নঘটিব। তেওঁ বনুৱা সকলৰ উপকাৰৰ অৰ্থে কিছুমান সমবায় ভাণ্ডাৰ (Co-operative Store) পাতিবৰ চেষ্টা কৰে। ইংলণ্ডৰ সমবায় আন্দোলনৰ ঘাই ধৰণি হৈছে এই সমবায় ভাণ্ডাৰবিলাক। সুবিধা দৰত সৱহ পৰিমাণে ভাল বস্তু-বাহনি কিনি এই ভঁৰালবোৰত ৰখা হয়। আৰু তাৰপৰা সমিতিৰ সভ্যসকলক নিজ নিজ আৱশ্যক অনুসাৰে বস্তু কিনি লবলৈ কেতবোৰ নিয়ম বান্ধি দিয়া হয়।

বজাৰত বস্তু কিনোঁতে যিখিনি লাভ বেপাৰিৰ হাতলৈ যায় সেইখিনি সমিতিৰ হাততে ৰয় আৰু তাৰ উপৰি ভাল জাতৰ বস্তু ঠিক সময়ত পোৱা যায়। ১৮৪৪ চনত ইংলণ্ডৰ বিখ্যাত ৰকডেল পাইনিয়ৰ সমিতি (Rochdale Pioneer) Society) স্থাপিত হয়। কালত গৈ এই অনুষ্ঠানটি গোটেই পৃথিবীৰে সমবায় ভাণ্ডাৰবিলাকৰ আদৰ্শস্থানীয় হয় গৈ। ৰকডেল সমিতিৰ ক্ৰমোন্নতি আলোচনা কৰিলে সমবায় প্ৰণালীৰ শক্তি সহজে বুজিব পৰা যায়। ৰকডেল নগৰত বহুত কাপোৰৰ কল আছে। ১৮৪৪ চনত বিদেশলৈ কাপোৰ ৰপ্তানি কমি যোৱা বাবে কলৰ অধ্যক্ষ সকলে কাৰখানাত কাম কৰা বনুৱা সকলৰ দৰমহা কমাব লগীয়াত পৰে। বনুৱা সকলৰ দৰমহাৰ টকাৰে খাবলৈ নোজোৰা হয়। এই সময়ত এঠাইত মুঠে ২৮ জন বনুৱাই লগ হৈ প্ৰত্যেকে অলপকৈ পইচা তুলি এটা সমবায় ভঁৰাল পাতি তাত চাহ চেনি আদি সৰহকৈ কিনি পাইকাৰী দামত বিক্ৰি কৰিবৰ বন্দবস্ত কৰে। এই কামৰ দ্বাৰা সমিতিৰ হাতত কিছু পৰিমাণে লাভৰ টকা জমিবলৈ ধৰে আৰু কিনোঁতা সকলেও ভাল বস্তু বজাৰতকৈ সস্তা দামত পায়। সমিতিৰ উন্নতি দেখি যিবিলাক মানুহে সভ্য হবলৈ আগেয়ে মন কৰা নাছিল তেওঁলোকেও লাহে লাহে যোগ দিবলৈ ধৰে। ১৮৫৬ চনত এই সমিতি ৰকডেল পাইওনিয়ৰ সমিতি নামে বিখ্যাত হৈ উঠে আৰু ইয়াৰ মূলধন প্ৰায় দুলাখ টকা হয়। সমিতিয়ে অকল চাহ চেনিৰ কাৰবাৰতে আবদ্ধ নেথাকি সভ্যসকলৰ বাবে লাহে লাহে কটি, মজহু আৰু কাপোৰ যোগাবলৈ ধৰে। সময়ত দুলাখ টকাৰে ইয়াৰ অধিক ধন সজা হয়। ১৯০৬ চনত এই সমিতিয়ে

৪০টা শাখা সমিতি পাতে আৰু ইয়াৰ মুঠ সভ্যৰ সংখ্যা প্ৰায় চৈধ্য হাজাৰ হয়। লাহে লাহে এই সমিতিৰ বছৰেকীয়া কাৰবাৰৰ টকাৰ পৰিমাণ ৩০।৪০ লক্ষ টকা হয় গৈ। সমিতিয়ে লাভৰ টকাৰ কিছু অংশ টকা জমা থোৱা আৰু অংশ কিনা মানুহৰ মাজত ভাগ কৰি দি বাকী লাভ-খিনি, সমিতিৰ পৰা মালবস্তু কিনোঁতা সকলৰ মাজত কিনা-বস্তুৰ পৰিমাণ অনুসাৰে ভগাই দিয়াৰ নিয়ম কৰে। এই নিয়মবপৰা, আন দোকান এৰি সমবায় ভঁৰালৰ পৰা বস্তু কিনিবলৈ সভ্যসকলৰ আগ্ৰহ বাঢ়ে।

ৰফ্‌ডেল সমিতিৰ দৃষ্টান্ত দেখি আন আন বহুত বনুৱাই আৰু আন কি চৰকাৰী কৰ্ম্মচাৰী সকলেও সমবায় ভঁৰাল পাতিবলৈ আৰম্ভ কৰে। কিনা-বেচা দুয়োপ্ৰকাৰ কাৰবাৰৰ নিমিত্তে সমবায় ভঁৰাল লাগে। অসমতো এনেকুৱা দুই এটা সমবায় ভঁৰাল আৰু ধৰ্ম্মগোলা (Grain Bank) আদি দেখা গৈছে, কিন্তু সি আবশ্যকতাৰ অনুপাততে সাগৰত জলবিন্দুৰ নিচিনা। ইংলণ্ডত এই শ্ৰেণীৰ সমবায়ে যে কিমান বিশাল আকাৰ লৈছে তাক তলৰ বিবৰণৰ পৰাই বুজা যাব।

১৯১৪ চনত ইংলণ্ডত সমবায় ভঁৰালৰ সংখ্যা ১৪০০ আৰু সেইবোৰত সভ্যৰ সংখ্যা প্ৰায় ৩০ লক্ষ। এইবিলাক সমিতিৰ মূলধনৰ পৰিমাণ প্ৰায় ৯০ কোটি টকা। এইবিলাক সমিতিত বছৰে প্ৰায় ২০০ কোটি টকাৰ কাৰবাৰ হয় আৰু সেইবোৰৰ লাভৰ পৰিমাণ প্ৰায় ২০ কোটী টকা।

সমবায় ভাণ্ডাৰত বাজেও ইংলণ্ডত আন আন বিধৰ সমবায়ে নানাদিশে উন্নতি কৰিছে। অকল বনুৱাৰ মাজতে

নহয়, স্কুল কলেজ আদিব ছাত্রসকলব দবকাবী বস্তু যোগাবলৈও বহুত সমবায় ভাণ্ডাব খোলা হৈছে। অক্সফোর্ড বিশ্ববিদ্যালয়ব সমবায় ভঁবাল বিখ্যাত। ইংলণ্ডব বহুবা সকলব বহুত থকা ঘব সমবায় প্রণালীবে টকা গোটাই সজা হৈছে। যি ইংলণ্ড বর্ত্তমান যুগব ধনতন্ত্রব এটা প্রধান কেন্দ্র তাত অকল বস্তু বিক্রি কবা সমবায় সমিতিবিলাকবে সভ্যব সংখ্যা এতিয়া প্রায় ৭৫ লক্ষ আৰু সেইবিলাকব পবা এতিয়া বছবি প্রায় ২২ কোটি পাউণ্ড মূল্যব বস্তু বিক্রি হয়। ইংলণ্ডব মুঠ প্রায় ১১০ লক্ষ পবিয়ালব মাজত ৬০ লক্ষ পবিয়ালবে সমবায় সমিতিব লগত সম্পর্ক হৈ উঠিছে। ধন-তান্ত্রিকব দেশতো যে সমবায়ব স্থান আছে, ইংলণ্ডব পবাই তাব যথেষ্ট প্রমাণ পোৱা যায়।

৩০। আয়র্লণ্ডত সমবায়

আয়র্লণ্ডবে সৈতে আমাব দেশব অবস্থাব বহুত মিল আছে। আয়র্লণ্ডব ভালেমান মানুহে আমেবিকালৈ গৈ তাত বসতি কবি উন্নতি কবিছে। কিন্তু আয়র্লণ্ডতে থকা সাধাবণ মানুহব পূর্ব্বব অবস্থা, তেওঁলোকব আর্থিক দুর্দ্দশা আদি কিছুমান কথালৈ চালে তেওঁলোকক ভাবতীয় মানুহব লগত তুলনা কবিব পাবি। আমাব দেশব খেতিয়ক সকলব দবে আয়র্লণ্ডব খেতিয়কেও সৰু সৰু একোডবা মাটি লৈ খেতি কবে। ইংলণ্ডব একোজন জমিদাবব ডাঙ্গব জমিদাবিত জমিদাবব টকাবে পামঘব সজা হয়, কল-কাবখানা অনা হয় আৰু বায়তে ভাবা বা বেণ্ট্ দি তাত উন্নত প্রণালীবে খেতি কবে। কিন্তু আয়র্লণ্ডব ভূমি সম্পর্কীয় আইন বেলেগ ধবণব। প্রোটেষ্টাণ্ট্, বোমান কেথলিক আদি সম্প্রদায়ব মানুহব মাজত কাজিয়া দলাদলি হৈ থকাব বাবেও আইবিচ সকলে ভাবতীয় মানুহব দবে

অশেষ দুর্দ্দশা ভুগিছে। নিরুৎসাহী আরু আত্মবিশ্বাসহীন কৃষকসকলৰ মাজত যেতিয়া সমবায় নীতি প্রথমে প্রচাৰ কৰা হয় তেতিয়া তেওঁলোকে তাক সন্দেহৰ চকুৰে চাইছিল। কিন্তু শেষত গৈ আয়ৰ্লণ্ডই সমবায় নীতিৰ সাহায্যে অশেষ উন্নতি কৰিছে। আয়ৰ্লণ্ডৰ সমবায় আন্দোলনৰ পৰা আমাৰ শিকিবলৈ বহুত আছে।

প্রায় ৫০ বছৰমান আগৰেপৰা আয়ৰ্লণ্ডত সমবায় আন্দোলনৰ আৰম্ভ হয়। আয়ৰ্লণ্ডও ভাৰতবৰ্ষৰ নিচিনাই খেতিয়কৰ দেশ আরু তাৰ মাটি খেতিবাতি, গৰুছাগলী পোহা কাৰবাৰ, গাখীৰৰ কাৰবাৰ ইত্যাদিৰ বাবে উপযোগী। ১৮৮৯ চনত চাৰ হোৱেচ প্লাঙ্কেটে প্রথমে সমবায় প্রণালীৰে গাখীৰৰ কাৰবাৰ চলাবৰ নিমিত্তে এখন সমিতি পাতে। আয়ৰ্লণ্ডৰ মানুহবিলাকৰ ইমান অধঃপতন হৈছিল যে তেওঁলোকে কোনো প্রকাৰ উন্নতিৰ উপায়ত টো উৎসাহ নেদেখুৱাইছিলেই ৰৰং তাক সন্দেহৰ চকুৰে চাইছিল আরু তাত পাৰেমাসে বাধা দিছিল। এই অৱস্থাৰপৰা অশেষ বাধা-বিপত্তি অতিক্রম কৰি যি সকল দেশহিতৈষী পুৰুষে আইৰিচ কৃষক সকলক উন্নতিৰ বাটলৈ আনে তেওঁলোকৰ মাজত চাৰ হোৱেচ প্লাঙ্কেটৰ নাম বিশেষকৈ উল্লেখ কৰিবলগীয়া। ১৮৯৪ চনত আয়ৰ্লণ্ডৰ বিখ্যাত I. A. O. S. অর্থাৎ কৃষি সমিতি (Irish Agricultural Organisation Society) স্থাপিত হয়। ১৯০৬ চনত চনত আয়ৰ্লণ্ডত সমবায় সমিতি, সভ্য আরু কাৰবাৰৰ টকাৰ পৰিমাণ তলত লিখা দৰে আছিল।

	সমিতিব সংখ্যা	সভ্যব সংখ্যা	কাববাবব টকাব পবিমাণ।	
(১) গাখীবব কাববাবব সমিতি	২৮৩	৭৫২০১	১৫০৭৪০	হাজাব
(২) খেতিয়কব সজুলি যোগোৱা সমিতি	১৫৯	১৩০৬৩	৭৩১৭৫	,,
(৩) হাঁহ পাব কুকুবা আদি পোহা সমিতি	১৯	৪৫৮	১৮২৭	,,
(৪) মঙ্গহব কাববাবব সমিতি	২	৩৫০০	.....	

১৯০৪ চনব এটা বিপোর্টব পবা দেখা যায় গাখীব যোগোৱা সমবায় সমিতিব পবা আয়র্লণ্ডে এঘাব লক্ষ পাউণ্ডব বস্তু বিদেশলৈ চালান দিছিল। হাঁহ কুকুবা পাব আদি পোহা সমিতিব পবা বছবি প্রায় ৭।৮ কোটি টকাব ঋণী বিদেশলৈ যায়। এতিয়া কাববাবব পবিমাণ নিশ্চয় আগতকৈ বহুত গুণ বাঢ়িছে।

৩৩। ডেনমার্কত সমবায়

সমবায় সম্পর্কে ডেনমার্গ পৃথিবীব আদর্শ স্থানীয় বুলি কোৱা হয়। ডেনমার্কব প্রায় সকলোখিনি খেতিবাতি আৰু তাব আনুসঙ্গিক কাম সমবায় প্রণালীবে চলোৱা হয়। ইউবোপত ডেনমার্ক এখন অতি সৰু দেশ। কিন্তু সমবায়ব সহায়ে এনেকুৱা এখন দেশেই যে কিমান উন্নতি কবিছে দেখিলে আচবিত হব লাগে। ১৮৬০ চনত ডেনমার্ক জার্মেনিব হাতত যুদ্ধত হাবে, বহুতখিনি বাজ্য হেকৱায়

আৰু প্ৰজাসকলৰ বৰ আৰ্থিক দুৰবস্থা হৈ পৰে। সমবায় প্ৰণালীৰ সহায়তে ডেনমাৰ্ক এই ঘোৰ আৰ্থিক সমস্যাৰ পৰা মুক্ত হয়। ডেনমাৰ্কৰ সমবায় আন্দোলনৰ বিশেষত্ব এই যে তাত খেতিয়ক সকলৰ প্ৰত্যেকবিধ অভাবৰ বাবে এক প্ৰকাৰ সুকীয়া সমবায় সমিতি পতা হৈছে। খেতিৰ সজুলি বীজ আদি কিনাৰে পৰা আৰম্ভ কৰি বিদেশলৈ সৈতে শস্যৰ বপ্তানি আৰু আমদানিৰ কাৰবাৰ লোৱালৈকে সকলো প্ৰকাৰ কামকেই ইয়াত সমবায় প্ৰণালীতে কৰা হয়। মধ্যবৰ্ত্তী বেপাৰী দালাল আদিয়ে খেতিয়কসকলৰ দৰিদ্ৰতা আৰু শিক্ষাৰ অভাৱৰ সুবিধা লৈ আন আন ঠাইত যিদৰে লাভ কৰে ডেনমাৰ্কত সেইদৰে লাভ কৰিবৰ সুবিধা নাই।

ডেনমাৰ্কৰ গাখীৰৰ সমবায় সমিতিবিলাক বিখ্যাত। আমাৰ দেশত গৰুক ইমান সমাদৰ কৰিক লাগে বুলি শাস্ত্ৰত কোৱা আছে আৰু গৰুৰ বাবে কত ৰকমৰ ঘটনা হৈ লাগিছে। কিন্তু আমাৰ দেশৰ দৰে আন কোনো ঠাইতে গৰুৰ ইমান দুৰবস্থা নাই। চৰকাৰী হিচাব মতে ভাৰতবৰ্ষত প্ৰায় ২১ কোটি গৰু ম'হ আছে। গোটেই পৃথিবীত যিমান গৰু আছে অকল ভাৰতবৰ্ষতেই তাৰ প্ৰায় চাৰি ভাগৰ এভাগ আছে। ভাৰতবৰ্ষত ম'হৰ সংখ্যা গোটেই পৃথিবীৰ ম'হৰ তিনি ভাগৰ দুভাগ। ইয়াৰ উপৰি প্ৰায় ১০ কোটি ভেৰা আৰু ছাগলী ভাৰতবৰ্ষত আছে। * ভাৰতবৰ্ষত ইমান গৰু-ছাগলী থকাতো আমাৰ দেশৰ মানুহে গাওঁতো

* Speech of the Viceroy at opening of the Animal Nutrition Wing of the Imperial Veterinary Research Institute at Izatnagar on March 11, 1939.

বিদেশবপবা অহা টিনব গাখীবেবে হে চাহ খাব লগীয়া হৈছে। এই টিনব গাখীব প্রায়ে ডেনমার্কব পবা অহা। ডেনমার্কব জগতব্যাপী গাখীবব কাববাবব প্রায় সকলোখিনি সমবায় প্রণালীবে চলোৱা হৈছে।

৩২। ইউবোপব আন আন দেশত সমবায়

ইয়াত বাজেও কচিয়া, চুইজার্লেণ্ড, ফ্রান্স, জেকো-চ্লোভাকিয়া আদি দেশত সমবায় আন্দোলনে বিয়পি পবিছে। সেই সকলোবোবব বিববণ দিবলৈ ইয়াত সম্ভব নহয়। জার্ম্মেনিয়ে গ্রাস কবাব পিছতো আগব জেকো-চ্লোভাকিয়া বাজাব মানুহে নিজব অর্থনৈতক অস্তিত্ব বক্ষাব বাবে বাজনৈতিক দুর্য্যোগব মাজেদি সমবায় সমিতিবিলাকব সহায়ে কামত লাগি গৈছে। সমবায় সমিতিবিলাকেই এতিয়ালৈকে সেই ঠাইব মানুহব অর্থনৈতিক জীবনব ধবণি হৈ আছে।

৩৩। ফেচিজিম, কমিউনিজ ম্ আক সমবায়

ইটালি আক জার্ম্মেনিত বর্ত্তমান ফেচিজিমব বাবে আক কচিয়াত কমিউনিজ্‌ম্‌ব বাবে সেইবিলাক দেশত সমবায় নীতিব কিছুমান লবচব ঘটিছে। বহুত ঠাইত সক সক সমিতিবিলাকক লগ কবি একোখন ডাঙব সমিতিব ভিতব কবি লোৱা হৈছে। আন আন ঠাইত স্বাধীনভাবে চলা সমবায় সমিতিবিলাকক চবকাবী নিয়মে চলিব লগা অনুষ্ঠান-বিলাকব লগত মিহলাই লোৱা হৈছে। মুঠতে সমবায় ঠিক বকমব হব লাগিলে যিখিনি স্বাধীনতাব আবশ্যক তাত বহুত বাধা ঘটিছে। কিন্তু ফেচিজিম্ আক কমিউনিজ্‌মেও সমবায়ব মূলনীতিবোব ওফবাই পেলাব পবা নাই। ইয়াব পবাই বুজা যায় যে নানা অগ্নি পবীক্ষাব মাজেদি গৈও সমবায়-নীতিয়ে নিজব অস্তিত্ব বক্ষা কবিব পাবিছে।

৩৪। জাপানত সমবায়

জাপানত কেবা শতিকাবো আগবে পবা এবিধ দেশীয় সমবায় প্রণালী প্রচলিত আছিল। জাপানব এক প্রকাব আদিম সমবায় প্রণালীব নাম "কো" (Ko), "মুজিন" (Mujin) বা তনোমাচি (Tonomashi) আৰু আন এক প্রকাব সমিতিব নাম "হতোকুচা" (Hotokusha)

(১) "কো" সমিতিত কিছুমান মানুহে লগ হৈ মাহিলি এটা ধবঙনি দিয়ে। কোনো মানুহব টকাব আবশ্যক হ'লে সেইজন মানুহক সাহায্য কবিবব নিমিত্তে প্রথমতে তেওঁব বন্ধুসকলে মাহিলি এটা ধবঙনি দি এনেকুৱা এখন সমিতি পাতে। সমিতিত যি টকা উঠে তাবে পবা সেইজন মানুহক প্রথমতে সাহায্য কবা হয়। তেওঁক টকা দি উঠাব পিছত মাহিলি ধবঙনিব পবা যি টকা উঠিব তাবে চিঠি খেলা কবি মাহে মাহে একোজন সভ্যক ধাবলৈ দিয়া হয়। এই প্রকাবব সমবায় তেখ শ শতিকাবে পবা প্রচলিত থকা দেখা যায়।

"মুজিন" সমিতি কেইবা প্রকাবৰো হয়। কিছুমান সমিতিয়ে সভ্যসকলক শস্যব বীজ বিক্রি কবে আৰু জামিন লৈ টকা ধাব দিয়ে। এইবিলাক সমিতিক Naimi su-Kyujo-ko (Domestic Aid Ko) বোলা হয়।

আন কিছুমান সমিতিত খেতি বেয়া হৈ আকাল হোৱা সময়ত খেতিয়ক সকলক টকা ধাবলৈ দিয়া হয়। খেতি ভাল হ'লে সেই ধাব আদায় দিয়ে। এইবিলাক সমিতিক Jihi-ko (Charity-ko) বোলে।

আন এক প্রকাব সমিতিত কিছুমান মানুহে অবসব সময়ত যি কাম কবে তাবে উৎপন্ন জমা বখা হয়। এইবোবক Tsumitato-ko (Accumulation-ko) বোলা হয়।

আন কেতবোৰ সমিতিত কোনো সভ্যৰ মৃত্যু ঘটিলে সৎকাৰ কৰা হয় আৰু মৃতকৰ পৰিয়ালক সাহায্য দিয়া হয়। এইবোৰক Mujo-ko (Death Benefit-ko) বোলা হয়।

"কো" সমিতি বিলাকত প্ৰায় ৩০ জনৰ পৰা ৫০ জনলৈ সভ্য থাকে। কেতিয়াবা এনেকুৱা সমিতিত প্ৰায় ৫০০ লৈকে সভ্য থকাও দেখা যায়।

(২) "হটোকুচা" (Hato kusha) সমিতিক সমবায় ঋণ সমিতিও বুলিব পাৰি। জাপানৰ প্ৰসিদ্ধ পণ্ডিত মহাত্মা নিনোমিয়া শন্তোকুৰ (Ninomiya Sontoku) শিষ্য সকলে ১৮৪৩ চনত এই প্ৰকাৰ সমিতি পাতিবলৈ আৰম্ভ কৰে।

জাপানৰ বুৰঞ্জীত নিনোমিয়া শন্তোকুৰ ঠাই অতি ওখ। তেওঁ জাপানৰ এজন মহানুভব দেশ হিতৈষী আৰু নানা শাস্ত্ৰত সুপণ্ডিত আছিল। তেওঁৰ জীৱনৰ আদৰ্শ সমবায় সমিতি বিলাকত খটুৱাবৰ নিমিত্তে প্ৰাণপনে চেষ্টা কৰিছিল। জাৰ্মেনিৰ ৰেফেইচেন আৰু চুল্‌জ্‌ ডিলিটচৰ সমিতি আৰু ইংলণ্ডৰ ৰক্‌ডেল সমিতি স্থাপিত হোৱাৰ পূৰ্ব্বেই তেওঁ হটোকুচা সমিতি স্থাপিত কৰে। হটোকুচা সমিতিৰ সভ্য সকলে তলত লিখা নিয়ম বিলাক পালন কৰিব লাগে।

(১) সভ্য সকলে সততে নিনোমিয়া শন্তোকুৰ জীৱনৰ আদৰ্শ অনুসৰি চলিবলৈ চেষ্টা কৰিব আৰু তেওঁৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা দেখুৱাব।

(২) পৰমেশ্বৰ, জাপানৰ সম্ৰাট, পূৰ্ব্ব পুৰুষ সকল আৰু পিতামাতাৰ পৰা যি দান পোৱা হৈছে তাৰ বাবে ধৰ্ম্মভাবেৰে আৰু সজ কামৰ চেষ্টাৰে প্ৰতিদান দিবলৈ সভ্য সকলে সদায় চেষ্টা কৰিব।

(৩) সভ্য সকলে পরিশ্রম আরু মিতব্যয়িতা এই দুই গুণর দ্বারা দেশর সম্পদ আরু ঐশ্বর্য্য বৃদ্ধি করিব লাগিব।

(৪) সভ্যসকলে সাধুতার বীজ সকলো পিনে সিঁচি তার ফল স্বরূপ আনন্দ উপভোগ করিব।

এই প্রকারর মূলনীতিকে আশ্রয় করি জাপানত আদি কালরে পরা সমবায় নীতি প্রচলিত আছিল।

জাপানত সমবায় আন্দোলনর বর্ত্তমান যুগর আরম্ভ হয় ১৯০০ খৃষ্টাব্দর পরা। ১৮৯৯ চনত জাপানত প্রথম সমবায় আইন পাচ হয়। বর্ত্তমান সময়ত জাপানর সমবায় বিভাগত তলত লিখা কেই প্রকারর সমিতি দেখা যায়।

(১) সমবায় ঋণ সমিতি—জাপানত নানা শ্রেণীর সমবায় ঋণ সমিতি চলোৱার, বিশেষকৈ সভ্য সকলর ডিপোজিটর পরিমাণ বঢ়াবর আরু ঋণ আদায়র যি বিলাক নিয়ম হৈছে তার পরা আমার দেশর মানুহে বহুত কথা শিকিবলৈ আছে।

(২) বস্তু বিক্রি করা সমিতি (Marketing Societies)—উৎপন্ন বস্তু বিক্রি করা সমিতি বিলাকর মাজত তলত লিখাবোর প্রধান—

(ক) রেচম, পাট আদির উৎপন্ন বস্তু বিক্রি করা নানা প্রকারর সমিতি (Silk marketing Society).

(খ) ধান মজুত থকা আরু বিক্রি করা সমিতি (Rice Marketing Society and Co-operative warehousing Society).

(গ) বস্তু কিনা সমিতি (Purchasing Society).

(ঘ) শিল্প সমিতি (Machinery Society).

(ঙ) বস্তু কিনোতা সকলর সমিতি (Association of Consumers).

জাপানৰ সমবায়ৰ বিষয়ে আলোচনা কৰিলে তলত লিখা কথা কেইটা আমাৰ চকুত পৰে—

জাপানৰ সকলো প্ৰকাৰ সমবায় সমিতিৰ মাজত ঋণ সমিতিৰ পৰিমাণ শতকৰা ৮০টা মান হব।

সমবায় আন্দোলনৰে সৈতে ধৰ্ম্ম আৰু ৰাজনীতিৰ কোনো সম্পৰ্ক নাই।

জাপানৰ সমবায়ৰ নেতা সকলৰ মুখত তলত লিখা কথা ফাঁকি শুনা যায়—

"A long pull, a strong pull and a pull altogether."

"One for all and all for one."

অৰ্থাৎ প্ৰত্যেকে আটাইবে বাবে দায়ী আৰু আটায়ে প্ৰত্যেকৰ বাবে দায়ী।

যোৱা ১৯০০ চনত জাপান গবৰ্ণমেণ্টে প্ৰথম সমবায় আইন পাচ কৰে। ১৯৩২ চনলৈকে ৩২ বছৰৰ ভিতৰত জাপানত প্ৰায় ১৫০০০ সমবায় সমিতি গঠিত হয়। জাপানৰ ৪ কোটি খেতিয়কৰ ভিতৰত প্ৰায় আধা খিনি এই সমবায় সমিতি বিলাকৰ সভ্য। ১৯৩১ চনত জাপানৰ উৎপন্নবস্তু বিক্ৰি কৰা সমিতি বিলাকে (Marketing Society) প্ৰায় ২০ কোটি টকাৰ চাউল, বেচম আৰু বেচমৰ গুটি বিক্ৰি কৰে। এই বছৰতে বস্তু কিনা সমিতি (Purchasing Society) বিলাকে প্ৰায় ১২ কোটি টকাৰ চাউল আৰু শিল্পৰ সঁজুলি খেতিয়ক সকলক বিক্ৰি কৰে। এই চনতে সমবায় ঋণ সমিতি বিলাকে কম সুতত প্ৰায় ১০০ কোটি টকা খেতিয়ক সকলক ধাৰে দিয়ে। সমবায় শিল্প সমিতি বিলাকে প্ৰায় ৫৪ লক্ষ টকা মূল্যৰ ধান বনা কল, ময়দাৰ কল, বেচম

সূতা তৈয়াৰ কৰিবৰ কল আৰু আন আন সঁজুলি খেতিয়ক সকলক কিস্তি কৈ দাম দিয়াৰ বন্দবস্তে (instalment system) বিক্রি কৰে। জাপান গবর্ণমেণ্টে চবকাৰী টকা দি সমবায় আন্দোলনৰ সফলতাৰ অর্থে বহুত ঠাইত সমিতি খুলিছে আৰু আন আন নানা প্রকাৰে সহায় কৰিবলৈ প্রতিশ্রুতি দিছে। সমবায় সমিতি বিলাকৰ ইন্‌কম্‌টেক্স, ৰেজিষ্ট্রেচন ফিজ, ষ্ট্যাম্প ডিউটি আদি নানাপ্রকাৰ খবচ মাফ দিয়া হৈছে।

জাপানত সমবায় আন্দোলনে কল কাৰখানাৰ মালিক আৰু ধনী সম্প্রদায়ৰ স্বার্থত আঘাত কৰিছে আৰু তাৰ ফলে নানাপ্রকাৰ বাধা পাইছে। জাপানত জমিদাৰি প্রথা নাই। খেতিৰ মাটি খেতিয়ক সকলৰ মাজত অলেখ সৰু সৰু খণ্ডত বিভক্ত। এই অৱস্থাত খেতিয়ক সকলে সংঘবদ্ধ হৈ দৰকাৰী বস্তু নিকিনিলে আৰু উৎপন্নৰ বস্তু সংঘবদ্ধ হৈ বিক্রি নকৰিলে কেতিয়াও উন্নতি কৰিব নোৱাৰে। এই কথা বুজি জাপান গবর্ণমেণ্টে সমবায় আন্দোলন বিৰুদ্ধে হোৱা কোনো প্রকাৰ প্রতিবাদলৈ কাণ দিয়া নাই।

৩৫। বর্ত্তমান যুগত সমবায় আন্দোলনৰ গুৰুত্ব

ভাৰতবর্ষৰ সমবায়ৰ কথা লিখাৰ আগতে আন আন দেশৰ সমবায়ৰ কথা উল্লেখ কৰা হ'ল। ইয়াৰ পৰাই আমাৰ দেশৰ মানুহে সমবায়ৰ গুৰুত্ব আৰু আন আন উন্নত দেশত ইয়াৰ কিমান আদৰ তাক বুজিব পাৰিব। অকল গাঁৱলীয়া সমবায় ঋণ সমিতি বিলাকলৈ চাই কোনো কোনো মানুহে ভাবিব পাৰে যে সমবায় আন্দোলন সামান্য কামবাৰ কৰা নিচেই খুচুৰা মানুহৰ বাবে হে আৰু যেন ইয়াৰে শিল্প বাণিজ্যৰ ডাঙৰ কথা বোৰত হাত দিবলৈ একোটা নাই। কিন্তু সমবায়ৰ শক্তি যে কিমান তাক

আমাৰ দেশতকৈ শিল্প বাণিজ্যত অশেষ উন্নত আৰু চহকী দেশ বিলাকৰ ফালে চালে হে বুজা যাব।

চতুর্থ অধ্যায়।

ভাৰতবৰ্ষৰ আৰ্থিক সমস্যা।

৩৬। আমাৰ দেশত কৃষিৰ প্ৰাধান্য

ভাৰতবৰ্ষৰ শতকৰা ৭৫ জনতকৈও বেছি মানুহ কৃষিজীবী। নিজহাতে খেতি কৰি জীবিকা নিৰ্ব্বাহ কৰা মানুহৰ লগত আন আন নানা প্ৰকাৰে খেতিৰ পৰা হোৱা আয়ৰ ওপৰত নিৰ্ভৰ কৰা মানুহকো গোটালে শতকৰা ৮০ জনতকৈও বেছি হয়। ইংলণ্ড আমেৰিকা আদি দেশত শিল্প বাণিজ্যত লাগি থকা মানুহৰ সংখ্যা আমাৰ দেশতকৈ অনেক গুণে বেছি। সেই বাবে ভাৰতবৰ্ষৰ আৰ্থিক অবস্থা বুলিলে কৃষক সমাজৰ আৰ্থিক অবস্থা বুলি ধৰিব পাৰি। কি সামাজিক কি ৰাজনৈতিক কি আৰ্থিক সকলো প্ৰকাৰ কথাৰে ধৰণী ছেছে কৃষক সমাজ। আমাৰ দেশত বৰ্ত্তমান যি শিল্প বাণিজ্য আছে আৰু আগলৈ হব পাৰে তাৰ অধিকাংশই খেতিয়ক সকলে উৎপন্ন কৰা বস্তুৰ ওপৰত নিৰ্ভৰ কৰে।

৩৭। আন আন দেশত বেলেগ বেলেগ ব্যবসায়ত নিযুক্ত মানুহৰ সংখ্যা।

তলত প্ৰধান কেইখনমান দেশত বেলেগ বেলেগ ব্যবসায়েৰে শতকৰা কি পৰিমাণ মানুহে জীবিকা নিৰ্ব্বাহ কৰে তাৰ এটা তালিকা দিয়া হ'ল।

দেশৰ নাম	কৃষি ব্যবসায়	খনিৰ ব্যবসায় আৰু শিল্প	বেহাবেপাৰ	অন্যান্য
গ্ৰেট ব্ৰিটেইন	১১·৬	৫৬·৮	১৩·১	১৮·৫
ইউনাইটেড ষ্টেট্‌চ্‌	২৬·৩	৩৩·৪	১৭·৬	২২·৭
জাৰ্ম্মেনি	২৮·৬	৪২·২	১৩·৪	১৫·৮
ফ্ৰাঞ্চ	৪০·৭	৩৫	৯·৮	১৪·৫
ইটালি	৪৮·৪	২২·৫	১২·৪	১২·৩
ভাৰতবৰ্ষ	৭২·৯	১০·৬	৭·১	৯·৪

সময়ৰ লগে লগে ওপৰত দিয়া অনুপাতৰ অলপ লৰচৰ হৈ থাকে। আমাৰ দেশত আন এটা লক্ষ্য কৰিব লগীয়া কথা এই যে খেতিৰ দ্বাৰাই জীবিকা নিৰ্ব্বাহ কৰা মানুহৰ সংখ্যা ক্ৰমে বাঢ়ি হে আহিছে। লুপ্ত হৈ যোৱা ঘৰুৱা শিল্প এৰি দিবলৈ বাধ্য হৈ বহুত মানুহে খেতিত লাগিব লগীয়া হৈছে।

৬৮। বৃটিচ ভাৰতবৰ্ষত বেলেগ বেলেগ ব্যবসায়ত নিযুক্ত মানুহৰ সংখ্যা

উলট আমাৰ দেশৰ মানুহ নানা প্ৰকাৰ ব্যবসায়ত শতকৰা কি দৰে আছে তাক দেখুৱা হ'ল। সময়ৰ লগে লগে এইবোৰ ব্যবসায়ত মানুহৰ সংখ্যা কি দৰে লৰচৰ হৈ গৈছে তালৈ লক্ষ্য কৰা উচিত।

		১৮৯১	১৯০১	১৯১১	১৯২১	১৯৩১
	বৃটিচ ভাৰতবৰ্ষত লোক সংখ্যা	২২ কোটি ৮ লক্ষ	২৩ কোটি ১২ লক্ষ	২৪ কোটি ৪১ লক্ষ	২৪ কোটি ৭০ লক্ষ	২৭ কোটি ১৫ লক্ষ
		শতকৰা	শতকৰা	শতকৰা	শতকৰা	শতকৰা
১।	কেঁচা মাল উৎপন্ন কৰা মানুহৰ মুঠ সংখ্যা	৬১·০৬	৬৬·৫	৭২·৩৬	৭৫ ১৫	৬৫ ৮৪
(ক)	(Production of raw materials					
	কৃষি আৰু কৃষি সম্পৰ্কীয় ব্যবসায় (Agriculture, exploitation of animals and vegetation, Pasture, fishing and hunting)	৬১·০৬	৬৬ ৫	৭২.২	৭২·২৮	৬৫·৬
(খ)	খনিজ বস্তু উৎপন্ন (Exploitation of minerals)			০·১৬	০·১৭	·২৪
২।	Preparation and supply of material substance.	১৫ ৪৩	১৫·৫	১৮·৩৭	১৭·৫৯	১৭.৫৬
(ক)	ঘকৰা শিল্প আৰু কল কাৰখানা (Industry)			১১·২৭	১০·৮৯	১০·৫৮
(খ)	ৰেল জাহাজ ইত্যাদি (Transport)			১·৫	১ ৭৩	১·৬৫
(গ)	বেহা বেপাৰ			৫·৬	৫·৭৩	৫ ৫৫
	শাসন বিভাগ আৰু শিক্ষিত ব্যবসায়	৪ ২	৩ ০৩	৩·২৫	৩·১২	২ ৮৬
৩।	সৈন্য আৰু পুলিচ বিভাগ (Army, Navy, Air force and	০·২৩	০·১৩	০·৭৩	·৬৯	০ ৬
(ক)	Police).					
(খ)	শাসন কাৰ্য্য (Public Administration).	১·৯৫	১·২	০ ৮২	০·৮৪	·৬৯
(গ)	শিক্ষিত লোকৰ ব্যবসায়—					
	ডাক্তৰি, ওকালতি, শিক্ষকতা আদি (Professional and liberal arts).	২·০২	১·৭	১·৭	১·৫৯	১·৬১
৪।	ন তবহৰ কামত লাগিথকা মানুহ-			·৫	৬·১৪	১৫·৭৪
	জমিদাৰিৰ আয়ৰ পৰা আৰু মূলধনৰ					
(ক)	আয়েৰে চলা মানুহ (Persons living principally on their income—the leisure class).			০·১৭	০·১৫	·১৬
(খ)	ঘকৰা চাকৰৰ কাম (Domestic service)			১·৪	১·৪৫	৭·৫১
(গ)	অকামিলা মানুহ (Unproductive people)			১·০	১·০৩	১·০৪
(ঘ)	অন্যান্য			২·৯৩	৩·৫১	৫·০৩

* ১৯৩১ চনৰ গণনাত আগেয়ে কৃষি-বিষয়ত নিযুক্ত বুলি ধৰা অনেক মানুহক ঘকৰা চাকৰৰ শাৰীত ধৰা হৈছে।

৩৯। আমাৰ দেশৰ আৰু আন আন দেশৰ মানুহৰ গাই পতি আয়ৰ (average income) তুলনা

এতিয়া আমাৰ দেশৰ ঘাই ধৰণী এই কৃষক সমাজৰ অৱস্থাৰ বিষয়ে আলোচনা কৰা যাওক। আমাৰ দেশতো যে ধনী মানুহ একেবাৰে নাই এনে নহয়, কিন্তু তেনেকুৱা অতি অলপ সংখ্যক মানুহৰ অবস্থাৰে দেশৰ অবস্থাৰ নিৰূপণ হব নোৱাৰে। কৃষকসকলৰ অৱস্থাৰে হে দেশৰ অৱস্থা নিৰূপণ হব। যি দেশত কোটি কোটি মানুহ দুখীয়া তাত যদিওবা দুই এজন বৰ্জা জমিদাৰ ওলায় সি দাৰিদ্ৰ্যৰ অসীম মৰুভূমিত পানী টোপাৰ নিচিনা। আমাৰ দেশৰ মানুহৰ গাইপতি যিমান আয় দেখা যায় তাক আন দেশেৰে সৈতে তুলনা কৰিলে একেবাৰে হতাশ হৈ যাব লাগে।

অর্থনীতিজ্ঞ সকলে নানাপ্ৰকাৰ উপায়ে আমাৰ দেশৰ মানুহৰ গাইপতি বছৰে হোৱা আয় উলিয়াবলৈ চেষ্টা কৰিছে। তলত এনেকুৱা এটা নিয়মৰ আভাস দিয়া হ'ল। বস্তুৰ দামৰ অর্থাৎ টকাৰ মূল্যৰ পৰিবর্ত্তন হৈ থকা গতিকে এইবোৰ হিচাবৰো বছৰি বছৰি সালসলনি হৈ থাকে—

প্ৰফেচৰ শাহ আৰু খাম্বাটাই ১৯২১-২২ চনত কৰা হিচাব—

কৃষিজাত বস্তুৰ মূল্য—	প্ৰায় ২০৯৭	কোটি টকা।
শিল্পজাত বস্তুৰ মূল্য—	১৮৬	,,
খনিৰপৰা পোৱা উৎপন্ন—	২৮	,,
জলজ বস্তু, মাছ আদিৰ পৰা আয়—	৩	,,
বনজাত বস্তুৰ পৰা আয়—	২৮	,,
ঘৰ বাৰি ইত্যাদিৰ পৰা আয়— (Income from buildings)	২০	,,
মুঠ—	২৩৬২	,,

এই আয়ক যদি মানুহৰ সংখ্যাৰে ভাগ কৰা যায় গাইপতি ভাৰতীয় মানুহৰ আয় হয় গৈ ৭৪৲ টকা। এই আযৰপৰা হোমচার্জ্জ (Home Charge) আদিৰ বাবে ভাৰতৰ পৰা উলিয়াই পঠাবলগীয়া টকা যদি গাইপতি ৭৲ টকাকৈ বাদ দিয়া হয়, বাকী থাকে ৬৭৲ টকা।

আমাৰ দেশৰ মানুহৰ আয় সম্বন্ধে কেবাজনো অর্থনীতিজ্ঞই আলোচনা কৰিছে। এনেকুৱা এটা জটিল আৰু বহুত পৰিমাণে অনুমানৰ ওপৰত নির্ভৰ কৰিবলগীয়া বিষয়ত আটাইৰে মত সম্পূর্ণৰূপে একে হব নোৱাৰে আৰু সময়ৰ লগে লগে নানা কাৰণত ইয়াৰ লৰচৰ হয়।

তলৰ আন আন কেইজনমান অর্থনীতিজ্ঞই কৰা হিচাব দিয়া গ'ল।

স্বর্গীয় দাদাভাই নৌৰোজি		১৮৭০	চন—২০৲
মিষ্টাৰ ডিগ্‌বি	...	১৮৯৪-৯৯	,, — ১৮৷৷/০
লর্ড কার্জ্জন	...	১৯০০	,, — ৩০৲
মিষ্টাৰ ডিগ্‌বি	...	১৯০০	,, — ১৭৲
ওৱাডিয়া আৰু যোশী	...	১৯১৩-১৪	,, — ৪৪৷/০
প্রফেচাৰ কে টি. শাহ	...	১৯১১-২২	,, — ৬৭৲
মিষ্টাৰ ফিণ্ডলে চিৰাজ		১৯২১	,, — ১০৭৲

অলপতে প্রফেচাৰ ৰাওৱে (Prof. V.K.R.V. Rao) তেওঁৰ India's National Income নামে কিতাপত ১৯২৫—১৯২৯ চনৰ হিচাবৰ পৰা দেখুৱাইছে যে ভাৰততে মানুহৰ গাইপতি আয় প্রায় ৭৮৲ টকা। এই হিচাবে পাঁচজন মানুহ থকা এটা পৰিয়ালৰ বছৰেকীয়া আয় ৩৯০ টকা হয় গৈ। তেওঁ দেখুৱাইছে যে ভাৰততে মানুহৰ ব্যৱহাৰত খটাৰ পৰা বছৰেকীয়া উৎপন্ন (National Dividend)

২০২৩ কোটি টকা। এই হিচাব কবোঁতে প্রফেচাব বাওন্নে উৎপন্ন বস্তুব লগতে মানুহব ঘকন্না কাম (services) বিলাকব মূল্যও ধবিছে। মানুহব গাইপতি ৭৮৲ টকা হলেও কেতবোব মানুহব আয় ইয়াতকৈ বহুত বেছি আৰু অনেক মানুহব আয় ইয়াতকৈ কম। ইয়াব বাবে সমাজত যিটো অসুবিধা হয় তাব বাবেও গাইপতি যি আয় পোৱা যায় তাবপবা কিছু অংশ বাদ দিবগলীয়া হয়। এইদবে এটা অংশ বাদ দি গাইপতি আয় পোৱা হয় গৈ প্রায় ৬৪৲ টকা। ভাবতব মানুহে তেওঁলোকব বছবেকীয়া আয়ব (National Dividend) প্রায় শতকবা ৭০৷৷০ টকা মান খাজানা, টেক্স আদিত দিব লাগে। এই টেক্সব টকা বাদ কাটিলে গাইপতি আয় ৬০৲ টকাবো কম থাকে গৈ।

ওপবত দিয়া হিচাববোব একেবাবে সঠিক নহলেও একে প্রকাব উপায়েবে আন আন দেশত যি আয় পোৱা হয় তাবে সৈতে আমাব দেশব আয়ব তুলনা কবি, বর্ত্তমান জগতত আমাব দেশব মানুহব অবস্থা সম্বন্ধে এটা ধাবণা কবিব পাবি।

আমেবিকা—৭১ পাউণ্ড
অষ্ট্রেলিয়া—৫৪ ,,
ইংলণ্ড —৫০ ,,
কানাডা —৪০ ,,
ফ্রান্স —৩৮ ,,
জার্ম্মেনি —৩০ ,,
ইটালি —২৩ ,,
স্পেইন —১১ ,,
জাপান — ৬ ,,
ভাবতবর্ষ— ২ পাউণ্ডব পবা ৪ পাউণ্ডলৈকে।

আমাৰ দেশৰ মানুহৰ দৰিদ্ৰতাৰ কাৰণ ভাবিলে অলেখ কথা মনলৈ আহে। মুঠতে আমাৰ দেশৰ মানুহৰ শিল্প-বাণিজ্যৰ চৰ্চ্চা কম আৰু যি খেতিত শতকৰা ৮০ জনকৈ নিযুক্ত থাকে সিও পুৰণি আৰু অনুন্নত ধৰণৰ।

৪৩। ভাৰতবৰ্ষৰ আৰু আন আন দেশৰ খেতিৰ তুলনা

তলত ভাৰতবৰ্ষৰ খেতিৰপৰা উৎপন্ন হোৱা শস্যৰ পৰিমাণ আন আন দেশৰে সৈতে তুলনা কৰি দেখুৱা হ'ল। প্ৰতি একৰত আন আন উন্নত দেশ বিলাকত কিমান পৰিমাণ শস্য উৎপন্ন কৰিব পৰা হৈছে তাৰেই চালে আচৰিত হব লাগে।

দেশৰ নাম	ধান	গম	বার্লি	তুলা	চহ
ভাৰতবৰ্ষ	১৩৬৬ পা.	৬৭৭ পা.	৯৯৪ পা.	৮৯ পা.	৫১৮ পা.
ইজিপ্ট	২৬১০ ,,	১৪৯৬ ,,	১৪২৫ ,,	৩৯৩ ,,	
জাপান	৩২৩২ ,,	১৩১৮ ,,	১৪৯৬ ,,	৩৪৭ ,,	৬৪০ ,,
ইউনাইটেড্ ষ্টেটচ	১৭৫৫ ,,	৭৭৫ ,,	১০৭৭ ,,	১৫১ ,,	
ইটালি	৩৫৮০ ,,	৯০০ ,,	৭৭৫ ,,		
ফ্ৰান্স		১১৮৫ ,,	১০৫০ ,,		
ইংলণ্ড		১৮৬১ ,,	১৫৫০ ,,		

৪১। ভাৰতবৰ্ষৰ খেতিয়ক সম্বন্ধে অৰ্থ নীতিজ্ঞ সকলৰ মত

ভাৰতবৰ্ষৰ খেতিয়কে যে খেতি কৰিব নেজানে আৰু পৰিশ্ৰম নকৰে এনে নহয় আৰু ভাৰতবৰ্ষৰ মাটিও উৰ্ব্বৰা বুলি বিখ্যাত। কিন্তু ইউৰোপ আমেৰিকাৰ দেশবিলাকত খেতিয়কসকলে যি দৰে বৈজ্ঞানিক উপায়ে খেতি কৰি অলপীয়া মাটিতে অধিক পৰিমাণে শস্য উৎপন্ন কৰে তেনেকুৱা উপায় কামত খটাবৰ নিমিত্তে ভাৰতীয় কৃষকৰ শিক্ষা আৰু সম্বল দুয়োটাৰে অভাব। যন্ত্ৰৰ সহায়ে কিদৰে মাটি ভালকৈ চহাব পাৰি, কিদৰে সাৰ দিলে সৰহকৈ

শস্য উৎপন্ন হয় ইত্যাদি বিষয় কৃষি কলেজ, আদর্শ কৃষিশালা আদিত শিকোৱা হয়। ইয়াকে শিকিবলৈ বিদেশলৈও মানুহ গৈছে। কিন্তু এই শিক্ষা কামত খটাবলৈ খেতিয়কৰ অর্থসম্বল, উৎসাহ আৰু সুবিধা নাই। আৰ্থিক অভাৱৰ পৰাই উৎসাহৰ অভাৱ, পৰস্পৰৰ মাজত অনৈক্য আদি অবনতি আহি দেখা দিয়ে। বৰ্ত্তমান সময়ত আমাৰ কোনটো অভাৱ যে ডাঙৰ আৰু কোনটো সৰু তাৰ একো নিৰূপণ কৰিব নোৱাৰা হৈছে।

কোনো কোনোৱে কয় যে ভাৰতীয় কৃষকসকল অতি সংকীর্ণমনা, এলেহুৱা আৰু এওঁলোকে নানাপ্ৰকাৰ কুসংস্কাৰত এনেদৰে পোত গৈ আছে যে চকুত আঙ্গুলি দি ভাল উপায় দেখুৱাই দিলেও তাক নলয়। আকৌ কোনো কোনোৱে কয় যে ভাৰতৰ লোকসংখ্যা ৰবকৈ বাঢ়িছে, সুতৰাং লোকসংখ্যা নকমিলে এইবোৰ মানুহৰ অৱস্থা কোনোমতে ভাল কৰিব নোৱাৰি। কিন্তু যিয়ে ভাৰতীয় খেতিয়কসকলক ভালদৰে বুজিবৰ চেষ্টা কৰিছে সেয়ে এনে কথা নকয়। ভাৰতীয় খেতিয়কৰ সম্বন্ধে মুঠতে ইয়াকে কব পৰা যায়—

"The native cultivators have nothing to learn, so far as unscientific agriculture is concerned, and the adoption of scientific agriculture is wholly beyond their means."

অর্থাৎ "বিজ্ঞান, কল-কাৰখানা আদিৰ সহায় নোহোৱাকৈ যি খেতি কৰিব পৰা যায় তাৰ বাবে ভাৰতীয় কৃষকে আনৰ পৰা শিকিবলৈ একো নাই, আৰু বৈজ্ঞানিক প্ৰণালীতে খেতি কৰাৰ উপায় জানিলেও সেইবোৰ প্ৰণালী

কার্য্যত খটাবলৈ তেওঁলোকব সম্বল নাই।" আমাব দেশব খেতিয়কব সম্বন্ধে দুটা বিৰুদ্ধ মতব মাজতে আমি নিজে নিজে এটা সিদ্ধান্ত কবি লব লাগিব। মুঠতে অবস্থাবো দোষ মানুহবো দোষ। কোনো পিনে বব চোকা মত লোৱাব পবা একো লাভ নাই।

৪২। খেতি-য়কব ঋণ—আৰু এই ঋণ কি দবে বৃদ্ধি পায়।

আমাব খেতিয়কসকলব প্রায় ভাগেই মহাজনব পবা টকা ধাব কবে। বিপদব সময়ত বেছি সুত দি মহাজনব পবা টকা পোৱা যায় হয় কিন্তু তাক শোধ কবাটো শতকবা প্রায় ৯০ জনব ভাগ্যত নঘটে। এবাব ধাবত সোমালে লাহে লাহে ধকৰাব ধন সম্পত্তি, অলঙ্কাব মাটিবাৰি আটাইখিনিকে মহাজনক দিবলগীয়া হয়। অনেক সময়ত খেতিব উৎপন্নব পবা এটা ভাগ দিয়া হব বুলি খেতিয়কে বন্দবস্তত সোমায়। মহাজনে খেতিব শস্য টকাব সুতববাবে কাটি নিয়ে, নাইবা খেতিয়কে শস্য গোটাই উঠিয়ে অতি কম দামতে সুতব বাবে মহাজনক দি পুনব চবকাবী খাজানাব বাবে ধাব কবিব লাগে। লাহে লাহে খেতিয়কব অৱস্থা মহাজনব ঘকৰা বন্ধাত কৈও শোচনীয় হৈ পবে গৈ।

অর্থনীতিজ্ঞ সকলব মতে ভাবতবর্ষব খেতিয়কব মাজত শতকবা প্রায় ৬০ জনবে পবা ৮০ জনলৈকে ধকৰা আৰু ইয়াব তিনি ভাগব দুভাগে মাটি বন্ধক দি টকা ধাব কবে। ইয়াব ফলত খেতিব মাটি প্রকৃত খেতিয়কব হাতব পবা মহাজনব অধিকাবলৈ যায়। মহাজনে টকাব কাববাবব বাবে হে মাটি কিনা বেচা কবে। নিজে খেতি কবা তেওঁলোকব উদ্দেশ্য নহয়। কোনো কোনো প্রদেশত খেতিব জমি যাতে মহাজনব হাতলৈ

নেযায় তাৰ বাবে বিশেষ আইন কৰা হৈছে। এনেকুৱা আইন কৰোঁতে অতিশয় সাবধানতাৰ আবশ্যক, কাৰণ প্ৰত্যেক আইনতে এপিনে যিদৰে কিছুমান সুবিধা সেইদৰে আন পিনে কিছুমান অসুবিধা আহি উপস্থিত হয়।

৪৩। আমাৰ দেশত কৃষি-ঋণৰ পৰিমাণ আৰু বেলেগ বেলেগ প্ৰদেশত তাৰ হাৰ।

যোৱা বেঙ্ক-তদন্ত কমিটিয়ে ভাৰতবৰ্ষৰ ভিন ভিন প্ৰদেশত খেতিয়কসকলৰ ধাৰৰ তলত লিখাদৰে তালিকা দিছে—

অসম—	১১ কোটি টকা।	কুৰ্গ—৩৫-৫৫ লক্ষ।	
বঙ্গদেশ—	১০০ ”	মাদ্ৰাজ—১৫০ কোটি	
বিহাৰ উৰিষ্যা—১৫৫	”	পাঞ্জাব—১৩৫ ”	
বোম্বাই—	৮১ ”		
ব্ৰহ্মদেশ—	৫০-৬০ ”		
মধ্য প্ৰদেশ—	৩৬ ”		

এই ধাৰৰ বাবে ভিন্ন ভিন্ন প্ৰদেশত তলত লিখা হাৰে সুত দিব লাগে।

অসম— শতকৰা বছৰি ১২৲ টকাৰপৰা ৭৫৲ টকা লৈকে।

বোম্বাই— শত ১২৲ টকাৰ পৰা ২৫৲ টকা লৈকে। কিন্তু ঠায়ে ঠায়ে ইয়াতকৈ বহুত বেছি হাৰৰ সুদ চলে। কাবুলীবিলাকে শতকৰা বছৰি ৭৫৲ টকাৰ পৰা ৩৬০৲ টকা লৈকেও সুত লোৱা দেখা যায়।

বঙ্গদেশ— শতকৰা ১০৲ টকাৰ পৰা ৩৭৷৷০ লৈকে। এয়ে কম হাৰ। ঠায়ে ঠায়ে শতকৰা ৩৭৷৷০ টকাৰ পৰা ৩০০৲ টকা লৈকেও সুত চলা দেখা যায়।

বিহাৰ উৰিষ্যা— সাধাৰণ হাৰ শত ২৫্ টকা। উৰিষ্যা অঞ্চলত সুতৰ হাৰবেছি আৰু প্ৰায় ৫০্ টকা লৈকে সুত চলে।

ব্ৰহ্মদেশ— সাধাৰণ বেট শতকৰা ১৮্ টকাৰ পৰা ২৪ টকা লৈকে।

মধ্য প্ৰদেশ আৰু বেৰাৰ—সাধাৰণ বেট ১২্ টকাৰ পৰা ২৪্ টকা লৈকে। কিন্তু অনেক ঠাইত শতকৰা ৫০্ টকা হয় গৈ।

মাদ্ৰাজ— শতকৰা ১২্ টকাৰ পৰা ২৪্ টকা লৈকে কিন্তু সময়ে সময়ে শতকৰা ৪৮্ টকা লৈকেও হয়।

পাঞ্জাব— ভাল চিকিউৰিটি হলে শতকৰা ১২্ টকা। কিন্তু কাবুলীয়ে শতকৰা ৭৫্ টকা লৈকে লয়।

যুক্ত প্ৰদেশ— শতকৰা ১৮্ টকাৰ পৰা ৩৭॥০ টকা লৈকে।

অসমত সুতৰ বিষয়ে বেঙ্ক-তদন্ত কমিটিয়ে এই দৰে লিখিছে—যি সকল জমিৰ মালিক আৰু কাৰবাৰী মানুহৰ অৱস্থা ভাল তেওঁলোকে শতকৰা বছৰি ১৫্ টকা সুততে ধাৰ পাব পাৰে। যিবিলাক মানুহে ধান কিনিবৰ বাবে ধাৰ কৰিব লাগে তেওঁলোকৰ অবস্থা প্ৰায় বেয়া। তেওঁলোকে বছৰৰ শেষত ধাৰ শোধাৰ নোৱাৰিলে সুতৰ টকা মূলৰ লগত যোগ কৰি তাৰ ওপৰত শতকৰা বছৰি ২৪্ টকাৰ পৰা ৩৭॥০ টকা লৈকে সুত ধাৰ হয়।

৪৪। খেতিয়কৰ ঋণ হোৱাৰ কাৰণ।

তলত লিখা কেইটা ঋণ হোৱাৰ প্ৰধান কাৰণ বুলি ধৰিব পাৰি।

(১) সাধাৰণতে খেতিয়কসকলৰ বেছি ভাগেই দুখীয়া আৰু তাৰ উপৰিও বহুতৰ খেতিৰ জমিত উপযুক্ত পৰিমাণে সাৰ নাই। বতৰৰ দোষতো খেতিৰ ভয়ানক ক্ষতি হয়। মুঠতে খেতিয়কসকলৰ বছৰেকীয়া এটা নির্দ্দিষ্ট আয় বুলি একোকে ধৰিব নোৱাৰি।

(২) সাধাৰণতে খেতিয়কসকল নিৰক্ষৰ আৰু তেওঁলোকে বহুত জানিবলগীয়া কথা নেজানে। তাৰ উপৰিও তেওঁলোকৰ হিচাব কৰি চলা অভ্যাসটো কম।

(৩) বিয়া, সবাহ ইত্যাদিত তেওঁলোকৰ অপৰিমিত খৰচ হয়।

(৪) প্ৰায় খেতিয়কৰে মূৰত পৈতৃক ঋণৰ বোজা একোটা থাকে।

(৫) দেশত মানুহৰ সংখ্যা বাঢ়িছে, কিন্তু সেই বঢ়াৰ অনুপাতে আয়ৰ বাট নতুনকৈ একো ওলোৱা নাই।

(৬) মহাজনসকলে অনেক সময়ত টকা ধাৰে লবলৈও সুবিধা দিয়ে। কিন্তু ধকৰাই ধাৰৰ টকা শোধাৰৰ কোনো উপায় নাই। এইবাবে ধকৰাৰ মাটি বাৰি মহাজনৰ হাতলৈ যায়।

(৭) তিনি বছৰৰ ভিতৰত ধাৰৰ টকা সমূলি নিদিলে খত তামাদি হয়। তামাদি হোৱা নিয়মৰ বাবে খত বদলাই নতুনকৈ লোৱা হয়। খত বদলাই লোৱা সময়ত সুতৰ টকা মূলৰ লগত যোগ দিওঁতে ধাৰৰ পৰিমাণ বাঢ়ে।

(৮) খেতি হওক বা নহওক, বন্ধা চৰকাৰী খাজানা শোধাৰই লাগিব। খেতিৰ উৎপন্নৰ পৰিমাণৰ লগত খাজানাৰ সম্বন্ধ নাই। ইয়াৰ বাবে খেতিয়কসকল অনেক সময়ত ঘৰ নিকপায়ত পৰে। বৰ্ত্তমান সময়ত খাজানা কমোৱা

আবশ্যক বুলি চৰকাৰে বুজিছে, কিন্তু কিছুদিন আগলৈকে কদাচিত হে চৰকাৰী খাজানা কমোৱা দেখা গৈছিল।

খেতিয়কৰ ঋণৰ কথা আলোচনা কৰোঁতে আটাইতকৈ হতাশ হবৰ কথা এই যে এই ঋণৰ পৰিমাণ বছৰি বছৰি বাঢ়িহে গৈছে। এই ঋণ কমিবৰ কোনো আগন্তুক দেখা নেযায়। কোনো প্ৰকাৰ লাভৰ কাৰবাৰৰ অৰ্থে কৰা ধাৰৰ পৰা বিশেষ উদ্বেগৰ কাৰণ নাই। কিন্তু যি ধাৰ শোধ হবৰ কোনো আশা নাই অথচ বাঢ়িহে যায় তাৰ শেষ যে ক'ত তালৈ ভাবি চালে অন্ধকাৰ দেখিব লাগে। ধৰুৱাৰ অবস্থা যিমানেই বেয়া হয় সিমানেই ধাৰ পাবৰ অৰ্থে ওখ হাৰে সুতত দিবলগীয়া হয়। দুই এজন ধৰুৱাই হে সুত ঠিকমতে আদায় দি থাকিব পাৰে। সুত বছৰৰ মূৰত আদায় দিব নোৱাৰিলে সি মূলৰ লগত যোগ হয় গৈ। সেই কথা আগতে উল্লেখ কৰা গৈছে। কেতিয়াবা আকৌ মহাজনে যিমান টকা ধাৰ দিয়ে তাতকৈ সৰহ টকাৰ বাবে খত লোৱাও দেখা যায়। অতিপাত সুত লোৱা বন্ধ কৰিবৰ অৰ্থে প্ৰায় প্ৰত্যেক প্ৰদেশৰে ঋণসম্বন্ধীয় বিশেষ আইন আৰু ঋণ চালিচি বোৰ্ড আদি কৰা হৈছে। কিন্তু এই বিলাকৰ পৰাও উপযুক্ত পৰিমাণে ফল হোৱা নাই। মিঃ উল্‌ফৰ (Mr. Wolff) মতে ধৰুৱাই প্ৰকৃততে ধাৰে অনা টকাৰ ওপৰত শতকৰা ৫০০৲ আনকি ১৫০০৲ কৈও সুত দিয়া দৃষ্টান্ত আমাৰ দেশত পোৱা যায়। মিষ্টাৰ ডাৰ্লিংয়ে তেওঁৰ "The Punjab Peasant in Prosperity and Debt" নামে কিতাপত কৈছে—"the bulk of cultivators of the Punjab are born in debt, live indebt and die in debt,

অর্থাৎ পাঞ্জাবৰ সৰহভাগ খেতিয়কেই ঋণে সৈতে ওপজে, ঋণৰ মাজতে জীবন নিয়ায় আৰু ঋণেৰ সৈতে তেওঁলোকৰ জীবন শেষ হয়। পাঞ্জাবত যি কথা আন সকলো প্ৰদেশতে সেই একে কথা।

ভাৰতীয় খেতিয়কসকলৰ যি ৬০০ বা ৭০০ কোটি টকাৰ ধাৰ আছে বুলি ওপৰত দেখুৱা হৈছে তাৰ সুতৰ পৰিমাণ বছৰি অতি কমেও এশ বা দেৰ শ কোটি টকা হব। এই গোটেইখিনি টকাকে খেতিয়কসকলৰ এটা বন্ধা বছৰেকীয়া লোকচান বুলিব পাৰি।

৪৫। অসমত খেতিয়কৰ ঋণ।

বেঙ্ক-তদন্ত কমিটিয়ে অসমৰ ভৈয়ামৰ ৮খন জিলাৰ মানুহৰ মুঠ ঋণৰ পৰিমাণ প্ৰায় ২২ কোটি টকা বুলি ধৰিছে। এইটো এটা আনুমানিক হিচাব হে। এই সম্বন্ধে ঠিক হিচাব পাব লাগিলে প্ৰতি গাঁৱে গাঁৱে যিদৰে অনুসন্ধান হব লাগে সেইদৰে এতিয়াও হোৱা নাই। অসমৰ লোকসংখ্যালৈ চাই এই ২২ কোটি টকাৰ ঋণ আন কোনো প্ৰদেশতকৈ কম নহয়।

এই ঋণৰ বাবে আমাৰ দেশৰ সৰহভাগ মানুহৰে জীবন দুৰ্ব্বহ হৈ উঠিছে। গবৰ্ণমেণ্টে বা আন কোনোবাই টকা ধাৰে দি বা দান কৰি খেতিয়কসকলক এই ধাৰৰপৰা কেতিয়াও উদ্ধাৰ কৰিব নোৱাৰে। এই ধাৰৰপৰা নিজে নিজে হে উদ্ধাৰ পাবৰ উপায় কৰিব লাগিব। নিজেনিজে উদ্ধাৰ পাবৰ একমাত্ৰ উপায় হৈছে সমবায়। ১৮৯২ চনতে মাদ্ৰাজ গবৰ্ণমেণ্টে যেতিয়া নিকল্‌চন চাহাবক (Mr. F. A. Nicholson) কৃষকৰ অৱস্থা অনুসন্ধান কৰিবলৈ নিযুক্ত কৰে তেতিয়া তেওঁৰ সকলোখিনি অনুসন্ধানৰ ফল একে আষাৰ কথাবে প্ৰকাশ কৰিব পৰা যায় বুলি কৈছিল। সেয়ে হৈছে "Find Raiffeisen" অৰ্থাৎ ৰাফেজন সমিতি লাগে।

পঞ্চম অধ্যায়।

ভাৰতবৰ্ষত সমবায় আন্দোলন।

৪৬। ভাৰতবৰ্ষৰ সমবায় আন্দোলনৰ ইতিহাস।

আমাৰ দেশত সমবায় আন্দোলন সম্বন্ধে আজিলৈকে যিখিনি ঘটনা হৈছে তাক ছয় খণ্ডত ভাগ কৰিব পাৰি। প্ৰথমতে অতীজৰে পৰা ১৯০৪ চনৰ সমবায় ঋণ সমিতিৰ আইন (Co-operative Credit Societies Act) পাচ হোৱালৈকে আদিখণ্ড। এই সময়লৈ চালে ভাৰতবৰ্ষত আগৰেপৰা প্ৰচলিত কেতবোৰ সমবায়মূলক অনুষ্ঠানৰ কথা মনত পৰে। দ্বিতীয় খণ্ড হৈছে ১৯০৪ চনৰ আইনৰ-পৰা ১৯১২ চনৰ সমবায় সমিতিৰ আইন (Co-operative Socicties Act of 1912) পাচ হোৱা লৈকে। তৃতীয় খণ্ড ১৯১২ চনৰ সমবায় সমিতিৰ আইনৰ পৰা ১৯১৪-১৫ চনত মেক্‌লাগান কমিটি (Maclagan Committee) বহালৈকে। চতুৰ্থ খণ্ড মেকলাগান কমিটিৰ বিপোৰ্ট প্ৰকাশ হবৰ পৰা ১৯১৯ চনৰ শাসনসংস্কাৰ লৈকে। পঞ্চম খণ্ড ১৯১৯ চনৰ পৰা ১৯৩৫ চনৰ প্ৰাদেশিক স্বতন্ত্ৰ শাসন (Provincial Autonomy) হোৱালৈকে। ১৯৩৫ চনৰ পৰা ভাৰতীয় সমবায় আন্দোলনৰ এটা নতুন যুগ আহিব বুলি আশা কৰা যায়।

৪৭। ভাৰতবৰ্ষত আগৰে পৰা চলিআহা কেতবোৰ সমবায় মূলক অনুষ্ঠান—"কুত্তচিৎ" আৰু "নিধি"

বৰ্ত্তমান সমবায় আন্দোলনৰ আলোচনা কৰোঁতে আমাৰ দেশৰ আগৰেপৰা প্ৰচলিত কেইটামান সমবায়মূলক অনুষ্ঠানৰ কথা উল্লেখ কৰিব পৰা যায়। এই অনুষ্ঠানবিলাকৰ মাজত মাদ্ৰাজৰ "কুত্তচিৎ" আৰু "নিধি" প্ৰধান।

মাদ্রাজ প্রদেশত কুত্তচিৎ নামে এক প্রকাৰ সমিতি বহুদিনৰ পৰা চলি আহিছে। কিছুমান মানুহে গোট-খাই মাহে এটকা বা দুটকাকৈ চাঁদা দিবলৈ স্থিৰ কৰে। এই দৰে এশ মানুহ গোটখাই মাহে এটকাকৈ দিলে এশ টকা উঠে। প্রতিজন মানুহে এটা নির্দ্দিষ্ট সময়লৈকে চাঁদা দি থাকিবলৈ স্থিৰ কৰে। এমাহত যি এশ টকা উঠিব তাৰে পৰা কোনো টকা ধাৰলৈ পাব সেইটো সভ্যসকলৰ মাজত চিঠি খেলৰ দ্বাৰা স্থিৰ কৰা হয়। এশ জন সভ্যই গাইপতি এইদৰে টকা পাবৰ নিমিত্তে আটায়ে এশ মাহলৈ চাঁদা দিব লাগিব। প্রথম মাহত যি জনে টকা ধাৰলৈ পায় সেইজন সভ্যৰ নাম পিছৰ মাহত চিঠি খেলাৰ পৰা বাদ দিয়া হয়। এশ মাহ পূৰ হলে দেখা যাব যে মাহে এটকা কৈ আটায়ে মুঠ এশ টকা চাঁদা দিলে আৰু ধাৰেও পালে গাই পতি এশ টকাকৈ। ইয়াৰ দ্বাৰা দুখীয়া মানুহেও ধন সাঁচিব পাৰে, মূলধনৰ যোগাৰ হয় আৰু ধাৰে নিয়া টকাও পৰিশোধ হয়। এই নিয়ম এতিয়াও মাদ্রাজ প্রদেশৰ কোনো কোনো ঠাইত প্রচলিত আছে। বেঙ্ক তদন্ত কমিটিৰ বিপোর্টত (Central Banking Enquiry Committee Report) ইয়াত চিৎ ফণ্ড (Chit fund)বুলি উল্লেখ কৰিছে।

"নিধি"—কুত্তচিৎ প্রথাৰ সুফল দেখি মাদ্রাজ গবর্ণমেণ্টৰ কেইজনমান কর্ম্মচাৰীয়ে দেশীয় ধৰণে এবিধ সমবায় সমিতি পতাৰ ব্যবস্থা কৰে। এই প্রকাৰ সমিতিৰ নাম "নিধি" ৰখা হয়। একোটা নিধিত প্রত্যেক সভ্যই মাহে এক টকাকৈ সাত বছৰত মুঠ ৮৪৲ টকা চাঁদা দিবলৈ অঙ্গীকাৰ কৰে। সাতবছৰৰ পিছত অংশীদাৰসকলে আদায় দিয়া ৮৪৲ টকাৰ ঠাইত সুতে সৈতে ১০২৷ পোৱাৰ

নিয়ম কৰা হয়। এই দৰে চাঁদাৰ টকাৰে উঠা মূলধনৰ পৰা বছৰি শতকৰা ৬্ টকা সুতত টকা ধাৰ দিয়া হয় কিস্তি অনুসৰি টকা পৰিশোধ কৰিব নোৱাৰিলে বেছি হাৰে দণ্ড সুত (penal interest) দিবৰ নিয়ম কৰা হয়। ইয়াতো কুত্তচিৎ প্ৰথা অনুসাৰে চিঠি খেলত যাৰ নাম উঠে তেওঁকে টকা ধাৰে দিয়া হয়।

"নিধি" আৰু "কুত্তচিৎ"বোৰৰ সফলতা দেখি গবৰ্ণমেণ্টে এইবিলাকক স্থায়ী কৰিবৰ চেষ্টা কৰে। বেঙ্ক তদন্ত কমিটিয়ে ১৯১৯ চনৰ ৩১ মাৰ্চ্চত মাদ্ৰাজৰ দক্ষিণ আৰু পশ্চিম অঞ্চলত ২২৮ টা নিধি পাইছিল। ইয়াৰে ১২৮টা অকল কোইম্বাটুৰ জিলাতে। এই সকলোবোৰ নিধিৰ অংশৰ টকা (share capital) প্ৰায় ১½ কোটি আৰু ৰিজাৰ্ভ ফণ্ডৰ টকা প্ৰায় ১½ কোটি। এই বিলাকত মুঠ বছৰি প্ৰায় ৪ কোটি টকাৰ কাৰবাৰ হয়।

"নিধি" আৰু "চিৎ ফণ্ড' পতাৰ নানাপ্ৰকাৰ প্ৰণালী আছে। ওপৰত ইয়াৰ এটা সাধাৰণ আভাস দিয়া হৈছে মাথোন। যাতে এই দেশীয় দৰকাৰী অনুষ্ঠানবিলাক এটা নিৰ্দ্দিষ্ট প্ৰণালীত চলে তাৰ বাবে বিশেষ আইন কৰিবলৈ প্ৰস্তাবনা চলিছে। যিবিলাক "নিধি"য়ে আজিকালিৰ সাধাৰণ বেঙ্কৰ নিচিনা কাৰবাৰ কৰে সেইবিলাকক সাধাৰণ বেঙ্কৰ বাবে যি আইন আছে তাৰ অধীনলৈ অনা উচিত। বেঙ্ক তদন্ত কমিটিৰ মতে কিন্তু নিধিবোৰক সাধাৰণ কোঅপাৰেটিভ্ চোচাইটিৰ গঢ় নিদি সিহঁতৰ সুকীয়া বিশেষত্ব ৰক্ষা কৰি চলিবলৈহে দিয়া উচিত।

ভাৰতবৰ্ষত সমবায় আন্দোলনৰ উদ্বোধন গবৰ্ণৰ জেনেৰেল লৰ্ড ৰিপনৰ দিনৰে পৰা হোৱা বুলি ধৰিব পাৰি।

ভাৰতীয় অৰ্থনীতিৰ আদি গুৰু মহামতি জষ্টিচ্ ৰানাডে আৰু চাৰ উইলিয়ম ৱেডেৰবৰ্ণে খেতিয়কৰ ঋণ যোগাবৰ নিমিত্তে বেঙ্ক স্থাপন কৰা যে অতি আবশ্যকীয় এই কথা প্ৰথমে গবৰ্ণমেণ্টক জনায় আৰু এই সম্বন্ধে এখনি নিয়মাবলী লিখি গবৰ্ণমেণ্টক দিয়ে। এই সময়ত লৰ্ড ৰিপণ ভাৰতবৰ্ষৰ গবৰ্ণৰ জেনেৰেল আছিল। ভাৰত গবৰ্ণমেণ্টে এই সম্বন্ধে চেক্ৰেটৰি অব্ ষ্টেটৰ অনুমতি খোজাত এই নিয়মাৱলী নামঞ্জুৰ কৰে আৰু এই কথা তল পৰি থাকে।

৭৮। ভাৰতবৰ্ষত সমবায় আইন হোৱাৰ পূৰ্ব্ববৰ্ত্তী অৱস্থা

প্ৰায় ১৫ বছৰৰ পিছত মাদ্ৰাজ প্ৰেচিডেন্সিৰ গবৰ্ণৰ লৰ্ড ৱেনলকে ১৮৯২ চনত এই বিষয়টো পুনৰ হাতত লয়। তেওঁ দেখিলে "নিধি"বিলাকৰ দ্বাৰা খেতিয়কসকলৰ বহুতো উপকাৰ হৈছে। মধ্য ইউৰোপৰ সমবায় সমিতি-বিলাকৰ আৰ্হিৰে "নিধি"বিলাকক সংস্কাৰ কৰি গঢ়ি তুলিলে আৰু বেছি কাম হব পাৰে বুলি তেওঁ ইউৰোপৰ সমবায় আন্দোলন সম্বন্ধে অনুসন্ধান কৰিবলৈ ফ্ৰেড্ৰিক নিকল্চন চাহাবক নিযুক্ত কৰে। নিকল্চন চাহাবে পাঁচ বছৰ কাল ইউৰোপৰ নানা দেশত ফুৰি আহি তাৰ সকলো প্ৰকাৰ সমবায় সম্বন্ধে আলোচনা কৰি এটা অতি সাকল্য বিপোৰ্ট মাদ্ৰাজ গবৰ্ণমেণ্টক দিয়ে। জাৰ্ম্মেনি আৰু ইটালীৰ সমবায় সমিতিবোৰ অনুসন্ধান কৰি তেওঁৰ মনত ধাৰণা হয় সকলো দেশৰে খেতিয়কসকলৰ জীবন যাপন প্ৰণালীৰ মাজত এটা সামঞ্জস্য আছে। জাৰ্ম্মেনিৰ কৃষক সমাজৰ মাজত সমবায়ৰ পৰা অশেষ উপকাৰ হোৱা দেখি তেওঁ বিপোৰ্টত স্পষ্ট কৰি কয় "Find Raiffeisen" অৰ্থাৎ ৰাফেজন প্ৰণালীয়ে ভাৰতৰ একমাত্ৰ অবলম্বন।

১৮৯৯ চনত নিকল্‌চন চাহাবৰ বিপোর্ট প্রকাশিত হয়। কিন্তু ভাৰত গবর্ণমেণ্টে সেই বিপোর্ট অনুসৰি কোনো কাম হাতত লব নোৱাৰে। ইয়াৰ দুবছৰ পিছত উত্তৰ-পশ্চিম প্রদেশৰ শাসন কর্ত্তা চাৰ এন্থনি মেক্‌ডোনেলে সমবায় সমিতিৰ আবশ্যকতা বুজি তেওঁৰ প্রদেশত দুশ মান সমিতি পাতে। বঙ্গদেশতো চাৰ এডোৱার্ড মেফ্‌লাগান আৰু পি. চি. লায়ন্‌ চাহাবৰ যত্নত কেইটামান সমিতি স্থাপিত হয়। সমবায়ৰ পৰা যেনেকুনা কাম হয় তাৰ পৰীক্ষাৰ অর্থে পাঞ্জাবতো কিছুমান সমিতি পতা হয়।

কিন্তু এতিয়ালৈকে ভাৰত গবর্ণমেণ্টে কোনো এটা স্থিৰ সিদ্ধান্তলৈ আহিব পৰা নাছিল। ১৮৯৯-১৯০০ চনৰ দুর্ভিক্ষৰ পিছত ৰাযতৰ দুর্দ্দশা দেখি গবর্ণমেণ্টে আকৌ এই বিষয়ে মনোযোগ দিয়ে। খেতিৰ সজুলি কিনিবৰ অর্থে খেতিয়ক সকলক কম সুতত টকা ধাৰে দিয়াৰ ব্যবস্থা কৰা হয়। এই কৃষি ঋণকে টাকাভি ঋণ (Takavi loan) নাম দিয়া হৈছিল। ইযাৰ আগতো চৰকাৰে মাজে সময়ে এনেকুৱা ঋণ দিয়াৰ ব্যবস্থা কৰিছিল, কিন্তু তাৰ পৰা স্থায়ী ফল দেখা নপৈছিল।

শেষত আটায়ে একমত হৈ ইয়াকে স্থিৰ কৰে যে এনেকুৱা এটা উপায় উলিয়াব লাগিব যাৰে খেতিয়ক সকলে নিজে নিজে মিতব্যয়ী হবলৈ শিকে আৰু লগে লগে অর্থ উপার্জ্জন কৰিবলৈও সুবিধা পায়। অকল টকা ধাৰলৈ দি বা দান কৰি মানুহৰ স্বভাবৰ উন্নতি কৰিব নোৱাৰি; এনেকুৱা ঋণ বা দানৰ পৰা বহুত সময়ত মানুহৰ আত্ম-নির্ভৰ কৰা গুণটোও হ্রাস পায়। ধাৰলৈ পোৱা টকা

উপস্থিত অভাব পূৰণৰ অৰ্থে বেগেতে খৰচ কৰি শেষত বহুত দুখীয়া মানুহে ধাৰ সুজিবৰ বাট নেপায়।

এইবিলাক আলোচনা চলি থাকোঁতে ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কাৰ্জ্জনে সমবায় সম্বন্ধে তদন্ত কৰিবলৈ এটা কমিচন বহুৱায়। চাৰ এডোৱাৰ্ড ল এই কমিচনৰ সভাপতি আছিল। কমিচনে এই সিদ্ধান্ত কৰে যে ভাৰতৰ খেতিয়ক সকলৰ বাবে সমবায়ৰ একান্ত আবশ্যক। যিবিলাক সমবায় সমিতি পতা হৈছে সেইবিলাকক চৰকাৰে সাহায্য দি উৎসাহিত কৰিব লাগে আৰু নতুনকৈও অলেখ সমবায় সমিতি হব লাগে। সমবায় ঋণ সমিতিৰ গঠন আৰু পৰিচালন সম্বন্ধে ১৯০৪ চনৰ ইম্পিৰিয়েল কাউঞ্চিলত এখন আইন পাচ কৰা হয়। ইয়াকে সমবায় ঋণ সমিতিৰ ১৯০৪ চনৰ ১০ আইন বোলা হয়। এই আইনৰ তলত লিখা কেইটা মূল ব্যবস্থা আছিল—

১৯০৪ চনৰ সমবায় ঋণ সমিতিৰ আইন (Co-operative Credit Societies Act of 1904)

(১) মিতব্যয়িতা আৰু স্বাবলম্বন বঢ়াবৰ অৰ্থে একে গাওঁৰ বা চহৰৰ, এক সম্প্রদায়ৰ বা এক জাতিৰ অন্ততঃ দহ জন সভ্যই একোটা সমবায় সমিতি ৰেজিষ্ট্রি কৰিবলৈ আবেদন কৰিব পাৰে।

(২) প্রতি প্রদেশৰ একোটা বিভাগত সমবায় ঋণ-সমিতিবোৰৰ গঠন আৰু পৰিচালনৰ ভাৰ এজন চৰকাৰী কৰ্ম্মচাৰীৰ হাতত থাকিব। এজন কৰ্ম্মচাৰীক "ৰেজিষ্ট্রাৰ" বোলা হব।

(৩) এনেকুৱা একোটা সমিতিয়ে সভ্য সকলৰ পৰা টকা জমা লৈ, নাইবা চৰকাৰৰ পৰা, বাহিৰা মানুহৰ পৰা, নাইবা আন সমবায় সমিতিৰ পৰা টকা ধাৰ লৈ সেই টকা পুনৰ সভ্য সকলক ধাৰে দিব পাৰিব। ৰেজিষ্ট্রাৰৰ

অনুমতি পালে আন সমবায় সমিতিকো টকা ধাৰে দিব পাৰিব।

(৪) ৰেজিষ্ট্ৰাৰে নিজে বা তেওঁৰ অধীনস্থ কোনো কৰ্ম্মচাৰীয়ে কোনো ফিজৰ টকা নোলোৱাকৈ সমিতিৰ হিচাব পৰীক্ষা কৰি দিব।

(৫) গাৱঁলীয়া সমিতিবিলাকত (Rural Society) সভ্যসকলৰ অসীম দায়িত্ব (Unlimited liability) বৰ্ত্তিব।

(৬) গাৱঁলীয়া সমিতিবিলাকৰ লাভৰ টকা বছৰৰ শেষত এটা স্থায়ী পুজিত (Reserve fund) জমা হব। এই পুজিৰ টকা যেতিয়া সমিতিৰ উপবিধি অনুসাৰে নির্দ্দিষ্ট পৰিমাণতকৈ বেছি হয়গৈ তেতিয়া সেই অতিৰিক্ত অংশৰ পৰা সভ্যসকলক লাভ ভগাই দিয়া হব।

(৭) নগৰীয়া সমিতি (Urban Society) বোৰৰ লাভৰ টকাৰ চাৰিভাগৰ এভাগ স্থায়ী পুজিলৈ নি বাকী খিনি সভ্য সকলক দিয়া হব।

সমবায় সমিতি বিলাকক গাৱঁলীয়া আৰু নগৰীয়া (Rural and Urban) এই দুই শ্রেণীত ভাগ কৰা হয়। গাৱঁলীয়া সমিতিৰ সকলো সভ্যই খেতিয়ক মানুহ। নগৰীয়া সমিতিৰ সভ্য নগৰত থকা কাৰবাৰী মানুহ, শিল্পী ব্যবসায়ী ইত্যাদি। গাৱঁলীয়া সমিতিৰ সভ্যসকলৰ দায়িত্ব আবশ্যক অনুসৰি সীমাবদ্ধ বা অসীমাবদ্ধ হব পাৰে। সমিতি বিলাকক ইনকম্ টেক্স, বেজিষ্টাৰি আৰু ষ্ট্যাম্প আইনৰ কেতবোৰ খৰচ মাফ দিয়া হয়। সমিতিৰ কোনো সভ্যই এটাত কৈ বেছি ভোট নেপায়। এই আইন অনুসাৰে সকলো কেইখন ঘাই প্রদেশতে ৰেজিষ্ট্ৰাৰ নিযুক্ত হয়।

চবকাবে সমিতিবিলাকক বহুত টকা ধাবে দিয়ে আক সমিতিব সংখ্যাও বাঢ়িব ধবে।

তলত দিয়া তালিকাব পবা সমবায় সমিতিব সংখ্যা কি দবে বাঢ়িবলৈ ধবে বুজা যাব।

৫০। ১৯০৪ চনব আইনব ফলে সমবায় সমিতিব বৃদ্ধি আক নতুন আইনব আবশ্যকতা।

বছব	সমিতিব সংখ্যা	সভাব সংখ্যা	মূলধনব পবিমাণ
১৯০৬—৭	৮৪৩	৯০৮৪৪	২৩,৭১,৬৮৩৲
১৯০৭—৮	১৩৫৭	১৪৯১৬০	৪৪১৪০৮৬৲
১৯০৮—৯	১৯৬৩	১৮০৩৮৮	৮২,৩২,২২৫৲
১৯০৯—১০	৩৪২৮	২২৪৩৯৭	১২৪৬৮৩১২৲
১৯১০—১১	৫৩২১	৩০৫০৫৮	২০৩০৫৫০০৲
১৯১১—১২	৮১৭৭	৪০৩৩১৮	২৩৫৭৪১৬২৲

ইয়াত দেশীয় কবদ আক মিত্র বাজ্যবিলাকব সমিতিব হিচাব ধবা নাই।

১৯০৪ চনব আইন অনুসবি প্রায় সাত বছবমান কাম চলাব পিছত ইয়াব কেতবোব ত্রুটি ধবা পবে। ত্রুটিবোব এই—

(১) টকা ধাবে দিয়াত বাজে আন আন উদ্দেশ্যব বাবেও সমবায় সমিতি পতাব আবশ্যক আক তেনেকুবা সমিতি দুই এঠাইত পতাও হয়। কিন্তু ১৯০৪ চনব আইনত ঋণ সমিতিত বাজে আন কোনো প্রকাবব সমিতিব উল্লেখ নথকাত গবর্ণমেণ্টে এই নতুন ধবণব সমিতিবিলাকব একো তত্ত্বাবধান লব নোৱাবে।

(২) দেশব নানা ঠাইত সৰু-সুবা সমবায় সমিতি-বোবক সময় মতে টকা দি সহায় কবিবব নিমিত্তে আক সেইবোবব তত্ত্বাবধান লৈ এটা ঠিক প্রণালীতে লবব নিমিত্তে কিছুমান কেন্দ্রীয় সমিতি পতাব আবশ্যক

হয়। ১৯০৪ চনৰ আইনত এই সম্বন্ধে কোনো ব্যবস্থা নথকাত সমবায় সমিতিবিলাক ঠিকমতে চলোৱাত বৰ অসুবিধা হৈ পৰে।

৫১। ১৯১২ চনত সমবায় আইন

ওপৰত লিখা অসুবিধাবিলাকৰ প্রতিকাৰৰ অর্থে গৱর্ণমেণ্টে ১৯১২ চনত নতুন এখন আইন কৰে। এই আইনক সমবায় সমিতিৰ ১৯১২ চনৰ আইন (Co-operative Societies Act II of 1912) বোলে। ১৯০৪ চনৰ আইনৰ নাম আছিল সমবায় ঋণ সমিতিৰ আইন (Co operative Credit Societies Act) নতুন আইনত ঋণ সমিতিত বাজেও আন আন প্রকাৰৰ সমিতিৰ ব্যবস্থা থাকে আৰু সেইবাবে ইয়াৰ পৰা "ঋণ" অর্থাৎ "Credit" এই কথাটো বাদ দি ইয়াৰ নাম কৰা হয় "সমবায় সমিতিৰ আইন"। এই নতুন আইনৰ মূল ব্যবস্থা কেইটা তলত লিখা দৰে—

(১) ১৯০৪ চনৰ আইন অনুসৰি পতা ঋণ সমিতিৰ বাজেও স্থানীয় গৱর্ণমেণ্টৰ অনুমতি লৈ আন আন উদ্দেশ্যে সমবায় সমিতি পাতিব পৰা হব।

(২) এই আইনত কি কি উদ্দেশ্যে সমবায় সমিতি পতা হব পাৰে সেই বিষয় ঠিককৈ কৈ দিয়া হয়।

(৩) আগেয়ে, সমিতিবিলাকক গাৱঁলীয়া আৰু নগৰীয়া (Rural and Urban) এই দুই শ্রেণীত ভাগ কৰা হৈছিল। কিন্তু এই প্রকাৰ শ্রেণী বিভাগ কৰাত কোনো ভাল যুক্তি নাছিল। কোনটো গাৱঁলীয়া সমিতি আৰু কোনটো নগৰীয়া সমিতি, অনেক সময়ত ঠিক কৰিব পৰা নহৈছিল। নতুন আইনত সীমাবদ্ধ আৰু অসীমাবদ্ধ দায়িত্ব অনুসাৰে সমিতিবোৰক দুই শ্রেণীত ভাগ কৰা হয়।

(৪) কেন্দ্রীয় সমিতি (Central Bank) পতাব নিয়ম কবা হয় আৰু আটাইবোৰ কেন্দ্রীয় সমিতিব দায়িত্ব সীমাবদ্ধ কবা হয়।

(৫) অসীমাবদ্ধ দায়িত্বব সমিতিবোৰব লাভব কিমানখিনি টকা সভাসকলক বাঁটি দিব পবা হব সেই সম্বন্ধে উপবিধি কবি লবব নিমিত্তে প্রাদেশিক গবর্ণমেণ্ট-বোবক ক্ষমতা দিযা হয়।

(৬) বিজার্ভ ফণ্ডত জমা হবলগীয়া টকা পূব হৈ গলে বাকী লাভব টকাব দহভাগব এভাগলৈকে স্থানীয় লোক হিতকব কোনো কামতদান কবিবলৈ সমিতিবিলাকক ক্ষমতা দিয়া হয়।

(৭) "সমবায়" (Co-operative) এই কথাটো প্রকৃত সমবায সমিতিত বাজে আন কোনো কোম্পানী বা ব্যবসায় আদিব নামব আগত লগাবলৈ আইনমতে বাধা কবা হয়।

১৯১২ চনব আইনব পিছত সমবায় আন্দোলন নতুন উৎসাহে চলিবলৈ ধবে। দুবছব পিছতে ১৯১৪ চনত সমিতিব সংখ্যা ১৪৮৮১, সভ্যব সংখ্যা ৬৯৫৯৯৮ আৰু মূলধনব পবিমাণ প্রায় ৭½ কোটি টকা হয় গৈ। উৎপন্ন ধান শস্য আদি বিক্রি কবা, গৰু ম'হ বীমা কবা, গাখীব বিক্রি কবা, সুতা মবাপাট, জমিব সাব, কৃষিব যন্ত্রপাতি আৰু আন আন লাগতিয়াল বস্তু কিনিবব অর্থে নানাপ্রকাবব সমিতি পতা হয়।

১৯১৪ চনব অক্টোবব মাহত গবর্ণমেণ্টেসমবায় সম্বন্ধে তদন্ত কবিবলৈ আকৌ এটা কমিটি নিযুক্ত কবে। ১৯১২ চনব সমবায় আইনব ফলাফল লক্ষ্য কবি মন্তব্য প্রকাশ

৫২। মেক্-লাগান কমিটি

কৰিবলৈ এই কমিটিক ভাৰ দিয়া হয়। সমবায় আন্দোলন অতি দ্রুতভাবে চলাৰপৰা ১৯১২ চনৰ আইনতো ভালেমান নতুন নতুন ত্রুটি ওলাই পৰে। নতুনকৈ পতা সমিতি বোৰক সহায় কৰিবৰ নিমিত্তে গৱৰ্ণমেণ্টৰ হাতৰপৰা ইমান টকা ওলাব লগীয়াত পৰে আৰু সহায়ৰ বাবে ইমান আবেদন আহে যে আইনত সমিতিৰ হিচাব পৰীক্ষাৰ অৰ্থে আৰু টকা যোগাবৰ অৰ্থে যি বিধান আছিল তাতে নচলা হয় গৈ। এই নতুন কমিটিৰ সভাপতি আছিল চাৰ এডোৱার্ড মেক্‌লাগান। অনুসন্ধানৰ বিষয় সম্বন্ধে কমিটিয়ে তলত লিখাদৰে নির্দ্দেশ পাইছিল—

"The primary duty of the Committee will be to examine whether the movement, specially in its higher stages and in its financial aspect is progressing on sound lines and to suggest any measure of improvement which seems to be required. For this purpose the enquiry will be directed primarily to an examination of such matters as the constitution and the working of Central and Provincial Banks, the financial connection between the various parts of the Co-operative organisation, the audit, inspection and management of all classes of societies, the utilisation of the reserve funds should be exhibited in the annual accounts. At the same time the Government of India do not desire rigidly to limit the scope of enquiry and the Committee may at its discretion consider and make recommendations regarding

any important aspect of the Co-operative movement."

অর্থাৎ কমিটিয়ে ভাৰতীয় সমবায় আন্দোলন সম্বন্ধে ইয়াকে পৰীক্ষা কৰিব যে ওখ খাপৰ সমিতিবোৰ (কেন্দ্রীয় বেঙ্ক আদি) আৰু আন্দোলনৰ মূলনীতি ঠিক বাটেৰে চলিছে নে নাই। কমিটিয়ে কেন্দ্রীয় আৰু প্রাদেশিক সমিতিবোৰৰ গঠন আৰু কার্য্যপ্রণালী সম্বন্ধে অনুসন্ধান কৰিব আৰু কোনো নতুন কাম হাতত লবলগীয়া হলে সেই সম্বন্ধে বিবেচনা কৰিব। ইয়াৰ উপৰি বেলেগ বেলেগ খাপৰ সমিতিবোৰৰ মাজত আর্থিক সম্বন্ধ নির্ণয় কৰা, হিচাব পত্র চোৱা, কার্য্য প্রণালী পৰীক্ষা কৰা, ৰিজার্ভৰ টকা খটোৱা ইত্যাদি বিষয় অনুসন্ধান কৰিব।

মেক্‌লাগান কমিটিয়ে ৰিপোর্টত কয় যে ভাৰতবর্ষত ভবিষ্যতলৈ সমবায়ৰ উন্নতি হবলৈ বহুত ঠাই আছে। ইয়াত সমবায় আন্দোলন মাথোন এটা দিশে হে চলিছে অর্থাৎ ঘাইকৈ টকা ধাৰে দিবৰ কাৰণেহে সমবায় সমিতি পতা হৈছে। কিন্তু সমবায় সমিতি যে নানা উদ্দেশ্যৰ হব পাৰে সেই কথা পাহৰি যোৱা অনুচিত। ১৯১৫ চনত ভাৰতবর্ষত ১৭৩২৭ খন সমবায় সমিতিৰ ভিতৰত ১৫৮৬১ খন, ঋণ সমিতি আৰু মাথোন ১৭৬৬ খন আন উদ্দেশ্যে পতা সমিতি আছিল। আগলৈ আমাৰ দেশত কিমান আন আন ধৰণৰ সমবায় সমিতি হব পাৰে কমিটিয়ে তাৰে এটা আভাস দিয়ে।

কমিটিয়ে সমবায় সমিতিবিলাকক প্রাথমিক সমিতি, কেন্দ্রীয় সমিতি আৰু প্রাদেশিক সমিতি এই তিনি খাপত ভাগ কৰে। প্রাথমিক সমিতি বিলাকক ঋণ দিয়া আৰু

ঋণ নিদিয়া এই শ্রেণীত ভাগ কৰা হয়। ইয়াৰ প্ৰত্যেক শ্রেণীকে আকৌ কৃষি সম্পৰ্কীয় আৰু কৃষি ভিন্ন অন্য সম্পৰ্কীয় এই দুই ভাগত ভাগ কৰা হয়।

কমিটিয়ে চাৰি মাহ ভাৰতবৰ্ষৰ প্ৰধান প্ৰধান প্ৰদেশ-বিলাকত ফুৰি ১৯১৫ চনত বিপোৰ্ট দিয়ে। এই ৰিপোৰ্টে ভাৰতীয় সমবায়ৰ এটা নতুন যুগ আনে। বৰ্ত্তমান সমিতি-বিলাক ১৯১২ চনৰ সমবায় আইন আৰু মেক্‌লাগান কমিটিৰ উপদেশ এই দুয়োৰো নিৰ্দ্দেশমতে পৰিচালিত হৈছে।

৫৩। ১৯১৯ চনত শাসন সংস্কাৰ আৰু সমবায়—প্ৰাদেশিক সমবায়-তদন্ত কমিটি

১৯১৯ চনৰ নতুন শাসন সংস্কাৰৰ লগে লগে সমবায় বিভাগটো প্ৰাদেশিক বিষয় (Provincial subject) হৈ পৰে আৰু ইয়াক স্বায়ত্ত শাসনৰ মন্ত্ৰীৰ অধীনলৈ অনা হয়। ১৯২১ চনত বহুত নতুন সমিতি পতা হয়। ১৯২১ চনৰ পিছৰকাল ডোখৰত বেছি সংখ্যক নতুন সমিতি পতালৈ মনোযোগ নিদি যিবোৰ সমিতি পতা হৈছে সেই-বোৰৰে সুবন্দবস্তলৈ মনোযোগ দিয়া হয়। ১৯১২ চনৰ আইনৰ পিছত বোম্বাই গৱৰ্ণমেণ্টে ১৯২৫ চনত আৰু ব্ৰহ্মদেশৰ গৱৰ্ণমেণ্টে ১৯২৭ চনত নিজ নিজ প্ৰদেশৰ বাবে বেলেগ প্ৰাদেশিক আইন কৰে। অসমতো ১৯৩৩ চনত প্ৰাদেশিক আইন কৰা হয়। বৰ্ত্তমান সময়ত অসমৰ আইনৰ এটা নতুন সংস্কৰণ হোৱাৰ কথা চলি আছে।

ইয়াত বাজেও প্ৰায় প্ৰত্যেক প্ৰদেশতে সমবায়ৰ অবস্থা অনুসন্ধান কৰিবৰ নিমিত্তে মাজে সময়ে তদন্ত কমিটি বহি আছে। ইয়াত যুক্তপ্ৰদেশৰ ওকডেন কমিটি (Oakden Committee), মধ্যপ্ৰদেশৰ কিং কমিটি (King Committee), মাদ্ৰাজৰ টাউনচেণ্ড কমিটি (Townsend

Committee) আৰু ব্ৰহ্মদেশৰ কালভাৰ্ট কমিটিৰ (Calvert committee) কথা উল্লেখ কৰিব পৰা যায়। আন আন প্ৰদেশতো এনেকুৱা তদন্ত কমিটি বহাৰ আবশ্যকতা আটায়ে অনুভব কৰিছে।

১৯৩৫ চনত প্ৰাদেশিক স্বাতন্ত্ৰ্য বা স্বায়ত্ব শাসন প্ৰণালী (Provincial Autonomy) প্ৰচলিত হোৱাৰ পৰা সমবায় আন্দোলনৰ এটা নতুন যুগৰ সূচনা হোৱা বুলি ধৰিব পাৰি। প্ৰাদেশিক গৱৰ্ণমেণ্ট বিলাকে শাসনকাৰ্য্যৰ বাবে স্বাধীনতা পোৱাৰ লগে লগে প্ৰত্যেক প্ৰদেশৰ সমবায় বিভাগে নিজ নিজ অবস্থা অনুসৰি বেলেগ বেলেগ বাটে অগ্ৰসৰ হব বুলিও অনুমান কৰিব পাৰি। যোৱা পৃথিবীব্যাপী অৰ্থনৈতিক সঙ্কটৰ ফলে ভাৰতবৰ্ষৰ সকলো প্ৰদেশতে সমবায় আন্দোলনে এটা বৰ ডাঙৰ আঘাত পাইছে। এই আঘাততে বহুত সমিতিয়ে মৃতপ্ৰায় হৈছে। সম্প্ৰতি সমবায় আন্দোলনক এটা নতুন উদ্দীপনা দিবৰ নিমিত্তে প্ৰায় সকলো প্ৰদেশতে চেষ্টা চলিছে।

৫৪। ১৯৩৫ চনৰ শাসন সংস্কাৰ আৰু সমবায়

ষষ্ঠ অধ্যায়।

সমবায় সমিতিৰ শ্রেণীবিভাগ আৰু সমবায় সংগঠন।

৫৫। সমবায় সমিতিৰ শ্রেণী বিভাগৰ বেলেগ বেলেগ প্রণালী

সমবায় প্রণালী সম্পূর্ণকৈ বুজিবৰ অর্থে সমবায় সমিতি বিলাকৰ মাজত শ্রেণী বিভাগ কৰা আৱশ্যক কিন্তু এনেকুৱা শ্রেণী বিভাগ কৰা কাম বৰ সহজ নহয়। বহুত সময়ত দেখা গৈছে এক প্রকাৰ উদ্দেশ্যত পতা সমিতিয়ে শেহত গৈ সেই উদ্দেশ্যৰ বাজে আন কামতো হাত দিবলগীয়াত পৰে। সুতৰাং প্রথম উদ্দেশ্যলৈ চালে এটা সমিতিয়ে এক শ্রেণীত আৰু কামলৈ চালে আন এক শ্রেণীত পৰে গৈ।

এইবিলাক অসুবিধা থাকিলেও কোনো প্রকাৰ শ্রেণী বিভাগ কৰি নললে সমবায় আন্দোলনৰ কামত শৃঙ্খলা আনিব নোৱাৰি। সমবায় আন্দোলন আৰম্ভ হবৰেপৰা সমিতি বিলাকৰ শ্রেণী বিভাগৰ নিমিত্তে যিমান প্রকাৰ চেষ্টা হৈছে তাৰে এটা চমু আভাস দি শেষত আমাৰ দেশত বর্ত্তমান প্রচলিত শ্রেণী বিভাগটো দিয়া হব।

(১) কোনো কোনো ঠাইত সমিতি বিলাকক বস্তু উৎপন্ন কৰোঁতা সকলৰ সমবায় (Producers' Co-operation) আৰু বস্তু ব্যবহাৰ কৰোঁতা সকলৰ সমবায় (Consumers' Co-operation), এই দুই শ্রেণীত ভাগ কৰা হয়। প্রথম শ্রেণীৰ সমিতি বিলাকৰ উদ্দেশ্য মানুহৰ দৰকাৰী বস্তু উৎপন্ন কৰা আৰু দ্বিতীয় শ্রেণীৰ সমিতি বিলাকৰ উদ্দেশ্য যি সকলক সেই বিলাক বস্তু ব্যৱহাৰ কৰিবলৈ লাগে তেওঁলোকে সুবিধামতে পোৱাৰ উপায় কৰা। এই দুয়ো

প্রকাৰ সমিতিৰে সমানে আৱশ্যক, কাৰণ বস্তু যি সকলক লাগে তেওঁলোকে সুবিধামতে নাপালে সেই বস্তু উৎপন্ন কৰাৰো সার্থকতা নাই।

(২) সমবায় সমিতিবিলাকক কৃষি সম্বন্ধীয় আৰু শিল্প সম্বন্ধীয় (Agriculture আৰু Industrial) এই দুই শ্রেণীত ভাগ কৰাও দেখা যায়। কৃষি সমিতি বিলাকৰ বিষয় হৈছে খেতি বাতি সম্পর্কীয় কাম আৰু শিল্প সমিতি বোৰৰ বিষয় হৈছে শিল্পমূলক কাম। শিল্প আৰু কৃষি সম্পর্কীয় দুয়ো প্রকাৰৰ সমিতিৰ ভিতৰতে ঋণ সমিতি হব পাৰে। ইংলণ্ড প্রভৃতি দেশত শিল্প সমিতি বিলাকৰ বেছি প্রাধান্য। মাল উৎপন্ন কৰা আৰু মাল কিনা দুয়ো বিধৰ সমিতি (Producers' Society আৰু Consumers' Society) শিল্প সমিতিৰ ভিতৰত পোৱা যায়।

(৩) সমবায় সমিতি বিলাকক নগৰীয়া আৰু গাঁৱলীয়া (Rural আৰু Urban) নাইবা কৃষি সমিতি আৰু অকৃষি সমিতি (Agricultural আৰু Non Agricultural Society) এইদৰেও ভাগ কৰিব পৰা যায়। ভাৰতবর্ষত শিল্প সমিতিৰ সংখ্যা কম, সেইবাবে আমাৰ দেশত নগৰীয়া আৰু গাঁৱলীয়া অথবা "কৃষি" আৰু "অকৃষি" এনেকুৱা শ্রেণী বিভাগ হে বেছি দৰকাৰী।

(৪) ওপৰত দিয়া শ্রেণী বিভাগ বিলাকত সমিতিৰ উদ্দেশ্যতকৈ সভ্য সকলৰ নিজ নিজ ব্যৱসায়ৰ প্রতি হে বেছিকৈ চকু দিয়া হৈছে। কিছুমান সমবায়িকৰ মতে এইটো এটা ডাঙৰ ত্রুটি। বাস্তৱতে দেখিব পোৱা যায় যে এজন মানুহৰ নিজ ব্যৱসায় এক প্রকাৰৰ হলেও তেওঁ আন উদ্দেশ্যে পতা যি কোনো সমিতিৰ সভ্য হব পাৰে।

এজন খেতিয়ক কোনো শিল্প সমিতিবো সভ্য হব পাবে। সেই দেখি সভ্য সকলব নিজ ব্যবসায়ব কথা এবি দি অকল সমিতি বিলাকব উদ্দেশ্য অনুসবি যি বিভাগ কবা হয় সেয়ে হে বেছি আবশ্যকীয় বুলি আন্তর্জ্জাতিক কৃষি প্রতিষ্ঠানত (International Institute of Agriculture) লোৱা হৈছে।

আন্তর্জ্জাতিক প্রতিষ্ঠানত সমবায়ব তলত লিখা কেইটা প্রধান উদ্দেশ্য বুলি ধবা হৈছে—

(ক) ঋণ—(Credit)

(খ) উৎপন্ন—(Production)

(গ) বস্তু কিনা—(Purchase)

(ঘ) বস্তু বিক্রি—(Sale)

(৫) ১৯২৫ চনব বম্বেব কো-অপাবেটিভ আইনত তলত লিখাদবে শ্রেণী বিভাগ লোৱা হৈছে।

(ক) ঋণ আৰু উৎপন্নব বাবে বস্তু যোগাব কবি দিয়া সমিতি (Resource Society) শস্যব বীজ, জমিব সাব, খেতিব সজুলি আৰু ঋণ যোগাব কবি দিয়া সমিতিক এই শ্রেণীত ধবা হয়।

(খ) বস্তু উৎপন্ন কবা সমিতি (Producers' Society) যিবোব সমিতিয়ে বস্তু উৎপন্ন কবি ঠায়ে ঠায়ে পঠিওৱা কাম হাতত লয় সেইবোব সমিতিক এই শ্রেণীত ধবা হয়।

(গ) ঘব সজা সমিতি (Housing Society) যিবোব সমিতিয়ে সভ্যসকলে থকা ঘব সাজে বা যোগাব কবি দিয়ে সেইবোবক এই শ্রেণীত ধবা হয়। কল কাবখানাব শ্রমিক সকলব বাবে এই শ্রেণীব সমিতিব বিশেষ আবশ্যক।

(ঘ) (Consumers' Society)—যিবোৰ সমিতিয়ে নানা ঠাইৰ পৰা মাল সংগ্ৰহ কৰি তাক দৰকাৰ অনুসৰি সভ্য সকলক যোগায় আৰু সমিতিৰ উপবিধিৰ সৰ্ত্ত অনুসৰি লাভৰ অংশ সভ্য সকলক বাঁটি দিয়ে সেইবোৰক এই শ্ৰেণীত ধৰা হয়।

(ঙ) সাধাৰণ সমিতি (General Society)—ওপৰত উল্লেখ কৰা কোনো শ্ৰেণীত যিবিলাক সমিতি অন্তৰ্ভুক্ত কৰিব পৰা নহয় সেইবোৰক এই শ্ৰেণীত ধৰা হয়।

৫৬। ভাৰত গৱৰ্ণমেণ্টৰ শ্ৰেণী বিভাগ

আমাৰ দেশত গৱৰ্ণমেণ্টে সমিতি বোৰক (১) প্ৰাথমিক সমিতি (২) কেন্দ্ৰীয় সমিতি আৰু (৩) প্ৰাদেশিক সমিতি এই তিনি খাপত ভাগ কৰিছে। কেন্দ্ৰীয় সমিতিৰ ভিতৰত কেন্দ্ৰীয় বেঙ্ক (Central Bank) আৰু যুক্ত সমিতি (Union) এই দুই প্ৰকাৰ পোৱা যায়। এই তিনি শ্ৰেণীৰ সমিতিত বাজেও জমি বন্ধক সমিতি (Co-operative Land Mortgage Society) নামে এবিধি সমিতি আছে। ওপৰত সমবায় সমিতিৰ শ্ৰেণী বিভাগ বোলোঁতে প্ৰাথমিক সমিতি বিলাকৰ শ্ৰেণী বিভাগ বুজোৱা হৈছে।

সমবায় সমিতি বিলাকৰ শ্ৰেণী বিভাগ কৰা যে কেনে জটিল কাম আৰু ই যে ঠাই অনুসৰি কিমান বেলেগ বেলেগ প্ৰকাৰৰ হব পাৰে তাৰ উল্লেখ কৰা গৈছে। যিদৰে সজালে সমিতি বিলাকৰ উদ্দেশ্য পৰিষ্কাৰকৈ বুজিব পাৰি আৰু এক শ্ৰেণীৰ সমিতিৰে সৈতে আন শ্ৰেণীৰ সমিতিৰ সান্ মিহলি নহয় তেনেকুৱা শ্ৰেণী বিভাগ হে দৰকাৰী। সমবায় শ্ৰেণী বিভাগ সম্বন্ধে সমবায় তত্ত্ববিদ্ সকলৰ মাজত সদায় অলপ অচৰপ মতভেদ হৈ থাকে।

তলত আমাৰ দেশত প্ৰচলিত বিভাগৰ এখনি তালিকা দিয়া হ'ল।



ঋণ দিয়াত বাজে আন উদ্দেশ্যত পতা কৃষি সমিতি তলত লিখা দবে নানা প্রকাবব হব পাবে—

৫৮। নান প্রকাব অঋণ কৃষি সমিতি

(ক) জমিব সাব বীজ ইত্যাদি যোগাব কবিবব অর্থে পতা সমিতি

(খ) কৃষিজাত বস্তু বিক্রি কবিবব অর্থে পতা সমিতি।

(গ) গৰু ম'হ বিমা কবা সমিতি (Co-operative Cattle Insurance Society.)

(ঘ) খেতিব বাবে ঘব সজা আৰু শস্য আদি বিমা কবা সমিতি (Firm buildings and Crop Insurance Societies).

(ঙ) শস্য বক্ষাব অর্থে বেবা বন্ধা সমিতি (Fencing Societies).

(চ) খেতিত পানী দিয়া সমিতি (Co-operative Irrigation Societies)

(ছ) গাখীবব কাববাব কবা সমিতি (Co-operative Dairy Societies)

(জ) সমবায় প্রণালীবে খেতি কবা সমিতি (Co-operative firming Society)

(ঝ) চাব ডেনিয়েল হেমিল্টনে গোসাবাত পতা সমিতি।

৫৯। কৃষি ভিন্ন অন্য বিষয়ব ঋণ সমিতি Agricultural Non Credit Society.

কৃষি ভিন্ন অন্য বিষয়ব ঋণ সমিতি তলত লিখা দবে নানা প্রকাবব হব পাবে :—

(ক) সমবায় বেঙ্ক (Peoples Bank)

(খ) সাম্প্রদায়িক সমিতি (Communal Society).

(গ) কলকাবখানাব কর্ম্মচাবী আৰু চবকাবী কর্ম্মচাবী সকলব মাজত পতা সমিতি (Society for employees of firms and Govt. departments.)

(ঘ) শিল্পী সকলব সমিতি (Artisans' Society)

(ঙ) কলকাবখানাব বনুব্রাব বাবে পতা সমিতি (Society for mill hands)

(চ) অনুন্নত সম্প্রদায়ব বাবে পতা সমিতি (Societies for depressed classes) ইত্যাদি।

৬০। কৃষি ভিন্ন অন্য বিষয়ব অঋণ সমিতি Non Agri cultural Noncredit Society.

কৃষি ভিন্ন অন্য বিষয়ব অঋণ সমিতি তলত লিখা দবে নানা প্রকাবব হব পাবে—

(ক) শিল্পী সকলব সমবায় (Artisans' Societies)

(খ) অশিক্ষিত বনুব্রাব মাজত পতা সমিতি (Unskilled Labourers' Societies).

(গ) কিনা বেচাব অর্থে পতা সমিতি (Societies for purchase and sale.)

(ঘ) মালখবিদকবোঁতা সকলব সমিতি (Consumers' Society).

(ঙ) ঘব সজা সমিতি (Housing Society).

(চ) পবস্পাবব উপকাব অর্থে পতা সমিতি (Mutual Benefit Society).

(ছ) জমি বন্দবস্ত কবা সমিতি (Land Society and tenants Co-operative Society).

(জ) ঘব ভাবা কবা আৰু কিনা সমিতি (Societies for the hire and purchase of houses).

৬২। ভারতবর্ষের ভিন্ন ভিন্ন প্রদেশস্থ প্রাথমিক সমবায় সমিতির সংখ্যা (১৯৩৩-৩৪ চন)।

প্রদেশের নাম	সমিতির সংখ্যা	প্রতি লাখ মানুষের মাজত সমিতির সংখ্যা	প্রতি হাজার মানুষের মাজত সভ্যের সংখ্যা	সমিতি পিলাকের সভ্যের সংখ্যা	কামত খটোরা টকার পরিমাণ (working capital)		প্রতিজন অধিবাসীর বাবে কামত খটোরা টকা (working capital per head of population).
অসম	১৪০০	১৬·৩	৭·৫	৬৪৩৩৮	৮৬ লক্ষ		১৲
বঙ্গদেশ	২৩৫৩৮	৪৭	১৫·৫	৭৭৭৮৩৯	১৭৬৫ লক্ষ		৩৷৹
মাদ্রাজ	১৩৫৮১	২৯ ১	১৮ ৯	৮৮৩১০০	১৬১৮ লক্ষ		৩৷৶৹
বম্বে	৫৮১৬	২৬ ৬	২৬·৮	৫৮৭৬৪৯	১৬১৬ লক্ষ		৭৷৶৹
বিহার উৰিষ্যা	৮২০১	২৩ ৬	৯ ৮	২৫৬৮০২	৫৭৫ লক্ষ		১৷৹
যুক্ত প্রদেশ	৬০৫১	১২ ৫	৩ ২	১৫২৯৩০	২৯৩ লক্ষ		৷৶৹
পাঞ্জাব	২১৩২৫	৯০ ৭	৩০	৭০৭৬৮৯	১৮৪৬ লক্ষ		৭৷৶৹
ব্রহ্মদেশ	২১৬৭	১৬·৫	৫ ৫	৭২২৬৭	২৩১ লক্ষ		১৷৹
মধ্য প্রদেশ আৰু বেৰাৰ	৩৭২৪	২৮·৫	৪·৬	৭১৮৩৪	৫৫৬ লক্ষ		৩৷৶৹
উত্তৰ পশ্চিম সীমান্ত প্রদেশ	৪৫১	১৮·৮	৬ ৪	১৫০৩৮	১৮ লক্ষ		৷৶৹
কুর্গ	২৭৯	১২৪·৫	৭৬ ৭	১৫০৪৩	১৩ লক্ষ		৩৷৶৹
আজমীৰ মাৰৱাৰ	৭০৭	১১৭·৮	৩৩·৩	১২৯৩৯	৫৪ লক্ষ		৯৲
হাইদৰাবাদ বৃটিছ অংশ	৩৬	২৬	৯১·২	৯১২২	৯ লক্ষ		৯৷৹
দিল্লি	২৮৮	৪৮	১৬ ৭	১৯৯২	২৭ লক্ষ		৪৷৹
বৃটিছ ভাৰতবর্ষ	৮৮৩৬৪	৩২ ৮	১৩·৫	৩৩৪৪২৭৯	৮৩৪৪ লক্ষ		৩৷৹
দেশীয় ৰাজ্যসমূহ	১৬৭১৯	৪৩·১	১৭ ৩	৩৭১২৪৩	৯২৮ লক্ষ		২৷৶৹
সৰ্ব্বমুঠ	১০৫০৮৩	৩৪·১	১৪	৪৩১৬১২২	৯৫৭২ লক্ষ		৩৷৹

সপ্তম অধ্যায়।

৬২। প্রাথমিক সমিতি পতা আৰু চলোৱাৰ নিয়ম।

প্রাথমিক সমবায় সমিতি আৰু কিছুমান বিশেষ ধৰণৰ সমবায় অনুষ্ঠান।

সমবায় আন্দোলনৰ ভেঁটি হৈছে প্রাথমিক সমিতি-বিলাক। প্রাথমিক সমিতি কিমান প্রকাৰৰ হব পাৰে তাক আগৰ অধ্যায়তে উল্লেখ কৰা হৈছে। কিন্তু নানা-প্রকাৰৰ হলেও এই সকলোবিলাক প্রাথমিক সমিতিৰে মূলনীতি আৰু গঠন প্রণালীত বহুত মিল আছে।

আমাৰ দেশৰ অধিকাংশ সমিতিয়ে কৃষিঋণ সমিতি আৰু এই বিলাকৰ মূলত বাফেজন সমিতিৰ আদর্শ বর্ত্তমান আছে। দহজন বা তাতকৈ সৰহ সভ্যই গোট খাই এখন সমিতি পাতিব পাৰে। প্রত্যেক সমিতিয়ে সভ্য-সকলৰ সম্পত্তিৰ এটা হিচাব ৰাখে আৰু বছৰি বছৰি অৱস্থাৰ লৰচৰ হোৱাৰ লগে লগে তাৰ সংশোধন কৰি লব লাগে। কোনো কোনো ঠাইত সমিতিয়ে টকা তুলিবৰ কাৰণে অংশ বিক্রি কৰে, কোনো কোনো ঠাইত আকৌ এই নিয়ম নাই। বর্ত্তমান সময়ত সকলো খেতিয়কৰ সমিতিতে অংশ বিক্রি কৰা হয়।

প্রাথমিক সমিতি চলোৱাত সকলো সভ্যৰে সমান অধিকাৰ। সকলো সভ্যই সমিতিৰ সাধাৰণ সভাৰ (General Meeting) সভ্য আৰু বেছিকৈ অংশ কিনিলেও প্রত্যেক সভ্যই এটাকৈ হে ভোট পায়। সাধাৰণ সভ্যই বছৰেকীয়া অধিবেশনৰ লগে লগে সমিতিৰ

কাম চলাবৰ কাৰণে এটা পৰিচালক সমিতি (Managing Committee) পাতে। পৰিচালক সমিতিত ৩ জনৰ পৰা ১০ জনলৈকে সভ্য থাকিব পাৰে। এই সভ্য সকলৰ এজনক সভাপতি আৰু এজনক চেক্ৰেটৰি কৰা হয়। সমিতিৰ সকলো প্ৰকাৰ কাৰবাৰ চেক্ৰেটৰিয়ে চলায়। সভ্য সকলৰ মাজত হিচাব পত্ৰ বাখিব জনা মানুহৰ অভাব হলে কদাচিত বাহিৰা মানুহকো চেক্ৰেটৰি পতা নিয়ম আছিল। কিন্তু এতিয়া এনেকুৱা প্ৰথা একেবাৰে বহিত হৈছে! কোনো কোনো ঠাইত মেনেজিং কমিটিৰ উপৰি একোটা পৰিদৰ্শক সমিতি (Supervision Committee) পতা হয়। চেক্ৰেটৰিৰ কৰ্ত্তব্য আৰু সাধাৰণ সভা, পৰিচালক সভা ইত্যাদি চলোৱা সম্বন্ধে সভাৰ উপবিধিত নিয়ম বন্ধা থাকে।

৬৩। প্ৰাথমিক সমিতিয়ে টকা তোলাৰ উপায়।

সমিতিয়ে প্ৰথমতে অংশ বিক্ৰি কৰি টকা তুলিবৰ চেষ্টা কৰে। ৰায়ত সকলৰ অলপ অচৰপ যি মূলধন থাকে তাক গোটাই কামত খটাবৰ অৰ্থে অংশ (share) বিক্ৰি কৰা নিয়মটোৰ অত্যন্ত দৰকাৰ। সমিতিয়ে নিজ ঠাইতে টকা তুলি আৰু সভ্য সকলৰ পৰা টকা জমা (deposit) লৈ সভ্যসকলক ধাৰলৈ দিব পৰাটো আটাইতকৈ বাঞ্ছনীয়। কিন্তু এইদৰে যথেষ্ট পৰিমাণ টকা মুঠিলে সভ্যৰ বাহিৰে আন মানুহৰ পৰাও টকা ডিপোজিট লোৱা হয়।

সমিতিৰ মূলধন গোটোৱাৰ আৰু এটা প্ৰধান উপায় হৈছে কেন্দ্ৰীয় বা প্ৰাদেশিক বেঙ্কৰ পৰা টকা ধাৰ লোৱা। বেছি সুত দি সভ্যৰ বাহিৰে আন মানুহৰ পৰা টকা ধাৰলৈ বিচৰা সমবায়ৰ নীতিবিকদ্ধ, কাৰণ সেয়ে হলে সভ্য সকলক কম সুতেতে টকা ধাৰ দিয়া অসম্ভৱ হৈ পৰে।

গাৱঁলীয়া কৃষি সমিতি বিলাকৰ দায়িত্ব প্ৰায়ে অসীমাবদ্ধ চুলজ ডিলিট্‌চ্‌ আৰু লুজ্জাটিৰ আদৰ্শে পতা নগৰীয়া বেঙ্ক বিলাকৰ দায়িত্ব প্ৰায়ে সীমাবদ্ধ।

৬৪। প্ৰাথমিক সমিতি চলোৱাৰ কিছুমান সাধাৰণ নিয়ম।

(১) একোটা সমিতিয়ে আনৰপৰা কিমান টকা ধাৰলৈ লব পাৰে স্থিৰ কৰোঁতে সমিতিৰ সভ্য সকলৰ মুঠ সম্পত্তিৰ পৰিমাণলৈ লক্ষ্য কৰা হয়। সমিতিৰ ধাৰৰ পৰিমাণ সভ্য সকলৰ মুঠ সম্পত্তিৰ এক চতুৰ্থাংশতকৈ কোনো প্ৰকাৰে বেছি হব নেলাগে।

(২) যি কামৰ পৰা সভ্য সকলৰ কোনো আয় নহয় তেনেকুৱা কামৰ বাবে টকা ধাৰে দিয়া অনুচিত।

(৩) ধাৰৰ উদ্দেশ্য আৰু ধাৰ পৰিশোধ কৰিবৰ ক্ষমতালৈ লক্ষ্য ৰাখি কোন সভ্যক কি পৰিমাণে ধাৰ দিয়া হব তাৰ স্থিৰ কৰিব লাগে। কোনো সভ্যকে তেওঁৰ সম্পত্তিৰ মূল্যৰ আধাতকৈ বেছি পৰিমাণে টকা ধাৰলৈ দিব নেলাগে।

(৪) ধাৰলৈ দিয়া টকাৰ সদ্ব্যৱহাৰ আৰু ধাৰৰ কিস্তি ঠিক মতে আদায় হোৱা সম্পৰ্কে সকলো সভ্যই পৰস্পৰৰ ওপৰত চকু ৰাখিব লাগে।

(৫) সভ্য সকলৰ অৱস্থা আৰু খেতিৰ পৰা পোৱা উৎপন্নৰ অৱস্থা অনুসৰি ধাৰ পৰিশোধৰ কিস্তি স্থিৰ কৰিব লাগে। কোনো সভ্যই যদি কোনো আকস্মিক বিপদৰ বাবে কিস্তিৰ টকা আদায় দিব নোৱাৰে তাৰ বাবে উপযুক্ত বিবেচনা কৰিব লাগে।

(৬) একোজন সভ্যই কি পৰিমাণ অংশ কিনিব পাৰে আৰু অংশৰ টকাত কি পৰিমাণে ডিভিডেণ্ড দিয়া হব সেই সম্বন্ধে বন্ধা নিয়ম থাকিব লাগে, আৰু অংশৰ টকাৰ স্বত্ব

এজনে আন জনবে সৈতে কিনা বেচা কবা সম্পর্কে বন্ধা নিয়ম থাকিব লাগে।

(৭) ধকৰাই সমিতিব পবা টকা ধাব কবি যি বস্তু উৎপন্ন কবে আৰু যি সাজ সবঞ্জাম কিনে সেইবিলাক অন্য মহাজনে সমিতিব দাবিব আগতে, ডিক্রি কবিব নোৱাবিব।

(৮) প্রত্যেক সমিতিয়ে এটা বিজার্ভ ফণ্ড বাখিব লাগে। যিবিলাক সমিতিত অংশ বিক্রি নহয় সেই বিলাকত সমস্ত খিনি লাভব টকা বিজার্ভ ফণ্ডত বখা হব লাগে। যিবিলাক সমিতিত অংশ বিক্রি হয় সেইবিলাকত লাভব টকাব অন্ততঃ এক চতুর্থাংশ বিজার্ভ ফণ্ডত থাকিব লাগে। বিজার্ভ ফণ্ড সম্পর্কে বেলেগ বেলেগ প্রদেশত বেলেগ বেলেগ প্রকাবব আইন আছে। মুঠতে বিজার্ভ ফণ্ডব টকা অংশীদাব সকলব মাজত ভাগ কবা নহয় আৰু তাক বেজিষ্ট্রাবব নির্দ্দেশ অনুসবি কেন্দ্রীয় বেঙ্ক বা আন কোনো বেঙ্কত জমা বখা হয়।

৬৫। 'ধর্ম্ম-গোলা' (Grain Bank of Grain Society)

ধান বা কৃষিজাত আন উৎপন্ন বস্তুব সমিতিক 'ধর্ম্ম গোলা' বোলা হয়। ইয়াব কার্য্যপ্রণালী কৃষিঋণ সমিতিব দবে আৰু ইয়াব দায়িত্ব প্রায়ে অসীমাবদ্ধ। ঋণ সমিতিত যি দবে টকাব কাববাব কবা হয়, ধর্ম্ম গোলাত সেইদবে ধান বা উৎপন্ন শস্যব কাববাব কবা হয়। ইয়াত সভ্য সকলে বছবি এটা নির্দ্দিষ্ট পবিমাণে ধান জমা দিব লাগে। বিহাব, উবিষ্যা, বঙ্গদেশ, বম্বে, মাদ্রাজ আৰু কুর্গ অঞ্চলত এনেকুবা সমিতি কিছুমান হৈছে। অসমত এনেকুবা সমিতিব সংখ্যা এতিয়াও নিচেই কম।

প্রায় দেখা যায় যে খেতিয়ক সকলে ধান চপাই উঠিয়ে যিসময়ত ধানব দাম কম থাকে সেই সময়তে

চৰকাৰী খাজনা বা মহাজনৰ সুত ইত্যাদি আদায় দিবৰ নিমিত্তে ধান বেছিৰ লগীয়াত পৰে। এই বিলাক দি উঠাৰ পিছত খেতিয়কৰ ঘৰত যি ধান বাকি থাকে তাৰে বছৰটো খাবলৈ নাটে। ধান কটা হোৱাৰ তিনি চাৰি মাহ মান পিছৰ পৰা হে ধানৰ বজাৰ চৰিবলৈ ধৰে। এই বঢ়া দামৰ বাবে খেতিয়ক সকলে একো সুবিধা নাপায়, কাৰণ তেওঁলোকে বেছিৰ পৰা যিখিনি ধান তাক আগতে বেছি উঠিলেই। পুনৰ ধান কটা দিনলৈকে খাবলৈ নটা বাবে তেওঁলোকে বেছি সুতত টকা ধাৰ কৰি নাইবা অহা চনৰ খেতিবন্ধক দি মহাজনৰ পৰা আগধনলৈ জীবিকা চলাব লগাত পৰে। তেওঁলোকে বেছিবৰ সময়ত সস্তা দামত বেছিৰ লাগে কিন্তু কিনিবৰ সময়ত বেছি দামত কিনিবলৈ বাধ্য হয়। বছৰি বছৰি এই বিপাকত পৰি খেতিয়ক সকলে লাহে লাহে ধাৰত পোত যায়। এই বিবঞ্চনা গুছাবৰ অৰ্থে ধৰ্ম্মগোলা পতা হয়। মুঠতে ধৰ্ম্মগোলাৰ পৰা তলত লিখা তিনিটা উদ্দেশ্য সাধন হয়—

(ক) খেতিয়কে সস্তা দামৰ সময়ত ধান নেবেচাকৈ নিজৰ কাম চলাব পাৰে।

(খ) বছৰৰ শেষত খাবৰ নোহোৱা হলে কম সুতত ধান পোৱা হয়।

(গ) ধানৰ বিজাৰ্ভ ভৰাল থকা বাবে হঠাৎ দুৰ্ভিক্ষ আদি হলে সহায় পোৱা হয়।

৬৬। বীজ সমিতি (Seed Society)

বীজ ভাল নহলে খেতি ভাল হব নোৱাৰে। যি সকল খেতিয়কৰ অৱস্থা ভাল তেওঁলোকে নিজৰ খেতিৰ পৰাই বীজ বাখি থয়, কিন্তু যি সকলৰ অৱস্থা ভাল নহয় তেওঁলোকে বীজ কিনিবৰ বাবেও টকা ধাৰ কৰিব লগীয়াত

পৰে। এই অভাব দূৰ কৰিবৰ নিমিত্তে কোনো কোনো ঠাইত চৰকাৰী কৃষি বিভাগে আৰু সমবায় বিভাগে একে যোগে ভাল বীজ অনাই খেতিয়ক সকলক সুবিধা দামত দিয়ে। এই দৰে দিয়াৰ এটা নিয়মক Commission sale system বোলে। বম্বে প্ৰদেশত এই ধৰণৰ কিছুমান বীজ সমিতি হৈছে।

৬৭। জমি বন্ধক সমবায় সমিতি।

এই বিলাক সমিতিত সভ্যসকলৰ পৰা মাটিবন্ধক লৈ টকা ধাৰে দিয়া হয়। জাৰ্মেনিত প্ৰথমতে এনেকুৱা বেঙ্কৰ প্ৰচলন হৈছিল। এই বোৰক তাত Land Schaften (Land Credit) বেঙ্ক বোলে। এই বিলাক বেঙ্কক সমবায় সমিতিৰ এটা বেলেগ শ্ৰেণীত লোৱা হৈছে।

যি বিলাক মানুহৰ বেছি পৰিমাণে আগৰ ধাৰ আছে তেওঁলোকক সাধাৰণ ঋণ সমবায় সমিতিয়ে একেবাৰে ধাৰৰ পৰা মুক্ত কৰিব নোৱাৰে। যুক্তপ্ৰদেশ, বিহাৰ, উৰিষ্যা, পাঞ্জাব আদি যি বিলাক প্ৰদেশত চিৰস্থায়ী বন্দবস্ত (Permanent Settlement) আছে তাত প্ৰায় ভাগ জমিদাৰে মাটিবন্ধক দি পাৰেমানে ধাৰ কৰি ধাৰত একেবাৰে পোত যাই আছে। কেতিয়াবা একে জমিকে তিনি চাৰি বাৰতকৈও বেছি কৈ বন্ধক দিয়া হয়। চিৰস্থায়ী বন্দবস্তৰ বাহিৰে আন ঠাইতো মাটি বন্ধক থৈ টকা ধাৰ কৰাৰ লেখ জোখ নাই। অসমতো মাটিবাৰি থকা প্ৰায় বিলাক পুৰণি ঘৰৰে এনেকুৱা অৱস্থা। অভাৱত পৰি নিকপায় হৈ ধাৰ বিচৰা বাবে জমিৰ মালিকে বেছি পৰিমাণে সুত দিব লাগে আৰু জমিৰ মূল্যৰ উপযুক্ত পৰিমাণে ধাৰ নেপায়।

সাধাৰণ গাঁৱলীয়া সমবায় সমিতিয়ে এই শ্ৰেণীৰ মানুহক ধাৰৰ পৰা একে কোবে তুলিব নোৱাৰে কাৰণ এনেকুৱা সমিতিৰ ইমান টকা নাই আৰু একেজন মানুহৰ নিমিত্তে এনেকুৱা সমিতিয়ে বেছি টকাৰ দায়িত্বও লব নোৱাৰে। এই শ্ৰেণীৰ মানুহৰ প্ৰধান সম্পত্তি হৈছে জমি। এই জমিকে বন্ধক ৰাখি এই ধৰণৰা সকলক একে কোবে ধাৰৰ পৰা তুলিব পাৰিলে হে এওঁলোকৰ উদ্ধাৰ হব পাৰে। এই কাৰ্য্যত বহুত টকা লাগে আৰু দীঘলীয়া দিনলৈ টকা ধাৰে দিব পাৰিব লাগে, কাৰণ বেছি টকাৰ ধাৰ সৰহ দিনত হে শোধ হব পাৰে।

ভাৰতবৰ্ষত প্ৰথমতে পাঞ্জাবত এনেকুৱা বেঙ্ক আৰম্ভ হয়। তাৰ পিছত মাদ্ৰাজ, বঙ্গদেশ আদি ঠাইত পাঞ্জাবৰ অনুকৰণ চলে। অসমতো কেইবা খনো লেণ্ডমৰ্গেজ বেঙ্ক পতা হৈছে আৰু সেই সম্বন্ধে বহলাই পিছত কোৱা হব। মাদ্ৰাজ প্ৰেচিডেন্সিৰ ৰেজিষ্ট্ৰাৰে ১৯১৪ চনতে Land Mortgage Bank সম্বন্ধে এইদৰে লিখিছিল।—

"The general idea underlyng these banks is that a number of ryots who own landed property in a specific area and who have mortgaged land to money lenders, should combine to form á Co-operative Land Mortgage Bank. They will mortgage their lands to the bank which will proceed to issue debentures on the security of these mortgages. The debentures will be sold in the open market and the sale proceeds will be utilised by the bank in lending to its members in exchange for their mortgage deeds." এই কথাৰ মৰ্ম্ম ওপৰত দিয়া হৈছে।

৫৮. অঋণ সমবায় (Non-credit Co-operation)

আমাৰ দেশৰ সমবায় সমিতি বিলাকৰ প্ৰায় শতকৰা ৯০টা ঋণ সমিতি। ইউৰোপত কিমান বেলেগ বেলেগ প্ৰকাৰৰ সমবায় হৈছে তাক সমিতিৰ তালিকাত দেখুৱা হৈছে। আমাৰ দেশত টকা ধাৰ দিয়াত বাজে আন উদ্দেশ্যত সমিতি পতা হলেও শেষত গৈ তাত কোনো কোনো ঠাইত টকা ধাৰে দিয়া কামো লগাই লৱলগীয়া হয়। আমাৰ দেশত ঋণ সমিতিৰ যে অতি আৱশ্যক তাক কোৱা বাহুল্য মাথোন, কিন্তু ঋণ দিয়াত বাজে আন আন কাৰবাৰৰ অৰ্থে পতা সমিতিৰ সংখ্যা বাঢ়িলেহে সমবায় আন্দোলনে কেচুঁৱা অৱস্থাৰ পৰা উঠি উন্নতিৰ বাটত আগুৱাইছে বুলি বুজিব পৰা যায়। তলত কেইবিধমান অঋণ সমবায় সমিতিৰ কথা উল্লেখ কৰা হ'ল।

৫৯। ম লবস্তু কিনা আৰু টকা ধাৰে দিয়া সমিতি (Purchase and Credit Society)

সাধাৰণ ঋণ সমিতিয়ে কোনো কোনো ঠাইত খেতিৰ বীজ, ভূমিৰ সাৰ, সূতা, খেতিৰ সজুলি আৰু ঘৰুৱা আন আন দৰকাৰী বস্তু সভ্যসকলৰ আৱশ্যক মতে সৰহ পৰিমাণে সুবিধা দৰত কিনে। মাদ্ৰাজ আৰু ব্ৰহ্মদেশৰ চৰকাৰী অফিচৰ কেৰাণী, পুলিচ আৰু মিউনিচিপালিটিৰ কৰ্ম্মচাৰী আৰু বম্বেত কাপোৰ বোৱা ব্যৱসায়ৰ আৰু কলকাৰখানাত কাম কৰা মানুহৰ বাবে এনেকুৱা সমিতি পতা হৈছে। আন আন প্ৰদেশতো এনেকুৱা সমিতিৰ সংখ্যা লাহে লাহে বাঢ়িব ধৰিছে।

এই শ্ৰেণীত সমবায় সমিতিৰ সভ্য সকলৰ দায়িত্ব কোনো কোনো ঠাইত সীমাবদ্ধ আৰু কোনো কোনো ঠাইত অসীমাবদ্ধ।

বস্তু কিনা সমিতি নানা প্ৰকাৰৰ হব পাৰে। তাৰ ভিতৰত প্ৰধান হৈছে সমবায় ভঁৰাল। চহৰৰ মানুহে

৭০। সমবায় ভঁবাল (Co-operative Store)

খোৱা বোৱা সকলো বস্তুকে দোকানৰ পৰা কিনিব লাগে। মজলীয়া শ্রেণীৰ ভদ্রলোক সকলে প্রায়ে বাকী কৰি দোকানৰ পৰা মাল কিনে। বাকীকৈ আনোঁতে অনেক সময়ত নগদ দাম দি অনাতকৈ বেছি দাম দিব লগা হয়। আৰু অলপ অলপ কৈ এইদৰে বাকী অনাৰ বাবে ভাল জাতৰ বস্তুও পোৱা নেযায়। দোকানীয়ে লাভ কৰিবলৈ সস্তা দামতে কিনি মজুত থকা বস্তুৰ ভিতৰত বহুত ভেজাল দিয়া বস্তু থাকে, আৰু বাকীকৈ পোৱাৰ বাবে অনেক সময়ত মানুহে বিশেষ দৰকাৰ নথকাতো বস্তু কিনিবৰ লোভ সামৰিব নোৱাৰে।

সমবায় ভঁবালৰ সভ্যসকলৰ দায়িত্ব সীমাবদ্ধ। লাভৰ টকাৰ কিছু অংশ বিজ্ঞাৰ্ভ ফণ্ডত ৰাখি বাকীখিনি কিনোঁতা সকলক কিনা মালৰ অনুপাতে ভগাই দিযা হয়। জেনেৰেল মিটিঙে যোৱা বছৰৰ বিক্রি মালৰ আৰু দোকানত মজুত থকা মালৰ হিচাব কৰি অহা বছৰলৈ আনিব লগীয়া নতুন মালৰ লিষ্টি কৰে আৰু লাভ হলে অংশই প্রতি কিমান লাভ আৰু মাল খৰিদ কৰাৰ বাবে কিমান বঁটা দিয়া হব তাৰ স্থিৰ কৰে। মেনেজিং কমিটিয়ে মালৰ হিচাবৰ বহি (stock register) আৰু কিনা মাল পৰীক্ষা কৰি চাই দোকানৰ বস্তু কি দামত বিক্রি কৰা হব তাৰ স্থিৰ কৰে।

সমবায়ৰ ঠিক নিয়ম মতে সমবায় ভঁবালৰ পৰা সভাত ৰাজে আন মানুহক মাল বিক্রি কৰাৰ কথা নাই। কিন্তু মেনেজিং কমিটিয়ে ৰেজিষ্ট্রাৰৰ অনুমতিলৈ এই নিয়মৰ ব্যতিক্রম হবলৈ দিব পাৰে। মাল বাকীকৈ দিয়াৰ নিয়ম নাই। কিন্তু বহুত ঠাইত এই নিয়মৰো ব্যতিক্রম হবলৈ

দিয়া হৈছে। কোনো কোনো ঠাইত সভ্যসকলক তেওঁলোকে কিনা অংশৰ আধা বা চাৰি ভাগৰ তিনি ভাগলৈকে মাল বাকী দিয়া হয়। সমবায় ভাণ্ডাৰ ভাৰতবৰ্ষৰ সকলো প্ৰদেশতে দুই এটাকৈ হৈছে। কেনো কোনো ঠাইত সমবায় ভাণ্ডাৰৰ আদৰ্শেৰে স্কুল কলেজৰ ছাতৰ সকলৰ আৱশ্যকীয় বস্তু যোগাবৰ নিমিত্তে ছাতৰৰ ভঁৰাল (Students' Co-operative Store) খোলা হৈছে। বিলাতৰ বকডেল পাইওনিয়ৰ সমিতিৰ কথা আগতে কোৱা হৈছে।

দুখৰ বিষয় আমাৰ দেশৰ মানুহে সমবায় ভঁৰাল ভালদৰে চলাই দেখুৱাব পৰা নাই। কাম ভালদৰে নচলাৰ প্ৰধান কাৰণ এই যে খৰিদ্দাৰ সকলে মাল বাকী কৰি নি টকা আদায় নিদিয়ে। পৰিচালক সকলৰ দোষতো ভঁৰালৰ কাম বেয়া হয় গৈ। সমবায়ৰ বন্ধা আইনমতে সদায় নগদ দাম দি মাল কিনিবলৈ মানুহ বাজি নহয়। আন আন দোকানৰ প্ৰতিযোগিতাত টিকিবৰ কাৰণে সমবায় ভঁৰাল বোৰেও বাকী দিব লগীয়াত পৰে আৰু শেষত গৈ মোকদ্দমা কৰি বাকী আদায় কৰিব লগীয়াত পৰে। কৰ্ম্মচাৰী সকলৰ অনুপযুক্ততা আৰু সভ্য সকলৰ উদাসীনতা সমবায় ভঁৰাল বিলাকৰ অবনতিৰ আন এটা কাৰণ। দুৰ্ভাগ্যৰ বিষয় এনেকুৱা অনুষ্ঠান এবাৰ ফেইল হলে দুনাই মানুহৰ বিশ্বাস পাবলৈ বহুত পলম লাগে।

৭১। সমবায় ঋণ আৰু বিক্ৰি সমিতি (Co-operative

সাধাৰণ সমিতিত বস্তু বেচা কামটো লগলগাই লৈ এই প্ৰকাৰৰ সমিতি পতা হয়। বঙ্গদেশ, পাঞ্জাব ব্ৰহ্মদেশ আদি প্ৰদেশত মাছ মৰা আৰু কাপোৰ বোৱা ব্যৱসায় কৰা মানুহৰ মাজত এনেকুৱা সমিতি কিছুমান হৈছে। সমিতিয়ে

Credit and Sale Society)

মাছমৰা জাল, কাপোৰ বোৱা সূতা, শাল আদি কিনিবলৈ টকা দি সহায় কৰে আৰু পিছত তেওঁলোকে উৎপন্ন বস্তু গোট খুৱাই যি ঠাইত ভাল দাম পোৱা যায় তাত বিক্রি কৰিবৰ বন্দবস্ত কৰে। ঠাই অনুসৰি সীমাবদ্ধ আৰু অসীমাবদ্ধ দুয়োটা প্রণালীকে এনেকুৱা সমিতিত খটোৱা হয়।

৭২। বিক্রি সমবায় সমিতি Co-operative Sub Society)

বোম্বাই, মাদ্রাজ, পাঞ্জাব, ব্রহ্মদেশ আদিত খেতিয়ক সকলে উৎপন্ন কৰা বস্তু বিক্রি কৰিবৰ নিমিত্তে কিছুমান সমিতি পতা হৈছে। যুক্ত প্রদেশৰ গাখীৰৰ সমবায় সমিতি (Co-operative Dairy and Ghee Society) বোৰৰ কাম খুব ভাল দৰে চলিছে। বোম্বাইৰ তুলা বিক্রি কৰা সমিতি বিলাকৰ পৰা বছৰি প্রায় এক কোটিমান টকাৰ তুলা বিক্রি হয়।

এই বিলাক সমিতিৰ দায়িত্ব প্রায় সীমাবদ্ধ আৰু এই বোৰত অংশ বিক্রি কৰা হয়। মালবস্তু বিক্রি কৰি দিয়া বাবে সমিতিয়ে সভ্যসকলৰ পৰা কমিচন লয়। যি লাভ পোৱা হয় তাৰে কিছু অংশ বিজার্ভ ফণ্ডত বাখি বাকী খিনি ভগাই দিয়া হয়।

৭৩। বস্তু কিনা আৰু বিক্রি কৰা সমিতি (Co-operative purchase and Sale Society.)

চহৰৰ মানুহে যিমান পৰিমাণে বস্তু কিনে, গাঁৱলীয়া খেতিয়ক সকলে নিকিনে। গাঁৱলীয়া খেতিয়ক সকলৰ বাবে বিক্রি সমবায়ৰ হে বেছি দৰকাৰ। চাউল, তৰকাৰী খৰি আদিবস্তু গাঁৱৰ মানুহে নিকিনা কৈয়ে যোগাৰ কৰিলব পাৰে। চহৰৰ মানুহৰ বাবে বস্তু কিনা সমিতিৰ (Purchase Society) আৱশ্যক বেছি, কিন্তু খেতিয়কৰ বাবে বস্তু বিক্রি কৰা সমিতিৰ হে আৱশ্যক বেছি বুলিব পাৰি।

আজি কালি ঠায়ে ঠায়ে এটা নতুন ধৰণে খেতি কৰাৰ চেষ্টা দেখা গৈছে। একেজন খেতিয়কে লাগতীয়াল কেৰা-বিধো

বস্তুৰ বাবে অলপ অলপ কৈ খেতি নকৰি অকল মৰাপাট বা অকল কুঁহিয়াৰ, সৰিয়হ আদি উৎপন্ন কৰিব পাৰে। অবশ্যে ইয়াৰ বাবে জমিৰ সুবিধা লাগে। এনেকুৱা খেতিক Commercial farming বোলা হয়। এই প্ৰকাৰ খেতি য'ত হয় তাত কিনা বেচা হুয়ো প্ৰকাৰ কামৰ বাবে সমিতি পাতিব পৰা যায়। আৰু মাজতে লাভ খোৱা মানুহ (middle man) বিলাকৰ হাত সাৰিব পৰা যায়।

অসমত বাহিৰে আন আন প্ৰদেশত এনেকুৱা সমিতি বহুত হৈছে। কিছুমান সমিতিয়ে কমিচন লৈ সভ্যসকলৰ উৎপন্ন বস্তু বেছি দিয়ে। এই বিলাকক Co-operative Commission shop বোলে।

উপযুক্ত মেনেজাৰৰ অভাবত বা সভ্যসকলৰ অৱহেলাৰ বাবে নাইনা অসৎ কৰ্ম্মচাৰীৰ হাতত পৰি এনেকুৱা সমিতিত সহজে গোলমাল লাগিব পাৰে। বহুত ঠাইত এই বিলাক দোষৰ বাবে সমিতি ধ্বংস হৈছে।

৭৪। সমবায় উৎপন্ন সমিতি (Co-operative Production).

আজিকালি কল কাৰখানাৰ বস্তুৱা আৰু আগৰ ধৰুৱা শিল্প (Cottage industry) চৰ্চ্চা কৰা মানুহৰ মাজত বহুত প্ৰভেদ দেখা যায়। নিজৰ বুদ্ধি আৰু আদৰ্শ অনুসৰি কাম কৰিবলৈ নেপালে পৰিশ্ৰমত আনন্দ নাথাকে। স্বাধীন ভাবে কাম কৰাৰ পৰা যি শিল্প নিপুণতা আৰু মনৰ সুখ আহিব পাৰে, কল কাৰখানাৰ বন্ধা নিয়মত কাম কৰাৰ পৰা সেইটো হোৱা অসম্ভব। আগৰ দিনৰ কমাৰ, কুমাৰ, তাঁতি আদিয়ে স্বাধীন ভাবে জীবিকা আৰ্জ্জনৰ যি সুখ আৰু গৌৰব অনুভৱ কৰিব পাৰিছিল তাৰ সোৱাদ পোৱাটো কল কাৰখানাত চাকৰি কৰা মানুহৰ ভাগ্যত নঘটে। বস্তুৱা সকলে নিজৰ ভৰিৰ ওপৰত নিজে ঠিয় দি বস্তু

উৎপন্ন করিব পরা হলে সমাজত এটা মহৎ পরিবর্ত্তন আহিব পারে। সমবায় প্রণালীর পরা এই সম্বন্ধে কিছু উপকার পোরা হব বুলি আশা করিব পারি। অর্থনৈতিক জগতর উৎপন্ন (Production বিভাগ (Distribution) আরু ব্যবহার (Consumption) এই তিনিটা কথার ভিতরত উৎপন্নর বিষয়ত সমবায় প্রণালী খটোরা আটাইতকৈ টান। সমবায় প্রণালীরে বস্তু উৎপন্ন করিব পারিলে আজিকালির ধনীসম্প্রদায়র প্রভাব ইমান বেছি পরিমাণে থাকিব নোরারে।

বস্তু উৎপন্নর অর্থে পতা সমিতিত এটা নিরূপিত সীমার ভিতরত বাস করা আরু ব্যবসায় করা মানুহক সভ্য করি লোরা হয়। সভ্যসকলে নিজ ঘরত কাম করি আনি সমিতির পরা দরমহা পায় আরু তেতিয়া তেওঁলোকে করা সকলো খিনি বস্তু সমিতির হয় গৈ। যি লাভ পোরা হয় তারেপরা শিল্পর সজুলিবোরর যি হানি (wear and tear) হৈছে তার সংস্কারর বাবে প্রথমতে টকা কাটি রখা হয়। বাকী লাভর টকার এটা অংশ রিজার্ভ ফণ্ডত রখা হয়। মুঠতে লাভর টকার শতকরা ২০্ টকা মান হে সভ্য সকলক ভগাই দিয়া হয় আরু কিছু অংশ সভার বাহিরা অথচ সমিতিত সম্পর্ক থকা মানুহক দরমহার অনুপাতে বঁটা দিয়া হয়। বাকী টকারে সমিতিত কাম করা সকলো মানুহর নিমিত্তে এটা প্রভিডেণ্ট্ ফণ্ড খোলা হয়।

উৎপন্ন সমিতি নানাবিধর হব পারে। ভারতবর্ষত এনেকুরা সমিতি যি হৈছে তার ভিতরত করাচির লোণ চালান দিয়া সমিতি (Salt transport Co-operative Society), বোম্বাইর বরোচ জিলাত বাট বান্ধিবর বাবে

পতা সমিতি (Road Construction Co-operative Society), কাঁহ পিতলৰ বাচন তৈয়াৰ কৰা সমিতি (Sahakari foundry and Metal development Society), মাদ্রাজৰ সমবায় ছপাখানা, বিহাৰৰ ঘৰুৱা শিল্প সমবায় (Home Industries Association), ব্রহ্মদেশৰ নদীত বাঁধ বন্ধা সমিতি (Embankment Society), বঙ্গদেশৰ খেতিত পানী দিয়া সমিতি (Irrigation Society) আদি উল্লেখ যোগ্য।

১৫। শ্রমিকৰ সমবায় (Labour Society).

সাধাৰণ উৎপন্ন সমিতি আৰু শ্রমিকৰ সমিতিৰ মাজত প্রভেদ এই যে উৎপন্ন সমিতিত কোনো বিশেষ শিল্প জনা মানুহে নিজ নিজ সজুলি লৈ কাম কৰে। শ্রমিক সমিতিৰ সভাসকল ইযাতকৈ তল খাপৰ। এওঁলোকৰ নিজা একো সজুলি নাই, আছে মাথোন কাম কৰিবলৈ হাত দুখন। এই শ্রেণীৰ বন্ধুবা সকলৰ মাজত সমবায় সমিতি হলে এওঁলোকৰ আৰ্থিক উন্নতিৰ লগে লগে নৈতিক উন্নতিও হব পাৰে। এই শ্রেণীৰ মানুহৰ মাজত সমবায় সমিতি যিমানে হয় সিমানে দেশৰ মঙ্গল।

১৬। উৎপন্ন আৰু বিক্রি সমবায় (Production and Sale Society).

কিছুমান সমিতিত উৎপন্ন আৰু বিক্রি দুয়োটা কাম একেলগে কৰা হয়। মুঠতে দেখা গৈছে যে সমবায় প্রণালী ভাল দৰে বুজি উঠিলে তাক অলেখ প্রকাৰে কামত খটাব পৰা যায়।

আজি কালিৰ ডাঙৰ ডাঙৰ চহৰবোৰত কুলি বন্ধুৱা আদি শ্রেণীৰ মানুহ থাকিবলৈ উপযুক্ত ঘৰ নাই। চহৰত নানা প্রকাৰ কল কাৰখানা ওলোৱাৰ লগে লগে বেল জাহাজেৰে অহা যোৱা কৰাৰ সুবিধা হৈ পৰাত আৰু

১৭। ঘৰ সজা সমিতি (Co-operative Housing Society).

চহৰৰ নানা ডৱহৰ আকৰ্ষণ আহি পৰাত, কত ৰকম মানুহে যে চহৰত বাস কৰা হৈছে আহি তাৰ লেখ জোখ নাই। কলিকাতা, বোম্বাই, কানপুৰ, আহমদাবাদ আদি ঠাইত লোকসংখ্যা যে কি দৰে বাঢ়িব লাগিছে তাক ভাবিলে বিচুৰ্ত্তি হব লাগে। এনেকুৱা ডাঙৰ নগৰ বিলাকত প্ৰায় ৫।৬ বৰ্গমাইলৰ ভিতৰতে একোখন প্ৰদেশৰ পৰিমাণে মানুহ বাস কৰে। চহৰৰ কুলি আৰু নিম্ন শ্ৰেণীৰ মানুহৰ বস্তি-বোৰলৈ চালে দেখা যায় মুঠ লোকসংখ্যাৰ প্ৰায় শতকৰা ৮০ ভাগ মানুহ চহৰৰ প্ৰায় দহ ভাগৰ এভাগ মান ঠাইতে বাস কৰে। এই মানুহবোৰ কি দৰে অলপীয়া ঠাইতে জুম বান্ধি থাকে তাক অসমৰ গাঁৱঁত আহল বহল ঠাইত বাস কৰা মানুহে মনত কল্পনাও কৰিব নোৱাৰে। এই বিলাক নগৰত বস্তি (bustee) বা চৌল (chawl) নামে কুলি থকা কেতেবোৰ ঠাই আছে, তাত অলেখ মানুহ পকৱাৰ দৰে জুম বান্ধি থাকে। একেটা কোঁঠালিতে গিৰিয়েক ঘৈনীয়েক, পুতেক বোৱাৰীয়েক, লৰাছোৱালী, ছাগলী, হাঁহ, মুৰগী, ফটা কানি, জাৱৰ, ভেকুলি, বাদুলি আদি আটাইবোৰে থাঁচ খাই থাকে। ঠাইৰ অভাৱত কেতিয়াবা অকন অকন লৰাছোৱালীক ঘৰৰ মুখৰ পৰা জৰিবে পাচিত ওলোমাই থৱ লগীয়া হয়। এই দৰে থাকিলে মানুহৰ শাৰীৰিক অবনতিৰ তো কথাই নাই মানসিক আৰু নৈতিক অবনতিও ঘটে। বেমাৰ ব্যভিচাৰ আদিৰ ফলত এইবোৰ মানুহ লাহে লাহে মানুহ গুছি জন্তুৰ শ্ৰেণীত পৰে গৈ। মৃত্যু-সংখ্যা এইবোৰ ঠাইত বৰ বেছি। প্লেগ, বসন্ত, কলেৰা যক্ষ্মা আদি মহামাৰি এইবোৰ ঠাইত সকলোতকৈ আগেয়ে দেখা দিয়ে।

কুলি, বস্তুৱা শ্রেণীৰ মানুহৰ কথা এৰি দি মজলীয়া তৰপৰ মানুহৰ কালে চালেও দেখা যায় যে তেওঁলোক চহৰত থকা লাহে লাহে অসম্ভৱ হৈ আহিছে। ঘৰভাৰা দিনক দিনে চৰি গৈছে আৰু মানুহৰ জোখাৰে থাকিবৰ উপযুক্ত ঘৰ নাই। স্বাস্থ্যকৰ নে অস্বাস্থ্যকৰ সেইটো ভাবিবলৈ বহুত সময়ত সুবিধা নাথাকে, কোনো প্ৰকাৰে মূৰ সোমাব পাৰিলেই হয়।

থকাঘৰ সাজিবলৈ নানাপ্ৰকাৰৰ সমবায় সমিতি ওলাইছে। এইবোৰ সমিতিক কেতিয়াবা বিল্ডিং চোচাইটি (Building Society) আৰু কেতিয়াবা হাউচিং চোচাইটি (Housing Society) বোলা হয়। এই সমিতি তিনি প্ৰকাৰৰ হয়, যেনে (১) কিছুমান সমিতিত সভ্য সকলে লগ হৈ ঘৰ সাজি শেষত বিক্ৰি কৰে। ইউৰোপত এনেকুৱা সমিতি বহুত হৈছে। আমাৰ দেশত এনেকুৱা সমিতিৰ সংখ্যা নিচেই কম।

(২) কিছুমান সমিতিয়ে সভ্যসকলক ঘৰ সাজিবলৈ টকা ধাৰে দিয়ে। এই প্ৰকাৰ সমিতিৰ কাৰ্য্যপ্ৰণালী অঋণ সমিতিৰ নিচিনা। বোম্বাই, ব্ৰহ্মা, পাঞ্জাব আদি ঠাইত এনেকুৱা সমিতি বহুত হৈছে।

(৩) কেতবোৰ সমিতিয়ে মাটি আৰু ঘৰ যোগাৰ কৰি লৈ এটা নিৰ্দ্দিষ্ট সময়ৰ বাবে সভ্যসকলক বন্দবস্ত কৰি দিয়ে। বোম্বাই আৰু মাদ্ৰাজত এনেকুৱা সমিতি দুই এটা হৈছে।

আমাৰ দেশৰ খেতিৰ প্ৰধান অবলম্বন হৈছে গৰু, ম'হ। ইউৰোপ, আমেৰিকাত যন্ত্ৰৰ সহায়েও মাটি চহ কৰা হয়, কিন্তু আমাৰ দেশত গৰু ম'হেই প্ৰধান সম্বল। ৭৮। আমাৰ দেশৰ গৰু ম'হৰ অৱস্থা।

গৰু ম'হৰ আৱশ্যক খেতিৰ বাবে যিমান গাখীৰৰ বাবেও তাতৈ কম নহয়। গাখীৰ ঘিউ মাখন আদি ভাৰতবাসীৰ আটাইবোৰ প্ৰধান খাদ্যকে গৰু ম'হৰ পৰা পোৱা যায়।

ভাৰতবৰ্ষৰ গৰু ম'হৰ সংখ্যা গোটেই পৃথিৱীৰ প্ৰায় তিনি ভাগৰ এভাগ হব। ইমান সংখ্যক গৰু ম'হ পৃথিবীৰ আন কোনো দেশতে নাই। ভাৰতবৰ্ষত এজনী গাইৰপৰা দৈনিক আয় এক ছটাকৰো কম হয়, কিন্তু আমেৰিকা অষ্ট্ৰেলিয়া, ইংলণ্ড আদি দেশত প্ৰত্যেকটো গাইৰপৰা দৈনিক আয় হয় প্ৰায় এক সেৰ। ইয়াৰ কাৰণ হৈছে এই যে আমাৰ দেশত যিমান গৰু ম'হ আছে তাৰ প্ৰায় চাৰিভাগৰ তিনিভাগ অকামিলা আৰু সেইবোৰে লেখত অকল সংখ্যা হে বৃদ্ধি কৰিছে কিন্তু কামত একো কৰিব পৰা নাই। ভাৰতবৰ্ষত বৰ্ত্তমান অৱস্থাতে বছৰি প্ৰায় ৬০ কোটি মোণ গাখীৰ উৎপন্ন হয় আৰু ইয়াৰ দাম প্ৰায় ৩০০ কোটি টকা বুলি ধৰিব পাৰি। আমাৰ দেশৰ গৰু ম'হৰ উন্নতি কৰিব পাৰিলে অকল গাখীৰৰ পৰাই গোটেই দেশৰ বাৎসৰিক উৎপন্ন (National dividend) অন্ততঃ ১০০০ কোটি টকা বৃদ্ধি কৰিব পাৰি।

সুতৰাং আমাৰ দেশত গৰু ম'হৰ বিশেষ যত্ন লোৱাৰ কিমান আৱশ্যক আৰু এইদৰে যত্ন লোৱৰ পৰা কিমান লাভ হব পাৰে তাক কোৱা বাহুল্য মাথোন।

আমাৰ দেশত ভাল জাতৰ ষাঁড়ৰ সংখ্যা নিচেই কম। ইউৰোপ আমেৰিকাত ভাল জাতৰ গৰুৰ জন্ম বৃত্তান্ত (pedigree) স্থিৰ কৰি থোৱা হয় আৰু গৰু ম'হৰো জীবন বীমা কৰা হয়। আমাৰ দেশত এই ধিলাক কথাৰ এতিয়াও একো সূত্ৰপাতেই হোৱা নাই। ভাৰতবৰ্ষত খেতিৰ

বাবে আবাদ হোৱা সমুদায় জমিৰ এশভাগৰ চাৰিভাগত হে গৰুৰ ঘাঁহৰ বাবে খেতি কৰা হয় কিন্তু ইংলণ্ডত গৰুৰ ঘাঁহৰ বাবে খেতি কৰা মাটিৰ সংখ্যা শতকৰা ২৫ ভাগ।

আমাৰ দেশত গৰু ম'হৰ উন্নতিৰ বাবে যি দুই এটা সমবায় সমিতি হৈছে তলত তাৰ উল্লেখ কৰা হ'ল।

৭৯। গৰু পোহা সমিতি (Cattle Breeding Society)

এই বিলাক সমিতিয়ে গৰু ম'হৰ উন্নতিৰ বাবে ভাল খাদ্যৰ আৰু ভাল জাতৰ ষাঁড়ৰ যোগাৰ কৰে। বম্বে, পাঞ্জাব, আজমিৰ মাৰৱাৰ আদি প্ৰদেশত এনেকুৱা সমিতি কিছুমান হৈছে। সভ্য সকলে গৰু ম'হৰ ডাক্তৰৰ পৰামৰ্শ অনুসৰি চলিব লাগে। যি মানুহৰ গৰু ছাগলী ভাল নহয় তেওঁক সমিতিৰ সভ্য পতা নহয়। সমিতিয়ে গৰু ম'হ চৰিবৰ নিমিত্তে নিজাকৈ ঠাই ৰাখে। তাত সকলো সভ্যৰে গৰু চৰোৱা হয় আৰু তালৈ বাহিৰা গৰু আহিব দিয়া নহয়। সমিতিয়ে দৰমহা দি নিজা গৰখীয়া ৰাখে। ষাঁড় গৰু ৰাখিবৰ নিমিত্তে বেলেগ ঠাই ৰাখে আৰু ৫।৬ বছৰ পিছত ষাঁড়বোৰ বদলোৱা হয়। এনেকুৱা সমিতিৰ কিছুমানৰ দায়িত্ব সীমাবদ্ধ আৰু কিছুমানৰ অসীমাবদ্ধ। লাভৰ সকলো টকা ৰিজাৰ্ভ ফণ্ডলৈ নিয়া হয়।

৮০। গৰু ম'হ বীমাকৰা সমিতি (Cattle Insurance Society)

গৰু ম'হ পোহা সমিতি বিলাকক কৃতকাৰ্য্য কৰিবলৈ হলে গৰু ম'হ বীমা কৰা, সমিতিবোৰ আৱশ্যক। বীমা সমিতিয়ে গৰু ম'হৰ বেমাৰ হৈ নাইবা কোনো দুৰ্ঘটনা হৈ মৰিলে, তাৰ বাবে ক্ষতিপূৰণ দিয়াৰ বন্দবস্ত কৰে। পাঞ্জাবত ঘোঁৰা বীমা কৰিবলৈও এবাৰ সমিতি পতা হৈছিল কিন্তু সি ভালদৰে নচলিল। সভ্যসকলৰপৰা বীমা কৰা গৰু ম'হৰ বাবে প্ৰিমিয়ম আদায় কৰা হয় আৰু মৰিলে অৱস্থা অনুসৰি $\frac{৩}{৪}$ অংশৰ পৰা আধা খিনিলৈকে দাম দিবৰ

স্বীকাৰ কৰা হয়। প্ৰিমিয়মৰ টকা এটা নিৰ্দ্দিষ্ট সময়ত আদায় নিদিলে পলিচি লোপ পাব পাৰে। বেমাৰ হোৱা মাত্ৰেই গৰু ম'হৰ গৰাকীয়ে সমিতিক জনাব লাগে আৰু সমিতিৰ উপদেশ অনুসাৰে চিকিৎসা কৰিব লাগে। গৰু মৰিলে এদিনৰ ভিতৰতে সমিতিৰ চেক্ৰেটৰীয়ে জানিব পাব লাগে। মূল্য নিৰ্দ্ধাৰিত কৰা কমিটিয়ে শটো দেখি আহি চাৰ্টিফিকেট দিলে হে টকা দিয়া হয়। চামৰা বিক্ৰি কৰি যি টকা পোৱা যাব পাৰে তাক সমিতিয়ে দিবলগীয়া টকাৰ পৰা কাটি ৰাখে।

ভাৰতবৰ্ষৰ নিচিনা কৃষি প্ৰধান দেশত গৰু ম'হ বীমা কৰা সমিতি যিমান হোৱা উচিত তাৰ এশ ভাগৰো এভাগ হোৱা নাই। মাথোন ব্ৰহ্মদেশত কিছু পৰিমাণে এনেকুৱা সমিতি হৈছে। আন আন প্ৰদেশত এনেকুৱা সমিতিৰ বাবে চেষ্টা অতি সামান্য পৰিমাণেহে হৈছে।

৮১। খেতিৰ জমি সংগঠন কৰা সমিতি Society for consoli--dation of holding)

খেতিয়কৰ জমি একে ঠাইতে নহৈ বেলেগ বেলেগ ঠাইত সিচঁৰতি হৈ থকাৰ পৰা বহুত অসুবিধা ঘটে। আৰু জমিৰ উন্নতি কৰাতো অসুবিধা হয়। এজন খেতিয়কৰ বাবে উপযুক্ত পৰিমাণ জমিক একোটা "Economic holding" বোলা হয়। জমি উপযুক্ত পৰিমাণৰ হলেহে খেতিৰ উন্নতিৰ উপায় বিলাক কামত খটাব পৰা যায়।

জমি সংগঠন সমিতিত সভ্যসকলে সমিতিৰ সিদ্ধান্ত অনুসাৰে চলিবলৈ মান্তি আছে বুলি কথা দিব লাগে। সমিতিৰ চাবিভাগৰ তিনিভাগ সভ্যই যি মীমাংসা কৰে তাক আটায়ে মানি লব লাগে। কোনো সভ্যৰ বিশেষ আপত্তি থাকিলে তাৰ বিচাৰৰ নিমিত্তে সমিতিত গোচৰ জনাব পাৰে। সমিতিৰ নিৰ্দ্দেশ অনুসৰি কিছুদিনৰ বাবে

ফন্দবস্ত কৰা ভমি যদি কোনো সভ্যই স্থায়ী কবি লব খোজে সমিতিয়ে তাৰ উপায় দিব লাগে। এই প্রণালী পাঞ্জাবত বেছি পবিমাণে সফল হৈছে। তাত নতুনকৈ খাল খানি পানী অনাই যিবিলাক জমি উদ্ধাৰ কৰা হৈছে সেই বিলাকত সুশৃঙ্খলকৈ খেতিয়ক বহুৱা হৈছে। অসমতো চন মাটি নতুন খেতিয়কে আহি আবাদ কৰোঁতে সুশৃঙ্খল ভাবে মানুহ বহুৱাব পৰা গ'লহেঁতেন, কিন্তু ইয়াত আৰম্ভণিতে সেই প্রকাৰ যত্ন নহ'ল।

পাঞ্জাবত জমিৰ শৃঙ্খলা লগোৱা কামত প্রত্যেক একৰত ১৷৷০ টকাকৈ খৰচ হোৱা দেখা গৈছে।

৮২। খেতিৰ উন্নতিৰ অৰ্থে আন আন সমিতি।

খেতিৰ কেতবোৰ বিশেষ অসুবিধা দূৰ কৰিবৰ অৰ্থে পাঞ্জাবত পথাৰত বেৰ দিয়া সমিতি (Fencing Society) আৰু নদীত বান্ধ সজা সমিতি (Society for building of bunds) ঠায়ে ঠায়ে পতা হৈছে।

এই বিলাক কামত এটা প্রধান অসুবিধা এই যে গাওঁৰ দুই এটা গোলমলীয়া মানুহে সমিতিত যোগ নিদিয়া হৈ সকলোকে দিগ্‌দাৰিত পেলাব পাৰে। জমিৰ উন্নতিৰ অৰ্থে পতা সমিতিৰ কামত পথাৰৰ মাজত মাটি থকা দুই এজন টেঙৰ মানুহে ভাবিব পাৰে যে সিহঁতে সভ্য নহলেও এনেয়ে সাধাৰণ উপকাৰৰ ভাগ পাব। কেতিয়াবা আকৌ সিহঁততকৈ আনে বেছি উপকাৰ পাব বুলি ঈৰ্ষা-পৰবশ হৈ সমিতিত যোগ নিদিওঁ বুলি পাক পাতিব পাৰে। এই বিলাক মানুহৰ দিগ্‌দাৰি বন্ধ কৰিবৰ অৰ্থে সমিতিৰ চাৰি ভাগৰ তিনি ভাগ মানুহে যি নিষ্পত্তি কৰে বাকী মানুহকো তাত মাস্তি হবলৈ বাধ্য কৰা নিয়ম হৈছে।

এইটো মনত ৰখা উচিত যে বাধ্যতামূলক নীতি

সমবায়ৰ আদৰ্শৰ বিৰোধী। সমবায়ৰ বাবে মানুহৰ আন্তৰিক আগ্ৰহ নহলে বলেৰে তাক চলাব নোৱাৰি। সকলোৱে যাতে বাধ্যতামূলক নিয়ম নোহোৱাকৈয়ে একমত হৈ কাম কৰিব পাৰে তাৰ বাবে হে আটায়ে যত্ন কৰিব লাগে।

৮১। আন আন নানা তৰহৰ সমিতি।

ওপৰত উল্লেখ কৰা সমিতিত বাজেও আন আন নানা-প্ৰকাৰৰ সমিতি দেখা যায় :—

(১) মেলেৰিয়া দূৰ কৰা সমিতি (Anti Malarial Society)

(২) দুৰ্ভিক্ষ নিবাৰণ সমিতি (Co-operative Relief Society)

(৩) বাধ্যতামূলক শিক্ষাৰ সমিতি (Compulsory School Society)

(৪) মৰাপাটৰ সমিতি (Jute Control Society)

(৫) পল্লী সংগঠন সমিতি (Rural Reconstruction Society) ইত্যাদি। বাধ্যতামূলক শিক্ষাৰ সমিতি বিলাকত লৰাৰ অভিভাবক সকলে লৰাক পাঠশালাৰ শিক্ষা শেষ নোহোৱালৈকে পঢ়াবৰ অঙ্গীকাৰ কৰে আৰু ইয়াৰ অন্যথা হলে জৰিমানা দিব লাগে। লৰাছোৱালীয়ে যাতে স্কুললৈ নোযোৱাকৈ নেথাকে তাৰ বাবে সমিতিয়ে চেষ্টা কৰে। এইদৰে সমবায় বিভাগ আৰু শিক্ষা বিভাগ দুয়োবো যোগত শিক্ষাৰ উন্নতি হয়।

৮৪। মৰাপাটৰ সমিতি (Jute Control Co operation)

মৰাপাট ভাৰতৰ আন্তৰ্জাতিক বাণিজ্যৰ এটা প্ৰধান সম্পদ আৰু ই বঙ্গদেশ আৰু অসমৰ এটা প্ৰধান উৎপন্ন বস্তু। মৰাপাটৰ মূল্যৰ ওপৰত বঙ্গদেশ আৰু অসমৰ অলেখ খেতিয়কৰ অৱস্থা নিৰ্ভৰ কৰে। যোৱা মহাযুদ্ধৰ

সময়ত কিছুদিনলৈকে মৰাপাটৰ দাম অতিপাত চৰি গৈছিল। গোটেই পৃথিবীত যিমান খিনি মৰাপাট ব্যৱহাৰ হয় তাৰ শতকৰা ৯০ অংশ অকল বঙ্গদেশ আৰু অসমতে উৎপন্ন হয়। যোৱা মহাযুদ্ধৰ সময়ত ইয়াৰ দাম অত্যন্ত বৃদ্ধি হোৱাত বঙ্গদেশৰ খেতিয়ক সকলে কোটি কোটি টকা লাভ কৰিব পাৰিছিল। অলেখ খেতিয়কে আন খেতিৰ ফালে পিঠি দি অকল মৰাপাটৰ খেতিত লাগি গৈছিল। কিন্তু লাহে লাহে লাহে ইয়াৰ দাম কমি আহিবলৈ ধৰে। আনকি এক মোণৰ দাম ৩০৲ টকাৰ ঠাইত দুই তিনি টকাত পৰে গৈ। এই দামত লাভ তো নহয়েই বৰং খেতিৰ খৰচ খিনিও নুঠে গৈ। খেতিয়ক সকলে কিন্তু নানা কাৰণত মৰাপাটৰ খেতি এৰিবৰ নিমিত্তে সহজে ৰাজি নোহোৱাত অসংখ্য মৰাপাট গুদামত পৰি থাকে, ইপিনে আকৌ বছৰি বছৰি নতুনকৈ উৎপন্ন হোৱা মৰাপাট গুদামত জমিবলৈ ধৰে। ইয়াৰ বাবে মৰাপাটৰ খেতি কমাই দিয়া উচিত বুলি আটাযে স্থিৰ কৰে। আৰু দৰকাৰ হলে ইয়াৰ বাবে আইন পাচ কৰিবৰো কথা হয়।

বৰ্ত্তমান মহাযুদ্ধৰ ফলে মৰাপাটৰ দাম আকৌ বাঢ়িব যেন দেখা গৈছিল। দেশত মৰাপাটৰ খেতিৰ বাবে আকৌ আগৰ দৰে বিশৃঙ্খলতা আহিব পাৰে বুলি বঙ্গদেশত ইয়াৰ বাবে বিশেষ আইন কৰিবৰ কথা হৈছে। এই আইন মতে মৰাপাটৰ মূল্য, আৰু কি পৰিমাণে মৰাপাটৰ খেতি হব আৰু কি দাম হব তাক নির্দ্দেশ কৰি দিয়া হব।

মৰাপাটাৰ নিচিনা এটা বস্তুৰ উৎপন্ন আৰু বিক্রি সম্বন্ধে গৱৰ্ণমেণ্টে উদাসীন নীতি (laissez faire policy) লৈ থকা অনুচিত বুলি সকলোৱে বিশ্বাস হৈছে।

অবস্থে আইন কি প্রকাবব হব সেই সম্বন্ধে নানা মত হব পাবে।

মবাপাটব উৎপন্ন আৰু বিক্রিব বাবে সমবায় অসীম কার্য্যক্ষেত্র পবি আছে। ইয়াব বাবে বঙ্গদেশ আৰু অসমত ঠায়ে ঠায়ে সমবায় সমিতি পতাব আয়োজন চলিছে।

৮। গাওঁ সংগঠন সমিতি (Rural Reconstruction Society)

এনেকুৱা সমিতিব উদ্দেশ্য হৈছে গাওঁবিলাকব সকলো প্রকাৰে উন্নতি কবা। বর্ত্তমান সময়ত এনেকুৱা সমিতি নহলে দেশব উদ্ধাব নাই বুলি সকলোৱে বুজিব পাবিছে। ভাবতীয় বেঙ্ক তদন্ত কমিটিয়ে (Central Banking Enquiry Committee) এনেকুৱা সমিতিয়ে হাতত লব পবা কামব তলত লিখা দবে আভাস দিছিল—

(১) এই সমিতিয়ে সভ্যসকলব নৈতিক মানসিক আৰু শাৰীবিক উন্নতি, খেতিব গৰু ম'হব উন্নতি আৰু ঘৰুৱা শিল্পব উন্নতিব বাবে যত্ন কবিব লাগে।

(২) গাওঁব বাটপথ আদিব উন্নতি আৰু গাওঁত উৎপন্ন হোৱা বস্তু যাতে ভালদবে বিক্রি হয় তাব বাবে বন্দবস্ত কবিব লাগে।

(৩ সভ্যসকলব আৰু তেওঁলোকব লবাছোৱালীব সামাজিক জীৱনব যাতে উন্নতি হয় তাব বাবে শিক্ষা, উপাসনা আদিব বন্দবস্ত কবিব লাগে। জাতীয় মেল, সঙ্গীত, নাটক, ভাওনা আদি যাতে উন্নত ধৰণব হয় তাব বাবে চেষ্টা কবিব লাগে।

(৪) স্বাস্থ্য আৰু খাদ্য সম্পর্কে আৰু সংক্রামক বোগ বিলাকব সম্বন্ধে সাধাবণ জ্ঞান প্রচাব কবিব লাগে। ইয়াত বাজেও প্রসূতী আৰু শিশুব মঙ্গলব অর্থে ব্যৱস্থা কবিব লাগে।

(৫) গাৱঁৰ হাই কাজিয়া আদি মোকদ্দমা নোহোৱাকৈ মীমাংসা কৰিবৰ চেষ্টা কৰিব লাগে।

(৬) সভ্যসকল যাতে মিতব্যয়ী আৰু আত্মনির্ভৰশীল হয় আৰু বিপদৰ সময়ত পৰস্পৰে সহায় কৰে তাৰ বাবে চেষ্টা কৰিব লাগে।

ভাৰতীয় বেঙ্কিং কমিটিৰ কেইজনমান সভ্যই যুক্ত-প্ৰদেশৰ লক্ষ্ণৌ নগৰৰ ওচৰৰ ধানৱাৰা (Dhonwara) নামে গাওঁৰ পল্লী সংগঠন সমিতিৰ কাম দেখি বৰ সন্তোষ প্ৰকাশ কৰিছিল। ওপৰত উল্লেখ কৰা প্ৰায় আটাই বিলাক উদ্দেশ্যই এইখন সমিতিত সফল হোৱা বুলি তেখেত সকলে লিখিছে। অসমতো এনেকুৱা দুই এটা সমিতি পতাৰ আয়োজন হৈছে, কিন্তু সেইবিলাক কিমান দূৰ কৃতকাৰ্য্য হয় এতিয়াও তাৰ একো নিশ্চয় হোৱা নাই।

৮৬। "গোসাবা"ত চাৰ ডেনিয়েল হেমিল্টনৰ সমবায় প্ৰণালী।

চাৰ ডেনিয়েল হেমিল্টনৰ নাম আজিকালি ভাৰতৰ সমবায় আন্দোলন সম্বন্ধে যেয়ে আলোচনা কৰে সেয়ে জানে। এওঁ স্কটলণ্ডৰ মানুহ, কিন্তু ভাৰতৰ সমবায় আন্দোলনৰ উন্নতিৰ অৰ্থে প্ৰাণপণে চেষ্টা কৰি তেওঁৰ জীৱনৰ শেষ কাল খিনি এখন আদৰ্শ সমবায় সমাজ স্থাপনৰ অৰ্থে উৎসৰ্গ কৰিছে। বিদেশৰ যি সকল মহাপ্ৰাণ কৰ্ম্মীয়ে ভাৰতৰ কোটি কোটি অসহায় প্ৰজাৰ উন্নতিৰ অৰ্থে কৰ্ম্মময় জীৱন উৎসৰ্গ কৰি ভাৰতবাসীৰ চিৰস্মৰণীয় হৈছে সেই সকলৰ মাজত চাৰ ডেনিয়েল হেমিল্টনৰো নাম থাকিব।

১৯০৪ চনত প্ৰথম ভাৰতীয় সমবায় আইন হোৱাৰে পৰা তেওঁ ভাৰতৰ সমবায় আন্দোলনৰ উন্নতিৰ অৰ্থে মনোযোগ দিয়ে। শেষত তেওঁ আগেয়ে মানুহৰ বসতি

নথকা ঠাইত নতুনকৈ মানুহ বহুৱাই কিছুমান আদর্শ সমবায় সমিতি স্থাপন কৰি এখন নতুন ধৰণৰ সমাজ সৃষ্টি কৰিবলৈ অসম সাহসেৰে কামত হাত দিয়ে।

১৯০৭ চনত এওঁ বঙ্গদেশৰ গবর্ণমেণ্টৰ পৰা সুন্দৰ বনৰ অটব্য হাবিৰ মাজত গোসাবা নামে ঠাইত প্রায় ৭২০০০ বিঘা জমি ৪০ বছৰৰ কাৰণে বন্দবস্ত কৰি লয়। এই ঠাই খিনি চাবিটা দ্বীপত বিভক্ত আৰু তাত তেওঁ প্রায় ৫০০০০ বিঘা জমি খেতিৰ উপযোগী কৰি তাত কুৰিখনমান গাওঁ স্থাপন কৰে। ধাৰৰ বাবে দুর্দ্দশাত পৰা ওচৰৰ কেবাখন জিলাৰ মানুহ গৈ এই গাওঁ বিলাকত বসতি কৰিছে। এইবিলাক মানুহে আগেয়ে ধাৰৰ টকাৰ বাবে শতকৰা ৫০্ টকাৰ পৰা ১৫০্ টকালৈ সুত দিব লাগিছিল। পিছত তেওঁলোকক শতকৰা ১২্ টকা সুততে টকা দি আগৰ ধাৰ শোধ কৰিবলৈ সহায় কৰা হয়।

এইদৰে অহা মানুহ খিনিক কেইটামান দলত ভাগ কৰি চাৰ ডেনিয়েলে এক এক দল মানুহক এখন গাওঁ পাতিৰ দিয়ে আৰু প্রতি গাওঁতে একোটাকৈ সমবায় সমিতি পাতে। প্রতি গাওঁতে পঞ্চায়তৰ দ্বাৰাই সকলো বিবাদৰ মীমাংসা কৰোৱা হয় আৰু কেন্দ্রীয় পঞ্চায়তে যি বায় দিয়ে তাকেই শেষ সিদ্ধান্ত বুলি লোৱা হয়। এই গাওঁ বিলাকত সমবায় সমিতিৰ পৰাই ধান বনা কল অনা হৈছে আৰু প্রত্যেক গাওঁতে সমবায় ভঁৰাল (Co-operative Store) আৰু বস্তু বিক্রি কৰা সমিতি (Co-operative Sale Society) পতা হৈছে। এই গাওঁ বিলাকত কোনোপ্রকাৰ মাদক বস্তুৰ দোকান নাই। ইয়াৰ ফলে যি সকল মানুহৰ আগেয়ে অত্যন্ত দুৰবস্থা আছিল সেই সকল

মানুহৰ প্ৰাণত নতুন আশাৰ সঞ্চাৰ হৈছে আৰু লাহে লাহে আত্মনিৰ্ভৰশীল হবলৈ শিকিছে।

চাৰ ডেনিয়েল হেমিল্টনে তেওঁৰ সমবায় উপনিবেশত প্ৰচলন কৰা কেইটামান কথা বিশেষকৈ উল্লেখ কৰিব-লগীয়া। তেওঁৰ এলাকাৰ ভিতৰত নিজাকৈ এবিধ এটকীয়া নোট চলাইছে। ই চৰকাৰী নোট্‌তকৈ বেলেগ। এই নোট গোসাৰাত সকলো প্ৰকাৰ লেন-দেনৰ কামত চলাব পৰা যায়। গৱৰ্ণমেণ্টেও গোসাৰাৰ এলাকাত এনেকুৱা নোট চলাবলৈ অনুমতি দিছে। গোসাৰাত সমবায় অনুষ্ঠানৰ ওপৰত মানুহৰ যে কিমান বিশ্বাস হৈছে তাক ইয়াৰ পৰাই সহজে বুজিব পাৰি।

১৯৩৪ চনৰ পৰা মজলীয়া অৱস্থাৰ ভদ্ৰলোকৰ লৰা বিলাকক জীবিকাৰ উপায় শিকাবৰ নিমিত্তে ইয়াত এখন গাওঁ সংগঠন শিক্ষালয় খোলা হৈছে। তাত দুবছৰৰ নিমিত্তে কৃষি কাম, কাপোৰ বোৱা কাম আৰু সমবায় সংগঠনৰ কাম শিকোৱা হয়। দুবছৰ শিক্ষা হৈ উঠাৰ পিছত ছাতৰ বিলাকক স্বাধীন জীবিকা আৰ্জনত পাৰ্গত বুলি এখন চাৰ্টিফিকেট দিয়া হয়। ইয়াক I. L. A (Art of Independent Livelihood) চাৰ্টিফিকেট বোলা হয়।

চাৰ ডেনিয়েলে যে এই বিলাক কামত বাধা পোৱা নাই এনে নহয়। তেওঁৰ উপনিবেশত মানুহে উন্নতি কৰা দেখি মাজে সময়ে চোৰ ডকাইতে উৎপাত লগাই আছে। ধানৰ পথাৰত জুই লগাই দিয়া আৰু ধানৰ ভঁৰাল লুটপাত হোৱা ঘটনা কেইবা বাৰো হৈছে। আন একদল মানুহে চাৰ ডেনিয়েলৰ কিবা বেয়া মতলব আছে বুলি পৰামৰ্শ দি তাৰ মানুহক দিগ্‌দাবি কৰিবলৈ কুচুলাইছে। আমাৰ

কথাতে কয় যে য'তে কোনো এটা যজ্ঞৰ অনুষ্ঠান হয় তাৰে বিঘ্নি জন্মাবৰ নিমিত্তে অপদেবতা সকলে লৰ দিয়ে। চাৰ ডেনিয়েল একান্ত আদর্শবাদী মানুহ গতিকে হে এনেকুৱা বাধা বিপত্তিৰ বিৰুদ্ধে ইমান দিন টিকি থাকিব পাৰিছে। কোনো কোনো চালাক আৰু বিষয় বুদ্ধি সম্পন্ন মানুহে তেওঁৰ অতিপাত্ত আদর্শবাদিতাৰ বাবে তেওঁৰ মাথা খাৰাব বুলিও মত প্রকাশ কৰিছে।

৮৭। গোসাবাৰ বাহিৰে আন আন ঠাইৰ অনুষ্ঠান

পাঞ্জাব গবর্ণমেণ্টৰ তত্ত্বাবধানত কলেজিয়ান ওৱালা চক (Collegian walla Chak) নামে এটা কৃষি উপনিবেশ পাতিবলৈ কিছুমান দিনৰ পৰা চেষ্টা চলিছে। তাত এডোখৰ ঠাইত গৈ প্রায় ৪০ জন মান কলেজিয়ানে (Collegian) নিজ হাতে কাম কৰি সেই ঠাইত উন্নতি কৰিবৰ নিমিত্তে চেষ্টা কৰিছে। ১৯৩৮ চনত এই উপনিবেশত নিযুক্ত হোৱা প্রত্যেক মানুহে গড়ে মাহে ৩৫৲ টকা কৈ আয় কৰা দেখা গৈছে। যিবিলাক মানুহে বেছি পৰিশ্রম কৰিব পাৰে তেওঁলোকক বেছি কৈ জমি দিয়া হয়। এই অঞ্চলৰ বাটপথ আৰু খোৱা পানীৰ উন্নতি কৰিবৰ নিমিত্তে পাঞ্জাব গবর্ণমেণ্টৰ ইঞ্জিনিয়াৰিং আৰু স্বাস্থ্য বিভাগে সাহায্য কৰিবলৈ প্রতিশ্রুতি দিছে। এতিয়া উপনিবেশৰ আয়েৰে এটা ডাঙৰ স্কুল ঘৰ আৰু এটা ক্লাব ঘৰ সজাৰ আয়োজন চলিছে। মুঠতে এনেকুৱা অনুষ্ঠানৰ পৰা নিজৰ উন্নতি, দেশৰ উন্নতি আৰু নিবনুৱা সমস্যাৰ প্রতিকাৰ এই তিনিওটা কাম হব বুলি আশা কৰিব পাৰি।

কলিকাতা বিশ্ববিদ্যালয়ৰ পৰাও এনে এখন উপনিবেশ পতাৰ আয়োজন হৈছে।

৮৮। অসমত এই প্রকাৰ অনুষ্ঠানৰ ঠাই আক আৱশ্যকতা

অসমত এতিয়াও বহুত চন মাটি পৰি আছে। ইপিনে অসমতো নিবনুৱা সমস্যাই শিক্ষিত ডেকা সকলৰ মাজত বিকট আকাৰে দেখা দিছে। সুতৰাং আন আন ঠাইত হোৱা এই বিলাক উপনিবেশৰ আৰ্হিৰে অসমতো উপনিবেশ পতা মুঠে অসম্ভৱ নহয় আক এনেকুৱা অনুষ্ঠানৰ যে একান্ত আৱশ্যক হৈ উঠিছে তাক কোৱা বাহুল্য মাথোন। অসমৰ দুই এজন কৰ্ম্মী মানুহে এই বিলাক কথাত বাট দেখুৱালে দেশৰ এটা মহৎ অভাব দূৰ হব আক প্ৰকৃত দেশ সেৱকৰ কাম কৰা হব। আমাৰ দেশৰ শিক্ষাৰ অনুষ্ঠান বিলাকেও চৰকাৰ আক বাইজৰ পৰা উদগনি পালে এনেকুৱা কামত সৰ্ব্বসাধাৰণক আগুৱাই নিবলৈ যত্ন কৰিব পাৰে। ভবিষ্যতে অসমত সুকীয়া বিশ্ববিদ্যালয় হলে সেই বিশ্ববিদ্যালয়ে এই কামত হাত দিয়া অৱশ্য কৰ্ত্তব্য হব। কলিকতা বিশ্ববিদ্যালয়ে এনেকুৱা কথাত মনোযোগ দিয়াৰ কথা আগতে উল্লেখ কৰা হৈছে।

৮ম অধ্যায়

কেন্দ্রীয় সমিতি

৮৯। কেন্দ্রীয় বেঙ্ক আৰু বেঙ্কিং ইউনিয়ন (Central Bank and Banking Union)

কেন্দ্রীয় সমিতি প্ৰাথমিক সমিতি বিলাকতকৈ ওপৰ থাপৰ আৰু ই প্ৰাথমিক সমিতি বিলাকৰ তত্ত্বাৱধান লয়। এখন জিলা বা মহকুমাৰ প্ৰাথমিক সমিতি বিলাক এটা কেন্দ্রীয় সমিতিত যুক্ত (affiliated) হৈ সভ্য শ্ৰেণী ভুক্ত হয়। কিছুদিনলৈকে চেণ্ট্ৰাল বেঙ্ক আৰু বেঙ্কিং ইউনিয়ন এই দুই বিধৰ মাজত অলপ পাৰ্থক্য আছে বুলি ধৰা হৈছিল। যি বিলাক কেন্দ্রীয় সমিতিৰ তলত প্ৰাথমিক সমিতি আৰু ব্যক্তি দুয়োকো সভ্য কৰি লোৱা হয় সেই বিলাকক কেন্দ্রীয় বেঙ্ক (Central Bank) বোলা হৈছিল। কিন্তু যিবিলাক কেন্দ্রীয় সমিতিয়ে অকল প্ৰাথমিক সমিতিক হে সভ্য কৰি লয় তাক বেঙ্কিং ইউনিয়ন বোলা হৈছিল। আজিকালি এই পাৰ্থক্যৰ প্ৰতি দৃষ্টি ৰখা নহয়।

৯০। ইউৰোপৰ আৰু আমাৰ দেশৰ কেন্দ্রীয় সমিতি

কেন্দ্রীয় সমিতি বিলাকৰ উদ্দেশ্যৰ কথা লিখোঁতে ইউৰোপ আৰু আমাৰ দেশৰ এই শ্ৰেণীৰ সমিতিৰ মাজত এটা প্ৰভেদ মন কৰিবলগীয়া। ইউৰোপৰ মানুহ অনেক বেছি পৰিমাণে শিক্ষিত আৰু তাৰ মানুহে সমবায় প্ৰণালী ভাল দৰে বুজে গতিকে প্ৰাথমিক সমিতি বিলাকে ওপৰৰ পৰা তত্ত্বাৱধান নহলেও নিজৰ কাম ভাল দৰে চলাব জানে। তাত কেন্দ্রীয় সমিতি বিলাকে মাথোন সাধাৰণ সমিতিৰ পৰা টকা জমা ৰাখে আৰু আৱশ্যক অনুসৰি টকা দি সহায় কৰে।

কিন্তু আমাৰ দেশত সাধাৰণ মানুহে সমবায় প্ৰণালী এতিয়াও ভালদৰে বুজি নুঠা বাবে কেন্দ্ৰীয় সমিতিয়ে আৰু চৰকাৰী কৰ্ম্মচাৰী সকলে নানাপ্ৰকাৰে প্ৰাথমিক সমিতি বিলাকৰ তত্ত্বাৱধান লবলগীয়া হয়।

৯১। কেন্দ্ৰীয় সমিতিৰ কাম।

ইউৰোপৰ জাৰ্ম্মেনি আদি দেশত প্ৰায়ে প্ৰাথমিক সমিতি বিলাক টনকিয়াল হৈ উঠাৰ পিছত হে কেন্দ্ৰীয় সমিতি বিলাক গঠিত হৈছে। আমাৰ দেশত কিন্তু অনেক সময়ত শিক্ষিত মানুহৰ মাজত চহৰত প্ৰথমতে একোটা কেন্দ্ৰীয় সমিতি গঠিত হৈ উঠাৰ পিছতহে সেই কেন্দ্ৰীয় সমিতিৰ তত্ত্বাৱধানত গাৱেঁ গাৱেঁ সাধাৰণ সমিতি পাতিব পৰা হৈছে। প্ৰাথমিক সমিতিবোৰে প্ৰথমে কাম আৰম্ভ কৰিবলৈ টকাৰ অভাৱত পৰিলে কেন্দ্ৰীয় সমিতিয়ে টকা দিয়ে আৰু প্ৰাথমিক সমিতিৰ হাতত উদ্বৃত্ত টকা থাকিলে সেই টকা কেন্দ্ৰীয় সমিতিত জমা ৰাখে। নুঠতে কেন্দ্ৰীয় সমিতিয়ে প্ৰাথমিক সমিতি বোৰক কাম শিকায়, সিহঁতৰ কামৰ তত্ত্বাৱধান কৰে আৰু কোনো কোনো ঠাইত সমিতিৰ হিচাব আদিও পৰীক্ষা কৰে।

৯২। কেন্দ্ৰীয় সমিতি চলোৱাৰ নিয়ম।

কেন্দ্ৰীয় সমিতিয়ে হোৱে প্ৰাথমিক সমিতি বিলাকৰ গুৰীয়াল। জিলাৰ সদৰ ঠাইত কেন্দ্ৰীয় সমিতি পতা হয়। সাধাৰণ সমিতি আৰু ব্যক্তি দুয়ো বিধেই ইয়াৰ সভ্য হব পাৰে। "প্ৰাথমিক সমিতি" আৰু "ব্যক্তি" এই দুই প্ৰকাৰ সভ্যৰ মাজত প্ৰাথমিক সমিতি বিলাকৰ বেছি পৰিমাণে প্ৰভাব থকা উচিত। ইয়াৰ ডাইৰেক্টৰৰ বোৰ্ডৰ সভা হবলৈ হিচাব পত্ৰ জনা মানুহ বাচি লোৱা উচিত। আমাৰ দেশৰ বেঙ্ক বিলাকৰ মাজত এই কেন্দ্ৰীয় সমিতি বিলাকে এটা প্ৰধান ঠাই অধিকাৰ কৰিছে।

কেন্দ্রীয় সমিতিৰ মূলধন তলত লিখা দৰে যোগাৰ হয়।

(১) অংশ বিক্রি কৰা টকা।

(২) সাধাৰণ সমিতি বোৰে বা বাহিৰা মানুহে ডিপোজিট ৰখা টকা।

(৩) প্রাদেশিক আৰু আন আন বেঙ্কৰ পৰা ধাৰ কৰা টকা।

(৪) সভ্যসকলৰ ভর্ত্তি ফিজ আদি।

(৫) গৱর্ণমেণ্টৰ পৰা আৰু অইন অইন শাখা সমিতিৰ পৰা পোৱা ৰৱঙ্গনি।

কেন্দ্রীয় সমিতিৰ মূলধন ওলায় ঘাইকৈ সাধাৰণ সমিতি আৰু আন আন মানুহৰ পৰা পোৱা ডিপোজিটৰ পৰা। ইয়াৰ অংশ বিলাকৰ দুটা শ্রেণী আছে যেনে সাধাৰণ চেয়াৰ (Ordinary share) আৰু প্রিফাৰেঞ্চ চেয়াৰ (Preference share) প্রিফাৰেঞ্চ চেয়াৰৰ বাবে এটা বেলেগ হাৰে ডিভিডেণ্ড হয়।

কেন্দ্রীয় সমিতি বিলাকৰ ঘাই কাম হৈছে তলতীয়া সমিতি বিলাকক টকা ধাৰে দি সহায় কৰা। বহুত সময়ত ধাৰে দিয়া টকা ফিৰাই পোৱা টান হয়। ফেইল হোৱা আৰু পূৰ্ব্বতে অসাবধানে পতা সমিতিৰ পৰা কেন্দ্রীয় সমিতিৰ অনেক সময়ত ক্ষতি হয়। কেন্দ্রীয় সমিতিয়ে বিজার্ভ ফণ্ডত যি লাভৰ টকা ৰাখে তাত বাজেও ওপৰত লিখা দৰে যি ক্ষতি হয় তাৰ পূৰণৰ অর্থে এটা বেলেগ ফণ্ড (Bad debt fund) ৰখা যুগুত।

কেন্দ্রীয় সমিতিয়ে টকা ধাৰে দিওঁতে আৰু টকা আনৰ পৰা লওঁতে আগেয়ে উল্লেখ কৰা সাধাৰণ নিয়ম বিলাক মানি চলে। সমিতিয়ে অংশীদাৰ সকলক শতকৰা ৯৲ টকাৰ

পৰা ১২্ টকালৈকে ডিভিডেণ্ড দিয়ে। এই সম্পৰ্কে বেলেগ বেলেগ প্ৰদেশত বেলেগ বেলেগ নিয়ম আছে। লাভৰ টকাৰ এটা অংশ ডাইৰেক্টৰ, চেক্ৰেটৰি আৰু আন কৰ্ম্মচাৰী সকলৰ মাজত ভগাই দিয়া হয়। কৰ্ম্মচাৰী সকলৰ দৰমহা, ডাক-খৰচ, ইত্যাদি বাদ দি যি বাকী থাকে তাৰ চাৰি ভাগৰ এভাগ ৰিজাৰ্ভ ফণ্ডত ৰখা হয় আৰু কৰ্ত্তৃপক্ষৰ অনুমতি লৈ কিছু অংশ সাধাৰণৰ হিতকৰ কামত খৰচ কৰিব পৰা যায়। কেতিয়াবা কোনো আকস্মিক কাৰণত সমিতিৰ ক্ষতি হলে ৰিজাৰ্ভ ফণ্ডৰ পৰা টকা খৰচ কৰিবৰ অনুমতি পোৱা যাব পাৰে, কিন্তু সেই টকা পুনৰ ৰিজাৰ্ভ ফণ্ডত জমা দিব লাগে।

প্ৰাদেশিক বেঙ্ক

ভাৰতবৰ্ষৰ প্ৰায় সকলো প্ৰদেশতে কেন্দ্ৰীয় সমিতি-বিলাকৰ ওপৰত একোটাকৈ প্ৰাদেশিক সমিতি পতা হৈছে। দেশীয় ৰাজ্য বিলাকৰ মাজত মহীশূৰতো এটা প্ৰাদেশিক সমিতি আছে। কিছুদিনৰ পৰা উৰিষ্যা প্ৰদেশতো এটা প্ৰাদেশিক বেঙ্ক পতাৰ কথা চলিছে।

৯৩। প্ৰাদেশিক বেঙ্ক (Provincial Bank or Apex Bank)

প্ৰাদেশিক বেঙ্কে কেন্দ্ৰীয় বেঙ্কতকৈ সহজে বাহিৰৰ পৰা ডিপোজিট পাব পাৰে আৰু টকাৰ কাৰবাৰত আন আন জইণ্ট ষ্টক্ বেঙ্ক, ইম্পিৰিয়েল বেঙ্ক্ আৰু ৰিজাৰ্ভ বেঙ্ক্ আদিৰ সম্পৰ্কলৈ আহিব পাৰে।

কেন্দ্ৰীয় সমিতিবিলাকে যি দৰে প্ৰাথমিক সমিতিবিলাকক সহায় কৰে প্ৰাদেশিক সমবায় বেঙ্কেও কেন্দ্ৰীয় সমিতি বিলাকক সেইদৰে সহায় কৰে। প্ৰাদেশিক বেঙ্কৰ পৰা

কেন্দ্রীয় সমিতিলৈ টকা যায়, পিছত কেন্দ্রীয় সমিতিৰ পৰা সাধাৰণ সমিতিলৈ আৰু সাধাৰণ সমিতিৰ পৰা গাঁৱে গাঁৱে সাধাৰণ সভ্য সকলৰ বাবে টকা নিয়া হয়। ইয়াৰ পৰাই বুজা যায় সমবায় আন্দোলনৰ বাবে প্ৰাদেশিক সমিতি কিমান দৰকাৰী। কোনো এটা প্ৰাদেশিক বেঙ্কত গোলমাল হলে গোটেই খন প্ৰদেশৰ সমবায় সমিতি বিলাকেই বিপদত পৰিব পাৰে। এই কাৰণে কোনো কোনোৱে কয় যে প্ৰাদেশিক সমবায় বেঙ্কবিলাকক আন আন ডাঙৰ জইণ্ট্‌ষ্টক্ বেঙ্কৰ শাৰীত পেলাই Special Registered Institute কৰি লোৱা উচিত।

কিন্তু আন এটা মত এই যে প্ৰাদেশিক সমিতিবিলাকে জইণ্ট্‌ষ্টক্ বেঙ্কৰ খাঁচ নলৈ সমবায় বিভাগৰে এটা অঙ্গ হৈ থকা হে যুগুত আৰু ইয়াক জইণ্টষ্টক্ বেঙ্ক সম্পৰ্কীয় আইনৰ অধীনত নেপেলাই সাধাৰণ সমবায় আইন (Co-operative Societies Act) মতেই চলিব দিয়া উচিত।

১৪। সৰ্ব্ব ভাৰতীয় সমবায় (All India Co-operative organisation)

প্ৰাদেশিক বেঙ্কৰ কথা উল্লেখ কৰাৰ পিছত দুই এটা সৰ্ব্বভাৰতীয় সমবায় অনুষ্ঠানৰ কথা উল্লেখ কৰিব পৰা যায়, যেনে প্ৰাদেশিক বেঙ্ক্ বিলাকৰ সভা (Indian Provincial Co-operative Banks' Association) ভাৰতীয় সমবায় সভা (All India Co-operative Institute's Association) ইত্যাদি। এই বিলাকৰ উদ্দেশ্য হৈছে সমবায় নীতি প্ৰচাৰ কৰা আৰু বেলেগ বেলেগ প্ৰদেশৰ সমবায় বিভাগৰ পৰিচালনত এটা সামঞ্জস্য আনা।

বৰ্ত্তমান সমবায় আইনত (Act II of 1912) এনেকুৱা অনুষ্ঠানৰ বিষয়ে একো উল্লেখ নাই। ভবিষ্যতে এই

আইনব সংস্কাব হলে এই বিষয়ে উল্লেখ থকাটো উচিত হব যেন বোধ হয়। বর্ত্তমান প্রাদেশিক স্বাতন্ত্র্যাব (Provincial Autonomy) আৰু যুক্তবাষ্ট্রব পবিকল্পনাব ফলে এনেকুৱা অনুষ্ঠানে সময়তগৈ যুক্ত সমবায় অনুষ্ঠানব (Federal Co-operative Organisation) আকাব লব পাবে।

৯০। প্রাথমিক সমিতি, কেন্দ্রীয় সমিতি আরু প্রাদেশিক বেঙ্কবিলাকৰ কেইখনমান প্রদেশত সুতৰ হাৰ।

প্রদেশৰ নাম	প্রাথমিক সমিতিয়ে ডিপোজিটৰক দিয়া সুতৰ হাৰ	প্রাথমিক সমিতি	কেন্দ্রীয় বেঙ্ক		প্রাদেশিক বেঙ্ক	
		কেন্দ্রীয় বেঙ্কৰ ডিপোজিটৰক দিয়া সুত	পৰা ধাৰ লোৱা টকাৰ সুত	ডিপোজিটৰক দিয়া সুত	প্রাদেশিক বেঙ্কৰ পৰা ধাৰ লোৱা টকাৰ সুত	ডিপোজিটৰক দিয়া সুত	ইন্সিৰিয়েল বেঙ্ক আদিৰ পৰা ধাৰে অনা টকাৰ বাবে দিয়া সুত
অসম	১৫৷৵০—১৮৷৵০ কিছুমান সমিতিয়ে ১২৷৷০ টকাতেও সুত লয় ৭৷৷০—১৫৷৵০	৮৲	১১৲ ৯৷৵০—১২৷৷০	৮৲ ৫৷৷০—৯৷৵০	৭৷৷০	৪৲—৬৷৷০	৭৲ —
বঙ্গদেশ	১২৷৷০—১৫৷৵০ ৯৲—৯৲ ৬—৭৲ ২৲—৮ ৬—৭৲	৭৲—৯৲ ৬—৭৲ ২৲—৮ ৬—৭৲ ১০৲ ১২৲	১০৷৷০—১২৷৷০ ৮৲—৯৲ ৬—৭৲ ১০৲ ১২৲	৪৷৷০—৬৲ ৫৲—৬৲০ ৯৷৷০—৭৷৷০ ৬—৭৲ ৮—৯৲	৫৷৷০—৬৲০ ৬৷৷০ ১০৲ ৬৲—৯৷৷০	২—৫৷৷০ ৩৷৷০—৫৷৷৯ ৫৲—৭৷৷০ ২৲—৫৲০	৪৲ " " ৭৲
বিহাৰ							
পাঞ্জাব							
বম্বে							
ব্রহ্মদেশ							
যুক্তপ্রদেশ							

নবম অধ্যায়

ভাৰতীয় সমবায় আন্দোলন সম্বন্ধে কেইটিমান কথা।

৯৫। ভাৰতীয় সমবায়ৰ কেইটামান প্ৰধান ত্ৰুটি

এই ক্ষুদ্ৰ কিতাপত সমবায় কি আৰু আন আন দেশত বৰ্ত্তমান সমবায় আন্দোলন কি প্ৰকাৰে চলিছে সেই সম্বন্ধে সামান্য আভাস দি শেষত আমাৰ দেশত সমবায় অনুষ্ঠান বিলাকে কি অৱস্থা পাইছে গৈ তাৰে এটা সংক্ষিপ্ত বিবৰণ দিবৰ চেষ্টা কৰা হৈছে। অকল ভাৰতবৰ্ষৰ সমবায়ৰ বিষয়ে সম্পূৰ্ণ কৈ লিখিলেই কেইবা খণ্ডও ডাঙৰ কিতাপ হব পাৰে। ভাৰতৰ বেলেগ বেলেগ প্ৰদেশৰ সমবায় সম্বন্ধে বছৰি বছৰি বিপোৰ্ট ওলাই আছে। তাৰ উপৰি ভাৰতীয় সমবায় সম্বন্ধে দেশী বিদেশী বহুত লিখকে অনেক কিতাপ লিখিছে। বহুত মাহিলি কাকত সভা সমিতি আদিত সমবায়ৰ আদৰ্শ আৰু আৱশ্যক সম্বন্ধে নিতৌ নতুন গবেষণা, সমালোচনা আদি প্ৰকাশ হৈ আছে। যি সকলে সমবায় সম্বন্ধে ভালদৰে আলোচনা কৰিবৰ ইচ্ছা কৰে তেওঁলোকে এই কিতাপৰ শেষত দিয়া সমবায় সম্বন্ধীয় কিতাপ আৰু মাহিলি কাকত আদিৰ তালিকা চকুফুৰাই চাব পাৰে।

এতিয়া ভাৰতবৰ্ষৰ সমবায় আন্দোলনৰ কেইটামান প্ৰধান বিশেষত্ব আৰু ত্ৰুটিৰ কথা সংক্ষেপে উল্লেখ কৰা যাওক—

(১) অনেক বিশেষজ্ঞৰ মতে ভাৰতীয় সমবায়ৰ প্ৰধান ত্ৰুটি এই যে ইয়াৰ মানুহে এতিয়াও সমবায়ৰ মূলনীতি ভাল দৰে বুজি উঠিব পৰা নাই।

(২) সমিতিৰ পৰা টকা ধাৰলৈ নি তাক সময় মতে পৰিশোধ কৰা অভ্যাসটো এতিয়াও মানুহৰ হৈ উঠা নাই, আৰু সেই বাবে বাকীৰ পৰিমাণ অত্যন্ত বেছি।

(৩) সমবায় সমিতি বিলাকৰ হিচাব পৰীক্ষাৰ বন্দবস্ত এতিয়াও ভাল হৈ উঠা নাই। ইয়াৰ বাবে উপযুক্ত সংখ্যক হিচাব পৰীক্ষক লাগে।

(৪) সমবায় সমিতি বিলাক ওপৰৰ পৰা তললৈকে শৃঙ্খলাবদ্ধ ভাবে গঠিত হোৱা নাই।

(৫) সমিতিৰ সভ্যসকলে অনেক সময়ত আদায় দিব পাৰিলেও ইচ্ছা কৰি টকা আদায় নিদিয়ে। নিয়ম মতে টকা আদায় নিদিয়া সভ্যৰ প্রতি কৰ্ম্মচাৰী সকলে যেনেকুৱা নীতি অবলম্বন কৰিব লাগে ঠিক তেনে নকৰাৰ কাৰণে বাকীৰ পৰিমাণ বাঢ়ি গৈছে। টকা ধাৰলৈ দিওঁতে দৰখাস্ত কাৰী সকলে টকা নিয়াৰ উদ্দেশ্য আৰু তেওঁলোকৰ ধাৰ শোধ কৰিবৰ ক্ষমতা আদিৰ বিষয়ে আৰু ভালদৰে অনুসন্ধান হব লাগে।

(৬) ভাৰতীয় সমবায়ত আৰু এটা ডাঙৰ বিশেষত্ব এই যে ইয়াত অকল ঋণ সমবায়ে Credit (Co-operation) হে প্রধান ঠাই পাইছে। মানুহে সমবায় সমিতিৰ কথা আলোচনা কৰিলে ধাৰলৈ টকা পোৱাৰ কথা হে ভাবে আৰু সমিতিৰ যি সভ্যই ধাৰলৈ বিচৰা টকা পায় তেওঁ আৰু সমিতিৰ কি হ'ল কি নহ'ল তাৰ প্রতি বৰ দৃষ্টি নেৰাখে, কাৰণ তেওঁ সমিতিৰ সভ্য হোৱাৰ উদ্দেশ্য সাধন হৈ গৈছে।

কিন্তু অকল টকা ধাৰ দিয়াই সমবায়ৰ উদ্দেশ্য নহব। ধাৰলৈ টকা বিচৰা অৱস্থা পাৰহৈ মানুহে যাতে অঋণ

সমবায়ত (Non-credit Co-operation) হাত দিব পাৰে আৰু উন্নত ধৰণৰ লাভজনক কামত হাত দিব পাৰে তাৰ প্ৰতিহে আটাইবে লক্ষ্য হোৱা উচিত। অঋণ সমবায়ৰ বৃদ্ধি হলেহে মানুহে ঋণৰ পৰা উদ্ধাৰ পোৱাৰ আশা হয়। নহলে অধিকাংশ মানুহে ধাৰলৈ টকা পোৱাৰ উপায় বিচাৰোঁতে আৰু ধাৰলৈ টকা পালে তাক শোধ কৰিবলৈ নিকপায় হৈ থাকোঁতেই জীৱন লীলা সমাপন কৰিব লাগিব।

৯৭। সমবায় আৰু মহাজন (Co-operation and the Money lender)

ভাৰতবৰ্ষৰ সৰহ ভাগ সমিতিয়ে যদিও বা ঋণ সমিতি, সেইবিলাকৰ দ্বাৰা মানুহৰ ঋণ সমস্যাৰ এতিয়াও সমাধান হোৱা নাই। অতি ওখ হাৰে সুত দিবলৈ গাত লৈ মহাজনৰ পৰা টকা ধাৰ লোৱা এতিয়াও চলি আছে। ধকৰাই আত্মনিৰ্ভৰশীল হব নোৱাৰিলে আৰু নতুন যিবিলাক সুবিধা ওলাইছে তাৰপৰা উপকাৰ আদায় কৰি লবলৈ সমৰ্থ নহলে মহাজনৰ সুত যে সঁচাকৈ কমিব তাৰ আশা নাই।

এইখিনিতে এটা কথা মন কৰিব লগীয়া এই যে মহাজনৰ পক্ষেও দুই এটা কথা কবলৈ আছে। মহাজন সকলক আমাৰ দেশৰ আৰু সমাজৰ অকল শত্রু আৰু নিষ্ঠুৰ বুলি চিঞৰিলে তেওঁলোকৰ প্ৰতি অবিচাৰ কৰা হয়। এইটো হলে নিশ্চয় যে আমাৰ বৰ্ত্তমান অৱস্থাত মহাজনৰ টকা ধাৰলৈ নেপালে অলেখ মানুহৰ জীবন যাত্রা একেবাৰে অচল হৈ পৰিলহেঁতেন। তেওঁলোকে যি দৰে সৰহ সুত লয় সেইদৰে ধাৰৰ টকা সাধোঁতে অশেষ দিগ্‌দাৰি সহ্য কৰিব লাগে আৰু অনেক সময়ত মূলৰ টকাও হেৰায়। বহুত মহাজনে ধাৰৰ টকা আদায় কৰিবলৈ যাওঁতে মাৰকিল খোৱাৰ দৃষ্টান্তও বিৰল নহয়। সমবায় সমিতি বিলাক স্থায়ী আৰু

বিশ্বাসযোগ্য হৈ উঠিলে মহাজনে সমিতিত টকা জমা বাখি কম সুতত খটোৱাত আপত্তি নকবিব। মুঠতে কাকো অকলে দূষিলে সমস্যাব ওব নপবে। মহাজন আৰু ধকৱা দুয়োৰে দোষ গুণ আছে। গোটেই অৱস্থাটোৰ সংস্কাৰ নহলে উন্নতিৰ আশা নাই। সমবায় আন্দোলনে হে এই সংস্কাৰ আনিব পাবে।

সমিতিয়ে টকা ধাৰলৈ দিওঁতে একে কিস্তিতে টকাখিনি নিদি কেইবা কিস্তিত টকা দিয়াৰ নিয়ম হোৱা উচিত। কাৰণ একেলগে টকাখিনি পালে খৰচ হৈ যায় আৰু টকা খৰচ হৈ যোৱাৰ পিছত সমবায় সমিতিৰ বাহিৰে আন ঠাইৰ পৰা সৰহ সুতত টকা বিচাৰিব লগীয়া হয়। এই সম্বন্ধে সকলো ঠাইতে অৱস্থা অনুযায়ী ব্যবস্থা হব লাগে।

ধাৰৰ টকাৰ বাবে যি সুত দিয়া হয় সেইখিনি ধকৱাৰ অপব্যয় বুলিব পাৰি। মানুহৰ অবস্থা যিমানেই বেযা হয় সিমানেই এই অপব্যয়ৰো পৰিমাণ বাঢ়ে। ভাৰতীয় কৃষক সকলৰ এই অপব্যয়ৰ পৰিমাণলৈ চালে বিচুৰ্ত্তি হব লাগে। যদি সমবায় সমিতি বিলাকত আদায় নোহোৱাকৈ থকা টকাৰ পৰিমাণ কমি আহে তেনেহলে বৰ্ত্তমানে যি হাৰে সুত চলিছে তাতকৈও কম কৰিব পৰা হব।

৯৮। সমবায় আৰু গবৰ্ণমেণ্ট (The State and the Co-operative Movement)

গবৰ্ণমেণ্টৰ পৰা কোনো প্ৰকাৰ সহায় বা শাসন নোহোৱাকৈ নিজে নিজে চলিব পাৰিলেহে সমবায়ৰ প্ৰকৃত সফলতা হয়। সমজুৱা সকলৰ নিজ ইচ্ছা আৰু আগ্ৰহৰ দ্বাৰাই নচলি চৰকাৰৰ সহায় আৰু শাসনৰ কোবতহে চলিব লগা হলে প্ৰকৃত সমবায় নহয়। সেইবাবে সমবায় আন্দোলনটোক চৰকাৰৰ শাসন-যন্ত্ৰৰ ঠাল ঠেঙুলি বুলি নিন্দা কৰা মাজে সময়ে শুনা যায়। চৰকাৰৰ পৰা অলপ

অচৰপ সাহায্য আন আন দেশৰ সমবায়ৰো আগ চোৱাত হৈছিল। কিন্তু ডেনমার্ক, জার্মেনি আদি দেশৰ সাধাৰণ মানুহৰ শিক্ষা, বুদ্ধিবৃত্তি আৰু সাংসাৰিক অৱস্থা আৰু আমাৰ দেশৰ খেতিয়ক সকলৰ অৱস্থাৰ মাজত বহুত প্ৰভেদ। সেইবাবে যি কাম সেইবোৰ দেশত মানুহে নিজে নিজে চলাব পাৰে তাক যে আমাৰ দেশৰ মানুহেও পাৰিব, এতিয়াই তেনেকুৱা আশা কৰিব নোৱাৰি। ভবিষ্যতলৈ উন্নতিৰ লগে লগে চৰকাৰৰ পৰা কোনো প্ৰকাৰ তত্ত্বাৱধানৰ আবশ্যক নোহোৱাকৈ সম্পূৰ্ণ বেচৰকাৰীভাবে এসময়ত সমবায় আন্দোলনটো চলিব পৰা হব বুলি সকলোৱে আশা। কিন্তু তেনে সময় এতিয়াও উপস্থিত হোৱা নাই।

৯৯। বৰ্ত্তমান সময়ত সমবায় আন্দোলনৰ ওপৰত নতুন কিছুমান আইনৰ প্ৰভাব।

আমাৰ দেশত ৰায়ত সকলৰ অভাব, অসুবিধা দূৰ কৰিবৰ অৰ্থে ভূমি আৰু ঋণ সম্পৰ্কীয় কিছুমান নতুন নতুন আইন প্ৰায় প্ৰত্যেক প্ৰদেশতে পাচ কৰা হৈছে, আৰু এনেকুৱা আইন আগলৈ আকৌ পাচ কৰিব লগীয়া হৈ থাকিব। এই বিলাক নতুন বিধানৰ লগে লগে সমবায় বিভাগৰ আইনতো সাল সলনি কৰিব লগীয়া হৈ থাকিব।

মাজে সময়ে শুনা যায় যে ঋণ-চালিচি বোৰ্ড বিলাকৰ সহায়ে ধকৰা সকলে ধাৰৰ টকাৰ সুত মাফ পাব পৰা যি আইন হৈছে তাৰ ফলে সমবায় সমিতিৰ বহুত পাওনা টকা নষ্ট হব ধৰিছে। সমবায় সমিতি বিলাকে ধকৰাৰ পৰা পাব লগীয়া সুত আৰু মূলৰ টকা আদায় দিব নোৱাৰা গতিকে বেছিদিন পেলাই থৈছিল। এতিয়া ধকৰা সকলে সেই টকা মাফ পালে সমিতিৰ ক্ষতি হোৱাটো নিশ্চিত। এই বিলাক

নতুন অবস্থাত চলিবর হলে প্রত্যেক প্রদেশতে সমবায় আইনবো সময়োপযোগী সংস্কার হব লাগিব।

১০০। বর্ত্তমান সময়র অর্থ-নৈতিক পরিকল্পনা (Economic Planning) ইত্যাদি।

আজিকালি অর্থনৈতিক পরিকল্পনা (Economic Planning), কৃষি আরু কুটির শিল্পর উন্নতি, জন শিক্ষা (Mass literacy), আদর্শ গাওঁ (Model Village) স্থাপন আদি কামর কথা সকলো ঠাইতে উঠিছে। সমবায় আন্দোলন ভাল দরে চলাব পারিলে অকল ভাবে পরাই এই আটাই বিলাক আন্দোলনরে উদ্দেশ্য সাধন হব পারে।

দশম অধ্যায়

সমবায় আৰু শিক্ষা

সমবায়ৰ লগত শিক্ষাৰ সম্পৰ্কলৈ চালে দুই প্ৰকাৰ কথা মনলৈ আহে। প্ৰথম, সমবায় সমিতি পৰিচালনৰ নিমিত্তে বিশেষ শিক্ষা আৰু দ্বিতীয়, সমবায় আৰু সমবায়ৰ আদৰ্শৰ লগত সাধাৰণ শিক্ষাৰ সম্বন্ধ।

সমবায় সমিতিৰ পৰিচালনৰ নিমিত্তে বিশেষ শিক্ষাৰ বন্দবস্ত বোম্বাই আৰু পাঞ্জাব প্ৰদেশত কিছু পৰিমাণে হৈছে। অসমতো সমবায় বিভাগৰ কাম যি সকলক চলাবলৈ দিয়া হয় তেওঁলোকে গৈ বিশেষ শিক্ষা পাই অহা উচিত বুলি আটায়ে অনুভৱ কৰিছে আৰু সম্প্ৰতি অসম গৱৰ্ণমেণ্টে সমবায়ৰ প্ৰাথমিক শিক্ষাৰ অৰ্থে দুই এজন কো-অপাৰেটিভ্ চোচাইটিৰ ইনিস্পেক্টৰক পাঞ্জাবলৈ পঠিয়াই বিশেষ শিক্ষা দিয়াই অনাইছে।

১০১। সমবায় সমিতি পৰিচালনৰ নিমিত্তে বিশেষ শিক্ষা।

১৯১৪ চনত স্বৰ্গীয় জি. কে. দেৱধৰে সমবায় সমিতিৰ চেক্ৰেটৰী সকলৰ শিক্ষাৰ নিমিত্তে এখন স্কুল স্থাপন কৰে। ১৯১৮ চনত বম্বে কো অপাৰেটিভ্ ইন্‌ষ্টিটিউটে এই কাম হাতত লয় আৰু ইয়াৰ পিছত কো-অপাৰেটিভ্ ট্ৰেইনিং সম্বন্ধে বিশেষভাবে যত্ন লোৱা আৰম্ভ হয়। ১৯২১ চনত বম্বেত সমবায় শিক্ষাৰ নিমিত্তে Continuation class খুলি ইংৰাজী আৰু দেশীয় ভাষাত শিক্ষা দিয়াৰ ব্যবস্থা কৰা হয় আৰু ইয়াৰ লগতে এটা ডিপ্লোমা কোৰ্চ (Diploma Course) খোলা হয়। ১৯২৬ চনত বম্বেৰ কেন্দ্ৰীয় শিক্ষা

বোর্ডত সমবায় শিক্ষাৰ বাবে শ্রেণী খুলি তাত সমবায়ৰ শিক্ষা দিয়াৰ আৰু পৰীক্ষা লোৱাৰ ব্যবস্থা কৰা হয়। বম্বেৰ চিডেনহাম কমার্চিয়েল কলেজৰ আৰু সাধাৰণ বিশ্ব-বিদ্যালয়ৰ অর্থনীতি সম্বন্ধীয় পৰীক্ষাত সমবায় বিষয়টো অন্তর্ভুক্ত কৰি লোৱা হয়। পাঞ্জাবত সমবায় শিক্ষাৰ লগে লগে কৃষি বিষয়তো শিক্ষা দিবৰ ব্যবস্থা কৰা হৈছে।

কলিকতা বিশ্ববিদ্যালয়ৰ অর্থনীতি বিষয়ৰ শিক্ষাত সমবায়ক এটা প্রধান ঠাই দিয়া হৈছে। সমবায় শিক্ষাৰ প্রতি অসমতো সর্ব্বসাধাৰণৰ বিশেষ দৃষ্টি পৰিছে। যোৱা অসম বেঙ্ক্ তদন্ত কমিটিয়ে মত প্রকাশ কৰে যে সর্ব্বসাধাৰণে যাতে সমবায়ৰ প্রতি যত্ন লয় তাৰ বাবে জিলাৰ চৰকাৰী কর্ম্মচাৰী সকলে সদায় চেষ্টা কৰিব লাগে। পাঠশালাৰ শিক্ষক আৰু হাইস্কুল কলেজৰ সকলো ছাত্রই যাতে সমবায় সম্বন্ধে কিছুপৰিমাণে কথা জানে তাৰ বাবে আটায়ে যত্ন লব লাগে। কলেজৰ অর্থনীতিৰ অধ্যাপক সকলক সমবায়ৰ কার্য্য কলাপেৰে সৈতে ছাতৰ সকলৰ পৰিচয় কৰাবলৈ বিশেষকৈ অনুৰোধ কৰা হৈছে। এই সম্বন্ধে কোনো বিশেষ বন্দবস্ত নোহোৱাকৈ যি খিনি কৰিব পৰা যায় তেওঁলোকে কৰিছে আৰু অসমৰ শিক্ষা বিভাগৰ বছৰেকীয়া ৰিপোর্টত এই সম্বন্ধে উল্লেখ হৈ আছে।

১০২। সমবায়ৰ আদর্শ আৰু সাধাৰণ শিক্ষা

মানুহৰ শিক্ষাৰ আদর্শৰ লগত সমবায়ৰ আদর্শৰ যে অতি ঘনিষ্ঠ সম্বন্ধ তাক কোৱা বাহুল্য মাথোন। প্রকৃত শিক্ষাৰ যে উদ্দেশ্য, সমবায়ৰ আদর্শ সেই উদ্দেশ্য সাধনৰ এটা প্রধান সহায় সমবায়ে মানুহক আত্মনির্ভৰশীল হবলৈ শিকায় আৰু পৰস্পৰৰ প্রতি বিশ্বাসৰ ভেঁটিত ঠিয় কৰাই নিজৰ উন্নতি সাধন কৰিবৰ বাট দেখুৱাই দিয়ে। প্রত্যেক মানুহৰে অলপ অচৰপ কার্য্যকৰি ক্ষমতা আছে কিন্তু সুবিধাৰ অভাৱত

সেই ক্ষমতাৰ চৰ্চ্চা আৰু বিকাশ হব নোৱাৰে। সমবায়ে সকলোকে সুবিধা দি নৈতিক আৰু আৰ্থিক উন্নতিৰ বাট মুকলি কৰে।

সমবায়ৰ লগত শিক্ষাৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰোঁতে অকল আৰ্থিক আৰু মানসিক উন্নতিৰ কথা উল্লেখ কৰিলেই সকলো খিনি কথাৰ ওৰ নপৰে। সমবায়ৰ আদৰ্শত আৰ্থিক আৰু মানসিক উন্নতিত বাজেও আৰু এটা কথা আছে, সেই কথাক আধ্যাত্মিক বুলিব পাৰি। সুবিধা পালেই আনক ঠগিবৰ ভাব মনত নৰখাকৈও যে কাৰবাৰ কৰিব পাৰি এই কথা সমবায়ে শিকাব পাৰে। নিজৰ উন্নতি কৰিবলৈ হলে যে আনৰ উন্নতিৰ কথা ভবাৰ আবশ্যক নাই, নাইবা আনৰ অবনতি নহলে যে নিজৰ উন্নতি হব নোৱাৰে এনেকুৱা সৰ্ব্বনাশী ভাবৰ ঠাইত, আনৰ উন্নতিৰ লগে লগে যে নিজৰো উন্নতি হব পাৰে এই ভাব আনি সমবায়ে জগতৰ কল্যাণ সাধন কৰে।

গৃহস্থই সাংসাৰিক কৰ্ত্তব্য পালনৰ বাবে সদায় নিজৰ উৎপন্ন ভগন আয়-ব্যয়ৰ কথা ভাবিবই লাগিব। কিন্তু দৈনিক জীবনৰ এই খিনি কথা সাম্য আৰু মৈত্রীৰ ভাবত প্রতিষ্ঠিত হলেহে শিক্ষাৰ যিটো চৰম উদ্দেশ্য তাৰ সাধন হয়। ব্যাপক ভাবে চাবলৈ গলে সমবায়ে বুজায় সাম্য আৰু মৈত্রী। আমাৰ দৈনিক জীবনৰ ক্রিয়াকলাপ সাম্য আৰু মৈত্রী ভাবেৰে অনুপ্রাণিত কৰিব নোৱাৰিলে "ধৰ্ম্ম" "অর্থ" আৰু "কামৰ" মাজত বিৰোধ কেতিয়াও নুগুছে। এই বিৰোধ নুগুছিলে অর্থ ইও মানুহক সুখী কৰিব নোৱাৰে আৰু এই অর্থ সদায় অনর্থৰ মূল হৈয়ে থাকিব।

—*—

একাদশ অধ্যায়।

(১) অসমত সমবায় (নানা প্রকাৰৰ সমিতিৰ বিৱৰণ)

১০৩। অসমত সমবায় আন্দোলনৰ আৰম্ভ।

সমবায় আন্দোলনৰ আৰম্ভ হয় অসমত ১৯০৪ চনৰ পৰা। সেই বছৰতে প্ৰথমে দহোটা সমিতি পতা হয়। ১৯০৫ চনৰ এপ্ৰিলৰ পৰা ১৯১২ চনৰ মাৰ্চ্চলৈকে অসম "পূৰ্ব্ববঙ্গ আৰু অসম" প্ৰদেশত অন্তৰ্গত হয় গৈ। এই সময়ত মিষ্টাৰ কে, চি, দে, আই, চি, এচ্ এই যুক্ত প্ৰদেশৰ সমবায় বিভাগৰ ৰেজিষ্ট্ৰাৰ নিযুক্ত হয়। ১৯১২ চনত যেতিয়া অসম পূৰ্ব্ববঙ্গৰ পৰা বেলেগ হয় তেতিয়া অসমৰ নিচিনা সৰু এখন প্ৰদেশৰ বাবে বেলেগ এজন সমবায় বিভাগৰ ৰেজিষ্ট্ৰাৰ নাৰাখি আবকাৰী বিভাগৰ কমিচনাৰক (Commissioner of Excise) সমবায় বিভাগটো চলাবলৈ দিয়া হয়। ১৯১৮ চনৰ পিছৰ পৰাহে অসমৰ সমবায় বিভাগৰ বাবে বেলেগ এজন ৰেজিষ্ট্ৰাৰ ৰখাৰ নিয়ম কৰা হয়। ১৯১৫ চনত মেকলাগান কমিটিয়ে ভাৰতবৰ্ষৰ আন আন প্ৰদেশৰ লগতে অসমতো সমবায় আন্দোলনৰ ফলাফল তদন্ত কৰি ৰিপোৰ্ট দিয়ে।

তলত ১৯১৫ চনৰ পৰা ১৯২৮ চনলৈকে অসমৰ সমবায়ৰ এটা সংক্ষিপ্ত বিৱৰণ দিয়া হল।

১৯১৫—১৬ চনত অসমৰ মুঠ ২৮৫টা কৃষিঋণ সমিতিত ১৫৭৯২ জন সভ্য আৰু তাত প্ৰায় চাৰি লাখ টকা খটোৱা হৈছিল। ১৯২৯ চনৰ ৩১ মাৰ্চ্চত সমিতিৰ সংখ্যা ১২৫৪টা হয় গৈ। এই বিলাক সমিতিত সভ্যৰ সংখ্যা ৫৩০৫৫ আৰু খটোৱা টকাৰ পৰিমাণ প্ৰায় ২৬ লক্ষ হয় গৈ।

ইয়াৰ পৰাই অসমত সমবায় আন্দোলনৰ উন্নতিৰ প্ৰমাণ পোৱা যায়। ১৯২৩ চনৰে পৰা অসমত সমিতিৰ সংখ্যা বঢ়বি প্ৰায় এশকৈ বাঢ়িব ধৰে। ১৯১৫ চনত এই সমিতি বিলাকত খটোৱা টকাৰ পৰিমাণ প্ৰত্যেক সভ্যৰ বাবে গড় হিচাবে ২৫৲ টকা আছিল। ১৯২৮—২৯ চনত এই টকাৰ পৰিমাণ ৪৯৲ টকা হয় গৈ। ইয়াৰ পৰা দেখা যায় যে সমিতিৰ সভ্যৰ সংখ্যা বঢ়াৰ লগে লগে প্ৰত্যেক সমিতিৰ কাৰবাৰৰ পৰিমাণো বাঢ়ে।

১০৪। অসম ভেলি আৰু সুৰমা ভেলিৰ সমবায়।

তলত ১৯২৯—৩০ চনত প্ৰকাশ হোৱা অসম প্ৰাদেশিক বেঙ্ক্ তদন্ত কমিটিৰ বিপোৰ্টৰ পৰা অসম ভেলি আৰু সুৰমা ভেলিৰ সমবায়ৰ এটা তুলনা দিয়া হ'ল।

১৯২৮—২৯ চনত অসম ভেলিত সমিতিৰ সংখ্যা ৬২৫ আৰু সুৰমা ভেলিত ৬০৭ আছিল। সুৰমা ভেলিত সভ্যৰ সংখ্যা প্ৰত্যেক কৃষি সমবায় সমিতিত ২৭ জনকৈ কিন্তু অসম ভেলিত ৫৯ জনকৈ পোৱা যায়। সমবায় সমিতিৰ সম্পৰ্কলৈ অহা মানুহৰ সংখ্যা সুৰমা ভেলিত হেজাৰত ৬'৪ জন আৰু অসম ভেলিত ১১ জন হয় গৈ। এইদৰে গোটেই অসমত সমবায়ৰ সম্পৰ্কলৈ অহা মানুহৰ সংখ্যা হাজাৰত প্ৰায় ৯ জন হয় গৈ। এজন মানুহ সমিতিৰ সভ্য হলে সেই পৰিয়ালৰ সকলোটি মানুহকে সমিতিৰ সম্পৰ্কলৈ অহা বুলিধ পাৰি। যদি একোজন গৃহস্থৰ ঘৰত গড় হিচাবে ৫ জনকৈ মানুহ ধৰা হয় তেন্তেহলে সমবায় আন্দোলনৰ লগত মুঠতে প্ৰায় শতকৰা ৪ জন মানুহৰ সম্পৰ্ক দেখা যায়। এই সময়ত (১৯২৯—৩০) সুৰমা উপত্যকাৰ সমিতিৰ সভ্যৰ পৰা জমা পোৱা টকাৰ পৰিমাণ ২১ হাজাৰ আৰু অসম উপত্যকাৰ পৰা পোৱা

টকাৰ পৰিমাণ প্ৰায় দুই লক্ষ দহ হাজাৰ আছিল। সুৰমা উপত্যকাৰ পৰা পোৱা ডিপোজিটৰ টকাৰ পৰিমাণ ইমান কম হোৱাৰ কেবাটাও কাৰণ আছে। অসম উপত্যকাত লোক সংখ্যাৰ অনুপাতে সমিতিৰ সংখ্যা কম আৰু সেই বাবে অসম উপত্যকাত প্ৰত্যেক সমিতিতে সভ্যৰ সংখ্যা সুৰমা ভেলিৰ প্ৰায় দুগুণ। সুৰমা উপত্যকাৰ মানুহ সৰহ ভাগেই মুছলমান। তেওঁলোকৰ অনেকে সুতৰ বাবে বেঙ্কত টকা খটাবৰ মন নকৰিব পাৰে। কিন্তু সুৰমা উপত্যকাত একেবাৰে আদায় দি কিনি লোৱা অংশৰ টকাৰ পৰিমাণ (Paid up share capital) অসম উপত্যকাৰ দুগুণৰো ওপৰ।

১০৫। অসম আৰু আন আন প্ৰদেশৰ সমবায়ৰ তুলনা।

অসম আৰু ভাৰতবৰ্ষৰ আন আন কিছুমান প্ৰদেশত সভ্যৰ সংখ্যা প্ৰত্যেক সমিতিতে গড় হিচাবে তলত লিখা দৰে পোৱা যায়।

বম্বে	...	৬৬	পাঞ্জাব	...	২৭
অসম ভেলি	...	৫৯	বঙ্গদেশ	...	২৫
মাদ্ৰাজ	..	৫৩	উত্তৰ পশ্চিম প্ৰদেশ		২৭
সুৰমা ভেলি	...	২৭	মধ্যপ্ৰদেশ আৰু বেৰাৰ		১৫

প্ৰতি পৰিয়ালিতে যদি পাঁচজনকৈ মানুহ ধৰা হয় সমবায় আন্দোলনৰ লগত সম্পৰ্ক থকা মানুহৰ সংখ্যা শতকৰা তলত লিখাদৰে পোৱা যায়:—

বম্বে	...	১১·৬	বঙ্গদেশ	...	৪·৯৫
পাঞ্জাব	...	১০·৪	অসম	...	৪
মাদ্ৰাজ	...	৯	বিহাৰউৰিষ্যা	...	৩·২
ব্ৰহ্মদেশ	...	৫·৫	যুক্তপ্ৰদেশ	...	১·৮৫
মধ্যপ্ৰদেশ	...	৫·৪৫			

১০৩। অসমত বেলেগ বেলেগ প্রকাব সমিতিব সংখ্যা।

১৯৩৭—৩৮ চনব বিপোর্টব পবা অসমব সমবায় সমিতি বিলাকব বর্ত্তমান অবস্থাব এটা বিবৰণ দিয়া হ'ল।

চন	প্রাদেশিক বেঙ্ক Provincial Bank	কেন্দ্রীয় সমিতি Central Bank.	কৃষি সমিতি Agricultural Societies	কৃষি ভিন্ন অন্য বিষয়ব সমিতি Non agricultural Bank.	গাখীব যোগোৱা সমিতি Milk unions.	জমি বন্ধক সমিতি Land Mortgage Bank.	মুঠ সংখ্যা
১৯৩২—৩৩	১	১৭	১২৯২	৯৩	১		১৪০৪
১৯৩৩—৩৪	১	১৮	১২৮০	১০০	১		১৪০০
১৯৩৪—৩৫	১	১৮	১২৭৭	১০৮	২		১৪০৪
১৯৩৫—৩৬	১	১৮	১৩০১	৯৩	২		১৪১৫
১৯৩৬—৩৭	১	১৮	১২৯৬	১২৪	২		১৪৪১
১৯৩৭—৩৮	১	১৮	১৩২০	১৪৯	২	৫	১৪৯৫

১৯৩৮—৩৯ চনত অসমত মুঠ সমিতিব সংখ্যা ১৫৫১ হৈছে।

তলত ১৯৩৭—৩৮ চনত অসমৰ প্ৰত্যেক চাৰ্কেলত সমিতিৰ সংখ্যা দিয়া হ'ল।

১। নৰ্থ চিলেট চাৰ্কেল ... ১২৫	৭। শিলচৰ ,, ... ১২৬	১২। নগাঙ ... ১১৬
২। চাউথ চিলেট ,, ... ১০৩	৮। চিলং আৰু মনিপুৰ চাৰ্কেল ... ২২	১৩। তেজপুৰ ... ৭৩
৩। কৰিমগঞ্জ ,, ... ১৩৮	৯। ডিব্রুগড চাৰ্কেল ৫৬	১৪। গুৱাহাটী ... ৭২
৪। হবিগঞ্জ ,, ... ১২১	১০। শিৱসাগৰ ... ৯২	১৫। ৰঙপেটা ... ১০২
৫। সুনামগঞ্জ ,, ... ৬৫	১১। যোৰহাট ... ১০১	১৬। গোৱালপাৰা ... ১১২
৬। হাইলাকান্দি ,, ... ৬৬		

১০৭। অসমৰ কৃষিঋণ সমিতি।

কৃষি-ঋণ সমিতি বিলাকক তলত লিখাদৰে পাঁচটা শ্ৰেণীত ভাগ কৰিব পাৰি। তলত ১৯৩৭—৩৮ চনৰ হিচাব দিয়া হ'ল।

	(ক) আদৰ্শ সমিতি	(খ) উত্তম শ্ৰেণীৰ সমিতি	(গ) মজলীয়া শ্ৰেণীৰ সমিতি	(ঘ) বেয়া সমিতি	(ঙ) যি সমিতি ভাল হবৰ আশা নাই	(চ) নতুনকৈ পতা সমিতি	(ছ) মুঠ।
সুৰমা ভেলি	৩	২৬	৪২১	১৪৭		৬১	৬৫৮
অসম ভেলি	৪	৫৭	২২৪	২৬৭	১	৭৮	৬৩১

ওপৰত দিয়া তালিকাৰ পৰা দেখা যায় যে মুঠ সংখ্যাৰ অনুপাতত উত্তম শ্রেণীৰ সমিতিৰ সংখ্যা নিচেই কম।

সমবায় বিভাগৰ পৰিচালক সকলে বৰ্ত্তমান সমস্ত অসমত সমিতিৰ সংখ্যা বঢ়োৱাতকৈ যিবোৰ সমিতি বৰ্ত্তমান আছে সেই বোৰক উন্নতিৰ ফালে নিয়াটোহে বেচি চক্ষু দিব লগাত পৰিছে। কিছুদিন আগতে ওচৰা ওচৰিকৈ থকা আৰু ভালদৰে কাম নচলা দুই তিনিটা সমিতিক গোট খুৱাই মাজে সময়ে একোটা ডাঙৰ সমিতি পাতিব লগা হৈছিল কিন্তু এতিয়া যিমান পৰা যায় সমিতি বিলাকক সকৰে বখাবহে চেষ্টা কৰা হৈছে। যোৱা কেই বছৰৰ অৰ্থ সঙ্কটৰ বাবে সমিতি বিলাকৰ কাৰবাৰ বহুত পৰিমাণে কমি গৈছে আৰু প্রায় আধাতকৈ বেছি সমিতিক কোনো প্রকাৰে জীয়াই বাখিবৰ বাবেই অহোপুকষার্থ কৰিব লগীয়া হৈছে। প্রধান বিপদ হৈছে এই যে উৎপন্ন শস্যৰ দাম কমি যোৱা বাবে ধকৰা সকলে কিস্তিমতে টকা আদায় কৰিব নোৱাৰে। সমিতি বিলাকে খেতিয়ক সকলক নতুনকৈ টকা ধাৰে দিয়া প্রায় বন্ধ কৰিব লগীয়া হৈছে।

অসীমাবদ্ধ দায়িত্বৰ কৃষি ঋণ সমিতি বিলাকৰ বৰ্ত্তমান অৱস্থা। (১৯৩৭—৩৮চনৰ বিপোর্টৰ পৰা)।

	সমিতিৰ সংখ্যা	সভ্যৰ সংখ্যা	আদায় হোৱা অংশৰ টকা (Paid up share Capital)	বিজার্ভ ফণ্ড	মুঠ কামত খটোৱা টকা Working Capital	সভ্যৰপৰা পোৱা জমা	বাহিৰা মানুহৰ পৰা পোৱা জমা
সুৰমা ভেলি	৬৫৮	১৪৫২৮	২২৬৫৩৲	৫৬০৫৬৭৲	১৪৪২৬২০৲	১৫২৯৯৲	২৪২১১৲
অসম ভেলি	৬৩১	২৭৬৯১	৫১২১৪৲	৫৭২৩৬২	১৫৮২১৮৮৲	১৩৫৩৫৬৲	১৮২৪৭২৲

সুরমা ভেলিত প্রত্যেক সমিতিত সভ্যর সংখ্যা অসম ভেলিতকৈ বহুত কম। অসম ভেলির ঠায়ে ঠায়ে একোটা ডাঙর সমিতির ঠাইত দুই তিনিটা সরু সমিতি পতার আবশ্যক দেখা গৈছে। সুরমা ভেলিত আদায় হোৱা অংশর টকার পরিমাণ অসম ভেলির প্রায় দুগুণ, কিন্তু সুরমা ভেলির সভ্যর পরা পোৱা ডিপোজিটর পরিমাণ অসম ভেলির দহ ভাগর এভাগ মান হে।

১০৮। অসমর অকৃষি ঋণ-সমিতি (Non agricultural Credit Societies

অসমত সমবায় সমিতি পাতিবর অর্থে আরু অনেক ঠাই পরি আছে, কিন্তু নতুন সমিতি পাতোঁতে অত্যন্ত সাৱধানতাৱে সৈতে চলির লগা হৈছে, কাৰণ অসাবধানে পতা এটা সমিতি বেয়া হলে তাক বহু দিনলৈকে মানুহে নেপাহৰে।

১৯৩৭—৩৮ চনর বিৰ্পোটত দেখা যায় অকৃষিঋণ সমিতির সংখ্যা গোটেই অসমত ১১২টা, সভ্যর সংখ্যা ১৩৩৭ আরু কামত খটা টকার পরিমাণ ২৬৪২২৪৯৲। এই টকার হিচাব তলত দিয়া হল।

(১)	অংশ বিক্রি কৰি পোৱা টকা (share capital)—	৩৪৬৭৪১৲
(২)	সভ্য সকলর পরা পোৱা ডিপোজিট্—	৮৪৮০৭৯৲
(৩)	বাহিৰা মানুহর পরা পোৱা ডিপোজিট্—	১০০৫০৯৪৲
(৪)	আন সমিতির পরা ধাৰে অনা—	৪২৬৪৩৲
(৫)	প্রাদেশিক আরু কেন্দ্রীয় বেঙ্কর পরা ধাৰে অনা—	৪৫৮৫৯৲
(৬)	রিজার্ভ ফণ্ড্—	২৪২৫৩৪৲
(৭)	আন আন ফণ্ড্—	১১১২৯৮৲
		২৬৪২২৪৯৲

এই সমিতি বিলাকত সভ্যব পবা পোন্না জমা টকা যথেষ্ট পবিমাণে হোন্না নাই আক এইটো ভাল লক্ষণ বুলি কব নোন্নাবি। নিজব সমিতিত জমা থবলৈ সভ্য সকলব আগ্রহ আক সামর্থ্য নহলে সমবায় প্রণালী কৃতকার্য্য হৈছে বুলি কব নোন্নাবি। সাধাবণ অর্থসঙ্কটব হেঁচা এই সমিতি বিলাকব ওপবতো পবিছে। যি সকল মানুহব আয় জমি আক কৃষিব উৎপন্নব ওপবত বিশেষকৈ নির্ভব কবে তেওঁলোকব ধাব সুজিবব ক্ষমতা কমি গৈছে আক তাব ফলে সমিতি বিলাকব অবস্থাব উন্নতি কবাও অতি টান কাম হৈ পবিছে।

অকৃষি ঋণ সমিতি বিলাকব মাজত অফিচত কাম কবা কর্ম্মচাবী সকলব সমিতি বোব বিশেষ উল্লেখযোগ্য। এনেকুবা সমিতি বিলাকত সভ্য সকলক মাহে মাহে ডিপোজিট্ বখাবলৈ বাধ্য কবা নিয়ম আছে। ইয়াব পবা মিতব্যয়িতা শিক্ষা হৈছে আক জমাব টকাব পবিমাণো বৃদ্ধি হৈছে। গুৱাহাটী, চিলেট, যোবহাট আদি ঠাইত শিক্ষা বিভাগব কর্ম্মচাবী সকলব মাজত সমবায় ঋণ সমিতি একোটা কৈ স্থাপিত হৈছে। অনেক ঠাইত লোকেল বোর্ড মিউনিচিপালিটি আদিব কর্ম্মচাবী সকলেও এনেকুবা সমিতি পাতিব ধবিছে। অসম অইল কোম্পানীব কর্ম্মচাবী বিলাকব সমিতি (Assam Oil Company Indian Staff Co-operative Society) আক চিলঙত কাম কবা চবকাবী কর্ম্মচাবী সকলব সমিতি বিশেষ উল্লেখ যোগ্য।

[১০৯] অসমব জমি বন্ধক সমিতি Cooperative Land Mortgage Bank).

জমি বন্ধকি সমবায় সমিতি বিলাকক সাধাবণ অকৃষি ঋণ সমিতিব লেখত ধবা হোন্না নাই। অসমত বর্ত্তমান জমি বন্ধক সমিতিব সংখ্যা পাঁচটা। তলত ১৯৩৭—৩৮ চনব

ৰিপোৰ্টৰ পৰা এই বিলাক সমিতিৰ সংক্ষেপ বিবৰণ দিয়া হ'ল।

(১) চিলেট কো-অপাৰেটিভ্ লেণ্ড মৰ্গেজ বেঙ্ক লিমিটেড্। এই বেঙ্কত আদায় হোৱা অংশৰ টকাৰ পৰিমাণ ৩৪৫৪২্ টকা। সভ্য সকলৰ পৰা পাবলগীয়া টকাৰ পৰিমাণ ১২৩৮২৪্ টকা। যোৱা বছৰলৈকে সভ্য সকলৰ পৰা কিস্তি অনুসৰি আদায় নোহোৱা টকাৰ পৰিমাণ প্ৰায় শতকৰা ৯৯্ টকা আছিল। বেঙ্কে বাকী টকা আদায়ৰ নিমিত্তে অহোপুৰুষাৰ্থ কৰিছে। যি হওক লাহে লাহে টকা আদায় নোহোৱাৰ বাবে ধকৰা সকলৰ পৰা ডিক্ৰি কৰি লৱ লগীয়া জমিৰ পৰিমাণ কিছু কমিছে আৰু বেঙ্কে আগেয়ে এইদৰে কিনিব লগীয়া হোৱা জমিৰ পৰিমাণো কমাবলৈ চেষ্টা কৰা হৈছে। এতিয়ালৈকে বেঙ্কে উপযুক্ত দাম দি কিনোঁতা মানুহ নোলোৱাত বহুত মাটি নিজে কিনিব লগীয়া হৈছিল। সেইবোৰ জমি চলোৱা আৰু তাৰ খাজনা দিয়াও বেঙ্কৰ এটা ডাঙৰ লেঠা হৈ আছে। যোৱা কেইবছৰত জমিৰ আৰু উৎপন্ন শস্যৰ মূল্য কমি যোৱা বাবে ধকৰাসকলে টকা আদায় দিব পৰা নাই আৰু তাৰ বাবে সকলোবোৰ জমিবন্ধক সমিতিৰে অৱস্থা অত্যন্ত শোচনীয় হৈ পৰিছে। এই বিলাক বেঙ্কে নতুনকৈ টকা ধাৰে দিবলৈ একেবাৰে এৰিদিছে আৰু টকা জমা থোৱা মানুহকো সময় মতে টকা ফিৰাই দিবলৈ অসমৰ্থ হৈছে। যি হওক, যোৱা বছৰৰ কামৰূপ পৰা চিলেট জমিবন্ধক সমিতিয়ে লাহে লাহে ডিপোজিটৰ সকলৰ টকা আদায় দিব পৰা হৰষৈ যুগি আশা কৰিব পাৰি।

(২) কামৰূপ কোঅপাৰেটিভ্ লেণ্ডমৰ্গেজ বেঙ্ক্

লিমিটেড্—এই বেঙ্কে কেবা বছবৰে পবা মানুহক নতুনকৈ টকা ধাৰে দিব পবা নাই। ডিক্রি কবি লোৱা ভালেমান জমি বেঙ্কে নিজ চলাব লগীয়াত পবিছে। ১৯৩৮ চনব ৩১ মার্চ্চ লৈকে ধৰুৱা সকলব পবা পাবলগীয়া টকাব পবিমাণ ১৬৫৯১৯্ আছিল আৰু ইয়াব ১৬৫৭১৯্ টকা কিস্তি মতে আদায় নহৈ বাকী পবি থকা টকা। প্রায় ৬০ হেজাব টকা ধৰুৱা সভ্যসকলব ওপবত ডিক্রি হৈ আছে আৰু প্রায় ৮০ হেজাব টকাব জমি সভ্যসকলব পবা ডিক্রি কবি বেঙ্কে কিনি থৈছে। কেই বছব মানব পবা ডিপোজিটব সকলক ডিপোজিট বখা টকাত কাটি বেঙ্কব পবা জমি কিনি লবলৈ অনুমতি দিয়া হৈছে।

এই দুৰবস্থাব সময়ত সহায় কবিবব নিমিত্তে গবর্ণমেণ্টে বেঙ্কক ধাবলৈ দিয়া টকাব সুত কেইবছব মানব পবা কমাই দি তাব পিছত একেবাবে সুত লবলৈ এবি দিছে। ইপিনে বেঙ্কেও ডিপোজিটব সকলক কিছুমান দিনব পবা সুত দিয়া বন্ধ কবিছে। এইদবে ডিপোজিটব সকলক স্বার্থত্যাগ আৰু চবকাবব সহায়ব ওপবত নির্ভব কবি বেঙ্কে কিছুমান দিনব পবা কোনো প্রকাবে টিকি আছে।

অসমব জমিবন্ধক সমবায় সমিতিব ভিতবত ওপবত লিখা দুটাই প্রধান। বাকী তিনিটা হৈছে সুবমা ভেলি, নগাওঁ আৰু যোবহাট কো-অপাবেটিভ্ লেণ্ডমর্গেজ বেঙ্ক্। এই কেইটা বেঙ্কব অবস্থাও চিলেট আৰু গুৱাহাটীব দুই বেঙ্ক্ দুটাব পবাই অনুমান কবিব পাবি। ১৯৩৪ চনত মাদ্রাজত জমিবন্ধক সমবায় সমিতিব বাবে নতুনকৈ এখন আইন কবা হৈছে। অসমতো তেনেকুৱা আইনব বাবে আলোচনা হোৱা উচিত।

অসমৰ জমিবন্ধক সমবায় সমিতি বিলাকৰ দুৰবস্থাৰ কাৰণ ভালদৰে অনুসন্ধান কৰিলে বহুত কথা পোৱা যায়। বেঙ্কৰ ডাইৰেক্টৰ সকলে প্ৰথমতে টকা ধাৰে দিওঁতে আৰু বন্ধক লোৱা মাটিৰ মূল্য নিৰূপণ কৰোঁতে বিশেষ সাৱধান হোৱা নাছিল যেন লাগে। কৃষি ভিন্ন আন ব্যবসায়ৰ মানুহকো টকা ধাৰে দিয়া কথা আৰু উপযুক্ত জামিন নোহোৱাকৈ বহুত দীঘলীয়া দিনৰ নিমিত্তে টকা ধাৰে দিয়া কথা চৰকাৰী ৰিপোৰ্টতো প্ৰকাশ পাইছে।

১১০। অসমৰ অঋণ সমবায় (Non Credit Co-operation.)

অসমৰ অঋণ সমবায় সমিতিৰ ভিতৰত সমবায় ভঁৰাল (Co-operative Stores) আৰু গাখীৰৰ সমিতি (Milk Society) বোৰেই প্ৰধান।

১৯৩৭-৩৮ চনত অসমত তলত লিখা দৰে অঋণ সমবায় সমিতি আছিল।

(ক) সমবায় ভঁৰাল (Co-operative Stores)—অসমত এই বছৰত এনেকুৱা সমিতি ১১টা আছিল আৰু এই বিলাকৰ ভিতৰত ৮টা সমিতিৰ কাৰবাৰত লাভ দেখা গৈছিল। তিনিটা সমিতিত লোকচান হে পোৱা গৈছে আৰু এটা সমিতি একেবাৰে বন্ধ কৰিব লগীয়া হৈছে। চিলঙৰ পুলিচ বাজাৰ সমবায় ভাণ্ডাৰে আটাইতকৈ ভাল কাম দেখুৱাইছে। সমবায় ভাণ্ডাৰ বিলাকৰ প্ৰধান বিপদ হৈছে এই যে সভ্যসকলে বাকীকৈ বস্তু নি ঠিক মতে টকা আদায় নিদিয়ে।

(খ) গাখীৰৰ সমিতি (Milk Societies)—এনেকুৱা সমিতি এই বছৰত ২২টাৰ ঠাইত ২০টা হয় গৈ। গুৱাহাটী, চিলেট, শিলচৰ আৰু কৰিমগঞ্জ এই চাৰিটা কেন্দ্ৰত গাখীৰৰ সমিতিৰ চাৰিটা ইউনিয়ন আছিল। ইয়াৰ মাজত

চিলেটৰ ইউনিয়নে আগৰ বছৰৰে পৰা কাম বন্ধ কৰিলে। আটাইবোৰ সমিতিয়ে গৰু-মহৰ ইনিস্পেক্টৰৰ (Live stock Inspector) নির্দ্দেশ মতে চলিব লাগে আৰু প্ৰত্যেক কেন্দ্ৰতে একোজনকৈ কাম শিকোৱা কৰ্ম্মচাৰী (Demonstrator) দিয়া হৈছে। ইনিস্পেক্টৰ আৰু ডেমনষ্ট্ৰেটৰৰ তত্ত্বাৱধানত নাথাকিলে এই বিলাক সমিতি ভাল দৰে চলি থাকিব বুলি আশা কৰিব নোৱাৰি।

এই ইউনিয়ন বিলাকৰ ভিতৰত গুৱাহাটীৰ ইউনিয়ন আটাইতকৈ ভালদৰে চলিছে। ইয়াৰ অধীনত ৫টা গাখীৰৰ সমিতি আছে আৰু কোনো সমিতিয়ে চৰকাৰী টকা ধাৰলৈ লবলগীয়াত পৰা নাই। ইউনিয়নে লাভৰ টকাৰে নিজা অফিচ ঘৰ আৰু সাজ-সৰঞ্জাম আদি কিনি লৈ পাৰিছে।

(গ) জমিৰ উন্নতিৰ অর্থে সমিতি (Land Improvement Society)—এনেকুৱা সমিতি সুৰমা ভেলিত মাথোন এটা স্থাপিত হৈছে। এই সমিতিয়ে পথাৰত পানী যোগাবৰ নিমিত্তে মথাউৰিবন্ধা কাম হাতত লৈছে।

(ঘ) মাছৰ সমিতি (Fishery Society)—গুৱাহাটী আৰু ডিব্রুগড়ত দুটা মাছ বিক্রি কৰা সমিতি পতা হৈছে। গুৱাহাটীতকৈ ডিব্রুগড়ৰ সমিতি ভালদৰে চলিছে।

(ঙ) পৰস্পৰৰ সহায়ৰ অর্থে পতা সমিতি (Mutual Benefit Society)—অসমত এনেকুৱা ৫টা সমিতি স্থাপিত হৈছে। গুৱাহাটী আৰু ডিগবইৰ সমিতিৰ পৰা ভালদৰে কাম হব বুলি আশা কৰিব পাৰি।

(চ) সমবায় বীমা সমিতি (Co-operative Insurance Society)—চিলঙত Eastern India

Co-operative Insurance Society নাম দি নতুনকৈ এটা সমিতি পতা হৈছে।

(ছ) গাওঁৰ উন্নতি সাধিনী সমিতি (Village welfare and better living Society)—সুৰমা-ভেলিৰ আঠালিয়াত "আঠালিয়া সমবায় সেবা সঙ্ঘ" ভানুগাছত "ভানুগাছ সমবায় পল্লীমঙ্গল সমিতি" আৰু পাহাৰপুৰৰ "শ্ৰীৰামকৃষ্ণ পল্লসংস্কাৰ সমিতি" উল্লেখ যোগ্য। আঠালিয়া সমিতিয়ে এটা আয়ুৰ্ব্বেদিক ঔষধালয় চলাবৰ চেষ্টা কৰিছে। ইয়াত বাজেও সুৰমা ভেলিৰ মাধবপুৰত গঙ্গানগৰ মাধবপুৰ ঋষি সমিতি (Ganga-nagar Madhabpur Rishi better living and Industrial Society Ltd.) আৰু হবিগঞ্জত হবিগঞ্জ মিউনিচিপালিটি জমাদাৰ সমিতি (Hobiganj Municipal Sweepers' Co-operative better living Society) নামে দুটা সমিতি খোলা হৈছে। এই সমিতি বিলাকে টকা ধাৰে দিয়াত বাজেও সভ্য সকলৰ আৰ্থিক আৰু নৈতিক উন্নতিৰ বাবে চেষ্টা কৰিবলৈ স্থিৰ কৰিছে। এই বিলাক সমিতি কিমান দূৰ কৃতকাৰ্য্য হব এতিয়াও স্থিৰ কৰিবৰ সময় হোৱা নাই।

(জ) নৈশ বিদ্যালয় (Night Schools)—নিৰক্ষৰতা গুছাবৰ অৰ্থে খেতিয়ক সকলক বাতিৰ আজৰি সময়ত লিখাপঢ়া শিকাবলৈ সমবায় বিভাগৰ পৰা কিছু পৰিমাণে চেষ্টা চলিছে। ১৯৩৮—৩৯ চনৰ বিপোৰ্টত অসম ভেলিত ২৪টা আৰু সুৰমা ভেলিত ৫১টা নৈশ বিদ্যালয়ৰ উল্লেখ আছে। অকল গুৱাহাটী চাৰ্কেলতে ১১টা সমিতি পতা হৈছে। ইয়াৰ আগৰ বছৰত সুৰমা ভেলিৰ নৈশ বিদ্যালয় বিলাকত সভ্যৰ সংখ্যা ১৮৪০ জন আছিল আৰু বিদ্যালয়

বিলাকলৈ গৈ ১০৬৪ জন মানুহে শিক্ষালাভ কবিছিল। অসম ভেলিব বিদ্যালয় বিলাক ত ৩২০ জন মানুহে শিক্ষালাভ কবিছিল। সুবমা ভেলিত সমিতি বিলাকব পবা শিক্ষকব দবমহা বাবে এই বছবত ৬১৫ টকা দিয়া হৈছে। সেই-দবে অসম ভেলিব সমিতি বিলাকব পবাও কিছু টকা দিয়া হৈছে। ১৯৩৭—৩৮ চনত চবকাবি সমবায় বিভাগব পবা এই বিলাক সমিতিব বাবে ৭২৫ টকা দিয়া হৈছে। বাহিবব পবা যি সাহায্য পোৱা হৈছে তাব ভিতবত বামকৃষ্ণ মিচনব দান অতি প্রশংসনীয়। কামৰূপ ক্ষত্রিয় সমিতি আৰু হবিগঞ্জ স্কুল আৰু মিউনিচিপালিটিয়েও অলপ অচবপ সাহায্য কবিছিল। গবর্ণমেণ্ট আৰু লোকেলবোর্ড, মিউনিচিপালিটি আদিব পবা সাহায্য নেপালে এই সমিতি বিলাক চলি থকা অসম্ভব।

(ঝ) সমবায় সংগঠন সমিতি (Co-operative Organisation Society):—সুবমা ভেলি সমবায় সংগঠন সমিতি, অপাব আসাম সমবায় সংগঠন সমিতি আৰু অসম ভেলি সমবায় সংগঠন সমিতি, এই তিনিটা সমবায় সংগঠন সমিতি খোলা হৈছে।

(ঞ) বোৱা কটা সমিতি (Weaving Society)—মাইকী মানুহক বোৱা কটা শিকাবব নিমিত্তে ঠায়ে ঠায়ে সমবায় সমিতি পতা হৈছে আৰু তাত নতুন নতুন চানেকিব বস্তু তৈয়াব কবিবব নিমিত্তে শিক্ষা দিয়াব ব্যবস্থা হৈছে।

(ট) শ্রীহট্ট নগবত মাইকী মানুহক মিতব্যয়িতা শিকাবব নিমিত্তে এটা Women's Co-operative Thrift and Home Saving Society পতা হৈছে। এই সমিতিয়ে আবম্ভনিবে পবা ভাল কাম দেখুবাইছে।

যোৱা কেইবা বছৰৰে পৰা অসমত ১৮টা কেন্দ্রীয় বেঙ্ক্ চলি আছে আৰু সেইবোৰৰ তলতীয়া সমিতিৰ সংখ্যা ১৮৩৭—৩৮ চনত ১১৯১টা হৈছে। ব্যক্তিগত ভাবে এইবোৰ সমিতিৰ অধীনত ৬৭৪ জন সভ্য আছে। সাধাৰণ অৰ্থ সঙ্কটৰ বাবে কেন্দ্রীয় বেঙ্ক্বোৰেও নানা প্রকাৰ বিপদৰ মাজেদি চলিব লগা হৈছে। তলতীয়া বেঙ্ক্ বিলাকক ধাৰে দিয়া টকা নিয়ম মতে আদায় নোহোৱাত সময়ে সময়ে ধান আদায় কৰাবো চেষ্টা চলিছিল। প্রথমতে, টকা পাবৰ অনুপযুক্ত সমিতিক টকা ধাৰে দিয়াৰ পৰা বিপদ বেছি হৈছে।

১১১। অসমৰ কেন্দ্রীয় সমবায় সমিতি (Central Banks in Assam.)

অসমৰ কেন্দ্রীয় বেঙ্ক্ বিলাকৰ মাজত চিলেট কেন্দ্রীয় বেঙ্কৰ নাম প্রথমতে উল্লেখ কৰিব লগীয়া। এই বেঙ্কৰ কাৰবাৰৰ পৰিমাণ আটাইতকৈ বেছি। অসম উপত্যকাৰ গুৱাহাটী, ধুবৰী, বিজনি, নলবাড়ী, বৰপেটা, নগাওঁ, তেজপুৰ, মঙ্গলদৈ, শিৱসাগৰ, যোৰহাট, গোলাঘাট ডিব্রুগড় আৰু উত্তৰ লক্ষীমপুৰ এই কেই ঠাইত কেন্দ্রীয় বেঙ্ক্ আছে। সুৰমা ভেলিৰ চিলেট, কাছাৰ, মৌলবী বাজাৰ, কৰিমগঞ্জ, হবিগঞ্জ এই কেই ঠাইত কেন্দ্রীয় বেঙ্ক আছে। সুৰমা ভেলিৰ সুনামগঞ্জ, হাইলাকান্দি এই দুই ঠাইতো দুটা কেন্দ্রীয় বেঙ্ক পতাৰ আৱশ্যক হৈছে।

যোৱা কেই বছৰত কেন্দ্রীয় বেঙ্ক্ বিলাকৰ লাভৰ পৰিমাণ তেনেই কমি গৈছে। তাৰ উপৰি নতুনকৈ হোৱা Money Lenders' Act আৰু Debt Conciliation Act আদিৰ বাবে বেঙ্কে পাবলগীয়া টকাৰ হানী হৈছে। প্রাদেশিক বেঙ্কে দীঘলীয়া দিনৰ বাবে টকা ধাৰে নিদিলে আৰু প্রাথমিক সমিতি বিলাকৰ উন্নতি

নহলে কেন্দ্রীয় বেঙ্ক্ ভালদবে চলিব নোৱাবে। কেন্দ্রীয় বেঙ্ক বিলাকব ওপবত মানুহে বিশ্বাস হেকৱালে সমুদায় সমবায় বিভাগটোৱে ধ্বংসলৈ যাব পাবে। এই কাবণে এই বিলাক বেঙ্ক্ যাতে ভালদবে চলিব পাবে তাব বাবে সাৱধান হোৱা উচিত। কেন্দ্রীয় বেঙ্ক বিলাকে তলতীয়া সমিতি বিলাকব তত্ত্বাবধান কবিবব নিমিত্তে উপযুক্ত সংখ্যক চুপাব ভাইজাব বখা নিতান্ত প্রয়োজন। ১৯৩৭—৩৮ চনত কেন্দ্রীয় বেঙ্ক্ বিলাকব মুঠ ৪৪ জন চুপাব ভাইজব আছিল আৰু তেওঁবিলাকব বাবে বেঙ্ক্বোৰে ২০৭৫৯্ টকা খবচ কবিছিল। চুপাব ভাইজাব বিলাকব খবচ বহন কবিবব নিমিত্তে গবর্ণমেণ্টব পবা এই বছবত ৩৪৮৮্ টকা দিয়া হৈছিল।

১১৪। অসম প্রাদেশিক বেঙ্ক (Assam Co-operative Provincial Bank.)

অসম প্রাদেশিক সমবায় বেঙ্কব ঠাই চিলং। ১৯৩৭-৩৮ চনত বেঙ্কব মুঠ সভ্যব সংখ্যা ৮৪ হয়। ইয়াবে ৩৩টা বিশেষ সভ্য (preference member) আৰু বাকী ৫১টা সাধাবণ সভ্য। অসমব কেন্দ্রীয় বেঙ্ক্ ১৮টা অকৃষি ঋণ সমিতি ৩১টা আৰু অঋণ সমিতি দুটাবে সৈতে মুঠ ৫১টা সাধাবণ সভ্য। এই বেঙ্কব অংশব টকাব পবিমাণ (subscribed capital) ২২০৮০০্ টকা আৰু ইয়াব মাজত আদায় পোৱা অংশব টকাব পবিমাণ (paid up share capital) ১১০৪০০্ টকা। এই বেঙ্কে ১৯৩৭—৩৮ চনত প্রায় ৯২০০্ টকা লাভ কবে। এই বেঙ্কব ওপবত সর্ব্ব সাধাবণব ইমান বিশ্বাস যে fixed depositব কাবণে অতি কম পবিমাণে সুত আৰু current depositব কাবণে মুঠ সুত নিদিয়াতো ডিপোজিট বখা টকাব পবিমাণ দিনক দিনে বাঢ়িহে গৈছে আনকি জমা

খবলৈ অহা মানুহব টকা অনেক সময়ত ফিবাই দিবলগীয়া হৈছে। বেঙ্কে ইচ্ছা কবিলে কাববাবব পবিমাণ আৰু বঢ়াব পাবে। এই বেঙ্কে কেন্দ্রীয় বেঙ্কবিলাকক ধাবে দিয়া টকাব সুতব পবিমাণ কমাই দিয়াত কেন্দ্রীয় বেঙ্ক বিলাকেও সাধাবণ প্রাথমিক সমিতি বিলাকব পবা লোৱা সুতব পবিমাণ কমাই দিব পাবিছে। ৺লেফ্‌টেনাণ্ট কর্ণেল বো চাহাব আবম্ভনিবে পবা এই বেঙ্কব চেয়াবমেন আছিল। তেখেতব আৰু বেঙ্কব উপযুক্ত চেক্রেটাবীব যত্নত এই বেঙ্কে অশেষ উন্নতি কবিছে।

এই বেঙ্কব অৱস্থা ইমান ভাল থকাতো ইয়াব বেলেগ এটা অফিচ ঘব হৈ মুঠাটো দেখিবলৈ অশোভন হৈছে। আন আন প্রদেশব প্রাদেশিক বেঙ্কবিলাকব দবে অসম প্রাদেশিক বেঙ্কবো সুকীয়া অফিচ ঘব আদি হোৱা উচিত।

দ্বাদশ অধ্যায়।

(২) অসমত সমবায়—অসমৰ সমবায় সমিতিৰ পৰিচালনা সম্বন্ধে আলোচনা।

১১৩। অসীমাবদ্ধ দায়িত্বৰ সমিতি আৰু "অসীমা-বদ্ধ দায়িত্ব"ৰ অৰ্থ-

অসমত অসীমাবদ্ধ দায়িত্বৰ কিছুমান কৃষিঋণ সমিতিত প্ৰথমতে অংশ বিক্ৰি কৰা নিয়ম নাছিল। কিন্তু এতিয়া সকলো বিলাক কৃষি সমিতিতে অংশ বিক্ৰি কৰা হয় আৰু এই বিলাক সমিতিত ৰেফেইচেন আৰু চুল্‌জ্‌ ডিলিট্‌চ্‌ৰ দুয়োটা প্ৰণালীকে মিহলাই লোৱা হৈছে। প্ৰকৃত ৰেফেইচেন সমিতি বিলাকত অংশ বিক্ৰি কৰি মূলধন (share capital) তুলিবৰ নিয়ম নাই আৰু লাভৰ টকাৰ ভাগ নহয় কিন্তু এতিয়া আমাৰ দেশত এই নিয়মৰ পৰিবৰ্ত্তন কৰা হৈছে। প্ৰত্যেক সভ্যই আঁঠ অনাকৈ ভৰ্ত্তি ফিজ দিব লাগে আৰু অংশৰ টকা উপবিধিত বন্ধা নিয়মে একেবাৰে বা পাঁচ বা দহ বছৰৰ মূৰত আদায় দিয়ে। অংশৰ টকা সম্পূৰ্ণ আদায় নোহোৱালৈকে ডিভিডেণ্ড্‌ দিয়া নহয় আৰু লাভৰ টকাৰ এটা অংশ বিজাৰ্ভ ফণ্ডত ৰখা হয়। অংশৰ টকা সম্পূৰ্ণকৈ আদায় হৈ উঠিলে সমিতি চলোৱা খৰচ বাদে বাকী লাভৰ টকাৰ অন্ততঃ শতকৰা ২৫্‌ টকা বিজাৰ্ভ ফণ্ডত ৰাখি বাকী খিনি ডিভিডেণ্ড্‌ দিয়া হয়।

সমিতি গাঁড়োতে সভ্য সকলে যাতে "অসীমাবদ্ধ দায়িত্বৰ" অৰ্থ লাভ দৰে বুজে তালৈ লক্ষ্য ৰাখিব লাগে।

"অসীমাবদ্ধ দায়িত্ব" কথাটো শুনোঁতে মানুহে ভয় পাব পাবে কিন্তু প্রকৃত অভিজ্ঞতাব পবা দেখা গৈছে যে সমিতিব সভ্য পাতোঁতে সাবধান হলে একো বিপদব আশঙ্কা নাই। প্রথমতে গাঁৱঁব সকলো মানুহক গোটাই তেওঁলোকক সমবায় প্রণালীটো ভাল দবে বুজাব লাগে আৰু সমিতি পতাত তেওঁলোকব প্রকৃত আগ্রহ আছে নে নাই ভাল দবে সুধি লব লাগে। আগ্রহ নথকা মানুহক সমিতিত লব নেলাগে। অন্ততঃ পোন্ধবজন মানুহব বিশেষ আগ্রহ দেখা নগলে সেই গাওঁত সমিতি পতা উচিত নহব। সভ্যব সংখ্যা অন্ততঃ পোন্ধব জন কবিবলৈ কোৱাব উদ্দেশ্য এই যেন ভবিষ্যতে দুই এজনে এবা দিলেও আইন মতে অন্ততঃ যি দহ জন সভ্যব আবশ্যক সেই কেই জন থাকে গৈ। তলত দিয়া নিয়ম কেইটা অসীমাবদ্ধ দায়িত্বব সমিতিত পালন কবা হয়। আটায়ে বুজিব যে এইবোব নিয়ম যথার্থৰূপে পালন কবিলে অসীমাবদ্ধ দায়িত্বপবা কেৱে ভয় পোৱাব কাবণ নাই।

(১) সভ্য নির্ব্বাচন কবোঁতে সাবধান হৈ ভাল মানুহকহে লব লাগে।

(২) সভ্য শ্রেণীব পবা নাম কটা আৰু সভ্য হৈ সোমোৱা দুয়োটা কথাই মানুহব সম্পূর্ণ ইচ্ছাধীন হব লাগে। ইয়াত কোনো প্রকাব বাধ্যতাব ভাব থাকিব নেলাগে।

(৩) যিবোব মানুহব পবা গোলমালব আশঙ্কা হয় তেওঁলোকক সমিতিব পবা খেদাই দিব লাগে।

(৪) ধাবলৈ টকা বিচবা প্রতিজন সভ্যক অধিক সংখ্যাই কিমানলৈকে ধাব দিব পবা হব তাক সাধাবণ সভাত স্থিব কবিব লাগে।

(৫) সমিতিয়ে ঊদ্ধ সংখ্যাই কিমান লৈকে টকা ধাৰ লব পাৰে সাধাৰণ সভাত স্থিৰ কৰিব লাগে।

(৬) প্ৰত্যেক সমিতিকে বিজাৰ্ভ ফণ্ড খুলিবলৈ বাধ্য কৰিব লাগে।

(৭) লাভৰ টকাৰ এটা নিৰ্দ্দিষ্ট অংশেৰেহে ডিভিডেণ্ড্ দিব লাগে।

(৮) সমিতিৰ হিচাব পত্ৰ আৰু সমিতি চলোৱা সম্বন্ধে অনুসন্ধান লবলৈ সকলো সভ্যৰে অধিকাৰ থাকিব লাগে।

(৯) অংশৰ বিক্ৰি বা হস্তান্তৰ অকল সমিতিৰ সভ্যৰ ভিতৰতহে হবলৈ দিব লাগে।

(১০) কোনো সভ্যই সমিতিৰ পৰা নাম কাটি যোৱাৰ দুবছৰলৈকে সমিতিৰ ধাৰৰ বাবে দায়ী থাকিব।

(১১) সমিতিৰ হিচাব পৰীক্ষা প্ৰত্যেক বছৰতে হব লাগে।

(১২) সভ্য সকলে মন কৰিলে সমিতি লোপ কৰিব পাৰিব লাগে।

(১৩) সমিতিৰ সকলো কথাতে সাধাৰণ সভাৰ প্ৰধান ক্ষমতা থাকিব লাগে।

(১৪) আয় উৎপন্ন থকা কাৰবাৰৰ বাবেহে টকা ধাৰলৈ দিব লাগে।

(১৫) বাইজৰ আগত সমিতিৰ কাৰ্য্যকলাপৰ বিবৰণ প্ৰকাশ হৈ থাকিব লাগে।

(১৬) সকলো সভ্যই সমিতিৰ কাৰ্য্যকলাপৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিব লাগে।

(১৭) সকলো সভ্যৰে সমান অৰ্থাৎ এটাকৈ ভোট থাকিব লাগে।

(১৮) সভ্যৰ তালিকা সদায় সম্পূৰ্ণ কৈ আৰু শুদ্ধ কৈ ৰখা হব লাগে।

১১৪। সমবায়ত যোগ দিয়া মানুহ কি প্ৰকাৰৰ হব লাগে।

কেতবোৰ মানুহৰ সমবায় প্ৰণালীৰ প্ৰতি বিশেষ মনোযোগ নাই, মাথোন তেওঁলোকে সমবায় সমিতিৰ পৰা কম সুতত টকা ধাৰ পাবলৈ বিচাৰে। এনেকুৱা মানুহৰে সমবায়ৰ সাফল্য হৈ নুঠে। যদি অন্ততঃ পোন্ধৰ জন মানুহৰ সমবায় প্ৰণালীৰ প্ৰতি আগ্ৰহ দেখা যায় আৰু ভবিষ্যতে নতুন নতুন মানুহ আহিবৰ আশা থাকে তেতিয়াহে অৰ্গেনাইজাৰে সভ্য হব খোজা মানুহ খিনিৰ চহি লৈ দৰখাস্ত দিব। যি এলাকাৰ ভিতৰত সমিতিৰ কাৰ্য্য চলিব সেই ঠাইত সভ্য সকলৰ মাজত ভালদৰে চিনাকি থাকিব লাগে আৰু যিমান পৰা যায় আটায়ে একে খেলৰ বা একে সমাজৰ হব লাগে। এটা সমিতিৰ অধীনত গাওঁ এখন হে থকা ভাল আৰু এখনতকৈ বেছি গাওঁ থাকিলে সেই গাওঁ কেইখন লগালগি কৈ থকা হব লাগে। কোনো গাওঁতে এখনতকৈ বেছি সমিতি থকা ঠিক নহয় কাৰণ তেনেকুৱা হলে দুটা সমিতিৰ মানুহৰ মাজত দলাদলিৰ ভাব ওপজিব পাৰে।

১১৫। অৰ্গেনাইজাৰৰ কৰ্ত্তব্য আৰু সাধাৰণ সভাত কৰিব লগীয়া কথা।

ইয়াৰ পিছত সভ্য সকলে অৰ্গেনাইজাৰে সৈতে এখনি সভাপাতি আবশ্যক হলে উপবিধি বিলাকৰ সালসলনি কৰি লব আৰু সভাৰ কাৰ্য্য বিবৰণি, আৰু সংশোধিত উপবিধি বিলাকৰ কেইবা কপি কৰি বেজিষ্ট্ৰাৰলৈ পঠিয়াবৰ নিমিত্তে অৰ্গেনাইজাৰৰ হাতত দিব।

সমিতি আৰু উপবিধি বিলাক বেজিষ্টাৰি হৈ উঠাৰ পিছত বেজিষ্ট্ৰেচন চাৰ্টিফিকেট আহি পালে অৰ্গেনাইজাৰে গাওঁলৈ গৈ দৰকাৰী বেজিষ্টাৰি বহি আদি দি আহিব। দৰখাস্তকাৰী সকলো সভ্যই সমিতিৰ সমজুৱাৰ বহিত চহি

কৰিব আৰু ভৰ্ত্তিফিজ জমা দিব। কোনো সভ্যই চহি দিব নেজানিলে টিপচহি দিব। যিবোৰ সমিতিত অংশ বিক্রি হয় তাত এই সময়তে সভ্য সকলে অংশৰ টকা জমা দিব। ভৰ্ত্তিফিজ আৰু অংশৰ টকা আদায় নোহোৱালৈকে কোনোৱে সভ্যৰ অধিকাৰ লাভ কৰিব নোৱাৰিব। ইয়াৰ পিছত অৰ্গেনাইজাৰে সৈতে এটা আৱশ্যনি সাধাৰণ সভা পাতি প্রথম বছৰৰ নিমিত্তে সমিতিৰ কাৰ্য্যকাৰক সকলক নিৰ্ব্বাচন কৰা হব। কাৰ্য্যকাৰক সকলৰ মাজত প্রধান হৈছে চেয়াৰমেন, চেক্রেটাৰী আৰু কাৰ্য্যকৰী সমিতিৰ অন্তঃত তিনজন সভ্য। এই সভাতে তলত লিখা বিষয় বোৰ স্থিৰ কৰা হয়।

(১) চলিত বছৰৰ ভিতৰত সমিতিয়ে কিমান টকা ধাৰে লব।

(২) একোজন সভ্যক ঊৰ্দ্ধ সংখ্যাই কিমানলৈকে টকা ধাৰে দিব পৰা হব।

(৩) ডিপোজিট ৰখা টকাৰ আৰু ধাৰ কৰা টকাৰ কি প্রকাৰ সুত হব।

(৪) সভ্য সকলক ধাৰে দিয়া টকাৰ ওপৰত কিমান হাৰে সুত লোৱা হব।

(৫) কাৰ্য্যকৰি সমিতিয়ে চলিত বছৰৰ ভিতৰত কাম চলাবৰ নিমিত্তে কিমান খিনি খৰচ (contingency expense) কৰিব পাৰিব।

সমিতিৰ কাৰ্য্যচলাৰ পিছত সাধাৰণ সভাই বছৰি বছৰি তলত লিখা কথাবোৰ আলোচনা কৰিব :—

(ক) যোৱা বছৰৰ কাৰ্য্যকৰি সভাৰ ৰিপোৰ্ট আৰু বছৰেকীয়া ৰিপোৰ্ট গ্রহণ।

(খ) হিচাপ পৰীক্ষকে দেখুৱাই দিয়া ত্ৰুটি বিলাকৰ আলোচনা।

(গ) সভাৰ তহবিলৰ টকা আৰু বেজিষ্টাৰি বহি আদি কাৰ জিম্মাত ৰখা হব।

(ঙ) সভাৰ প্ৰতিনিধি স্বৰূপে কেন্দ্ৰীয় সভাত মতামত দিবলৈ সভ্য নিৰ্ব্বাচন।

সভাৰ আলোচনাৰ বিষয় বিলাক কাৰ্য্য বিবৰণিৰ বহিত (Proceedings book) লিখি তাত চেয়াৰমেনৰ চহি লব।

সাধাৰণ সভা হৈ গলে কাৰ্য্যকৰি সমিতিৰ সভা এখন পাতিব লাগিব। কোনো সভ্যই টকা জমা থব খুজিলে সেই টকা ৰখা হব। ভৰ্ত্তিফিজ, চেয়াৰৰ টকা আৰু ডিপোজিটৰ টকাৰ পৰা, সভ্য সকলৰ মাজত কোনোজনৰ টকাৰ বিশেষ আবশ্যক হৈ উঠিলে তেওঁক ধাৰে দিয়া হব। কি দৰে ধাৰৰ দৰখাস্ত বিবেচনা কৰিব লাগে, কি দৰে টকা শোধ কৰাৰ কিস্তি স্থিৰ কৰিব লাগে আৰু কি দৰে বেজিষ্টাৰি বহিত লিখিব লাগে এই সকলো কথাকে অৰ্গেনাইজাৰ বা কেন্দ্ৰীয় চুপাৰভাইজাৰে বুজাই দিব। টকা ধাৰে লোৱা সভ্য সকলে, তেওঁলোকৰ জামিনদাৰ সকলে আৰু সাক্ষী সকলে বেজিষ্টাৰি বহিৰ নিৰ্দ্দিষ্ট ঠাইত চহি কৰিব। ধাৰ দি উঠি যি টকা বাকী থাকে তাক চেয়াৰমেনে বা যি জন ধন ভঁৱালি নিযুক্ত হয় তেওঁ বাখিব। সমিতিৰ তহবিলৰ টকা বেছি হলে পোষ্টাফিচ চেভিংচ বেঙ্কত জমা দিব আৰু চেভিংচ বেঙ্ক নেথাকিলে কেন্দ্ৰীয় সভাত জমা দিব নাইবা সাধাৰণ সভাই এই ৰাবে স্থিৰ কৰি দিয়া কাৰ্য্যকাৰকৰ হাতত থাকিব।

১১৬। কি দবে সমিতিলৈ টকা আহিব।

সমিতিব কাম নিয়ম মতে আৰম্ভ হোৱাৰ আগতে সমিতিলৈ কি কি উপায়ে টকা আহিব তাৰ স্থিৰ হব লাগে। সভ্য সকলে যিমান পাৰে নিজৰ পৰা সমিতিৰ মূলধন তুলিবৰ চেষ্টা কৰিব লাগে, কাৰণ মিতব্যয়িতা শিকোৱা আৰু নিজৰ টকা বচোৱাত সহায় কৰাই হৈছে সমিতিৰ ঘাই উদ্দেশ্য। সভ্য সকলে নিজে টকা সাঁচি তাক সমিতিত জমা থৈ সমিতিৰ ওপৰত যে তেওঁলোকৰ বিশ্বাস আছে সেইটো কার্য্যেৰে নেদেখুৱালে বাহিৰা মানুহৰ পৰা বিশ্বাস পোৱা টান হব। এই কামত সমিতি স্থাপন কৰোঁতা সকলৰ দায়িত্ব আৰু কৰ্ত্তব্যজ্ঞানৰ অতি আৱশ্যক। যিবিলাক সমিতিত সভ্যসকলৰ পৰা সৰহ পৰিমাণে টকা উঠে সেইবোৰ সমিতি প্ৰায়ে ভাল দবে চলা দেখা যায়, কাৰণ নিজা টকা আবদ্ধ থকা গতিকে সমিতিৰ উন্নতি কৰিবৰ নিমিত্তে সকলো সভ্যই বেছিকৈ যত্ন লয়। যিবিলাক সমিতিয়ে ঘাইকৈ বাহিৰৰ পৰা পোৱা টকাৰে কাৰবাৰ চলায় তেনেকুৱা সমিতিৰ সভ্য সকলক সমিতিৰ উন্নতিৰ অৰ্থে বেছি মনোযোগ দিয়া নেযায়।

প্ৰায়ে দেখা যায় যে গাওঁত যিখিনি মূলধন উঠে তাৰে সমিতিৰ কাম নিয়ম মতে চলাবলৈ নাটে। যদি সেই জিলা বা চবডিভিজনত কোনো চেণ্ট্ৰাল বেঙ্ক থাকে তেন্তে সমিতিয়ে তাত্তিফিজ দি আৰু অন্ততঃ এটা চেয়াৰ কিনি তাৰ সভ্য হব আৰু তেতিয়া কেন্দ্ৰীয় বেঙ্কৰ পৰা টকা ধাৰলৈ লবৰ অধিকাৰ পাব। যদি তেনেকুৱা কোনো বেঙ্ক নেথাকে তেন্তে সমিতিয়ে চাৰ্কেল ইনিস্পেক্টৰৰ জৰিয়তে দৰখাস্ত দি ৰেজিষ্ট্ৰাৰৰ অনুমতি লৈ আন কোনো সাধাৰণ কো-অপাৰেটিভ বেঙ্কৰ পৰা টকা ধাৰে লবৰ বন্দবস্ত কৰিব।

সভ্য হবলৈ কবা দবখাস্তব বিবেচনা আক সভ্যক টকা ধাবলৈ দিয়া কাম কার্য্যকবি কমিটিতে হব। চেয়াবমেন বা চেক্রেটবিয়ে নিজে এইবিলাক কাম কমিটিক নোসোধাকৈ কবিব নোৱাবে। সভ্য সকলক মিতব্যয়ী আক সমিতিব উন্নতিব অর্থে যত্নশীল হবলৈ সমিতিয়ে সদায় উদগনি দিব লাগে।

১১৭। সমিতিয়ে টকা ধাবলৈ দিওঁতে লক্ষ্য কবিব লগীয়া কথা।

দুবছবতকৈ দীঘলীয়া দিনব বাবে টকা ধাবলৈ দিয়া উচিত নহয়। টকা আদায়ব কিস্তি এনেদবে স্থিব কবিব লাগে যেন খেতিব উৎপন্ন শস্য বিক্রি কবি খেতিয়ক সকলে টকা দিবলৈ সুবিধা পায়। প্রকৃত উপকাব হোৱাব আশা নেদেখিলে কোনো সভ্যক টকা ধাবে দিব নেলাগে। যেতিয়া কোনো সভ্যই লাভজনক কামত খটাবলৈ টকা বিচাবে, তেওঁব দবখাস্ত আন দবখাস্তব আগতে বিবেচনা কবিব লাগে। ধাবব বাবে নিজা ব্যক্তিগত জামিনত বাজে (personal security) আন জামিন বিচাবিব নেলাগে। কোনো বিশেষ অবস্থাত কেতিয়াবা মাটি বন্ধক লব পবা হয় কিন্তু অন্যাবব সম্পত্তিব জামিন কেতিয়াও লোৱা নহয়। ব্যক্তিগত জামিনক (personal security) হে আটাইতকৈ আগ ঠাই দিব লাগে কাবণ সভ্য সকলব নিজ চবিত্র আক নৈতিক জীবনব মূল্য আন আটাইতকৈ বেছি।

কিস্তি অনুসাবে যাতে টকা আদায় হয় তাব বাবে অকল কার্য্যকবি সমিতিব সভ্যই নহয় আন সকলো সভ্যয়ে সদায় লক্ষ্য বাখিব লাগে। যদি কোনো সভ্যই ইচ্ছা কবি সময় মতে টকা আদায় নিদিয়ে তেনেহলে যিমান সত্তব সোনকালে আইন অনুযায়ী কার্য্য কবা হব লাগে আক টকা আদায় হোৱাব পিছত তেনেকুৱা সভ্যক সমিতিব

পৰা খেদাই দিব লাগে। যি সভ্যাই সমিতিৰ প্ৰতি বিশ্বাসঘাতকতা কৰে তেনেকুৱা সভ্যৰ প্ৰতি কোনে, অনুগ্ৰহ দেখুওৱা উচিত নহয়।

সভ্য সকলে যিদৰে সময় মতে কিস্তিৰ টকা আদায় দিব লাগে সেই দৰে সমিতিয়েও কেন্দ্ৰীয় বেঙ্ক আদিৰ পৰা যি টকা ধাৰলৈ আনে তাক নিয়ম মতে সোধাৰ লাগে। সমিতিৰ কামত যাতে প্ৰত্যেক সভ্যই চকু দিয়ে তালৈ লক্ষ্য ৰাখিব লাগে আৰু একে মানুহকে বছৰি বছৰি কাৰ্য্যকাৰক পাতিব নেলাগে। কোনো কোনো ঠাইত এনে দেখা যায় যে প্ৰকৃততে একেজন মানুহেই সমিতিৰ সৰ্ব্বময় কৰ্ত্তা হৈ পৰে আৰু তেওঁৰ ইচ্ছামতেই সকলো কাম হয়। এনেকুৱা হলে সমবায়ৰ আদৰ্শ বিফল হয়।

১১৮। মূল দহোটা কথা

গাৱঁলীয়া ঋণ সমিতিত মনত ৰাখিব লগীয়া মূল দহোটা কথা এই :—

১। সমবায়ৰ উদ্দেশ্য হৈছে মানুহক সঞ্চয় কৰিবলৈ শিকোৱা, কম সুতত টকা ধাৰে দিয়া আৰু সভ্য সকলক ঋণৰ পৰা মুক্ত হবলৈ শিকোৱা।

২। সভ্য সকলৰ মাজত পৰস্পৰৰ ঘনিষ্ঠ ভাবে পৰিচয় থাকিব লাগে। কোনো দুশ্চৰিত্ৰ বা নতুনকৈ অহা অচিনাকি মানুহক সমিতিত লব নেলাগে।

৩। সমিতিয়ে টকা জমা থোৱা মানুহৰ পৰা নাইবা বাহিৰা মানুহ বা বেঙ্ক আদিৰ পৰা যি ধাৰ কৰে তাৰ বাবে সকলো সভ্যৰে অসীমাবদ্ধ দায়িত্ব থাকিব লাগে। এইবাবে যাতে উপযুক্ত ঠাইত উপযুক্ত কাৰণত হে টকা ধাৰলৈ দিয়া হয় আৰু ধাৰে দিয়া টকা সময় মতে আদায় হয় তাৰ বাবে সকলো সভ্যই যত্ন লব লাগে।

৪। কার্য্যকবি কমিটিব কাম হৈছে মূলধন যোগাব কবা সভ্য সকলক কি পবিমাণে ধাব দিয়া হব তাব স্থিব কবা, ধাবে দিযা টকা সময়মতে আদায় হৈছে নে নাই তালৈ লক্ষ্য বখা আৰু সমিতিব হিচাব পত্র ভালকৈ বখা হৈছে নে নাই তালৈ চকু বখা।

৫। সভ্যসকলক যি উদ্দেশ্যত টকা ধাবে দিয়া হয় তেওঁলোকে ঠিক সেই উদ্দেশ্যত হে টকা খবচ কবিব লাগে। খেতিব বাবে, গৰু মহ নাইবা আন সজুলি যোগাব কবিবব বাবে দুই বা তিনি বছবব কাবণে টকা ধাবে দিয়া যাব পাবে। জমিব উন্নতিব বাবে নাইবা পুখুণি ধাব পবিশোধ কবিবব বাবে পাঁচ বছবলৈকেও টকা ধাবে দিয়া যাব পাবে।

৬। কার্য্যকবি কমিটিয়ে যি সময় স্থিব কবি দিয়ে ঠিক সেই সময়ত সকলো টকা আদায় হব লাগিব। যদি বিশেষ কাবণত টকা আদায় নহয় তাব বাবে বিবেচনা কবি কমিটিয়ে এবাবলৈ সময় দিব পাবে।

৭। সাধাবণ সভ্যই কার্য্যকবি কমিটি পাতি দিব আৰু চেক্রেটবি নিযুক্ত কবিব, বছবি বছবি সমিতিব আয় ব্যয়ব তালিকা (balance sheet) আৰু হিচাব পবীক্ষকব মন্তব্য সম্বন্ধে আলোচনা কবিব, কার্য্যকবি কমিটিয়ে কবা কামব বিচাব কবিব আৰু যদি কোনো দোষ ধবা পবে সেই সম্বন্ধে যথোচিত ব্যবস্থা কবিব।

৮। লাভব এটা নির্দ্দিষ্ট অংশ সদায় বিজার্ভ ফণ্ডলৈ নিবই লাগিব। বিজার্ভ ফণ্ড থকাব গুণে সমিতিব আর্থিক অবস্থাব প্রতি সর্ব্বসাধাবণব বিশ্বাস আহে আৰু অসীমাবদ্ধ দায়িত্বব পবা সভ্য সকলব কোনো প্রকাব বিপদ ঘটিব

নোৱাৰে। বিজার্ভ ফণ্ডৰ টকা আটাই সভ্যৰে উমৈহতীয়া বুলি ধৰিব লাগে।

৯। সমিতিৰ মূলধন গঠিত হয় সভ্য সকলৰ ডিপোজিটৰ পৰা, আন মানুহে থোৱা ডিপোজিটৰ পৰা আৰু চেণ্ট্রাল বেঙ্কৰ পৰা পোৱা ধাৰৰ পৰা।

অংশীদাৰ সকলৰ মতঅনুসৰি কেন্দ্রীয় বেঙ্ক পৰিচালিত হয়। যদি প্রাথমিক সমিতিযে কেন্দ্রীয় বেঙ্কৰ অংশ কিনে তেন্তে কেন্দ্রীয় বেঙ্ক্ চলোৱা বিষয়ে প্রাথমিক সমিতি বিলাকৰো মতামত প্রকাশ কৰিবৰ অধিকাৰ থাকিব।

১০। সদায় এইটো কথা মনত ৰাখিব লাগে যে ৰেজিষ্ট্রাৰে যদিও হিচাব পৰীক্ষা কৰোৱাই সমিতিক দৰকাৰ মতে আদেশ দিয়ে, তথাপি সমিতি চলোৱাৰ প্রকৃত-দায়িত্ব হৈছে সমিতিৰ সভ্য সকলৰ নিজৰ ওপৰতহে। চৰকাৰে সভ্যসকলৰ হৈ সকলো খিনি কামকে কৰি দিব নোৱাৰে। সভ্যসকলে যিমানেই নিজে নিজে কাম চলায় সমবায়ৰ উদ্দেশ্য সিমানেই সফল হয়।

১১৯। সীমাবদ্ধ দায়িত্বৰ অকৃষি ঋণ সমিতি (Non Agricultural Societies with limited liability)

অসীমাবদ্ধ দায়িত্বৰ কৃষিঋণ সমিতি সম্পর্কে যি কোৱা হৈছে তাৰে প্রায় খিনি কথা সীমাবদ্ধ দায়িত্বৰ অকৃষিঋণ সমিতিতো খাটে। এই সমিতি বিলাকৰ কার্য্যক্ষেত্র প্রায়ে নগৰত আৰু সেইবাবে এই বিলাকক নগৰীয়া বেঙ্ক (Urban Bank) বুলিও কোৱা হয়। চৰকাৰী, লোকেলবোর্ড আৰু মিউনিচিপালিটি আদিৰ কর্ম্মচাৰী আৰু নানা বিধৰ ব্যবসায়ত থকা মানুহে এনেকুৱা সমিতি পাতে। ইয়াত সভ্য সকলৰ দায়িত্ব তেওঁলোকৰ অংশৰ অনুপাতে হয়। সমিতিয়ে অংশ বিক্রি কৰি যি টকা পায় তাৰে জামিন দি মূলধন গোটায়। টকা ধাৰলৈ দিওঁতে কম দিনৰ বাবে দিয়া হয় আৰু ধাৰৰ

টকা প্রায়ে সোনকালে আদায় হয়। কোনো কোনো ঠাইত মাহিলি কিস্তি কবিও টকা আদায় কবা হয়। কৃষি সমিতিব একোজন সভ্যক যি পবিমাণে টকা ধাব দিয়া হয় ইয়াত তাত কৈ বেছি পবিমাণে দিয়া হয়। সভ্যসকলে সমিতিত থোৱা জমা টকাব আৰু তেওঁলোকব মাটি বাবিবো জামিন লোৱা হয় কিন্তু সভ্য সকলে কিনা অংশ জামিন হিচাবে লোৱা নহয়।

কৃষি সমিতিত কৈ এইবোব নগবীয়া ঋণ সমিতি প্রায়ে ভালদবে চলা দেখা যায়। ব্যবসায়ী মানুহব আৰু চবকাবী কর্ম্মচাবী সকলব নিয়মিত সময়ত টকাব লেন দেন কবা অভ্যাস থকা গতিকে আৰু বেঙ্কব কামত বেছি পবিমাণে অভিজ্ঞতা থকা গতিকে এনেকুৱা বেঙ্ক চলোৱাত বেছি দিগ্‌দাবি নাই। এনেকুৱা বেঙ্কত কিন্তু আন এটা বিপদব আশঙ্কা থাকে। সেয়ে হৈছে এইযে সভ্যসকলব দায়িত্ব সীমাবদ্ধ আৰু সেইবাবে যেতিয়ালৈকে এওঁলোকে ডিভিডেণ্ড পাই থাকে তেতিয়ালৈকে বেঙ্ক কিপ্রকাব চলিছে তাব একো খবব নকবে। সমিতিব সকলোখিনি কামবে ভাব কেইজন-মান ডাইবেক্টবব ওপবত থাকে আৰু প্রায় একে মানুহকে বছবি বছবি ডাইবেক্টব পতা হয়। সমবায়ব প্রকৃত আদর্শ লৈ চাই সভ্যসকলব মাজত সক-বব ভাব থাকিব নেলাগে আৰু সকলো সভ্যবে সমিতিব প্রতি সমান আগ্রহ থাকিব লাগে। এনেকুৱা সমিতিত মাথোন কেইজনমান সভ্যব হে আধিপত্য হৈ উঠা মুঠে বাঞ্ছনীয় নহয়। ডাইবেক্টব সকলব আৰু আন আন বাব লোৱা মানুহব সাল সলনি হৈ থাকিব লাগে। আৰু এটা কথা চাব লাগে যেন সমবায় সমিতি এনেকুৱা এটা ডাঙৰ অনুষ্ঠান হৈ নেযায় য'ত সভ্যসকলব মাজত কোনো প্রকাব ঘনিষ্ঠ পবিচয় থকা অসম্ভব। তেনেকুৱা

হলে সমিতিত সমবায়ৰ ভাবটো লাহে লাহে হ্রাস হৈ আহে।

কোনো বিশেষ কাৰখানাত কাম কৰা বস্তুৰা বা কোনো এটা বিশেষ বিভাগৰ কৰ্ম্মচাৰী সকলৰ মাজত অকৃষি-ঋণ সমিতি বেগেতে হৈ উঠিব পাৰে। এই বিলাক সমিতিৰ প্ৰধান উদ্দেশ্য হৈছে মিতব্যয়িতা শিকোৱা। প্ৰত্যেক সভাকে নিজ অৱস্থা অনুসৰি দৰমহাৰ এটা অংশ বঁচাই সমিতিত জমা থবলৈ বাধ্য কৰা হয়। এনেকুৱা সমিতিত মাহে মাহে টকা আদায় পোৱাত বেছি অসুবিধা নহয়। কেতিয়াবা সভা-সকলৰ কিস্তিৰ টকাখিনি দৰমহাৰ পৰা বাহিৰে বাহিৰে আদায় কৰি ৰখা হয়। কোনো বিশেষ এটা বিভাগৰ কৰ্ম্মচাৰী সকলৰ সমিতিৰ কাম ভালদৰে চলাবৰ অৰ্থে সেই বিভাগৰ ওখ কৰ্ম্মচাৰী এজনক সভাপতি (Ex-officio President) পতা হয়।

১২০। অসমৰ সমবায় আন্দোলনৰ কেইটামান ত্ৰুটি আৰু তাক দূৰ কৰিবৰ উপায়।

অসমৰ সমবায় আন্দোলনলৈ চালে তলত লিখা কথা কেইটা মনত পৰে :—

(ক) সমবায় বিভাগত বিশেষ শিক্ষা পাই অহা কৰ্ম্মচাৰী উপযুক্ত পৰিমাণে নাই আৰু বেচৰকাৰী (honorary) কৰ্ম্মী সকলৰ পৰাও আশানুৰূপ কাম হোৱা নাই। ইয়াৰ উপৰি বেঙ্ক বিলাকৰ ডাইৰেক্টৰ সকলৰ মাজত বেছি ভাগৰে বেঙ্ক চলোৱানীতি আৰু কাৰ্য্য প্ৰণালী (theory and practice) সম্বন্ধে যথেষ্ট অভিজ্ঞতা নাই। অসম গৱৰ্ণমেণ্টে এতিয়ালৈকে সমবায় শিক্ষাৰ অৰ্থে মাথোন দুজন কৰ্ম্মচাৰীক পাঞ্জাবলৈ পঠিয়াইছে। শিক্ষালাভ কৰি অহাৰ পিছত তেওঁলোকক Co-operative Education Inspector নিযুক্ত কৰা হৈছে। তেওঁলোকে আন আন

সমবায় ইনিস্পেক্টৰ সকলে সৈতে আলোচনাৰ বাবে Refreshers' class খোলা, সভ্যসকলৰ নিৰক্ষৰতা দূৰ কৰা ইত্যাদি কাম হাতত লৈছে। এইদৰে লাহে লাহে সমবায় বিভাগৰ আটাই বিলাক কৰ্ম্মচাৰীয়ে বিশেষ শিক্ষা পাই অহা উচিত আৰু তেওঁলোকে প্ৰাথমিক সমিতিৰ চেক্ৰেটৰি, কেন্দ্ৰীয় বেঙ্কৰ চেক্ৰেটৰি, ডাইৰেক্টৰ আদি সকলোকে সমবায় সম্বন্ধে আবশ্যকীয় শিক্ষা দিবলৈ যত্ন কৰিব লাগে।

(খ) মাজে সময়ে বেঙ্কৰ কৰ্ম্মচাৰী সকলে বেনামি কৈ নিজৰ বাবে টকা লোৱা আৰু জাল কৰি টকা খোৱাও দেখা গৈছে।

(গ) বেঙ্ক বিলাকত আনক দিবলগীয়া টকা ঠিক সময়ত সোধাবৰ নিমিত্তে উপযুক্ত পৰিমাণে চল্‌তি পুঁজি (fluid resource) ৰখা নহয়।

(ঘ) বাকীকৈ বস্তু দিয়া বাবে বহুত সমবায় ভঁৰাল ধ্বংস হৈছে।

(ঙ) টকা ধাৰলৈ দিওঁতে যথেষ্ট সাবধানতা নোলোৱা বাবে বহুত বিপদ আহি দেখা দিছে।

(চ) কিছুমান প্ৰাথমিক সমিতি পাতোঁতে যথেষ্ট সাবধানতা লোৱা হোৱা নাই। এসময়ত উন্নত শ্ৰেণীৰ সমিতি পতাতকৈ সমিতিৰ সংখ্যা বৃদ্ধিৰ বাবেহে চেষ্টা কৰা হৈছিল, আৰু এতিয়া তাৰ পৰা বিপদ ঘটিছে।

(ছ) অসমত অকল ঋণ সমিতিৰ হে কাম চলিছে বুলিব পাৰি। অন্যান্য প্ৰকাৰৰ সমবায়ৰ পৰিমাণ অতি অলপ।

(জ) সমবায় নীতি প্ৰচাৰৰ কাম ইমান দিনে পেলাই

থোৱা হৈছিল। চৰকাৰে আৰু আমাৰ দেশৰ মানুহে এতিয়াহে এই বিষয় মনোযোগ দিব লাগে বুলি বুজিছে।

অসম বেঙ্ক্ তদন্ত কমিটিয়ে অসমৰ সমবায়ৰ যিবিলাক ত্রুটি আছে তাৰ প্রতিকাৰৰ অর্থে তলত লিখা মর্ম্মে প্রস্তাব দিছিল :—

চৰকাৰী কৃষি বিভাগ আৰু সমবায় বিভাগ দুয়োটাই পৰস্পৰৰ সহযোগে কাম কৰিব লাগে। এই দুয়ো বিভাগৰ কার্য্যক্ষেত্র একে বুলি ধৰিব পাৰি। অৱশ্যে সমবায় বিভাগৰ ৰেজিষ্ট্রাৰ আৰু কৃষি বিভাগৰ অধ্যক্ষ বেলেগ বেলেগ কর্ম্মচাৰী হব লাগে আৰু এই দুয়ো বিভাগেই বিশেষজ্ঞৰ হাতত হে থাকিব লাগে।

জিলাৰ আৰু মহকুমাৰ অধ্যক্ষ সকলে সমবায় আন্দোলনৰ সফলতাৰ বাবে যত্ন লব লাগে আৰু সর্ব্ব-সাধাৰণৰ মনত যাতে এই আন্দোলনৰ প্রতি সহানুভূতি ওপজে তাৰ বাবে চেষ্টা কৰিব লাগে। গাৱঁলীয়া পঢ়াশালীৰ শিক্ষক আৰু হাই স্কুল কলেজৰ সকলো ছাত্রই যাতে সমবায় সম্বন্ধে কিছু জ্ঞান পায় তাৰ বাবে যত্ন লব লাগে। গাৱঁলীয়া সমিতি বিলাকৰ সংখ্যা বৃদ্ধি কৰাতকৈ যিবোৰ সমিতি আছে সেইবোৰকে ভালদৰে গঠন কৰাৰ প্রতিহে বেছি মনোযোগ দিয়াৰ দৰকাৰ। গাৱঁলীয়া সমিতি পাতোঁতে প্রথমতেই কেতবোৰ কথাত বিশেষ সাবধান হব লাগে। সমিতিৰ এলাকাৰ পৰিমাণ বৰ বিস্তৃত হোৱা নাইবা একেটা সমিতিতে সভ্যৰ সংখ্যা বৰ বেছি হোৱা অনুচিত। অসমত বর্ত্তমান যি দুই এখন সমবায় সংগঠন সমিতি হৈছে তাৰ কামত আটায়ে বিশেষ উৎসাহ দিয়া আবশ্যক। গাৱঁলীয়া কোনো কোনো ঠাইত

সুতৰ বাবে ধান ধাৰলৈ দিয়া যি নিয়ম আছে তাক বন্ধ কৰা উচিত। ধানৰ সমবায় ভঁৰাল আৰু গাৱঁলীয়া সাধাৰণ সমবায় সমিতিৰ সহায়েৰে এই অভাৱ দূৰ কৰিবৰ চেষ্টা কৰা উচিত। চৰকাৰী কৃষি বিভাগে উত্তম শস্যৰ বীজ গাৱঁলীয়া মানুহৰ মাজত বিলায়। এই বিলোৱা কামত গাৱঁলীয়া সমবায় সমিতি বিলাকেও যত্ন লব লাগে। জাতীয় গঠনমূলক কামত নিযুক্ত থকা যি কেইটা চৰকাৰী বিভাগ সেই আটাইবিলাকে পৰস্পৰৰ মাজত আঁৰিয়া আঁৰিৰ ভাব এৰি দি একেলগ হৈ বায়তৰ উন্নতিৰ বাবে যত্ন লবলাগে।

সকলোবোৰ প্ৰাথমিক কৃষি সমিতিয়ে কেন্দ্ৰীয় বেঙ্কৰ লগত যুক্ত হব লাগে। যদি কোনো মহকুমাত কেন্দ্ৰীয় বেঙ্ক্ নেথাকে তাত জিলাৰ প্ৰধান কেন্দ্ৰীয় বেঙ্কৰ পৰা সাহায্য লোৱাৰ বন্দবস্ত হব লাগে। আৰু ইয়াৰ বাবে এজন অতিৰিক্ত পৰিদৰ্শক নিযুক্ত হোৱা উচিত। প্ৰাথমিক সমিতি বিলাকে কিস্তিৰ টকা আদায় দিয়া সম্বন্ধে বিশেষ ভাবে যত্ন লব লাগে।

কেন্দ্ৰীয় বেঙ্ক বিলাকৰ বিজাৰ্ভ ফণ্ড টনকীয়াল হব লাগে আৰু আবশ্যক হলে পাৰ পৰাকৈ হাতত উপযুক্ত পৰিমাণে চল্‌তি টকা (fluid resource) থাকিব লাগে। কেন্দ্ৰীয় বেঙ্কত যুক্ত হোৱা প্ৰাথমিক সমিতিবোৰৰপৰা কেন্দ্ৰীয় বেঙ্কৰ মিটিঙত উপস্থিত থাকিবৰ নিমিত্তে যাতে উপযুক্ত পৰিমাণে প্ৰতিনিধি নিৰ্ব্বাচিত হয় আৰু তেওঁলোকে যাতে মিটিঙলৈ যোৱাৰ বাবে উপযুক্ত পৰিমাণে খৰচ (allowance) পায় তাৰ ব্যৱস্থা হব লাগে। কেন্দ্ৰীয় বেঙ্কে আদায় কৰিবলৈ বাকী থকা টকাৰ বিষয়ে ৰেজিষ্ট্ৰাৰৰ বছৰেকীয়া ৰিপোৰ্টত আলোচনা হব লাগে। গাৱঁলীয়া

সমিতি বিলাক কেন্দ্রীয় বেঙ্কলৈ টকা ঋনি-অৰ্ডাৰ কৰোঁতে যি কমিচন দিয়ে, গৱৰ্গমেণ্টে তাৰে টকাত চাৰি অনাকৈ মাফ দিয়া উচিত।

প্রাদেশিক আৰু কেন্দ্রীয় বেঙ্কে উদ্‌বৃত্ত টকা জমা ৰাখি কাৰবাৰি বেঙ্ক (Commercial Bank) বোৰৰ লগত সম্পর্কে ৰখা উচিত। ইয়াৰ ফলে টানৰ সময়ত সেইবিলাক বেঙ্কৰ পৰা সাহায্য পোৱাৰ আশা কৰিব পাৰি। লোকেলবোর্ড আৰু পঞ্চায়ত আদিৰ হাতত থকা টকা আৰু স্থানীয় প্রভিডেণ্ট ফণ্ড আৰু ঠিকাদাৰ আদিৰ হাতত থকা টকা ৰেজিষ্ট্রাৰৰ অনুমতি অনুসাৰে কেন্দ্রীয় বেঙ্ক বিলাকৰ হাতত জমা ৰখাৰ ব্যবস্থা কৰা উচিত।

গাৱঁলীয়া ঋণ সমিতি বিলাকত যিবোৰ সভ্যই পূৰ্ব্বৰ ঋণ পৰিশোধ কৰিবৰ নিমিত্তে টকা বিচাৰে তেওঁলোকে তিনিবছৰৰ ভিতৰত সেই ধাৰ পৰিশোধ কৰাৰ আশা নেথাকিলে তেনেকুৱা ধাৰ নামঞ্জুৰ কৰিব লাগে।

যদি কোনো খেতিয়কে খেতিৰ শস্য পকি উঠিলেই সোধাৰৰ অঙ্গীকাৰ কৰি কম সময়ৰ বাবে টকা (short term loan) বিচাৰে তেনেহলে কেন্দ্রীয় বেঙ্কে নগদ টকাৰ পৰিবর্ত্তে নোট (pronote) দি কম সুতত টকা ধাৰ দিয়াৰ ব্যবস্থা হোৱা উচিত। কোনো সভ্যক এইদৰে সময় বঢ়াই দিব লগীয়া হলে ভবিষ্যতলৈ সাবধান কৰি দি কিস্তিৰ সময় ঠিক কৰি দিয়া উচিত। কিস্তিমতে আদায় নহৈ থকা টকাৰ হিচাবৰ বাবে কেন্দ্রীয় সমিতি আৰু গাৱঁলীয়া সমিতিয়ে বেলেগ একোখন বহি ৰখা যুগুত।

সমিতিত সৰহ দিনলৈ টকা জমা থবলৈ উৎসাহ দিবৰ অর্থে পাঁচ বছৰ বা তাৰ বেছি দিনলৈকে টকা ডিপোজিট

ধৰা মানুহৰ সুত ইন্‌কম টেক্সৰ পৰা মাফ দিয়া উচিত বুলি কমিটিয়ে প্ৰস্তাব কৰে। কিন্তু ভাৰতীয় তদন্ত কমিটিয়ে এই বিষয়ে মত দিয়া নাই।

প্ৰাদেশিক বেঙ্কত বেঙ্ক্‌ বিষয়ত অভিজ্ঞতা থকা মেনেজাৰ এজন দৰমহা দি নিযুক্ত কৰা উচিত। মফছলৰ প্ৰতিনিধি সকলে যাতে দৰকাৰী মিটিং বিলাকত উপস্থিত থাকে তাৰ বাবে অহা যোৱাৰ খৰচ দিও তেওঁলোকক উৎসাহ দিয়া উচিত। প্ৰাদেশিক বেঙ্ক পৰিচালনাত অংশ কিনা মানুহক যুক্ত হোৱা সমিতি বিলাকৰহে প্ৰভাব বেছি হোৱা উচিত।

কেন্দ্ৰীয় বেঙ্কৰ পৰা টকা ধাৰ পাবৰ কাৰণে প্ৰাদেশিক বেঙ্কলৈ যিবিলাক দৰখাস্ত আহে সেইবোৰৰ নিষ্পত্তি হোৱাত অযথা পলম হোৱা অনুচিত।

এচি.ষ্টণ্ট ৰেজিষ্ট্ৰাৰৰ কামত অসম চিভিলচাৰ্ভিচৰ কৰ্ম্মচাৰী এজন নিযুক্ত হোৱা উচিত আৰু অন্ততঃ এজন সমবায় বিভাগৰ নতুন কৰ্ম্মচাৰীক পাঞ্জাব বা বোম্বাইলৈ পঠাই সমবায় সম্বন্ধে বিশেষ শিক্ষা দিয়াই আনি এচিষ্টেণ্ট ৰেজিষ্ট্ৰাৰৰ লগত অতিৰিক্ত ভাবে কাম কৰিবলৈ দিয়া উচিত।

কেন্দ্ৰীয় বেঙ্কে নিযুক্ত কৰা চুপাৰভাইজাৰ আৰু ইনিস্পেক্টৰ সকলে যাতে পৰস্পৰৰ মাজত আঁৰিয়া আঁৰি নেহোৱাকৈ নিজ নিজ কৰ্ত্তব্য কৰিব পাৰে তাৰ বাবে কেন্দ্ৰীয় বেঙ্কে যত্ন লব লাগে। অসম তদন্ত কমিটিয়ে ৰিপোৰ্ট দিয়া সময়ত অসমত ১১ জন সমবায় ইনিস্পেক্টৰ আছিল। কমিটিয়ে কয় যে আৰু তিনজন ইনিস্পেক্টৰ আৰু গাৱঁলীয়া সমিতিৰ হিচাব পৰীক্ষাৰ কাৰণে ৭ জন

হিচাব পবীক্ষক নিযুক্ত হব লাগে। হিচাব পবীক্ষক সকলব বাবে যি খবচ হয় তাক গাৱঁলীয়া সমিতিবোৰে দিয়া উচিত। গাৱঁলীয়া সমিতিব হিচাব পবীক্ষক সকলে প্রাদেশিক আৰু বিভাগীয় হিচাব পবীক্ষক সকলব পবা শিক্ষা পাই আহিব লাগে।

গাৱঁলীয়া সমিতিব চেক্রেটবী সকলে খবচ বাদে বাকী লাভব টকাব ওপবত শতকবা ২৫্ টকাকৈ পাৰিশ্রমিক পোৱা উচিত। চেক্রেটবীয়ে সদায় লক্ষ্য বাখিব লাগে যেন সমিতিব কাম ভালদবে চলে আৰু আদায় হবলগীয়া টকাব শতকবা ২৫্ টকাতকৈ বেছি পবিমাণে বাকী নেথাকে। চেক্রেটবী সকলে সমিতিব হিচাবব বহিত প্রত্যেক তাবিখলৈকে পূবাকৈ হিচাব বখা নিতান্ত কর্ত্তব্য।

[সমাপ্ত]

(A). A select bibliography of Co-operative literature.

Bhatnagar—Co-operative Organisation in British India.

Brahma K. V.—Law of Co-operative societies in India and Burma.

Calvert H.—The Law and Principles of Co-operation in India.

Catherine Webb—Industrial Co-operation.

Charles Gide—Consumers' Co-operative Societies.

Cotta—Agricultural Co-operation in Fascist Italy.

Darling M. L.—Some Aspects of Co-operation in Germany.

Faber H.—Co-operation in Danish Agriculture.

Fay C. R.—Co-operation at Home and Abroad.

Gordon and C. Obrien—Co-operation in many lands.

Ghosh H. H.—Theory of Co-operative Credit.

Harrick—Rural Credit.

Jacob and Holyoake—Co-operative Movement to-day.

Mehta V. L.—Co-operative Credit.

Mehta V. L.—Studies in Co-operative Finance

Matthai Dr. John—Agricultural Co-operation in India.

Mukherjee P.—The Co-operative Movement in India.

J. P. Niyogi—The Co-operative Movement in Bengal.

Ogata—Co-operation in Japan.

Potter—Co-operative Movement in Great Britain.

Ray S. C.—Agricultural Indebtedness in India.

Strickland C. F.—An introduction to co-operation in India.
Talmaki S. S.—Co-operation in India and Abroad.
Webb, Sidney and Beatrice · Consumers' Co-operation.
Westergaard—Economic development in Denmark.
Webb H. W.—Co-operative Banking.
do —Peoples' Banks.
do —Co-operative Movement in India.

(B). Important Co-operative Magazines in India.

Indian Journal of Economics.
Indian Co-operative Review.
Bengal Co-operative Journal.
Bombay Co-operative Quarterly.
Madras Journal of Co-operation.
Behar and Orissa Co-operative Journal.
United Provinces Co-operative Journal.

(C). Manuals published by the Registrars of Co-operative Societies.

Manual of Co-operative Societies, Assam.
Bengal Co-operative Credit Manual.
Bombay Co-operative Manual.
Eastern Bengal and Assam Co-operative Manual.
Madras Co-operative Manual.
United Provinces Co-operative Manual.
The Punjab Co-operative Manual.
Manual for Co-operative Societies in Assam.

(D) Reports

Nicholson. F.—Report regarding the possibilities of Introduction of Land and Agricultural Banks in the Madras Presidency. 2 Vols.

Annual Reports of the working of Co-operative Societies in different Provinces.

The Maclagan Committee Report 1915.

Proceedings of the Conferences of Registrars.

Reports of the Provincial co-operative Conferences.

Statistical statements regarding the progress of Co-operation in India. Published annually.

King Committee Report of Inquiry—C. P. and Berar (1922).

Oakden Committee Report of Enquiry in U. P. (1925).

Townshend Committee Report of Enquiry in Madras (1928).

Calvert Committee Report of Enquiry in Burma. (1930).

The Report of the Royal Commission on Agriculture.

The Report of the Assam Provincial Banking Enquiry Committee (1931).

Report of the Central Banking Enquiry Committee (1931).

অসমত প্রকাশিত কেইখন মান সমবায়ৰ কিতাপ আৰু মাহিলি কাকত আদি।

"সমবায়"—সুৰমা ভেলিৰপৰা প্রকাশিত বঙ্গলা তিন মহীয়া কাকত।

"সমবায় সমিতিৰ কথা"—ৰমণীমোহন বিদ্যার্থী এম্ এ. ১৯১৭।

সহযোগ কাৰবাৰ—শ্রীযুত বুদ্ধীন্দ্রনাথ ভট্টাচার্য্য।

সমবায় সমিতি—শ্রীযুত ললিতকুমাৰ বৰুৱা।

"গাৱঁলীয়া সমবায় সভা"—ৰায় বাহাদুৰ শ্রীযুত কনকলাল বৰুৱা।

"সমবায়"—অসম উপত্যকা সমবায় অৰগেনিজেছন সভাৰ পৰা প্রকাশিত শিল্প, শিক্ষা আৰু স্বাস্থ্য সম্বন্ধীয় চাৰি মহীয়া আলোচনী।

[ইংৰাজী ১৯৩৭ চনত ৰচিত এই অভিভাষণখন যথাযথ ভাৱে প্ৰকাশ কৰা হ'ল।]

সমাজ আৰু অৰ্থনীতি শাখাৰ সভাপতিৰ অভিভাষণ

অসম সাহিত্য সভা সপ্তদশ
অধিবেশন
গুৱাহাটী, ১৯৩৭

শ্ৰীউমাকান্ত গোস্বামী
অধ্যাপক, কটন কলেজ
গুৱাহাটী

"সমাজ আৰু অৰ্থনীতি"

অসমৰ অৰ্থনৈতিক আলোচনা

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া আৰু সমবেত সুধীমণ্ডলী,

আপোনাসকলে অসম সাহিত্য সভাৰ এই সপ্তদশ অধিবেশনত "সমাজ আৰু অৰ্থনীতি" বিষয়ৰ এই নতুন শাখা সভাখন এইবাৰ প্ৰথমে স্থাপন কৰি ইয়াৰ সভাপতিৰ বাব লবলৈ মোক অনুগ্ৰহ কৰি কৈছে। আপোনাসকলৰ নিৰ্দ্দেশ মানি লৈ অতি অলপ সময়ৰ ভিতৰতে যিমান খিনি পা বাঁ সাজু হৈ আপোনাসকলৰ স্নেহ আৰু উদাৰতাৰ ওপৰত নিৰ্ভৰ কৰি মই ইয়াত উপস্থিত হৈছোঁ। এনেকুৱা এখনি সভাৰ সভাপতিৰ বাবত সম্মান আৰু গৌৰব আছে আৰু সেই বাবে আপোনাসকলৰ এই আহ্বানত মই নিজক সম্মানিত বোধ কৰিছোঁ, আৰু কৃতাঞ্জলি হৈ আপোনালোকক মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। যি কোনো অনুষ্ঠানৰ সভাপতিৰ বাবত অকল সম্মান নহয় দায়িত্বও আছে। বিশেষকৈ এনেকুৱা এখনি সভাৰ সভাপতিৰ বাবত ভালেখিনি দায়িত্ব আছে বুলি মই অনুমান কৰোঁ।

এই দায়িত্বৰ কথালৈ মন কৰি মই এই খিনিতে উনুকিয়াই থব খোজোঁ যে সমাজ আৰু অৰ্থনীতিৰ নিচিনা বিষয়ৰ সভা সমিতিত যিমানবোৰ কথাৰ আলোচনা আনিব পৰা যায় তাৰ লেখ জোখ নাই। তদুপৰি সামাজিক আৰু আৰ্থিক বিষয় বিলাকত চিৰকালে নানা নতুন নতুন পৰিস্থিতিয়ে আহি দেখা দিয়ে, আৰু তাৰ ফলত সামাজিক আৰু আৰ্থিক বা ব্যবহাৰিক সমস্যাবিলাকৰ আকৃতি আৰু

প্রকৃতিৰ পৰিবৰ্ত্তন হৈ থাকে। এই বিলাক সমস্যাৰ প্ৰত্যেকটোৰ বিষয়ে একোখন গ্ৰন্থ লিখিলেও সকলোখিনি কবলগীয়া কথাৰ ওৰ নপৰে।

মানৱ জাতিৰ ব্যক্তিগত আৰু সমষ্টিগত জীৱনত সমাজ আৰু অৰ্থ সম্বন্ধীয় যি বিলাক সমস্যা আছে সেই সকলোবিলাকৰ তত্ত্ব বা মূল সূত্ৰ আবিষ্কাৰ কৰি সমিধান দিব পৰাকৈ কিবা যে নিৰ্দ্দিষ্ট বিজ্ঞান হব পাৰে সেই সম্বন্ধে পণ্ডিত সকলৰ মাজত অনেকৰে মনত সন্দেহ থাকিব পাৰে। বাস্তবিকে তেনেকুৱা সন্দেহৰ এতিয়াও একেবাৰে ওৰ পৰা নাই। কিন্তু এই বিষয়ে সন্দেহ যিমানেই নহওক সামাজিক ৰাষ্ট্ৰীয় আৰু আৰ্থিক সমস্যা বিলাক মানৱ জাতিৰ যে আছে সেইটো ঠিক। আমি চকু মুদি সেইবিলাক নাই বুলি ভাবিলেই যে নাইকিয়া হৈ যাব তাৰ কোন আশা নাই। মানুহৰ মনত যি দিনাৰে পৰা মানৱত্বৰ অনুভূতি আহিছে সেই দিনাৰে পৰা সমাজ, ৰাষ্ট্ৰ আৰু অৰ্থ এইবিলাকৰে সৈতে মানৱৰ অচ্ছেদ্য সম্বন্ধ ঘটিছে আৰু এইবিলাকৰ বিষয়ে জ্ঞান উপাৰ্জ্জন কৰাটোও মানৱ শাস্ত্ৰৰ এটা প্ৰধান উদ্দেশ্যত পৰিণত হৈছে। কোনো কোনোৱে ভাবে যে পদাৰ্থ বিজ্ঞান, জড় বিজ্ঞান ইত্যাদিহে প্ৰকৃত বিজ্ঞান, বাকীবোৰ হয় সাহিত্য নহয় বাৰে মিহলি। কিন্তু যি কোনো নিয়মাবদ্ধ জ্ঞান সমষ্টি বা জ্ঞান আৰ্জ্জনৰ চেষ্টাকে আমি বিজ্ঞান বুলি কব পাৰোঁ। এইদৰেই সমাজ বিজ্ঞান (Sociology), ধনবিজ্ঞান (Economics) অৰ্থশাস্ত্ৰ বা ৰাষ্ট্ৰবিজ্ঞান (Political Science) ইত্যাদিৰ উৎপত্তি হৈছে।

মানুহৰ সামাজিক জীৱনলৈ চালেই প্ৰথমতে এই এটা প্ৰধান সত্য মনলৈ আহে যে মানুহ সমাজবদ্ধ জীব। এৰিষ্টোটেলে কৈছিল যে যি মানুহে সমাজ নিবিচাৰে, সি হয় দেৱতা, নহয় মানৱতকৈ নিকৃষ্ট জীৱ বিশেষ।

আৰু ইয়াৰ পাছতেই আন এটা সত্য বিচাৰি পাওঁ সেইটো এই—মানুহ অকল আত্মৰক্ষাৰ বাবে বাধ্য হৈ হে যে সমাজ বদ্ধ তেনে নহয় সমাজ-প্ৰিয়। বিশ্বকবি ৰবীন্দ্ৰনাথে কৈছে—

"মানবের মাঝে আমি বাঁচিবারে চাই"।

মানুহৰ সমাজ পাতি থকাৰ আকাঙ্ক্ষা প্ৰকৃতিগত। মানুহৰ জীৱনৰ যদি অকল ব্যক্তিগত দিকটোহে থাকিলহেঁতেন তেনেহলে অকল তাৰ ৰক্ষাৰ অৰ্থেও সমাজ, ৰাষ্ট্ৰ, অৰ্থ আদিৰ আৱশ্যক হলহেঁতেন। কিন্তু ইয়াৰ ওপৰতো মানুহৰ সঙ্ঘবদ্ধ জীৱনটো ব্যক্তিগত জীৱনৰ লগে লগেই চলি আহিছে। যি অস্বাভাবিক মানুহ, যি অতি মানৱ (Superhuman) বা অমানৱ (Subhuman) তাৰ কথা আমি এৰি দিব পাৰোঁ। সমাজ অৰ্থ আৰু ৰাষ্ট্ৰ নহলে কোনো প্ৰকাৰ জীৱনেই নচলে।

এই ৰচনাত আমাৰ বৰ্ত্তমান অৱস্থালৈ লক্ষ্য কৰি অৰ্থনীতিৰ আৰু আমাৰ অৰ্থনৈতিক সমস্যাৰ বিষয়ে হে অলপ আলোচনা কৰিম বুলি স্থিৰ কৰিছো। অৰ্থনীতি কি, কিহক বোলে তাৰ উত্তৰত আমি এইখিনি কথা কব পাৰোঁঃ—

"প্ৰত্যেক মানুহে নিজ নিজ অভাৱ ঘুচাবৰ নিমিত্তে নানা প্ৰকাৰ বস্তু বিচাৰে আৰু এই বস্তুবিলাকৰ সহায়েৰে নিজ নিজ সমাজৰ কৰ্ত্তব্যবিলাক সম্পন্ন কৰি নিজক সমাজৰ এজন বুলি ভাবিব পৰা হয়। জগতৰ বেলেগ বেলেগ মানুহৰ যিদৰে বেলেগ বেলেগ অভাৱ আৰু আৱশ্যক আছে, সেইদৰে বেলেগ বেলেগ মানুহৰো বেলেগ বেলেগ অভাৱ আৰু আৱশ্যক আছে। এই অভাৱবিলাক দূৰ কৰিবৰ নিমিত্তে আৰু সামাজিক ধৰ্ম্ম উৎসৱ আদিৰ ক্ৰিয়াবিলাক সম্পন্ন কৰিবৰ নিমিত্তে সকলোৱে যথাসাধ্য চেষ্টা কৰে। যিটো সমাজত ব্যক্তিগত আকাঙ্ক্ষাৰ তৃপ্তি সাধন কৰি লব পৰা আৰু সামাজিক ক্ৰিয়া কলাপ সম্পন্ন কৰিব পৰা মানুহৰ সংখ্যা বেছি সেই সমাজক শ্ৰী-বৃদ্ধিশালী সমাজ বুলি কোৱা হয়। জগতত মানুহৰ যি দৰে উত্থান-পতন আছে, সেই দৰে সমাজৰো উত্থান-পতন আছে। যি শাস্ত্ৰত সমাজৰ আৰু ব্যক্তিৰ শ্ৰী-বৃদ্ধি সাধনৰ উপায় আলোচনা হয় আৰু যি উপায়েৰে সমাজৰ আৰু ব্যক্তিৰ উভয়ৰে শ্ৰী আৰু সমৃদ্ধি সাধন হয় তাৰ নিৰূপণ কৰা হয় সেই শাস্ত্ৰকে ধন বিজ্ঞান বা অৰ্থনীতি বোলে"।

কোনোৱে কয় পাৱে যে অর্থই অনর্থৰ মূল। কিন্তু তাৰ লগতে এনেকুৱা উক্তিও আছে যে অর্থ নহলে ভোগতো নহয়েই ধর্ম্মও নহয়, ধনৰ পৰাহে মানুহৰ ধর্ম্ম, সুখ আৰু মোক্ষ লাভ হয়।

সমাজ-বিজ্ঞান, ধন-বিজ্ঞান ইত্যাদিয়ে আমাৰ অভাৱ আৰু সমস্যাবিলাকক তৎক্ষণাৎ নোহোৱা কৰি পেলাব নোৱাৰে। তথাপি এইবিলাকৰ চর্চ্চাৰ দ্বাৰা আমাৰ চিন্তাশক্তিৰ বৃদ্ধি হয়। দিনক দিনে আমি নিজক আৰু সমাজক বেছি পৰিমাণে বুজিব পৰা হওঁ, আৰু নিজ আৰু সমাজ সম্বন্ধে নতুন নতুন সত্য আবিস্কাৰৰ বাবে সমর্থ হওঁ।

এই খিনিতে মোৰ আৰু এটা কবলগীয়া কথা আছে, সেইটো এই যে, সমাজ তত্ত্ব আৰু অর্থনীতি সম্বন্ধীয় আলোচনা আমি এই পর্য্যন্ত ইংৰাজী ভাষাতহে পাই আহিছো। আজিকালি ইউৰোপৰ ভাষাবিলাকত বিশেষকৈ ইংৰাজী ভাষাত বছৰি যিমান খিনি কিতাপ-পত্র প্রকাশিত হয় তাৰ আধা খিনিমান সমাজ-তত্ত্ব, অর্থ-নীতি, ৰাজ-নীতি, ইত্যাদি সামাজিক বিজ্ঞান সম্বন্ধে লিখা। আনকি ইংৰাজী ভাষাৰ নাটক, উপন্যাস, ইতিহাস আদিৰ ওপৰতো সমাজ-তত্ত্ব আৰু অর্থ-নীতিৰ প্রভাব দিনক দিনে বাঢ়ি আহিছে। ফ্রেঞ্চ, জার্ম্মান, কচীয়া আদি ভাষাতো সেই একে কথা। কিন্তু ভাৰতীয় কোনো ভাষাতে এইবিলাক বিষয়ত এতিয়াও কিতাপ-পত্র বেছি লিখা হোৱা নাই। আমাৰ অসমীয়া ভাষাত যে কিমান খিনি হৈছে তাক মই আপোনাসকলৰ আগত নকলেও হব। এইবিলাক বিষয়ে লিখিবলৈ গলে আন আন অসুবিধাৰ কথা এবি দিও বৈজ্ঞানিক শব্দবিলাকৰ এটা পৰিভাষাৰ অভাৱত বিশেষ অসুবিধা অনুভব কৰিব লগীয়া হয়। যৰ সুখৰ বিষয় যে অসমীয়া ভাষাত বৈজ্ঞানিক শব্দৰ পৰিভাষাৰ আৱশ্যকতা এতিয়া সকলোৱে অনুভৱ কৰিছে, আৰু তাৰ বাবে চেষ্টাও চলিছে। ধন-বিজ্ঞান সম্বন্ধে অসমীয়া ভাষাত লিখিবলৈ যত্ন কৰি এনেকুৱা দেখা যায় যে যি লিখা হয় তাৰ বিষয়টো ইংৰাজী ভাষাত যিসকলে

আগয়ে জানে তেওঁলোকৰ হে বোধগম্য হয়। লিখকৰ বাবে ই এক প্ৰকাৰ সাহিত্যৰ কছৱৎ যেন হে হয়। কিন্তু এনেকুৱা যত্নও হোৱা নাই বুলিলেই হয়।

সমাজ আৰু অৰ্থনীতি বিষয়ক আলোচনাৰ আৱশ্যকতা ভাৰতবৰ্ষত বহুত-দিন আগৰে পৰা আটায়ে অনুভৱ কৰিছে। বঙ্গীয় সাহিত্য সম্মিলনবিলাকত অৰ্থনীতি আৰু সমাজতত্ত্ব আলোচনাৰ নিমিত্তে এনেকুৱা সভা কেইবাবছৰো আগৰে পৰা হৈছে। আৰ্থিক সমস্যাই ভাৰতবৰ্ষৰ তথা অসমৰ বৰ্ত্তমান যুগৰ প্ৰধান সমস্যা। অৰ্থ সমস্যা মানুহৰ চিৰকালেই আছে আৰু মানুহ ওপজাৰে পৰা মৃত্যুলৈকে মুখেৰে কৈ নুফুৰিলেও কামত জীৱনৰ অধিকাংশ সময় অৰ্থ- সমস্যা লৈয়ে কটায়। আজি-কালি ভাৰতত অৰ্থসমস্যাই এনেকুৱা গুৰুতৰ আকাৰ লৈছে যে ইয়াৰ কাৰণেই দেশৰ সকলো প্ৰকাৰ কাৰ্য্যৰ বাবে কল্পনা, উদ্যম আটায়ে ব্যৰ্থ হৈ যাব ওলাইছে। আজিকালি সকলোৰে মুখে মুখে আৰ্থিক সমস্যাৰ কথাহে শুনা যায়। এনেস্থলত অসমত এই বিষয়ৰ আলোচনা বাবে কোনো প্ৰকাৰ অনুষ্ঠান এতিয়ালৈকে হৈ নুঠাটো নিশ্চই আমাৰ অতি দুৰ্ভাগ্যৰ কথা।

আজি অসমৰ প্ৰধান শিক্ষা কেন্দ্ৰ, আৰু বজাৰ নহলেও অসমীয়া ৰাইজৰ ৰাজধানী গুৱাহাটী নগৰত অসম সাহিত্য সভাই পোন-প্ৰথমে এই সভাৰ উদ্বোধন কৰি নিশ্চয় দেশৰ শিক্ষিত-অশিক্ষিত, ধনী-দুখীয়া, বনুৱা-নিবনুৱা আটাইবে অশেষ ধন্যবাদৰ পাত্ৰ হৈছে, আৰু মোৰ বিশ্বাস সমাজ আৰু অৰ্থনীতি বিষয়ৰ সকলো শিক্ষক আৰু শিক্ষাৰ্থীয়ে এইবাবে সৰ্ব্বান্তঃকৰণে অসম সাহিত্য সভাক ধন্যবাদ দিব। অসম সাহিত্য সভাৰ লগতে এই সভাও স্থায়ী হৈ উঠিলে আগলৈ বছৰি বছৰি ইয়াত আমাৰ দেশৰ আৰ্থিক আৰু সামাজিক সমস্যা বিলাকৰ বিশেষ ভাবে আলোচনা হব বুলি আশা কৰিব পাৰোঁ। আজিৰ এই প্ৰথম উদ্বোধনত মোৰ যি ত্ৰুটি হয় তাৰ বাবে আপোনাসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

আৱম্ভনিতে অর্থনীতি আৰু সমাজতন্ত্ৰৰ প্ৰকৃত স্বৰূপ সম্বন্ধে ইমান খিনি কথা কোৱাত মোৰ উদ্দেশ্য এই যে এইবিলাক বিজ্ঞানৰ চৰ্চ্চা আমাৰ ঠাইত প্ৰচলন হবৰ বেছি দিন হোৱা নাই গতিকে এইবিলাক বিজ্ঞানৰ বিষয়ে কোনো কোনো মানুহৰ মনত বৰ অদ্ভুত ধাৰণা থাকিব পাৰে। কোনো কোনোৱে ভাবিব পাৰে যে ধন বিজ্ঞান পঢ়িলে খুব ধন সাঁচিব পাৰি। 'পলিটিক্‌চ্' পঢ়িলে 'পলিটিচিয়ান' হব পাৰি। সেইদৰেই কব পৰা যায় যে Chemistry পঢ়িলে বিহ গেচ্ তৈয়াৰ কৰিব পাৰি। Physics পঢ়িলে মেচিন্‌গান্ তৈয়াৰ কৰিব পাৰি আৰু দৰ্শন অৰ্থাৎ Philosophy পঢ়িলে খুব টোপনিয়াব পাৰি।

প্ৰকৃততে সকলো বিজ্ঞানেই প্ৰকৃতিৰ নাইবা মানৱ জীৱনৰ একোটা দিকৰ তত্ত্ব অনুসন্ধান কৰি মানুহক জ্ঞান যোগায়। সেই জ্ঞান মানুহ নিজ নিজ প্ৰকৃতি অনুসাৰে কামত খটায়।

বৰ্ত্তমান জগতৰ আৰ্থিক অৱস্থা

অর্থনীতিৰ ফালৰপৰা মানুহে বৰ্ত্তমান কালক শিল্প সভ্যতাৰ যুগ (Age of Industrial Civilization) বা প্ৰতিযোগীতা মূলক যুগ (age of Competition) বোলে। আগৰ দিনৰে সৈতে আজিকালিৰ এটা ঘাই পাৰ্থক্য ঘটিছে কল কাৰখানাৰ পৰা। আগৰ দিনত মানুহে খেতিৰ কাম, বাঢ়ৈৰ কাম আদি অতি সাধাৰণ প্ৰকাৰৰ সজুলিৰে নিজহাতে কৰিছিল। মানুহে নিজ হাতে কৰাত বাটলু চলাইছিল আৰু খেতিৰ বাবে গৰু ম'হৰ সহায়ে হাতেৰে নাঙ্গল চলাইছিল। আমাৰ দেশত অৱশ্যে প্ৰায়খিনি কাম এতিয়াও পূৰ্ব্বৰ দৰেই চলি আছে। এইদৰে চলি থাকিব দিয়া মঠাত ভাল নে বেয়া সেইটো এটা বেলেগ আলোচনাৰ বিষয়।

কিন্তু প্রায় দুশ মান বছবৰ আগতে পশ্চিমৰ দেশবোৰত শিল্প কৃষি আদি সকলো প্রকাৰ শ্রমৰ কার্য্যতে এটা নতুন প্রণালীয়ে আহি দেখা দিয়ে। হাতেৰে চলোৱা সাধাৰণ সজুলিৰ ঠাইত বাষ্প, বিজুলী আদি শক্তিৰ সহায়ে চলোৱা যন্ত্রৰ ব্যৱহাৰ আৰম্ভ হয়। মোটতে সজুলিৰ ঠাই যন্ত্রই অধিকাৰ ক'ৰে।

ইয়াৰ ফল হ'ল এই যে হাতেৰে মানুহে যিমানখিনি বস্তু তৈয়াৰ কৰি লব পাৰে যন্ত্রৰ সহায়ে তাতকৈ হেজাৰ হেজাৰ গুণ বেছি কাম আদায় কৰিব পৰা হ'ল। ইয়াৰ পৰা সমাজত এটা মহৎ পৰিবর্ত্তন ঘটিল। আয় উৎপন্ন আৰু বেহা-বেপাৰতো পৰিবর্ত্তন ঘটিলেই, দেশৰ সকলো শ্রেণীৰ মানুহৰ মাজতে এটা গুৰুতৰ সামাজিক পৰিবর্ত্তনো ঘটিল। এই মহৎ পৰিবর্ত্তনটোকে "শিল্প বিপ্লৱ" (Industrial Revolution) বোলে। কল কাৰখানাই যিটো নতুনত্ব আনিলে পৃথিবীৰ বুৰঞ্জীত তেনেকুৱা নতুনত্ব ৰব কম সেইদেখি ইয়াক অকল নতুনত্ব নুবুলি বিপ্লৱ বোলা হৈছে।

"শিল্প বিপ্লবে প্রথমতে ইংলণ্ডকে কেন্দ্র কৰি লয়। তাৰ ফলত ইংলণ্ডৰ মানুহৰ মাজত ধিমান খিনি ভাল যেয়া আৰু সুখ দুখ ঘটিল লগীয়া সেইখিনি ঘটি উঠাৰ পিছত ইংলণ্ডই আন সকলো দেশকে চেৰ পেলাই অকল শিল্পতে নহয় বেহা বেপাৰতো অতুল ক্ষমতাশালী হৈ উঠে। ইংলণ্ডই এই ক্ষমতা বহুদিন ভোগ কৰাৰ পিছত জার্ম্মেনী, ফ্রান্স আদি ইউৰোপৰ আন আন দেশও শিল্প বাণিজ্যত ইংলণ্ডৰ লগত প্রতিযোগিতা কৰিব পৰা হৈ আছে। লগে লগে আমেৰিকাৰ যুক্ত ৰাজ্যয়ো ইংলণ্ডৰ সমকক্ষ হবলৈ আৰম্ভ কৰে। সৰশেষত এচিয়া মহাদেশৰ জাপানে অতদিনৰ পিছপৰা হলেও অক্লান্ত পৰিশ্রম কৰি ইউৰোপৰ দেশবোৰৰ সৈতে ভেৰ পাতিব পৰা হয় গৈ। শিল্প সভ্যতাত জিনি উঠা দেশবিলাকে আর্থিক আৰু বাণিজ্য বিষয়ত প্রাধান্য লাভ কৰাৰ লগে লগে ৰাজনৈতিক বিষয়তো আন দেশবোৰতকৈ ক্রমে অধিক ক্ষমতাশালী হয়। এচিয়া আৰু আফ্রিকাৰ পিছ পৰা দেশবিলাকে

অকল আর্থিক বিষয়তে নহয়, জীৱন যুদ্ধৰ আন আন সকলো বিষয়তে ইউৰোপ আৰু আমেৰিকাৰ হয় অধীন নহয় মুখাপেক্ষী হৈ লগীয়াত পৰে। পিছপৰা দেশবিলাকৰ বাজ শক্তিৰ লগে লগে নিজ নিজ শিল্প কলা আদিয়েও প্রতিযোগিতাত-টিকিব নোৱাৰি ধ্বংসৰ পথলৈ যায়। ভাৰতবৰ্ষকে আদি কৰি দেশবিলাকে ইউৰোপীয় শিল্পৰ উপাদানৰ অৰ্থে মাথোন কেঁচা মাল বিক্রী কৰি পোন্না ধনেৰে ইউৰোপ আৰু আমেৰিকাৰ শিল্পজাত বস্তু কিনি আৰু ধাৰ কৰা টকাৰ সুদ যোগাই সংসাৰ চলাব লগীয়াত পৰেগৈ।

এইবিলাক কথা হয়তো আটায়ে জানে। কিন্তু ইয়াৰ লগে লগে ধন বিজ্ঞান বা অর্থনীতিৰ চর্চ্চাতো যি এটা পৰিৱর্ত্তন ঘটিছে সেইটো উল্লেখ কৰা হে মোৰ ঘাই উদ্দেশ্য। প্রথমতে অর্থনীতিৰ মূল সূত্রবিলাক সকলো দেশতে সমানে খাটিব পাৰে বুলি ধৰি লোৱা হৈছিল। অবাধ বানিজ্য অথাৎ free trade যদি ইংলণ্ডলৈ ভাল হয় তেনেহলে ভাৰতবৰ্ষলৈও ভাল হবই লাগিব বুলি অর্থনীতিজ্ঞসকলে কৈছিল। কিন্তু ইউৰোপতেই জাতীয় প্রতিযোগিতাৰ ফলত সকলোয়ে লাহে লাহে এইটো অনুভৱ কৰি আহিব ধৰিলে যে প্রত্যেক দেশৰ অৱস্থা অনুসৰি সেই দেশৰ বাবে ধনবিজ্ঞানৰ মূল সূত্রবিলাকক লৰচৰ কৰিব লগীয়া হয়। অর্থনীতিৰ ভিতৰত যিটো অংশক আমি নিভাঁজ বিজ্ঞান অর্থাৎ science বুলি কব পাৰোঁ সেইটো সকলো পৃথিবীৰ বাবে এক প্রকাৰৰ। কিন্তু অর্থনীতিৰ ভিতৰৰ যিটো অংশক আমি নীতি অর্থাৎ Art বুলিব পাৰোঁ সেইটো দেশ কাল পাত্র ভেদে বেলেগ বেলেগ প্রকাৰৰ হব পাৰে। কিছুমানে অর্থনীতিৰ এই দুটা দিকলৈ লক্ষ্য কৰি Pure Economics আৰু Applied Economics এনেকুৱা প্রভেদ কৰে।

জার্ম্মেনীৰ বিখ্যাত অর্থনীতিবিদ্ Fiedrich List এ প্রথমতে National system of Political Economy অর্থাৎ জাতীয় ধন বিজ্ঞানৰ সূচনা কৰে। এইদৰে ভাৰতবৰ্ষৰো সুকীয়া অৱস্থাৰ

যাবে ধনবিজ্ঞানব মূল সূত্রবিলাকক ইয়াব উপযোগী কবি Indian Economics অর্থাৎ ভাবতীয় অর্থনীতি হব লাগে বুলি স্বর্গীয় দাদাভাই নৌবোজী, জষ্টিচ্ বাণাডে, মহামতি গোপাল কৃষ্ণ গোখেল আক বমেশ চন্দ্র দত্ত আদি মনীষিসকলে চেষ্টা কবে। প্রথমতে ধনবিজ্ঞান মাথোন একেটা আক তাত ভাবতীয়, জার্ম্মান এনেকুবা জাতি বিভাগ হব পাবে নে নোবাবে সেইটো বিষয় লৈ পণ্ডিতসকলব মাজত বহুত তর্ক বিতর্ক হৈছিল। কিন্তু এতিয়া ধনবিজ্ঞানব মূল সূত্রবিলাক সকলোতে সমান কিন্তু তাক কার্য্যত খটোৱা নীতি দেশ কাল পাত্র ভেদে বেলেগ বেলেগ হব পাবে বুলি আটায়ে স্বীকাব কবে। এই বাবেই কোৱা হয় Economics is universal but it may also be regional.

এতিয়া পুনব পৃথিবীব আর্থিক ইতিহাসব ফালে চোৱা যাওক। যোৱা মহাযুদ্ধব আগলৈকে পৃথিবীব সকলো দেশেই এটি নিৰ্দ্দিষ্ট অবস্থাব মাজেদি চলি গৈ আছিল। তাব আগব প্রায় এশ বছব মানব ভিতবত দেশবিলাকব অবস্থাব যি এটা পাবস্পবিক সমতাব সৃষ্টি হৈছিল, যোৱা মহাযুদ্ধই সেই সমতা ভাঙ্গি ওলট-পালট লগালে। সেই দিনবেপবা জগতত কি আর্থিক, কি বাজনৈতিক কোনো বিষয়ে এটা শান্তি বা সমতা এতিয়াও স্থাপিত হব পবা নাই। মহাযুদ্ধব পিছত দেখা গ'ল যে ইংলণ্ডব আক পূর্ব্বব সেই অর্থশক্তিব প্রভাব আগব দবে নাই আক ইয়াব পূর্ব্বব জগতব্যাপী বাণিজ্যবো বহুতখিনি হানি হ'ল। জাপান আমেবিকা আদি দেশে যুদ্ধত লিপ্ত দেশবোবক বহুত চেব পেলাই গ'ল। জাপান, আক আমেবিকাই বিশেষকৈ ভাবতব বেপাবতো এটা ডাঙব ভাগ বহুবাই ইংলণ্ডব কঁকালত টাঙোন মাবিলে। পৃথিবীব ধনঐশ্বর্য্যব কেন্দ্র লণ্ডনব পবা আঁতবি নিউইয়র্কব পিনে যাবলৈ বাট ললে। নানা কাবণত ইংলণ্ডব পবা সোণ বাহিব হৈ আমেবিকা আক ফ্রান্স পালেগৈ। যুদ্ধব কেইবছবত ইউবোপব যুজাক জাতিবিলাকে আমেবিকাব পবা লাগেমানে মাল আনিলে। ইংলণ্ডই নিজব বাবে

মাল অনাত আৰু মিত্ৰ শক্তিবিলাকৰ ধাৰৰ বাবে দায়িত্ব-লবলগীয়া হোৱাত আমেৰিকাক অসংখ্য টকা দিবলগীয়া হ'ল। ফ্ৰান্সেও জাৰ্ম্মেনীৰ পৰা পাৰেমানে যুদ্ধৰ বাবে ক্ষতিপূৰণ আদায় কৰিলে। পূৰ্ব্বে বেহা যেপাৰ আৰু আৰ্থিক প্ৰভাব অনুসাৰে দেশে দেশে যিদৰে সোণ ভাগ ভাগ হৈ আছিল সেই বিভাগ নষ্ট হ'ল। ফ্ৰান্স আৰু আমেৰিকাই পৃথিবীৰ প্ৰায় চাৰিভাগৰ তিনিভাগ সোণ গ্ৰাস কৰিলে। বাকী দেশবিলাকত সোণৰ অভাবত মুদ্ৰাৰ ভাও আৰু বজাৰ ভাওৰ একো ঠিকনা নোহোৱা হ'ল। ইংলণ্ডই ১৯৩১ চনত স্বৰ্ণমান (Gold Standard) পৰিত্যাগ কৰিলে। ইংলণ্ডই এইদৰে স্বৰ্ণমান (Gold Standard) পৰিত্যাগ কৰাটো অৰ্থজগতত এটা অতি গুৰুতৰ ঘটনা। ইংলণ্ডৰেই এই অৱস্থা। মধ্য ইউৰোপৰ জাৰ্ম্মেনী, অষ্ট্ৰিয়া, ৰুমানিয়া, বুল্‌গেৰীয়া জেকোশ্লোভেকীয়া, যুগোশ্লাভিয়া ইত্যাদি দেশৰ কথা নকলেও হব। মহাযুদ্ধই পৃথিবীৰ পৰা যুদ্ধ একেবাৰে দূৰ কৰিব বুলি মানুহে আশা কৰিছিল কিন্তু যুদ্ধৰ পিছত জটিল ৰাজনৈতিক সমস্যা বিলাকতকৈও গুৰুতৰ এনে কিছুমান আৰ্থিক সমস্যা আহি পৰিল যে কাৰো প্ৰাণত শান্তি থকা অসম্ভব হৈ পৰিল। সকলো দেশৰে আৰ্থিক অৱস্থাত এনেকুৱা এটা গৰমিল হৈ পৰিল যে তাৰ প্ৰতিকাৰ এতিয়ালৈকে কেৱে ভাবি উলিয়াব পৰা নাই।

ইয়াৰ পিছত আহিল বিশ্বব্যাপী আৰ্থিক অৱসাদ, বাণিজ্যৰ অৱসাদ, যাক সাধাৰণতে মানুহে বোলে depression এনেকুৱা ইকনমিক্‌ আৰু ফাইনেঞ্চিয়েল depression, ইমান দেশজুৰি পৃথিবীত আৰু আগেয়ে হোৱা নাই। ই কেৱল এখন দেশৰ বা এটা বিষয়ৰ depression নহয়। ই সকলো দেশৰে আৰু সকলো বিষয়ৰে। ই জগতৰ আৰ্থিক অবয়বৰ কোনো এটা অঙ্গ বিশেষৰ হে যে বেমাৰ এনে নহয়, ই এটা সৰ্ব্বাঙ্গীন অবসাদ। যিসকলৰ বৰ্ত্তমান শিল্প সভ্যতাৰ বিৰুদ্ধে মতবাদ আছে তেওঁলোকে কৱলৈ সুচল পালে যে এই সভ্যতাৰ মৰণ কাল চাপিছে।

আর্থিক depression ৰ এটা মূর্ত্তি হ'ল জগতৰ সোণৰ বিভাগত গোলমাল। আগেয়ে বাণিজ্যৰ গতি আৰু শক্তি অনুসৰি দেশেদেশে সোণ : জুত হব পাৰিছিল গৈ; কিন্তু মহাযুদ্ধৰ পিছত কিছুমান অস্বাভাবিক অৱস্থাৰ ফলত প্রায় সকলো খিনি সোণ দুই এখন দেশত জমা হব পালেগৈ আৰু বাকীবোৰ দেশত সোণ নাইকিয়া হ'ল। আটায়ে জানে যে সোণ মানুহে নেখায় আৰু ই কেৱল বিনিময়ত হে সহায় কৰে। কিন্তু মহাযুদ্ধৰ পিছত যিবোৰ দেশে সোণ চপাব পাৰিলে সেইবোৰে আৰু তাক বাহিৰ কৰি নিদিয়া হ'ল। দেশবোৰৰ মাজত পৰস্পৰে ইমান অবিশ্বাস আৰু নিজৰ ভবিষ্যতৰ বাবে প্রত্যেক দেশৰে মনত এনেকুৱা সন্দেহ আহি পৰিলে যে আগৰ মানুহে যিদৰে চোৰ ডকাইতৰ ভয়ত গাঁতখানি ধনসোণ পুতি থৈছিল সেইদৰে এতিয়াৰ সুসভ্য দেশবোৰেও সোণ বেঙ্কত বা আন কোনো নিৰাপদ ঠাইত মজুত কৰি থোৱা আৰম্ভ কৰিলে। আটায়ে বোধকৰোঁ শুনিছে যে ফৰাচী গৱৰ্ণমেণ্টৰ সোণ থোৱা গুপ্তগৃহ পৃথিবীৰ এটা অষ্টম আশ্চর্য্য। জগতৰ সোণ পুৰি ছাই হৈ যোৱা নাই, যুদ্ধত ঘৰবাৰী বান্ধদ এইবোৰহে পুৰিছে কিন্তু ধন হিচাবে ব্যৱহাৰ কৰিবলৈ সোণ নোহোৱাত পৰিল। এনেকুৱা অৱস্থাত কবিয়ে কোৱা কথা মনত পৰে—water water every where, not a drop to drink. কিন্তু যিবিলাক দেশতগৈ ধন সোণ গোট খালে সেইবিলাক দেশেও depression ৰ হাত সাৰিব নোৱাৰিলে।

এই অৱস্থাৰ প্রতিকাৰ ভাবি উলিয়াবৰ অর্থে World Economic Conference পতা হৈছিল। কিন্তু এনেকুৱা Conference বোৰত ভাল ভাল বহুত কথাৰ আলোচনা হলেও প্রত্যেক দেশৰেই যিবিলাক নিজা সমস্যা আছে সেইবোৰৰ বিষয়ে আটায়ে কোনো প্রকাৰে এটা মতলৈ আহিব নোৱাৰিলে। মুখেৰে যদিও আটায়ে মেল বন্ধুয়াবলৈ কয়, তথাপি আটায়ে ভিতৰি ভিতৰি বেচ্‌কৈ বুজে যে নিজক নিজে ৰক্ষা নকৰিলে আন কেৱে ৰক্ষা নকৰে। আটায়ে নিজ নিজ সমস্যাত

ব্যস্ত, কেৱে কালৈকো চাব নোৱাৰে। সুতৰাং world Economic Conference ৰ পৰা বিশেষ উপকাৰ নহল।

পৃথিবীৰ এই অৱস্থাত বৃটিছ সাম্ৰাজ্যৰ কেন্দ্ৰ ইংলণ্ডৰ মহা সমস্যা আহি উপস্থিত হ'ল। ইংলণ্ডৰ গৃহস্থালি বৰ ডাঙৰ। ইংলণ্ডৰ খেত পাম, মাটি বাৰী বংশ পৰিয়াল অসংখ্য। সেই দেখি ইংলণ্ডে সদায় মুখেৰে টান মাত নামাতি অতিশয় ধীৰ ভাৱে চলিব লাগে। আটায়ে দেখি আহিছে মোৱা কেই বছৰত বহুত সৰু সৰু দেশে ইংলণ্ডক খুব টান টান কথা শুনালেও ইংলণ্ডে তাৰৈ আওকাণ কৰি আহিছে। জাতি সঙ্ঘৰ (League of Nations) অৱস্থা দেখি কোনো কোনোৱে ভাবিব পাৰে যে বৃটিছ সিংহ ঘোৰ নিদ্ৰাত মগন; কিন্তু প্ৰকৃততে বৃটিছ সিংহ সজাগ – বৰং অতি বেছি পৰিমাণে সজাগ। ইমান বেছি সজাগ নোহোৱা হলে কিজানি আবিছিনীয়া স্পেইন আৰু চীনত ইমান অকাৰণ ৰক্তপাত আৰু নৰহত্যা নহলাহেঁতেন।

World Economic Conference হোৱাৰ পিচত প্ৰত্যেক দেশেই আনৰ মুখলৈ নাচাই নিজ নিজ সমস্যাৰ বাবে বেলেগে পুৰুষাৰ্থ কৰাত লাগিছে। ইংলণ্ডে কেবাখনো বৃটিছ সাম্ৰাজ্যৰ বৈঠক (Imperial Conference) বহুৱালে। Imperial Conference ৰ লগত Imperial Preference ৰ বিষয়েও আটাইবে ভাৱ গতি বুজিবৰ চেষ্টা কৰা হ'ল। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে ইংলণ্ডৰ আগৰ আৰ্থিক প্ৰাধান্য আকৌ স্থাপিত কৰা। সৱশেষত অটোৱা চুক্তি Attowa Agreement হৈ গ'ল। এইদৰে কত League, Pact,Conference, Commission, Committee আৰু Congress যে হব লাগিছে তাৰ লেখ জোখ নাই।

কিন্তু অকল ইংলণ্ডেই নহয়, আনবিলাকৰো কাৰো চকুত টোপনি নাই। কচীয়াই প্ৰথমতে পাঁচবছৰীয়া প্ল্যান ঘোষণা কৰি সমস্ত জগতকে চমৎকৃত কৰিলে। প্ল্যান কৰা কথাটো প্ৰথমতে কচীয়াই আৰম্ভ কৰিলে। চোচিয়ালিষ্ট চোভিয়েট গৱৰ্ণমেণ্ট (Socialist Soviet

Government) উবি যাব বুলি যি সকলে আশা কবিছিল সেইসকলে এই পাঁচবছবীয়া প্ল্যানক বিদ্রূপব চকুবে চালে। যিবোবে কচীয়াব সমস্বত্ববাদ নীতিক ভয় কবে সেই সকলব মনত নানা প্রকাব সন্দেহ ওপজিল। কচীয়াই কিন্তু এই Plan ব অগ্নি পবীক্ষাব মাজেদি উত্তীর্ণ হৈ পুনব বেলেগ Plan হাতত ললে। আমেবিকায়ো দেশব আর্থিক উন্নতিব বাবে National Recovery Plan ললে। তাব পিছত আহিল আমেবিকাব New-Deal. ইংলণ্ডই অবাধ বাণিজ্যনীতি পবিত্যাগ কবি শিল্প সংবক্ষনী আইন (Safeguarding of Industries Act) পাচ কবিলে। আগব আমাব দেশব স্বদেশী আন্দোলনে গৈ পশ্চিমব দেশে দেশে ঠাই ললে। ইংলণ্ডত ইংলণ্ডব মানুহে আনঠাইব বস্তুব সলনি বিলাতী বস্তুহে কিনিবব নিমিত্তে "Buy British" আন্দোলন চলিল। এইদবে চাবিওপিনে কত কি যে হ'ল আক এতিয়াও হব লাগিছে তাক লিখিবলৈ ইয়াত ঠাই নাই।

এতিয়া চাবিও পিনে মাথোন Economic Planning ব হে কথা শুনা যায়। গাইগুটীয়াকৈ কাম কবিলে যেন আক মানুহ যিমানেই কর্ম্মী নহওক দেশব সম্পূর্ণ স্বার্থবক্ষা নপবে। আটায়ে বীতিবদ্ধ ভাবে যাতে কোনো প্রকাবে শক্তিব অপব্যয় নহয় আক শ্রমব পবা আটাইতকৈ বেছি পবিমাণে সুফল পোৱা যায় তাববাবে দেশব আক জাতিব নির্দ্দেশ মতে কাম কবাব নামেই Planned Economy বা "সংকল্পিত অর্থনীতি"। Economic Planning ব সহায়েবেই আজি পবাজিত জার্ম্মেনীয়ে কেৱল অতীতব গীত গাই বহি নাথাকি ইমান অলপ দিনব ভিতবতে অদম্য শক্তি সঞ্চয় কবিলে।

সংসাবত আটায়ে যেতিয়া Economic Planning ব বাবে ব্যস্ত হৈছে ভাবতবর্ষতো Planned Economy নচলালে উপায় নাই। এইকথা অকল ভাবতবর্ষব বাবে নহয় ভাবতবর্ষ প্রত্যেক প্রদেশব বাবেও খাটে। অসমব উন্নতিব বাবেও আমাব এটা Planned economy বা Recovery Plan ব বিষয়ে ভাবিবব আবশ্যক হৈছে। অসমীয়া জাতিও যদি সংসাবত সঁচাকৈয়ে টিকি থাকিবলৈ ইচ্ছা কবে তেনেহলে অসমীয়াৱে

এটা Plan ৰ ভিতৰত সোমাব লাগিব। অকল অতীতৰ গৌৰৱ গাই থাকি যদি বৰ্ত্তমান আৰু ভবিষ্যতৰ বিষয়ে অসমীয়া মানুহ উদাসীন হৈ থাকে তেনেহলে সকলো অসমীয়া মানুহ এদিন গৈ পগলা ফাটেকত ৰখাৰ হে উপযুক্ত হব।

ইয়াতে এটা কথা নকলেও নহয়, সেইটো এই যে দেশৰ গবৰ্ণমেণ্টৰ সহায় নহলে কোনো Planning হব নোৱাৰে। ইউৰোপ আমেৰিকাত যতবোৰ Planning হৈছে সেই সকলোবিলাকক সেই সেই দেশৰ গবৰ্ণমেণ্টে চলাইছে। আমিও বোধকৰোঁ এইখিনি আশা কৰিব পাৰোঁ যে বৰ্ত্তমান প্ৰাদেশিক শাসনস্বাতন্ত্ৰ্যই (Provincial Autonomy) আমাক কোনো প্ৰকাৰ Economic Planning ৰ কথাত আগতকৈ বেছি পৰিমানে সহায় কৰিব পাৰিব। প্ৰদেশিক গবৰ্ণমেণ্টবিলাকে এতিয়া কৃষি শিল্প, সমবায়, শ্ৰমিক, খনি, জঙ্গল ইত্যাদি সকলো বিষয়তে স্বাধীন ভাবে শাসনকাৰ্য্য চলাবৰ সুবিধা পাইছে। সুতৰাং অসমৰ বাবেও এটা বেলেগ Planning ৰ বিষয়ে ভাবিব পৰা সময় আহিছে। এইখিনিতে আৰু এটা কথা উল্লেখ কৰা উচিত যে অসমৰ বাবে এটা বেলেগ Plan কৰা মানে অসম ভাৰতবৰ্ষৰ পৰা ওলাই গৈ অৰ্থাৎ Secede কৰি কৰবালৈ গুছি যোৱা নুবুজায়। আন আন প্ৰদেশত এনেকুৱা Planning ৰ আলোচনা আৰম্ভ হৈছেই। অসমে কোনোদিনে কলৈয়ো Secede কৰি যাব নোখোজে, যাব নোৱাৰে আৰু যদি যাব পাৰিলেহেঁতেন তেতিয়াও অসমৰ সমস্যাবিলাকে অসমৰ পিছ নেৰে। মই জানোঁ যে Secede কৰা কথাটো এটা অদ্ভুত ৰকমৰ নতুন আবিষ্কাৰ। কাগজে পত্ৰে কৰবাত দুই এশাৰী কথা এই বিষয়ে পঢ়িবলৈ পোৱা দেখিছে এইখিনি উল্লেখ কৰিলোঁ।

প্ৰদেশবিলাকৰ সীমা আৰ্থিক আৰু সামাজিক সুবিধা অনুসৰি নিৰ্দ্ধাৰিত নহলে Planning কৰা টান। ভাৰতবৰ্ষত আগলৈ প্ৰাদেশিক সীমা বিলাকৰ পৰিবৰ্ত্তনৰ বিষয়ে নানাঠাইত কথা ওলাই নেথাকি নোৱাৰে, অসমৰো সীমাৰ কথা ভাবিলে শ্ৰীহট্ট বিচ্ছেদৰ কথালৈ মনত পৰে, এইবিষয়ে পিছত অলপ লিখাৰ ইচ্ছা আছে।

ভাৰতবৰ্ষৰ, তথা অসমৰ আৰ্থিক সমস্যা

ভাৰতবৰ্ষৰ আৰ্থিক সমস্যাৰ প্ৰায়বিলাক কথায়ে অসমতো খাটে আৰু সেই সমস্যাবিলাকৰ উপৰিও অসমৰ কেতবোৰ বিশেষ সমস্যা আছে। পৃথিবীৰ ভিতৰত ভাৰতবৰ্ষ এখন অতি দুখীয়া মানুহৰ দেশ বুলি আটায়ে জানে। আগতে যি শিল্প বিপ্লৱৰ কথা কৈ অহা হৈছে, সেই বিপ্লৱৰ সম্পদ খিনিৰ ভাগ ভাৰতবৰ্ষই লব পৰা নাই কিন্তু বিপদখিনিৰ ভাগ হলে সম্পূৰ্ণ ৰকমে পালে। ইউৰোপৰ দেশবিলাকত নিজ ঠাইতে শিল্প বিপ্লবটোৰ উৎপত্তি আৰু লাহে লাহে বৃদ্ধি হোৱা গতিকে তাৰ মানুহে নতুন প্ৰকাৰৰ জীৱনযাত্ৰা প্ৰণালীৰ বাবে সাজু হবলৈ সময় পালে। কিন্তু ভাৰতবৰ্ষই হঠাতে নতুন যন্ত্ৰপাতিবে সুসজ্জিত হৈ উঠা পশ্চিমৰ দেশবোৰৰ সন্মুখত উপস্থিত হব লগীয়াত পৰিল। নিজক নিজে চম্ভালি লবৰ নিমিত্তে ভাৰতবৰ্ষই উপযুক্ত ৰকমে সময় নেপালে আৰু চৰকাৰৰ পৰাও তেনে সুবিধাৰ কোনো প্ৰকাৰ বন্দবস্ত নহ'ল। সেই দেখি ভাৰতৰ শিল্প-বাণিজ্যই বিদেশী শিল্প-বাণিজ্যৰ লগত ঘোৰ অসুবিধাত প্ৰতিযোগিতা কৰিব লগাত পৰিল। এতিয়া ভাৰতবৰ্ষৰ যিটো আৰ্থিক বিষয়ৰ পৰিবৰ্ত্তন কাল চলিছে সেইটোত ভাৰতবৰ্ষই অতি সাৱধানে নিজ স্বাৰ্থৰক্ষা কৰিব পাৰিলেহে পৃথিবীত টিকি থাকিব পাৰিব।

ইমান দিনে ভাৰতৰ মানুহে ৰাজনৈতিক বিষয়ত যিমানখিনি মনোযোগ দিছে আৰ্থিক বিষয়ত সিমান মনোযোগ দিয়া নাই বুলি মাজে সময়ে কোৱা শুনা যায়, আৰু সেই কথা বহুপৰিমাণে সত্য। কিন্তু এতিয়া আটায়ে ভাৰতৰ খেতিয়ক সকলৰ, গাঁৱলীয়া মানুহৰ আৰু কুটীৰ শিল্প আদিৰ বাবে বেছিকৈ মনোযোগ দিয়া দেখি অনুমান

হয় যে আর্থিক সমস্যা বিলাকৰ প্রতি মানুহৰ আগতকৈ বেছি পৰিমাণে দৃষ্টি পৰিছে। মানুহে এতিয়া বুজিব পাৰিছে যে যদি জনসাধাৰণৰ আর্থিক অৱস্থাৰ উন্নতি নহয় তেনেহলে কাউন্সিলত সৰহ পৰিমাণে সাম্প্রদায়িক প্রতিনিধি বা চৰকাৰী চাকৰীৰ বেছি পৰিমাণে ভাগ পালেও একো উপকাৰ নহয়। বর্ত্তমান অৱস্থাত ভাৰতবর্ষৰ আর্থিক বিষয়ত বেছি মনোযোগ দিয়াৰ একান্ত আৱশ্যক কাৰণ আর্থিক উন্নতি নহলে আন সকলো বিলাক জল্পনা-কল্পনা, আশা-আকাঙ্ক্ষাই, ব্যর্থ হয়। কথাতে কৈছে "উত্থায় হৃদি লীয়ন্তে দৰিদ্রানাং মনোৰথাঃ"। দৰিদ্রতাৰ সমান দোষ নাই। আন সকলো গুণকে দাৰিদ্র্যই নষ্ট কৰে।

এতিয়া অসমৰ বিষয়ে চোৱা যাওক। ভাৰতবর্ষৰ ভিতৰত অসম আর্থিক বিষয়ত অতি দুখীয়া প্রদেশ বুলি গন্য। পৃথিবীৰ ভিতৰত ভাৰতবর্ষ দুখীয়া আৰু ভাৰতৰ ভিতৰত অসম আটাইতকৈ দুখীয়া। ভাৰতবর্ষৰ প্রদেশবিলাকৰ আলোচনা কৰোঁতে বহুত লোকে অসম প্রদেশৰ নাম মনত কৰিবলৈকেও পাহৰি যায়। বহুত দিনলৈকে পশ্চিম ভাৰতৰ আনকি পশ্চিম বঙ্গৰো সাধাৰণ মানুহৰ মনত ধাৰণা আছিল যে বঙ্গদেশৰ সীমাৰ বাহিৰে থকা কিছুমান কিবা কিবি জঙ্গলী ঠাইৰ নাম অসম।

অসমৰ মানুহ যে কিমান দুখীয়া তাক আন আন দেশৰ মানুহৰে সৈতে তুলনা কৰিলে ভালদৰে বুজিব পাৰি। ইউৰোপ আমেৰিকাৰ কথাকে নকওঁ, ভাৰতবর্ষৰ আন আন প্রদেশৰ একোজন বিখ্যাত ধনী লোকৰ আয় যিমান গোটেই অসমীয়া মানুহবেই আয় লগ কৰিলে সিমান নহব পাৰে। আন আন ঠাইত একোজন মানুহে ডাঙৰ একোটা কার্য্যৰ বাবে যিমান খিনি দানকেই কৰে আমাৰ ইয়াৰ এখন জিলাৰ মানুহৰ টকা গোট খুৱালেও সিমান নহব কিজানি। কোনো এটা ডাঙৰ কাৰবাৰৰ কথা ভাবিলে আমাৰ মানুহে গাইপতি পাঁচ টকা বা দহ টকাকৈ মূল ধন তুলি থাকোঁতেই অনেক বছৰ অতীত হয়। পশ্চিমৰ পৰা মানুহে দূৰবীণেৰে চালে এনেকুৱা দেখে

যেন এইখন প্রদেশত অকণ অকণ মানুহ খিনিয়ে দুবৰী বনৰ তলে তলে খেলি-মেলি কৰি ফুৰিছে।

কিন্তু ইয়াতে এটা কথা মনত কৰিব লাগে যে অসমৰ মানুহবোৰ দুখীয়া দেখিছে অসম দেশখনো দুখীয়া হৈ বৈছে। প্ৰকৃততে অসম দেশখন দুখীয়া দেশ নহয়। "It is a rich province with a poor people" অসমত আৰ্থিক উন্নতিৰ যিমান খিনি সম্বল আছে তাৰ সদ্ব্যৱহাৰ এতিয়াও হোৱা নাই।

উৰ্ব্বৰ জমি, বহুমূলীয়া গছ-গছনিৰে ভৰা হাবি, পাহাৰ, পৰ্ব্বত নানা সম্পদেৰে ভৰি থকা নদ-নদী আৰু ধন-ৰত্ন ঐশ্বৰ্য্যময় খনিৰে পৰিপূৰ্ণ সুজলা সুফলা শস্য শ্যামলা অসম মাতৃয়ে সন্তান সকলক বাটৰ ভিকহু হবলৈ থোৱা নাই। অকল অসমতে হে বোধ কৰোঁ মানুহে এতিয়াও নিজ হাতে খেতি নকৰাকৈ আম কঠাল খাবলৈ পায় আৰু হাবিৰ পৰা বিচাৰি অনা শাক পাচলিৰে পেট প্ৰবৰ্ত্তাব পাৰে। মানুহৰ পৰা একো চেষ্টা আৰু উন্নতি নোপোৱাতো অসমে এতিয়ালৈকে ভাৰতবৰ্ষৰ আন আন প্ৰদেশত থাকিবলৈ ঠাই নোপোৱা আৰু খাবলৈ ভাত নোপোৱা লক্ষ লক্ষ মানুহক এই অপবিণত (undeveloped) অৱস্থাতো আশ্রয় দিব পাৰিছে। সুতৰাং ভবিষ্যতলৈ অসমত কৰিব পৰা বহুত খিনি কাম আছে আৰু বহুত খিনি উন্নতিৰ ঠাই আছে। অসম এখন (undeveloped) প্ৰদেশ। পোনতে চালে এইটো এটা দুৰ্ভাগ্য; কিন্তু যি মানুহ কৰ্ম্মী তাৰ বাবে ই এটা সৌভাগ্যৰ কথা যুক্তিও ধৰিব পাৰি। সেই কাৰণেই অসমত আহি বসতি কৰি থাকিবলৈ মানুহৰ ইমান হেঁপাহ।

ইকনমিক প্লেন স্থিৰ কৰিব লাগিলে দেশৰ অৰ্থ উৎপাদনৰ মূল উপাদান কেইটাৰ বিষয়ে প্ৰথমে ভাল দৰে অনুসন্ধান হব লাগে। অৰ্থনীতিত অৰ্থউৎপাদনৰ মূল উপাদান বোৰক চাৰিটা শ্রেণীত ভাগ কৰা হয়। প্ৰথম হৈছে Land অৰ্থাৎ জমি বা ভূমি। দেশৰ মাটি পানী, ৰ'দ বতাহ বৰষুণ আৰু প্ৰাকৃতিক অৱস্থান এই আটাই বোৰকে

Land বোলা হয়। দ্বিতীয় Labour অর্থাৎ শ্রম আৰু শ্রমিক। প্রকৃতিৰ দান বোৰক শ্রমৰ দ্বাৰাই খটোৱা মানুহক Labour ৰ ভিতৰত ধৰা হয়। তৃতীয় Capital যি টকা পইচা যন্ত্র পাতি আদিক কামত খটাই মানুহে ধন উপার্জ্জন কৰে সেয়ে দেশৰ Capital, চতুর্থ Organisation। সকলো বিলাক বস্তুকে সুব্যবস্থা কৰি নচলালে ভালদৰে ধন উৎপন্ন নহয়। এতিয়া অসমত এই বিলাক বিচাৰি চোৱা যাওক।

অসমৰ জমি বা ভূমি—আমি জানোঁ যে অসম প্রদেশৰ মাটি কালি ৬৭৩৩৪ বর্গমাইল। চুৰমা ভেলি আৰু পার্ব্বত্য বিভাগৰ পৰিমাণ ২৭৮৭০ বর্গমাইল। অসম ভেলিৰ পৰিমাণ ২৭০৮৪ বর্গমাইল। সীমান্ত অঞ্চলৰ কালি ৩৭৬০ বর্গমাইল, মণিপুৰ ৰাজাৰ কালি ৮৬২০ বর্গমাইল। অসমত মুঠ জঙ্গলৰ পৰিমাণ ৰিজার্ভ আৰু unclassed জঙ্গল ধৰি ২১৩৯৩ বর্গমাইল এই খিনি ঠাইৰ আলোচনাত তলত লিখা কথা বোৰৰ বিৱৰণ লব লাগিব :—বর্ত্তমান খেতিৰ বাবে আবাদ হোৱা জমি, অনাবাদি জমি, অনাবাদিৰ ভিতৰত কিমান খিনিৰ আবাদ হব পাৰে, প্রধান খাদ্য শস্য আৰু অকল বেহা-বেপাৰৰ উপযোগী শস্য অর্থাৎ commercial crop, গৰু মহৰ ঘাঁহৰ বাবে আবশ্যকীয় জমি, জঙ্গল পাহাৰ আৰু কাঠনিৰ পৰিমাণ আৰু তাত উৎপন্ন হোৱা সকলো প্রকাৰৰ বস্তু আৰু উপকাৰ আৰু সেইবিলাকৰ পৰা অপকাৰ, যেনে বান পানী আদি, দেশৰ যাতায়াতৰ বাট পথ, খনি আৰু খনিজ বস্তু, জমি পত্তন দিয়াৰ বন্দবস্ত অর্থাৎ Tenancy system, খাজনাৰ পৰিমাণ ইত্যাদি।

অসমৰ মানুহ (Labour)—ইয়াত আলোচনা হব লাগে অসমৰ জনসংখ্যা আৰু তাৰ হ্রাস বৃদ্ধি, মানুহৰ বসতিৰ ঘন পাতল অর্থাৎ density, অসমলৈ বাহিৰৰ পৰা অহা মানুহ আৰু বিদেশলৈ যোৱা অসমীয়া মানুহ, প্রকৃত অর্থ উপার্জ্জন কৰা মানুহ আৰু পৰৰ ওপৰত

খোৱা মানুহ, মানুহৰ স্বাস্থ্য, মহামাৰী দুর্ভিক্ষ আৰু কানি খোৱাৰ পৰিমাণ, চাহ বাগিছা, পেট্রোলিয়ম কয়লাৰ খনি আৰু আন আন বিধৰ যেষ্টবীত কাম কৰা বনুৱাৰ সংখ্যা আৰু তেওঁলোকৰ অৱস্থা সাধাৰণ মানুহৰ খোৱা থকাৰ অৱস্থা অর্থাৎ Standard of living, নিবনুৱা সমস্যা আৰু তাৰ প্রতিকাৰ, গাওঁ সংগঠন ইত্যাদি।

অসমৰ কেপিটেল আৰু অর্গেনাইজেচন:—(১) অসমৰ মানুহৰ জাতীয় আয় অর্থাৎ National Dividend, কৃষক সকলৰ আৰু নগৰীয়া মানুহৰ আয়, ব্যয় আৰু অপব্যয় আৰু সাধাৰণ গৃহস্থসকলৰ ঘৰুৱা আয়-ব্যয়ৰ হিচাব (family budget), ঋণৰ পৰিমাণ, বহুবি দিবলগীয়া সুদৰ পৰিমাণ, আৰু তাৰ ফলাফল, গাৱঁলীয়া মহাজন, খেতিয়ক সকলৰ গৰু মহৰ সংখ্যা আৰু তাৰ উন্নতিৰ উপায়।

(২) অসমৰ কুটীৰ শিল্প যেনে—কাপোৰ বোৱা সুতা কটা এড়ি মুগা আৰু পাটৰ শিল্প, কমাৰ কহাঁৰ কুমাৰ, বণিয়া, কাঠৰ কাম কৰা ইত্যাদি শিল্পৰ বর্ত্তমান অৱস্থা আৰু উন্নতিৰ উপায়, হাহঁ, পাৰ, ছাগলী, কুকুৰা গাহৰি আদি পোহা ব্যৱসায়, গাখীৰ ঘিউ উৎপন্নৰ কাৰবাৰ, এই আটাইবিলাক কাৰবাৰতে উৎপন্ন বস্তু বিক্রিৰ সুবন্দবস্ত।

(৩) অসমৰ প্রধান শিল্প যেনে চাহ বাগিচা, কয়লাৰ খনি কেৰাচিন তেলৰ খনি, লোণ আৰু বিলাতী মাটি চূণ আদিৰ কাৰবাৰ, চাউলৰ কল, তেলৰ কল, কাঠ কটা কল, ইত্যাদি।

(৪) অসমৰ বেহা বেপাৰ—বপ্তানি আৰু আমদানি, মধ্যবর্ত্তী অর্থাৎ middle man ৰ ব্যবসায়, খুচৰা দোকানদাৰি ব্যবসায়, অসমত বেঙ্ক, বীমা কোম্পানী, চিনেমা কোম্পানী মোটৰ কাৰ, লৰী চাইকেল আৰু গৰুৰ গাড়ীৰ ব্যবসায়।

(৫) অসমত সমবায় আন্দোলন ঋণ সমিতি, অঋণ সমিতি চৰকাৰী কৃষি বিভাগ, সমবায় বিভাগ, শিল্প বিভাগ, গৰু মহৰ চিকিৎসাৰ বিভাগ, সাধাৰণৰ স্বাস্থ্যৰক্ষাৰ বিভাগৰ (Public Health) কার্য্য,

সাধাৰণ শিক্ষা ব্যবসায় শিক্ষা, আৰু শিল্প বিষয়ক শিক্ষাৰ ব্যবস্থা ইত্যাদি।

এইদৰে নানা প্ৰকাৰ অৰ্থনৈতিক বিষয়ৰ কথা কৈ ওৰ পেলাব নোৱাৰি। ইয়াত এইবিলাকৰ এটা সম্পূৰ্ণ তালিকা দিব পাৰিম বুলি মই আশা কৰা নাই আৰু এনেকুৱা তালিকা কেতিয়াও সম্পূৰ্ণ হব নোৱাৰে। এই আটাই বিলাক বিষয়ৰ অনুসন্ধান হৈ উঠাৰ পিছত হে এটা সংগঠিত অৰ্থনীতিৰ পৰিকল্পনা কৰিব পাৰি।

অসমৰ কেতবোৰ বিশেষ সমস্যা

বৰ্ত্তমান সময়ত অসমত কেতবোৰ বিশেষ সমস্যাই আহি দেখা দিছে। এই বিলাকে মানুহৰ মন এনে দৰে বিচলিত কৰি থৈছে যে অনুমান হয় এই বিলাকৰ ভাল মীমাংসা হৈ নাযায় মানে আন কথালৈ মানুহৰ মনোযোগ আকৰ্ষণ নহবই। সেই বিলাক সমস্যাৰ দুই এটাৰ সমন্ধে বোধ কৰোঁ এইখিনিত অলপ উল্লেখ কৰা ভাল হব।

প্ৰথম সমস্যা শ্ৰীহট্ট বিচ্ছেদ

অসম Census Report ৰ প্ৰথম পিঠিত উল্লেখ আছে যে অসম প্ৰদেশৰ চৰকাৰী সীমা আৰু মানুহৰ মুখে মুখে যিখিনি ঠাইক অসম বোলা হয় তাৰ মাজত বৰ ডাঙৰ প্ৰভেদ। তাত এইদৰে লিখা আছে।

"A planter living in Sylhet does not ordinarily consider himself to be living in Assam at all but he would refer to a friend of his who lived in the

Brahmaputtra or Assam Valley as living in Assam.

অর্থাৎ চৰকাৰী হিচাব অনুসৰি যি খন অসম আৰু দুয়ো উপত্যকাৰ জন সাধাৰণৰ মত অনুযায়ী যি খন অসম এই দুখন বেলেগ বেলেগ বস্তু। বাস্তবিকে ভাৰতবৰ্ষৰ প্ৰাদেশিক বিভাগ বোৰ কোনো প্ৰাকৃতিক সীমা অৰ্থাৎ natural boundary বা কোনো ভাষা অনুযায়ী কৰা হোৱা নাছিল। সেই বাবেই আজি কালি কেৰা ঠাইতো প্ৰাদেশিক সীমাৰ পৰিবৰ্ত্তন কৰিব লগীয়া হ'ল। বিহাৰ, সিন্ধু, উৰিষ্যা আদি বেলেগ প্ৰদেশ হৈ পৰিল। অন্ধ্ৰ কেৰল আদিতো বেলেগ প্ৰদেশ পাতিবৰ কথা ওলাল। সুতৰাং শ্ৰীহট্ট বিচ্ছেদ বুলিলেই যে কিবা ভগৰৰ কথা হ'ল তেনে দৰে ভবাটো নিতান্ত অযুক্তত। আৰু শ্ৰীহট্ট অসমৰ পৰা বেলেগ হৈ যোৱাৰ কথা লৈয়ে শ্ৰীহট্টৰ আৰু অসমীয়া মানুহৰ মাজত যে কিবা মনোবিবাদ হব লাগে এনেকুৱা কোনো কথা নাই। শ্ৰীহট্ট অসমীয়া মানুহৰ গাতে লাগি থকা জিলা আৰু শ্ৰীহট্ট লৈ বা শ্ৰীহট্টৰ পৰা অহা যোৱা বাটৰ উন্নতিৰ লগে লগে এই দুয়ো ঠাইৰ মানুহৰ মাজত সদ্ভাব বেছি হোৱাৰ আশা। দুৰ্ভাগ্য ক্ৰমে শ্ৰীহট্ট বিচ্ছেদৰ কথা ওলালে অনেক সময়ত অনাবশ্যক উত্তেজনাৰ সৃষ্টি হয়। এই বিষয়ে দুই উপত্যকাৰ মানুহৰ মাজত পৰস্পৰে দোষাৰোপ যথেষ্ট পৰিমাণে হৈ গৈছে। সেইবোৰ পুনৰায় আলোচনা নকৰি তাক পাহৰিবৰ চেষ্টা কৰাই ভাল। শ্ৰীহট্টৰ মানুহে নিজে ইচ্ছা কৰি কেতিয়াও এই প্ৰদেশত সোমাবলৈ অহা নাছিল। শ্ৰীহট্ট যদি এই প্ৰদেশত থাকে তেনেহলে আৰু যদি শ্ৰীহট্ট যোৱাটোহে স্থিৰ হয় তেনেহলেও দুয়ো ঠাইৰে মানুহৰ মাজত সদ্ভাব থাকিব লাগিব।

এতিয়া অসমীয়া মানুহৰ নিজৰ কিবা ত্ৰুটি আছে নেকি তাৰে চোৱাটোহে বেছি কাৰ্য্যকৰি কথা। আমি যদি নিজৰ পাবলগীয়া সুবিধা খিনি নিজে একতাবদ্ধ হৈ লব নোৱাৰো তেনেহলে আমাৰ ওপৰত শ্ৰীহট্টৰ মানুহে আজি কিবা সুবিধা লব পাৰে আৰু তেওঁলোক গলে

আমাৰ ওপৰত কালি কোনোবাই সেই সুবিধা লব। লাহে লাহে অসমীয়া মানুহক নানা প্ৰকাৰ line system লগা হব আৰু অসমীয়া মানুহ খিনিয়ে চাৰিও পিনে লাইনৰ মাজত বাস কৰিহে নিৰাপদ বিবেচনা কৰিব।

বাস্তবিকে অসমীয়া মানুহৰ গাত বৰ্ত্তমান কালৰ জীবন যুদ্ধত বাঁচি থাকিব পৰা গুণ ভালেমান নাই। শ্ৰীহট্টৰ মানুহ আমাতকৈ যে বেছি কৰ্ম্মী আৰু তেওঁলোকৰ অধ্যবসায় গুণটো যে আমাতকৈ বহুত বেছি তাত সন্দেহ নাই। অসমীয়া মানুহে প্ৰতিযোগিতাৰ হেঁচাত কি ভাবে চলিব লাগে তাক এতিয়াও ভালদৰে শিকি উঠিব পৰা নাই। উজনিৰ মানুহ আৰু নামনিৰ মানুহ, অপাৰ অসমৰ মানুহ আৰু কামৰূপীয়া মানুহ ইত্যাদি বিষয় লৈ বহুত শিক্ষিত মানুহৰ পেটতো কিছুমান আচৰিত ধৰণৰ ধাৰণা আছে। মহাপুৰুষীয়া সম্প্ৰদায় আৰু দামোদৰীয়া সম্প্ৰদায়ৰ বিষয়ে ভাবিও বহুত মানুহে আন কাম কৰিবৰ সময় নাপায়। ইপিনে আকৌ যদিও অসম উপত্যকাৰ বাহিৰে অসমীয়া ভাষাৰ মুঠেই চৰ্চ্চা নাই, তথাপি অসমীয়া ভাষাটো কি আৰু কেনেকুৱা হব লাগে সেইটো লৈ গ্ৰন্থকাৰ সকলৰ মাজত তৰ্কবিতৰ্কৰ সীমা নাই। অসমত হাইকোৰ্ট হলেহে বোধ কৰোঁ এইবোৰ কথাৰ মীমাংসা হব।

মুঠতে কবলৈ গলে অসমীয়া মানুহ খিনি যদি এক মতলৈ আহিব পাৰে তেনে হলে শ্ৰীহট্ট সমস্যাৰ একে দিনাই মীমাংসা হব পাৰে। এতিয়া লাহে লাহে দেখা গৈছে যে শ্ৰীহট্ট জিলা বঙ্গদেশৰ অন্তৰ্ভুক্ত হোৱা মতটো মাজতে কিছুমান দিনলৈ তল পৰি থাকিলেও এতিয়া আকৌ লাহে লাহে বাঢ়িব ধৰিছে। জমিৰ চিৰস্থায়ী বন্দবস্ত আৰু বেলেগ ভাষাৰ প্ৰচলন থকাৰ বাবে শ্ৰীহট্ট বঙ্গদেশৰ অন্তৰ্ভুক্ত হোৱাৰ পৰা যে শ্ৰীহট্টৰো বেছি সুবিধা—এনেকুৱা কথা অলপ বেছিকৈ শুনিব পোৱা গৈছে। এইদৰে আন কোনো ঠাইয়ো বঙ্গদেশৰ অন্তৰ্ভুক্ত হবলৈ ওলায় তেনেহলে অসম উপত্যকা আৰু পৰ্ব্বতীয়া উপত্যকা গোটখাই

এখন প্রদেশ হৈ থকাটো অসম্ভব নহব। লোকসংখ্যা কম হলেও ভবিষ্যতলৈ যে লোক সংখ্যা নাবাঢ়িব এনে কথা নাই। সুতবাং অসম প্রদেশব সীমাব কোনো এটা উপযুক্ত বন্দবস্ত আশা কবোঁ আমাব অসমীয়া আৰু শ্রীহট্টিয়া বা বঙ্গালী মানুহব মাজত কোনো অসন্তোষ নোহোৱাকৈয়ে এদিন মীমাংসা হব। গোটেই ভাবতবর্ষ যে এটা সমষ্টি এইটো কথা বুজি মানুহব মনত যেতিয়া ভাবতীয় ভাবটো বেছি পবিমাণে জাগি উঠে তেতিয়া এইবোব আত্যন্তবিক মনোবাদব তীব্রতা লাহে লাহে কমি আহিব।

লাইন প্রথা

দ্বিতীয় কথা হৈছে অসমব লাইন প্রথা। লাইন প্রথাটোক Economic Planningব এটা অঙ্গ বুলিব পাবি, আৰু এই প্রথাব দ্বাবাই আন ঠাইব পবা বসতি কবিবলৈ অহা মানুহবিলাকক অসমীয়া মানুহব পবা চিবকাললৈ বেলেগ কবি বখা হব বুলি ভাবিবব একো কাবণ নাই।

আজি আমি যিবিলাক মানুহক আন ঠাইব পবা অহা (immigrant) বুলি ভাবিছোঁ তেওঁলোকক কুবি বছব পিছত আৰু বিদেশী বুলি ভাবিব পবা নহব। তেওঁলোকক আমাব নিজব কবি লব নোৱাবিলে অসমীয়া জাতিব ভবিষ্যতলৈ ভয়ানক বিপদ উপস্থিত হব সেইটো আটায়ে জানে। অসমত থকা মাৰোৱাবী বা ইউবোপীয়ান আদিব কথা বেলেগ কাবণ তেওঁলোকব নিজ দেশত বেলেগ ঘব এখন আছে কিন্তু আন আন ঠাইব পবা একেবাবে অসমত বসতি কবিবলৈ অহা হিন্দু আৰু মুছলমান-সকলব কথা বেলেগ। অসমীয়া জাতিব কৃষ্টিব এটা ডাঙব পবীক্ষাব সময় আহিছে। ইয়াত জয়লাভ কবিলে অসমীয়া জাতিটোৱে ডাঙব হব, নহলে চিবকাললৈ অশান্তি থাকিব।

লাইন প্রথা হবব আজি কেবা বছবো হল। এই প্রথাব সুবিধা

লৈ অসমীয়া মানুহে এই কেই বছৰৰ ভিতৰত কিমান খিনি আগুৱালে সেইটো হে চাব লগীয়া। চন মাটি অসমীয়া মানুহে নিজে সৰহ পৰিমাণে আবাদ কৰি লব নোৱাৰিলে বহুদিনলৈকে অসমীয়া মানুহৰ বাবে লাইন প্ৰথাৰ দৰকাৰ হৈয়ে থাকিব। Collective farming, কলিকতা বিশ্ববিদ্যালয়ে কৰা Educational Colony আদি পাতিবৰ চেষ্টা কৰাও আমাৰ ইয়াত দৰকাৰ হৈ উঠিছে।

বিদেশৰ পৰা অহা অধিবাসীসকলৰ সম্বন্ধে চৰকাৰী বিপোৰ্টৰ এঠাইত এইদৰে লিখা আছে:—

"The settlers have opened vast tracts of dense jungle and have brought in their wake wealth, industry and general prosperity. They have improved the health of the country side by clearing the jungles and converting the wilderness into prosperous jungles. Their industry as agriculturists has become almost proverbial and they extract from their fields the utmost that they can yield. Their love and care of cattle is also an object lesson to others. Govt. revenue has increased. Trade and commerce have prospered. The lakhs of rupees which annually pour into the district to buy their jute pass out from their pockets in those of the traders who sell them their food stuffs." This may be called a contribution of Bengal to Assam.

বিদেশৰ পৰা অহা মানুহ খিনিকো যদি অসমীয়া কবি লব পৰা নহয় তেনেহলে ওপৰত কোৱা কথাৰ পৰা অসমীয়া মানুহৰ মনত বিশেষ সান্ত্বনা আহিব নোৱাৰে।

পাঞ্জাবৰ Canal colony বিলাকত যেতিয়া মানুহ বসতি কৰিবলৈ দিয়া হয় তেতিয়া খেতিয়কসকলক যেনি পায় তেনি মাটি দখল কৰিবলৈ নিদি এটা plan অনুসৰি চলিবলৈ দিয়া হৈছিল। অসমতো চন মাটিবোৰত তেনেকুৱা এটা বন্দবস্ত চলাবলৈ ঠাই আছে আৰু সেইদৰে plan কৰাৰ অত্যন্ত আবশ্যক। আজিকালি পৃথিবীৰ কোনো দেশতে কোনোপ্রকাৰ প্রথা হাতত নোলোৱাকৈ নতুন জমিত মানুহক বসতি কৰিবলৈ দিয়া নহয়। সুতৰাং অসমৰ লাইন প্রথাটো যে অর্থনীতিৰ বহিভূ'ত কিবা এটা কথা এইদৰে ভবা অযুগুত। কিন্তু অসমীয়া মানুহে সদায় এইটো মনত বাখিব লাগে যে লাইন প্রথা এটা চিবস্থায়ী বস্তু হব নোবাবে। অসমীয়াই নিজৰ কৃষ্টি, সমাজৰ শান্তি আৰু ভবিষ্যত উন্নতিৰ বাট মোকলাই বাখিবৰ হলে এপিনে যিদৰে বিদেশী মানুহ খিনিক অসমীয়া কৰিবৰ চেষ্টা কৰিব লাগিব সেইদৰে আনপিনে লাইন প্রথা নোহোৱাকৈ যাতে আগলৈ চলিব পাৰে তাৰ বাবে নিজৰ বস্তি আৰু নিজৰ আবাদ বঢ়াব লাগিব।

অবস্থাৰ লগে লগে মানুহ চলিবলৈ নাজানিলে বিপদ মিলে। কথাতে কৈছে যে life is a constant internal adjustment to external conditions. অসমীয়াৰ নিজৰ যিটো কৃষ্টি তাক বাকচত সুমাই থৈ কেতিয়াও নিৰাপদে বক্ষা কৰিব নোৱাৰি। অসমীয়াৰ নিজৰ কৃষ্টিৰ বক্ষাৰ বাবেই এই কৃষ্টিত যদি কিবা পবিবর্ত্তন অনাৰ লগীয়া হয় তাক অনোৱাত আপত্তি কৰিলে আমাৰ নিজৰ কৃষ্টিক নিজে বধ কৰা যেন হে হব।

আমাৰ নিজৰ কৃষ্টিলৈ বিদেশীসকলৰ যাতে আগ্রহ ওপজে তাৰ বাবে চেষ্টা কৰিব লাগিব। অসমীয়া মানুহ এই বিষয়ত একেবাৰে নিৰাশ হোৱা অনুচিত। দেখা গৈছে যে যিসকল অধিবাসী বিদেশৰ পৰা কিছুমান দিন আগতে অহা সেইসকলৰ লগত একেবাৰে নতুন কৈ অহা বিদেশীসকলৰ বহুত পার্থক্য ঘটিব ধৰিছে। আগেয়ে মৈমনসিঙৰ পৰা অহা মানুহবে সৈতে পুবণি অসমীয়া মানুহৰ গোলমাল হৰৰ

যিদবে ভয় আছিল, মৈমনসিঙব পবা অহা পূবণি মানুহ'ব সৈতে নতুন মানুহবিলাকবো সেইদবে গোলমাল হোৱাব কথা শুনা গৈছে। সুতবাং অসমীয়াব আৰু অসমব ঠাইব বিশেষ প্রভাব যে এফেবা আছে তাক স্বীকাব কবিবই লাগিব।

লাইন প্রথা যিসকলে স্বীকাব কবে তেওঁলোকব মাজতো কার্য্যত খটোৱা নীতি সম্বন্ধে কিছুমান মতভেদ হব পাবে। কোনো কোনোৱে ভাবিব পাবে নতুন অধিবাসীসকলব বাবে জিলাব এটা অংশ তেনেই পৃথক কবি বখা যুগুত আৰু তেনেহলে তেওঁলোকবেই এখন সুকীয়া সমাজ হব আৰু চবকাবী শাসন কার্য্য চলোৱাতো সুবিধা হব। আন এটা মত এনেকুৱা হব পাবে যে বিদেশী সকলক অসমীয়া মানুহব গাওঁবিলাকব ওচবে ওচবে যি চন মাটি পোৱা যায় সেইবিলাকত সিচঁবুতি হৈ বহিব দিব লাগে। তেতিয়া হলে বিদেশীসকলে নিজাকৈ সংঘবদ্ধ হৈ বেলেগে এখন সমাজ পতাব আবশ্যক নেথাকে। এয়ে হলে বিদেশী মানুহ অসমীয়া হৈ যোৱাত বেছি সুবিধা হব পাবে।

এই দুটা নীতিব ভিতবত কোনটো ভাল সেইটো ঠাইব অৱস্থা বুজি স্থিব কবিব লাগিব। মুঠতে এই কেইটা কথা কব পাবি যেঃ—(১) বিদেশীসকলক অসমীয়া মানুহব লগত মিল কবি লোৱাত যাতে কোনো প্রকাব অনাৱশ্যক বাধা নঘটে তাব বাবে চেষ্টা কবিব লাগে। (২) দ্বিতীয়তে বিদেশীসকলব অবাধ আগমনটো বন্ধ হোৱা উচিত। আন আন দেশত বিদেশী মানুহ বসতি কবিবব হলে তেওঁলোকে নিজব আর্থিক সচ্ছলতা আৰু সজ চবিত্রব প্রমাণ দিলেহে বসতি কবিবব অনুমতি পায়। (৩) তৃতীয়তে বিদেশী মানুহক অনন্ত কাললৈ যে আহি থাকিবই দিব লাগিব তেনে কথা হব নোৱাবে। অসমব চন মাটিবো এটা সীমা আৰু পবিমাণ আছে। মাটিব পবিমাণ সময়ব লগে লগে নেবাঢ়ে। সুতবাং অসমলৈ এতিয়ালৈকে যিমান খিনি বিদেশী মানুহ আহিব দিয়া হৈছে সেয়ে যথেষ্ট হৈছে নে নাই সেই সম্বন্ধে নিৰপেক্ষ মানুহ আনি ভালদবে তদন্ত কবাব লাগে।

বিদেশী মানুহ অহা কথাৰ আলোচনাত কোনো প্ৰকাৰ সাম্প্ৰদায়িক মনোবৃত্তিৰ প্ৰভাৱ থাকিব নেলাগে। ভূমি আৰু জন সংখ্যা বিষয়ক অৰ্থনীতিত (Economics of land and population) অভিজ্ঞ লোকৰ দ্বাৰাই এই বিষয়ত নিৰপেক্ষ ভাবে অনুসন্ধান হব লাগে। এই বিষয়ত দক্ষিণ আফ্ৰিকা, আমেৰিকা, অষ্ট্ৰেলিয়া আদি যিবিলাক দেশত নতুন অধিবাসী অহাৰ সমস্যা প্ৰবল হেনেকুৱা দেশৰ আৰ্হি লব লাগে।

অসমত নিবনুৱা সমস্যা।

নিবনুৱা সমস্যাই প্ৰথমতে ভাৰতবৰ্ষত মধ্যম শ্ৰেণীৰ ভদ্ৰলোকসকলৰ অৰ্থাৎ middle class ৰ ভিতৰত দেখা দিয়ে। ভাৰতবৰ্ষত পশ্চিমৰ দেশবিলাকৰ দৰে মাটি-বাৰি নোহোৱা শ্ৰমিকৰ দল প্ৰথমতে নাছিল। কিন্তু লাহে লাহে নিবনুৱা সমস্যাই প্ৰায় সকলো শ্ৰেণীৰ মানুহৰ মাজতে দেখা দি আহিব ধৰিছে। অসমত শিক্ষিত ডেকাসকলৰ মাজত নিবনুৱা সমস্যা এতিয়াই প্ৰবল হৈ উঠিছে। অসমত জনসংখ্যা কম বাবে বিদেশী মানুহ অসমলৈ আহিব পাৰিছে। অথচ এই কম জনসংখ্যাৰ ভিতৰতে নিবনুৱা সমস্যা প্ৰবল হৈ উঠিছে।

নিবনুৱা সমস্যাৰ বাবে, সাধাৰণ প্ৰথা অনুসাৰে বৰ্ত্তমান শিক্ষা পদ্ধতিকে প্ৰধান জগৰীয়া বুলি আমাৰ ইয়াতো মানুহে ধৰি লয় আৰু তাৰ লগে লগে বৰ্ত্তমান স্কুল-কলেজবোৰৰ শিক্ষাক দোষ দিয়ে। আন পিনে আকৌ এইটোও দেখা যায় যে মানুহে নিতৌ নতুন নতুন কলেজ আৰু গাৱেঁ গাৱেঁ নতুনকৈ হাই স্কুল পাতিবলৈ বিচাৰি ফুৰিছে।

মোৰ মনে বৰ্ত্তমান স্কুল-কলেজৰ শিক্ষাক মানুহে ওপৰে ওপৰে দোষ দিলেও এই বোৰত ইয়াতকৈ বৰ বেছি বেলেগ প্ৰকাৰৰ হব নোৱাৰে।

বৰ্ত্তমান স্কুল-কলেজৰ শিক্ষাবো (literary education) যে

কিছু মূল্য আছে তাক স্বীকাৰ নকৰিলে নহব। এই স্কুল-কলেজৰ পৰাই বৰ্ত্তমান সময়ৰ সকলো খিনি চিন্তা আৰু চৰ্চ্চাৰ বাবে মানুহ ওলাইছে। গোটেই শিক্ষা-পদ্ধতিটোৰ পৰিবৰ্ত্তন লাহে লাহে হে আনিব পাৰি। সুতৰাং বৰ্ত্তমান স্কুল-কলেজ বিলাকক সম্পূৰ্ণ ৰকমে পৰিবৰ্ত্তন কৰিবৰ চেষ্টা নকৰি, এইবিলাকক প্ৰায় এই দৰেই থাকিব দি এইবিলাকৰ আৰু সংখ্যা নবঢ়াই শিক্ষাৰ নিমিত্তে আন আন প্ৰকাৰৰ অনুষ্ঠান পাতিব লাগে। নিবনুৱা সমস্যাৰ প্ৰতিকাৰৰ অৰ্থে আমাক প্ৰকৃততে লাগে জন-সাধাৰণৰ প্ৰাথমিক শিক্ষা আৰু হাতৰ কাম আৰু শিল্প আদি শিকাবৰ নিমিত্তে সৰহ পৰিমানে স্কুল।

সকলোতকৈ ডাঙৰ কথা হৈছে চৰকাৰী চাকৰি লোৱা নোলোৱা বা চৰকাৰী চাকৰি পোৱা নোপোৱা সম্বন্ধে মানুহে সময় উকলি নৌ যাওঁতেই এটা স্থিৰ মতলৈ আহিব লাগে। চৰকাৰী চাকৰিৰ আশাই মানুহৰ চকুৰ আগত যি এখন মায়াৰ জাল সৃষ্টি কৰে সেই জাল খন আঁতৰাব লাগে। মানুহৰ মাজত চাকৰীয়ে যি এটা অদ্ভুত মনোবৃত্তি সৃষ্টি কৰিছে সেই মনোবৃত্তিটোৰ পৰিবৰ্ত্তন নহলে কি বৰ্ত্তমান স্কুল-কলেজৰ শিক্ষা, কি ব্যবসায়মূলক শিক্ষা কোনোটোয়ে নিবনুৱা সমস্যাৰ একো প্ৰতিকাৰ আনিব নোৱাৰে। এতিয়ালৈকে দেখা গৈছে যে কোনো technical বিষয়ত নিজ খৰচত নাইবা চৰকাৰী খৰচত মানুহে বিদেশত ব্যবসায়মূলক উচ্চ শিক্ষা লাভ কৰি আহিও চাকৰিহে বিচাৰে। Mining Engineering আদি বিষয়ত বিদেশত শিক্ষা লাভ কৰি আহিও মানুহ হাকিম বা চব্‌ডেপুটি হোৱাও দেখা গৈছে। আমাৰ দেশত কাম কৰা বুলিলে চাকৰি কৰা বুজায়। পৃথিবীৰ কোনো গৱৰ্ণমেণ্টেই সমস্ত শিক্ষিত লোকক চাকৰি যোগাব নোৱাৰে। দেশৰ মানুহৰ শতকৰা এজন বা দুজনত বাজে বেছি মানুহৰ ভৰণ পোষণ কেতিয়াও চৰকাৰী চাকৰিৰ পৰা পোৱা টকাৰে হব নোৱাৰে। আন আন দেশত শিল্প, বাণিজ্য, ইত্যাদিৰ পৰাই অধিকাংশ ডেকাই

জীবিকাৰ উপায় উলিয়াই লয়। তাৰ উপৰি সৈন্য বিভাগ, নৌ বিভাগ ইত্যাদিত বহুত মানুহ সোমাব পাৰে।

নিবনুৱাসকলক দুই ভাগত ভগাই লব পাৰি :—শিক্ষিত নিবনুৱা আৰু অশিক্ষিত নিবনুৱা। শিক্ষিত আৰু অশিক্ষিত দুয়ো প্ৰকাৰ মানুহৰ ভিতৰতে যিসকলে কোনো ব্যৱসায় হাতত লবৰ সুবিধা পালেও নলৈ এনেই সময় কটায় তেওঁলোকক প্ৰকৃত নিবনুৱা নুবুলি অবনুৱা হে বুলিব পাৰি।

শিক্ষিত লোকৰ মাজত হোৱা নিবনুৱা সমস্যাৰ প্ৰতিকাৰৰ অৰ্থে আমাৰ দেশত যিমানবোৰ আলোচনা হৈছে তাৰ ভিতৰত যুক্ত প্ৰদেশৰ চাৰ তেজ বাহাদুৰ চাপ্ৰুৰ ৰিপোৰ্ট উল্লেখ যোগ্য। এই চাপ্ৰু কমিটিত যুক্ত প্ৰদেশৰ দয়ালবাগ আশ্ৰমৰ স্থাপন কৰ্ত্তা মহাত্মা চাৰ চাহাবজী মহাৰাজ এজন সভ্য আছিল। এই জন পুৰুষৰ আজি এবছৰ মান আগতে পৰলোক হৈছে। দয়ালবাগত চাহাবজী মহাৰাজে এটা নতুন সম্প্ৰদায় পাতি আশ্ৰমৰ ভিতৰতে নানা প্ৰকাৰ শিল্প আৰু ব্যৱসায় খুলিছে আৰু তাৰ উৎপন্ন বস্তু বহু ঠাইলৈ বপ্তানি হৈছে। নিবনুৱা সমস্যাৰ সমাধানৰ বিষয়ে যিসকলে ভালদৰে চিন্তা কৰিবৰ মন কৰে তেওঁলোকে এবাৰ দয়ালবাগ আশ্ৰম চাই অহা যুগুত। শ্ৰীশ্ৰীচাহাবজী মহাৰাজৰ দয়ালবাগ আশ্ৰমৰ বিষাট কাৰবাৰে পৃথিবীৰ নানা দেশৰ মানুহৰ মনত বিস্ময় আনিছে।

অসমতো নিবনুৱা সমস্যাৰ প্ৰতিকাৰৰ অৰ্থে নিবনুৱা তদন্ত কমিটি (Assam Unemployment Enquiry Committee) বহিছিল, আৰু বিচাৰিলে সেই কমিটিৰ ৰিপোৰ্ট পোৱা যাব পাৰে। চাপ্ৰু কমিটিৰ ৰিপোৰ্টত শিক্ষিত ডেকাসকলৰ এটা সম্পূৰ্ণ লিষ্টি ৰখাৰ বিষয়ে আৰু এটা Unemployment Bureau খোলাৰ বিষয়ে কোৱা হৈছে। অসমতো তেনেকুৱা এটা Unemployment Bureau খোলা হব পাৰে আৰু এই কমিটিয়ে কোন ঠাইত কি কাম পোৱা যাব পাৰে সেই সম্বন্ধে উপদেশ দিব পাৰে। অসমৰ বাহিৰে আন

আন ঠাইত কি চাকৰি পোৱা যাব পাৰে সেই সম্বন্ধে ভালদৰে নজনাৰ পৰাও অসমৰ ডেকাসকলৰ বহুত অসুবিধা হৈছে। আকৌ নিজ দেশৰে সকলো বিভাগৰ চৰকাৰী চাকৰিৰ বিষয়ে ভালদৰে খবৰ নেপাই মাথোন দুই এটা বিভাগৰ চাকৰিৰ বাবেহে আটায়ে আশা পালি থকা দেখা যায়।

নিবন্ধুৱা সমস্যাৰ প্ৰতিকাৰৰ অৰ্থে ইয়াত সম্পূৰ্ণকৈ আলোচনা কৰিবৰ ঠাই নাই। মুঠতে ইয়াকে কব পাৰি যে চৰকাৰী চাকৰি নোপোৱাটো বেগেতে একেবাৰে স্থিৰ হৈ গলে হয়তো বহুত ডেকাই আন আন ফালে অৰ্থাগমৰ বাট উলিওৱাত সময় থকাতে মনোযোগ দিব। এটা চৰকাৰী চাকৰিৰ বাবে এশ জনে আশা পালি থাকি সমস্ত জীৱনটো নষ্ট কৰে। বহুত বছৰ ঘুৰ নিৰাশ হৈ বহুত ডেকাই শেষত আন কোনো প্ৰকাৰ কামৰ অনুপযুক্ত হয় গৈ। সম্প্ৰতি চাকৰিৰ ভাগ বাটোৱাৰা লৈ মহা হুল স্থূল চলিছে। চাকৰিৰ বাবে সাধাৰণ হিন্দু সাধাৰণ মুছলমান, উচ্চ শ্ৰেণীৰ হিন্দু, নিম্ন শ্ৰেণীৰ হিন্দু, চিডিউল্ড Caste, Depressed class, Backward Community আদি নানা প্ৰকাৰ পদাৰ্থৰ সৃষ্টি হৈছে। ইয়াৰ পাছত উন্নত মুছলমান, অনুন্নত মুছলমান, oppressed class, supressed community, ইত্যাদি ওলাবলৈ আৰু বেছি দিন নাই।

আজি যদি কোনোবা সম্প্ৰদায়ৰ মানুহে স্থিৰ কৈ ধৰি লয় তেওঁলোকে চৰকাৰী চাকৰি কেতিয়াও নেপায় তেনেহলে সেই সম্প্ৰদায়ৰ উন্নতি হে হব। আমি আটায়ে জানো যে আমাৰ দেশত মাৰোৱাৰীসকলে চৰকাৰী চাকৰি বিচৰা নাই আৰু চাকৰি নোপোৱা বাবে তেওঁলোকৰ দুখত আমি চকু পানী টুকিব লগীয়াও হোৱা নাই। আকৌ কম বয়সতে যদি এজন মানুহে স্থিৰকৈ জানিব পাৰে যে তেওঁ আৰু কেতিয়াও চৰকাৰী চাকৰি নেপায় তেতিয়া তেওঁ নিশ্চয় আগলৈকে জীৱন সমুদ্ৰৰ এটা ভীষণ ঘূৰ্ণীবায়ুৰ পৰা হাত সাবিব পাৰিব আৰু সময় থকাতে

নিজৰ ভাৰিকাৰ বাট উলিয়াবলৈ চেষ্টা কৰিব পাৰিব।

এতিয়া অশিক্ষিত নিবনুৱাৰ কথা ভাবি চোৱা যাওক। অসমত জনসংখ্যা বঢ় পাইছে। অসম উপত্যকাত প্ৰতি বৰ্গমাইলে মানুহ ১৭৯ জন চুবমা ভেলী আৰু পাৰ্ব্বত্য জিলা কেইখন গোটালে প্ৰতি বৰ্গমাইলে মানুহ ১৩৭ জন হে হয় গৈ। ইউৰোপৰ দেশবিলাকত প্ৰতি বৰ্গমাইলে লোকসংখ্যা ৫০০ৰ পৰা ১০০০ লৈকে আছে। ভাৰতবৰ্ষৰ ভিতৰত বঙ্গদেশ, মাদ্ৰাজ আদি প্ৰদেশত প্ৰতি বৰ্গমাইলে লোকসংখ্যা ৫০০।৬০০ ৰ ভিতৰত। মানুহ ইমান পাতল হলেও অসমত নিবনুৱা সমস্যা এতিয়াই আহি পৰিছে। বিদেশী মানুহ ইয়াত বসতি কৰিবলৈ অহাৰ পৰা এইটো প্ৰমাণ হয় যে অসমীয়া মানুহৰ সংখ্যা বৃদ্ধি পাবলৈ বহুত ঠাই আছে। ভাৰতবৰ্ষত লোকসংখ্যা বৃদ্ধি পোৱাৰ পৰা অৰ্থাৎ over population ৰ পৰা বিপদ ঘটিছে বুলি বহুতে কয় কিন্তু অসমত ইমান কম মানুহ স্বত্বেও সাধাৰণ মানুহৰ ভিতৰতো নিবনুৱা সমস্যাই এতিয়াই দেখা দিয়াটো আচৰিত কথা যেন লাগে।

এই বোৰ কথা ভাবিলে অসমীয়াৰ জাতীয় চৰিত্ৰৰ কেতবোৰ দোষ ওলাই নপৰাকৈ নেথাকে। গাৱঁত মানুহ এনেয়ে বহি থাকিব কিন্তু চাহ বাগিচা, কয়লাৰ খনি, তেলৰ খনি, ফেক্টৰী আদিত কাম কৰিবলৈ আন আন ঠাইৰ পৰা মানুহ আহিব লাগিব। আজি কালি অসমীয়া গাৱঁলীয়া মানুহৰ খোৱা থকাৰ অৱস্থা (standard of living) চাহ বাগিচা, কাৰখানা আদিত কাম কৰা বনুৱাতকৈ কোনো গুণে ভাল নহয়। খোৱা বোৱাৰ এনেকুৱা বেয়া অবস্থাৰ বাবে অসমীয়া মানুহৰ জীবনী শক্তি দিনক দিনে হ্ৰাস পাই আহিছে। অসমীয়া মানুহৰ অল্প জীবনী শক্তিৰ বাবে কাম কৰিবৰ ইচ্ছাও কম আৰু লোকসংখ্যাৰ বৃদ্ধিও অতি সামান্য। যিবিলাক মানুহ আহি ইয়াত নতুনকৈ বহিছে তেওঁলোকৰ কামত শতগুণে বেছি উৎসাহ আৰু তেওঁলোকৰ খেতিৰ জমিও নতুন বাবে বেছি উৰ্ব্বৰা। অৰ্থনীতিত

যাক Diminishing Returnবোলা হয় সি নতুন মানুহবিলাকৰ জমিত আহিবলৈ বহুত দিন আছে। এইটো ঠিক যে অসমীয়া মানুহে কোনো দিনেই আগ নেবাঢ়ে।

অসমৰ বাজহু সমস্যা

যোৱা কেইবছৰৰ অৰ্থ সঙ্কটৰ (Economic depression) বাবে অকল খেতিয়ক সকলৰে নহয় আন আন ব্যবসায়ত থকা মানুহৰো আয় কমি গৈছে। টকাৰ পৰিমাণ হ্ৰাস হোৱা বাবে আৰু তাৰ লগতে টকাৰ মূল্য ১ চিলিং ৪ পেন্সৰ ঠাইত ১ চিলিং ৬ পেন্স হোৱা বাবেও ভাৰতীয় উৎপন্ন বস্তুৰ দাম কমি যোৱা বুলি অনেক অৰ্থনীতিজ্ঞে কয়। এইবিলাক কাৰণৰ নিমিত্তে খেতিয়ক সকলৰ হাতত টকা নোহোৱা হৈছে। অবশ্যে সেইদৰে খেতিয়কসকলে কিনিব লগীয়া বস্তুৰো দাম কমিছে সঁচা কিন্তু খেতিয়কসকলৰ যিবোৰ বন্ধা খৰচ আছে সেইবোৰ হলে কমা নাই। স্কুলীয়া লৰাৰ মাছুল কমা নাই, ধাৰৰ টকাৰ সুদৰ হাৰ কমা নাই, বেলভাৰা কম হোৱা নাই। বহুদিনৰ পিছত হে বাজহু কমোৱা আৰম্ভ হৈছে আৰু মহাজনৰ সুদৰ হাৰ কমাবলৈ যি আইন হৈছে তাৰ ক্ৰিয়া ভাল দৰে এতিয়াও আৰম্ভ হোৱা নাই। যি কোনো প্ৰকাৰে খৰচ যোগাব লগীয়া হোৱাত হাতত যিখিনি সোণ, অলঙ্কাৰ আছিল তাকে ভাঙ্গি খাওঁতে যোৱা চাৰি বছৰৰ ভিতৰতে ভাৰতবৰ্ষৰ পৰা প্ৰায় ২৫০ কোটি টকাৰ সোণ বিদেশলৈ ওলাই গ'ল। এতিয়া আৰু খেতিয়কৰ হাতত সাঞ্চিত শক্তি (reserve power) মুঠে নাই। এনে স্থলত খেতিয়কৰ বাজহৰ পৰিমাণ যে কম হোৱা উচিত তাত কেৱে সন্দেহ কৰিব নোৱাৰে।

কিন্তু ইয়াতে এটা কথা মন কৰিব লগীয়া এই যে আমি যদি আমাৰ উৎপন্নৰ ক্ষমতা নবঢ়াওঁ তেনেহলে খাজানা শতকৰা ৯০ টকা মাফ হলেও স্থায়ী উন্নতি হব নোৱাৰে। আজি যদি এজন খেতিয়কে

কৃষকবাৰ পৰা দহ টকা পায় বা তেওঁৰ দহ টকা খৰচ কমে তেন্তেহলে এই সময়ত এটা বৰ উপকাৰ হল বুলি মনত হব। কিন্তু অভ্যাস নবদলালে এই খিনি নতুন সুবিধা পোৱাৰ পৰা ধাৰ বাঢ়িবহে পাবে, নকমে। এজন ধনৰা মানুহে যদি কৃষকৰ পৰা দহ টকা পায় সেই টকা তৎক্ষণাত খৰচ হৈ যায়—অৱস্থা যথাপূৰ্ব্বং তথা পৰম্—নিজৰ উৎপাদিকা শক্তি নবঢ়ালে আৰু হিচাবী নহলে কেতিয়াও স্থায়ী আৰ্থিক উন্নতি হব নোৱাৰে।

আমাৰ চকুত নপৰা কিছুমান অপব্যয় আছে সেইবিলাকৰ পৰা খেতিয়কসকলৰ চৰকাৰী বাজহুতকৈও বেছি পৰিমাণে খৰচ হয়। অসমৰ মানুহৰ ঋণৰ পৰিমাণ যোৱা অসম বেঙ্কিং তদন্ত কমিটি (Banking Enquiry Committee) ২২ কোটি টকা বুলি হিচাব কৰিছে। তাৰ পিছত আন এটা কমিটিয়ে এই ধাৰৰ পৰিমাণ ৪০ কোটিমান হব বুলি মত প্ৰকাশ কৰিছে। ঠিক মতে হিচাব কৰিলে এই ঋণৰ পৰিমাণ আৰু বেছিহে হবগৈ। এইবিলাক ধাৰৰ বাবে অসমৰ মানুহে বছৰি তিনি কোটি মান টকা সুদকে দিব লাগে। উৎপাদিকা শক্তি নবঢ়ালে আৰু অপব্যয় নকমালে কাৰো কতো অবস্থাৰ উন্নতি হব নোৱাৰে।

অসমত গাওঁ সংগঠন

আজি কালি গাওঁ সংগঠনৰ কথা সকলো ঠাইতে শুনা যায়। চৰকাৰী বেচৰকাৰী সকলো মানুহে বুজিছে যে গাওঁবিলাকৰ সংস্কাৰ নহলে কোনো প্ৰকাৰে দেশৰ উন্নতি হব নোৱাৰে। এই সম্বন্ধে বহলাই কোৱা অনাবশ্যক। যুক্তপ্ৰদেশ, বিহাৰ, মাদ্ৰাজ আদিত গাওঁ সংগঠনৰ বাবে নানা প্ৰকাৰ চেষ্টা চলিছে।

ইয়াতে এটা কথা মনত ৰখা উচিত যে অকল স্কিম কৰিলেই কাম শেষ নহয়। কোনো এটা স্কিম দিলেই যে গাঁৱলীয়া মানুহে তাক কামত খটাব পাৰিব বা তাক কামত খটাবলৈ উদ্গ্ৰীব হব

জেনে আশা কৰা অনুচিত। এইবিলাক কামৰ বাবে শিক্ষিত আৰু সহিষ্ণু কৰ্ম্মী লাগে।

কিছুমান স্কিম দেখি এনেকুৱা বোধ হয় যেন স্কিমকাৰকসকলৰ গাঁৱলীয়া মানুহৰ লগত প্ৰকৃত পৰিচয় নাই। তেওঁলোকে চিৰকাল নগৰত থাকিয়েই গাঁৱলীয়া মানুহৰ উদ্ধাৰৰ বাবে একোটা পদ্ধতি বাহিৰ কৰি পঠিয়ায় আৰু গাঁৱলীয়া মানুহে তৎক্ষণাৎ সেইদৰে কাম কৰিব নোৱাৰিলে গাঁৱৰ মানুহ অকামিলা বুলি দোষাৰোপ কৰে। তেওঁলোকে নিজে হলে গাওঁৰ পৰা আঁতৰত থাকে। শিক্ষিত মানুহ খিনিয়ে গাওঁ এৰি আহি চহৰত থকা গাওঁৰ অবনতিৰ এটা মূল কাৰণ। কেতখিনি মানুহে চহৰত থকাৰ আৱশ্যক থাকিব পাৰে কিন্তু বেছি ভাগ মানুহে চহৰত অকাৰণে ঘুৰি ফুৰি সময় কটায়।

বহুত ডাঙৰ মানুহে দূৰৈৰ পৰা একোটা বাণী (message) গাঁৱলীয়া মানুহৰ বাবে পঠিয়াই দি ভাবে যে তাতে তেওঁলোকৰ কৰ্ত্তব্যৰ ওৰ পৰিল। পৰ্ব্বতৰ টিঙত বহি থাকিয়ে কিছুমানে ভৈয়াম খন উদ্ধাৰ কৰিব বুলি ভাবি থাকে। গাঁৱলীয়া মানুহৰ মাজত বিশ্বাস জন্মাবৰ হলে তেওঁলোকৰ মাজতে থাকি তেওঁলোকৰ পৰস্পৰ মাজত যিমান বাদ বিসম্বাদ, অবিশ্বাস, এলাহ আৰু নৈৰাশ্য আছে সেইবিলাকৰ ভুল লগিব। আজিকালি যিবিলাক আদৰ্শ গাওঁ (Model village) পাতিবৰ কথা হৈছে সেইবিলাক যাতায়তৰ সুবিধা থকা ডাঙৰ ডাঙৰ ঠাইবোৰত হে নেপাতি যিমান পৰা যায় নিচলা আৰু অশিক্ষিত মানুহ থকা আৰু বাট-পথৰ সুবিধা নোহোৱা ঠাইত পাতিবৰ চেষ্টা কৰিব লাগিব।

অসমৰ বাবে দৰকাৰী কাৰ্য্য-পদ্ধতি

সম্প্ৰতি আমাৰ সৰ্ব্বপ্ৰথমে কৰিব লগীয়া কাম হৈছে অসমৰ ইতিহাস

পৰা সিমূৰলৈকে এটা ভাল অৰ্থনৈতিক অনুসন্ধান (Economic Survey) এনেকুৱা Survey বা Enquiry আন কেবাখনো প্ৰদেশত হৈছে। যোৱা ১৯২৫ চনত এটা Indian Economic Enquiry Committee বহিছিল। Indian Economic Planning নামে বিখ্যাত কিতাপৰ গ্ৰন্থকাৰ চাৰ বিশ্বেশ্বৰায় এই কমিটিৰ সভাপতি আছিল। কিন্তু সৰ্ব্ব ভাৰতীয় কোনো প্ৰকাৰ আলোচনাতে অসমৰ কথালৈ বেছি মনোযোগ দিয়া নহয়। অনেক সময়ত অসমৰ নামৰ সামান্য উল্লেখ কৰিয়ে সামৰণি পেলোৱা হয়। Indian Economic Enquiry ৰ পিছতো ভাৰত-গৱৰ্ণমেণ্টৰ পৰা এনেকুৱা অনুসন্ধানৰ বাবে কেইখন মান কমিটি পতা হৈছিল। সেইবিলাকৰ ভিতৰত লণ্ডন বিশ্ববিদ্যালয়ৰ statistics ৰ অধ্যাপক Dr. Bowley আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ অধ্যাপক মিষ্টাৰ ৰবাৰ্টচনে ১৯৩৪ চনত কৰা Economic Census of India উল্লেখ যোগ্য। কিন্তু আগতে কোৱা হৈছে যে এইবিলাকত অসমৰ কথাই বেছি ঠাই নাপায়। ভালেমান কমিটিয়ে ডাঙৰ ডাঙৰ প্ৰদেশ বোৰত ঘূৰি পিছত আৰু অসমলৈ অহাৰ আৱশ্যক বোধ নকৰে। সেই দেখি ভাৰতীয় কমিটিবোৰলৈ আশাকৰি থাকিলে আমাৰ নিজৰ কাম একোটোই নহব। এতিয়া প্ৰাদেশিক শাসন স্বাতন্ত্ৰ্যৰ পিছত প্ৰত্যেক প্ৰদেশৰ বাবে যি অনুসন্ধানৰ দৰকাৰ সেই সকলোবোৰকে সেই প্ৰদেশে নিজাকৈ কৰিবই লাগিব।

অসমৰ Economic Survey ৰ লগতে আৰু এটা কৰিব লগীয়া কথা হৈছে অসমৰ জমি সম্বন্ধে এটা ভাল ৰকমৰ অনুসন্ধান। অসমত ভালোমান চনপৰা মাটি আছে বুলি আন আন ঠাইৰ মানুহৰ ধাৰণা আছিল আৰু সেই ধাৰণা কিছু পৰিমাণে সঁচাও আছিল। কিন্তু অসমীয়া মানুহৰ ভবিষ্যতলৈ চলাই মেলি খাব পৰাকৈ আছে এই জমি সম্পত্তি খিনিয়ে। অসমৰ চাহ বাগিচাৰ শতকৰা নব্বৈ

খনেই বিদেশীৰ হাতত। বাকী যি শতকৰা ১০ খন দেশী মানুহৰ হাতত আছে তাৰ সৰহ ভাগেই ধাৰত পোত খাই আছে। চাহৰ বজাৰ পৰিযোৱাৰ পৰা তেওঁলোকৰ মুখৰ মাত হেৰাইছে আৰু তেওঁলোকে নিজৰ অস্তিত্ব ৰক্ষা কৰি উঠি যে আন কিবা কামত হাত দিব পাৰিব তাৰ বাবে আমি ভালেমান দিনলৈকে আশা নকৰাই ভাল। কয়লাৰ খনি, পেট্রোলিয়মৰ খনি আদি সকলোৱে বিদেশীৰ হাতত। সুতৰাং ভবিষ্যত সম্পত্তি বুলিব লাগিলে আছে এই চন মাটি খিনিয়ে। বঙ্গদেশত Study of Land Economics আৰু Recovery plan কেবা খনো হ'ল। পাঞ্জাব, বোম্বাই আৰু যুক্ত প্রদেশত এনেকুৱা অনুসন্ধান জিলাই জিলাই হবলৈ ধৰিছে।

অসমৰ Economic survey ৰ লগতে Industrial survey আৰু কুটিৰ শিল্প survey হব লাগে। যোৱা কেইবা বছৰৰ ভিতৰত বান পানীৰ পৰা অসমৰ ভয়ানক ক্ষতি হৈছে। অসমৰ নৈ বিলাকৰ সোঁত আদি বিশেষজ্ঞ অনাই তেওঁলোকৰ হতুৱাই পৰীক্ষা কৰোৱা আৰু প্রতিকাৰৰ উপায় স্থিৰ কৰাৰ অত্যন্ত দৰকাৰ হৈছে। বান পানীত উটি ফুৰা মানুহ দেখি পাৰৰ পৰা ৰৰকৈ চিঞৰিলেই ভবিষ্যতলৈ বান পানী হোৱা বন্ধ নহয়।

কিছুমান দিন আগৈয়ে যুক্ত প্রদেশৰ এজন অর্থনীতিজ্ঞই যুক্ত প্রদেশৰ বাবে কৰা এটা Plan ৰ ছাঁ লৈ অসমৰ বাবেও কেনেকুৱা Plan হব পাৰে তাৰ এটা আভাস দিলেঁ। বর্ত্তমান সময়ত আন আন প্রদেশত আর্থিক উন্নতিৰ বাবে নতুন নতুন পদ্ধতি ওলাই থাকিব আৰু সেইবিলাকৰ পৰা অসমৰ উপযোগী এটা পদ্ধতি স্থিৰ কৰিবলৈ আগলৈ সুবিধা পোৱা যায়।

Economic paln স্থিৰ কৰিবৰ নিমিত্তে এজন বেলেগ কর্ম্মচাৰীৰ দৰকাৰ। তেওঁক Development Officer বুলিব পৰা যায় আৰু তেওঁ বহুদর্শী আৰু উচ্চ শিক্ষিত মানুহ হব লাগে। তেওঁক সহায় কৰিবলৈ অন্ততঃ তিনি জন সহকাৰী আৱশ্যক। ইয়াৰ এজনে কৃষিৰ,

এজনে কুটিৰ শিল্প আৰু গাঁৱলীয়া বাট পথ (Communication) আদিৰ আৰু আন জনে ডাঙৰ শিল্প বিলাকৰ ভাৰ লব পাৰে।

এওঁলোকৰ তলত প্ৰত্যেক জিলাতে একোজনকৈ Planning officer থাকিব লাগে। প্ৰাদেশিক গৱৰ্ণমেণ্টবিলাকে প্ৰধান ছটা জাতিগঠনৰ (Nation building) বিভাগ হাতত লৈছে। সেই কেইটা হৈছে- (১) কৃষি (Agriculture), (২) সমবায় (Co-operative society) (৩) স্বাস্থ্য (Public Health), (৪) ডাক্তৰী বিভাগ (Medical department) (৫) শিক্ষা বিভাগ (Education) আৰু (৬) গৰুমহৰ চিকিৎসাৰ বিভাগ (Veterinary department)। ইয়াৰ লগতে জঙ্গলী (Forest department) বিভাগটোও যোগ দিব পাৰি। এইবোৰ বিভাগৰ প্ৰত্যেকটোৱে জিলাই জিলাই কৰ্ম্মচাৰী আছে। এই কৰ্ম্মচাৰীসকলৰ কাম জিলাৰ Planning officer এ পৰিদৰ্শন কৰিব পাৰে। এওঁলোকৰ লগত শিল্প আৰু বাণিজ্য বিষয়ৰ প্ৰতিনিধি কেইজনমানক লগত লৈ এটা প্ৰাদেশিক Economic Planning Board গঠিত হব পাৰে। Development Officer জন এই Economic Planning Board ৰ চেয়াৰ মেন হোৱা উচিত।

তেওঁৰ কামৰ মূলনীতি হব তলত লিখা দৰে:—

(১) দেশত প্ৰাকৃতিক অৰ্থ উৎপাদনৰ উপাদানবিলাকক কামত খটোৱা, (২) দেশৰ মানুহৰ বস্তু কিনাৰ ক্ষমতা (purchasing power) আৰু খোৱা থকাৰ অৱস্থাৰ (standard of living) উন্নতি কৰা আৰু (৩) দেশৰ মানুহে যি যি বস্তু পাবলৈ বিচাৰে আৰু তাৰ উৎপন্নৰ (demand and supply) এটা সমতা সৃষ্টি কৰা।

Economic planning যিবিলাক বিষয়ত খটোৱা দৰকাৰ তাৰ ভিতৰত প্ৰথম হৈছে গাঁৱৰ উন্নতি (rural planning)। ইয়াত কৃষি আৰু কৃষকৰ অৱস্থা, কৃষিঋণৰ প্ৰতিকাৰ, কৃষিৰ প্ৰণালীৰ উন্নতি, কৃষিৰ পৰা উৎপন্ন হোৱা বস্তু বিক্ৰি কৰিবৰ সুবন্দবস্ত, কৃষকসকলৰ

প্রথমিক শিক্ষা, কৃষকসকলে যাতে ঘৰবাৰী চাফ চিকণকৈ ৰাখে আৰু সকলোৱে যাতে নিজৰ আয়ব্যয়ৰ হিচাব ৰাখি অপব্যয় নিবাৰণ কৰে তাৰ বাবে শিক্ষা, সমবায় প্ৰণালীৰ প্ৰচাৰ, গৰু মহৰ উন্নতি আদি।

ইয়াত আমাৰ দেশৰ গৰু-মহ সম্বন্ধে এটা কথা কবৰ লোভ সামৰিব নোৱাৰিলোঁ। আমাৰ দেশত সকলো মানুহে গৰুক আদৰ কৰিব লাগে বুলি জানে আৰু হিন্দুসকলে গৰুক দেৱতা বুলি মানে। গোহত্যাৰ কথা লৈ পৃথিবীৰ ভিতৰত অকল ভাৰতবৰ্ষতেই সাম্প্ৰদায়িক মৰা-মৰি কটা-কটি হয়। কিন্তু আচৰিত কথা এই যে আমাৰ দেশৰ নিচিনা আন কোনো ঠাইতে গৰু-মহৰ ইমান দুৰ্দ্দশা নহয়। আমাৰ দেশত লেখত গৰুৰ সংখ্যা বেছি হব পাৰে কিন্তু প্ৰকৃত দৰকাৰী গৰু হয়তো লেখত এশৰ ভিতৰত কুৰিটা মান হে হব। গৰুৰ জাতৰ উন্নতি কৰিবলৈ চেষ্টা কৰিলে লাহে লাহে অদৰকাৰী গৰুবোৰৰো সংখ্যা কমিব। অদৰকাৰী গৰুবোৰ নথকাৰ পৰা গৃহস্থৰ বহুত দিগ্‌দাৰী কমিব, খেতিবাতিৰো উন্নতি হব আৰু গৰু ছাগলীৰ বাবে হোৱা গাৱঁৰ হাই কাজিয়া বিলাকো কমিব।

এইদৰে কুটিৰ শিল্প, ডাঙৰ শিল্প ৰাটাইৰে বাবে plan ভাবি উলিয়াব পৰা যায়। বাট-পথৰ যাতে উন্নতি হয় তাৰ বাবেও লগে লগে চেষ্টা হব লাগে আৰু বৰ্ত্তমান নথকা নতুন নতুন ব্যবসায়ৰ কথা ভাবি উলিয়াব লাগে।

অসমত কাগজৰ কল, কপাহৰ কল, মৰাপাটৰ কল, জুইশলাৰ কাৰখানা, এড়ি মুগাৰ সূতাৰ কাৰখানা—এইবিলাকৰ যথেষ্ট ঠাই আছে। অসমৰ যি প্ৰাকৃতিক সম্পদ আছে তাৰে পৰাই চুন, চেনি, বিলাতী মাটি, আচি, জোতা আৰু চামৰা আদি তৈয়াৰীৰ বাবে কাৰখানা খুলিব পৰা যায়। ইয়াত বাজেও অসমত তেল, চাবন ইত্যাদি, বনৌষধিৰ পৰা দৰব জাতি, বিৰী চিগাৰেট, লা নানাপ্ৰকাৰ বং, চেয়াৰ, টেবিল আদি নানা প্ৰকাৰৰ কাঠৰ বস্তু তৈয়াৰী কৰিবৰ সুবিধা আছে।

অসমত এতিয়াও বীমা কোম্পানী নাই তাৰ বাবে চেষ্টাছে চলিছে কিন্তু একেলগে কিছু সবহ টকা দি কোম্পানীৰ কাম আৰম্ভ কৰাই দিব পৰা কোনো ধনী এতিয়াও ওলোৱা নাই। অসমৰ বাহিৰে কাৰবাৰ কৰা থাওক ভিতৰৰ ঘৰুৱা কাৰবাৰ খিনিকে চলাব পৰা বেঙ্ক যথেষ্ট পৰিমাণে এতিয়ালৈকে হোৱা নাই। অসমীয়া বেঙ্ক আৰু গাঁৱলীয়া মহাজনৰ মাজত প্ৰভেদ মাথোন ভাই ককাইৰ দৰে হে। মুঠতে বীমা কোম্পানী আৰু বেঙ্ক আদিৰ বাবে যথেষ্ট ঠাই পৰি আছে। শিক্ষা আৰু সংযম (discipline) হলে অসমত যি টকা আছে তাৰেই এই-বিলাক কাৰবাৰৰ সূচনা হব পাৰে। যি ব্ৰহ্মপুত্ৰ নদীৰ নামে আমাৰ এই উপত্যকাৰ নাম হৈছে, যি অসমৰ এটা সৰ্ব্ব প্ৰধান সম্পত্তি (wealth) সেই ব্ৰহ্মপুত্ৰ নদীৰ আমি সদ্ব্যৱহাৰ কৰিব পৰা নাই। অসমৰ ই মূৰৰ পৰা সি মূৰলৈকে চলাচল কৰিবৰ বাবে এটা steamer company অসমীয়াৰ দ্বাৰাই পৰিচালিত হোৱাতো বোধকৰোঁ একো অসম্ভৱ কথা নহয়। এইটো এটা ধ্ৰুব সত্য যে অসম দেশখন চহকী কিন্তু মানুহ বোৱাহে দুখীয়া।

আমাৰ দৰকাৰী প্ৰধান কথা কেইটামানৰ মাথোন আভাস দি আজি মই আপোনাসকলৰ পৰা বিদায় মাগিব খোজোঁ। ইয়াত অৰ্থনৈতিক হেজাৰ হেজাৰ বিষয়ৰ কোনো এটা বিষয়ৰে মই বিশদ আলোচনা কৰিবলৈ চেষ্টা কৰা নাই। প্ৰত্যেক বিষয়তে বেলেগ গৱেষণাৰ দৰকাৰ আৰু প্ৰত্যেক বিষয়তে এখোন বেলেগ বচনা বা কিতাপ হব পাৰে। আৰু এটা কথাত আপোনা-সকলৰ ওচৰত মোৰ ত্ৰুটী স্বীকাৰ কৰিব লগীয়া আছে। ইয়াত মই ইচ্ছা কৰিয়েই কোনো প্ৰকাৰ হিচাব-পত্ৰৰ তালিকা (statistics) দিবলৈ বিচৰা নাই।

আশা কৰোঁ এইবাৰ এই উদ্বোধনৰ পিছত ভবিষ্যতলৈ এই অৰ্থনীতি শাখাত আমাৰ অৰ্থনৈতিক বিষয়বিলাক এটা এটাকৈ হাতত লৈ বিশেষ ভাৱে আলোচনা কৰিব পৰা যাব। বৰ্ত্তমান সময়ত

আমাৰ কলেজবিলাকত ছাত্ৰসকলৰ অৰ্থনীতি বিষয়ৰ প্ৰতি দিনক দিনে আগ্ৰহ বাঢ়ি অহা দেখা গৈছে। ই এটা নিশ্চয় শুভ লক্ষণ। অৰ্থনীতি বিষয়টোৰে সৈতে অলপ চিনাকি যদি অসমৰ প্ৰত্যেক ঘৰে ঘৰে হয় তেনেহলে বহুত অদৰকাৰী কথাত আমাৰ শক্তি আৰু সময়ৰ অপব্যয় হোৱাটো কমিব বুলি আশা কৰা যায়।

আমি এতিয়াও অসমত এটা অৰ্থনৈতিকৰ সভা (Economic society) পাতি উঠিব পৰা নাই। আজি গুৱাহাটীতে আদৰণি সভাৰ উদ্যোগত সাহিত্য সভাই এইদৰে অৰ্থনীতিৰ চৰ্চ্চা অসমত প্ৰথম আৰম্ভ কৰিলে। ইয়াৰ বাবে অৰ্থনীতিৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলে তেওঁলোকৰ ওচৰত নিশ্চয় চিৰকাললৈ কৃতজ্ঞ থাকিব।

(ইংৰাজী ১৯৫২ চনত ৰচিত অভিভাষণৰ পূৰ্ণ পাঠ দিয়া হ'ল)

অসম সংস্কৃত সমিতিৰ অষ্টাদশ বাৰ্ষিক অধিবেশন আৰু সমাবৰ্ত্তনোৎসৱ (Convocation)

অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ

গুৱাহাটী ১৩ পুহ ১৮৭৪ শক
২৮ ডিচেম্বৰ ১৯৫২ খৃষ্টাব্দ

মহামান্য সভাপতি মহোদয়, ৰেণ্য প্ৰধান অতিথিদেৱ অসম সংস্কৃত সমিতিৰ সভ্যবৃন্দ আৰু সমবেত ভদ্ৰ মহোদয় আৰু ভদ্ৰ মহিলাসকল, আজিৰ এই সমাবৰ্ত্তনোৎসৱত অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ভাৰ এই অভাজনৰ ওপৰতে পৰিছে। অতীজৰে পৰা সংস্কৃতৰ চৰ্চ্চাৰ বাবে প্ৰসিদ্ধ আৰু সংস্কৃত-প্ৰধান ঠাই বুলি পৰিগণিত ভগদত্ত, কুমাৰ ভাস্কৰ বৰ্ম্মা, হিউয়েনচাং আদিৰ বিশাল স্মৃতিৰে সৈতে জড়িত; অলেখ প্ৰাচীন কীৰ্ত্তিৰে পৰিপূৰ্ণ আৰু বৰ্ত্তমান কালত গোটেই অসমৰ সকলো প্ৰকাৰ শিক্ষা আৰু প্ৰগতিমূলক অনুষ্ঠানৰ কেন্দ্ৰ স্বৰূপ প্ৰাগ্‌জ্যোতিষপুৰ, তথা গুৱাহাটীৰ নিচিনা নগৰীৰ হকে আজিৰ নিচিনা এটি শুভ আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ দায়িত্ব ভাৰ বহন কৰিব লগা হোৱাত মই আপোনাসকলৰ নিতান্ত কৃপাৰ পাত্ৰ হৈছোঁ। আশা কৰোঁ মোৰ সকলো প্ৰকাৰ ত্ৰুটি আপোনাসকলে নিজগুণে ক্ষমা কৰিব।

অসম সংস্কৃত সমিতিৰ গত সপ্তদশ অধিবেশন দুবছৰ আগতে তেজপুৰত বহে। যোৱা বছৰত এই অধিবেশন পতাৰ সুযোগ হৈ নুঠে। আপোনাসকলে আটায়ে জানে যে অসমত সংস্কৃত শিক্ষাৰ বিস্তাৰ আৰু পুৰ্ব্বৰ পৰা চলি অহা ইয়াৰ দেশীয় আৰু স্বভাৱজাত

সংস্কৃত শিক্ষাৰ কেন্দ্রবিলাকৰ পৰিৰক্ষণ আৰু উন্নতি সাধনৰ বাবে ১৯২৭ চনত অসম সংস্কৃত সমিতি স্থাপিত হয় আৰু সেই চনতে গুৱাহাটীত ইয়াৰ সৰ্ব্বপ্রথম অধিবেশন বহে। যোৱা ২৫ বছৰৰ ভিতৰত আজিৰে সৈতে ওঠৰখন অধিবেশন অনুষ্ঠিত হ'ল। বৰ্ত্তমান অধিবেশনেই অসম সংস্কৃত সমিতিৰ গুৱাহাটীত বহা দ্বিতীয় অধিবেশন।

এই প্রকাৰৰ এটি উৎসৱত অভ্যাগত আৰু সমজুৱাসকলে সমবেত হোৱা ঠাইখিনিৰ অতীত গৌৰৱৰ আভাস দিয়া এটা প্রচলিত ৰীতি আছে। কিন্তু গুৱাহাটীৰ এই অধিবেশনত এই ঠাইৰ তেনেকুৱা কোনো প্রকাৰৰ বিৱৰণ দিয়া অনাবশ্যক বুলি ভাবি মই সেই চেষ্টাৰ পৰা বিৰত হলোঁ। মোৰ গুৱাহটীয়া ভাইসকলে আশাকৰোঁ ইয়াৰ বাবে মোৰ প্রতি বিৰূপ নহৈ মোৰ এই কথাৰ অনুমোদনহে কৰিব।

প্রথমতে, কোৱা বাহুল্য হলেও সংস্কৃত ভাষা সম্বন্ধে দুই এটি কথা কবলৈ মই আপোনাসকলৰ অনুমতি প্রর্থনা কৰিলোঁ। ভাৰতীয় সংস্কৃতিত, ভাৰতৰ জাতীয় জীৱনত আৰু আন কি ভাৰতৰ ভবিষ্যতৰ ওপৰতো সংস্কৃত ভাষাৰ কিমান প্রভাব সেই সম্বন্ধে অনেক আলোচনা হৈ গ'ল। এসময়ত সংস্কৃত এটা মৃতভাষা আৰু হিন্দুসকলৰ অকল দর্শন আৰু ধর্ম্মমূলক বিষয়বহে মাধ্যম বুলি কিছুমান মানুহৰ মুখত শুনা গৈছিল। কিন্তু অলপ দকৈ অনুসন্ধান কৰাৰ ফলতে এই কুসংস্কাৰ কৰবালৈ উবি গ'ল আৰু এইটো স্পষ্টকৈ দেখা গ'ল যে সংস্কৃত ভাষা মৃত ভাষাতো নহয়েই বৰং ই সম্পূর্ণভাবে জীবিত আৰু ভাৰতৰ প্রচলিত প্রায় সকলো ভাষাকেই ই অনাদি কালৰে পৰা জীৱনী শক্তি দান কৰিছে আৰু আগলৈও কৰি থাকিব। উত্তৰ ভাৰতৰ প্রায় সকলো ভাষাকে সংস্কৃত ভাষা স্বৰূপ মহাবৃক্ষৰ ঠাল চেঙুলি বুলি কব পাৰি আৰু দাক্ষিণাত্যৰ ভাষা বিলাকো ইয়াৰ দ্বাৰাই অতিকৈ প্রভাবান্বিত। আকৌ সংস্কৃত ভাষা অকল ধর্ম্ম আৰু দর্শনৰ ভাষা নহয়েই বৰং এই ভাষাত লিখিত অঙ্ক, জ্যোতিষ, চিকিৎসা, ৰসায়ণ বিজ্ঞান, পদার্থ বিজ্ঞান, শিল্পকলা আৰু অন্যান্য নানা তৰহৰ বিষয়ৰ এনেকুৱা অফুৰন্ত

পুথি আছে যাব পবা শিক্ষণীয় বিষয় আহৰণ কৰিবলৈ অনেক দিন লাগিব। আগবে পবা সকলো চিন্তাশীল ব্যক্তিয়ে সংস্কৃত ভাষা ভাৰতৰ একতাৰ মূল ধৰণী বুলি স্বীকাব কবি আহিছে। ভাৰতত Unity in diversity অর্থাৎ বৈচিত্ৰব মাজত একতা আছে বুলি সদায় যি কথা কোৱা হয় তাব মূল উপাদানো হৈছে সংস্কৃত ভাষা। এখন দেশব একতা নির্ভব কবে তাব ভাষা, সংস্কৃতি, বাজনৈতিক আৰু আর্থনৈতিক পবিস্থিতি আদিব ওপবত। আমি যদি অকল বাজনৈতিক আৰু অর্থনৈতিক পবিস্থিতিব প্রতিহে সদায় মনোযোগ দিওঁ আৰু সংস্কৃতিব আভ্যন্তবিক একতাৰ কথা পিছ পেলাই থওঁ তেনেহলে আমি লাহে লাহে জড়বাদব ফালেহে গতি কবিম।

আজি ভাৰত স্বাধীন হৈছে আৰু এই স্বাধীনতা অনা হৈছে এটা অপূর্ব্ব ধবণে। মহাত্মা গান্ধীয়ে অহিংসা নীতিব প্রভাবেবে যি স্বাধীনতা আনিলে তাক ভালদবে উপলব্ধি কবিলে আমি দেখিবলৈ পাম যে অকল ভাৰতীয় সংস্কৃতিব ভেটিত হে এনেকুৱা এটা ঘটনা সম্ভব হব পাবে। এই ভাৰতীয় সংস্কৃতিব গুবি হৈছে সংস্কৃত ভাষা।

প্রায় দেব বছৰমান আগতে মহামতি ডাক্তাৰ বাজেন্দ্র প্রসাদ আৰু ডাক্তাৰ মুন্সিয় যত্নত, নশ বছৰ পূর্ব্বে ধ্বংস হোৱা সোমনাথ মন্দিবব পুনঃ সংস্কাৰ সাধন হয়। সোমনাথ মন্দিবব পুনঃ সংস্কাৰব লগতে সংস্কৃত বিশ্বপবিষদ (Sanskrit World Academy) নামে এটা বিবাট অনুষ্ঠানব সূচনা কবা হয়। বর্ত্তমান যুগত সংস্কৃত শিক্ষাব গুৰুত্ব প্রমাণিত কবা এই অনুষ্ঠানব উদ্দেশ্য। সংস্কৃত ভাষা যে অকল ভাৰতব আভ্যন্তবিক একতাৰ ঘাই ধৰণী এনে নহয়, ই আমি যাক বৃহত্তব ভাৰত বোলোহঁক তাব মাজতো এটা সংস্কৃতিক একতা সাধন কবিছিল। বর্ত্তমান ইণ্ডোচাইনা, মালয়, ইণ্ডোনেচিয়া, মালানেচিয়া, পলিনেচিয়া প্রভৃতি প্রশান্ত মহাসাগবব দ্বীপ পুঞ্জ আৰু বলি, যাভা, সুমাত্রা প্রভৃতি বৃহত্তব ভাৰতব অন্তর্ভুক্ত আছিল। ইণ্ডোচাইনা আৰু ইণ্ডোনেচিয়াব প্রাচীন কাম্বোডিয়া, কাম্বোজ আৰু চাম্পা যাভা আদিব

প্রাচীন সম্রাট সকলৰ দিনৰ শিলালিপি সংস্কৃত ভাষাত লিখা দেখা যায়।

কোনো কোনোৱে আক কয় যে সংস্কৃত ভাষাৰ ব্যৱহাৰ সাধাৰণ মানুহৰ কথোপকথনত কেতিয়াবা হে বৰ্ত্তমান আছিল। লৌকিক আৰু লিখিত ভাষাৰ মাজত প্ৰভেদ সকলো সময়তে আৰু সকলো ঠাইতে আছে। ভাৰতৰ উত্তৰ পশ্চিম প্ৰান্তৰ বাহিৰে আন ঠাই বিলাকত সংস্কৃতৰ পৰিবৰ্ত্তে তাৰ অপভ্ৰংশ পালি, প্ৰাকৃত আদিৰ ব্যৱহাৰ অনেক দিন আগতে ঘটিছিল কিন্তু সেইবাবে সংস্কৃতৰ চৰ্চ্চা কেতিয়াও কমা নাছিল। আজিকালিৰ দিনতো অসমীয়া, বঙলা আদি ভাষাত সাধাৰণ মানুহৰ কথা-বতৰা আৰু লিখাৰ মাজত অনেক প্ৰভেদ দেখা যায়। বাস্তৱতে সৰ্ব্ব-সাধাৰণৰ মাজত যেতিয়া প্ৰাকৃতৰ ব্যৱহাৰ প্ৰচলিত হ'ল, তেতিয়াহে সংস্কৃত ভাষাত বেছি ভাগ বহুমূলীয়া গ্ৰন্থ ৰচিত হৈছিল। দাক্ষিণাত্যলৈ চালেও আমি একে কথাকে দেখিবলৈ পাওঁ। জগদ্ গুৰু শঙ্কৰাচাৰ্য্যই যদিও কথোপকথনত নিশ্চয় লৌকিক দ্ৰাবিড়ী ভাষা ব্যৱহাৰ কৰিছিল তেওঁৰ সকলো জ্ঞানৰ চৰ্চ্চা সংস্কৃত ভাষাতহে হৈছিল আৰু সংস্কৃত ভাষাৰ সহায়তেই তেওঁৰ সৰ্ব্বভাৰতীয় দিগ্বিজয় সম্ভৱপৰ হৈছিল। ফাহিয়ান হিউয়েনচাং আদি বৈদেশিক ভ্ৰমণকাৰীয়েও সংস্কৃত ভাষাৰ সহায়তেই ভাৰত ভ্ৰমণ কৰিব পাৰিছিল।

সংস্কৃত ভাষাৰ এই ব্যাপকতা অনুভৱ কৰিয়ে কোনো কোনোৱে সংস্কৃত ভাষাহে ভাৰতৰ ৰাষ্ট্ৰভাষা হোৱাৰ উপযুক্ত বুলি মত প্ৰকাশ নকৰাকৈ থকা নাই। এতিয়া আমি দেখিবলৈ পাইছো যে সংস্কৃতমূলক হিন্দী ভাষায়ে ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা বুলি স্বীকৃত হ'ল। হিন্দী ভাষাক ৰাষ্ট্ৰীয় ভাষা বুলি লোৱা কথাটোক এক প্ৰকাৰে সংস্কৃতৰে দিগ্বিজয় বুলি ধৰিব পাৰি।

ভাৰতীয় ভাষাত বিজ্ঞান চৰ্চ্চাৰ কথালৈ চালে আমি দেখো যে এটা বিৰাট পৰিভাষা প্ৰণয়নৰ আৱশ্যক আমাৰ সম্মুখত আহি উপস্থিত হৈছে। এই পৰিভাষা প্ৰণয়নত সংস্কৃত ভাষাই হৈছে যাই অৱলম্বন।

সংস্কৃত ভাষাৰ সহায়েৰে পৰিভাষা গঠন নকৰিলে আমাৰ বাষ্ট্ৰীয় ভাষাৰ কল্পনাযে সমূলি ব্যৰ্থ হব সেই কথা এতিয়া কাৰো বুজিবলৈ বাকী নাই।

সুতৰাং আমি দেখোঁ যে সংস্কৃত ভাষা মৃত ভাষাতো নহয়েই ৰবং ইয়াৰ অসীম জীৱনী শক্তিৰ সহায়েহে ভাৰতৰ একতা পুনৰ্জীবিত হব পাৰে। আমি যদি সংস্কৃত ভাষাক প্ৰাচীন ভাৰতৰ ভাষা বুলি কেতিয়াবা এবি পেলাব খুজিছিলোঁ সেইটো মাথোন বলিয়ালি আছিল। ভাৰতৰ ভবিষ্যত প্ৰগতিৰ অৰ্থে আমি লাহে লাহে সংস্কৃতৰ পৰা আঁতৰি যাম থাওক দিনক দিনে তাৰ ওচৰলৈহে যাব লাগিব। সংস্কৃত ভাষাৰ নিচিনা মহাবৃক্ষৰ ছাঁত আশ্ৰয় নললে আমাৰ ভবিষ্যত উন্নতিৰ আশা সমূলি নাই। পণ্ডিত নেহেৰুৰ কিতাপৰ "ভাৰত আবিষ্কাৰ" (Discovery of India) নামটোৱে আমাক ভাৰতৰ ইতিহাসক এটা নতুন দৃষ্টভঙ্গিৰে চাবলৈ ইঙ্গিত দিছে। সেইদৰে আমি যদি, আমি কি আৰু কোন, অৰ্থাৎ আমাৰ নিজকে আবিষ্কাৰ (Discovery of Ourselves) কৰিবলৈ আশা কৰোঁ তেন্তে সেই মহৎ কাম সংস্কৃত ভাষাৰ সহায়ে হে কৰা সম্ভৱ হবগৈ। মুঠতে সংস্কৃত আৰু ইংৰাজী ভাষা আমাৰ মনৰ দুখন দুৱাৰৰ নিচিনা। এই দুয়োখন দুৱাৰ খোলা ৰাখিলেহে আমি বাহিৰৰ পোহৰ আৰু মতাহ পাই তাৰ সহায়ে আমাৰ নিজৰ ঘৰৰ ভিতৰখন চহ্বাগিব পাৰিম।

মই সংস্কৃত ভাষাৰ গৌৰব আৰু সংস্কৃত শিক্ষাৰ আৱশ্যকতাৰ কথা কৈ আপোনাসকলৰ অধিক সময় কটাব নোখোজোঁ। এতিয়া আমাৰ এই সংস্কৃত সমিতি আৰু অসমত সংস্কৃত চৰ্চ্চাৰ বিষয়ে অলপ কৰ খোজোঁ। আগয়ে অসমত সংস্কৃত শিক্ষাৰ বিষয়টো বঙ্গ-দেশৰ সংস্কৃত সমিতিৰ অন্তৰ্ভুক্ত আছিল। কিন্তু লাহে লাহে এইটো মনুভৱ কৰা হ'ল যে অসমৰ বাবে এটি সুকীয়া সমিতি স্থাপিত নহলে অসমত সংস্কৃত শিক্ষাৰ কাম ভালদৰে চলিব নোৱাৰে। ইয়াৰ উপৰিও এইটো দেখা গ'ল যে অসমত সংস্কৃত চৰ্চ্চাৰ এটা বিশেষত্ব আছে আৰু

অসমৰ এই বৈশিষ্ট বক্ষা কবিবৰ হলে এটা নিজা সমিতি হব লাগে। ১৯২৭ চনতে বঙ্গদেশৰ পৰা পৃথক কৈ এটা অসম সংস্কৃত-সমিতি স্থাপিত হ'ল। এই বিষয়ত আমি অসমৰ শিক্ষা বিভাগৰ ভূতপূর্ব্ব ডাইবেক্টৰ কানিংহাম চাহাবৰ নাম অশেষ কৃতজ্ঞতাবে সৈতে নলৈ থাকিব নোৱাৰোঁ। এই সময়তে শ্রীহট্টত এটি সংস্কৃত কলেজ স্থাপন কৰা হয়। কিন্তু শ্রীহট্ট পাকিস্তানলৈ যোৱাৰ লগে লগে সেই কলেজ কোন খিনি পালেগৈ তাৰ ঠিকনা নাই। সংস্কৃত কলেজ খন যোৱাৰ লগে লগে তাত বহুদিনৰ পৰা সংগৃহীত অলেখ বহুমূলীয়া পুথি কিতাপ আদি কোনোবাখিনি পালেগৈ নে একেবাৰেই বিশ্ব পিতাৰ চৰণত লীন হ'ল তাকো কোনেও কব নোৱাৰে। দুবছৰ মান আগতে সংস্কৃত কলেজৰ সেই বহুমূলীয়া লাইব্রেৰীটোৰ সম্বন্ধে অলপ খবৰ কৰা হৈছিল আৰু অসম চৰকাৰেও সেই বিষয়ে অলপ মনযোগ দিয়া যেন অনুভৱ হৈছিল। কিন্তু এই কথা সিমান খিনিতে থাকিল। মুঠতে সেই পুথি ভৰালটো তেনেই নষ্ট হ'ল। মিচৰ আলেক্‌-জেন্দ্রিয়া নগৰৰ পুথি-ভৰাল নষ্ট হোৱাৰ কথা আমি ইতিহাসত পাওঁ। অসমৰ দৰে দুখীয়া দেশৰ পক্ষে সংস্কৃত কলেজৰ পুথি-ভৰালটো লোপ পোৱা কথাও তেনেকুৱাই যেন লাগে।

বর্ত্তমান পুনর্গঠিত অসমত প্রায় ১৪০ খন টোল আছে। এই টোল-বিলাকৰ অৱস্থা দিনক দিনে হীন হৈ যোৱা বাবে কেইবছৰমান আগতে কেইখনমান আদর্শ টোল পতাৰ ব্যৱস্থা হয়। বর্ত্তমান অসমত তিনিখন আদর্শ টোল আছে।

সংস্কৃত শিক্ষাৰ বিষয়ে এই ভূমিকাৰ পিছত আমি উল্লেখ কবিব লগীয়া ডাঙৰ কথা হৈছে এই যে অসম চৰকাৰে অসম সংস্কৃত শিক্ষাৰ বাবে বছৰি মুঠে ৩৭০০০৲ টকা সাহায্য দিয়ে। এই সাহায্য প্রায় একোখন চৰকাৰী হাইস্কুলৰ বাবে দিয়া সাহায্যৰ সমান। এই খিনি টকাৰে কিছু অংশ অধ্যাপকসকলে অপব্যয় কৰে বুলিও মাজে-সময়ে অনুযোগ-অভিযোগ শুনা যায়। আৰু এই টকাৰে এটি অতি-ক্ষুদ্র

অংশৰ ভাগ-বতৰা সম্পৰ্কে সংস্কৃত বোৰ্ডত অধ্যাপকসকলে সদায় সূক্ষ্ম তৰ্কৰ অৱতাৰণা কৰিব লগীয়াত পৰে। সুতৰাং অসম সংস্কৃত সমিতিৰ অৱস্থা কি প্ৰকাৰ শোচনীয় তাক আৰু বঢ়াই নকলেও হব।

মোৰ মনে অসম সংস্কৃত সমিতিৰ নিচিনা এটা বিভাগৰ যাই কাম দুটা হব পাৰে। ইয়াৰ প্ৰথমটো হৈছে অতীজৰ পৰা চলি অহা টোল আৰু চতুষ্পাঠী আদিৰ যদি প্ৰকৃত আৱশ্যক আছে তাক ৰক্ষা কৰা আৰু সেই বিলাকৰ উন্নতি সাধন কৰি যিখিনি সু-ফল লাভ হব পাৰে তাক পাবলৈ চেষ্টা কৰা। দ্বিতীয়টো হৈছে অসম সংস্কৃত শিক্ষাৰ আৰু সংস্কৃত চৰ্চ্চাৰ যি এটা মৌলিক বিশেষত্ব আছে তাক ৰক্ষা কৰা।

এৰিয়া টোলবিলাকৰ বিষয়ে ভৰা যাওক। টোল আৰু পঢ়াশালীবিলাক আমাৰ দেশৰ স্বভাবজাত এটি অপূৰ্ব্ব বস্তু। এই টোলবিলাকৰ সহায়েই আদিম কালৰে পৰা ভাৰতীয় সভ্যতাৰ এটা নিৰবচ্ছিন্ন ধাৰাৰ হিকতা ৰক্ষা পৰিছে আৰু নানাপ্ৰকাৰ সামাজিক আৰু ৰাজনৈতিক বিপ্লৱৰ মাজতো ভাৰতীয় সভ্যতা আৰু ভাৰতীয় জ্ঞানৰ চৰ্চ্চা লোপ পাব পৰা নাই।

আগৰ দিনত সুপণ্ডিত আচাৰ্য্য আৰু অধ্যাপকসকলৰ ঠাইত ছাত্ৰসকলে নিজে নিজে আহি যোগ দিছিল আৰু এইদৰে একোটি শিক্ষা কেন্দ্ৰ গঢ় উঠিছিল। কোনো এটি কেন্দ্ৰত ভালেমান বিষয়ৰ শিক্ষা দিব পৰা আচাৰ্য্য গোট খালে তাত একোখন বিশ্ববিদ্যালয়ৰ সৃষ্টি হৈছিল আৰু শিক্ষা বিষয়ত আচাৰ্য্যসকলে সম্পূৰ্ণ স্বাধীন আছিল। এই দৰেই ভাৰতৰ তক্ষশীলা, উজ্জয়িনী, নালান্দা, কাশী, বল্লভী, অমৰাৱতী, অজন্তা, মাদুৰা, বিক্ৰমশীলা আদি বিশ্ববিদ্যালয় গঢ়ি উঠিছিল। ডাঙৰ ডাঙৰ বৌদ্ধ আৰু জৈন বিহাৰ বিলাকৰ প্ৰত্যেক টোৱে একোখন বিশ্ববিদ্যালয়ৰ দৰে আছিল। কোনো প্ৰকাৰ চৰকাৰী আইন, Act, Statute আদিৰ লগত এই বিশ্ববিদ্যালয় বিলাকৰ সম্বন্ধ নাছিল।

আমাৰ দেশৰ টোলবিলাকৰ উৎপত্তিৰ ধৰণো তেনেকুৱাই। এই টোলবিলাকৰ কিছুমানে ৰজা, জমিদাৰ আৰু বিত্তোৎসাহী সম্ভ্ৰান্ত লোক সকলৰ সাহায্যত উন্নতি লাভ কৰিছিল। অসমৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ, দামোদৰদেৱ, মাধৱদেৱ আদি ধৰ্ম্ম গুৰু সকলোৱেও এনেকুৱা টোলৰ সহায়েই ডেকাঁলোকৰ শিক্ষা জীৱন আৰম্ভ কৰিছিল। এইবিলাক কথাৰে চালে আমাৰ মনত এই টোলবিলাকৰ প্ৰতি শ্ৰদ্ধা আৰু আগ্ৰহৰ ভাব নোপোজাকৈ নেথাকে। আৰু এই এটা কথা মনলৈ আহে যে টোলবিলাকত অধ্যাপক আৰু ছাত্ৰসকলৰ অতি ঘনিষ্ঠ সম্বন্ধ আছিল আৰু টোলৰ উন্নতি ঘাইকৈ অধ্যাপকসকলৰ ব্যক্তিত্ব ওপৰত নিৰ্ভৰ কৰিছিল। আচাৰ্য্যৰ জীৱন যাপন প্ৰণালী আৰু আচাৰ-ব্যৱহাৰৰ প্ৰভাব সম্পূৰ্ণৰূপে ছাত্ৰসকলৰ মাজত বৰ্ত্তিছিল। টোলৰ আয়-ব্যয় আদি বিষয়ৰ কৰ্ত্তৃত্বও ছাত্ৰসকল আৰু অধ্যাপকৰ মাজতে আবদ্ধ আছিল। মোৰ বিশ্বাস, ভালদৰে অনুসন্ধান কৰিলে মহাত্মা গান্ধীৰ পৰিকল্পিত বুনিয়াদি শিক্ষা (Basic Education)ৰ মূল নীতিৰে সৈতে টোলবিলাকৰ মূলনীতিৰ ভালেখিনি সামঞ্জস্য দেখিবলৈ পোৱা যাব।

কিন্তু এতিয়া টোলবিলাকৰ অৱস্থা দিনক দিনে হীন হৈ যাব ধৰিছে। টোলৰ শিক্ষাই বৰ্ত্তমান কালৰ আৰ্থিক সমস্যাৰ সমাধান কৰিব নোৱাৰে। এই শিক্ষাৰ অৰ্থকৰী মূল্য কম বুলিয়েই টোলত পঢ়িবলৈ ভাল ছাত্ৰ পোৱা নেযায়। আনকি সংস্কৃত অধ্যাপকসকলেও নিজৰ ল'ৰাক টোলত পঢ়িবলৈ নিদি অৰ্থকৰী বিদ্যা শিকিবলৈহে পঠিয়ায়। ডাক্তাৰ ৰাজেন্দ্ৰ প্ৰসাদেও সিদিনা কলিকতাত সংস্কৃত পণ্ডিতসকলৰ সভাত এই কথাৰে আলোচনা কৰিছে।

কিন্তু টোলৰ শিক্ষা-প্ৰণালীটো যে এটা ৰক্ষা কৰিব লগীয়া বস্তু তাক আমি আটায়ে অনুভৱ কৰোঁ। এই বাবে যোৱা ১৯৫০।৫১ চনত টোল শিক্ষা সংস্কাৰৰ বাবে Tol Education Reorganisation Committee এখন পতা হয় আৰু তাৰ ৰিপৰ্ট এতিয়া প্ৰকাশ পাইছে। এই কমিটিয়ে অসমৰ চাৰিওকালে সিচঁৰতি হৈ অচল অৱস্থাত

পৰি থকা টোলবিলাকৰ সংখ্যা ক্ৰমাই লাগতিয়াল আহিলা-পাতি আৰু উপযুক্ত ঘৰ-দুৱাৰ থকা আৰু নিয়মিত ভাবে দৰমহা পোৱা উপযুক্ত অধ্যাপক থকা কম সংখ্যক টোল বন্ধাৰ ব্যৱস্থা কৰিছে আৰু প্ৰচলিত পাঠ্য তালিকাৰো কিছুমান সাল-সলনি কৰি টোলত পঢ়া ছাত্ৰই বিশেষভাবে সংস্কৃত শিক্ষা লাভ কৰাৰ লগে লগে আন দৰকাৰী বিষয়বো যাতে শিক্ষা পায় তাৰে এটি আঁচনি প্ৰস্তুত কৰিছে।

এই ব্যবস্থা কাৰ্য্যত পৰিণত কৰিবলৈ হলে বৰ্ত্তমান ৩৭০০০৲ টকাৰ ঠাইত অতিৰিক্ত ভাবে এক লাখ টকাৰ বেকাৰিং গ্ৰাণ্ট আৰু ৪৮০০০৲ মান টকাৰ নন্‌বেকাৰিং গ্ৰাণ্টৰ আৱশ্যক। এতিয়া এই ব্যবস্থা সম্বন্ধে বিবেচনা কৰি যাইজে মতামত প্ৰকাশ কৰা উচিত আৰু চৰকাৰেও এই ব্যবস্থাটো পৰীক্ষা কৰি এই খিনি গ্ৰাণ্ট দিবৰ নিমিত্তে কাৰ্পণ্য কৰা উচিত নহব। টোলৰ শিক্ষাৰ উন্নতি হলে দেশৰ বৰ্ত্তমান নানা প্ৰকাৰ অনাচাৰ, উচ্ছৃঙ্খলতা আৰু অসহিষ্ণুতাৰ দিনত যি পৰিমানে মঙ্গল আহিব ধুলি আশা কৰা যায় তাৰ তুলনাত এই টকা খিনি অতি সামান্য।

অসম সংস্কৃত সমিতিৰ আন এটা ঘাই কাম হৈছে পূৰ্ব্বৰ পৰা প্ৰচলিত সংস্কৃত শিক্ষাৰ অসমত যি এটা বিশেষত্ব আছে তাক ৰক্ষা কৰা আৰু সংস্কৃত ভাষাত লিখা দেশত যিবিলাক অমূল্য বস্তু আছে তাক উদ্ধাৰ কৰা। আপোনাসকল আটাইয়ে জানে যে কামৰূপীয় তথা অসমৰ বেলেগ এটা স্মৃতি-শাস্ত্ৰৰ চৰ্চ্চা আছিল আৰু ইয়াক কামৰূপীয় স্মৃতি বোলা হয়। সেইদৰে কামৰূপ তথা অসমত এটা বিশেষ প্ৰকাৰৰ আয়ুৰ্ব্বেদ চৰ্চ্চা আছিল। অসমৰ বৈদ্যকল্পতৰু গ্ৰন্থ তাৰ এটা বিশেষ প্ৰমাণ। অসমৰ আয়ুৰ্ব্বেদ চৰ্চ্চাৰ বিষয়ে আলোচনা কৰিলে যে আমাৰ দেশৰ উপযোগী অনেক জ্ঞান লাভ কৰা হব তাত সন্দেহ নাই।

ইয়াত বাজেও প্ৰাচীন কামৰূপ তথা অসমত তন্ত্ৰ শাস্ত্ৰৰ এটা

যেলেগ ধাৰা আছিল। সৰ্ব্ব ভাৰতৰ বিদিত ভাস্কৰমান তন্ত্ৰ শাস্ত্ৰ অকল অসমত হে পোৱা যায়।

কামৰূপত এটা সুকীয়া ধৰণৰ ব্যাকৰণৰ চৰ্চ্চাও আছিল। ইয়াৰ বত্নমালা ব্যাকৰণ ভাৰত বিখ্যাত আৰু এই ব্যাকৰণে, অসমত যে প্ৰাচীন কালৰে পৰা সংস্কৃতৰ চৰ্চ্চা আছিল তাক নিঃসন্দেহে প্ৰমাণ কৰিছে। সম্ৰাট ভাস্কৰ বৰ্ম্মাৰ দিনতে হিউয়েন চাঙে উক্তি কৰিছিল যে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা পণ্ডিত সকলে আহি প্ৰাগ্-জ্যোতিষপুৰত শাস্ত্ৰ চৰ্চ্চা কৰিছিল। একাদশ শতিকাৰ বঙ্গ ধৰ্ম্মপালে তেওঁৰ প্ৰদত্ত তাম্ৰ-শাসনৰ শ্লোক আদি নিজে ৰচনা কৰিছিল।

যি হওক এই বিলাক হ'ল অতীতৰ কথা। এতিয়া বৰ্ত্তমান কালত আমি অতীত যুগৰ প্ৰেৰণাৰ সহায়ে ভবিষ্যত কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিব লাগিব আৰু আধুনিক সকলো প্ৰকাৰ উন্নতি আয়ত্ব কৰিবৰ নিমিত্তে শক্তি আহৰণ কৰিব লাগিব। এই কামত আমি একেবাৰে পিছ পৰি আছোঁ। উদাহৰণ স্বৰূপে অসমৰ প্ৰাচীন কীৰ্ত্তিৰ প্ৰতীক বত্নমালা ব্যাকৰণৰ কথাকে কওঁ। বৰ্ত্তমানে লিখকে অসম শিক্ষা বিভাগৰ কামত নিযুক্ত থকাত বত্নমালা ব্যাকৰণ খনি চৰকাৰী অৰ্থ সাহায্যেৰে ছপাবৰ নিমিত্তে প্ৰস্তাব দিছিল। এই ব্যাকৰণ খনি টোলৰ সংস্কৃত শিকাক সকলৰ পাঠ্য পুথি কিন্তু আজি তালেমান বছৰৰ পৰা এই পুথি খনি পাবলৈ নাইকীয়া হৈছে। এই ব্যাকৰণ যিমান খিনি ছপা হৈছিল সি কেতিয়াবাই শেষ হৈ গৈছে। মই প্ৰস্তাবত এইটোও দেখুৱাইছিলো যে ব্যাকৰণখন ছপা হোৱাত অন্ততঃ দহ বাৰ হেজাৰ মান টকা খৰচ হব পাৰে আৰু এইখন পাঠ্য পুথি বাবে বিক্ৰী নোহোৱাকৈ নেথাকে। ছপা কৰাত যি খিনি খৰচ হয় তাক সময়ত গৈ কিবাই পোৱা হবই। দুখৰ বিষয় এই বিষয়ে এতিয়ালৈকে একো হৈ উঠা নাই। গুৱাহাটীৰ লিখিত শ্ৰীহস্ত-মুক্তাবলী পুথিখন বহু মূলীয়া আৰু আমাতত এই পুথিৰ হস্তলিপি কৰাবলৈ হে ছই এগন পোৱা যায়।

এই পুথি খনি আক স্বর্গীয় মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যৰ লিখিত বৃত্ত-মঞ্জৰী পুথি খনি ছপা কৰিবৰ নিমিত্তে গুণা গঁঠা আমি শিশু কালৰে পৰা শুনি আহিছো। ইয়াৰ মাজত দেশৰ নানা তৰহৰ কামত কোটি কোটি টকা খৰচ হল। হেজাৰ হেজাৰ স্কিম হ'ল, লাখ লাখ টকাৰ হিচাব নাইকীয়া হ'ল, আক হেজাৰ হেজাৰ টকা পকন্ত্রাই খালে; কিন্তু শ্রীহস্ত মুক্তাবলী আক বৃত্ত মঞ্জৰীয়ে হলে আজিলৈকে বেলিৰ মুখ নেদেখিলে। অথচ দেশৰ সক ৰৰ সকলোৱে আমাৰ দেশৰ সংস্কৃতিৰ বিষয়ে বক্তৃতা দিবলৈ ওলালে কথাৰ ওৰ নপৰে। দেশৰ বহুত নেতাই আমাৰ দেশৰ সংস্কৃতিৰ বিষয়ে বক্তৃতা দিওঁতে এনেকুৱা মতলীয়া হৈ যায় যে তেওঁলোকে সভাত শ্রোতা সকলে যে একো চাহ তামোল নোপোৱাকৈ ৫।৬ ঘণ্টা চেৰেঙ্গা লাগি ৰহি আছে তালৈ একেবাৰে পাহৰিয়ে যায়।

সমজুৱাসকল, মই আক এইবিলাক কথা কৈ আপোনাসকলৰ বেছি সময় নিয়াৰ নোখোজোঁ। বাহুল্য বক্তৃতা দিয়া ওপৰত লিখা বিধৰ দোষে মোকো চুব বুলি মোৰ মনত সদায় ভয় আছে আক যদি এই দোষৰ ভাগী মই কিছু পৰিমানে হৈয়ে পৰিলোঁ, আশা-কৰোঁ তাৰ বাবে আপোনাসকলে মোক ক্ষমা কৰিব।

মই সংস্কৃত-সমিতিৰ কার্য্যাৱলীৰ প্রশংসা কৰিবলৈ বিচৰা নাই মাথোন ইয়াৰ প্রতি আপোনা সকলৰ মনযোগ আক সহানুভূতি পাবলৈহে প্রার্থনা কৰিছো। আজি আমাৰ দেশৰ ৰাজ্যপাল আক শিক্ষা মন্ত্রী আক সংস্কৃত শিক্ষানুৰাগী আটায়ে ইয়াত উপস্থিত আছে। আশাকৰোঁ তেওঁলোকে টোল শিক্ষা বিষয়ে মনযোগ দিব আক ইয়াত যি ত্রুটি আছে তাৰ সমালোচনা কৰি এই সমিতিৰ উপকাৰ সাধন কৰিব। উপেক্ষা, আক সম্পূর্ণ নীৰৱতাই হৈছে আটাইতকৈ মাৰাত্মক বস্তু। এই নীৰৱতা আক নিস্তব্ধতাতকৈ যি কোনো প্রকাৰৰ সমালোচনা সহস্র গুণে বাঞ্ছনীয়।

সমজুৱাসকল, সবশেষত অভ্যর্থনা সমিতিব হৈ মই আপোনাসকলক কবপুতে জনাওঁ যে আপোনাসকলব নিচিনা মহৎ লোকসকলব উপযুক্ত অভ্যর্থনাব বাবে আমি কোনো প্রকাব আয়োজন কবিব পবা নাই। অতি লবালবিকৈ এই অধিবেশনটি পাতিবব স্থিব কবা হৈছে আৰু এই সময়ত সকলো প্রকাব কাববাব আৰু ব্যবসায়ব এটা নৈবাশ্য-জনক অৱস্থা আহি পোৱাব নিমিত্তে যিসকল লোকব পবা আমি সাহয্যব আশা কবোঁ তেওঁলোকে আমাক উপযুক্ত পবিমাণে সহায় কবিবলৈ অক্ষম হৈ পবিছে। মুঠতে ইয়াকে কওঁ যেন আপোনাসকলে নিজগুণে আমাব সকলো দোষ ক্ষমা কবে।

শ্রীউমাকান্ত গোস্বামী

— ✕ —

[ইংৰাজী ১৯৪১ চনতে পণ্ডিত কনক চন্দ্ৰ শৰ্মাৰ দ্বাৰা সম্পাদিত "ৰামায়ণ" ৰ পাতনি স্বৰূপে লিখা ৩৬পৃষ্ঠাৰ সুদীৰ্ঘ তথা সুচিন্তিত পাতনিখনি পুনৰমুদ্ৰণ কৰা হ'ল। ৰামায়ণ সম্বন্ধে বৰ্ত্তমান অৰণ্যে অনেক তথ্য আবিষ্কৃত হৈছে। ফাদাৰ কামিল বুল্কে চাহাবে লেখা "ৰাম কথা" উল্লেখ যোগ্য গ্ৰন্থ]

ৰামায়ণ

কূজন্তং ৰাম ৰামেতি মধুৰং মধুৰাক্ষৰম্।
আৰুহ্য কবিতা শাখাং বন্দে বাল্মিকি-কোকিলম্॥

(ৰামানুজ)

ৰামায়ণ ভাৰতবৰ্ষৰ এখনি প্ৰাচীন মাহাকাব্য। ই প্ৰাচীন ভাৰতৰ সভ্যতাৰ আদৰ্শ, ধৰ্ম্ম-বিশ্বাস, চিন্তাৰ ধাৰা, কল্পনা আৰু বাস্তৱ জীৱনৰ যুগমীয়া নিদৰ্শনৰূপে, বহু যুগৰ কত ধৰ্ম্ম-বিপ্লৱ, ৰাজনৈতিক বিপ্লৱ আৰু সামাজিক পৰিবৰ্ত্তনৰ মাজেদি অশেষ বাধা বিঘিনি মূৰত লৈ আজিলৈকে ভাৰতৰ প্ৰাচীন গৰিমা প্ৰচাৰ কৰি আছে। ৰামায়ণ মহাগ্ৰন্থ সকলো হিন্দুৰ মানত পূজ্য আৰু মহাকাব্য হিচাবে সৰ্ব্ব জগতৰ আদৰণীয়। ৰামায়ণৰ বচোঁতা কবি গুৰু বাল্মীকি। বাল্মীকি আৰু তেওঁৰ ৰচিত ৰামায়ণ সম্বন্ধে ৰামায়ণৰ টীকাকাৰ ৰামানুজাচাৰ্য্যই মঙ্গলাচৰণত লিখিছে :—

বাল্মীকি গিৰি-সম্ভূতা ৰামাম্ভোনিধি সঙ্গতা।
শ্ৰীমদ্ৰামায়ণী গঙ্গা পুণাতি ভুবন ত্ৰয়ম্॥

অৰ্থাৎ ৰামায়ণ ৰূপ গঙ্গা বাল্মীকি ৰূপ পৰ্ব্বতৰ পৰা ওলাই ৰামৰূপ সাগৰত পৰি তিনিও ভুবনকেই পবিত্ৰ কৰিছে।

ৰামায়ণক হিন্দু সকলে কিমান ভক্তিভাবে দেখে তাক ৰামায়ণত

থকা এই শ্লোকৰ পৰাই বুজিব পাৰি—

প্রয়াগাদীনি তীর্থানি গঙ্গাদ্যাঃ সরিতস্তথা।
নৈমিষাদীন্যরণ্যানি কুরুক্ষেত্রাদিকান্যপি।
কৃতানি তেন লোকেঽস্মিন্ যেন রামায়ণং শ্রুতম্ ॥

অর্থাৎ যিয়ে ৰামায়ণ শুনিছে তেওঁৰ প্রয়াগ আদি তীর্থ, গঙ্গা আদি পবিত্র নদী, নৈমিষ আদি অৰণ্য আৰু কুৰুক্ষেত্র আদি পবিত্র ক্ষেত্র দেখাৰ ফল হৈছে।

"ৰামায়ণ" শব্দৰ অর্থ হৈছে (ৰামস্য চৰিতান্বিতম্ অয়ণং শাস্ত্রম্) ৰামৰ চৰিত্র বিষয়ক গ্রন্থ। ই পদ্যৰ আকাৰে সৰল সংস্কৃত ভাষাত প্রায়ে অনুষ্টুপ্ ছন্দৰ শ্লোকত লিখা। ইয়াৰ মূল ছয়কাণ্ডত শ্লোকৰ সংখ্যা ২৪০০০ কিন্তু এতিয়া ই শেষৰ এটিকাণ্ড যোগ হৈ সাত কাণ্ডত বিভক্ত। ইয়াৰ লিখক মহর্ষি বাল্মীকি। সাধাৰণতে ৰামায়ণক ভাৰতৰ আদি কাব্য আৰু বাল্মীকিক আদি কবি বোলা হয়। ৰামায়ণৰ যুদ্ধ-কাণ্ডৰ শেষত লিখা আছে:—

ধন্য যশস্যমায়ুষং বাজ্ঞাং চ বিজয়াবহম্।
আদি কাব্যমিদং আর্ষং পুৰা বাল্মীকিনা কৃতম্ ॥

ইয়াতেই ৰামায়ণক "আদি কাব্য" বোলা হৈছে।

ৰামায়ণ ৰচনাৰ কাল আৰু ৰামায়ণৰ উৎপত্তি সম্বন্ধে বিস্তৰ আলোচনা কৰা এই ক্ষুদ্র ভূমিকাত অসম্ভৱ। মাথোন ৰামায়ণক আদি কাব্য আৰু বাল্মীকিক আদি কবি কি কাৰণে বোলা যাব পাৰে সেই সম্বন্ধে দুই এটা কথা ইয়াতে কৰ পৰা যায়। ভাৰতবর্ষৰ নিচিনা দেশত বাল্মীকিৰ পূর্ব্বে যে কবি নাছিল আৰু ৰামায়ণৰ পূর্ব্বে যে কোনো কাব্য বা কোনো প্রকাৰৰ ৰচনা হোৱা নাছিল এনে হবই নোৱাৰে। বাস্তৱতে কাব্য বা কবিতাৰ আৰম্ভ বুলি কোনো সময়ৰ নির্ণয় হব নোৱাৰে। বেদ উপনিষদ আদিৰ অনেক অংশই ৰামায়ণৰ পূর্ব্বে লিখা। কিন্তু পূর্ব্বৰ সেই বিলাক শাস্ত্রৰ বাহিৰা হিচাবে কোনো ব্যক্তি বিশেষৰ নাম কমিহে পৰা নাযায়। বেদৰ অংশবিশেষৰ আৰু

অনাদি বোলা হয়। যি সকলে বেদৰ অনাদিত্ব স্বীকাৰ নকৰে তেওঁলোকেও বেদৰ লিখক বুলি কোনো ব্যক্তি বিশেষৰ নাম বিচাৰি উলিয়াব পৰা নাই। প্ৰাচীন কালৰ যি সকল কবিৰ নাম আমি পাওঁ তেওঁলোকৰ মাজত বাল্মীকিয়ে আটাইতকৈ আদি বা প্ৰথম আৰু প্ৰধান। বাল্মীকিৰ প্ৰতিভাকে অতীজৰ পৰা আটায়ে শ্ৰেষ্ঠ আসন দি বামায়ণক মহাকাব্যৰ আদৰ্শ বুলি স্বীকাৰ কৰি আহিছে।

বামায়ণ আৰু মহাভাৰত এই দুখনি মহাগ্ৰন্থই প্ৰাচীনকালতে ভাৰতীয় সভ্যতাৰ ভেঁটি গঢ়ি তুলিছে আৰু এই দুয়োৰো অন্তৰ্গত নানাপ্ৰকাৰ বিষয়ক আশ্ৰয় কৰি পিছৰ কালত হাজাৰ হাজাৰ কাব্য নাটক, আখ্যান উপাখ্যান আদিৰ সৃষ্টি হৈছে। কোনো কোনো লিখকে বামায়ণ আৰু মহাভাৰতক ভাৰতবৰ্ষৰ গঙ্গা আৰু সিন্ধু নদীৰ লগত তুলনা কৰে। গঙ্গা আৰু সিন্ধু এই দুখনি নদীয়ে যেনেকৈ অৰ্য্যাবৰ্ত্তৰ মাজেদিয়ৈ গৈ গোটেই দেশ খনকে সাকল্য কৰি শস্য সম্পদ আনি দিছে সেই দৰে বামায়ণ আৰু মাহাভাৰতেও ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ সম্পদ যোগাইছে। এই দুখনি নদীৰ পৰা যি দৰে শই শই উপনদী শাখানদী ওলাইছে সেই দৰে বামায়ণ মহাভাৰতৰ পৰাও হাজাৰ হাজাৰ বচনাৰ সোঁত বৈছে। বামায়ণৰ লগত মহাভাৰতৰ পাৰ্থক্য এই খিনিতে দেখা যায় যে মহাভাৰতৰ বচনা বামায়ণতকৈ পিছত হলেও কালক্ৰমে তাত নানা প্ৰকাৰৰ কথাৰ যোগ হৈ সেয়ে এখনি বিৰাট বিশ্বকোষত পৰিণত হ'ল গৈ, কিন্তু বামায়ণ সপ্তকাণ্ডতে সীমাবদ্ধ হৈ এখন গুটিয়া কাব্যৰ আকাৰে থাকিবলৈ পালে। এই কাৰণেও বামায়ণক আদি কাব্য বোলা যাব পাৰে।

বামায়ণৰ সূত্ৰপাত হৈছে মহৰ্ষি নাৰদ আৰু বাল্মীকিৰ-কথোপকথনৰ পৰা।

বাল্মীকিয়ে নাৰদক সুধিলে :—

কো নস্মিন্ সাম্প্ৰতং লোকে গুণবান্ কশ্চ বীৰ্য্যবান্।

ধর্ম্মজ্ঞশ্চ কৃতজ্ঞশ্চ সত্যবাক্যো দৃঢ়ব্রতঃ ॥
চারিত্রেন কো যুক্তঃ সর্ব্বভূতেষু কো হিতঃ।
বিদ্বান্ কঃ কঃ সমর্থশ্চ, কশ্চৈক প্রিয়দর্শনঃ ॥
আত্মবান কো জিতক্রোধো দ্যুতিমান কোহনসূয়কঃ।
কস্য বিভ্যতি দেবাশ্চ জাতরোষস্য সংযুগে ॥
এতদিচ্ছাম্যহং শ্রোতুং পরং কৌতূহলং হি মে ॥

এই পৃথিবীত বর্ত্তমান কালত কোন জন পুরুষ গুণী আরু বীরত্ব শালী, কর্ত্তব্যজ্ঞান সম্পন্ন আরু কৃতজ্ঞ, সত্যবান্ আরু দৃঢ় প্রতিজ্ঞ? কোনজন চরিত্রবান্ আরু সর্ব্বভূতর হিতকারী, কোন জন বিদ্বান, শক্তিমান আরু সুন্দর? কোনজনা পুরুষ আত্ম সংযমী, ক্রোধজিৎ, উজ্জ্বল আরু হিংসা রহিত? কার খং উঠিলে যুদ্ধত দেবতা সকলেও ভয় করে?

তেতিয়া নারদে উত্তর করিলে যে ঈক্ষ্বাকু বংশজাত রামচন্দ্রয়ে এনেকুয়া পুরুষ।

ইয়ার পিছত একদিন বাল্মীকিয়ে তমসা নদীত স্নান করিবলৈ যায়। বাটত তেওঁ এহাল মতা মাইকী চকোৱা (ক্রৌঞ্চ) চরায়ে ধেমালি করি থকা দেখে। সিহঁতে ধেমালি করি থাকোঁতেই এক নিষ্ঠুর ব্যাধর শর আহি মতাটোক আঘাত করে। মতাটোৱে যেতিয়া মৃত্যু যন্ত্রনাত বাগরি পরি ধপ্-ধপাই থাকে তেতিয়া লগৰীয়া মাইকী জনীয়ে অতি করুণ সুরে বিলাপ করিবলৈ ধরে। এই মর্ম্মান্তিক দৃশ্য দেখি ঋষির মনত দারুণ শোক ওপজে আরু অতর্কিতে তেওঁৰ মুখত এই কাঁকি কথা শুনায়।

মা নিষাদ প্রতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্রৌঞ্চ মিথুনাদেকম্ অবধীঃ কাম মোহিতম্ ॥

এই বাক্য সমান আখর আরু সমান মাত্রাৰ চতুষ্পদ যুক্ত হৈ ঋষির মুখৰ পৰা ওলোৱাত "শ্লোক" নাম পায় আরু এই শ্লোকেৰেই

বামায়ণ বচিত হয়। বামায়ণ মহাকাব্যত কাবাব সকলো প্রকাব বসবে সমাবেশ হলেও ইয়াব প্রধান সুব যে কৰুণাত্মক হব তাক "শ্লোক"ব উৎপত্তি লৈ চালেই বুজিব পাবি।

বামায়ণৰ তিনি প্রকাব সংগ্রহ পোৱা হৈছে। প্রথম বোম্বাইব পবা ওলোৱা, দ্বিতীয় বঙ্গীয় বা গৌড়ীয় বামায়ণ, তৃতীয় উত্তব পশ্চিম ভাবতব লাহোবব পবা ওলোৱা। চতুর্থ একপ্রকাব বামায়ণ বার্লিনব লাইব্রেবীত হাতে লিখা অৱস্থাত আছে বুলি শুনা যায়। মানুহব মুখে মুখে প্রচলিত হৈ আহি বামায়ণে যেতিয়া প্রথমে লিখিত আকাব লয় তেতিয়া ঠাযে ঠাযে মূলৰ পবা তাব অলপ লবচব হয়। বোম্বাই আৰু লাহোবব বামায়ণ প্রায় মিলে কিন্তু গৌড়ীয় বামায়ণত আন দুখনতকৈ অলপ লব দেখা যায়। আটাই কেই ঠাইতে বামায়ণ সাত কাণ্ডত বিভক্ত।

মূল বামাযণব আদি বা বালকাণ্ডত লিখা আছে যে বাল্মীকিয়ে প্রথমতে আদি বা বালকাণ্ডব পবা লঙ্কা বা যুদ্ধ কাণ্ডলৈকে ছয় কাণ্ড বামায়ণ বচনা কবে। এই ছয় কাণ্ড ২৪ হাজাব শ্লোকত লিখা। এই ছয় কাণ্ডব পিছত হে শেহব উত্তবাকাণ্ড বচিত হয়। বামায়ণ সম্বন্ধে আজি কালি প্রাচ্য আৰু পাশ্চাত্যব যি সকল পণ্ডিতে আলোচনা কবিছে তেওঁলোকব কাবো কাবো মতে আদিতে বামায়ণত পাঁচ কাণ্ড হে আছিল। প্রথম আৰু শেষব কাণ্ড দুটা পিছত হে যোগ দিয়া হৈছে। এই সকল পণ্ডিতে কয় যে আদি কাণ্ড আৰু উত্তবাকাণ্ড লিখাব ধবণ, বিষয় বর্ণনা আৰু কবিত্ব বাকী পাঁচ কাণ্ডতকৈ তল খাপব। বাল্মীকিয়ে তেওঁব নিজব পাঁচ কাণ্ডত বামচন্দ্রক আদর্শ মানব ভাবে বর্ণনা কবি গৈছিল কিন্তু তেওঁব পিছব আন আন লিখক সকলে আদি আৰু উত্তবা কাণ্ডত বামচন্দ্রক মানুহব শ্রেণীব পবা ওপবাই পূর্ণব্রহ্মব অৱতাব বুলি দেখুৱাইছে। এই যিমি পবিবর্তনতে হিন্দু ভাবতীয় সকলব ধর্ম্মজীবন আৰু সামাজিক জীবনব ক্রম বিকাশৰ বহুত কথা সোমাই আছে।

বামায়ণ লিখাব কাল সম্বন্ধে নানাপ্রকাব মতবাদব সীমা নাই। প্রাচীন হিন্দু কালগণনা অনুসাবে খ্রীষ্টজন্মব ৮৬৭১০২ বছব আগতে বামচন্দ্রব আবির্ভাব হৈছিল।। দুবছব মান আগতে মিঃ বামলিঙ্গম্ নামে এজন পণ্ডিতে কয় যে বামায়ণেই পৃথিবীব আদিগ্রন্থ। ই ৮০০০০০ বছবব আগবে। তেওঁব মতে সেই কালত ওবালটেয়াবব দক্ষিণব পবাই সাগব আবম্ভ হৈছিল আৰু ওবালটেয়াবব পবা বামে সেতু বান্ধিছিল। ওবালটেয়াবব দক্ষিণে যে মাটি নাছিল তাব প্রমাণ কবিবলৈ গৈ তেওঁ কয় যে আজি কালিও দক্ষিণভাবতত নামব পিছত সমুদ্রম্ থকা অনেক গাওঁ আৰু নগব আছে আৰু আগেয়ে সেই বিলাক ঠাই সাগবব তলিত আছিল।

এই শ্রেণীব মতবাদ এবি দিলে দেখা যায় যে বর্ত্তমান ইউবোপীয় পণ্ডিত সকলে বামচন্দ্রব আবির্ভাবব সময় খৃষ্টপূর্ব ২০০০ বছবব পবা এক হেজাব বছব মানত থৈছে গৈ। এজন ইউবোপীয় পণ্ডিতে (Bently) বামচন্দ্রব জন্ম খ্রীষ্টপূর্ব্ব ৯৬১ চনব ৬ এপ্রিলত হৈছে বুলি ঠিবাং কৈ কৈছে। অলপতে এজন পণ্ডিতে স্কন্দপুবাণ বিলাকব সহায়ে প্রমাণ কবিবব চেষ্টা কবিছে যে বামচন্দ্রব আবির্ভাব খ্রীষ্টব জন্মব ২১২৪ বছব পূর্ব্বে হৈছিল আৰু তেওঁ ২৮ বছব বয়সত বনবাসলৈ গৈ ১৪ বছবব পিছত ফিবি আহে আৰু ১১ বছব বাজত্ব কবাব পিছত ৫৩ বছব বয়সত তেওঁব মৃত্যু হয়। তেওঁ আৰু কয় যে বাম-চন্দ্রই বজা হৈ ভূমি দান কবা কোনো কোনো তামব ফলি ১৪১৬ পূর্ব্ব খ্রীষ্টাব্দত যুধিষ্ঠিবে বাজত্ব কবা সময়লৈকে আছিল।

আকৌ এটা কথা এই যে প্রাচীন হিন্দু শাস্ত্রত কেবাজন বামব উল্লেখ পোৱা যায়। সাধাবণ লোকব মুখত শুনা যায় যে বাম তিনিজন যেনে পবশুবাম, বলবাম আৰু বামচন্দ্র। কিন্তু এই কথা বেলেগ। বামচন্দ্র নামে এজনা বজাব কথা ঐতবেয় ব্রাহ্মণত পোৱা যায়। ৰামায়ণি বামব আবির্ভাব তাব পিছত হে।

---

a-Lecture by Girindra Sekhor Bose in the Sahitya Parishad, Calcutta.

আজি কালি ৰামায়ণৰ কালৰ অনুসন্ধান কৰোঁতে জাতক গ্ৰন্থমালাৰ লগত ৰামৰ সম্বন্ধ কি ভাবে বিশেষ মনোযোগ দিয়া হয়।

ৰামায়ণ ৰচিত হোৱাৰ আগৰ পৰাই যে ৰাম সম্বন্ধে দেশত নানাপ্ৰকাৰ কাহিনী প্ৰচলিত আছিল তাক পূৰ্ব্ববৰ্ত্তী কিছুমান জাতকৰ পৰা বুজা যায়। ৰাম আৰু ৰাৱণ সম্বন্ধে পূৰ্ব্বে অসম্বদ্ধ ভাবে যিবিলাক কথা প্ৰচলিত আছিল সেই বিলাকেই ৰামায়ণ ৰচনাৰ আহিলা পাতি আছিল বুলি অনুমান হয়। যদি বা জাতকক আশ্ৰয় কৰি ৰামায়ণ হোৱা নাই তেনে হলে ৰামায়ণ আৰু জাতক কিছুমান আখ্যানত অকল ৰাৱণৰ হে উল্লেখ আছে। সেই দৰে উত্তৰ ভাৰতৰ কিছুমান আখ্যানত ৰামৰ হে উল্লেখ আছে। দশৰথ জাতকত সীতা ৰামৰ ভনীয়েক আছিল বুলি বৰ্ণোৱা আছে। এই জাতকৰ মতে দশৰথ বেনাৰচৰ ৰজা আছিল আৰু তেওঁৰ পুত্ৰক ৰামচন্দ্ৰই দেশ এৰি গৈ গোটেই জীবন হিমালয়ত কটাইছিল। দশৰথ জাতক বুদ্ধ দেবৰ জন্মৰ অনেক পূৰ্ব্বে ৰচিত হৈছিল। সাম জাতক, বেশান্তৰ জাতক আদিতো ৰামচন্দ্ৰৰ কথা পোৱা যায়। জাতক গ্ৰন্থৰ আটাই খিনি অবশ্যে প্ৰাচীন নহয়। বেছি ভাগ জাতক বুদ্ধদেবৰ পিছত হে লিখা।

ৰামায়ণত বৰ্ণিত বিষয়ৰ তাৎপৰ্য্য সম্বন্ধেও নানামুনিৰ নানা মত। সাধাৰণ মত এই যে ৰামায়ণত ৰামচন্দ্ৰ আৰু ৰাক্ষস সকলৰ মাজত যি যুদ্ধৰ বৰ্ণনা কৰা হৈছে সেয়ে ভাৰতত প্ৰাচীন কালত আৰ্য্য আৰু অনাৰ্য্য সকলৰ মাজত হোৱা সংঘৰ্ষ বুজাইছে। দাক্ষিণত্যৰ আদিম অধিবাসী যিবিলাক খেলে ৰামচন্দ্ৰৰ লগত মিত্ৰতা কৰিলে বা অধীনতা স্বীকাৰ কৰিলে তেওঁলোকক বান্দৰ বোলা হ'ল আৰু যি সকলে বিৰোধ আচৰিলে তেওঁলোকক ৰাক্ষস বোলা হ'ল। ৰাক্ষস বিলাক বৈদিক ধৰ্ম্মাবলম্বী নহলেও তেওঁলোকৰ মাজত নানাপ্ৰকাৰ আদিম কালৰ পূজা আৰু সাধনাৰ প্ৰচলন আছিল। কোনো কোনোৱে

কয় যে সীতা শব্দৰ অর্থ হৈছে নাঙলৰ শিৰা। সীতাক দাক্ষিণাত্যই দি লঙ্কাক নিয়া মানে দাক্ষিণাত্যত কৃষি সভ্যতাৰ প্ৰচাৰ।

ৰামায়ণৰ বৈদেশিক উৎপত্তি সম্বন্ধেও মাজে সময়ে দুই এক কথা শুনা যায়। গ্ৰীক কবি হোমৰৰ মহাকাব্য ইলিয়ডৰ বৰ্ণিত কাহিনীৰে সৈতে ৰামায়ণৰ কথাৰ অলপ মিল দেখা যায়। লঙ্কাৰ যুদ্ধৰে সৈতে ট্ৰয় যুদ্ধৰ অযোধ্যাৰে সৈতে স্পার্টাৰ, ৰামে সৈতে মেনেলিয়াচৰ, লক্ষ্মণে সৈতে পেট্ৰোক্লিচৰ, সীতাই সৈতে হেলেনৰ, ৰাবণৰ সৈতে পেৰিচৰ, ইন্দ্ৰজিতে সৈতে হেক্টাৰ আৰু সুগ্ৰীৱে সৈতে আগামেমনৰ তুলনা কৰিব পৰা যায়। এই সামঞ্জস্য কিন্তু নিতান্ত উপকৰা। হোমৰ বাল্মীকিৰ পিছৰ কবি, সুতৰাং ৰামায়ণৰ প্ৰভাব ইলিয়ডৰ ওপৰত হে পৰিল পাৰে, কিন্তু ইলিয়ডৰ প্ৰভাব ৰামায়ণত নাই। সেই দৰে ইজিপ্টৰ সম্ৰাট ৰেমেচ্চৰ (Rameses II) লগত ৰামৰ তুলনা কৰা হয়। কিন্তু এই বিলাক কথাৰ একো আগশুৰি নাই।

ৰামায়ণৰ বৰ্ণিত কাহিনী আৰম্ভ হয় অযোধ্যা কাণ্ডৰ পৰা। এই কাণ্ডৰ বৃত্তান্ত সৰল আৰু এই কাণ্ডৰ কবিত্ব আৰু বৰ্ণনা কৌশল আদি আন আন কাণ্ডতকৈ শ্ৰেষ্ঠ। কিন্তু অযোধ্যা কাণ্ডৰ পৰা লঙ্কা কাণ্ডলৈ গলে আমি নানা প্ৰকাৰ অতিৰঞ্জিত বৰ্ণনা পাবলৈ ধৰোঁ। লঙ্কাকাণ্ডৰ বৰ্ণনাত বান্দৰ বিলাকৰ প্ৰত্যেকে দেবতা সকলৰ এটা অংশ বা সন্তান আৰু ৰাক্ষৰ সকলৰ একোটা বিৰাট কায় ভীষন জীৱ।

ৰামায়ণৰ দাক্ষিণাত্যৰ অধিবাসী সকলৰ বৃত্তান্ত আৰম্ভ হৈছে অযোধ্যা কাণ্ডৰ পিছৰ পৰা। বাস্তবিকে ৰামায়ণক উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় এই দুটা খণ্ডত ভাগ কৰিব পাৰি। ৰামচন্দ্ৰই দাক্ষিণাত্যৰ অৰণ্যত সোমোৱাৰ পিছৰ পৰাই অনেক উদ্ভট কল্পনাৰ আৰম্ভ হয়। অবশ্যে আমি এইটোও কব নোৱাৰোঁ যে অযোধ্যা কাণ্ডৰ পিছত হে অনাৰ্য্য সকলৰ প্ৰথম আবিৰ্ভাব হ'ল কাৰণ অযোধ্যা-

কাণ্ডৰ ভিতৰতে গুহক চণ্ডালৰ বিবৰণ আছে। গুহক চণ্ডাল নিশ্চয় এজনা অনার্য্য সকলৰ নায়ক আছিল।

আৰু এটা কথা লক্ষ্য কৰিব লগীয়া এই যে প্ৰথমতে বানৰ সকলৰ লগত ৰামচন্দ্ৰৰ সম্বন্ধ বন্ধুত্বমূলক। সুগ্ৰীবৰ লগত ৰামে প্ৰথমতে সখিত্বহে পাতে। শেষত গৈ ই গুৰু আৰু ভক্তৰ সম্বন্ধত পৰিণত হয়। হিন্দু বিলাকৰ মনত বানৰ বধ অতি নিন্দনীয়। বৃন্দাবনত বান্দৰ মাৰিব একেবাৰে নেপায়। প্ৰাচীন কালত অনার্য্য সকলৰ কোনো এটা শাখাও বানৰৰ এবিধ প্ৰতীক (totem) আছিল বুলিও অনুমান কৰিব পাৰি। আৰু এটা কথা মন কৰিব লগীয়া এই যে ৰামৰ পূজা কতো অকলে নহয়। সকলো ঠাইতে ৰাম সীতা, নাইবা ৰাম সীতা, লক্ষ্মণ ভৰত হনুমান আদিক একে লগে পূজা কৰা হয়। কিন্তু হনুমানৰ বাবে অকলে পূজাৰ ব্যবস্থা আছে। হনুমান জীৰ মন্দিৰ অলেখ। হনুমানৰ মাহাত্ম্য যদি অকল ৰামৰ কিঙ্কৰ বাবে হে হ'ল হেঁতেন তেনে হলে হনুমানজীৰ বাবে অকলে মন্দিৰ আৰু পূজাৰ ব্যবস্থা হোৱাতো আচৰিত ধৰণৰ কথা। *

এই দৰে আকৌ ৰামায়ণত বৰ্ণিত কিছুমান ঠাই ক'ত আছিল সেই সম্বন্ধেও নানাপ্ৰকাৰ মতভেদ দেখা যায়। পূৰ্ব্বৰ লঙ্কা ৰাজ্য কত আছিল এই সম্বন্ধে নানাপ্ৰকাৰ কল্পনা চলিছে। ৰামায়ণৰ যুগৰ ভাৰতৰ ভৌগলিক বিবৰণ নিৰ্ণয় কৰাটো এটা ডাঙৰ গবেষণাৰ বিষয় হৈ ৰৈছে। বাল্মীকিৰ ৰামায়ণত প্ৰাগ্‌জ্যোতিষৰ নামৰ উল্লেখৰ বাহিৰে বেছি কথা পোৱা নেযায়। কালিদাসৰ ৰঘুবংশতো প্ৰাগ্‌জ্যোতিষৰ উল্লেখ আছে।

এই বিলাক কথাৰ পৰা এই সিদ্ধান্ত কৰিব পৰা যায় যে প্ৰাচীন কালত আৰ্য্য আৰু অনার্য্য, ব্ৰাহ্মণ ক্ষত্ৰিয় আৰু আদিম অধিবাসী

* গোৱালপাৰা জিলাৰ টক্ৰেৰী পাহাৰত থকা বান্দৰ বিলাকৰ সমাজ সম্বন্ধে কিছুমান আচৰিত ধৰণৰ কথা প্ৰচলিত আছে।

সকলৰ সংঘৰ্ষৰ ফলে আৰ্য্যাবৰ্ত্ত আৰু দাক্ষিণাত্যত পূৰ্ব্বৰ পৰা যি বিলাক কাহিনী প্ৰচলিত হৈ পৰিছিল সেই সকলোকে গোট খুৱাই বাল্মীকিয়ে নিজৰ অসীম প্ৰতিভাৰ বলে এই বিশাল মহাকাব্যৰ সৃষ্টি কৰে।

ৰামায়ণ সম্বন্ধে ভাৰতীয় অলেখ প্ৰাচীন পণ্ডিতে আলোচনা কৰি গৈছে। কিন্তু তেওঁলোকৰ আলোচনা ভক্তিমূলক আৰু তেওঁলোকে ৰামায়ণৰ কবিৰ আৰু আধ্যাত্মিক অৰ্থৰ আলোচনা কৰাতেই নিমগ্ন। যোগ বশিষ্ঠ ৰামায়ণ, অধ্যাত্ম ৰামায়ণ অদ্ভুত ৰামায়ণ আদি এই শ্ৰেণীৰ পুথি আৰু এই বিলাকৰ কিছুমান বাল্মীকিয়ে নিজেই লিখিছিল বুলি প্ৰবাদ। ৰামায়ণৰ আন আন টীকা ব্যাখ্যা আদিও অলেখ। আগৰ কালৰ পণ্ডিত সকলে ৰামায়ণৰ অন্তৰঙ্গ আলোচনা কৰি গৈছে বহিৰঙ্গ আলোচনা সম্পৰ্কে মনোযোগ দিয়া নাই।

গ্ৰন্থৰ আলোচনা দুই প্ৰকাৰৰ হব পাৰে। ই ক'ত ৰচিত হ'ল কোনে ৰচনা কৰিলে, তাৰ ভাষা কেনেকুৱা, গ্ৰন্থ ৰচনা কৰোঁতে সামাজিক অৱস্থা কেনেকুৱা আছিল, কিমান খিনি আনৰ পৰা গ্ৰহণ কৰা আৰু কিমানখিনি গ্ৰন্থকাৰৰ নিজৰ, গ্ৰন্থত আৰ্ষ প্ৰয়োগ কিমান আছে এই বিলাক হৈছে বহিৰঙ্গ আলোচনাৰ বিষয়। যি দৰে এটি সুন্দৰ ফুল পালে তাৰ পাহি কেইটা আৰু তাৰ দুয়ো পূৰ্ব্বৰ কিছুমান আখ্যান অবলম্বন কৰি ৰচিত হৈছিল। বৌদ্ধ আৰু জৈন সকলৰ দাক্ষিণাত্যৰ আকৃতি কেনেকুৱা, তাৰে আলোচনা কৰি নাথাকি তাৰ সুগন্ধ আৰু সৌন্দৰ্য্য উপভোগ কৰাটোহে প্ৰকৃত কাম সেই দৰে আগৰ পণ্ডিত সকলে ভাবিছিল যে বহিৰঙ্গ আলোচনাত কাল নকটাই গ্ৰন্থৰ আধ্যাত্মিক মৰ্ম্ম অনুভব কৰা আৰু কবিত্ব উপভোগ কৰাটোহে প্ৰকৃত কৰ্ত্তব্য। অন্তৰঙ্গ আৰু বহিৰঙ্গ আলোচনা সম্বন্ধে লোকমান্য বালগঙ্গাধৰ তিলকৰ গীতিৰহস্যত মুৰাৰি কবিৰ তলত লিখা শ্লোকটি দিয়া আছে:—

অদ্ধিৰ্জ্জিত এব বানৰ ভটৈঃ কিং তস্য গম্ভীৰতম্।
আপাতাল পীৰৰ তন্মূৰ্জানাতি মন্থাচলঃ॥

অর্থাৎ সমুদ্রৰ গভীৰতা জানিব খুজিলে তাক কোনে কব? ৰাম ৰাবণৰ যুদ্ধত অলেখ বান্দৰে সমুদ্র পাৰ হৈছিল সচাঁ, কিন্তু তাৰে কেই জনে সমুদ্রৰ গভীৰতাৰ পৰিচয় পাইছিল। সমুদ্র মন্থনৰ সময়ত দেবতা সকলে যি বিশাল পর্ব্বতক মন্থন দণ্ড কৰি সমুদ্রৰ তললৈ পঠিয়াছিল আৰু যি পর্ব্বতে সমুদ্রৰ তলৰ পাতাল পাইছিল গৈ, সেই মন্দৰ পর্ব্বতেহে সাগৰৰ গভীৰতা জানিবলৈ সমর্থ হৈছিল।

প্রাচীন পণ্ডিত সকলৰ এনেকুৱা ধাৰণাৰ বাবে বহিবঙ্গ আলোচনাই ভাৰতত বেছি দূৰ আগবাঢ়িব পৰা নাই। এই কাম বর্ত্তমান যুগৰ পণ্ডিত সকলৰ ভাগত হে পৰিছে আৰু বামায়ণৰ ঐতিহাসিক তাৎপর্য্য সম্বন্ধে যেয়ে যি মত প্রকাশ কৰক, ইয়াৰ আভ্যন্তৰিক মাহাত্ম্য এতিয়াও অক্ষুন্ন হৈ ৰৈছে।

বামায়ণৰ গৌৰৱ সম্বন্ধে ব্রহ্মাৰ মুখৰ পৰা তলত লিখা বাণী শুলাইছিল, বুলি বামায়ণত কোৱা আছে। সেই বাণী হৈছে এই :—

যাবৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱদ্রামায়ণ কথা লোকেষু প্রচৰিষ্যতি॥

অর্থাৎ যি দিনালৈ পৃথিবীত পর্ব্বত বিলাক ৰৈ থাকিব আৰু নদী সকল ৰৈ থাকিব সেই দিনালৈকে বামায়ণ-কথাৰ প্রচাৰ পৃথিবীত থাকিব।

আজি হাজাৰ হাজাৰ বছৰ ধৰি আমি এই কথাৰ মর্ম্ম অনুভৱ কৰি আহিছোঁ। এতিয়াও ডেকা বুঢ়া আটায়ে বামায়ণ আৰু মহাভাৰতৰ কাহিনী শুনি জ্ঞান আৰু মনৰ শান্তি লাভ কৰে আৰু শিশু সকলৰ চৰিত্র গঠনতো বামায়ণ মহাভাৰতৰ কাহিনীৰ নিচিনা আন একোয়ে সহায় নকৰে।

ভাষা ৰামায়ণ

আজিকালি ইউৰোপৰ প্ৰায় সকলো ভাষাতে ৰামায়ণ অনুবাদ হৈছে। কিন্তু আজি-কালিৰ কথা বেলেগ। আমি প্ৰায় দুই হাজাৰ-মান বছৰৰ আগৰে পৰা ভাৰতবৰ্ষৰ প্ৰায় সকলো প্ৰধান ভাষাত আৰু আনকি ভাৰতৰ বাহিৰেও ৰামায়ণৰ অনুবাদ হোৱা দেখিবলৈ পাওঁ। প্ৰায় ২৫০ খৃষ্টাব্দতে চীন ভাষাত ৰামায়ণৰ অনুবাদ হোৱা জনা গৈছে *। ইয়াৰ পিচত পালি ভাষাত ৰামায়ণ লিখা হয়। বৃহত্তৰ ভাৰতৰ অন্তৰ্গত যাভা আৰু বালী দ্বীপ আদিতো নিশ্চয় ৰামায়ণ আৰু মহাভাৰতৰ অতি প্ৰাচীন কালতে হোৱা অনুবাদ দেখিবলৈ পোৱা যাব।

ভাৰতৰ সকলো ঘাই ভাষাতে ৰামায়ণ আৰু মহাভাৰতৰ অনুবাদ ইমান প্ৰকাৰৰ হৈছে আৰু তাৰ নানাপ্ৰকাৰ বিষয়ক আশ্ৰয় কৰি ইমানবিলাক কাব্য, নাটক, আখ্যান, উপাখ্যান আদি ৰচিত হৈছে যে তাক অন্ত কৰিব নোৱাৰি। শ্ৰীৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণৰ যি দৰে নানা-প্ৰকাৰ উপাসক সম্প্ৰদায়ৰ সৃষ্টি হৈছে সেইদৰে ভাৰতৰ প্ৰায় সকলো ভাষাতে ৰামায়ণীয় আৰু মহাভাৰতীয় এই দুই প্ৰকাৰ বিৰাট সাহিত্যৰো সৃষ্টি হৈছে। দক্ষিণাত্যৰ তামিল ভাষাত নবম শতাব্দীতে ৰামায়ণ ৰচনা হয়। এঘাৰ শতিকাত জৈন ধৰ্ম্মাবলম্বী পণ্ডিত হেমচন্দ্ৰ আচাৰ্য্যই জৈন ৰামায়ণ ৰচনা কৰে। জৈন ৰামায়ণ মূল বাল্মীকী ৰামায়ণতকৈ সম্পূৰ্ণ বেলেগ। জৈন ৰামায়ণত ৰাক্ষস সকলৰ বৃত্তান্তেৰে পুথিৰ আৰম্ভ হয়, আৰু ৰামচন্দ্ৰৰ উল্লেখ পিছতহে পোৱা যায়। ইয়াৰ পিছত তৈলঙ্গী, উৎকল, মাৰাঠী আদি ভাষাত ৰামায়ণ ৰচনা হয়।

চৈধ্য শ শতিকাৰ মাজ ভাগত কামৰূপ ৰাজাৰ কবি মাধৱকন্দলীয়ে অসমীয়া ৰামায়ণ লিখে। ইয়াৰ পিচত পণ্ডিত কৃত্তিবাসে বঙ্গলা

* অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাকৰ প্ৰবন্ধ "চীন সাহিত্যত ৰামায়ণ"—'জয়ন্তী', ১৬ ফাগুণ, ১৮৬২ শক।

ৰামায়ণ ৰচনা কৰে। ৱঙ্গীয় পণ্ডিত সকলে, বিশেষকৈ স্বৰ্গীয় দীনেশ চন্দ্র সেনে চৈধ্য শ খৃষ্টাব্দত কৃত্তিবাসে বঙ্গলা ৰামায়ণৰ ৰচনা আৰম্ভ কৰিছিল বুলি স্থিৰ কৰিছে। ইয়াৰ পিচত হিন্দী ভাষাত মহাত্মা তুলসীদাসে বিখ্যাত হিন্দী ৰামায়ণ ৰচনা কৰে। হিন্দী ৰামায়ণৰ লিখা ১৫৭৬ চনত আৰম্ভ হয় আৰু তাৰ ডাঙৰমান বছৰৰ পিচতহে লিখাৰ কার্য্য সমাপ্তি হয়।

এই ভাষা-ৰামায়ণ বিলাকত কবিসকলে যদিও ঘাইকৈ মূল সংস্কৃত ৰামায়ণৰ পৰা অনুবাদ কৰে, তথাপি তেওঁলোকৰ নিজৰ কবিত্ব তাত খটোৱা যাবে আৰু তেওঁলোক যি ঠাইৰ মানুহ সেই ঠাইৰ সামাজিক ৰীতি-নীতি আৰু চিন্তাৰ ধাৰা আদিৰ এটা প্রভাৱ তেওঁলোকৰ লিখৰ ওপৰত পৰা যাবে ভাষা ৰামায়ণ বিলাকৰ প্রত্যেকৰে একোটা সুকীয়া বিশেষত্ব দেখা যায়। পূর্ব্বতে কোৱা হৈছে যে মূল ৰামায়ণৰ বোম্বাই, উত্তৰ-পশ্চিম ভাৰত, আৰু ৱঙ্গদেশৰ তিনিপ্রকাৰ সংগ্রহ পোৱা গৈছে। ভাষা কবিসকলে তেওঁলোকৰ লিখাৰ ধাৰে যি যি প্রকাৰ সংগ্রহৰ ওপৰত নির্ভৰ কৰিছিল সেই অনুসাৰেও তেওঁলোকৰ পুথিত পার্থক্য ঘটিছে। অসমীয়া আৰু বঙ্গলা ৰামায়ণত মূলৰ পৰা কি পার্থক্য ঘটিছে তাক পিচত আলোচনা কৰা হব।

প্রত্যেক ভাষাতে আকৌ অনেক অনেক কবিয়ে ৰামায়ণ লিখিছে আৰু অনেক প্রকাৰৰ হাতে লিখা পুথি পোৱা হৈছে। স্বৰ্গীয় নগেন্দ্র-নাথ প্রাচ্য-বিদ্যা-মহার্ণৱৰ "বিশ্বকোষ" ত মাৰাঠী ভাষাত আঠ প্রকাৰ, তৈলঙ্গী ভাষাত ৫ প্রকাৰ, তামিল ভাষাত ১২ প্রকাৰ, উৎকল ভাষাত ৬ প্রকাৰ, হিন্দী ভাষাত ১১ প্রকাৰ আৰু ৱঙ্গ ভাষাত ২৫ প্রকাৰৰ ৰামায়ণ পোৱা যায় বুলি উল্লেখ কৰিছে। তেওঁৰ লিখাত দেখা যায় বঙ্গলা ভাষাৰ ৰামায়ণৰ সংখ্যা আটাইতকৈ বেছি আৰু তাত অসমীয়া ভাষাৰ ৰামায়ণৰ একো উল্লেখ নাই।

অসমীয়া ৰামায়ণ

অসমীয়া ভাষাত মাধৱ কন্দলি আৰু অনন্ত কন্দলি এই দুজনা কবিয়ে ৰামায়ণ ৰচনা কৰিছিল বুলি জনাজাত। মাধৱ কন্দলি শঙ্কৰ দেৱৰ পূৰ্ব্বৰ কবি আৰু তেওঁৰ আন এটা নাম কবিৰাজ কন্দলি। অনন্ত কন্দলি শঙ্কৰ দেৱৰ প্ৰায় সমসাময়িক কবি। অনন্ত কন্দলিৰ ৰামায়ণক অনন্ত ৰামায়ণ বোলা হয়। অসমীয়া মানুহৰ মাজত এতিয়াও ভালদৰে ইয়াৰ প্ৰচাৰ হোৱা নাই। কোনো কোনো বঙ্গালী সাহিত্যিকে অনন্ত ৰামায়ণক একপ্ৰকাৰ বঙ্গলা ৰামায়ণ বুলিও তেওঁলোকৰ লেখত সুমুৱাই লৈছে। অনন্ত কন্দলিৰ ৰামায়ণক অনন্ত ৰামায়ণ বোলা হলে আমি বোধকৰোঁ মাধৱ কন্দলিৰ ৰামায়ণক সংক্ষেপতে কন্দলি ৰামায়ণো বুলিব পাৰোঁ। অসমীয়া ৰামায়ণ বুলিলে যাইকৈ আমি মাধৱ কন্দলিৰ ৰামায়ণকেহে বুজোঁ। ১৮৯৯ খৃষ্টাব্দতে স্বৰ্গীয় মাধৱচন্দ্ৰ ৰৰদলৈয়ে এই ৰামায়ণ এবাৰ ছপাই থৈ অসমীয়া জাতিৰ আৰু অসমীয়া ভাষাৰ অশেষ উপকাৰ কৰি গৈছে।

ইয়াত বাজেও অবধূত আচাৰ্য্য নামে এজনা অসমীয়া কবিৰ ৰচিত সপ্তকাণ্ড ৰামায়ণ ৰংপুৰ অঞ্চলত পোৱা যায় বুলি শুনা গৈছে। এই খনি ৰামায়ণ সম্বন্ধে অসমীয়া মানুহে এতিয়াও একো নেজানে বুলিলেই হয়। পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী দেবে কোচবিহাৰৰ ষ্টেট্ লাইব্ৰেৰীত অসমীয়া পুথি সম্বন্ধে অনুসন্ধান কৰোতে অবধূত আচাৰ্য্যৰ ৰচিত ৰামায়ণৰ সম্ভেদ পোৱা বুলি কোৱা শুনিছো। দেখেতে কয় যে অবধূত আচাৰ্য্য সম্ভৱতঃ পূৰ্ব্বৰ কামৰূপৰ অন্তৰ্গত ৰংপুৰ জিলাৰ মানুহ আছিল। গুৱাহাটীৰ কামৰূপ অনুসন্ধান সমিতিৰ লাইব্ৰেৰীত অবধূত আচাৰ্য্যৰ ৰচিত লঙ্কাকাণ্ডৰ এটি অংশ আছে। এওঁৰ ৰচিত লঙ্কাকাণ্ডত আন আন লঙ্কাকাণ্ডতকৈ বহুত বেলেগ কথা দেখা যায়। এই লঙ্কাকাণ্ডৰ শেষৰ কেই কাঁকি তলত দিয়া গ'ল:—

বাম বাম বোল ভাই এহি বাবে বাব।
মনুষ্য দুর্ল্লভ জন্ম না হইবে আব॥
কফ, পিত্ত, বায়ু যখন তিন কবিবে মেলা।
বাম নাম বলিতে নাবিব চাপিয়া ধবিবে গলা॥

গ্রন্থকাবব সম্বন্ধে তাত এইখিনি মাথোন জনা যায় —

জনম জনম হৌক বামেত ভকতি।
অদ্ভুত অ চার্য্য কবি মধুব ভাবতি॥

মাধব কন্দলি আৰু অনন্ত কন্দলিব বচিত বামায়ণব বেলেগ বেলেগ কাণ্ডবোব হাতেলিখা অবস্থাত ঠায়ে ঠায়ে অসমীয়া মানুহব ঘবত আৰু বিশেষকৈ সত্র আদিত পোৱা যায়। এতিয়ালৈকে যিমান পুথি পোৱা গৈছে বিচাব কবিলে বোধকবোঁ তাতকৈ বহুত বেছি ওলাব। এই পুথিবিলাক প্রায় এটা এটা কাণ্ডহে পোৱা যায়। আটাই কেই কাণ্ড একে লগে খুব কম ঠাইতহে পোৱা যায়। মাধব কন্দলিয়ে তেওঁব পুথিত সপ্তকাণ্ড বামায়ণ বচনা কবা বুলি নিজে উল্লেখ কবিছে। কিন্তু তেওঁব বচিত সাতোটা কাণ্ড পাবলৈ অসমীয়া জাতিব ভাগ্যত নহল। শুনা যায় যে তেওঁব সাতকাণ্ড বামায়ণব আদি আৰু উত্তবাকাণ্ড কছাবী আৰু আহোমব লগত বণ লগাত দেশত যি বিপ্লব ঘটে, সেই বিপ্লবতে ধ্বংস হয়। কোনা কোনোৱে কয় যে ঘবত জুই দিওঁতে প্রথমব আৰু শেহব কাণ্ড দুটী পুবি নষ্ট হয়।

তেতিয়া শঙ্কবদেৱ আৰু মাধবদেৱে বামায়ণব এই দুই কাণ্ড সংস্কৃতব পবা ভাঙ্গি বাকী ৫ কাণ্ডত যোগ দি সপ্তকাণ্ড বামায়ণ সম্পূর্ণ কবে। তেওঁলোকে এই দুই কাণ্ড বামায়ণ বচনা কবা সম্বন্ধে নানা বকম কথা শুনা যায়। শঙ্কবদেৱে পাটবাউসীত থাকি উত্তবাকাণ্ড বামায়ণব পদ কবি থকা সময়ত এদিন অনন্ত কন্দলিয়ে আহি কয় যে সপোনত শঙ্কবদেৱব উচ্ছিষ্ট ভোজন কবিবলৈ তেওঁ আদেশ পাইছে। শঙ্কবদেৱব ওচবত প্রার্থনা কবাত তেওঁ শ্রীমদ্ভাগৱত আৰু বামায়ণব

যি পদ কেই ছোৱা কৰিবলৈ বাকী আছিল সেইখিনিকে পদ কৰিবলৈ অনুমতি দিলে। * আৰু এটা মত এই যে অনন্তকন্দলি মাধবকন্দলিৰ বংশৰে মানুহ। অনন্তকন্দলিয়ে তেওঁৰ উপৰি পুৰুষ মাধবকন্দলিৰ আদিকাণ্ড আৰু উত্তৰাকাণ্ড লোপ পোৱা বাবে সেই দুই কাণ্ড নিজে লিখে। কিন্তু মাধবদেৱ আৰু শঙ্কৰদেৱে বচনা কৰা বামায়ণ অনন্তকন্দলিৰ বামায়ণতকৈ বহুত ওখ খাপৰ হয়। অনন্তকন্দলিয়ে তেওঁৰ দুই কাণ্ডৰ প্ৰচাৰ নোহোৱা দেখি তাৰ নাম বামকীৰ্ত্তনদি এখন বেলেগ পুথি কৰি থয়। এই সম্বন্ধে তৃতীয় এক প্ৰকাৰ কথা শুনা যায়। শঙ্কৰদেৱৰ কোনো কোনো চৰিত পুথিত এই দৰে উল্লেখ আছে যে মাধবকন্দলিয়ে শঙ্কৰদেৱৰ আগত সপোনতে উপস্থিত হৈ বেজাৰ কৰি এই দৰে কয় যে তেওঁৰ বামায়ণৰ দুটা কাণ্ড নষ্ট হৈ যোৱাত তেওঁৰ পুথি লোকসমাজৰ আদৰণীয় নহল আৰু অনন্তকন্দলিৰ বামায়ণখহে প্ৰচাৰ হল। এই কথাত শঙ্কৰদেৱে মনত দুখ পাই তেওঁৰ পৰম শ্ৰদ্ধেয় কবি মাধব কন্দলিৰ বামায়ণ খনি সম্পূৰ্ণ কৰি থবৰ নিমিত্তে নিজে উত্তৰাকাণ্ড লিখিবলৈ হাততে লয় আৰু মাধবদেৱক আদিকাণ্ড লিখিব দিয়ে। এইবিলাক বৃত্তান্তৰ কোনটো ঠিক তাক নিৰ্ণয় কৰিবৰ আমাৰ সাধ্য নাই।

ইয়াতে অনন্তকন্দলি সম্বন্ধে অলপ কথা কোৱা যুগুত হব। পুৰণি অসমীয়া সাহিত্য ক্ষেত্ৰত অনন্তকন্দলি আৰু বাম-সৰস্বতী এই দুজনা কবিৰ নাম আৰু পৰিচয় সম্বন্ধে যিমান গোলমাল উপস্থিত হৈছে তেনেকুৱা বোধকৰোঁ আৰু কতো নাই। অথচ এওঁলোকৰ সম্বন্ধে আলোচনা নকৰিলেও নহয়। কাৰণ এওঁলোক দুয়ো জনাই অসমৰ সৰ্ব্বপ্ৰধান কবি-সকলৰ মাজত গণ্য, আৰু তেওঁলোকৰ দ্বাৰা বচিত পুথিৰ সংখ্যাও অলেখ। মাধবকন্দলি আৰু অনন্তকন্দলিয়ে অসমীয়াত বামায়ণ লিখে আৰু বামসৰস্বতীয়ে লিখে মহাভাৰত। কাৰো কাৰো মতে অনন্তকন্দলি আৰু বাম সৰস্বতী একে জনা মানুহ। স্বৰ্গীয়

* অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী, ১৭২ পৃষ্ঠা।

দীননাথ বেজবৰুৱাৰ মতে অনন্তকন্দলিৰ অনেক বিলাক নাম আছিল, আৰু তেওঁৰ বেলেগ বেলেগ পুথিত একোটা একোটা বেলেগ নাম দিগৈছে। অনন্তকন্দলিৰ আন আন নাম অনেক, যেনে:—শ্রীধৰ কন্দলি, শ্রীচন্দ্র ভাৰতী, কবি শেখৰ বা সুকবি শেখৰ, বত্নাকৰকন্দলি, ভাৰতচন্দ্র, ভাগৰত ভট্টাচার্য্য ভাৰতভূষণ, জয়চন্দ্র ভাৰতী, মাধৱকন্দলি, ইত্যাদি। এই মাধৱকন্দলি কিন্তু আগৰ মাধৱকন্দলি, নহয়। ৺গুণাভিৰাম বৰুৱা আৰু ৺দীননাথ বেজবৰুৱাৰ মতে অনন্তকন্দলি আৰু ৰাম সৰস্বতী একেজনা মানুহ আছিল। আজিকালি কিন্তু বহুতে অনন্তকন্দলি আৰু ৰামসৰস্বতী যে দুজনা বেলেগ মানুহ আছিল সেইটো একপ্রকাৰ স্থিৰ কৰি লৈছে। বাকী নামবিলাকো যে অকল অনন্ত কন্দলিয়েই আছিল সেই সম্বন্ধেও বহুতে সন্দেহ কৰে। এই বিষয়ে বহুত আলোচনা হৈ গৈছে।

এতিয়া অনন্তকন্দলিৰ ৰামায়ণ সম্বন্ধে আকৌ আলোচনা কৰা যাওক। আমি অনন্তকণ্ডলিৰ ৰচিত ৫ কাণ্ড ৰামায়ণ আৰু ৰামকীর্ত্তন এই দুয়োখন পুথিকে পাইছোঁ। অনন্তকন্দলিয়ে যদি ৫ কাণ্ড ৰামায়ণকে লিখিলে তেওঁৰ আদি আৰু উত্তৰাকাণ্ডৰ ভাঙ্গনিখিনিক ৰামকীর্ত্তণ আখাৰে নাৰাখি বাকী ৫ কাণ্ডৰ লগত যোগ কৰি সপ্তকাণ্ড ৰামায়ণ কৰি থোৱাই স্বাভাবিক হলেহেঁতেন। ইপিনে অনন্ত ঠাকুৰ আতাৰ দ্বাৰা ৰচিত অনন্ত ৰামায়ণ বা ৰামকীর্ত্তণ নামে আৰু এখনি সৰু পুথি দেখা যায়। *

আকৌ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ১৯৮ পৃষ্ঠাত লিখা আছে,—"ৰামকীর্ত্তণ নামে পুথি খনি অনন্তকন্দলিয়ে অনন্ত ৰামায়ণ নাম দি লিখিছিল।" সুতৰাং এই সম্বন্ধে যে অনুসন্ধান কৰিব লগীয়া কিছু আছে তাক সহজে বুঝা যাব।

যি হওক অনন্ত ৰামায়ণ খনি এতিয়াও অসমীয়া মানুহৰ মাজত ভালদৰে প্রচাৰ হোৱা নাই। তেওঁৰ আদি আৰু উত্তৰাকাণ্ডত বাজে বাকী ৫ কাণ্ড ৰামায়ণ হাতে লিখা অনুষ্ঠাত ঠাৰে ঠাৰে পোৱা যায়।

* শ্রীযুত হৰিনাৰায়ণ দত্ত বৰুৱাৰ দ্বাৰা ১৯২৫ চনত সম্পাদিত আৰু প্রকাশিত।

কিন্তু সেইবিলাক গোট খুৱাই কোনো অসমীয়া প্ৰকাশকে ছপাই উলিয়াইছে নে নাই আমি কব পৰা নাই। অনন্ত ৰামায়ণ খনিৰ কিন্তু বঙ্গালী দুই এজন সাহিত্যিকে সন্ধেদ পাইছে, আৰু তেওঁলোকে ইয়াক বঙ্গ ভাষাৰ ৰামায়ণ বুলি ধৰি লৈছে। অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত এই খিনি কথা উল্লেখ কৰা আছে,- "দীনেশ বাবুয়ে বঙ্গভাষা ও সাহিত্যত লিখিছে—"কৃত্তিবাসেৰ পূৰ্বে যাহাৰা ৰামায়ণ ৰচনা কৰেন তন্মধ্যে অনন্ত ৰামায়ণ সৰ্ব্বাপেক্ষ প্ৰাচীন বলিয়া বোধ হয়। ···ইহা বঙ্গলে লিখিত, অবস্থা অতি জীর্ণ শীর্ণ·····অনন্ত ৰামায়ণৰ ভাষা অত্যন্ত জটিল ও প্ৰাচীন ইহা স্বীকাৰ কৰিতে হইবে·· ইত্যাদি।" অনন্ত ৰামায়ণ মাধবকন্দলিৰ ৰামায়ণতকৈ সংক্ষেপ। অনন্তকন্দলিৰ অযোধ্যা আৰু কিষ্কিন্ধ্যাকাণ্ডত ১০৩০ আৰু ৬০১ ফাঁকি পদ, কিন্তু মাধবকন্দলিৰ ৰামায়ণত দুই এই কাণ্ডত পদৰ সংখ্যা ১১২৬ আৰু ৭০৫।

আৰু আন ভাষাত যি দৰে ৰামায়ণীয় আৰু মহাভাৰতীয় এই দুই প্ৰকাৰ সাহিত্যৰ উৎপত্তি হৈছে সেইদৰে অসমীয়া ভাষাতো বহুত পুথিৰ নাম কৰিব পৰা যায়। বৰ্ত্তমানে যি পোৱা গৈছে তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল :—

(১) অনন্ত ৰামায়ণ। এই পুথি অনন্ত ঠাকুৰ আতাই শঙ্কৰ দেৱৰ সকলৰ শিক্ষক কলাপচন্দ্ৰ দ্বিজৰ প্ৰণীত ৰামায়ণ চন্দ্ৰিকাৰ ছাঁ লৈ লিখে।

(২) সীতাৰ পাতাল প্ৰবেশ। (অনন্তকন্দলি)

(৩) দুৰ্গাবৰী ৰামায়ণ—ই এখনি কবি দুৰ্গাবৰ ৰচিত গীত ৰামায়ণ; ইয়াত অৰণ্য, কিষ্কিন্ধ্যা, সুন্দৰা আৰু লঙ্কাকাণ্ডৰ বাহিৰে বাকী তিনি কাণ্ড নাই। এওঁক কোনো কোনোৱে মাধব কন্দলিৰ আগৰ কবি বুলি ধৰে।

(৪) পাতালিকাণ্ড ৰামায়ণ (বিদ্যা পঞ্চানন দেৱ)

(৫) সীতাৰ বনবাস (কবি গঙ্গাৰাম দাস)

(৬) অদ্ভুত ৰামায়ণ (ৰঘুনাথ দাস মহন্ত)

(৭) রাম বিজয় (শঙ্করদেব)

(৮) সীতা স্বয়ম্বর আরু সীতা হরণ নাটক (শঙ্করদেব)

(৯) লব-কুশর যুদ্ধ (হরিদেব বিপ্র)

ইয়াত ৰা.জ রাম রসায়ণ, রাম মালিকা, রঘু বংশাবলী, ইত্যাদি ছাপেলিখা পুথি পোৱা যায়। এই আটাইবিলাকেই পদ্য পুথি। রঘুনাথ নামে এজন লিখকে রচনা করা কথা রামায়ণ নামে এখনি পদ্য পুথিও আছে।

মাধৱকন্দলিৰ ৰামায়ণ

অসমীয়া ভাষাৰ যুৱজীক সাধাৰণতে তিনি ভাগত ভাগ কৰা হয়। আদি কালখে পৰা শঙ্করদেৱৰ জন্ম (১৪৪৯ খৃঃ) লৈকে আদি যুগ, শঙ্কৰ দেৱৰ জন্মৰে পৰা ১৮২৬ খৃষ্টাব্দত ইংৰাজগৱর্ণমেণ্টে আমাৰ দেশৰ শাসন ভৰ লোৱালৈকে মধ্যযুগ বা শঙ্করী যুগ আৰু ১৮২৬ খৃষ্টাব্দৰ পৰা বর্ত্তমান কাললৈকে বর্ত্তমান যুগ বোলা হয়। ইয়াৰে আদি যুগ আৰু মধ্যযুগৰ প্রাগ্‌বৈষ্ণবযুগ আৰু বৈষ্ণব যুগো বোলা হয়। অসমৰ প্রাগ্‌বৈষ্ণব বা আদি যুগৰ কবি আৰু লিখক সকলৰ মাজত মাধৱকন্দলিয়ে প্রধান। মহাকবি বাল্মীকিক যি দৰে আদি কবি বোলা হয় সেই দৰে মাধৱকন্দলিকো আমাৰ অসমৰ আদি কবি বোলা যাব পাৰে। অসমৰ মহাকবি মাধৱকন্দলিয়ে বঙ্গলাৰামায়ণ, হিন্দী রামায়ণ আদি রচিত হোৱাৰ অনেক পূর্ব্বেই বাল্মীকি রামায়ণৰ সাৰ উদ্ধৃত কৰি অসমীয়া ভাষনি কৰে।

শঙ্কৰ দেৱে তেওঁৰ ৰচিত উত্তৰাকাণ্ডত লিখিছে:—

কৰ জোৰে বুদ্ধলোক, বোলোঁ ক্ষমিয়োক মোৰ
আমাৰ অযোগ্য ইটো কৰ্ম্ম।
পদত দূষণ পাই, নিন্দিবেক মুগুৱাই,
মহন্ত জনৰ ক্ষমা ধৰ্ম্ম॥
পূৰ্ব্ব কবি অপ্ৰমাদী, মাধৱ কন্দলি আদি,
বিৰচিলা পদে ৰাম কথা।
হস্তিৰ দেখিয়া লাদ, শশা যেন কাৰে মাৰ্গ,
মোৰ ভৈলা তেহুৰ অৱস্থা॥

শঙ্কৰ দেৱে মাধৱকন্দলিক অপ্ৰমাদী পূৰ্ব্বকবি বুলি তেওঁৰ আন্তৰিক শ্ৰদ্ধা দেখুৱাই গৈছে। যি জনা কবিৰ ৰচিত পুথি অসম্পূৰ্ণ হৈ থকা বাবে স্বয়ং শঙ্কৰদেৱে উত্তৰাকাণ্ড আৰু মাধৱদেৱে আদিকাণ্ড লিখি সম্পূৰ্ণ কৰি থয় তেওঁৰ স্থান অসমৰ কবি সকলৰ মাজত কিমান ওখ তাক সহজে অনুমান কৰিব পাৰি। মাধৱকন্দলিৰ পূৰ্ব্বে যে অসমত কবি নাছিল এনে নহয়। মাধৱকন্দলিৰ পূৰ্ব্বৰ কবি সকলৰ মাজত হেম সৰস্বতী হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, আদিৰ নাম কৰিব পৰা যায় কিন্তু মাধৱ কন্দলিৰে সৈতে তেওঁলোকৰ তুলনা হব নোৱাৰে।

লঙ্কাকাণ্ডৰ সামৰণিত মাধৱ কন্দলিয়ে এই দৰে আত্ম পৰিচয় দিছে:—

কবিৰাজ কন্দলি যে, আমাকে সে বুলি কয়, *
কবিলোহোঁ সৰ্ব্বজন বোধে।
ৰামায়ণ সুপয়াৰ, শ্ৰীমহামণিকে যে,
ৰবাহ ৰজাৰ অনুৰোধে॥
সপ্তকাণ্ড ৰামায়ণ, পদবন্ধে নিবন্ধিলোঁ,
লঙ্কা পৰিহৰি সাৰোদ্ধৃত।

* কোন কোন ঠাইত "বলিয়ে" লিখা দেখা যায়।

মহামাণিক্য বোলে, কাব্যরস কিছো দিলোঁ,
দুগ্ধক মথিলে যেন ঘৃত॥
পণ্ডিত লোকর যেবে, অসন্তোষ উপজয়,
ছাত যোবে বোলোঁ শুদ্ধ বাক। *
পুস্তক বিচারি যেবে, তৈত কথা ন পায়য়,
তেনে সবে নিন্দিবা আমাক॥

কবির নিজর এই উক্তির পরা আমি জানিব পারোঁ যে তেওঁর আন এটা নাম কবিরাজ কন্দলি আছিল আরু বাবাহ বজা মহামাণিক্যর অনুরোধত তেওঁ রামায়ণ লিখিছিল। তেওঁর "কবিরাজ" অর্থাৎ "কবি সকলর মাজত শ্রেষ্ঠ" এই উপাধিতো হয়তো মহামাণিক বজায়ে দিয়া আছিল। আগেয়ে উল্লেখ করা শঙ্কর দেবর উক্তির পরা আমি জানিব পারোঁ যে মাধবকন্দলি শঙ্কর দেবর পূর্ব্বর আছিল। এই খিনি কথাত বাজে আমি মাধবকন্দলি সম্বন্ধে আরু এটি মাথোন কথা জানিব পারোঁ। সেইটো হৈছে এই যে তেওঁ দেবজিত নামে আরু এখনি পুথি লিখিছিল। সেই পুথিত মাধবকন্দলিয়ে তেওঁর নামহে মাথোন উল্লেখ করি গৈছে।

রামায়ণ রচনার প্রণালি সম্বন্ধে আমি ওপরর কেই কাঁকি পদর পরা জানিব পারোঁ যে তেওঁ "লস্তা" অর্থাৎ বাজে কথা এরি দি রামায়ণর সারোদ্ধার করি হে লিখিছিল আরু কৈছিল যে তেওঁর পুথিত যদি মূল রামায়ণত নথকা কোনো কথা দেখিবলৈ পোরা যায় তেনে হলে সাধুলোকে তেওঁক নিন্দা করিব পারে। বজা মহামাণিক্যর অনুরোধত তেওঁ মাথোন তেওঁর লিখাত কিছু কাব্যরস মিহলাইছিল। কোনো উপকরা অনাবশ্যক কথা তেওঁ লিখা নাই।

কবি কৃত্তিবাসর বঙ্গলা যি রামায়ণ সকলো অসমীয়াই আজিলৈকে পঢ়ি আহিছে তাত পাঠক সকলর মনোরঞ্জন করিবর নিমিত্তে মূল রামায়ণত নথকা কিমান কথা যে জোরা দিয়া হৈছে তার লেখ-জোখ নাই। কিন্তু মাধব কন্দলিয়ে আন বাবে তচ্ছ কথা মিহলি করি মূল পুথির মর্য্যাদা হানী করা নাই। কৃত্তিবাসে তেওঁর রামায়ণত

* শতধার

যি বিলাক তেওঁৰ নিজৰ মনে পতা বাহিৰা কথা যোগ দিছে সেই বিলাকৰ পৰিমান বৰ বেছি দেখি সেই বিলাকৰ ভিতৰতেই কৃত্তিবাসৰ কিবা এটা মৌলিকতা আছে, বুলি কোনো কোনোৱে দেখুৱাবলৈ চেষ্টা কৰিছে। মাধৱকন্দলিয়ে কিতাপৰ মূলত বেমেজালি নঘটোৱাকৈয়ে তেওঁৰ যি কবিত্ব আৰু পাণ্ডিত্য দেখুৱাই গৈছে তাতেই তেওঁৰ মৌলিকতা প্ৰকাশ পাইছে। কোনোৱে ভাবিব পাৰে যে বাহিৰা বং চং যোগ নিদিলে পুথি সুন্দৰা আৰু সৰ্ব্বসাধাৰণে বুজি পোৱা কৰিব নোৱাৰি। কিন্তু মাধৱকন্দলিৰ লিখাতে আমি পাওঁ যে তেওঁ নিজৰ কবিত্বৰ প্ৰভাৱত তেওঁৰ ৰচনা মূলৰ পৰা আঁতৰলৈ নোযোৱাকৈয়ে অতিশয় ৰসাল আৰু সকলোৱে সহজে বুজিব পৰা হৈছে। তেওঁৰ লিখাৰ এই ধৰণে তেওঁৰ পিছৰ শঙ্কৰদেৱ আৰু আন আন কবিৰ লিখাকো প্ৰভাবিত কৰিছে।

মাধৱকন্দলিয়ে ওপৰত দিয়া তেওঁৰ আত্ম পৰিচয় খিনিত বাজে তেওঁৰ নিজৰ সম্বন্ধে আন একো কথাকে লিখি থৈ যোৱা নাই। ৰামায়ণৰ ঠায়ে ঠায়ে মাথোন তেওঁৰ নিজৰ নামটোৰ হে উল্লেখ আছে। তেওঁ কোন ঠাইৰ মানুহ, তেওঁৰ জন্ম কোন শকত হৈছিল, মৃত্যু কেতিয়া এই বোৰ কথা আমি অনুমানৰ দ্বাৰা হে স্থিৰ কৰিব লাগিব। আন এটা অসুবিধাৰ কথা এই যে শঙ্কৰদেৱত বাজে আন কবি সকলৰ কোনোৱে মাধৱকন্দলিৰ সম্বন্ধে একো লিখি থৈ যোৱা নাই। তেওঁৰ আন ধন পুথি হৈছে "দেৱজিত", ইয়াত অৰ্জ্জুনে যুদ্ধত দেৱতা সকলক পৰাজয় কৰাৰ কথা বৰ্ণনা কৰা আছে। "দেৱজিত"ৰ এঠাইত লিখা আছেঃ--

মাধৱকন্দলি ৰচিলন্ত ইটো পদ।
আকে শুনি তৰা সবে দুৰ্ঘোৰ আপদ॥
অষ্টাদশ পুৰাণৰ ভাগৱত পদ।
হেলা এৰি শুনা সবে যত সভাসদ॥
অষ্টাদশ পুৰাণৰ কথা অনুসাৰ।
দেৱজিত পদ মঞি কৰিলোঁ প্ৰচাৰ।

এতিয়া মাধবকন্দলি কেতিয়াৰ মানুহ জানিবৰ হলে মহামাণিক ৰজাৰ সম্বন্ধে আলোচনা কৰাত বাজে উপায় নাই। মাধবকন্দলিয়ে মহামাণিকক ৰবাহ বা ৰবাহি ৰজা বুলি গৈছে। স্বৰ্গীয় মাধবচন্দ্ৰ ৰৰদলৈয়ে ১৮৯৯ চনতে মাধবকন্দলিৰ যি বামায়ণ ছপায় তাৰ ভূমিকাত "ৰবাহ"ৰ পৰাই "ৰৰা" বা "ৰব" শব্দ হব পাৰে বুলি লিখিছে। কছাৰি ৰজাকে পূৰ্ব্বে ৰবাহি ৰজা বোলা হৈছিল আৰু "ৰৰা" বা 'ৰব" উপাধিৰ প্ৰচলন এতিয়াও দেখা যায়। কোনো কোনোৱে কয় যে কছাৰি ৰজা সকলে জয়ন্তাপুৰত থাকি ৰাজত্ব কৰাৰ কাৰণে তেওঁ-লোকক জয়ন্তা পুৰেশ্বৰ বোলা হৈছিল আৰু দ্বাদশ শতাব্দীৰ পৰা চতুৰ্দ্দশ শতাব্দীলৈকে জয়ন্তাপুৰৰ কছাৰি ৰজা সকলে ৰবাহি ৰজা বুলি নগাওঁ জিলালৈকে ৰাজত্ব কৰিছিল। *

আমি গেইট্ চাহাবৰ বুৰঞ্জীৰ পৰা জয়ন্তীয়াৰ ৰজা সকলৰ ৰাজত্ব কাল সম্বন্ধে তলত লিখা আনুমানিক বিবৰণ পাওঁ।

পৰ্ব্বত ৰায়	...	১৫০০—১৫১৬ খৃষ্টাব্দ
মাজু গোসাঁই ৰজা	...	১৫১৬—১৫৩২ ,,
বুঢ়া পৰ্ব্বত ৰায়	...	১৫৩২—১৫৪৮ ,,
ৰব গোসাঁই	...	১৫৪৮—১৫৬৪ ,,
বিজয় মাণিক	...	১৫৬৪—১৫৮০ ,,
প্ৰতাপ ৰায়	...	১৫৮০—১৫৯৬ ,,
ধন মাণিক	...	১৫৯৬—১৬০৫ ,,
যশ মাণিক	...	১৬০৫—১৬২৫ ,,
সুন্দৰ ৰায়	...	১৬২৫—১৬৩৬ ,,
ছোট পৰ্ব্বত ৰায়	...	১৬৩৬—১৬৪৭ ,,
যশমন্ত ৰায়	...	১৬৪৭—১৬৬০ ,,
ৰান সিংহ	...	১৬৬০—১৬৬৯ ,,
প্ৰতাপ সিংহ	...	১৬৬৯—১৬৬৯ ,,
লক্ষ্মী নাৰায়ণ	...	১৬৬৯—১৬৯৭ ,,

* অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী ৯৩ পৃঃ।

এওঁ লোকৰ পিছত ৰাম সিংহ, জয়নাৰায়ণ, ৰৰ গোসাঁই, ছত্ৰ সিংহ যাত্ৰানাৰায়ণ, বিজয়নাৰায়ণ, ৰাম সিংহ (২ নং) আৰু ৰাজেন্দ্ৰনাৰায়ণ ৰজা হয়। ৰাজেন্দ্ৰনাৰায়ণৰ ৰাজত্ব কাল ১৮৩২ চনৰ পৰা ১৮৩৫ চনলৈকে।

ওপৰৰ এই তালিকাত মাণিক উপাধি ধাৰী বিজয় মাণিক, ধন মাণিক আৰু যশ মাণিক এই তিন জনা ৰজাৰ নাম পোৱা যায়। বিজয় মাণিক আৰু ধন মাণিক ষোলশ শতিকাৰ শেষ ভাগৰ ৰজা। সুতৰাং স্বৰ্গীয় মাধৱচন্দ্ৰ ৰৰদলৈয়ে ছপোৱা অসমীয়া সাতকাণ্ড ৰামায়ণৰ ভূমিকাত বিজয় মাণিক বা ধন মাণিককেই মাধৱকন্দলিয়ে ৰৰাহি ৰজা মহামাণিক বুলি কোৱা যি অনুমান কৰিছিল সেইটো ঠিক হব নোৱাৰে।

বৰ্ত্তমান সময়ত কছাৰী বুৰঞ্জীৰ * পৰা এটি নতুন কথা ধৰা পৰিছে। তাত উল্লেখ আছে কছাৰী ৰজা সকলৰ নামত আগৈয়ে "ফা" শব্দহে যোগ কৰা হৈছিল। কছাৰী বুৰঞ্জীত পোৱা যায় যে হেৰম্বিয়াল কছাৰী ৰজা সকলৰ আদি কথা সম্বন্ধে নানাপ্ৰকাৰ কিম্বদন্তী প্ৰচলিত আছে। তাৰে এটা হৈছে কছাৰী ৰজা বীৰহাসৰ ৰাজ্যত এক দেওধানী আছিল। মহাদেৱৰ বীৰ্য্যে সেই দেওধানীৰ এক পুত্ৰ হয়। বীৰহাস ৰজাই সেই দেওধানীৰ পুতেকক ৰজা পাতি "বিচাৰ পতিফা" নাম দিয়ে। বিচাৰ পতিফাৰ পিছত তেওঁৰ পুত্ৰ বিক্ৰমাদিত্য ফা ৰজা হৈ নাম চাং ৰৰহাট পৰ্য্যন্ত সীমা কৰি ললে আৰু সুবৰ্ণৰ দশভুজা মূৰ্ত্তি কৰি দেৱালয় থাপি সোণাপুৰ নাম থলে। বিক্ৰমাদিত্যৰ পিছত মহামাণিফা পাট হেৰম্বক আহি ৰজা হয়। এই মহামাণিফায়ে মাধৱকন্দলিয়ে উল্লেখ কৰা মহামাণিক্য হব পাৰে।

৺ৰায় ৰাহাদুৰ কনকলাল ৰকৰাই কামৰূপ অনুসন্ধান সমিতিৰ পত্ৰিকাত লিখা "কপিল উপত্যকাৰ প্ৰাচীন ত্ৰিপুৰা ৰাজ্য নামে প্ৰবন্ধত দেখুৱাইছে যে ত্ৰিপুৰা ৰাজ্যতো মহামাণিক্য নামে এজনা ৰজাই

* Department of Historical and Antiquarian Studiesৰ পৰা ৰায় ৰাহাদুৰ সূৰ্য্যকুমাৰ ভুঞাৰ দ্বাৰা সম্পাদিত কছাৰী বুৰঞ্জী।

চৈধ্য শ শতিকাৰ মাজ মানত ৰাজত্ব কৰিছিল। তেওঁ ত্ৰিপুৰাৰ ৰজা ৰত্নমাণিক্যৰ প্ৰপৌত্ৰ আছিল। ইয়াৰ পৰা চৈধ্য শ শতিকাৰ মাজ মানত মহামাণিক্য নামে কছাৰী (হেৰম্ব) আৰু ত্ৰিপুৰা দুয়ো ৰাজ্যতে দুজনা ৰজা থকা দেখা যায়। ত্ৰিপুৰাৰ ৰজা ৰত্নকাৰ দিনৰে পৰা হেৰম্ব আৰু ত্ৰিপুৰা দুয়ো ৰাজ্যৰ ৰজা সকলে মাণিক্য উপাধি লয় বুলি এই প্ৰবন্ধত দেখুৱা হৈছে। ইয়াৰ পৰাই এই অনুমান কৰা হয় যে মাধবকন্দলিক ৰামায়ণ লিখিবলৈ দিয়া মহামাণিক্য বা মহামাণিক্য ত্ৰিপুৰাৰো ৰজা হব পাৰে। ত্ৰিপুৰাৰ ৰজা সকলে এতিয়াও নামত মাণিক্য উপাধি লগায়। *

মহামাণিক্য বা মহামাণিক্য যি ঠাইৰে ৰজা হওক, তেওঁ মাধবকন্দলিৰ হাতুৰাই ৰামায়ণ ৰচনা কৰাই অসমীয়া জাতিৰ চিৰস্মৰণীয় হৈ গৈছে।

এতিয়া মাধবকন্দলি সম্ভৱতঃ কোন ঠাইৰ মানুহ আছিল দেখা যাওক। কছাৰী আৰু জয়ন্তীয়া ৰাজ্য শঙ্কৰদেৱৰ আগৰ কালত নগাওঁলৈকে আছিল। মাধবকন্দলিৰ সময়ত কছাৰী ৰাজ্যত কোনো বিঘ্নৰ ঘটা নাছিল, আৰু তেওঁৰ পিছত হে কছাৰী আৰু আহোমৰ মাজত বিৰোধ ঘটে। মাধবকন্দলি নিশ্চয় কছাৰী ৰাজ্যৰ প্ৰজা আছিল গতিকে তেওঁক নগাওঁ অঞ্চলৰ মানুহ বুলি ভবাটো স্বাভাবিক। কোনো কোনো লিখকে মাধবকন্দলিৰ জন্মস্থান নগাওঁ আলিপুখুৰি বুলি লিখি গৈছে। ৺মাধবচন্দ্ৰ ৰবদলৈয়ে ছপোৱা ৰামায়ণৰ ভূমিকাতো মাধবকন্দলি নগাওঁ আলিপুখুৰিৰ মানুহ হব পাৰে বুলি উল্লেখ কৰা আছে। আমি জানোঁ যে শঙ্কৰদেৱৰ জন্মস্থান নগাওঁ আলিপুখুৰি বুলি আটায়ে স্থিৰ সিদ্ধান্তলৈ আহিছে। এতিয়া সেই ঠায়ে মাধবকন্দলিৰো জন্মস্থান বুলি সিদ্ধান্ত কৰাৰ পক্ষে কোনো যুক্তি দেখা নেযায়।

পুৰণি কালৰ অসমীয়া কবি সকলৰ মাজত কন্দলি উপাধিৰে সৈতে আমি কেৱা জনা কবিৰো উল্লেখ পাওঁ, যেনে মাধবকন্দলি, ৰুদ্ৰ কন্দলি, শ্ৰীধৰকন্দলি, মহেন্দ্ৰকন্দলি, ৰত্নাকৰ কন্দলি আদি।

*Assam Research Society Journal Vol. III P. 92.

কন্দলি শব্দটোৰ আনুমাণিক অর্থ "তর্কশাস্ত্রত সুনিপুণ" হব পাৰে। প্রথমতে হয়তো কোনো কোনো পণ্ডিত ব্রাহ্মণক এই উপাধি দিয়া হৈছিল, পিছত গোটেই বংশৰ মানুহে এই উপাধি লগাব পাৰে। এতিয়া এই "কন্দলি" শব্দটোৰ সহায়ত কিমান খিনি তথ্য উলিয়াব পৰা হয় দেখা যাওক।

বর্ত্তমান নগাওঁ চহৰৰ পৰা ১২ মাইল মান দূৰত দক্ষিণ পূব দিকে কন্দলি নামে এখন মৌজা আৰু তাত কন্দলি নামে এখন ভাঙ্গৰ গাৱোঁ আছে। প্রত্নতাত্ত্বিক মিঃ ৰাজমোহন নাথে এই কন্দলি মৌজায়ে পূর্ব্বৰ কন্দলি বা কদলি নামে ৰাজাৰ কেন্দ্র আছিল বুলি অনুমান কৰে * আৰু তেওঁ এই কন্দলি মৌজাৰ বামুনি গোসাঁই পাহাৰৰ ওচৰৰ এখন ঠাইত কবি মাধবকন্দলিৰ ঘৰ আছিল বুলি স্থিৰ কৰিছে।

আগেয়ে কোৱা হৈছে যে মাধবকন্দলিৰ আদি আৰু উত্তৰাকাণ্ড কছাৰি আৰু আহোমৰ মাজত ৰণ লাগোঁতে দেশত যি বিপ্লব হয় তাতেই লোপ পাইছে। এই দুই কাণ্ড এইদৰে লোপ পোৱাৰ কথা আগৰ কালৰ-আন কোনো লিখাত উল্লেখ আছে নে নাই কব নোৱাৰোঁ। এটা কথা ইয়াতে উল্লেখ কৰা উচিত যে মাধবকন্দলিৰ দ্বাৰায়ে ৰচিত বুলি কোৱা আদিকাণ্ড আৰু উত্তৰাকাণ্ড পুথিও আমি বিচাৰি দুই এঠাইত উলিয়াইছোঁ। † সম্প্রতি ৰায়বাহাদুৰ ডাঃ সূর্য্যকুমাৰ ভুঞাৰ সৌজন্যত আমি Assam Antiquarian Societyৰ পৰা এখন মাধবকন্দলিৰ দ্বাৰাই লিখিত উত্তৰাকাণ্ড পুথি পাইছোঁ। সেইদৰে

* Article on Kondoli and the Kodoli Kingdom by Mr. Raj Mohon Nath A. E. S. in Assam Research Society Journal Vol VII. P. 19.

† স্বর্গীয় পণ্ডিত হেমচন্দ্র গোস্বামীয়ে তেখেতৰ অসমীয়া সাহিত্যৰ চানেকিৰ প্রথম খণ্ডত উত্তৰকাণ্ড ৰামায়ণৰ যি পদ তুলি দিছে তাত সেই পদ মাধবকন্দলিৰ বুলিহে উল্লেখ কৰিছে। বোধ কৰো সেইটো ছপাৰ হে ভুল।

মাধবকন্দলিৰ দ্বাৰাই লিখিত আদিকাণ্ড পুথি এখনিও পোৱা গৈছে। এই পুথি দুখনি শ্রীযুত বাসুদেব মিশ্র আৰু অধ্যাপক শ্রীযুত উপেন্দ্রনাথ লেখাকৰে লিখি উলিওৱাত দেখা গ'ল যে ইয়াৰ বহুত অংশ শঙ্কৰদেৱৰ উত্তৰাকাণ্ড আৰু মাধবদেৱৰ আদিকাণ্ডৰ লগত মিলি যায়। ইয়াৰে উত্তৰাকাণ্ড পুথি খনিত লৱকুশৰ ৰামেসৈতে যুদ্ধৰ কথা বিস্তাৰিত ভাবে বর্ণোৱা আছে। শঙ্কৰদেৱৰ উত্তৰাকাণ্ডত এই কথা নাই আৰু এই যুদ্ধৰ কথা মূল ৰামায়ণতো নাই।

এনেকুৱা সানমিহলি পুথি কি কাৰণে হ'ল সেই সম্বন্ধে কেইটা প্রকাৰো অনুমান কৰিব পাৰি। এনেকুৱা হব পাৰে যে মাধবকন্দলিৰ আদিকাণ্ড আৰু উত্তৰাকাণ্ড নষ্ট হৈ গ'লেও তাৰ কোনো কোনো অংশ পুথিৰ পাতত নাইবা ওজা পালি আদিৰ মুখত ৰৈ যাব পাৰে। শঙ্কৰদেৱ আৰু মাধবদেৱে উত্তৰাকাণ্ড লিখাত মাধবকন্দলি ৰচিত পুথিৰ কোনো কোনো অংশ গ্রহণ কৰিব পাৰে। আৰু এটা কথা হব পাৰে এই যে আমি কৃত্তিবাসৰ ৰামায়ণত লৱকুশৰ যুদ্ধৰ বিৱৰণ পাওঁ। কৃত্তিবাসে বঙ্গলা ৰামায়ণ লিখাৰ পিছত অসমৰ কোনো কবিয়ে লৱকুশৰ যুদ্ধৰ কথা পূৰ্ব্বৰ মাধবকন্দলিৰ আদি আৰু উত্তৰাকাণ্ডৰ যদি কিবা অংশ কৰবাত পোৱা গৈছিল তাৰে সৈতে লগ লগাই এই দুই কাণ্ড ভেণ্ডা-লোকৰ কচি অনুসাৰে সম্পূর্ণ কৰি থৈ গ'ল। এই সম্বন্ধে আগলৈ হয়তো আন কিবা নতুন তথ্য ওলাব পাৰে।

আমি অ'গতে বঙ্গলা ৰামায়ণ লিখক পণ্ডিত কৃত্তিবাসৰ কথা উল্লেখ কৰিছো। এতিয়া পূৰ্ব্বভাৰতৰ ভাষা ৰামায়ণৰ প্রধান লিখক মাধবকন্দলি আৰু কৃত্তিবাস এই দুজনাৰ ৰচনা প্রণালী আৰু কবিত্বৰ সম্বন্ধে এই খিনিতে অলপ আলোচনা কৰা বোধ কৰোঁ উচিত হব।

কৃত্তিবাসৰ বঙ্গলা ৰামায়ণ আৰু অসমীয়া ৰামায়ণ সম্বন্ধে সুলিখক শ্রীযুত সোণাৰাম চৌধুৰীয়ে ১৮৫১ শকৰ শাওণ মাহৰ বাঁহীত এটি অতি সাকৰা প্রবন্ধ লিখিছিল। মই তেখেতৰ সেই প্রবন্ধৰ পৰা তলত লিখা কথা খিনি তুলি দিলোঁ।

"কৃত্তিবাসী রামায়ণত বহুত পুরাণ, উপপুরাণৰ কথা সোমাইছে। আছলকৈ কব গলে কৃত্তিবাসে বাল্মীকি রামায়ণৰ ছাঁ হে লৈছে. ক'তোবা নোহোৱা নোপোজা ভালেমান অতিৰঞ্জিত নিজে গঢা কথা সুমুৱাইছে।

কৃত্তিবাসৰ রামায়ণত রাম আৰু সীতাৰ চৰিত্ৰৰ কথা বাল্মীকিৰ লগত সম্পূর্ণ অমিল। কৃত্তিবাসৰ রামচন্দ্র পূর্ণব্রহ্ম কিন্তু বাল্মীকিৰ রাম এজন আদর্শ পুরুষ হে। বাল্মীকিৰ সীতা, আদর্শ —সতী, গৃহিণী, কিন্তু কৃত্তিবাসৰ সীতা দেবী, সাক্ষাৎ লক্ষ্মী। সীতাক হৰণ কৰা সময়ত কৃত্তিবাসৰ সীতা ভয়াতুৰা, কল্‌পাতৰ দৰে থৰ্‌থৰকৈ কঁপা কিন্তু বাল্মীকিৰ সীতা নিভীকা, বীৰাঙ্গনা। বাল্মীকিৰ রামায়ণৰ প্রথমতে নাৰদৰ প্রতি বাল্মীকিৰ প্রশ্ন, ক্রৌঞ্চবধ ইত্যাদি ; কৃত্তিবাসৰ গোলোক বর্ণন, নাৰায়ণৰ চাৰি অংশে অৱতাৰ কথা। কৃত্তিবাসৰ বত্নাকৰৰ উপাখ্যান—'মৰা' 'মৰা' বুলি পৰিত্রাণ আদি কথা বাল্মীকিত নাই। কৃত্তিবাসৰ চন্দ্রবংশ, সূর্য্যবংশ এনে কি হৰিশ্চন্দ্রৰ উপাখ্যান পর্য্যন্ত বাল্মীকিত নাই। কৃত্তিবাসৰ কাণ্ডাৰ মুনিৰ বৈকুণ্ঠ যাত্রা সৌদাশ ৰজাৰ গঙ্গা যাত্রাত মুক্তি বাল্মীকিত নাই। .....ভগীৰথে বোলে গঙ্গা আনোঁতে বঙ্গদেশৰ কিছুমান গাওঁৰ মাজে দি গঙ্গা লৈ গৈছিল ; সেই বোৰ গাৱঁৰ নাম মেভাহনা, নৱদ্বীপ, আকনা, মহেশ প্রভৃতি। এই বোৰ কৃত্তিবাসৰ তেনেই জোৰা দিয়া কথা।.....ইপিনে আকৌ বাল্মীকিত থকা কিছু মান কথা কৃত্তিবাসত নাই। কার্ত্তিকৰ জন্ম, শবলা লৈ বশিষ্ঠ বিশ্বামিত্রৰ বিৰোধ ত্রিশঙ্কুৰ স্বর্গাৰোহণ, অশ্বমেধৰ যজ্ঞ, শুণঃশেপৰ উদ্ধাৰ ইত্যাদি কথা কৃত্তিবাসত নাই। ৰাক্ষসৰূপ ধাৰিণী লঙ্কাৰ অধিষ্ঠাত্রী দেবীৰ পৰাজয়ৰ কথা বাল্মীকিত আছে কৃত্তিবাসত নাই। কৃত্তিবাসত হনুমন্তৰ প্রার্থনাত দেবী উগ্রচণ্ডাৰ লঙ্কা ত্যাগ, জয়ন্তী কাউৰীৰ সীতাআক্রমণ আৰু শ্রীৰামে তাৰ চকুবিন্ধা কথা আছে, বাল্মীকিত নাই। বিভীষণ রামৰ লগত মিত্রতা বাল্মীকিৰ লঙ্কাকাণ্ডত নাই, কিন্তু কৃত্তিবাসৰ সুন্দৰাকাণ্ডত সেই কথা দেখা যায়। কৃত্তিবাসত ৰাৱণে বিভীষণক লাথি মৰাত রামৰ পক্ষলৈ অহা বুলি লিখিছে, কিন্তু বাল্মীকিত লাথি মৰা বুলি

নকয় তাত গালি পবাত হে বিভীষণ অহা বুলি উক্তি। তবণী সেন বধ, তাব কটা মূবে 'বাম' 'বাম' বোলা কথা কৃত্তিবাসে ক'ত পালে তাকো কব নোৱাবি। বীব বাহু বধ মহীবাবণ বধ, অহিবাবণ বধ আদিও বাল্মীকিত নাই। লক্ষ্মণ শক্তি শেলত পবাত হনুমন্তে ঔষধ আনিবলৈ গৈ কালনেমি বধ কবা, সূর্য্যক কাষলতিব তলত অনা ভবতব বাটলু গুটিব আঘাতত হনুমন্তব পতন ইত্যাদি কথা বাল্মীকিত নাই। শ্রীবামচন্দ্রব দুর্গোৎসবব অকাল বোধন, ভগৱতীব পূজালৈ হাজাব নীল পদ্ম অনা; তাবে এটা কম হোৱাত বামে নিজ চক্ষু দিব খোজা কথা বাল্মীকিত নাই। দুর্গোৎসবব কথাটো পুবাণব ভেজা, কিন্তু বাল্মীকিত নাই। বাল্মীকি বামায়ণত বাবণ বধব সময়ত অগস্ত্যব কথা মতে বামব আদিত্য হৃদয় স্তব পাঠ আৰু মাতলিব কথা মতে ব্রহ্মাস্ত্র মাবি বাৱণক বধ কবাব কথা আছে। কৃত্তিবাসত হনুমন্তে গণক বেশ ধবি মন্দোদবীব তালৈ যোৱা, মন্দোদবীব পবা বাবণব মৃত্যুবাণ অনা, মাখি হৈ বাবণব চণ্ডীপাঠ ভুল কবা, মৃত্যু কালত বাবণে বামক বাজনীতি শিক্ষা দিয়া কথাও তেনেই অমূলক। বাবণে স্বর্গলৈ জখলা সজাব কথাও কৃত্তিবাসব বামায়ণত হে দেখা যায়। উত্তবাকাণ্ডত লক্ষ্মণব চৈধ্য বছবব জমা কবি যোৱা ফলব লেখ, গড়ুব পবনব যুদ্ধ, চৌষষ্টি যোগিনীব লগত যুদ্ধ কৃত্তিবাসব কাপব পবা ওলাইছে, বাল্মীকিত একো নাই। কৃত্তিবাসব লবকুশব যুদ্ধ; সেই যুদ্ধত বাম লক্ষ্মণ, ভবত আদিব পতনব কথা বাল্মীকিত নাই।

অসমীয়া বামায়ণত কিন্তু কৃত্তিবাসব অলীক ঘটনাব সমবেশ নাই। ইয়াত প্রথমে বাল্মীকিব প্রশ্ন, শ্লোকব উৎপত্তি আৰু বামায়ণব সূচী সুন্দবকৈ দিয়া আছে। ইয়াব আদিকাণ্ডত কার্ত্তিকব জন্ম, বশিষ্ঠ বিশ্বামিত্রব বিবোধ, সমুদ্র মন্থনব ইতিহাস মাকত বংশ, ত্রিশঙ্কুব উপাখ্যান আদিব কথা নাই, কৃত্তিবাসতো নাই। সিন্ধুমুনি বধ কথা আদিকাণ্ডতে

দিয়া আছে, বাল্মীকি বামায়ণব অযোধ্যা কাণ্ডত হে দেখা যায়। ইয়াত বাল্মীকিব দবে অলপ কথাত সূর্য্যবংশব বিবৰণ আৰু ভগীবথে গঙ্গাআনা প্রভৃতি দিয়া আছে। বাল্মীকিব আদি কাণ্ডত লৱকুশব বামায়ণ গান কবা কথা আছে। অসমীয়া উত্তবাকাণ্ড বামায়ণত হে সেই কথা বহলাই দিয়া আছে। অসমীয়া আদি কাণ্ডত দুটিমান অতিবিক্ত কথা দেখা যায়, দশবথব বাজ্যত শনিব দৃষ্টি, শনিব দৃষ্টিত অনাবৃষ্টি ইত্যাদি। .....কৃত্তিবাসব নিচিনা আমাব বামায়ণতো বিভীষণব মিত্রতা সুন্দবাকাণ্ডত দিয়া আছে। বাল্মীকিত লঙ্কাকাণ্ডত হে আছে।

আমাব বামায়ণত ইন্দ্রব সাবথি মাতলিব কথা মতে ব্রহ্মঅস্ত্র মাবি বাবণক বধ কবা কথা বাল্মীকিব লগত সম্পূর্ণ মিল। এটা বব আচবিত কথা, কেইটিমান সৰু সৰু ঘটনা মূলত নহলেও আমাব বামায়ণত দেখা যায় আৰু সেই কেইটা কৃত্তিবাসব লগত মিলে। সীতাক কাউবীয়ে আক্রমণ কবা, বামে কাউবীব চকুবিন্ধা, বাবণে বিভীষণক লাঠি মবা, হনুমন্তে ঔষধ আনিবলৈ যাওঁতে কালনেমি বধ কবা কথা কৃত্তিবাসব বামায়ণতো আছে, আমাব অসমীয়া 'বামায়ণতো' আছে। এই কেইটা কিয় মিলে বুজা নাযায়। তেতিয়াব দিনত মূলত এই কেইটা কথা থাকিব পাবে। নহলে বিভিন্নপ্রদেশব বিভিন্ন কবিব লেখাত কিয় উল্লেখ থাকিব? বিশেষত: বঙ্গ আৰু অসম ওচবা ওচবি দেশ; হয়তো এই কেইটা কথা এজনে আন জনব পবা ধাব কবাও হব পাবে। ধাব কবিলেও মাধব কন্দলিয়ে ধাব কবা বুলি মনে নধবে, কিয়নো তেওঁ কৃত্তিবাসব আগব কবি। আগব কালত দুয়ো দেশব পুথিব আদান প্রদান থকাব প্রমাণ পোৱা যায়। এতিয়াও আমাব দেশব গোবিন্দ মিশ্রব গীতা, শ্রীবামকীর্ত্তন বা অনন্ত বামায়ণ বঙ্গ দেশত আছে। সেই দবে আমাব দেশতো বঙ্গালী বৈষ্ণব কবিব গীত, দুর্গা মঙ্গল গীত, অদ্ভুত বামায়ণ পোৱা যায়।

চৌধুৰী ডাঙ্গৰীয়াই কৃত্তিবাসৰ বামায়ণ আৰু অসমীয়া বামায়ণ মূল বামায়ণে সৈতে মিলাই যিটো বিবৰণ লিখিছিল তাক মই ওপৰত তুলি দিলোঁ। মুঠতে অসমীয়া বামায়ণ কৃত্তিবাসৰ বামায়ণৰ দৰে বাৰে মিহলি কথাত পৰিপূৰ্ণ নহয় চৌধুৰী ডাঙ্গৰীয়াৰ কথা অনুসাৰেই আমিও কওঁযে অসমীয়া বামায়ণ এখনি কীৰ্ত্তন নামঘোষাৰ শাৰীৰ পূজা পোৱাৰ যোগ্যৰ পুথি।

মাধৱ কন্দলিৰ বামায়ণৰ আৰু এটা বিশেষত্ব হৈছে ইয়াৰ ভাষা সম্পৰ্কে। চৈধ্যশ শতিকাতে যে অসমীয়া ভাষা কিমান তেজী তাৰ প্ৰমাণ ইয়াতে পাওঁ। যি বিলাক লিখাৰ পৰাই অসমীয়া এটি প্ৰাচীন ভাষা বুলি প্ৰমাণিত হৈছে তাৰ ভিতৰত অসমীয়া বামায়ণ এখনি প্ৰধান পুথি। মাধৱ কন্দলিৰ লিখাত আমি সেই কালৰ নিৰ্ভাজ অসমীয়া ভাষাৰ কেনেকুৱা গঢ় আছিল তাক বুজিব পাৰোঁ। বৈষ্ণৱ যুগৰ পূৰ্ব্বে আদিকালৰে পৰা যি অসমীয়া ভাষা প্ৰচলিত তাৰ মাধৱকন্দলিয়ে এটা গঢ় দিয়ে, আৰু তেওঁৰ পুথিত আমি এনে কিছুমান শব্দ বিভক্তিৰ ৰূপ আৰু বাক্যৰ গঢ় পাওঁ যি এতিয়া প্ৰচলিত নাই।

অসমীয়া ভাষাৰ গতি আৰু ক্ৰম বিকাশ সম্বন্ধে যেয়ে আলোচনা কৰিব খোজে তেৱেঁ মাধৱ কন্দলিৰ বামায়ণৰ পৰা অলেখ তথ্য বিচাৰি উলিয়াব পাৰিব। অসমীয়া মানুহৰ সেই কালৰ সামাজিক জীৱন, ৰীতিনীতি, আচাৰ ব্যবহাৰ আদি সম্বন্ধেও অসমীয়া বামায়ণত অনেক কথা পোৱা যায়। বাস্তবিকে মাধৱ কন্দলিৰ বামায়ণ অসমৰ ভাষা-তত্ত্ববিদ্ আৰু সমাজ তত্ত্ববিদ সকলৰ পক্ষে এটি সোণৰ খনিৰ নিচিনা। মাধৱ কন্দলিৰ বচনাৰ প্ৰভাৱ শঙ্কৰ দেৱৰ লিখাত বহু পোৱা যায়। সেই দৰে তেওঁৰ লিখাৰ প্ৰভাৱ পিছৰ কালৰ কবি সকলৰ ওপৰত কি পৰিমাণে পৰিছে তাৰ নিৰ্ণয় কৰাও অসমীয়া সাহিত্যত এটি অতি আৱশ্যকীয় কথা।

আশা কৰোঁ মাধব কন্দলিৰ সময়ৰ অসমীয়া ভাষা, তেওঁৰ কাব্য প্রতিভা আৰু তেওঁৰ কালৰ অসমীয়া সমাজ সম্বন্ধে বিস্তাৰিত আলোচনা কৰিবলৈ অসমত মানুহ নোলোৱাকৈ নেথাকিব। এই সামান্য ভূমিকাত বাহুল্যৰ ভয়ত আমি এই বিলাক বিষয়ৰ আলোচনালৈ আৰু আগ নেবাঢ়িলোঁ।

ইতি—
শ্রীউমাকান্ত গোস্বামী
কটন কলেজ

গুৱাহাটী।
১৫।৩।৪১

গোস্বামীদেৰৰ স্মৃতিচাৰণ

শিক্ষাগুৰু ৺উমাকান্ত গোস্বামীদেৱৰ সৌৱৰণত

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা

ষোড়শ শতাব্দীৰ শেষভাগত বৈষ্ণৱ গুৰু দেৱ দামোদৰে তেওঁৰ অন্যতম প্ৰধান শিষ্য সন্তুদেৱক ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ পঠায়। সেইমতে সন্তুদেৱ কামৰূপৰ দক্ষিণপাৰলৈ আহি দামোদৰী বৈষ্ণৱ মত প্ৰচাৰ কৰিবলৈ ধৰে। তেওঁৰ বংশৰ কোনোবা এজনে আমৰঙা সত্ৰ প্ৰতিষ্ঠা কৰি শিষ্য ভজাই দক্ষিণ কামৰূপত দামোদৰ পন্থাৰ প্ৰভাৱ বিস্তাৰ কৰে। ৺উমাকান্ত গোস্বামীদেৱ আমৰঙা সত্ৰৰ সত্ৰাধিকাৰৰ ঘৰত জন্ম লাভ কৰি উচ্চ শিক্ষা লাভ কৰি চৰকাৰী শিক্ষা বিভাগত সোমায়। ছাত্ৰ হিচাপে গোস্বামী চাৰ ৰৰ মেধাৰী আছিল আৰু সকলো পৰীক্ষাতে তীক্ষ্ণ বুদ্ধিৰ পৰিচয় দি অতি দক্ষতাৰে সকলো পৰীক্ষাত উত্তীৰ্ণ হৈছিল। অৰ্থনীতি বিষয়ত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি এম,এ, পাছ কৰে আৰু লগতে বি, এল্ পৰীক্ষাতো সম্মান কৃতিত্বৰে উত্তীৰ্ণ হৈছিল। প্ৰথমতে মই জনাত (মোৰ ভুল হব পাৰে) তেখেতে চাকৰিৰ প্ৰথম কেইবছৰমান ছিলেটৰ মুৰাৰিচান্দ কলেজত অধ্যাপনা কৰি পাছত কটন কলেজলৈ বদলি হৈ আহে। কলেজত সোমোৱাৰ আগতে কৰ্ম্মৰত সাময়িক ভাবে চাকৰি কৰিছিল যদিও নাজানো। তেখেতৰ ভায়েক ৺চন্দ্ৰকান্ত গোস্বামীও মেধাৰী ছাত্ৰ আছিল, তেৱোঁ সুখ্যাতিৰে বুৰঞ্জী বিষয়ত এম, এ, ডিগ্ৰী লৈ বি, এল উপাধিও লৈছিল। তেওঁ সৰহভাগ কাল সত্ৰৰ মাটি-বাৰী আৰু সম্পত্তি চোৱা চিতা কৰি সত্ৰতে নিবাস কৰিছিল। কাছাৰিত আইন ব্যৱসায়ো কৰা নাছিল। সত্ৰৰ অধিকাৰৰ কাম গোস্বামীচাৰেই নিৰ্ব্বাহ কৰিছিল আৰু শিষ্যক শৰণ ভজনাদি কাম তাৰেই মাজে মাজে গৈ সম্পন্ন কৰিছিল।

গোস্বামী চাৰে আমাক আই, এ ক্লাছত civics পঢ়াইছিল আৰু বি, এ, ক্লাছত ৰাজনীতি বিজ্ঞান (Pol. Sc.) পঢ়াইছিল। আমি কটনত পঢ়োতে, ত্ৰিশৰ দশকৰ পাছভাগত, অৰ্থনীতি বিষয়ত দুগৰাকী অধ্যাপক আছিল। এগৰাকী ৺উমাকান্ত গোস্বামী, তেখেত বিভাগীয় প্ৰধান অধ্যাপক আৰু অসম শিক্ষা বিভাগৰ প্ৰথম শ্ৰেণীৰ বিষয়া আছিল (A. E. S. Class I)। আন গৰাকী কৃতী অধ্যাপক আছিল শ্ৰীমথুৰা নাথ গোস্বামী (পাছত ডক্তৰেট লয়)। শ্ৰীমথুৰা গোস্বামী চাৰে সাধাৰণতে অৰ্থবিজ্ঞান (Economics) পঢ়াইছিল। কটন কলেজৰ পৰা অৰ্থনীতি বিভাগৰ প্ৰধান অধ্যাপক ইংৰাজ পণ্ডিত ব্ৰাউন চাহাবৰ অৱসৰ হোৱাত (১৯৩১ ?) ৺উমাকান্ত গোস্বামীদেৱ বিভাগীয় মুৰব্বী হয়। কলেজলৈ আহোঁতে টাই সহ Three piece suit পৰিধান কৰি ফিটফাট্ হৈ আহিছিল। ঘৰত অৱশ্যে ধুতি গেঞ্জি পিন্ধি সৰল বসনহে পৰিধান কৰিছিল আৰু নিয়মিত ভাবে সন্ধ্যা আহ্নিকো কৰিছিল বুলি আমি গম পাইছিলোঁ।

তেখেতৰ প্ৰথমা পত্নী আছিল অসম উপত্যকাৰ স্কুল সমূহৰ একমাত্ৰ পৰিদৰ্শক ৺শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰথমা কন্যা ৺প্ৰতিভাদেৱী। এই প্ৰতিভা দেৱীৰে সন্তান হৈছে দেৱব্ৰত গোস্বামী; গুৱাহাটী ইঞ্জিনীয়াৰিং কলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু শ্ৰীমতী সুব্ৰতা বৰুৱা। প্ৰথমা পত্নীৰ নামতে স্মৃতিৰক্ষাৰ্থে এতিয়াও গুৱাহাটী বিশ্ববিদ্যালয়ত Protibha Devi Memorial Lectures দুবছৰৰ অন্তৰে অন্তৰে হয় বা হব লাগে। স্মৃতি ৰক্ষাৰ পুঁজি পিতৃ শৰৎ চন্দ্ৰ গোস্বামীয়েই দান কৰিছিল। ৺গোস্বামী চাৰে সম্ভৱতঃ ১৯৩৫ চনত শ্ৰীমতী অম্বিকা দেৱীক বিয়া কৰায়। ডঃ ইন্দিৰা ওৰফে মামনি গোস্বামী বয়চম অম্বিকা দেৱীৰ কন্যা।

গোস্বামী চাৰে সাধাৰণতে ক্লাছত নোটৰ শ্ৰুতিলিপি দিছিল। অৱশ্যে মাজে মাজে শ্ৰুতলিপি বন্ধ কৰি সহজ সৰল নিৰ্ভুল ইংৰাজীত কঠিন বিষয়বোৰ ব্যাখ্যাও কৰিছিল। তেখেতে মাজে মাজে খুহুটিয়া

মন্তব্যৰে শ্ৰেণীটো সৰস কৰি ৰাখিব জানিছিল। তেখেতৰ শ্ৰেণীত সেই কাৰণে কোনো ধৰণৰ গণ্ডগোল হোৱা মনত নপৰে। তেখেত আমাৰ দ্বিতীয় মেছৰ হোষ্টেল ছুপাৰো আছিল (১৯৩৬—৩৭)। ছুপাৰ হিচাপে হোষ্টেল নিবাসীয়ে তেখেতক সহানুভূতিশীল অধীক্ষক ৰূপেই দেখা পাইছিল। তেখেতৰ দ্বিতীয়া পত্নীৰ ডাঙৰ দীঘলীজন বোধহয় এই সময়তে জন্ম লাভ কৰে।

গোস্বামী চাৰৰ পুৰণি অসমীয়া সাহিত্যৰ প্ৰতি বিশেষ শ্ৰদ্ধা আছিল আৰু কামৰূপ অনুসন্ধান সমিতিৰ সদস্য থকাৰ উপৰিও মুটায়া সভিবো আছিল। মাধৱ কন্দলিৰ ৰামায়ণ গ্ৰন্থ তেখেতে ছপাবলৈ যোজা কৰোঁতেই ৺পণ্ডিত কনক চন্দ্ৰ শৰ্মাই চৰকাৰৰ খৰচত প্ৰকাশ কৰিবলৈ লোৱাত গোস্বামীয়ে বেলেগে উলিওৱা পৰিকল্পনা বাদদি কাব্যতীৰ্থই প্ৰকাশ কৰা ৰামায়ণতে এটা পাণ্ডিত্যপূৰ্ণ পাতনি সংযোগ কৰি দিয়ে। শুনা যায় যে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত "হস্তীবিদ্যাৰ্ণৱ" গ্ৰন্থৰ যি এটি ইংৰাজী অনুবাদ আছিল সেইটো ৺গোস্বামীৰ অনুবাদহে। অৱশ্যে ইয়াৰ সত্যাসত্য নিৰ্ণয় কৰা মোৰ পক্ষে সম্ভৱ নহয়। তদুপৰি সমবায় পদ্ধতি সম্পৰ্কে এখন মূল্যবান গ্ৰন্থ লিখি তেখেতে প্ৰকাশ কৰিছিল।

১৯২৬—৪৯ চনত মই চেনীকুঠিৰ ৺হেমন্ত কাকতিৰ ঘৰটো ভাড়া কৰি আছিলোঁ। সেই সময়তে ৺গোস্বামী চাৰে চেনীকুঠিৰ ঘৰটো সাজে। সেই ঘৰ সাজোঁতে কেতিয়াবা কেতিয়াবা মোৰ ভাড়া ঘৰলৈ গৈ ব'দত জিৰণি লোৱা মনত পৰে, কাৰণ মোৰ ঘৰটো সম্মুখতে অৱস্থিত আছিল। গোস্বামী চাৰ শিক্ষা বিভাগৰ সঞ্চালক হৈ অৱসৰ গ্ৰহণ কৰে। অমায়িক ব্যৱহাৰ, কুশাগ্ৰ বুদ্ধি, উপস্থিত বুদ্ধি সম্পন্ন ব্যক্তি আৰু প্ৰাচীন ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল, শিক্ষাব্ৰতী আছিল। ৺গোস্বামীৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাৱনত শিৰে মুৰ দোৱাই মোৰ চমু বক্তব্য সামৰিছোঁ।

—×

উমা গোস্বামীৰ স্মৃতিচাৰণ

ড° কালীনাথ শৰ্মা

১৯৫৫ ৫৬ চনৰে কথা। মই তেতিয়া কটন কলেজৰ অধ্যাপক। গুৱাহাটীৰ চানমাৰী অঞ্চলত জঙ্গলী আৰু পাহাৰী অঞ্চলত এটি ঘৰ সাজি থাকিবলৈ লৈছো। মোৰ পাৰিবাৰিক সম্বন্ধৰ দ্বাৰা সাঙোৰ খাই পৰা স্বৰ্গীয় উমাকান্ত গোস্বামীৰ ঘৰলৈ মই প্ৰায়ে অহা যোৱা কৰি থাকিবলগীয়া হৈছিলোঁ। অৱশ্যে এই সম্পৰ্কটো কেৱল পাৰিবাৰিক বন্ধনৰ কাৰণেই যে হৈছিল তেনে নহয়। আন কাৰণ বহুতো আছিল আৰু সেইবোৰ কাৰণ মোৰ মানত যথেষ্ট গভীৰ আছিল। মই তেওঁক মামা বুলিব লাগিছিল; কাৰণ মোৰ পূজনীয়া শাহুৱে তেওঁক দাদা বুলিছিল। মামাৰ পিতৃ স্বৰ্গীয় ৰঘু গোঁসাই শাহু আইৰ মামাক আছিল। এই সম্বন্ধটো দুটা ডাঙৰ কুলৰ মাজত হোৱা সম্বন্ধ। খটীয়ামৰীয়া আৰু আমৰঙীয়া গোসাইৰ মাজত প্ৰতিষ্ঠা হোৱা সম্বন্ধ। খটীয়ামাৰীৰ ৺কৃষ্ণকান্ত গোস্বামী মোৰ ককা শহুৰ। তেওঁৰে পুত্ৰ পূজনীয় শ্ৰী অম্বুলা কান্ত গোস্বামীৰ পৰিচয় অসমত কাকো প্ৰায় দিব নলগাৰ দৰে। ৺ৰঘুগোসাই আমৰঙা সমাৰ সৰ্ব্বজন বিদিত প্ৰতাপী সত্ৰাধিকাৰ। এইজনা গোঁসাইৰ বংশৰ কন্যা মোৰ শাহু হোৱাৰ পিছৰ পৰা স্বৰ্গীয় উমাকান্ত গোস্বামী মোৰ মামা শহুৰ।

ইফালে নলবৰীয়া গোস্বামী ৺শৰৎ চন্দ্ৰ গোস্বামীৰ জোঁৱাই ৰূপে ৺উমাকান্ত গোস্বামীক আমি সকলে পৰা জানোঁ। শৰৎ গোঁসাই আমাৰ প্ৰতিবেশী হোৱাৰ উপৰি মোৰ ৺পিতৃদেৱৰ বিশেষ স্নেহৰ পাত্ৰ আছিল। অৱশ্যে এই স্নেহৰ আসন খন পিছলৈ সম্মানৰ আসন হৈ পৰিছিল; কাৰণ পিতৃদেৱ শিক্ষক হৈ থাকিল আৰু সৰ্ব্বগুণী শৰৎ গোঁসাই হৈ পৰিল অসমৰ একমাত্ৰ সুদক্ষ ইন্সপেক্টৰ চাহেৱ। এওঁৰ অকিচ যোৰহাটত হোৱা বাবে

আমি তেওঁক মাহে দুমাহে হে একোবাৰ দেখিবলৈ পাইছিলোঁ। সেই সময়ৰ এটা সৰু কথা, অপ্রাসঙ্গিক হলেও, কবৰ মন গৈছে। ৺শৰৎ গোসাঁই তেওঁৰ ককায়েক পূজ্যপাদ ৺প্রতাপ চন্দ্র গোস্বামীক সাক্ষাৎ কৰিবলৈ সময় পালেই নলবাৰীলৈ আহিছিল। জন্মস্থান আৰু অগ্রজৰ প্রতি থকা তেওঁৰ এই আকর্ষণৰ বাবে কোনো কোনোৱে তেওঁক সমালোচনা কৰাৰ কথা সকলোৱে জানে।

স্বর্গীয় শৰৎ চন্দ্র গোস্বামীৰ জ্যেষ্ঠা কন্যা প্রতিভা গোস্বামীক বিয়া কৰাই উমা গোঁসাই নলবাৰীৰ জোঁৱাই হৈ পৰিছিল। তেওঁক আমি সেইদৰেই মান কৰিছিলোঁ। তেওঁ অৱশ্যে নলবাৰীলৈ ঘনাই নগৈছিল কিন্তু কটন কলেজৰ দৰে সর্ব্বভাৰতীয় খ্যাতি সম্পন্ন কলেজ এখনৰ অধ্যাপক এজন বৈবাহিক সম্বন্ধৰ দ্বাৰা নলবৰীয়া বিদ্বন্মণ্ডলীৰ অন্তর্ভুক্ত হোৱাত আমি মনে মনে গর্ব অনুভৱ কৰিছিলোঁ। দুখৰ কথা যে এই সম্বন্ধৰ সোঁতটি হঠাতে শুকাই গল। ইন্সপেক্টৰ ককাকৰ হাড়ত নাতি নাতিনী এহাল থৈ প্রতিভা দেৱী স্বর্গী হল। কিন্তু উমা গোঁসাই নলবৰীয়া গোঁসাইৰ জোঁৱাই হৈ আমাৰ মনত যি থিতাপী লৈছিল সি লৰচৰ নহল। প্রথমা পত্নী অকালতে স্বর্গী হোৱাৰ পিচত গোঁসাইদেৱে দ্বিতীয় বাৰ পাণিগ্রহণ কৰিছিল।

আমাৰ লগত গঢ়ি উঠা সম্পর্কৰ দ্বিতীয় কাৰণ এটা আছে। ১৯৪২ চনত মই কটন কলেজত লেকচাৰাৰ ৰূপে নিযুক্তি পাওঁ। অসম শিক্ষা সেৱা অর্থাৎ এ,ই,এছৰ দ্বিতীয় পর্য্যায়ৰ বিষয়াক লেকচাৰাৰ আৰু তাৰ পৰা পদোন্নতি হৈ প্রথম পর্য্যায়ৰ অন্তর্ভুক্ত বিষয়াক প্রফেচৰ বোলা হয়। অধ্যাপক উমাকান্ত গোস্বামীয়ে এ,ই, এছৰ প্রথম পর্য্যায়ত প্রফেছৰ ৰূপে পোনে পোনে স্থায়ী নিযুক্তি লাভ কৰিছিল। এই নিযুক্তি ১৯১৬ চনৰ জুলাই মাহত হোৱা বুলি তেওঁ নিজে লিখি থৈ গৈছে। অৱশ্যে ইয়াৰ আগতে এবাৰ ১৯২১ চনত আৰু এবাৰ ১৯২৩ চনত অস্থায়ী অধ্যাপক ৰূপে নিযুক্তি পাইছিল। ১৯২৫ চনতো তেওঁক কলেজ খনে সামৰি লবৰ ব্যৱস্থা কৰিছিল, কিন্তু তেওঁৰ নিজা

বিষয়ত নহয় অসমীয়াৰ অধ্যাপক ৰূপেহে। ১৯২০ চন মানৰ পৰা প্ৰায় ১৯৪০ চন মানলৈ অসমত চৰকাৰী চাকৰিৰ ক্ষেত্ৰখন বৰ সংকীৰ্ণ হৈ পৰিছিল। বহুকৃতবিদ্য লোকে বিশ্ববিদ্যালয়ৰ মজিয়াত মচিব নোৱাৰা খোজৰ চিন থৈয়ো সামান্য চবডেপুটী বা চব ইন্সপেক্টৰৰ কাম কৰিব লগীয়া হৈছিল। কলিকতা হেন বিশ্ববিদ্যালয়ৰ ৰাজপত্ৰত সোণৰ আখৰেৰে নাম লিখি থৈ অহা উমাকান্ত গোস্বামীক কটন কলেজে স্থায়ীভাবে কোলাত লবলৈকে পাচ বছৰ অপেক্ষা কৰিব লগীয়া হল। তেওঁৰ অধ্যয়নৰ বিষয়টো আছিল অৰ্থনীতি। এই অৰ্থনীতিৰ দুটা ভাগ আছিল A আৰু B। A ভাগত আছিল আচল অৰ্থনীতি আৰু B ভাগটো আছিল ৰাজনীতি। গোসাইদেৱে B ভাগত কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পৰীক্ষাত সৰ্ব্বোচ্চ স্থান পাইছিল। এই মহলাটোত সমগ্ৰ পূৰ্ব্ব ভাৰতৰ ছাত্ৰই অধ্যয়ণ কৰিছিল বুলি কলে অত্যুক্তি কৰা নহয়। অসম বঙ্গদেশ, পূৰ্ব বিহাৰ আৰু উৰিষ্যাৰ এটা অংশৰ ছাত্ৰ বিলাকৰ উচ্চশিক্ষাৰ কেন্দ্ৰ আছিল কলিকতা বিশ্ববিদ্যালয়। ইয়াৰে পৰা তেওঁ যেতিয়া এম, এ, উপাধি লৈ ওলাই আহে, বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই তেতিয়া তেওঁক স্বৰ্ণ পদকেৰে বিভূষিত কৰি পঠাইছিল। মেট্ৰিকুলেছন পৰীক্ষাৰ পৰাই নানা ৰকম পদক পোৱা গোঁসাইদেৱৰ শেষৰ এই সোণৰ পদকটোৱে তেওঁক সমস্ত পূৰ্ব্ব ভাৰততে জিলিকাই তুলিছিল আৰু তাৰে স্বীকৃতি দিবলৈ অসম চৰকাৰ বাধ্য হৈছিল। বাধ্য হৈছিল বুলি কোৱাৰ কাৰণ এয়ে যে তেওঁৰ নিযুক্তি প্ৰথমতেই অধ্যাপক পদত হৈছিল।

সম্পৰ্কৰ কাৰণ বিলাকৰ কথা কবলৈ ওলাইছো যেতিয়া তৃতীয় আৰু চতুৰ্থ কাৰণ দুটাও এইখিনিতে উল্লেখ কৰি থওঁ। প্ৰথমতে তৃতীয় কাৰণটোৰ কথা মোৰ মনত যিদৰে উপলব্ধ হৈছে তাকেই কওঁ। আমবঙাৰ গোস্বামী বংশৰ উজ্জ্বল ৰত্নস্বৰূপ উমাকান্ত গোস্বামী যিদৰে এটি অসাধাৰণ ধীশক্তিলৈ উপজিছিল, সেইদৰে তেওঁৰ বৈষয়িক সম্পদো যথেষ্ট আছিল। তেওঁ এটি একান্নবৰ্তী ডাঙৰ পৰিয়ালত

ভন্নি আন আন বহুতো ধীমান ছাত্রব দবে পঢ়া শুনাব ক্ষেত্রত সমস্যাব সমুখীন হবলগীয়া অৱস্থাত পবা নাছিল। তথাপি তেওঁ সবল ভাবে জীৱন যাত্রা আৰম্ভ কবিবলৈ সকতে যিদবে শিকিলে সেই শিক্ষা জীৱনব শেষ মুহূর্ত্তলৈ বক্ষা কবি গল। আমি যেতিয়াব পবা তেওঁক ঘনিষ্ট ভাবে লগ পাওঁ তেতিয়াব ছবিখন মোব এতিয়াও মনত আছে। ব্রিটিছব আমোলব চবকাবী কলেজ এখনব অধ্যাপকজন আইনমতেই সুবেশী হব লাগিছিল, যেনে তেনেকৈ [যাক ইংবাজীত ছেবিলি ড্রেছড্ (Shabily dressed) বুলি কোৱা হয়] কলেজত সোমোৱা স্বভাবটো বেচি ভাগেই ভাল নাপাইছিল। মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদেও সদায় ভাল কোট এটা পিন্ধি কলেজত সোমাইছিল। ৺লক্ষ্মী বাবুব সাজপাব সদায় বিতোপন আছিল, আক ইংবাজীব অধ্যাপক পি, চি, বায় মহাশয়ক বোধকবো কোনেও চুট্ টাই-হেড্-বুটব দ্বাবা সজ্জিত হৈ নথকা অৱস্থাত দেখা নাছিল। অর্থনীতিব অধ্যাপক গোসাইদেৱেও কলেজলৈ অধ্যাপনাব কামলৈ ভালদবে কোট পেটলুং আক টাই মাবিয়ে গৈছিল। সেই সাজপাব কলেজব পবা আহিয়েই নিজ হাতে সুন্দবকৈ জাপি জুপি থৈ তেওঁ বগা ধুতি পাঞ্জাবী আক চাদব এখন লৈছিল। চবকাবী যোগসূত্র থকা সভা সমিতি বিলাকতো তেওঁ প্রায়ে কোট-পেটলুং পিন্ধিছিল; কিন্তু চবকাবব লগত সম্বন্ধ নথকা সভাবোবত তেওঁ কৌলিক ধুতি চাদব পিন্ধা আমি সদায় দেখিবলৈ পাইছিলোঁ। নীতি শাস্ত্রত আছে যে মানুহে বিদ্যা, ধন, আক দেহবলব প্রতি মনোযোগ দিব লাগে, কাবণ এই তিনিবিধেই মানুহক প্রতিষ্ঠাদান কবে। দুষ্ট মানুহে কিন্তু এই তিনিবিধব অসদ্ব্যৱহাব কবে। তেওঁলোকে বিদ্যাক দম্ভ-কাজিয়া আক তর্কব বাবে, ধনক গর্ব্বব বাবে আক দেহবলক আনক অত্যাচাব কবিবলৈ প্রয়োগ কবে। সাধুলোকে কিন্তু ভাব বিপবীত ব্যৱহাবত হে এই তিনিবিধ প্রয়োগ কবে। বিদ্যাক প্রকৃত জ্ঞানলাভব বাবে, ধনসোপ দান যদি সৎকর্ম্মব কাবণে আক দেহবলক দুর্ব্বলক বক্ষা

কবিবৰ অৰ্থে ব্যৱহাৰ কৰাহে সাধুলোকৰ নিয়ম,-বিদ্যা বিবাদায়, ধনং মদায়, বলং পৰেষাং পৰিপীড়নায়। খলস্য; সাধোৰ্বিপৰীত তাকেই কৰিছিল। দেহবলেৰে তেওঁক বৰ ঐশ্বৰ্যশালী বুলি কবৰ উপায় নাছিল। কিন্তু আমি জনা কালছোৱাত তেওঁৰ একো কঠিন বেমাৰ হোৱা নাছিল। বিদ্যাৰ গৌৰৱ তেওঁৰ ক্ষেত্ৰত আমি ঢুকি পোৱা বিধৰ নাছিল। ঢুকি পাব পৰাৰ ক্ষমতা সম্পন্ন পণ্ডিতলোক আমাৰ মাজত এতয়ও কেবাগণাকীও আছে। বহু কিতাপ-পত্ৰৰ দ্বাৰা ভাষা সাহিত্যিক তেওঁৰ জ্ঞানৰ সাক্ষী কৰি থৈ যোৱা নাই, কিন্তু জ্ঞান সাধনাৰ আদৰ্শৰ দ্বাৰা আৰু বিদ্যাদানৰ মাধ্যমেৰে আৰু যি দুই এখন কিতাপ আৰু মৌলিক প্ৰবন্ধ পাতি লিখিছে সেই বিলাক সংখ্যাত কম হলেও তাৰ দ্বাৰা তেওঁ নিজকে প্ৰকৃত জ্ঞানী বুলি পৰিচয় দিব পাৰিছে। সেইদৰে ধনবান হোৱা তেওঁ অৰ্থৰ কীৰ্ত্তিস্তম্ভ ৰূপে চমকলগা কিবা এটা কৰি থৈ যোৱা যেন নালাগে। কটন কলেজত অধ্যাপক হৈ থকাৰ আগছোৱাত তেওঁ পানবজাৰৰ এটি সৰু ঘৰত বাস কৰিছিল। সেই ঘৰটোৰ কাষতে এতিয়া যি ঘৰ নিৰ্মিত হৈছে তাৰ তুলনাত উমা গোঁসাই থকা ঘৰটোক জুপুৰি বুলিবই পাৰি। পিছত চেনিকুঠিৰ অপ্ৰশস্ত মাটি এটুকুৰাত যিটি ঘৰ সাজিলে সেইটো চল্লিছৰ দশকত ভাল ঘৰেই কিন্তু কোনো ভ্ৰমণকাৰীয়ে সেই ঘৰটো চাবলৈ খন্তেক কাল বৈ নাথাকে। চালে চকুৰোৱা ঘৰ সজা নিয়মটো বোলে মোগল সকলে ভাৰতলৈ আমদানি কৰিলে। ভাৰতবৰ্ষৰ যতে নবাব বাদশাহ আদিৰ শাসন আছিল তাতে অট্টালিকা আছে-ইমামবৰা আছে, ইমাৰত আছে, মিনাৰ, খাচ মহল, আম মহল আদি বহু কিবা কিবি আছে। অসমদেশত নবাবী শাসন নাছিল বাবে আজি প্ৰায় এশবছৰ আগলৈকে চালে চকুৰোৱা ঘৰো প্ৰায় নাছিল। সেইবুলি স্বাস্থ্যকৰ আৰু সুখকৰ ঘৰৰ অভাব নাছিল। উমা গোসাইৰ ঘৰটোও থাকিবলৈ বৰ ভাল।

গোঁসাইদেৱ অৰ্থনীতিৰ মানুহ আছিল। তেওঁ নিজে উপাৰ্জন

করা টকারে ঘরখন নিয়াবিকৈ চলাইছিল। নীতিগত ভাবে সকলো টকাখিনি আচুতীয়া কবি থোৱাব পিছত যিখিনি ধন হাতত থাকে তাকেহে তেওঁ নিজব আৰু পবিয়ালব যাবে খবচ কবিছিল। ইয়াব ভিতবতে তেওঁ প্রায়োজন মতে ভাই ভতিজা আৰু ভাগিন সকলব সুখ সুবিধা আদিলৈ চকুদিছিল। ইয়াকে কবোঁতে তেওঁ যি ত্যাগ কবিব লাগিছিল তাক হাঁহিমুখে কবিছিল। এইবোব কথাই তেওঁব চবিত্রব যি বৈশিষ্টাই আমাক মোহিত কবিছিল সেইটো কোৱাতকৈ অনুভব কবাহে সহজ। সেইটো বৈশিষ্টা হৈছে উচ্চ চিন্তা আৰু সবল জীবন ইংবাজীত চিম্পল লিভিং আৰু হাই ঠিঙ্কিং। ৰাতিপুৱাই প্রায় দোকমোকালিতে তেওঁব চেনিকুঠিব ঘবব পৰা ওলাই যোৰপুখুৰীব পাৰেদি এপাক ঘুবে আৰু যাওঁতে মোব ভাবাঘবব সমুখেদি যায়। হাতত সৰু লাঠিদাল, আৰু পিন্ধা পাঞ্জাবী চোলাটোব ওপবত ককালত মেবিয়াই লোৱা চাদব খনেবে সৈতে মামাব দেহছবি আজিও মোব মনত স্পষ্ট। ভনীয়েকব জীয়বী ৰূপে মোব পত্নীক তেওঁ প্রায় সদায় একোবাব মাতদি যায় আৰু তেওঁ চাফচিকনকৈ দিয়া চাহব গিলাচটোত এছোপা মাবি মোব লগত দুই চাৰিষাব কথা পাতে। মামাব লগত থকা মোব মধুব সম্পর্কটোত তৃতীয় কাৰণ এই খিনিয়ে।

চতুর্থ কাৰণটো মর্ম্মস্পর্শী। কথাটো ১৯৫৫ চনব শেষ বা ১৯৫৬ চনব পহিলব। তেতিয়া তেওঁব স্বাস্থ্য ভাল নহয়। মই প্রায়ে তেওঁব ঘবলৈ গৈ তেওঁব শোৱা পাটীব ওচবতে থকা চকীখনত বহোঁ। তেওঁ প্রায়ে শুই থাকে। বয়স বেচি হোৱা বুলি কব নোৱাবি। অৱসব গ্রহণ কবিবব চাবি কি পাচ বছবহে হৈছিল মাথোন। সেইদিনাব তাবিখটো মোব এতিয়া মনত নাই। কিন্তু তেতিয়ালৈ তেওঁব আচল অসুখটোব কথা আমি ভালদৰে নাজানোঁ। সিদিনা বন্ধব দিন যাবে মামীয়ে পাকঘবতে কিবা কিবি চোৱা চিন্তা কবি আছে। চাবিও ফালে এবাব চকুফুবাই ওচবে পাজবে কোনো নথকাটো গম পাই মোক অসুখব কথাটো ক'লে। তেওঁব মুখে বোগব কথাটো শুনি মই চক্ খাই উঠিলোঁ

ইমান শকত নবিয়া অথচ আমি একোকে নাজানো! কিন্তু তাতকৈয়ো আচবিত হলোঁ যেতিয়া মামাই মোক কলে, বাপা মামীয়েবাক মই কথাটো এতিয়াও কোৱা নাই। তুমিও নকবা.....।

মোৰ উচুপনি আহিব ধবিছিল। মামাই হাঁহিমুখে মোৰ ফালে চাই চকুৰে দিয়া ইঙ্গিত টোৱে উচুপনি প্রকাশ হবলৈ নিদিলে। পিছবফালে চাই দেখো যে মামীয়ে চাহৰ কাপটো লৈ আগবাঢি আহিছে। চাহপানী টোপা কোনো মতে শেষ কবি ওলাই আহিলোঁ। বিদায় লোৱাৰ আগতে মামীয়ে স্বাভাবিক ৰূপেই মোক সুধিছিল "মামায়েবাক কেনে দেখিলা? ভাল পাব, নহয় জানো"?

মই কি উত্তৰ দিম? "মামাতো ভালেই আছে" বুলি ঘৰ ডাঙৰ মিছা কথা এযাৰ কৈ ঘৰমুৱা হলোঁ। ঘৰলৈ আহি পৰিবাৰক মামাৰ অসুখটোৰ কথা কবলৈ বৰ ইচ্ছা হৈছিল, কিন্তু নকলোঁ। আৰু কেইদিন? মামাই ইমান কষ্ট পায়ো মুখত হাঁহি বিবিঙাৰ পাবিছে, মামীক কথাটো নোকোৱাকৈ থাকিব পাবিছে, আৰু অসম্ভৱ মনোবলৰ দ্বাৰা তেওঁক আশ্রয় কবি থকা লোক সকলক মনোকষ্ট দিয়াৰ পৰা বিৰত থাকিব পাবিছে, মইনো তেওঁৰ সেই বিষয়ত মাত মাতিবলৈ যাওঁ কিয়?

কথাটো মোৰ বাবে মৰ্ম্মস্পর্শী কিন্তু গভীৰ ভাবে চিন্তা কবিব-লগীয়া। তেতিয়া কৰ্কটবোগ-সম্বন্ধে বিশ্বব্যাপী গবেষণা চলিছে। শাস্ত্রকাৰ সকলৰ মতে এইবিধ ক্রিয়াহীন কৰ্ম্মজবোগ। কিন্তু আজিৰ দিনৰ বৈজ্ঞানিক সকল ক্রিয়াহীন হৈ থাকিব নোখোজে। তেওঁলোকে এই বোগৰ মূল কাবণ; কেতবোৰ জীবকোষৰ উদ্দেশ্যহীন বৃদ্ধি "পার্পাচ্‌লেচ্‌ গ্রোথ্‌ অব্‌ চায়্‌ চেল্‌চ্‌" বুলি কয়। বহু বৈজ্ঞানিকে পৰিসংখ্যা ভিত্তিক গবেষণা কবি প্রচাৰ কবিলে যে দিনে কুৰিটাকৈ চিগাবেট কুৰিবছৰ ধবি সেবন কবা লোকৰ কৰ্কটবোগ হোৱাৰ সম্ভাবনা কুৰি শতাংশ বেছি। ময়ো এই বিষয়ে অলপ চর্চ্চা কবিছিলোঁ আৰু কৰ্কট বিজ্ঞানী সকলৰ এই প্রচাৰ পত্রৰ অলপ ব্যঞ্জনাৰ সুৰ টোলৈছে মন কবিছিলোঁ।

এই ভাবটো মনলৈ অহাৰ কাৰণ মামা। বিজ্ঞানে কয় যে চিগাৰেট সেৱন মনৰ বুভুক্ষাৰ ফল আৰু মদ সেৱন শৰীৰ সম্বন্ধীয় বুভুক্ষাৰ ফল। (One smokes cigarrete to satisfy psychological hunger and drinks alcohol to satisfy physiological hunger)। মামাৰ চিগাৰেটৰ প্ৰতি হয়তো অকণমান হাবিয়াস আছিল, কিন্তু ই ইমান সংযত যে নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। তেওঁ ধপাতৰ গুৰিৰে নিজে বনোৱা চিগাৰেট খাইছিল। ধপাতৰ মিঞ্জাৰ অকণমান হাতত লৈ কাকতত মেৰিয়াই চিগাৰেট যেন কৰোঁতেই তেওঁৰ এই হাবিয়াস পূৰণ হয়। তাৰ পিছত হঠাৎ মনত পৰিলে দিয়াচলাইটো জেপৰ পৰা উলিয়াই ললেই বোধকৰো চিগাৰেট খোৱা যেন পায়। এটা চিগাৰেট কেবাবাৰো জ্বলাই শেষ কৰোতে তেওঁক চাৰি পাচ ঘণ্টা মান লাগে। দিনটোৰ ভিতৰত তেওঁ কিজানি দুটা বা আঢ়ৈটা নিজে বনোৱা চিগাৰেট হে খাইছিল। চিগাৰেটৰ ধোৱাই যদি কৰ্কট ৰোগৰ এক শতাংশ কাৰণো হয়, তেন্তে মামাৰ সেই ৰোগ হব নালাগিছিল। কিন্তু বিধাতাৰ বিধান সদায় বিচিত্ৰ। তেওঁৰ মানসিক সংযমৰ এই ছবিটিয়ে তেওঁৰ স্মৃতি মোৰ মনত আজীৱন সজীৱ কৰি ৰাখিব।

স্বৰ্গীয় উমাকান্ত গোস্বামীৰ জীৱন চৰিত লিখিবৰ মই প্ৰয়াস কৰা নাই। মোৰ নিজা অনুভূতিৰ দ্বাৰা তেওঁক সুঁৱৰিবৰ চেষ্টা কৰিছোঁ মাথোন। এই স্মৃতিচাৰণৰ দ্বাৰা মামাৰ পবিত্ৰ চৰণত মোৰ শ্ৰদ্ধাৰ চকুলো এটুপি চটিয়ালো মাথোন।

—x—

শ্রদ্ধেয় উমাকান্ত গোস্বামী-এটা দিশৰ গৰা

জাষ্টিছ পার্ব্বতী কুমাৰ গোস্বামী

প্ৰফেছৰ উমাকান্ত গোস্বামী আমি কটন কলেজত পঢ়ি থাকোঁতে অবিভক্ত ভাৰতৰ শ্ৰীহট্টৰ মুৰাৰিচান্দ কলেজৰ অৰ্থনীতি বিষয়ৰ মুৰব্বী অধ্যাপক আছিল। তেতিয়া প্ৰফেচাৰ ব্ৰাউন চাহাব ইং ১৯৩২ চনত অবসৰ লৈ বিলাতলৈ গ'লগৈ, উমাকান্ত গোস্বামীয়ে কটন কলেজৰ অৰ্থনীতিৰ মুৰব্বী অধ্যাপক হিসাবে প্ৰফেছৰ ব্ৰাউনৰ ঠাই পুৰালে। সেই সময়ত অৰ্থনীতি বুলিলে ৰাজনীতি (Politics) ও যুক্ত আছিল।

মই তেতিয়া কটন কলেজৰ ডিগ্ৰী পৰীক্ষাৰ ৪র্থ বাৰ্ষিক শ্ৰেণীৰ অৰ্থনীতিৰ অনাৰ্চশ্ৰেণীৰ ছাত্ৰ আছিলোঁ; আৰু তেখেত আহোঁতে শেষ পৰীক্ষালৈ কেৱল তিনি চাৰিমাহ মানহে আছিল।

উমাকান্ত গোস্বামীৰ বিষয়ে আগৰে পৰা আমাৰ অতিশয় ভাল ধাৰণা আছিল আৰু আমি তেখেতৰ প্ৰথম দিন শ্ৰেণীত প্ৰবেশ কৰালৈ আগ্ৰহান্বিত হৈ আছিলোঁ।

প্ৰথম দিনাই তেখেতে গোটেই শ্ৰেণীটো মুগ্ধ কৰিলে; নিজে ভাবুক প্ৰকৃতিৰ আৰু নিজে নাহাঁহিলেও অৰ্থনীতিৰ জটিল বিষয়টো বিশ্লেষণ কৰোঁতে গোটেই শ্ৰেণীটোক মাজে মাজে ৰসিক অথচ সংলগ্ন একোটা কথা কৈ হঁহুৱাব পাৰিছিল।

আমাৰ তৎ নাই—পৰীক্ষা আহিছে, আমাক লাগে কি প্ৰশ্ন আহিব পাৰে। বিশেষকৈ কোনখন বচনা আহিব পাৰে, এইবোৰ কথাই জুকলা কৰিছে। তেতিয়া পৃথিবীৰ অৰ্থনৈতিক সঙ্কট চলিছে আৰু টকাৰ মূল্য বাঢ়ি বস্তুৰ মূল্য একেবাৰে তলি পাইছেগৈ। এখন নতুন জাপানী বাইচাইকেল ২৫ টকাতে কিনিব পাৰি।

তেখেতক কোৱা হল যে পৃথিবীৰ বাণিজ্য সঙ্কটৰ (Trade dilemma) বিষয়ে বচনা আহিব বুলি ধাৰণা কৰা যায় আৰু সেইখন প্ৰশ্ন কাকতত বচনাৰ বাবেই ১০০ নম্বৰ। আমাক ভালকৈ বুজাই দিব লাগে।

তেখেতে তৎক্ষণাৎ বক্তৃতা আৰম্ভ কৰিলে আৰু ইমান জটিল বিষয়টো প্ৰাঞ্জল ভাষাত চুটিকৈ বুজাই দিলে। তেখেতৰ আৰু এটা ভাল অভ্যাস আছিল কথাখিনি বুজোৱাৰ পিচতেই "লিখি লোঁ।" (Write down) বুলি প্ৰায় এপিঠিৰ টোকা এটা দিয়ে। এইটো দিয়াৰ এক উদ্দেশ্য আছিল যে ছাত্ৰই মুখস্থ নকৰি যাতে ভাবিবলৈ সুবিধা পায় আৰু নিজেই বিষয় বস্তুটো সম্পূৰ্ণ আয়ত্ত কৰি আন ঠাইৰ পৰা পৰিপূৰক অধ্যয়ন কৰি নিজৰ বৈশিষ্ট প্ৰদৰ্শন কৰিব পাৰে। এটাকথা এইখিনিতে কব লাগিব য়ে ইমান জটিল সমস্যাটো বুজাওঁতে আৰম্ভ কৰিলে "Where has the gold gone ? Has it been thrown into the Brahmaputra ? "গোটেই শ্ৰেণীটোৱে হাঁহিবলৈ ধৰিলে আৰু সেই দিনাৰ পৰাই তেখেতে ছাত্ৰ সকলৰ অন্তৰ জয় কৰিলে।

মই তেখেতৰ ওচৰত প্ৰায় ৩/৪ মাহ পঢ়িছিলোঁ যদিও মোৰ তেখেতৰ লগত সান্নিধ্য অতি ওচৰ আৰু আপোন ভাবৰ হৈছিল। তেখেতৰ ডিব্ৰুগড়ৰ সম্ভ্ৰান্ত ফুকন পৰিয়ালৰ লগত দ্বিতীয় বিবাহ সম্পৰ্কত, মই তেতিয়া ডিব্ৰুগড়ত থাকোঁ বাবে, মোৰ মতামত লবলৈ কুণ্ঠা বোধ নকৰিছিল আৰু মোৰ কথাত পতিয়ন গৈছিল। অধ্যাপক এজনে ছাত্ৰৰ লগত বন্ধু হিসাবে কথা পাতিব পৰা সেই সময়ত আমাৰ ধাৰণাৰ অতীত আছিল।

উমাকান্ত গোস্বামী এজন সৎ, সাধু, পৰোপকাৰী, নিৰহঙ্কাৰী সৰল স্বভাবৰ পুৰুষ। মেধাবী যদিও মেধা প্ৰকাশ কৰিবলৈ যেন চুচুক চামাক কৰে আৰু ইয়াতেই মাজে মাজে গভীৰ পাণ্ডিত্য স্বতঃস্ফূৰ্ত ভাবে বিৰিঙি উঠি তেখেতৰ ব্যক্তিত্বৰ সম্পূৰ্ণতা উপলব্ধি কৰোৱায়।

মোৰ শিক্ষকসকলৰ ভিতৰত তেখেতলৈ আজিও মনত পৰে। স্মৃতি ক্ষয় পৰি যোৱা নাই। অৰ্দ্ধশতিকাৰো পূৰ্ব্বৰ সম্বন্ধ আজিও উজ্জ্বল।

মই আশাকৰোঁ তেখেতৰ বিষয়ে তেখেতৰ সুযোগ্যা সহধৰ্ম্মিনীয়ে সম্পাদনা কৰা আপুকগীয়া স্মৃতি গ্ৰন্থ খনিয়ে ছাত্ৰ শিক্ষক উভয় মণ্ডলীক নতুন প্ৰেৰণা যোগাব॥

নতুন দিল্লী
৬।৯।৮৯

—×—

পূজনীয় গুৰু উমাকান্ত গোস্বামীদেৱৰ স্মৃতিত

শ্ৰী গৌৰীশংকৰ ভট্টাচাৰ্য্য

১৯৩৫ চন। কটন কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত নাম লগালোঁহি। মোৰ দৰে দুখীয়া আনকেজনমান ছাত্ৰৰ লগ লাগি চেনিকুঠি হেপি-ভিলাত এটা সৰু খেৰী ঘৰ ভাৰালৈ লৈ বাঁহৰ পাতিলোঁ। উমাকান্ত গোস্বামীদেৱ কটন কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক। তেতিয়া অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান বেলেগ বেলেগ বিষয় নাছিল; একেটা বিষয়ৰে দুটা শাখা আছিল আৰু থুপতে বিষয়টোক অৰ্থ-নীতি বিভাগ বুলি কোৱা হৈছিল। প্ৰাক্ স্নাতক স্তৰত বিষয়টোক "চিভিক্চ্" অৰ্থাৎ সমাজ-বিষয়ক শাস্ত্ৰ বুলি কোৱা হৈছিল। সেই সময়ত গোস্বামীদেৱ চেনিকুঠিৰ ঘাই পথটোৰ দাঁতিত থকা ৰাধানাথ ফুকনদেৱৰ হাউলিটোত ভাৰাতীয়া হিচাপে আছিলোঁ। কলেজলৈ অহা-যোৱা কৰাত তেওঁ এখন ৰাই-চাইকেল বাহন হিচাপে ব্যৱহাৰ কৰিছিল। সেইখন "ফুট-ষ্টেপ" লগোৱা চাইকেল আছিল। তাৰ ওপৰত বাওঁ ভৰিখনদি জপিয়াই চাইকেলত আৰোহণ কৰিছিল। চেঙেলীয়া লৰা বিলাকৰ দৰে চিধা "প্যাদেলত" ভৰিদি জপিয়াই মুঠিছিল। আৰু এজন ভদ্ৰলোকক তেখেতৰ নিচিনাকৈ চাইকেলত উঠা লক্ষ্য কৰিছিলোঁ। সেইজন আছিল সিদ্ধিনাথ শৰ্মাদেৱ। সাজ-পোছাকত অধ্যাপকৰ ভূমিকাত গোস্বামীদেৱ পুৰা-দস্তুৰ চাহাব। টিকা-ফটা ৰ'দৰ বতৰতো তেখেতৰ পিন্ধনত জোতা মোজ, প্যাণ্ট্-টাই, কোট-হ্যাট। তেখেতৰ হ্যাটটো আছিল "ষ্ট্ৰ-হ্যাট্"। "কেণ্ট্-হ্যাট্" বা আন কোনো ধৰণৰ শিৰস্ত্ৰাণ লোৱাটো সেই সময়ত তেওঁৰ অভ্যাস নাছিল। কিন্তু ঘৰুৱা বা সামাজিক বাকী কোনো ভূমিকাতে তেওঁক চুৰীয়া আৰু পাঞ্জাবী চোলাত বাহিৰে আন কোনো সাজ-পাৰত দেখাটো মোৰ মনত নপৰে। সকলো ধৰণৰ আৱশ্যৱ বিবৰ্জিত, কিন্তু নিখুঁত ভদ্ৰতাৰে

চাফ-চিকুণ আছিল তেওঁৰ ব্যক্তিগত চাল-চলন, আচাৰ-ব্যৱহাৰ। চাৰিটা বছৰ মই তেখেতৰ তলত প্রত্যক্ষ ছাত্র হিচাপে আছিলোঁ। যিমানেই দিন আগুৱাই গৈছিল সিমানেই এই সুদীর্ঘ কাল-ছোৱাত মই তেখেতৰ ভিতৰত আমাৰ প্রাচীন পৰম্পৰাৰ গুৰুৰ সকলোখিনি গুণ দেখিবলৈ পাইছিলোঁ। অকল ময়েই নহয়। মই জনাত সকলো ছাত্র-ছাত্রীৰে তেখেত সমানে ভক্তি আৰু শ্রদ্ধা ভাজন আছিল।

এক হিচাপে গোস্বামীদেৱক নাৰিকল ফলটোৰ লগত বিজাব পাৰি। নীৰস আৱৰণৰ অন্তৰালত থকা সুস্বাদু খাদ্য আৰু সুশীতল পানীয়ৰ গুণতে নাৰিকল দেৱ-পূজাৰ উৎকৃষ্ট নৈবেদ্য-ফল। গোস্বামী-দেৱৰ সান্নিধ্যলৈ অহা সকলোলোকে একমুখে স্বীকাৰ কৰিব যে তেখেতৰ দৰে সুৰসিক লোক অত্যন্ত বিৰল। ৰাজনীতি-বিজ্ঞান তেখেতৰ অধ্যাপনাৰ বিষয় আছিল। হাস্য-ৰসৰ মাধ্যমেৰে তেখেতে বিষয়টো এনেকুৱা সৰস আৰু সহজ কৰি তুলিছিল যে তেখেতৰ শ্রেণীত কোনো হাই-উকমি, নহৈছিল কোনেও "প্রকৃছি" নিদিছিল। উপভোগ্য অধ্যয়নৰ কাৰণেই ছাত্র-ছাত্রীসকলে তেখেতে লোৱা শ্রেণীত ভিৰ কৰিছিল। হাস্য-ৰসক বিষয়-পৰিবেশনৰ উপাদান হিচাপে ব্যৱহাৰ কৰিছিল সঁচা, কিন্তু তেওঁ নিজে পৰিপূর্ণ গাম্ভীর্য্য ৰক্ষা কৰিছিল। ই এটা ডাঙৰ কলা। কিছুমানৰ ধাৰণা যে হাস্য-ৰসিক লোক নিজেও হাঁহি হাঁহি ভাগৰি পৰে। কিন্তু গোস্বামীদেৱৰ দৰে গভীৰ ৰসজ্ঞ লোকৰ ক্ষেত্রত সেইটো প্রযোজ্য নহয়। যজ্ঞ-কাষ্ঠ সমী-বৃক্ষ অগ্নি-প্রজ্জ্বালকেৰে ভৰপূৰ, কিন্তু বাহিৰৰ পৰা সেইটো দেখা নাযায়। প্রকৃত হাস্য-ৰস তৰল পদার্থ নহয়, তাত থাকে এটা গধুৰ গাম্ভীর্য্য। প্রগল্‌ভতা, চপলতা বা ধৃষ্টতা ইয়াৰ ওচৰে-পাজৰে আহিব নোৱাৰে। যিটো বিষয়ত বক্তাৰ গভীৰ, বিস্তীর্ণ আৰু স্পষ্ট জ্ঞান থাকে, সেই বিষয়টোহে সহজবোধ্য ভাষাত আৰু ৰসপূর্ণ ভাৱে ব্যাখ্যা কৰাটো সম্ভৱ। গোস্বামীদেৱৰ বিদ্যা, জ্ঞান আৰু ব্যক্তিত্ব অ-কৃত্রিম আৰু সু-মহান হোৱা কাৰণে তেখেতে নিজস্ব স্থিতধী-গাম্ভীর্য্য ৰক্ষা কৰি আনক উল্লসিত কৰিব পাৰিছিল।

গোস্বামীদেৱ জীৱন-যাত্ৰাত হিচাবী লোক আছিল। বিলাসিতা বা আৱশ্যকত তেওঁ কেতিয়াও অৰ্থ-ব্যয় নকৰিছিল। কিন্তু প্ৰয়োজনত আৰু পৰোপকাৰত ধন-ব্যয় কৰিবলৈ তেওঁ কেতিয়াও কৃপণালি নকৰিছিল। এই বিষয়ে মোৰ নিজৰ অভিজ্ঞতাৰ কথা কৈছো। কেৱল বৃত্তিৰ টকা কেইটাই মোৰ একমাত্ৰ সম্বল হোৱা কাৰণে মই কলেজৰ মাচুল মাফ্ পাবৰ কাৰণে দৰ্খাস্ত কৰিছিলোঁ আৰু মোৰ দৰ্খাস্তৰ সমৰ্থনত প্ৰমাণ-পত্ৰ এখন বিচাৰি মই তেখেতৰ ওচৰলৈ গৈছিলোঁ। তেখেতে প্ৰমাণ-পত্ৰখন দি উঠি কলে যে যদিহে মোৰ বিশেষ অসুবিধা হৈছে আৰু বিশেষ কোনো আপত্তি নাথাকে, তেন্তে মই তেওঁৰ হাউলিতে অবিনাশ দৈত্যাৰিৰ দৰে থাকিব পাৰোঁ। এই অবিনাশ দৈত্যাৰিজন এজন দুখীয়া চিলটীয়া ছাত্ৰ আছিল আৰু তেখেতে চিলেট মুৰাৰিচাঁদ কলেজত অধ্যাপনা কৰা কালৰে পৰা তেখেতৰ লগত থাকি পঢ়াশুনা কৰিছিল। তেখেতৰ ভায়েক চন্দ্ৰ গোস্বামীৰ উপৰিও আন কোনো কোনো আত্মীয়-স্বজনো তেখেতৰ লগত থাকি পঢ়াশুনা কৰিছিল। তেওঁৰ সহৃদয় প্ৰস্তাৱৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জনাই মই তেখেতে আগবঢ়োৱা সাহায্যখিনি গ্ৰহণ নকৰিলোঁ সঁচা, কিন্তু তেখেতৰ সহৃদয়তাৰ কাৰণে চিৰ জীৱনলৈ কৃতজ্ঞ থাকিলোঁ।

গোস্বামীদেৱে দাম্ভিকতা পচন্দ নকৰিছিল; কিন্তু আত্ম-সম্মান-বোধক শ্ৰদ্ধা কৰিছিল। এই বিষয়তো মোৰ এটা নিজস্ব অভিজ্ঞতা আছে। মই তেতিয়া অৰ্থ-নীতি বিষয়ত অনাৰ্চ্ লৈ চতুৰ্থ বাৰ্ষিক শ্ৰেণীত পঢ়ি আছিলোঁ। পৰীক্ষাৰ কাৰণে ভালকৈ পঢ়াৰ উদ্দেশ্যে মই পূজা-বন্ধত ঘৰলৈ নগলোঁ। নিউ-হোষ্টেলত বৈ গলোঁ। চৌকিদাৰজনে ভালকৈ বান্ধি-বাঢ়ি খুৱাইছিল। সেই চৌকিদাৰ-জনৰ এখন বাই-চাইকেল আছিল। বাই-চইকেলত উঠাৰ লোভ সম্বৰণ কৰিব নোৱাৰি তাত উঠিলোঁ। মানুহজন তলত আৰু বাইচাইকেলখন ওপৰতহে দ পক্ষী নলাত পৰি সোঁ আঠুৰ ছিলাটো ফটালোঁ। ওচৰতে থকা শিক্ষানুষ্ঠান সমূহৰ আস্পাতাললৈ নি তাত মোক বান্ধা হল। প্ৰায় চাৰিমাহ

শয্যাগত হৈ থাকিলোঁ। সেইসময়ত গোস্বামীদেৱ মোৰ খবৰ লবলৈ আহি কলে যে মোৰ মূল্যৱান কেইটামান মাহ নষ্ট হৈ গল; গতিকে এইবাৰ পৰীক্ষা নিদিয়াই ভাল। তেখেতসকলে মই প্ৰথম শ্ৰেণীৰ অনাৰ্চ্ পাম বুলি আশা কৰিছিল; কিন্তু এই আকস্মিক দুৰ্ঘটনাই সন্দেহৰ সৃষ্টি কৰিলে। ভালদৰে পঢ়ি পিচৰ বছৰত পৰীক্ষা দিয়াটোৱেই ভাল হব বুলি উপদেশ দিলে। মই কলোঁ যে বৃত্তিৰ টকা কেইটা আৰু বিনা-মাচুলে কলেজত পঢ়াৰ সুবিধাই মোৰ একমাত্ৰ সম্বল। তেনেস্থলত এই সুবিধাবোৰৰ পৰা বঞ্চিত হৈ পিচৰ বছৰত পৰীক্ষা দিয়াৰ কথা মই ভাবিবই নোৱাৰোঁ; দ্বিতীয় শ্ৰেণীৰ অনাৰ্চ্ এটা পালেও হব, তথাপি মই সেই বছৰতে পৰীক্ষা দিম। তেখেতে কলে যে টকা-পইচাৰ কিবা এটা ব্যৱস্থা হবগৈ। কিন্তু মই যেতিয়া অতি বিনীত অথচ দৃঢ়ভাৱে নিবেদন কৰিলোঁ যে আনৰ ওচৰত সহায়-ভিক্ষা কৰাটো মোৰ আত্ম-সম্মানৰ বিপৰীত-ধৰ্মী কথা, তেখেতে অতি প্ৰসন্নভাৱে মিচিকিয়াই হাঁহি কলে যে তেখেতে মোৰ মনোভাৱ আৰু মনোবল দেখি অতি সন্তুষ্ট হৈছে আৰু আশা ৰাখিছে আৰু আশীৰ্বাদ দিছে যেন ভগৱানে মোৰ মতি-গতি এনেকুৱাকৈয়ে ৰাখে। এতিয়াও মোৰ মতিগতি তেনেকুৱা আছেনে নাই কব নোৱাৰোঁ। কিন্তু গোস্বামী গুৰুদেৱৰ এই শুভ-ইচ্ছা আৰু আশীৰ্বাদৰ কথা মই অতি শ্ৰদ্ধা আৰু ভক্তিৰে সৈতে সদায় মনত ৰাখিছো। হস্পিতালৰ পৰা মুক্তি লাভ কৰাৰ পিচত তেখেতে মোক মতাই নি নিজে তদাৰক লৈ মোৰ নষ্ট হৈ যোৱা পাঠাক্ৰমখিনিক থান-থিত লগাই দি বহুত সহায় কৰিছিল। এই সহায় নোপোৱাহলে মোৰ কিজানি অনাৰ্চ্ পোৱা আৰু উচ্চতৰ শিক্ষাৰ কাৰণে কলিকতালৈ যোৱাটো হৈ নুঠিলহেঁতেন।

আত্ম-শ্লাঘা দোষত দূষিত হলেও মই এইখিনিতে মোৰ নিজৰ আন এটা কথা উল্লেখ নকৰাকৈ নোৱাৰিলোঁ। সমাজত যদি মই কিবা প্ৰতিষ্ঠা লাভ কৰিব পাৰিছোঁ, তেন্তে যুক্তি-তৰ্ক বিষয়ত কিছুপৰিমাণে পাৰদৰ্শিতা তাৰ ভিতৰত অন্যতম। গোস্বামীদেৱ এই বিষয়ত—মোৰ

পথ-প্রদর্শক, উৎসাহদাতা আৰু প্রশিক্ষক। ভিতৰলৈ গাৰ্ডৰ পৰা গুৱাহাটীলৈ আহি পোনচাটেই কটন কলেজৰ বিতর্ক আৰু আকস্মিক বক্তৃতাৰ প্রতিযোগীতাত ভাগলৈ সৌভাগ্যৰ মুখ দেখিবলৈ পাওঁ। সেই-সময়ত গোস্বামীদেৱ কটন কলেজ ছাত্রসভাৰ উপদেষ্টা ভাব-প্রাপ্ত অধ্যাপক আছিল। তেখেতে মোক মতাই নি বক্তৃতা আৰু বিতর্কৰ কাৰণে কেনেকৈ প্রস্তুতি কৰিব লাগে আৰু কিভাৱে বক্তব্য ডাঙি ধৰিব লাগে সেই সকলো কথা পুংখানুপুংখ ভাৱে বুজাই দিছিল। তেতিয়ালৈকে মোৰ ভিতৰত নথকা এটা কথা তেখেতে মোক হৃদয়ঙ্গম কৰাইছিল যে তৎকালীন বুদ্ধি প্রয়োগ(Wit) আৰু গধুৰ ৰসিকতা (Humour) উপাদেয় বক্তৃতা বা বিতর্কৰ এটা মূল্যবান আঙ্গিক।

পৰম পূজনীয় উমাকান্ত গোস্বামী দেৱক গুৰু হিচাপে পোৱাটো মোৰ কাৰণে এটা পৰম সৌভাগ্য আছিল। তেওঁৰ স্মৃতিত কৃতজ্ঞ অন্তৰেৰে অজস্র শ্রদ্ধাঞ্জলি অর্পণ কৰিছোঁ।

—×—

অধ্যাপক উমাকান্ত গোস্বামীৰ সান্নিধ্য

ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য

মানুহৰ জীৱনত পিতা-মাতা আদি গুৰু ৰূপে আৰু ক্ৰমে অৱস্থাত-বিষয়ান্তৰে মাহী-মাই, ধাই-মাক, ৰৱদেউতাক, ৰৱ-মাক, ককাদেউতা আইতা, জেঠী-জেঠা, মামা-মামী তথা সগোত্ৰী, গিয়াতী বাপদায় দিয়া বা পোষ্যৰূপে গ্ৰহণকাৰী আই-আমৈ, তাৰৈ-বোপাই আদিও গুৰু। শিক্ষাগুৰু ৰূপে পৰিয়াল-পৰিজনৰ বয়সিয়ালৰপৰা বিদ্যালয় আৰু উচ্চতৰ শিক্ষানুষ্ঠান-প্ৰতিষ্ঠান, সংঘ-সমিতি, ৰাজ্য-ৰাষ্ট্ৰজোৰা এটি প্ৰবাহমান গতিধাৰা চলি আছে। সেই দৃষ্টিৰে আৰু চিন্তাধাৰাৰে ৰাজনৈতিক অৰ্থনীতি আৰু ৰাজনৈতিক দৰ্শন বিভাগৰ মুখ্য অধ্যাপক স্বৰ্গীয় উমাকান্ত গোস্বামীক মোৰ দৰে বহুতো শিক্ষাৰ্থীয়ে গুৱাহাটীৰ প্ৰাচীনতম ফটন কলেজত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনস্থ বিষয়ৰ অধ্যাপনা কালত সম্মান তথা সাধাৰণ উত্তীৰ্ণ শ্ৰেণীৰ পাঠদানত পাইছিল। অধ্যাপক গোঁসাইক মই তিনিবছৰ কাল শিক্ষা গুৰু ৰূপে লগতে কটনৰ উপাধ্যক্ষ হৈ থকা বাবে কটন কলেজীয়া ছাত্ৰ-নিৰ্বাচনত "আনুপাতিক প্ৰতিনিধিত্ব প্ৰয়োগ পদ্ধতি" ৰ উদ্ভাৱকৰূপে.ও নানা সমস্যাত পাওঁ। কিন্তু গোঁসাই মহাশয়ক মই নলবাৰীত গৰ্ডন হাইস্কুলত (১৯৩৬-৪০) থকা কালতে জানিছিলোঁ। নলবাৰী সত্ৰৰ চৈতন্য পন্থী ডাঙৰ গোঁসাই প্ৰভু পণ্ডিত ৺প্ৰতাপ চন্দ্ৰ গোস্বামীৰ অনুজ সৰু গোঁসাই স্কুল ইন্সপেক্টৰ ৺শৰৎ চন্দ্ৰ গোস্বামীৰ ডাঙৰ জোঁৱায়েকৰূপে অৰ্থাৎ ৺প্ৰতিভা দেৱীৰ স্বামীৰূপেহে।

উমাকান্ত গোস্বামী দেৱৰ সৈতে সান্নিধ্যৰ পথত মন্দাক্ৰান্তা গতিৰে চেনিকুঠীত ১৯৪৪ চনত প্ৰতিষ্ঠিত তৰুণলেখক সংঘৰ প্ৰতিষ্ঠাপক সম্পাদক

৺প্রজ্ঞাত গোস্বামী তথা সভাপতি ৺চন্দ্রেশ্বৰ ভট্টাচার্য্য, শ্রীযুতা নিৰুপমা দেৱী গোস্বামী, (ডঁ) শ্রীযুত প্রফুল্ল দত্ত গোস্বামী (৺উমাকান্ত গোস্বামী মহাশয়ৰ ডাঙৰ জোঁৱাই) আদিৰ জৰিয়তে, বি, বৰুৱা কলেজৰ গভর্নিং বডীৰ সদস্যৰ আসনত থকা, কামৰূপ অনুসন্ধান সমিতিৰ কর্মকর্ত্তা তথা সম্পাদক পদত থকা, 'সমবায়' নামৰ অর্থনীতি বিষয়ক তাত্ত্বিক, তথ্যপুর্ণ আৰু শিক্ষার্থী সহায়ক পুথিৰ ৰচক, পণ্ডিত কনক চন্দ্র শর্মা কাব্যতীর্থৰ সম্পাদিত 'ৰামায়ণ'ৰ পাতনি লেখকৰূপে, অসমৰ শিক্ষা-ধিকাৰ ৰূপে শিলং তথা গুৱাহাটীৰ চেনিকুঠী বাসভৱনত নানা কাৰণত, উপলক্ষত, সভা-সমিতি, উৎসৱে- ব্যসনে চৈৱ····· শিক্ষাবিদ্, প্রশাসক, স্থিতপ্রজ্ঞ, গুৰু-গম্ভীৰ, দর্শনশাস্ত্রীয় উর্ধচিন্তাশীল উমাকান্ত গোস্বামী মহাশয়ক মই অধমে শিক্ষাগুৰুৰূপে পাইছিলোঁ আৰু গুণগ্রাহী সান্নিধ্য, শিক্ষাদান, উপদেশ-পৰামর্শ বহু ক্ষেত্রত লাভ কৰি ধন্য হৈছিলোঁ: এই সকলো বিষয় কিন্তু সর্বজন প্রকাশ্য হব নোৱাৰে-এয়া গুৰু-শিষ্য ৰহস্য-বৃত্তি ।

অসমৰ তথা ভাৰতবর্ষৰ জনজীৱনত লোকমান্য গঙ্গাধৰ তিলক, পণ্ডিত মদন মোহন মালব্য, মহাত্মা গান্ধী, গোপীনাথ ৰবদলৈ, তৰুণ ৰাম ফুকন, নবীন চন্দ্র ৰবদলৈ, মানিকচন্দ্র বৰুৱা, জগন্নাথ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহঞিবৰুৱা আদিক যিদৰে মান্যতা দিছে, অসমৰ শিক্ষা জগতৰ প্রশাসন-প্রসাৰণৰ বুৰঞ্জীত কানিংহাম, জি-এ-স্মল, শৰৎ চন্দ্র গোসাঁই, দুর্গাধৰ ৰৰকটকী, উমাকান্ত গোস্বামী, দিবাকৰ গোস্বামী, ডঁ হিৰণ্য কুমাৰ ভূঞা, ডঁ সূর্য্যকুমাৰ ভূঞা, ডঁ ৰাধীকান্ত কাকতি, প্রাচ্যবিশাৰদ অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ, ডঁ বিৰিঞ্চি কুমাৰ বৰুৱা আদি বিগত পুৰুষ সকলক বাইজ তথা লেখক-লিখিকা, সাহিত্যানুষ্ঠান, শিক্ষা, প্রকাশন, বিশ্ববিদ্যালয় আদি অনুষ্ঠানে কেনে ধৰণৰ স্বীকৃতি মান্যতা দিয়ে—সেয়ে ভৱিষ্যতৰ বুৰঞ্জী আৰু নবাগত পুৰুষ-নাগৰিক সমাজে নির্ণয় কৰিব।

গুৰু কৃপাহি কেৱলম্-বুলি বৈদিক সনাতন আর্য্যহিন্দু ধর্মত বিশ্বাস

বাধি, কিবাত-ভাষা-সাহিত্য- সংস্কৃতিব বিষয়ে গুরু আজ্ঞা শিবে ধবি যোৱা তিনি কুবি বছবে শিক্ষার্থী জীৱনত প্রয়াত তথা জীৱিত বহুজনা গুরু তথা গুরুপত্নীব স্নেহধন্য হৈ অনুভব কবিছো-নিষ্ঠাবান্, শিক্ষা-জ্ঞানব কৃতবিদ্যা, নিবহংকাবী, মার্জিত, চিন্তাশীল, সুধীব, সু-বিবেচক শিক্ষক প্রশাসক-সমাজসেৱক-সাহিত্যসেৱী আদি ৰূপত দক্ষিণ কামৰূপব আমবাঙ্গা সত্রব গোঁসাই উমাকান্ত মহাশয়ক ওচবত পায়ো বহুত কথা শিকি-বুজি লবব অৱকাশ নেপালোঁ। তথা চবৈৱতি॥

—×—

উমাকান্ত গোস্বামীদেৱৰ স্মৌৱৰণত

দণ্ডেশ্বৰ গগৈ

পৰম শ্ৰদ্ধাস্পদ স্বৰ্গীয় উমাকান্ত গোস্বামী মোৰ শিক্ষাগুৰু আছিল। আমি কটন কলেজত ৩য় বাৰ্ষিক শ্ৰেণীত পঢ়ি থাকোতে তেখেত মুৰাৰিচাঁন্দ কলেজৰ পৰা আহি কটন কলেজত মুখ্য অধ্যাপক হিচাবে যোগ দিয়ে। নকলেও হব, যে তেখেতেই একমাত্ৰ প্ৰথম অসমীয়া যি মুৰাৰিচাঁন্দ কলেজত অধ্যাপক হিচাবে ১৯৪০ চনৰ আগতে কাম কৰিছিল আৰু সুখ্যাতি লাভ কৰিছিল। মই প্ৰথমে মুৰাৰিচাঁন্দ কলেজত অস্থায়ী টিউটৰ হিচাবে ১৯৩৮ চনৰ ডিচেম্বৰত যাওঁতে তেখেতৰ তলত শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলে আৰু অন্যান্য অধ্যাপক সকলে তেখেতৰ গুণ বখানিছিল। তেখেতৰ পাচত ময়ে অৰ্থনীতি বিষয়ত প্ৰথমে মুৰাৰিচাঁন্দ কলেজলৈ যাওঁ, মোৰ পাচত অৱশ্যে কেইজনমান ডেকা অধ্যাপকে তাত কাম কৰিছিল।

আমি পঢ়াৰ সময়ত অৰ্থনীতি বিষয়ত অৰ্থনীতি আৰু ৰাজনীতি একেলগে আছিল। স্বৰ্গীয় গোস্বামী প্ৰথম দিনা আমাৰ শ্ৰেণীলৈ আহি ৰাজনীতিৰ শ্ৰেণী লৈছিল আৰু প্ৰথমে সোমায়েই ছাত্ৰ-ছাত্ৰী সকলৰ মন আকৰ্ষণ কৰিবলৈ খুহুটীয় কথা কৈছিল। যি কিতাপ পঢ়িলে বিষয়টোৰ সম্যক জ্ঞান হয়, সেই কিতাপৰ নাম আৰু কোনে লিখিছে, কৈ বক্তৃতা আৰম্ভ কৰিছিল। তেখেতৰ ভাষা সুন্দৰ আৰু সকলোৱে বুজিব পৰাকৈ প্ৰদান কৰিছিল। কোট, পেণ্ট, টাই আৰু টুপীৰে শ্ৰেণীৰ কোঠাত সোমায়েই টুপী মেজত ৰাখিছিল আৰু দুই এটা খুহুতীয় কথাৰে, নিজৰ বক্তৃতা দিছিল। সময়ে সময়ে অৱশ্যে নোট দিছিল আৰু সেইবোৰ লিখি লবলৈ ছাত্ৰ সকলক কৈছিল, কাৰণ ভাল মন্তব্য থকা প্ৰখ্যাত লিখকৰ পৰা নোট বিলাক লিখিছিল।

মই অধ্যাপক হিচাবে তেখেতক ১৯৭০ চনৰ পৰাই পাওঁ আৰু তেখেতৰ তলত কাম কৰি অভিজ্ঞতা অর্জন কৰো। সেই সময়ত তেখেত কটন কলেজৰ ২নং ছাত্রবাসৰ চুপাৰিনটেন্‌ডেণ্ট আছিল। কিন্তু ২য় মহাসমৰত যেতিয়া কটন কলেজ আৰু হোষ্টেল বিলাক অধিগ্রহণ কৰে; তেতিয়া তেখেত হোষ্টেলৰ পৰা যাব লগা হয়। উজান বজাৰৰ এটা ভাৰা ঘৰত থাকোতে বহুতো অসুবিধাৰ সম্মুখীন হয়। পাচত বহুত চেষ্টা কৰি তেখেতে নিজৰ ঘৰ নির্মাণ কৰি, তাতে পাচত বসতি কৰে, আমি কেইজন অধ্যাপকে গুৱাহাটীৰ বিভিন্ন ঠাইত ঘৰ ভাৰা কৰি নতুন হোষ্টেল স্থাপন কৰাৰ কামত ব্যস্ত হোৱাত তেখেতে বুদ্ধি পৰামর্শ দি সহায় কৰিছিল।

অর্থনীতিৰ মুখ্য অধ্যাপক হিচাবে কাম কৰোতে তেখেতে মৰমৰ বশবর্তী হৈ কেতিয়াবা নকৰিবলগীয়া কাম কৰিবলৈ বিছাৰিছিল। সেই সম্বন্ধে এটা ঘটনা মই জানো—প্রমোচনৰ সময়ত এজন ছাত্রক প্রমোচন দিয়া নহল, কম নম্বৰৰ বাবে। তেতিয়া লৰাজন তেখেতৰ ওচৰ চপাত তেখেতে লৰাটোক বিবেচনা কৰিবৰ কাৰণে Principal লৈ লিখিছিল। কিন্তু সেই সময়ত স্বর্গীয় বাণীকান্ত কাকতি অধ্যক্ষ আছিল, তেখেতে পৰীক্ষাৰ খবৰ ওলোৱাৰ পাচত কোনো পৰিবর্ত্তণ নহয় বুলি ক'লে আৰু প্রমোচন নিদিলে। তেখেতে যেয়া পাই মোক কৈছিল লৰাটোৰ অসুবিধাৰ কথা শুনিহে তাক সহায় কৰিব বিছাৰিছিল। ইয়াৰ পাছত তেখেত শিক্ষাধিকাৰ হৈ শিলঙলৈ যায়। সেই সময়ত মোকো D.P.I. পাতিবলৈ, Dy. Director হিচাপে নিবলৈ চেষ্টা কৰিছিল আৰু মোক মাষ্টি হবৰ বাবে কৈছিল। কিন্তু সেই সময়ৰ নিয়মমতে মই অধ্যাপক হৰ নোৱাৰাত সেইটো সম্ভৱ নহল। তেখেতে সুখ্যাতিৰে শিক্ষাধিকাৰ পদত থাকি অৱসৰ গ্রহণ কৰে আৰু নিজৰ বাসভৱনত বাকী দিন কটায়।

কেইবাবছৰ মানৰ পাছত স্বর্গীয় দিবাকৰ গোস্বামী শিক্ষাধিকাৰ হয় আৰু তেখেতৰ দিনতে ১৯৫০ চনত মোক স্কুল পৰিদর্শক হিচাবে নিযুক্তি দিয়ে আৰু অতি মৰমৰ কটন কলেজ এৰিব লগা হয়; কিন্তু

ঘূৰ্ণৰ সময়ত সকলো শ্ৰেণীতে কলেজৰ যাবতীয় কাম কৰি যি অভিজ্ঞতা লাভ কৰো, তাক পৰবৰ্তী কালত পুনৰ অন্যান্য ছাত্ৰ-ছাত্ৰী সকলে লাভ কৰাত সমৰ্থ হয়। স্বৰ্গীয় গোস্বামীৰ মোৰ প্ৰতি থকা মৰম চেনেহ মই কেতিয়াও পাহৰিব নোৱাৰো। স্বৰ্গীয় গোস্বামীৰ সম্বন্ধে তেখেতৰ জীয়নৰ দিশ সমূহ আৰু শিক্ষাৰ প্ৰতি তেখেতৰ অমূল্য অৱদানৰ কথা অৱগত হলে নিশ্চয় পৰবৰ্তী সকলৰ উপকাৰ হব। তেখেতৰ মেধাবী আৰু সকলোৰে প্ৰতি থকা উদাৰ মনোভাব সকলোৰে অনুকৰণীয়।

তেখেতৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলী জনালোঁ।

—x—

চাৰৰ সোঁৱৰণত

শ্ৰীৰাম প্ৰসাদ খাউন্দ

অৰ্দ্ধ শতাব্দীৰো আগৰ কথা, চাৰৰ লগত ঘকৰা ভাৱে পৰিচয় আছিল। ১৯৩২—৩৩ চনত মই কটন কলেজত বি, এ মহলাৰ ছাত্ৰ। চাৰ তেতিয়াৰ চিলেটৰ মুৰাৰিচাঁন্দ কলেজৰ পৰা কটন কলেজলৈ বদলি হৈ আছিল-অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক হৈ। আমাৰ সান্নিধ্য বাঢ়িল।

মই অৰ্থনীতিৰ অনাৰ্চ শ্ৰেণীৰ ছাত্ৰ আছিলোঁ। প্ৰথমতে আমি সেই শ্ৰেণীত ২০ জন মান ছাত্ৰ হৈছিলোঁ। শেহলৈ তাৰে ৮।১০ জন মানহে থাকিল গৈ। ৰাজনীতি বিষয়ৰ সাধাৰণ আৰু অনাৰ্চ ক্লাচ চাৰেই লৈছিল। মই তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ নাছিলোঁ। ওখ মজলীয়া শ্ৰেণীৰে আছিলোঁ। আত্মীয় ভাৱৰ পৰাই নে কি জানো চাৰে মোক ভাল পাইছিল, আৰু সেই বাবেই নে কি পৰীক্ষাত তেখেতৰ কাকতত প্ৰায়েই মোক সৰ্ব্বোচ্চ নম্বৰ দিছিল।

চাৰ গম্ভীৰ পুৰুষ, অন্তৰ কৌতুক-ৰহস্যেৰে ভৰা। চাল-চালন আৰু হাস্যোদ্দীপক ছুটি কৌতুক উক্তিৰ বাবে ছাত্ৰ সকলে তেখেতক চাৰ্লি চেপলিন আখ্যা দিছিল। তেখেতৰ ভিতৰত থকা ৰসৰ ৰহঘৰাৰ কথা তেখেতৰ সান্নিধ্যলৈ অহা সকলেহে জানিছিল। সাহিত্য-সংস্কৃতি ৰাজনীতি সমাজনীতি আদি বহু বিষয়ত তেখেতৰ ৰাপ আছিল। সেই দিশত অৱশ্যে চাৰে আত্ম প্ৰকাশ নকৰিলে। কিন্তু মনঃপুত নোহোৱা যি কোনো বিষয়ৰ কথা আৰু কামৰ ওপৰত কৌতুক পূৰ্ণ বক্ৰোক্তিৰে মন্তব্য দিছিল।

চাৰৰ তেনে মন্তব্য বিলাক আমাৰ কাৰণে উপভোগ্য আছিল। শ্ৰেণী কক্ষতো চাৰে আমাক ছুটি আমোদজনক কথাৰে হহুঁৱাইছিল।

কওঁতে চাৰেও সকৰে 'চিনিকেল' হাঁহি এটি মাৰিছিল। মনত থকা দুই এটা নিচেই সৰু অথচ আমোদজনক কথা কওঁ। চাৰে সদায় ক্লাচত 'ন'ট' দিয়ে। বাইচাইকেলৰ কেৰিয়াৰত এজাপ 'ন'ট' বহী লৈ আহে। ক্লাচত তাৰপৰা নির্দ্দিষ্ট বিষয়ৰ বহী উলিয়াই আমাক তাৰ পৰা 'ডিক্টেচন' দিয়ে। লিখি থকাৰ মাজতে এফোঁহাৰ ছুটি কথা কৈ যগৰ তোলে। আমি লিখি থকাৰ মাজতে তেখেতে থমকি যৈ কয়- 'Mind, you will have to read also' ক্লাচত হাঁহিৰ ৰোল উঠে।

আৰম্ভতে তনাৰ্চ ক্লাচত ছাত্ৰ ভালেখিনি হয়। শেহলৈ অৱশ্যে জহি-পমি যায়। চাৰে দেখিয়েই ধৰিব পাৰে কোন কিমানৰ পাত্ৰ আৰু কোন কিমান দিন থাকিব। বছৰৰ আৰম্ভতে এদিন ক্লাচত সোমায়েই চাৰে ভালেখিনি ছাত্ৰ দেখা পালে। চাৰে চকু ফুৰাই চাই হাঁহি (কৃত্ৰিম) এটি মাৰি সন্তাষণ জনালে। এনেতে এজন ছাত্ৰ আহি আৰু এটি সংখ্যা বঢ়ালে। তেওঁ বহিবলৈ যাওঁতেই চাৰে তেওঁক সম্বোধি কলে, 'So you have offered Hons. in Economics. good. By the way, have you also offered Hons. in some other subject ?' পাচ দিনাৰ পৰা সেইজন ছাত্ৰ আৰু নাহিল।

এদিন আমাৰ কেইজনমানৰ লগত সভা-সমিতিত বক্তৃতা দিয়াৰ কথা ওলাইছিল। চাৰে ক'লে "আমাৰ হলে সুধিব 'বক্তাজনে কি কথা কলে ?' কিন্তু বঙালী সকলে সুধিব, 'উনি কেমন বললেন ?" ঠোৰতে পাৰ্থক্যটো দেখুৱালে। তেখেতৰ প্ৰায় সকলো কথাতে এনে ধৰণৰ ৰসপূৰ্ণ অথচ অৰ্থপূৰ্ণ মন্তব্য।

চাৰে গহীন কথাৰো চিন্তা কৰে আৰু তেনে কথাত ভাগ লয়। সেই সময়ত আমাৰ সুকীয়া বিশ্ববিদ্যালয় এখনৰ আন্দোলনৰ সূত্ৰপাত হৈছে। এচাম লোকে সুকীয়া বিশ্ববিদ্যালয় এখনৰ আৱশ্যকতা স্বীকাৰ নকৰে। চাৰ কিন্তু প্ৰবল সমৰ্থক। এই প্ৰসঙ্গত কথা পাতোতে তেখেতে কৈছিল, 'As a man I need a house of my own to live in. By no assesment of argument one can

convince me that I should not have one. A separate University for us is a 'must'.

চাৰ ছুটি কথাৰ ভড়াল আছিল। নিজে মিচিকিয়াই হাঁহি আনক ডাঙৰকৈ ইঁহুৱাইছিল। মোৰ মানত চাৰ স্বে মহিস্কি খ্যাতঃ আছিল। মোৰ সৌৱৰণত চাৰ সেই শ্রদ্ধাভাজন চাৰ হৈয়ে আছে। তেখেতৰ বিষয়ে এই দুআষাৰ কথাৰেই মোৰ ভক্তি পূর্ণ স্মৃতিৰ দুষাৰ মেলিলোঁ।

স্মৃতিগ্রন্থ সঙ্কলন কৰিবলৈ লোৱাৰ বাবে চাৰৰ দুহিতা প্রীতি ভাজনীয়া শ্রীমতী মামণি গোস্বামীলৈ শুভেচ্ছা জনাইছোঁ।

—×—

শ্রদ্ধাঞ্জলি

শিক্ষাবিদ ৺উমাকান্ত গোস্বামী

শুভ বৰুৱা

সম্বন্ধত তেখেত মোৰ ভিনিহি। তেখেতৰ বিষয়ে লেখিবলৈ যোৱাটো মোৰ ধৃষ্টতা মাত্ৰ। অতি সবল, স্থিৰ প্ৰতিজ্ঞ, নিৰ্জু, সহনশীল, তীক্ষ্ণ আৰু উপস্থিত বুদ্ধি সম্পন্ন এগৰাকী ক্ষীণকায় শিক্ষাবিদ অসমীয়া ভদ্ৰলোক আছিল।

আচল ঘৰ আছিল গুৱাহাটীৰ পৰা ভটিয়াই পলাশবাৰীৰ ওচৰত "আমৰঙ্গা সত্ৰত"। তেখেত সেই সত্ৰৰে বহু শিষ্য-প্ৰশিষ্যৰে মাটি বাৰি, হাতী সহ এগৰাকী আঢ্যৱন্ত আৰু অৱস্থাপন্ন সত্ৰাধিকাৰ আছিল। তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অতি সুখ্যাতিৰে এম, এ, পাচ কৰি সেই বৃটিছৰ দিনত চাহাৰ প্ৰফেচাৰৰ লগত কটন কলেজত অধ্যাপক হৈ আছিল। আৰু অসম চৰকাৰৰ উচ্চতম শিক্ষাবিদ (D P.I.) হৈ সুখ্যাতিৰে অৱসৰ লয়।

তেখেত বৰ পৰোপকাৰী আছিল। তেওঁৰ তলত বা ঘৰত কাম কৰা গাৰঁৰ মতা-তিৰোতা মানুহক পাৰ্থ্যমানে স্বাবলম্বী কৰি দিছিল। নিজ গাওঁৰ দুখীয়া লৰা-ছোৱালীৰ বিয়া বাকও পাতি দি সহায় কৰিছিল। বহুতক ঘৰতে ৰাখি নিজ খৰছত পঢ়াইছিল। তেওঁৰ সাহায্যত পঢ়ি শুনি জীৱনত প্ৰতিষ্ঠা পোৱা মানুহ আজিও গুৱাহাটীত আছে।

তেখেত মানুহ জন বৰ ধেমেলীয়া আছিল। তেখেতৰ সান্নিধ্যত পৰা দুই এটা খুহটীয়া কথা নেলেখি নোৱাৰিলো। তেওঁ এবাৰ এখন পুৰণা "চেভ্ৰলেট টুৰাৰ" গাড়ী কিনিলে যে গাড়ী চলাব লৈ শিকি পাচত এখন নতুন গাড়ী কিনিব। তেজিয়া মই গাড়ী চলাব জানো

সেয়ে মোক তেখেতে গাড়ী চলাবলৈ শিকাবলৈ ক'লে। তেখেত আগেয়ে শুক্লেশ্বৰত ঘৰ কৰি আছিল পাছত তেখেত চেনিকুঠিত নতুনকৈ ঘৰ কৰি নিগাজিকৈ থাকিবলৈ ললে আৰু সেই ঘৰতে স্বৰ্গী হয়।

সেই চেনিকুঠিৰ ঘৰৰ পৰা এদিন ৰবিবাৰে, তাতে বাহিপুন্থা চাহ খাই ভিনিহিক লগত লৈ উজান বজাৰৰ লতাশিল পথাৰলৈ গলোঁ। তাত ভিনদেউক আগত বহুৱাই গাড়ীৰ চুইচ, ব্রেক, ক্লাচ, গিয়াৰ, হেণ্ডেল, আদিৰ কাৰ কি কাম সকলো বুজাই এটা বক্তৃতা দিলো। ভিনিহিয়ে অতি মনোযোগেৰে মনে মনে শুনি উঠি মোক ক'লে "ইমান বোৰ কথা মনত ৰাখিব লাগিব?" মই কলো "ইমানেই নহয় পাচত আৰু আছে"। গাড়ীৰ ইঞ্জিন চলিল, মই ড্রাইভাৰৰ চিটত বহি গাড়ী চলালো আৰু ভিনিহিক ওচৰতে বহুৱাই ক'লো "আপুনি ষ্টেয়াৰিং ধৰক"। তেখেতে ধৰিলে কিন্তু কোন পিনে কিমান ঘুৰালে কলৈ যাব নাজানে। সোঁ হাত বাওঁ হাতৰ হিচাব নাই। ষ্টিয়াৰিং ধৰিব দিছো ধৰি আছে। মোৰ হাঁহি উঠিল, ক'লো "এই ফালে ঘুৰাওক। খুবকৈ ঘুৰাই দিয়াত গাড়ীখন প্ৰায় বাগৰি যাবই খুজিছিল; মই গাড়ীখন ৰখাই ক'লো "ভিনিহি আজি আৰু থাওক ঘৰলৈ যাওঁ"। মই বহুবাৰ চেষ্টা কৰিলো কিন্তু তেখেতে বাকী আনবোৰ কথালৈ মন দি থকাত ষ্টিয়েৰিং পাহৰি যায়। মই ক'লো "ভিনিহি আপোনাৰ গাড়ী চলোৱা নহব"। সেয়েই তেখেতৰ আৰু জীৱনত নিজে গাড়ী চলোৱা নহল।

ইয়াৰ পাচত তেখেতে 'আৰু এখন "চেভ্রলেট ষ্টেচন ওয়েগন" কিনিছিল। এবাৰ আমাৰ ঘৰৰ দুৰ্গা পূজাৰ বজাৰ কৰিবলৈ পলাশবাৰীৰ হাটলৈ গৈছিলো। গাড়ীৰ ওপৰত সত্ৰৰ ঘৰৰ পৰা কলপুলি আৰু হাটৰ পৰা শাক পাচলি লৈ এক কটা দৈ কিনি গাড়ীত লৈ ভিনিহিক ক'লো "আপুনি কাষতে বহি দৈৰ কটাটোৰ কাণত ধৰি থাকিব"। তেখেতে ধৰিয়েই থাকিল। গাড়ী ঘৰ পালেহি, দৈৰ কটা ভাঙ্গি দৈ শেষ। তেখেতে কটাটোৰ কাণটো হাততলৈ গাড়ীৰ পৰা নামিলত আটায়ে হাঁহিলে।

তেখেতে পৰাপক্ষত কোনো মানুহক অসন্তুষ্ট নকৰিছিল, সকলো মিমাংসা কৰিছিল। যেনে—এদিন তেখেতৰ পৰিবাৰে ক'লে যে এই কিতাপ খন আনি দিব লাগে। "ভাল বাক আনিম। কিতাপ খন ভাল নে পঢ়ি চোৱা— ভাল পালে আনি দিয়া যাব"। পঢ়াও নহল কিনাও নহল। Delay means to deny. কলেজতো ছাত্ৰৰ কিবা আসোঁৱাহ আঁতৰাব লাগিলে তেখেতে গৈ সকলো মিমাংসা কৰি দিছিল।

তেখেত কৰবাললৈ যাবলৈ ওলালে সময় আৰু ক্ষণ চাই হে গৈছিল। যোনে যিয়েই নকওক নিজৰ সময়ত হে তেওঁ গৈছিল। যি কোনো উপায়ে তেওঁৰ অলাগতিয়াল সময় খিনি কটাই হে গৈছিল।

দুখৰ কথা তেখেতৰ নিজৰ দাঁতাল হাতীতো এই দক্ষিণ-পাৰত আটাইতকৈ ওখ হাতী আছিল বুলি শুনিছিলো। এবাৰ হাতীটোৰ ভাটি খুলি পগলা হৈ গোটেই গাওঁ খনত উৎপাত কৰাত চৰকাৰে হাতীটো মাৰিবলৈ হুকুম দিলে। গুৱাহাটীৰ বিখ্যাত চিকাৰি শ্ৰীবীৰেন বাম ফুকন গ'ল। ভিনিহিয়ে মোক গাড়ীখন লৈ তেখেতক লৈ যাবলৈ ক'লে। আমি গৈ প্ৰায় বৰঝাৰ বিমান বন্দৰ পাওঁ পাওঁ হওঁতে দূৰৰে পৰা দেখিলোঁ যে হাতীটোৱে বান্দা চিঙ্গি এখন মটৰ গাড়ী বগৰাই দিলে। "ভিনিহিয়ে মোক ক'লে গাড়ী ঘূৰোৱা বলা"। গাড়ীত উঠি ভিনিহিয়ে চকুৰ পানী মচি মচি বীৰেন ফুকনক ক'লে "তুমি যি ভাল দেখা কৰা"। বীৰেন ফুকনে এজোপা ওচৰৰে গছত উঠি সেই বিৰাট উদণ্ড দাঁতাল হাতীটো গুলিয়াই মাৰিলে। হাতীটো এটা বিৰাট চিঞৰ মাৰি মাটিত এটা পাহাৰ পৰাদি পৰাত ভিনিহিয়ে হুক্-হুক্ কৈ কান্দি পেলালে।

তেখেতে জীৱনত দুগৰাকী বিয়া কৰায়। প্ৰথম গৰাকী নলবাৰীৰ বিখ্যাত গোস্বামী পৰিয়ালৰ শিক্ষাবিদ ৺শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰথমা কন্যা, তেখেত স্বৰ্গী হোৱাৰ পাচত ডিব্ৰুগড়ৰ বিখ্যাত বুৰঞ্জীবিদ তামুলি ফুনকৰ বংশৰ ৺দুৰ্গা নাথ ফুকনৰ চতুৰ্থ কন্যাক বিয়া কৰায়। পাৰিবাৰিক ক্ষেত্ৰত তেখেত বেচ সজুল আছিল আৰু তেখেতৰ পৰিয়ালৰ প্ৰায় সৰা, ছোৱালী, ভাই, ভতিজা, ভাগিন সকলোৰোৰ বেচ উচ্চ শিক্ষিত।

তাবে ভিতবত দিল্লী বিশ্ববিদ্যালয়ব ভাষাব শিক্ষাবিদ, ভাবতব সাহিত্য একাডেমি পুবস্কাব বিজেতা ড° মামণি বয়চম গোস্বামীব নাম উল্লেখ যোগ্য। তেঁৱেই সেই বিখ্যাত "মামবে ধবা তবোৱাল" আক "দঁতাল হাতীব হাওদা" দুখন উপন্যাস লিখে। তেখেতে মোকো জীয়নত বহুত উপকাব কবিছিল। ভিনদেউলৈ মোব শত সহস্র প্রণাম।

—x—

স্মৃতিচাৰণ

শ্ৰীগোপাল শৰ্মা বৰুৱা

১৯৩২ চন। মই তেতিয়া কটন কলেজত আই, এ, ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। অধ্যাপক ব্ৰাউন চাহাবে আৰু প্ৰবক্তা গিবিন দত্তই আমাক পৌৰবিজ্ঞান (civics) পঢ়াইছিল, শিকাইছিল। পৌৰবিজ্ঞানত আছিল অৰ্থশাস্ত্ৰৰ আৰু ৰাষ্ট্ৰনীতিৰ প্ৰাথমিক জ্ঞান।

আগষ্ট মাহত জানিলো ব্ৰাউন চাহাব পিছৰ মাহতেই অন্নসবলৈ ধিলাঁতলৈ ঘূৰি যাব আৰু তেখেতৰ ঠাইত আহিব ছিলেটৰ মুৰাৰি চাঁন্দ কলেজৰ অধ্যাপক অসমীয়া মানুহ উমাকান্ত গোস্বামী। সোণৰ পদক পোৱা প্ৰথম শ্ৰেণীৰ এম, এ, আৰু শুনিলো যে তেতিয়াৰ বৃহৎ অসমৰ দুয়োখন চৰকাৰী কলেজৰ ভিতৰত বিভাগীয় মুৰব্বী অধ্যাপক প্ৰথম অসমীয়া মানুহ অধ্যাপক গোস্বামীয়েই হ'ব।

আমি জনাত তেতিয়ালৈকে ভাৰতৰ সৰ্বশ্ৰেষ্ঠ আৰু সৰ্ব্ববৃহৎ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আৰু দুজন হে অসমীয়া মানুহ আছিল। তেখেত সকল আছিল অধ্যাপক বাণীকান্ত কাকতি আৰু বাধা দাস। সোণৰ পদক পোৱা আছিল অকল অধ্যাপক গোস্বামীয়েই। এনে এজনক আমাৰ অধ্যাপক পাম বুলি জানি আমি যে কিমান উৎফুল্লিত হৈছিলোঁ।

ব্ৰাউন চাহাৰ আছিল প্ৰকাণ্ড মানুহ, বৰ শকত-আৰত ওখ-পাখ। মূৰতো তপা, গাৰ ৰং (চাহাৰ কাৰণেই) বৰ বগা। তেতিয়াৰ কটনৰ অধ্যাপক সকল দুই এজনৰ বাজে বেচ শকত-আৰত আছিল। প্ৰিন্সিপাল টমচন চাহাবো বৰ ওখ ডাঙৰ মানুহ আছিল। আমি ভাবিছিলো অধ্যাপক গোস্বামীও ব্ৰাউন চাহাবৰ নিচিনা প্ৰকাণ্ড নহলেও আমাৰ অসমীয়া অধ্যাপক সূৰ্য্যকুঞ্জ বা বাণী কাকতিৰ নিচিনা শকত আৰত হব।

এই খিনিৰ পৰা চাৰ বুলিয়েই অধ্যাপক গোস্বামীক বুজাম। ব্ৰাউন চাহাবে অন্তসৰ লোৱাৰ পিচদিনাই চাৰ গুৱাহাটী পালেহি বুলি শুনিলোঁ।

চাৰে আমাৰ প্ৰথম দিনা ক্লাচ লোৱাৰ সোঁৱৰণঃ—

সেইদিনা শেষৰ ঘণ্টাত নিউ বিল্ডিঙৰ ৩নং ক্লাচ ৰুমটোত আমি civics ক্লাচৰ কাৰণে বহি আছোহঁক। ক্লাচত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ১৫০, ছাত্ৰী ১১ জনী। ১ জনী অসমীয়া (হিৰণ্ময়ী বৰুৱা), ৯ জনী বঙালী আৰু এজনী গাৰো। সেইদিনা নতুন প্ৰফেচাৰক চাবলৈ আৰু বক্তৃতা শুনিবলৈ সকলো ছাত্ৰ-ছাত্ৰী আহিছিল। প্ৰফেচাৰ আহি পোৱা নাই কাৰণে ছাত্ৰী কি গৰাকী দক্ষিণ ফালৰ আগ দুৱাৰৰ ওচৰৰ বাৰান্দাত ঠিয় হৈ আছিল। ভিতৰত অসমীয়া, বঙালী আৰু পাহাৰী জিলাৰ ছাত্ৰসকলে বহি ইজনে সিজনে কথা পাতি গুণ গুণাই আঁছিল। সেই কালত হৈ চৈ কৰি ক্লাচত বহি থকাৰ নিয়ম নাছিল। ঘণ্টা মৰাৰ ৬।৭ মিনিট মান পিচত সোঁহাতত হেট্‌টো আৰু বাওঁ হাতত কাষলটিলৈকে বহী, কাগজ, কিতাপ লৈ পৰিপাটিকৈ ছুট্ টাই পিন্ধা, দাড়ি গোফ্ খুৰুৱা, না শকত না ক্ষীণ, মিঠা ৰৱণীয়া মৰম লগা চেহেৰাৰ ডেকা যেন পুৰুষ এজন অনাৰম্বেড়েৰে এখোজ দোখোজকৈ সোমাই আহিল। আমাৰ বুজিবলৈ বাকী নাথাকিল যে সেই জনেই ব্ৰাউন চাহাবৰ ঠাইত অহা অধ্যাপক উমাকান্ত গোস্বামী। ক্লাচ নিস্তব্ধ হ'ল। সকলো ছাত্ৰ ঠিয় হ'ল। ছোৱালী বিলাক সোমাই আহিল। চাৰে পোনে পোনে প্লেট ফৰ্মত উঠিলগৈ। হেট্‌টো আৰু বহী কাগজলৈ ঠিয় হৈয়ে থাকি ক্লাচ ৰুমৰ টেবুলখন কৌতুহলেৰে চাই পৰীক্ষা কৰা-যেন লাগিল। আমালৈ চাই মিহি সুৰেৰে শুধিলে 'Are the tables in all the class rooms of this size?" আমি ক'লো 'Yes sir, all the tables in new building are of this size'. চাৰে ক'লে-'I thought only in the Economics class the table is so ecnomically sized'. আমি হাঁহিলো। চাৰেও

জিজ্ঞাখন কামুৰি মিচিকিয়াই হাঁহিলে। কি ভাল লগা দেখিছিল। (ঃ সেইকালত মিউবিল্ডিঙৰ ক্লাচ কম বিলাক প্ৰফেচাৰৰ টেবুল বিলাক দেখিলেই ভাল লগা পালিচেৰে চিকুচিকীয়া খুড়া বিলাক বৰ ধুনীয়াকৈ কুন্দুয়া কিন্তু দীঘে বহলে বৰ সক সক।

১৯৪০ চনত মুৰাৰী চান্দ কলেজত প্ৰবক্তা হৈ গৈ দেখিলো যে ক্লাছ কমৰ টেবুল বিলাক altar ৰ টেবুল বিলাকৰ নিচিনা দীঘল বহল। চাৰে মুৰাৰীচাঁন্দ কলেজৰ পৰা গৈ কটনৰ new building ৰ সক সক টেবুল বিলাক দেখি আমাক খুহুতীয়া মন্তব্য দিয়াৰ কাৰণটো তেতিয়াহে ভালকৈ বুজিছিলো।)

চাৰ চকিত বহিল। আমি চাই আছোহক। বহী কাগজ বিলাক টেবুলখনৰ বাওঁপিনে আৰু হেটটো সোফালে থলে। বহী কাগজৰ মাজৰ পৰা ডাঙৰ Roll Register টো উলিয়াই বাওঁফালৰ কাগজ পত্ৰ আৰু সোঁফালৰ হেটটোৰ মাজত থবলৈ ঠাই নোজোৱাত হেটটো আষ্টে-বেষ্টে বাওফালৰ কাগজ পত্ৰ বিলাকৰ ওপৰত থৈ Roll Register টো খুলি ললে। আমালৈ চাই শুধিলে সেই এৰে কোমল সুৰেৰে—Is proxy system prevalent here? আমি সুবিধা পাই চিঞৰি কলো,—No Sir, No Sir যদিও আচলতে বিশেষকৈ ব্ৰাউন চাহাবৰ ক্লাচত proxy দিয়া বৰ বেচিকৈ আছিল। চাহাবৰ বক্তৃতা বিলাক 1st/2nd year ৰ student এ ভালকৈ বুযুজিছিল। তাতে আকৌ তেখেতৰ class ত বেই কোনোৱেই yes sir বুলিলেই হয়। চাহাবে মুৰ দাঙি কোনে yes sir কৈছে নেচাইছিল।

চাৰে বোলকল আৰম্ভ কৰিলে 1…2…11, বোল নং ১ ৰ পৰা ১১ লৈকে ছোৱালী বিলাকৰ আছিল। তেওঁ বিলাক বহিছিল প্লেটফৰ্মৰ সোফালে নিচেই কাষৰ বেঞ্চ কিখনত। আগৰ দবেই তেওঁবিলাকে সকলৈ yes sir কৈছিল। চাৰে শুওনি বা শুওনাৰ ডাঙ ধৰি ১১ লৈকে present mark নিদি আমালৈ চাই ক'লে—So all the first class roll numbers are absent today. It is for

the class being held in the last hour ? আমি কলো—No sir. They are all present and have responded in a low voice. কেইজনমানে ক'লে—They are sitting on your right hand side. —চাবে সোঁফালে চাই ছোৱালী বিলাকক গস্তি কৰা যেন দেখুৱাই ক'লে—"Yes you are all present, But you should not be too economical in us by your voice. It may do you harm at times. ছোৱালী বিলাকে তললৈ মুৰ কৰি হাঁহিলে। সেই দিনাৰ পৰা চাৰৰ ক্লাচত ছোৱালী বিলাকে অলপ ডাঙৰকৈ yes sir কোৱা হ'ল।

সেইদিনা চাৰৰ ৰোলকল কৰোতে প্ৰায় পোন্ধৰ মিনিট হ'ল। চাৰ চকিৰ পৰা উঠি ঠিয় হ'ল। আমাক শুধিলে—which do you prefer, more lectures and less notes or more notes and less lectures ? আমি প্ৰায় সকলোৱেই একে সুৰেই ক'লো —more notes and less lecture.

(ব্ৰাউন চাহাব আৰু দত্ত চাৰে প্ৰায়েই ক্ষিতাপত থকা কথা-খিনি কৈ দীঘলীয়া বক্তৃতা দিছিল। আমি বক্তৃতা বিলাক ভালকৈ বুজিব নোৱাৰিছিলো আৰু বিশেষকৈ মনত ৰাখিব লগা কথা বিলাক ধৰিব নোৱাৰিছিলো। তেখেত সকলে 'ন'ট' এদিনো নিদিছিল। গতিকে আমাৰ উত্তৰ হৈছিল—More notes and less lecture.)

চাৰে বাওফালৰ কাগজ পত্ৰৰ মাজৰ পৰা শকত ন'ট বহী এটা উলিয়াই আগত মেলি ললে। আমি বুজিলো চাৰে এতিয়া ন'ট দিব। কাগজ কলম উলিয়াই আমি সাজু হ'লো। চাৰে ন'ট দিয়া আৰম্ভ কৰিলে—'The book / presented for civics / is Angel's..... আমি লেখি গ'লো। চাৰি পাচ লাইন মান লিখাৰ পিছত কেইজনমান ছাত্ৰই ক'লে Sir, we already know these things from the University calender, চাৰে ক'লে—No harm in knowing them again. ছাত্ৰ কিজনৰ জবাব বন্ধ হ'ল। ন'ট

দি গ'ল আৰু আমি লিখি থাকোতেই ঘণ্টা পৰিল। চাৰে বহি পত্ৰ গোটাই লৈ কমত সোমাই অহা ধৰণেৰে ওলাই গ'ল। ছাত্ৰ-ছাত্ৰী সকলো ঘৰা-ঘৰি গ'ল।

চাৰৰ শান্ত-শিষ্ট স্বভাৱ, সুৱদী কণ্ঠস্বৰ আৰু সৰস উক্তিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মনত প্ৰথম দিনাই এটা ডাঙৰ সুছাপ দিলে। পিচলৈ শুনিলো আৰু জানিলো যে চাৰৰ ন'ট বিলাক ইমান সহজ সুন্দৰ ইংৰাজীত আৰু ইমান সংক্ষিপ্ত অথচ সাৰপূৰ্ণ যে সেইবিলাক এবাৰ মন দি পঢ়িলেই বিষয়ৰ সকলো অপৰিহাৰ্য্য কথাবিলাক আয়ত্ব কৰিব পাৰি আৰু পৰীক্ষালৈকো ভয় নেথাকে। চাৰৰ পঢ়াবলগীয়া বিষয় গভীৰ আয়ত্ব আৰু সৰল অধ্যাপনাৰ নিদৰ্শন এই ন'ট বিলাকতেই ওলাই পৰিছিল। এই খিনিতে কব পাৰি যে বিশেষকৈ চাৰৰ ন'টৰ ওপৰতেই ভিত্তি কৰি ১৯৩৬ চনত ধৰ্মানন্দ দাসে বি. এ অনাৰ্চত প্ৰথম শ্ৰেণী পাইছিল। চাৰে কিন্তু সেই ন'ট বিলাক ছপোৱাই ধন উপাৰ্জন কৰিবলৈ নিবিচাৰিলে। চাৰৰ শিক্ষাদানৰ পদ্ধতি আছিল এটা বিষয়ত ন'ট দি শেষ কৰাৰ পিছত ছাত্ৰসকলৰ কিবা প্ৰশ্ন থাকিলে শুধিবলৈ কয়। ছাত্ৰই প্ৰশ্ন কৰিলে চাৰে চমু বক্তৃতাৰে কথাবিলাক আৰু সহজকৈ বুজাই দিয়ে আৰু প্ৰায়ে খুহুতীয়া কথাৰে চমু বক্তৃতাৰ ফোৰণ মাৰে। অতি আগ্ৰহ আৰু আনন্দৰে ছাত্ৰ-ছাত্ৰীয়ে জানিব লগীয়া কথাবোৰ আয়ত্ব কৰে। বিশেষ অসুবিধা নহলে ছাৰৰ ক্লাচ ছাত্ৰ-ছাত্ৰীয়ে কোনোদিনেই বাদ নিদিছিল। অন্ততঃ মই চাৰৰ ক্লাচত থকা দুবছৰত। বি. এ ত মোৰ কেবাটাও কাৰণত ইকনমিকচ্ লোৱা নহল। সেই কাৰণে চাৰৰ বসপূৰ্ণ শিক্ষা লবলৈ মোৰ সুযোগ নঘটিল।

চাৰৰ লগত মোৰ সান্নিধ্য

১৯৪০ চনত ৩ মাহ মান কটন কলেজত টিউটৰ হিচাপে সোমাই-ছিলো। প্ৰফেচাৰ কমল কমত চাৰৰ কাষতে বহিবলৈ পাইছিলো। চাৰ তেতিয়া চেকেণ্ড মেছৰ (২ আৰু ৩নং ব্লকৰ) চুপাৰিণ্টেণ্ডেণ্ট্। চাৰে

এদিন মোক এটা বৰ হাঁহি উঠা কথা কৈছিল। যিটো কথা মনত পৰিলে মই এতিয়াও হাঁহি সামৰিব নোৱাৰো। চাৰৰ দক্ষিণ মুখীয়া চৰকাৰী কোৱাৰ্টাৰটোৰ আগফালৰ বাৰান্দাৰ পশ্চিম কোণত আছিল মেছৰ অফিচ কম। ভিতৰুৱা মানুহৰ বাহিৰে কোনোবা ভিজিটৰ আহিলে সেই অফিচ কমতে বহিবলৈ দিয়ে। তাত এখন চিলিং ফেন আছিল। ফেনখন চুইচ দিলেই ঘুঘুৰে। চুইচ দি কিবা এদাল মাৰিলে ফেনখন এবাৰ ঘুৰাই দিলেহে ফেনখন চলি ঘৰ ঘৰকৈ ঘুৰে। সেই কামৰ কাৰণে চাৰে ফুৰিবলৈ লোৱা লাঠিদাল ব্যৱহাৰ কৰিছিল। সেই সময়ত Insurance কৰা প্ৰথাটো জনপ্ৰিয় হোৱা নাছিল। কিন্তু Insurance agent বহুত হৈছিল। তেওঁবিলাকে বিশেষকৈ চৰকাৰী কৰ্মচাৰী বিলাকৰ ঘৰে ঘৰে গৈ Insurance কৰাবলৈ কথাটো বুজাই থাটনি ধৰে। Insurance inspector সকল (অসমীয়া এজন নে দুজন হৈছিল -তেতিয়া) সৰহ দৰ্ম্মহা পোৱা চৰকাৰী কৰ্ম্মচাৰী সকলৰ ঘৰলৈ গৈছিল একে অৰ্থেই। এজন নতুনকৈ হোৱা (অসমীয়া) Insurance Inspector চাৰৰ ওচৰলৈ গৈ Insurance কৰোৱাৰ উপকাৰ বাধা কৰি চাৰক এটা ডাঙৰ পলিচি লবলৈ ধৰিলে। চাৰৰ Insurance কৰাৰ ইচ্ছা নাছিল। তথাপি চাওঁছোন বাৰু' বুলি ক'লে। Inspector জন চাৰৰ ওচৰলৈ সৰুনাই অহা হ'ল। চাৰে কয় 'ৰবাছোন কিছুদিন।' Inspector জন জোক লগা দিলে। Insurance Inspector জন এদিন আহি পুৱা ৮ মান বজাতে আগ বাৰান্দাত ঠিয় হ'লহি। তেতিয়া গৰম দিন, চাৰে দেখি অফিচ কমটো দেখুৱাই Inspector জনক বহিবলৈ কৈ ভিতৰলৈ সোমাই গ'ল - ফেনখন ঘুৰাবলৈ লাঠিদাল আনিবলৈ। Inspector জন অফিচত বহি চাৰ ওলাই অহালৈ বাট চাই বাৰান্দালৈ চাই আছিল। চাৰে লাঠিদাল ওভোতাই টাঙোন এদাল লোৱাদি ওলাই আহি বাৰান্দা পালেহি। চাৰক সেইদৰে ওলাই অহা দেখি Inspector জন ২ নং ব্লকৰ বাৰান্দালৈ ওলাই যোৱা পশ্চিম দুৱাৰেদি লৰা লৰিকৈ ওলাই ভাটি গ'ল। তেওঁ আৰু

চাৰৰ ওচৰলৈ কোনো দিনে নাহিল। কোনো Agent ও নাহিল। (Inspector এ যোধহয় চাৰৰ মহিমাৰ কথাকৈ সতৰ্ক কৰি দিলে।) চাৰে কথাটো ইমান সৰসেৰে কৈছিল, মই তাক লিখা কথাৰে কেনেকৈ ফুটাই তুলিম।

সেই বছৰৰ চেপ্তেম্বৰৰ প্ৰথম সপ্তাহতে মুৰাৰীচাঁদ কলেজত প্ৰবক্তা হৈ চিলেটলৈ গ'লো আৰু বহুদিনৰ কাৰণে চাৰৰ পৰা আঁতৰত থাকিলো। ১৯৪৬ চনৰ শেষ ভাগত কটন কলেজলৈ আছিলো। কেইমাহ মান প্ৰবক্তা হিচাবে কাম কৰাৰ পিছত মুকৰ্ব্বী অধ্যাপক হ'লো। চাৰ তেতিয়াও মুকৰ্ব্বী অধ্যাপকেই। চাৰ আছিল উজান বজাৰৰ এটা ভাড়া ঘৰত। চাৰৰ এখন ডাঙৰ 'ডেনেট্' গাড়ী আছিল। চকাবোৰো বৰ ডাঙৰ ডাঙৰ। ড্ৰাইভাৰ আছিল নবিন দাস, যিজন ড্ৰাইভাৰ চাৰৰ লগত শেষলৈকে আছিল। গাড়ী ৰখাৰ কাৰণ আছিল কলেজলৈ অহা-যোৱাৰ বাহিৰে প্ৰায়ে চৌধ পোন্ধৰ দিনৰ পিছত চাৰৰ আমৰঙা সত্ৰৰ নিজা ঘৰলৈ গৈ সা-সম্পত্তিৰ খবৰ লোৱা, ধান চাউল, শাক-পাচলি গুৱাহাটীৰ ঘৰলৈ অনা। চাৰৰ হাতী এটাঁও আছিল। ভায়েক চন্দ্ৰ গোস্বামীয়ে (মোৰ সহপাঠী) ঘৰৰ সা-সম্পত্তি, খেতি খোলা আৰু সত্ৰ চলোৱাৰ ভাৰ লৈছিল।

চাৰৰ গাড়ীখন উজান বজাৰৰ পৰা কলেজলৈ আহোতে মাজে মাজে বাটতে বন্ধ হৈ যায় দুৰ্বল বেটাৰীৰ কাৰণে। চাৰ নিঃচিন্তে গাড়ীতে মনে মনে বহি থাকে। উজান বজাৰৰ পৰা অহা-যোৱা ছাত্ৰই দেখিলেই চাৰৰ গাড়ী ঠেলিলে বুলি দৌৰি আহি ঠেলা দিয়ে। গাড়ী ষ্টাৰ্ট হৈ যায় আৰু কলেজ পাৰ্কহি সুকলমে। (মই কেবাদিনো এনে দেখিছিলো)।

এদিন চাৰক শুধিলো বেটেৰীটো চাৰ্জ কৰাই বা বদলি কৰাই নলয় কিয়। চাৰে কলে আমৰঙালৈ অহা-যোৱা কৰাৰ ৭/৮ দিনলৈকে বেটেৰীটো ঠিকেই চলে। বাকীকিদিন মাজে মাজে বহি যায়। বহি-লেনো কি কথা? বাটত গাড়ী বন্ধলে ছাত্ৰবিলাক আছেই সহায়।

তেওঁলোকে গাড়ী ঠেলি বৰ ভাল পায়। তেওঁলোকৰ অলপ শাৰিৰীক ব্যায়ামো হৈ যায় আনন্দৰে।

চাৰে স্ফূৰ্ত্তিৰ কাৰণেই এনেকুৱা কৰিছিল নেকি! চাৰ বহুদিন college union মানে student union ত Professor in charge আছিল। সেই কালত union ৰ এটা প্ৰধান কাম আছিল অসমৰ বাহিৰৰ প্ৰসিদ্ধ শিক্ষাবিদ আৰু সামাজিক নেতাসকল গুৱাহাটীলৈ আহিলে তেখেতসকলক নিমন্ত্ৰণ কৰি কলেজত বক্তৃতা দিওৱা। সেই সভাবিলাকত চাৰেই সভাপতিত্ব কৰে। আলহী বক্তাসকলৰ নানা বিষয়ত দীঘল দীঘল বাগ্মিতা পূৰ্ণ বক্তৃতা শুনিবলৈ বৰ ভাল লাগে। বুজিবলৈ কিন্তু সিমান সহজ নহয়। চাৰৰ মন্তব্যত বক্তাসকলে কোৱা জটিল কথাবিলাকৰ সাৰমৰ্ম্ম সংক্ষিপ্তভাবে সহজ ইংৰাজীত ছাত্ৰসকলে সহজে বুজাকৈ এটা চমু ভাষণ দিয়ে। and all that with frequent witticism চাৰৰ মন্তব্য শুনিবলৈ ছাত্ৰসকল আগ্ৰহেৰে বৈ থাকে।

চাৰৰ পিছত ময়ো A D P I নোহোৱালৈকে Union ৰ charge ত আছিলো। উৎসাহেৰে কাম কৰি College week আৰু অন্যান্য Assembly পতাৰ প্ৰথা উলিয়ালো। এই দুটা নতুন কাম কৰি নিজকে ধন্য মানিছিলো। কিন্তু বক্তৃতা সভাত সভাপতিত্ব কৰি চাৰৰ দৰে মন্তব্য দিয়াৰ কথা ভাবিবই নোৱাৰিছিলো। সেই বিষয়ত চাৰ আছিল অনুকৰণীয়। এই বুঢ়া কাললৈকে চাৰৰ নিচিনা সৰস সংক্ষেপ মন্তব্য দিবা সভাপতি নেদেখিলো, নেপালো।

১৯৪৮ চনত চাৰ ডি পি. আই হৈ শিলঙলৈ গ'ল। কেই মাহ মানৰ পিছত ময়ো A D P I হৈ শিলঙলৈ গ'লো, আকৌ চাৰৰ সান্নিধ্য পালোগৈ। এইবাৰ আটাইতকৈ বেচিকৈ। সপৰিয়ালে চাৰ আছিল Fallsview নামৰ ডাঙৰ ধুনীয়া বঙলাটোত। ময়ো পালো সপৰিয়ালে থাকিবলৈ Fallsview cottage ত Fellsview বঙলাৰ নিছেই কাষতে, কি মজা কথা। একে পৰিয়ালৰ দৰে। মাত্ৰ থকা-

খোৱা বেলেগ। মণ্টু, মামনি, ভন্টি সক সক। ভাইটি তেনেই সক। মোৰো গীতিহে K. G. class ত নাম লগোৱা। নীনা বৰ সক আৰু ভাইটি ৭/৮ মহীয়া কেচুৱা।

চাৰৰ তেতিয়া এখন নতুন Plymouth গাড়ী। কিছুদিন পিছত ময়ো এখন পুৰণা plymouth গাড়ী কিনিলো, কিন্তু প্ৰায়েই চাৰৰ গাড়ীতেই Office লৈ অহা যোৱা কৰিছিলো। মই গাড়ী নিৰ খুজিলেও চাবে কয় কি দৰকাৰ হে। চাবে ৯॥ মান বজাত ভাত পানী খাই বিচনাতে আসন কৰি বহে। ডাঙৰ ডাঙৰ ঘিবিকিয়েদি আমাৰ Cottage ৰ পৰা ভালকৈ দেখা পোৱা যৈছিল। ময়ো ভাত পানী খাই কাপোৰ কানি পিন্ধি চাই থাকো চাৰ আসনৰ পৰা উঠিছেনে নাই, উঠা দেখিলেই ১০/১৫ মিনিট মানৰ পিছত ওলাই যাওঁ চাৰৰ গাড়ীত উঠি Office লৈ যাবলৈ।

ঘোৰাই কৰি খোৱা

জানুৱাৰী মাহৰ মাজ ভাগ। নিৰ্দ্দেশ আহিল আমি দিয়া বাজেট (estimate) ৰ পৰা ২ লাখ টকা কাটি দিব লাগে আৰু ৪ দিনৰ ভিতৰতে। সেই দিনত বাজেটৰ আৱশ্যকীয় টকাৰ পৰা দুই লাই টকা কাটি দিয়াতো কিমান এটা ডাঙৰ কথা আছিল। ইয়াত সেইটো বুজাবলৈ নিবিচাৰো, প্ৰথম তিনিদিনত নানা শিতানত হিচাপ কৰি ধৰা টকা যিমান পোৱা যায় সিমান কাটি-কাটি এক লাখ টকাৰ ওপৰত কাটিবলৈ কোনো উপায় পোৱা নগ'ল। চতুৰ্থ দিনা ৩ বজাতে education ৰ under secretary ভৱানী ভূঞা নিজে আহিল সংশোধিত budget estimate খন নিবলৈ। আমি ক'লো আৰু ৩/৪ ঘণ্টামান লাগিব। ভূঞাই education secretary ক phone যে কথাটো জনোৱাত secretary এ ভূঞাক আমাৰ লগতে থাকি যি পাবে সহায় পৰামৰ্শ দি ৫ মান বজাত বাজেটখন লৈ যাবলৈ ক'লে। Finance ক বোলে বাতি ৭ বজাৰ ভিতৰতে দিবই লাগিব। আৰু ক'ত ক'ত আগেয়ে কাৰ্য্য

কৰা টকা কমাব পাৰি পৰীক্ষা কৰিবলৈ আৰম্ভ কৰা হ'ল। (নতুনকৈ প্ৰস্তাব কৰা ভালেমান সৰু সৰু শিতানৰ টকা কাটি।) ক'ত ধৰণৰ শিতান। আৰু শিতান বিলাকৰ কত দফা ৬৷৷ মান বজাৰত আৰু ৫০ হেজাৰ টকা উলিওৱা হ'ল।

কেইমিনিটমানৰ পিছত secretary ক জনোৱা হ'ল ১৷৷ লাখৰ ওপৰত আৰু টকা কোনোমতে কাটিব নোৱাৰি। secretary এ Finance ক phone কৰি শুধিলে। অলপ পিছতে ক'লে যে Finance ত অন্ততঃ আৰু ২৫ হেজাৰ টকা কাটিবলৈ কৈছে। তেতিয়া আকৌ চোৱা হ'ল। ৭ বাজিবৰ হ'ল। Secy ৰ পৰা phone সঘনাই আহি আছে। Secy ক কোৱা হ'ল আৰু ১০ হেজাৰতকৈ বেচি কাটিলে Deptt চলোৱা অসম্ভৱ হ'ব। তেখেতে ক'লে যি হয় হওঁ আৰু ১০ হেজাৰকে কাটি ফাইলটো ভূঞাই লৈ আহক। Finace এ বোলে আৰু আধা ঘণ্টালৈকেহে time দিব পাৰে। আমি বৰ সকাহ পালো। চাৰে চিগাৰেট এটা পকালে। কিন্তু চিগাৰেট জ্বলোৱাৰ আগতেই আকৌ ফোন আহিল। চাৰে ভাবিছিল secretary ৰ পৰা ফোন আহিল আৰু কবলৈ ওলাইছিল—এয়া ভূঞাই কাগজ পত্ৰ বোৰ বান্ধি যাবলৈ ওলাইছে। কিন্তু ফোনটো তুলিয়েই মাতটো শুনিলে চাৰিনাৰ আৰু বৰ খঙৰ। আমিও প্ৰায় তেনেই শুনিছো। ইমান বাতিলৈকে মাত্ৰ office আৰু office, ঘৰত যে কি ঘটে খবৰ নাই। আজি যে কি হ'ল। চাৰে শুধিলে—কোৱাচোন কি হ'ল। যাদৰ (বঙলাত কাম কৰা মানুহ) যে কিমান বদমাচ হৈছে সেই কথা জানো আপুনি খবৰ লয়। চাৰে চকু ডাঙৰ কৰি ক'লে কোৱা-চোন বাক কথাটো কি? চাৰিনাই ক'লে সি আজি কালি ভাত-পানী খাই আবেলিলৈকে ঢাৰ কমৰ দুৱাৰ মাৰি শুই থাকে আৰু আজি বাহিৰৰ ঘোঁৱাই আহি কৰি দৰাৰ আধা শেষ কৰি দিলে। বাপুটি আৰু মই বহু চেষ্টা কৰিহে ঘোঁৱাটো খেদি compound ৰ বাহিৰ উলিয়াই দিলো। নহলে গোটেই কৰিবোৰ খাই পেলালেহেঁতেন।

তাক আজিয়েই খেদি দিব লাগিব। নহলে নহব মই তাক আক থাকিবলৈ নিদিওঁ। চাবে ক'লে সি ইমান বদমাচ হ'ল। তাক খেদিবই লাগিব। আজি এতিয়া নহলে কাইলৈ পুৱাতে। আমি কথাবোৰ শুনিয়েই আছিলো। তথাপি চাবে ক'লে কি যে Problem-Office problem এই চাবিদিনে ইমান চেষ্টা কৰি ১ লাখ ৬০ হেজাৰ টকা বাজেটৰ পৰা কাটি কুটি Finance ক সন্তোষ কৰাৰ আশা পালো। ইফালে আকৌ ঘোঁৱাই কৰিডৰাৰ আধা খালে। এতিয়া এওঁক সন্তোষ কৰিব লগীয়া হ'ল যাদবক কাইলৈ পুৱাতে খেদি দি। কি কৰা যায়? বুলি আমালৈ চাই মাত্ৰ মিচিকিয়াই হাঁহি এটা মাৰিলে। আমি হোক্ হোক্ কৰে হাঁহিলো। চাবে চুৰটটো জ্বলাই হোপা মাৰিলে।

পিছদিনা Office লৈ অহাৰ বাটত চাবে যাদবক খেদাৰ সমস্যাটো কিবা কৰিলেনে বুলি লাহেকৈ শুধিলো। চাবে বোলে গৈয়েই চাবিনাক ক'লে যাদবক পাবলগীয়া পইচা পাতি দি পিচদিনা বিদায় দিব। চাবিনাৰ খঙ দমিল। বাতিপুৱা চাহ খাওঁতে ক'লে যাদব আজি অতদিন আছে আমাৰ লগত। তাৰ হতুৱাই বহুত বিশ্বাসী কামো কৰোৱা হয়। আকৌ আন এটা মানুহ আনিলেনো সি বা কেনেকুৱা হয়? কেনেকৈ জানিবা। ইয়াক যদি দুপৰীয়া নোশোৱা কৰিব পাৰি আক তুমি ভাল পোৱা মতে কাম-কাজ নকৰিলে তাক খেদাই দিয়া হ'ব বুলি কৈ সতৰ্ক কৰি দিও কথাটো কেনে হয়? কিছুদিন এইদৰে চাব খুজিছো। কি বোলা? চাবিনা মান্তি হ'ল।

বিপদত চাবৰ White lie এটাৰ কথা

General Election ৰ সময়। সেইদিনা আমি office পাওঁতে ১১॥ বাজি গ'ল। চাবৰ কমৰ আগৰ বাৰান্দাত office superintendent ৺মনি শৰ্মা (চাবৰ সম্বন্ধীয় আক চাবতকৈ বয়সত ডাঙৰ সেই গতিকে চাবক তুমি বুলি মাতিছিল) আমি যোৱালৈ বাট চাই ঠিয়

ছৈ আছিল। আমি পোন্নাব লগে লগেই ক'লে "সদায় তোমালোক office লৈ পলমকৈ আহা। আজিযে সাংঘাতিক" চাবে ক'লে "সাংঘাতিক ?" শর্মাই ক'লে "হয় সাংঘাতিক। Chief Minister এ দহবজাবে পবা Principal private secretary Jiten Das ব হতুবাই বাবে বাবে ফোন কবি তোমালোক এজনকো নাপাই বব খঙ কবি আছে। আৰু আছিলেই তেখেতব ঘবলৈ যাবলৈ কৈছে। বব জৰুবী কথা আছেহেনো। সোনকালে যোন্না নহলে কথা বব বেয়া হ'ব পাবে।" এইখিনি কৈ শর্মা তেখেতব কমলৈ গ'ল। চাবে মোক ক'লে "শর্মা বকত্তা আহাছোন মোব কমলৈকে।" দুয়ো সোমাই গ'লো। চাবে ধীবে স্থিবে হেট্‌টো থৈ বহিল। ময়ো বহিলো। চাবে একো নেমাতি চুবট এটা পকালে। (চাবে পকোন্না চুবটহে খাইছিল, তাকো সঘনাই নহয়) চুবটটো জ্বলাই এহোপা মাবি ক'লে "আমাব মন্ত্রী হ'ল অমিয দাস। Chief Minister ব নো আমাব লগত কি জৰুবী কথা এই দিনব আগতেই থাকিব পাবে।" ময়ো ক'লো "হয় চাব বুজিবই পবা নাই। দাসলৈকে ফোন কবি চোন্না ভাল হ'বনে কি ?" চাবে ক'লে "হয ঠিক কৈছা, তুমিয়েই ফোন কবাছোন।" ফোন কবিলো দাসে ফোন ধবি পোনেই আমি ইমান দেবিকৈ office লৈ অহাত Chief-Minister এ বব খঙ কবিছে বুলি ক'লে। মই শুধিলো কথাতো কি ? আমাক কিয় ইমান জৰুবীকৈ বিচাবিছে। দাসে কথাটো কোন্নাব মর্ম্ম হ'ল এনে—

হাজো সমষ্টিত ছছিয়েলিষ্ট নেতা হবেশ্বব গোস্বামীয়ে মেধিক প্রতিদ্বন্দিতা কবি প্রচাব কবিছে যে তেওঁ নির্বাচনত জয়ী হ'লে আন কামব লগত প্রাইমাবী শিক্ষকব দবমহা ২০ টকাকৈ বঢ়াই দিবলৈ চবকাবক বাধ্য কবাব নহলে গোটেই অসমত আন্দোলন চলাব (সেই সময়ত ঘাইকৈ প্রাইমাবী শিক্ষক সকলেই গাৱঁব মানুহক ভোট কাক দিব সেই বিষয়ে উপদেশ দিয়ে।) এতিয়া মেধিয়ে প্রমান কবিব খুজিছে এইটো অসম্ভব কথা। অসম চবকাবব অকল প্রাইমাবী

শিক্ষকক ইমান টকা দিবলৈ কোনো সমর্থ নাই। মেধিব ৩ দিনব পিচতে হাজোত Election ..... তেখেত আজিয়েই হবলা গুৱাহাটীলৈ যাব। গতিকে তেখেতক বিশ টকাকৈ দবমহা বঢ়ালে প্রাইমাৰী শিক্ষকসকলব কাৰণে আৰু কিমান ওপৰঞ্চি টকা লাগিব তাৰ হিচাপ এটা আজি আগবেলাতে লাগে। এতিয়াই Chief Minister ব ঘবলৈ যোৱাহঁক।

চাৰক কথাটো ক'লো। চাবে চকু ঠিব কবি শুধিলে "ইমান এটা ডাঙব হিচাপ আজিয়েই কেনেকৈ দিব পবা হ'ব।" মই ক'লো "হ'ব চাব। আমাব Returns ত স্তবে স্তবে শিক্ষক সকলব সংখ্যা আছে। শিক্ষকব সংখ্যাবে মাহে ২০ টকাকৈ হ'লে বছবেকত ২৪০ টকাবে পুবণ কবিয়েই বছবেকত প্রাইমাৰী শিক্ষকব কাৰণে আৰু যিমান ওপৰঞ্চি টকা লাগিব ওলাই পবিব। আজিয়েই দিব পবা হ'ব হিচাপটো।" চাবে স্বস্তিবে চিগাবেটব বাকী থকা অংশত হোপা মাবি ক'লে "ব'লা তেনেহলে যাওঁহেই।"

গাড়ীত বহিলো। দুয়ো পিছব চিটত। চাবে নবিন ড্রাইভাবে দুগুনাকৈ মোক ক'লে "হিচাপটো বাক দিব পবা হ'ব। কিন্তু আমি ইমান পলমকৈ অফিচলৈ অহাত যদি মেধিয়ে.....?" মই ক'লো "বাটত গাড়ীখনে দিগদাব দিছিল বুলি ক'লে বেয়া হ'ব নেকি?" চাবে ক'লে—"White lie জানাই নহয়। মই somehalf of a white lie কম। তুমি মনে মনে থাকিবা। চামচোন কেনেকুবা হয়।"

Chief Minister ব ঘব পালোগৈ private secretary ক্ষীবোদ গগৈয়ে (মোব সহপাঠী) আমাক পোনে পোনেই Chief Minister ব ওচবলৈ যাবলৈ ক'লে। মোক কাণে কাণে ক'লে ভাল জলপান এটা পাবা আজি। মনটো বব বেয়া লাগি গ'ল। চাব আগে আগে মই পিচে পিচে। চাবে সোমোৱাব লগে লগেই নিজে নিজেই কৈ গ'ল "P W D ব হতুৱাই নকবাই departmentally ইমান ডাঙব বিল্ডিং সজাই কিবে সাংঘাটিক কাম কবি গ'ল। এতিয়া

আমাৰ উপায় নোহোৱা হৈছে। তেনেই হাঁহাকাৰ।" মুখ্যমন্ত্রীয়ে খং মুখেৰে চাই আমাক বহিবলৈ কৈ চাবক শুধিলে—"গোসাই এইযোৰ কি বকিচা?" চাব বহিল আৰু ক'লে "Fallsview ৰ ওচৰতে Basic Training Institute for woman Teacher এটা আছে। বৰ ডাঙৰ বিল্ডিং। বিল্ডিংটো departmentally কৰাইছিল। এতিয়া সেৱ চালযোৰ ফাটি গৈছে। আমাক Institute ৰ principal এ বৰ জোৰ দি আছে সেইযোৰ repair কৰিবলৈ। বৰষুণ আহিলেই বোলে class লোৱা অসম্ভৱ হ'ব। বাকী চালখন তেনেই ফাটিলে বুলি কৈছে। P W D ক সোধাত ক'লে যে departmental building ৰ তেওঁবিলাকে কাম নকৰে তেনে কৰাৰ কোনো নিয়ম নাই। ইফালে কালি প্রিন্সিপালে Institute ৰ ছাত্রী বিলাককলৈ Fallsview ত গৈ মোক বেঢ়ি ধৰিলেগৈ বৰষুণ অহাৰ আগতে অন্ততঃ roof খুনকে repair কৰাই দিবলৈ। আজি office লৈ অহাৰ বাটতে আমি দুয়ো বিল্ডিংটো চাই আহিলো। বহু সময় চাব লগীয়া হ'ল। গোটেই concrete roof খন চিৰাচিৰিকৈ ফাটিছে। বৰষুণ দিলেই Institute বন্ধ কৰিব লাগিব। আৰু সেয়ে হ'লে খাচীয়া-সকলে আন্দোলনো কৰিব পাৰে। মেৰামতি কৰাতো টকাও বহুত লাগিব। এতিয়া কোনে ছিচাব কৰি দিব আৰু ক'ৰ পৰা ইমান টকা পোৱা যাব ভাবিবেই পৰা নাই।

মেধিয়ে শেষলৈকে শুনি ক'লে "এজন ভাল carpanter ৰ হাতুৰাই এটা estimate দি proposal এটা নিদিয়ে কিয়?"

চাবে ক'লে "proposal দিলেই যে ইমান টকা পোৱা হ'ব মইনো কেনেকৈ আশা কৰিম। আপুনি যদি দয়া কৰে.....।" মেধিয়ে ক'লে "চাম বাক।"

আচলতে আমি দুয়ো সেই building ৰ অৱস্থা চাবলৈ গৈছিলো কেবা দিনৰ আগতে। চাবে somehalf of a white lie কৈ আমাৰ ইমান দেৰিকৈ office পোৱাৰ এটা সুন্দৰ কৈফিয়ত দিয়াত

মুখ্যমন্ত্রীয়ে আমাক খং কৰিবৰ কোনো বাট নেথাকিল। আক লাগতিয়াল টকা পোৱাৰ আশা পালে। চাৰৰ বুদ্ধিত বিস্ময় মানিলো।

মেধি আচল কথালৈ আহিল। দাসে আমাক জনোৱা কথাকে ক'লে। চাবে মোলৈ চাই ক'লে "শৰ্মা বকৱা আজিয়েই হিচাপটো দিব পৰা হ'ব নহয় জানো?" মই কলো "পৰা হ'ব কিন্তু বহু দেবি লাগিব। মেধিয়ে ক'লে "মই চেকেণ্ড গেটেৰে আবেলিয়েই গুৱাহাটীলৈ যাম। তুমি বাতিপুৱাই note টোলৈ গুৱাহাটীলৈ গৈ কংগ্রেছ অফিচত বিমলা চলিহাক হাতে হাতে দি থৈ আহিবাগৈ।" চলিহা তেতিয়া A P C ৰ জেনেৰেল চেক্রেটবি। মই ক'লো 'হ'ব চাব।' মেধিয়ে আনন্দ পালে আক আমাক বিদায় দিলে।

বাহিবলৈ ওলালো আমাৰ মুখত আনন্দ দেখি ক্ষীবোদ গগৈ আচবিত হোৱা যেন দেখিলো। গাড়ীত উঠিলো। চাবে শুধিলে "কেনে হ'ল?" মই মাত্র ক'লো "simply wonderful।" পিচদিনা পুৱাৰ গেটেৰে গুৱাহাটীলৈ গৈ চলিহাক হিচাপটো দিলোগৈ।

Shillong Tailoring

শিলঙত সেই সময়ত সেইখন সর্বশ্রেষ্ঠ দোকান। গেলামালৰ বাহিৰে সকলো বকম consumer goods সেইখন দোকানত পোৱা গৈছিল। প্রায় বিলাক officer আক তেওঁবিলাকৰ পৰিবাৰ সেই দোকানলৈ গৈছিল নানা বকম বস্তু কিনিবলৈ। আমিও কেতিয়াবা কেতিয়াবা গৈছিলো।

এদিন চাবিনা আক মোৰ পৰিবাৰে দোকানৰ বকম বকম বস্তু বিলাক চাই বহুত সময় লগালে। আমি দুয়ো অধৈর্য্যই হৈছিলো। তেওঁবিলাকে আহি ক'ত যে বস্তুৰ প্রয়োজনিয়তাৰ কথা ক'লে। আকৌ আক কিছুমান বস্তু চাবলৈ গ'ল। চাবে মোক অলপ আতৰলৈ লৈ গৈ ক'লে wife বিলাকে ঘৰৰ অভাৱ বিলাক বেচিকৈ বুজে। আক এনেকুৱা দোকানলৈ আহি বস্তু চালেই ঘৰত অভাববোধ নকৰা বহুত

নতুন বস্তুৰ অযথা অভাববোধ কৰে আৰু এনেদৰে নতুন নতুন অশান্তি চপাই লয়। গতিকে এনেকুৱা দোকানলৈ তেওঁবিলাকক ননাই ভাল। কি কোৱা?" মই ক'লো "ঠিকেই চাৰ।"

কথাৰ ছলেৰে ঘৰুৱা মিতব্যয়িতাৰ কি সুন্দৰ উপদেশ। শিলং টেইলৰিঙলৈ যোৱা একেবাৰে বন্ধ নহল। কিন্তু ঘৰতে বিশেষ ভাবে অভাববোধ কৰা বস্তু বিচাৰিহে, বস্তু দেখি অনৰ্থক নতুন অভাৱ সৃষ্টি কৰিবলৈ নহয়।

ডি. পি. আই হিচাপে বহুত চৰকাৰী শিক্ষা কমিটিৰ চাৰ সভাপতি আছিল। সেই সভাবিলাকত চাৰে অতি বিনয়েৰে সভাপতিত্ব কৰিছিল। তেখেতৰ মতৰ বিপক্ষে কোনোবাই যুক্তিতৰ্ক কৰিলেও তেখেতৰ কোনো দিনেই খং বাগ উঠা নেদেখিছিলো। চাৰ আছিল উচ্চ পদবীৰ দম্ভৰ দটোও নথকা আৰু নিজৰ গুণ গৰীমাৰ প্ৰকাশ নিবিচৰা ব্যক্তি।

চাৰে ১৯৫১ চনৰ মাজ ভাগতে অৱসৰ ললে। অলপ দিন শিলঙতে থাকি গুৱাহাটীলৈ আহি নৱগ্ৰহ ৰ'ডৰ নিজৰ ঘৰত থাকিলহি। দুমাহমানৰ পিছত ময়ো নামনি অসমৰ Inspector of schools হৈ M C Road আৰু নৱগ্ৰহ ৰ'ডৰ কোনাতে ঘৰ এটাত সপৰিয়ালে থাকিলোহি। চাৰৰ ঘৰৰ তেনেই ওচৰতে। আকৌ চাৰ আৰু চাৰৰ পৰিয়ালৰ ওচৰতে থাকিবলৈ পাই কিমান ভাল লাগিছিল। মই সঘনাই টুৰত গুৱাহাটীৰ বাহিৰলৈ যাব লগীয়া হৈছিল। চাৰ আৰু চাৰিনাই মোৰ সৰু পৰিয়ালটোৰ খা-খবৰ লৈছিল।

চাৰৰ ধৈর্য্য

এদিন গধূলি চাৰৰ ঘৰলৈ যাওঁতে চাৰে কথা এটা কৈছিল। দুদিননে তিনিদিন আগতে আমৰঙাত তেখেতৰ হাতীটো হঠাতে মৰিল। চন্দ্ৰই আহি খবৰ দিলেহি আৰু ভালকৈয়ে কান্দিলে। ইমান এটা ডাঙৰ ঘটনাৰ কাৰণে। আচলতে ঘাইকৈ চাৰৰেই ডাঙৰ লোকচান। কিন্তু ধৈর্য্য নেহেৰুৱাই তায়েককহে শান্তনা দি ক'লে কি হ'ব কান্দিলে।

হাতীটো মৰা ডাঙৰ কথা। এতিয়া তাতোকৈ ডাঙৰ কথা হ'ল হাতীটোৰ সৎকাৰ কৰা। পুখুৰীৰ নিচিনা ডাঙৰকৈ গাত খান্দি হাতীটো তালৈ চোচোৰাই নি পুতিব লাগিব। এইটো সাধাৰণ কথা নহয়। যোৱা তুমি সেই কামটো কৰিবলৈ যো-যা কৰাগৈ। মই গৈ গধূলি মানে পামগৈ"। চন্দ্ৰৰ কন্দা বন্ধ হ'ল। কিবা কিবি খাই আমৰঙালৈ উভতি গ'ল কাম কাজ বিলাক কৰাবলৈ।

১৯৫২ চনৰ জানুৱাৰী মাহতে point programme ত মই U. S. A. লৈ যাব লগা হ'ল। পৰিয়ালটো নগাৱত থোৱা হ'ল। ১৯৫৩ চনৰ আগ ভাগতে ঘুৰি আহি বাজে বাজেই উজনি অসমৰ চাৰ্কোলৰ Inspector of schools হিচাপে যোৰহাটত কামত যোগ দিলোগৈ। তাতে পাঁচ বছৰ কাম কৰি ১৯৫৭ ত Special officer হৈ শিলঙলৈ গ'লো আৰু শিক্ষা বিভাগৰ চাকৰি জীৱন শেষ নোহোৱালৈকে তাতে থাকিলো। এইদৰে ১৯৫৩ চনৰে পৰা চাৰৰ উপদেশ উৎসাহৰ পৰা বঞ্চিত হ'লো।

জীৱনত বিশেষ ভাবে জনা আৰু এনে এজন অসমৰ বিৰল সু-সন্তানৰ বিষয়ে মোৰ এই ভাটি বয়সত তেখেতৰ সৌন্দৰ্যগত লিখা গ্ৰন্থত মোৰ ভালকৈ মনত থকা কেইটামান কথা লিখিবলৈ পাই নিজকে ভাগ্যবান বুলি ভাবিছো। মোৰ মনেৰে চাৰৰ দ্বিতীয়া কন্যা মামনি (Indira Raisom Goswami)—নাম জলা লিখিকা আৰু সৰ্বভাৰতীয় খবৰ কাকতত A woman of desting বুলি অভিহিত হোৱা—চাৰৰেই পুন্যৰ ফল বুলি ভাবো।

—×—

সর্ব্বগুণীগুৰুষ ৺উমাকান্ত গোস্বামী

শ্রীশিৱপ্রসাদ বৰুৱা

শিক্ষাবিদ, সাহিত্যিক, সমালোচক, অধ্যাপক ৺উমাকান্ত গোস্বামী অসমৰ এজন প্রকৃত গুণীপুৰুষ। তেখেতৰ ওচৰলৈ যেয়ে যিসকামত আহিছিল তেখেতৰ ভদ্রতা, শিষ্টাচাৰ আৰু আতিথ্যৰবাবে মুগ্ধ হৈ গৈছিল।

মাধবকন্দলি ৰামায়ণৰ পাতনিখনেই তেখেতৰ অগাধ সংস্কৃত জ্ঞানৰ পৰিচয় দিছে। এনে সমালোচনা সাহিত্য অসমত আজিও বিৰল। ডাঃ বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈৰ সাহিত্য-সাধনা, সমালোচনা যেনে অপূৰ্ব্ব। অধ্যাপক গোস্বামীৰ সমালোচনাও তেনে মধুৰ আৰু অতলস্পর্শী।

এজন প্রকৃত ৰসিক হিছাবেও ৺গোস্বামীৰ খ্যাতি আছিল। এদিন কটন কলেজৰ এজন বঙালী ছাত্র শ্রীঘটকে (উজানবজাৰৰ ৺তীর্থ-নাথ ফুকনৰ হাউলিত মেচ কৰি আছিল) অধ্যাপক গোস্বামীৰ লগত "ৰাজনীতি"ৰ তত্ত্ব এটা লৈ বহুপৰ তর্কাতর্কি কৰি প্রায় উত্তপ্ত হৈ পৰিছিল। অধ্যাপক গোস্বামীয়ে মিচিকিয়া হাঁহি এটা মাৰি ঘটকক ক'লে "I admire your spirit"; শ্রোণীত হাঁহিৰ গর্জনি উঠিল। ৰেচেৰা ঘটক নীলাজী বনৰ দৰে জঁয় পৰি গ'ল। আকৌ এদিন শ্রীজীৱন চন্দ্র গোস্বামী (পিচত কমিচনাৰ চেইলচটেন্স হৈ অৱসৰ) নামৰ এজন ছাত্রক টকাৰ দৰকাৰ হ'ল। গোস্বামী তেতিয়া অন্ড ব্লকৰ (এতিয়া বঙিৎ ৰবপূজাৰী ছাত্রবাস) চুপাৰিনটেনডেণ্ট আছিল। হোষ্টেলৰ মুখৰ ৰাৰান্দাত ৺অধ্যাপক গোস্বামীয়ে তহল দি অহা-যোৱা কৰি আছিল। ভয়ে সংকোচে শ্রীজীৱন গোস্বামীয়ে অধ্যাপক গোস্বামীক টকা কেইটা-মানৰ কথা কলে। সচৰাচৰে হঁহাৰ দৰে চকু দুটা টিপি হাঁহি এটা মাৰি

কলে "Returnable"? শ্রীজীৱন গোস্বামীয়ে খোলা হাঁহি এটা মাৰি উত্তৰ দিলে "Definitely returnable" আৰু এটা ঘটনা—শ্রীজীৱন গোস্বামী আৰু এই নিবন্ধকাৰক অধ্যাপক গোস্বামীৰ বহাৰৈ গৈছিলো। সেইদিনাও বাৰান্দাত তহল দি আছে। আমি যোৱাৰ লগে লগে হাঁহি এটা মাৰি কলে "Domestic qarrels" অর্থাৎ ঘৰুৱা বিবাদ। যাহওক আমাক ভিতৰলৈ যাবলৈ ক'লে। ভিতৰত "ভাগিন কৰ পৰা আছিলা" বুলি মাহীটি শ্রীমতী অম্বিকাদেৱী গোস্বামীয়ে দুয়োকে সোধ পোচ কৰি জা-জলপান খুৱালে। আমাৰ লগত ৺অধ্যাপক গোস্বামীয়েও যাহওক ভাগটো পালে। ভাগিনৰ আগমণত 'ঘৰুৱা বিবাদ' তল পৰিল।

অধ্যাপক গোস্বামী ৰাজনীতিৰ অধ্যাপক আছিল। সদায় ইংৰাজীত টোকা দিয়ে। ভাষা বৰ কোমল আৰু উজু। কোনো ডাঙৰ শব্দ থকা বাক্য দিয়া নাছিল। তেখেতৰ ক্লাচত ছাত্ৰ-ছাত্ৰী সদায় পূৰ আছিল।

শিলঙত ডি. পি. আই হৈ থকা অৱস্থাত মই কেবাবাৰো সাপেখাতী হাইস্কুল সংক্রান্তত গৈ তেখেতৰ অতিথি হৈছিলো। কাৰণ তেখেত মোৰ মহা। কিন্তু স্কুল সম্পর্কে মোক একো সুসুধি, সেই সময়ৰ সহকাৰী ডি. পি. আই শ্রীগোপাল চন্দ্র শর্মা বৰুৱাৰ ওচৰলৈহে পঠাই দিছিল। নিৰপেক্ষতাৰ বাবেই সম্ভৱ তেখেতে এনে ব্যৱস্থা লৈছিল। শ্রীশর্মা বৰুৱাই যাহওক সকলো প্রকাৰে স্কুলখনৰ বিষয়ত ক্ষীপ্রতৰ ব্যৱস্থা লৈছিল।

পোছাক পৰিচ্ছদত অধ্যাপক গোস্বামীৰ দুটা ৰূপ। কলেজলৈ আহোতে পকা চাহাব। পেণ্ট, কোট, টাই। কিন্তু ঘৰ পোৱাৰ লগে লগে খদ্দৰ ধুতী, পঞ্জাবী আৰু ভিঙিত বগা চেলেং। ব্রহ্মপুত্রৰ পাৰত ষ্ট্রেণ্ড ৰোডত (এতিয়াৰ মহাত্মা গান্ধী পথ) হাতত লাখুটি এডাল লৈ প্রাতঃ আৰু সান্ধ্য ভ্রমণ কৰিছিল। এই ৰূপত গোস্বামীদেৱক এজন প্রকৃত সত্ৰৰ সত্রাধীকাৰ যেন দেখা গৈছিল।

—×—

ভিনিহিৰ বিষয়ে অলপ স্মৃতি

শ্ৰীমান প্ৰফুল্ল গোস্বামী

শিক্ষাবিদ উমাকান্ত গোস্বামী আছিল এজন অসাধাৰণ ব্যক্তিত্ব সম্পন্ন পুৰুষ, যাৰ বিচাৰ আছিল আচাৰো আছিল। তেওঁ আছিল অনেক গুণৰ অধিকাৰী প্ৰখ্যাত পুৰুষ, তেওঁক মই ভাল পাইছিলো। আৰু শ্ৰদ্ধা কৰিছিলো। তেওঁৰ ছাত্ৰ জীৱন অসাধাৰণ প্ৰতিভাশালী আছিল। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত ১ম শ্ৰেণীৰ প্ৰথম হৈ M A পাছ কৰিছিল, তেওঁ কৃতিত্বৰে BL ও পাছ কৰিছিল। তেওঁ বহুতো স্বৰ্ণ আৰু ৰৌপ্য পদক পাইছিলি, তেওঁৰ ছাত্ৰ জীৱনৰ কৃতিত্বৰ বাবে। "তেওঁ এজন বিদগ্ধ পণ্ডিত আছিল, আৰু এজন আদৰ্শ অধ্যাপক আছিল। ছাত্ৰ সকলে তেওঁক যথেষ্ট শ্ৰদ্ধা কৰিছিল। আৰু ভাল পাইছিল। তেওঁৰ কোনো অহঙ্কাৰ নাছিল। তেওঁৰ কৃতিত্বৰোৰৰ প্ৰচাৰ কৰি নিজক প্ৰতিষ্ঠা কৰাৰ বাবে তেওঁ ছাত্ৰ সকল বা আন মানুহৰ মাজত কোনো দিনেই নিজেই সেইবোৰ কথা কোৱা নাছিল। তেওঁ নিৰবে সকলো কৰ্ত্তব্য সাধকৰ দৰে কৰি গৈছিল। কোনো প্ৰশংসা লাভৰ বাবে বা কাৰোবাক সন্তুষ্ট কৰাৰ উদ্দেশ্যে কোনো কাম কৰা নাছিল। বিদ্যাত তেওঁ অগাধ শাস্ত্ৰজ্ঞ আছিল কিন্তু লগে লগে তেওঁ এজন জ্ঞানীও আছিল। বিদ্যা আৰু জ্ঞান দুইটাই আছিল তেওঁৰ চৰিত্ৰত। গীতাৰ ব্যাখ্যা মতে তেওঁক এজন জ্ঞানযোগী বুলিয়েই কব লাগিব। তেওঁ আছিল এজন দয়ালু। বহুতো লোকক বহুতো ছাত্ৰক তেওঁ সহায় কৰিছিল, টকা পইচা দি আৰু থাকিবৰ বাবে আশ্ৰয় দি।

গুৱাহাটীত থাকোতে তেওঁৰ ঘৰত আত্মীয় স্বজন আৰু গাঁৱঁৰো বহুতলোক আহি আলহি আছিল। সকলোৰে বাবে তেওঁৰ ঘৰ যেন অতিথিশালাহে আছিল। তেওঁৰ বহুত কথা জানিও আজি ঠিকঁকৈ লিখিব নোৱাৰো।

তেওঁৰ দৈনন্দিন জীৱনতো তেওঁ নিয়মীয়া আৰু অতি মাৰ্জিত আছিল। বাতি পুৱাই তেওঁ তেওঁৰ অফিচ কম আৰু পঢ়া কোঠালিতো নিজে চাফা কৰি লিখা টেবুলখন সুন্দৰকৈ সজাই ৰাখিছিল, আৰু দৈনন্দিন কামৰ তালিকা এখন টেবুলত থৈছিল। একো বিশৃঙ্খল হৈ থকা দেখিব নোৱাৰিছিল। তেওঁ খোৱা থকা সকলোতে নিয়ম মতে চলিছিল। পোছাক পৰিচ্ছদ খুব মাৰ্জিত আছিল। কলেজলৈ যাওঁতে কোট পেণ্ট টুপি টাই পিন্ধি যৈছিল। ঘৰত থাকোতে বা বাহিৰত ফুৰোতে ধুতি পাঞ্জাবী চাদৰ লাঠি লৈ ফুৰিছিল। এইবোৰ কথা মই নিজে দেখিছিলো। গুৱাহাটীৰ ঘৰত এজন পৰিয়ালৰ দৰে আছিলো। মোৰ নিজৰ অভিজ্ঞতা আৰু প্ৰত্যক্ষ জ্ঞানৰ পৰা তেওঁৰ সক ডাঙৰ বহুত ঘটনা মই দেখিছিলো। মই ছাত্ৰ জীৱনত প্ৰায়ে তেওঁৰ লগত আছিলো।

তেওঁৰ লগত অসমতে ভ্ৰমণ কৰিছিলো। তেওঁ মোৰ আছিল ভিনিহি তেওঁ মোক বাপী বুলি মাতিছিল। তেওঁৰ প্ৰথমা পত্নী প্ৰতিভা দেৱী মোৰ খুৰাদেউ শিক্ষাবিদ শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰথমা কন্যা। তেওঁ মোতকৈ এমাহৰ সক আছিল। মই তেওঁৰ দাদাক আছিলো। দুয়ো সমনীয়া সেই বাবে মই তেওঁক মৰমতে বাইদেউ বুলি মাতিছিলো। যোৰহাটত খুৰাদেউৰ লগত থাকি ময়ো পঢ়িছিলো। দুয়ো একেলগে ডাঙৰ হৈছিলো। সেই সময়ত আমি দুয়ো দেশ প্ৰেম আৰু উচ্চ আদৰ্শত অনুপ্ৰাণিত হোৱাৰ প্ৰেৰণা পাইছিলো আৰু 'নৈবেদ্য' নামৰ আলোচনী উলিয়াইছিলো (হাতে লিখা)। তেওঁ অতি পৰিপাটি লোক আছিল আৰু নিয়মীয়া ভাবে জীৱন যাপন কৰিছিল। জীৱনত কোনো অতিচাৰ বা অনাচাৰ নাছিল। তেওঁ শিক্ষিত, নিৰক্ষৰ বা সেই সময়ৰ চাহাৰ অধ্যাপক সকলোৰে লগত নিজৰ চৰিত্ৰ বলত সহজ সৰল ভাৱে সম্পৰ্ক ৰখা দেখা পাইছিলো।

তেওঁ যেতিয়া নলবাৰীলৈ শিক্ষাধীকাৰ হিচাবে গৈছিল তেতিয়া চৰকাৰী বঙলাত নাথাকি আমাৰ ঘৰতে আছিল। তেতিয়া মোৰ পিতা আৰু মা জীবিত আছিল।

আমাৰ আবু (পিতা আক খুৰাৰ মাক) ধুকাওতে মোলৈ ভিনিহিয়েই খবৰ দিছিল, মই তেতিয়া কলিকতাত আছিলো। ভিনিহি অম্বিকা বাইহতো সেই শ্রাদ্ধলৈ গৈছিল।

মই ছিলেটত প্রতিভা বাই আক ভিনিহিৰ লগতও মাজে মাজে থাকিব লগা হৈছিল। ছিলেটত বাইদেউৰ কিবা অসুখৰ বাবে মই চিল-ওৱপৰা চেৰাপুঞ্জি হৈ পাহাড়ী বাস্তাৰে ১০ মাইল খোজ কাটি ডোলাগঞ্জ পাই তাৰ পৰা বাচত গৈ গধূলী একেদিনাই ছিলেট পাইছিলো গৈ। তেতিয়া ছিলেট চিলং বাস্তা হোৱা নাই। তাৰ পাছত যোৰহাটত পিতাক মাকৰ লগত থাকোতে ১৯৩২ খৃঃত প্রতিভা দেবীৰ আকস্মিক বিয়োগ হয়। তেওঁ এটি পুত্র আক এটি কন্যা এৰি যায়। বাইদেউৰ বিয়োগ বাতৰি শুনি মই বৰ কাতৰ হৈছিলোঁ।

তাৰ পাছত ছিলেটৰ পৰা ভিনিহি কটন কলেজত অর্থনীতিৰ মুৰব্বি- অধ্যাপক হিচাবে আহে।

প্রতিভা বাইদেউৰ মৃত্যুৰ পিছত ১৯৩৩ খৃষ্টাব্দত ভিনিহিয়ে ডিব্রুগড়ৰ বিখ্যাত ফুকন পৰিয়ালৰ কন্যা অম্বিকা দেবীক বিয়া কৰায়। প্রতিভা বাইৰ ঠাইত নতুনকৈ অম্বিকা বাইদেউক পালো। অম্বিকা বাইদেউ আজিও জীৱিত আছে আক তেওঁৰ ৩ জনী কন্যা আক দুজন পুত্র। সকলোৰে বিয়া বাক হৈছে আক জনাজাত। ভিনিহিৰ লগত ভাই ভাগিন আদি ছাত্রই থাকি পঢ়িছিল। তেওঁৰ লগত ময়ো কটন কলেজত পঢ়োতে ৩ বছৰ আছিলো। (১৯৩৬-১৯৩৯) মোৰ কলেজৰ মাচুলো তেৱেই প্রায়ে দি আছিল। সেই সময়ত অম্বিকা বাইয়ে মোক অতি আদৰেৰে খুৱাই বুৱাই বাখিছিল।

ভিনিহি বা বায়ে মোক কোনো বকমৰে ঘকৰা কাম কাজ কবিবলৈ নিদিছিল। বৰ আদৰ যত্নত বাখিছিল। মোৰ বিদ্রোহী জীৱনটোক শ্রদ্ধা কবিছিল। তেওঁ কটন কলেজৰ অর্থনীতিৰ মুৰব্বি অধ্যাপক আক পাচত কেদিন মান প্রিন্সিপাল হৈ চিলঙত শিক্ষাধিকাৰ হৈছিল, তেওঁ নতুন প্লাই মাউথ গাড়ী খনেৰে অহা যোৱা কবিছিল।

তেওঁ গাৱঁৰ আমৰাঙা সত্ৰলৈও গৈছিল। তেতিয়া তেওঁ গাৱঁলীয়াৰে এজন হৈ গাৱঁৰ মানুহৰ সুখ দুখৰ আৰু বিবাদ বা সমস্যাৰ কথাবোৰ মনোযোগেৰে শুনিছিল আৰু সমস্যাৰ সমাধান কৰিছিল। তেওঁৰ লগত ময়ো কেতিয়াবা গাৱঁলৈ যাওতে শুনিছিলো।

পিতাকৰ দিনৰ শিষ্যৰ গাওঁ জাগী, মায়ং, কমাৰপুৰ আদি আৰু বহুত গাৱঁলৈ তেওঁ গোসাঁই হৈ তাত বাহৰ পাতি শিষ্য সকলৰ কথা শুনিছিল। কিন্তু তেওঁ সেই সময়ত থকা গোসাঁই মহন্তৰ কোনো গোৰামি, জাতিভেদ অস্পৃশ্যতা আদি কিছুমান কুসংস্কাৰ পালন কৰা নাছিল।

তেওঁ অতি কম কথাতেই কেতিয়াবা কোনো এটা চুটি বাক্যৰেই খুব স্পষ্ট ভাৱে গধুৰ কথা ৰসাল ভাৱে প্ৰকাশ কৰিছিল আৰু সেই টোক ইংৰাজীত wit and Humour বোলে। সেই বুলি তেওঁ ব্যঙ্গ কথাকৈ মানুহক হুহুৱাবৰ চেষ্টা কৰা বিধৰ লোক নাছিল। কেতিয়াবা আকৌ তেওঁ কোনো বিশেষ অৱস্থাত বা মানুহ উত্তেজিত হৈ থকা অৱস্থাত মাত্ৰ এটা বা দুটা শব্দ কৈয়ে সকলোকে শান্ত বা নিৰব নিস্তব্ধ কৰি দিব পাৰিছিল। এনে কৰাত তেওঁ কোনো উত্তেজনা পূৰ্ণ ভাষা বা ধমকি ব্যবহাৰ নকৰিছিল। কোনো লোকেই তেওঁৰ কথাত আঘাত বা অসন্তুষ্ট হোৱা দেখা নাছিলো। তেওঁৰ ৰস আছিল উচ্চাঙ্গ আৰু গভীৰ তথ্য পূৰ্ণ। তেওঁ তেওঁৰ মনৰ দুখকষ্ট প্ৰকাশ কৰি আনক আঘাত দিয়াতকৈ মৌন হৈয়ে সকলো কথা সহ্য কৰিব পাৰিছিল। মুখৰ ওপৰে বোৱা নানা ধুমুহাতো অলৰ অচৰ হৈ আছিল। তেওঁ পেঞ্চন লোৱা বছৰতে তেওঁৰ কেন্সাৰ অসুখ হল। তেতিয়া চেনি-কুঠিত নিজা ঘৰতে আছিল। সেই সময়ত কেন্সাৰৰ ভাল চিকিৎসা নাছিল। কলিকতালৈ তেওঁৰ প্ৰথম পুত্ৰ শ্ৰীদেবব্ৰত গোস্বামীয়ে চিত্তৰঞ্জন সেৱা সদনলৈ নি চিকিৎসা কৰিছিল। সেই সময়ত কলিকতাত ভিনিহিৰ ডাক্তিনি-য়েক অনিল গোস্বামীয়েও ভিনিহিক চোৱা চিতা কৰিছিল। গুৱাহাটী-লৈ উভতি আহি নিজৰ চেনিকুঠিৰ ঘৰতে আছিল। বেমাৰী অৱস্থাত

তেওঁৰ ডাঙৰ জীয়েক (তুতুমা) সুব্রতাইও তেওঁক ঘৰতে থাকি শুশ্রূষা কৰিছিল। ঘৰৰ সকলোয়ে বৰ যত্ন লৈছিল। ইমান অসুখতো তেওঁ দুখ কষ্ট মৃত্যু বা চিন্তাৰ কথা একো উল্লেখ নকৰিছিল। বিহ্বলতা বা মনৰ বাসনা প্ৰকাশ নকৰিছিল। অম্বিকা বায়ে ধৈর্য্যৰে শুশ্রূষা কৰিয়েই আছিল। ভিনিহিৰ বয়স তেতিয়া ৫৯ বছৰ, পেঞ্চন লৈ উঠিছিল হে মাত্ৰ, ১৯৫৬ খৃষ্টাব্দত ২৬ এপ্ৰিলৰ দিনা ভিনিহিৰ মৃত্যুৰ বাতৰি শুনিলোঁ। তেওঁৰ নিজা চেনিকুঠীৰ ঘৰতে দিনৰ ৩ মান বজাত মৃত্যু হয়।

মই চিলঙৰ বিধান সভাৰ অধিবেশনত ব্যস্ত আছিলো। চিলঙলৈ এই খবৰ ৺গকুল গোস্বামীলৈ (প্ৰতিভা বাইদেউৰ ভনী শ্ৰীমতী প্ৰভা গোস্বামীৰ গিৰিয়েক) পঠায়। সেই খবৰ পাযেই মই গকুল গোস্বামীৰ গাড়ীৰে অম্বিকা বাইৰ নিজা নবৌৰেক নিনা আৰু দাদাক পুষ্পকুকন, সুপ্ৰভা, গকুল গোসাই আটাই খিনি আহি চেনিকুঠি পালোহি। কিন্তু হায়। গধুলীৰ আগতে ভিনিহিৰ নশ্বৰ দেহা চিতা বেদিত ভস্ম হৈ গৈছে নবগ্ৰহৰ শ্মশানত।

ভিনিহিৰ মৰণৰ সময়ত উপস্থিত নাছিলোহেই আনকি শ্মশানত সৎকাৰ কৰা সময়তও উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰিব নোৱাৰিলো, তাৰ বাবে অন্তৰত বৰ দুখ পালো। ভিনিহিৰ লগত বিভিন্ন ঠাইত একেলগে আছিলো। প্ৰায় ৪০ বছৰ এই সময়ত নানা ভাবে তেওঁ মোক পাইছে, মোৰ জীয়নৰ অনেক বিচিত্ৰ ঘটনা তেওঁ জানিছিল। ভিনিহিৰ দিনৰ যি কেইজন মানুহ জীয়াই আছে, তাৰে ময়ো এজন অন্যতম কিন্তু সকলো কথা জানিও যেন আজি লিখিবৰ সময়ত মই কিবা ভুল লিখিম বা ভিনিহিৰ জীবন দৰ্শনৰ লগত অনিচ্ছাকৃতভাবেই কৰবাত কিবা ভুল ভাবে প্ৰকাশ পাব পাৰে বুলি মোৰ এতিয়া এই বাৰ্দ্ধক্য বয়সত দোধোৰ মোধোৰ লাগিছে, চিন্তা হৈছে কি লিখিম আৰু কি বাদ দিম। কিন্তু তেওঁৰ বিষয়ে অলপ কিবা লিখিবই লাগিব। অতবছৰৰ পাছত তেওঁৰ পত্নী অম্বিকা বাইয়ে এখন স্মৃতি-গ্ৰন্থ উলিয়াব খুজিছে

আক মোক লিখিবলৈ কৈছে, কাৰণ ভিনিহিৰ লগত থকা মোৰ বহুবছৰৰ অন্তৰঙ্গ সম্বন্ধৰ কথা তেওঁ জানে। ভিনিহিৰ আন্তৰিকতা আক সদায়ে মোৰ সকলো অৱস্থাতে আদৰ মৰ্য্যদা পাই আছিলো। জীয়াই আছো যেতিয়া লিখিবই লাগিব। স্মৃতিৰ পটত ইমানবোৰ কথা বিনি বিনি আছিছে যে সেইবোৰৰ কোনটো লিখিম আক কোনটো বাদ দিম তাক ঠিক কৰিব নোৱাৰা অৱস্থাত পৰিছো। বহুত স্মৃতি মানস পটত জাগি উঠে।

ভিনিহিলৈ মই মাজে সময়ে ভ্ৰমণ অভিজ্ঞতালৈ চিঠি পত্ৰ দিছিলো। তেওঁ মোলৈ সংক্ষেপে উত্তৰ দিছিল। তেওঁ লিখা দুই চাৰিখন চিঠি মোৰ আছে। ১৯৫৯ খৃঃ ১৯ জানুৱাৰীৰ দিনা গুৱাহাটীৰ পৰা তেওঁ চিলঙৰ D.P.I কামত জইন কৰি মোলৈ লৰালৰিকৈ এখন চিঠি লিখিছিল ৰাৰ্দ্ধাৰ পৰা মই দিয়া চিঠিৰ উত্তৰত—

মৰমৰ ঘাপী,

তোমাৰ চিঠি পালো। মই সোমবাৰে ১৭ জানুৱাৰীৰ দিনা D.P.I. কামত জইন কৰিলো। কিবা এটা Conference ৰ বাবে গুৱাহাটীলৈ আহিছিলো। কাইলৈ আকৌ চিলঙলৈ যাম। তুমি আহিলে সকলো ভ্ৰমণ কাহিনী শুনিম। এতিয়া মই অকলেহে চিলঙলৈ গৈছো। এমাহ মান পাছত হে বায়ে আহানাক নিম বুলি ভাবিছো। আশাকৰো তোমাৰ ভাল।

ইতি

তোমাৰ ভিনিহি

স্মৃতি তর্পণ

শ্রীনবদ্বীপ ৰঞ্জন পাটগিৰি

মেধাবী ছাত্র প্রবীণ শিক্ষাবিদ সুদক্ষ প্রশাসক আৰু তত্ত্বদর্শী সাহিত্যিক হিচাবে স্বর্গীয় উমাকান্ত গোস্বামীদেৱৰ বহুমুখী প্রতিভাপূর্ণ জীৱনৰ কথা আলোচনা কৰিবলৈ ওলোৱা নাই; মাথোন ছাত্র হিচাবে তেখেতৰ ব্যক্তিগত সান্নিধ্যত অহা দিন কেইটাৰ অতীতৰ স্মৃতি মাধুৰীহে বুটলি তেখেতলৈ তর্পণ আগবঢ়োৱাৰ ক্ষীণ প্রয়াস এটি কৰা হৈছে।

সেইয়া ১৯৪২ চনৰ কথা। মোৰ বয়স তেতিয়া ১৮ বছৰ। দ্বিতীয় মহাসমৰৰ ৰণোদ্যম বিশ্বজুৰি চলিছে। প্রবেশিকা পৰীক্ষা দি উঠি ভাৰতৰ স্বাধীনতাৰ (ভাৰত ত্যাগ) গণ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰি G. R. Case N. 506 (A) of 1942, king Emperor Vs. N. R. Patgiri & others গোচৰটোৰ বিচাৰত মোৰ পাঁচ বছৰ সশ্রম কাৰাদণ্ডৰ হুকুম হৈছিল: কিন্তু দিল্লীৰ ফেডেৰেল কোর্টৰ পৰা গোচৰটোৰ পুণৰ বিচাৰৰ হুকুম হোৱাত, আৰু ইতিমধ্যে গুৱাহাটী কাৰাগাৰত সুদীর্ঘ দুবছৰ কাল কাৰাবাস খটাৰ পিছত, প্রথম বাৰৰ বাবে জামিনত মুক্তি লভি কাৰাগাৰৰ বাহিৰ ওলালোঁ। প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হোৱা খবৰ কাৰাগাৰত থাকোঁতেই পাইছিলোঁ; কিন্তু তাৰ পিছত শিক্ষা জীৱনৰ দুটি বছৰ কাৰাগাৰৰ ভিতৰতে অথলে যোৱাত জামিনত অস্থায়ী মুক্তি পাইয়েই কটন কলেজত নাম ভর্তি কৰাৰ লোভ সামৰিব নোৱাৰি, দেউতা, চিন্তাহৰণ পাটগিৰিদেৱৰ পৰামর্শ লবলৈ আমাৰ নিজ ঘৰ সবভোগলৈ ঢাপলি মেলিলোঁ।

সবভোগৰ আমাৰ ঘৰখন স্বাধীনতাৰ আন্দোলনৰ সেই সময়ত ৰবনগৰ অঞ্চলৰ প্রাণকেন্দ্র আছিল। মহেন্দ্রমোহন চৌধুৰী, অক্ষয় কুমাৰ দাস, কামেশ্বৰ দাস, মধুসূদন দাস, প্রভৃতি নেতা সকলৰ আৰু

মুক্তি যুঁজাক সকলৰ আলোচনাৰ বৈঠক প্ৰায়েই আমাৰ ঘৰত বহিছিল আৰু স্থানীয় কাৰ্য্যপন্থাৰ আঁচনি নিৰ্দ্ধাৰিত হৈছিল। দেউতা, সম্পূৰ্ণ জাতীয়তাবাদী মনোভাৰৰ মানুহ আছিল। এই শতিকাৰ দ্বিতীয় দশকৰ আৰম্ভণিতে দেউতা কটন কলেজৰ ছাত্ৰ আছিল। ব্ৰাউন, ছুডমাছ'ন, লক্ষ্মীচেটাৰ্জী আদি অধ্যাপক সকলৰ বৰ গুণ কীৰ্ত্তন কৰিছিল; কিন্তু কটন কলেজত মোৰ নাম ভৰ্ত্তিৰ ইচ্ছাৰ কথা যেতিয়া মই দেউতাৰ আগত ব্যক্ত কৰিলোঁ, তেওঁ কোনো আগ্ৰহ প্ৰকাশ নকৰি কিছু সময় টলকা মাৰি থাকি কৈছিল—"কটন কলেজৰ ইকনমিক্স ডিপাৰ্টমেণ্টৰ প্ৰফেছৰ উমাকান্ত গোস্বামী মোৰ পৰম বন্ধু। তেখেতক লগ ধৰিবি, তেখেতে আৱশ্যকীয় পৰামৰ্শ আদি দিব।"

যি কি নহওক যি বকম কলেজত কেইমাহমান পঢ়াৰ পিচত কটন কলেজত যি, এ শ্ৰেণীত নাম ভৰ্তি কৰিলো। ইকনমিক্সত অনাৰ্ছ লোৱাৰ মোৰ প্ৰবল ইচ্ছা আছিল। মাৰ্কছিট উলিয়াই লৈ প্ৰাথমিক আলোচনাৰ বাবে অধ্যাপক উমাকান্ত গোস্বামী চাৰক লগ ধৰিলোঁ। Civics অত ভাল নম্বৰ পোৱা হেতু তেওঁ মোক ইকনমিক্সত অনাৰ্ছ লবলৈ ক'লে। মোৰ মনৰ ইচ্ছা ফলবতী হ'ল। গতিকে B. A. শ্ৰেণীৰ Admission Form আনি বিষয় নিৰ্বাচনত ইকনমিক্সত অনাৰ্ছ লোৱা হ'ল আৰু লগতে Pass Subject হিচাপে Assamese Second Language ললোঁ।

উমাকান্ত গোস্বামী চাৰে ইকনমিক্সৰ অনাৰ্ছৰ ৫ম কাকত "Aristotle's politics and Mill's Representative Government" খন কটনত পঢ়ুৱাইছিল। ১৯৪৮ চনলৈকে অসমৰ কলেজ সমূহৰ পাঠ্যক্ৰম কলিকতা বিশ্ববিদ্যালয়ৰ মতে আছিল। কলিকতা বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম মতে ইকনমিক্সৰ অনাৰ্ছৰ ৬ খন পেপাৰৰ প্ৰথম তিনিখন শুদ্ধ ইকনমিক্সৰ আৰু বাকী তুখন পলিটিক্চ আৰু শেষৰ পেপাৰখন এখ নম্বৰৰ এখন বচনা।

আমি কিছুদিনৰ ভিতৰতে গম পালোঁ যে উমাকান্ত গোস্বামী চাৰে পঢ়োৱা অনাৰ্ছৰ ৫ম কাকত খনত, অসমৰ কটন কলেজৰ ছাত্রই কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত, অর্থাৎ সমগ্র বঙ্গদেশ আৰু অসমৰ ভিতৰতে সর্বোচ্চ নম্বৰ পায়; আনকি বঙ্গদেশৰ ছাত্র আহি আমাৰ কটন কলেজৰ ছাত্রৰ পৰা গোস্বামী চাৰৰ ৫ম কাকত খন "Aristotle's Politics"ৰ নোট লিখি নিয়ে। ইকনমিক্সৰ অনাৰ্ছৰ প্রথম কাকত "Principle of Economics" খনত প্রেছিডেন্সি কলেজৰ ছাত্রই সর্বোচ্চ নম্বৰ পাইছিল; প্রেছিডেন্সি কলেজৰ ছাত্রৰ পৰা সেই-খন পেপাৰৰ চাইক্লোষ্টাইল কৰা নোট আমি সংগ্রহ কৰিছিলোঁ।

১৯৪৮-৪৯ চনত অধ্যাপক উমাকান্ত গোস্বামী চাৰ উজান বজাৰৰ এটা ভাৰা ঘৰত আছিল; আসাম টাইপৰ গেৰুৱা ৰং দিয়া ডাঙৰ ঘৰ আছিল। এৰিষ্টোট্‌লচ পলিটিক্স খনৰ নোট দিয়া কাম ক্লাছত শেষ কৰিব নোৱাৰি বি. এ. ফাইনেল পৰীক্ষাৰ কেইমাহ মান আগৰ পৰা প্রতি ৰবিবাৰে উজান বজাৰৰ তেখেতৰ বাস ভবনত আমাৰ অনাৰ্ছৰ ক্লাছ বহুৱাই নোট দিয়া কাম সম্পূর্ণ কৰিছিল। আমি অর্থৎ মই, কমল মজুমদাৰ, আৰিফ আলি, গোলোক ৰাজবংশী আদি ইকনমিক্সৰ অনাৰ্ছৰ ছাত্র কেইজনে কটন কলেজ হোষ্টেলৰ পৰা প্রতি ৰবিবাৰে ৰাতিপুৱা ৮॥ বজাত গোস্বামী চাৰৰ ঘৰ পাইছিলোঁ, আৰু প্রায় ১০ বজালৈ তেখেতে নোট দি মাজে মাজে বক্তৃতা কৰি বুজাই গৈছিল। নোট দিয়া আৰু বক্তৃতা কৰাৰ মাজতে প্রায়েই এবাৰকৈ চাহ-লুচি বা চাহ-বিস্কুট আমাৰ মাজলৈ আহিছিল। আমি হোষ্টেলৰ বিহাৰী ঠাকুৰৰ হাতৰ কৰকৰিয়া টান লুচিবোৰ খাই, গোস্বামী চাৰৰ ঘৰৰ নৰম লুচিবোৰ বৰ ভাল পাইছিলো। ছাত্রৰ প্রতি শিক্ষকৰ সেই নিস্বার্থ মৰম আৰু শিক্ষকৰ প্রতি ছাত্রৰ সেই অচলা ভক্তি আজিৰ দিনত প্রায় বিৰল বুলি কব পাৰি।

Mill ৰ "Representative Government" নামৰ কিতাপ-খনত "Proportional representation by Single Transfer-

able Vote" নামৰ অধ্যায় এটা আছিল। ইকনমিক্সৰ অনার্ছৰ ছাত্ৰ কেইজনৰ ভিতৰত গোলোক ৰাজবংশী আৰু মই ছাত্ৰ ৰাজনীতিত সক্ৰিয় ভাবে জড়িত আছিলোঁ। অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছ তেতিয়াৰ বৃহৎ ছাত্ৰানুষ্ঠান আছিল। কমল মজুমদাৰ ছাত্ৰ ৰাজনীতিত নাছিল। আৰিফ আলি কিন্তু কটন কলেজৰ ভাল ফুটবল খেলুৱৈ আছিল।

গোলোক ৰাজবংশী আৰু মই গোস্বামী চাৰক কলো—'চাৰ আমাৰ অনার্ছৰ এইবাৰ এটা প্ৰেক্‌টিকেল কৰা হ'ক, অৰ্থাৎ কটন কলেজৰ অহা ছাত্ৰ ইউনিয়নৰ নিৰ্বাচনত "Proportional representation by Single Transferable Vote apply কৰা হ'ব।"

গোস্বামী চাৰে ক'লে, "বৰ ভাল কথা, তোমালোকে Public opinion mobilise কৰা।"

কটন কলেজৰ ছাত্ৰ ইউনিয়নৰ কাৰ্যকৰী সমিতিত এই প্ৰশ্নটো উত্থাপন কৰাত সৰ্বসম্মতিক্ৰমে গৃহীত হ'ল যে ১৯৪৮-৪৯ চনৰ কটন কলেজৰ ছাত্ৰ ইউনিয়নৰ নিৰ্বাচন "Proportional Representation by Single transferable Vote" মতে হ'ক।

অধ্যাপক উমাকান্ত গোস্বামী চাৰে ইকনমিক্সৰ অনার্ছৰ আমাৰ ৩ জন ছাত্ৰক গোটেই প্ৰক্ৰিয়াটো তন্ন তন্ন কৰি দুদিন মান বুজোৱাৰ পিছত, আমি কটন কলেজৰ গোটেইখিনি ছাত্ৰ-ছাত্ৰীকে নিউ আৰ্ট্‌চ বিল্ডিঙৰ ডাঙৰ কোঠালি দুটাত বোৰ্ডত বুজাই বক্তৃতা কৰি দুদিনমান নিৰ্বাচনৰ এই প্ৰক্ৰিয়াটোৰ বিষয়ে প্ৰশিক্ষণ দিছিলোঁ।

Proportional Representation by single Transferable Vote প্ৰক্ৰিয়া মতে কটন কলেজৰ ছাত্ৰ ইউনিয়নৰ সেইবাৰ প্ৰথম নিৰ্বাচন হৈছিল আৰু এই নিৰ্বাচনত ছাত্ৰ কংগ্ৰেছৰ প্ৰাৰ্থী যুবুবীৰ শ্ৰীবিজয় কুমাৰ দাস নামৰ ছাত্ৰ এজন ইউনিয়ন ছেক্ৰেটাৰী নিৰ্বাচিত হৈছিল। শ্ৰীবিজয় কুমাৰ দাস এতিয়া গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজন লব্ধপ্ৰতিষ্ঠ অধিবক্তা।

অসমীয়া সাহিত্যৰ ক্ষেত্ৰত আৰু অসমৰ পুৰাতাত্ত্বিক জগত খনত গোস্বামী চাৰে এখন নিজস্ব ঠাই কৰিব পাৰিছিল। মাধৱ কন্দলি বিৰচিত অসমীয়া ৰামায়ণৰ প্ৰথম সম্পাদনা কৰে ১৮৯৯ চনত স্বৰ্গীয় মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই। তাৰ পিছত মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণৰ বিভিন্ন সম্পাদনাত যি কেইটা সংস্কৰণ প্ৰকাশ পাইছিল তাৰ ভিতৰত নগাঁৱঁৰ পণ্ডিত কনক চন্দ্ৰ শৰ্মাৰ ৰামায়ণ খনত অধ্যাপক উমাকান্ত গোস্বামী চাৰৰ গভীৰ আলোচনামূলক পাতনিটোৱে ৰামায়ণ খনৰ বহুত মূল্য বঢ়াইছিল। গোস্বামী চাৰৰ এই তত্ত্বগধূৰ পাতনিটোৰ বাবেই পণ্ডিত কনক চন্দ্ৰ শৰ্মাৰ সম্পাদিত মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণ খন অসমীয়া এম, এ শ্ৰেণীৰ পাঠ্যপুথি আছিল আৰু আমিও বি, এ মহলাত Assamese Second Language ৰ পাঠ্যক্ৰমত পঢ়িছিলো।

গোস্বামী চাৰে এই বহুমূলীয়া পাতনিটোৰ পৰা প্ৰতিপন্ন কৰিছে যে ১৪শ শতিকাত ৰচিত হোৱা মাধৱ কন্দলিৰ এই অসমীয়া ৰামায়ণ খন নৱভাৰতীয় আৰ্য্য ভাষাৰ প্ৰথম ৰামায়ণ। তাৰ দুই শতিকাৰ পিছৰ অৰ্থাৎ ১৬শ শতিকাৰ মাজ ভাগত কীৰ্তিবাসৰ বঙালী ৰামায়ণ আৰু ১৬শ শতিকাৰ শেষ ভাগত তুলসীদাসৰ হিন্দী ৰামায়ণ ৰচিত হয়। তুলসীদাসৰ দৰে ৰামক স্বয়ং ভগবান আৰু সীতাক স্বয়ং লক্ষ্মী বুলি কল্পনা নকৰি মাধৱ কন্দলিৰ ৰচনাত মহৰ্ষি বাল্মীকি ৰচিত মূল সংস্কৃত ৰামায়ণৰ অনুকৰণত শ্ৰীৰামচন্দ্ৰক এক আদৰ্শ পুৰুষ আৰু সীতাক এগৰাকী আদৰ্শ নাৰী হিচাবে অঙ্কিত কৰিছে। কীৰ্তিবাস আৰু তুলসীদাসৰ দৰে পাঠকৰ মনোৰঞ্জনৰ বাবে পুৰাণ আদিৰ পৰা সংগ্ৰহ কৰি মূল সংস্কৃত ৰামায়ণত নোহোৱা বহুতো উপাখ্যান সন্নিবেশ কৰা নাই। অধ্যাপক উমাকান্ত গোস্বামী চাৰে এইটোৱে প্ৰতিপন্ন কৰিছে যে মাধৱ কন্দলি বিৰচিত অসমীয়া ৰামায়ণ বাল্মীকি ৰচিত মূল সংস্কৃত ৰামায়ণৰ সংক্ষিপ্ত সৰল অসমীয়া অনুবাদ। মূলত নোহোৱা কোনো কথা ইয়াত প্ৰক্ষিপ্ত হোৱা নাই। ১৯৩৭ চনত গুৱাহাটীত বহা অসম

সাহিত্য সভাৰ ১৭শ অধিবেশনৰ সভাপতিৰ ভাষণত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই উল্লেখ কৰিছে যে মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণ যন পঢ়িলে বাল্মীকি ৰচিত মূল সংস্কৃত ৰামায়ণৰ কোনো কথা বাদ নপৰে।

অৰ্থনীতিৰ শিক্ষক হিচাবে গোস্বামী চাৰে 'সমবায়' বিষয়টোৰ ওপৰত বিশেষ জোৰ দিছিল আৰু সেই সময়ত প্ৰত্যেক ৰাজ্যিক চৰকাৰে সমবায় আন্দোলন (Co-operative Movement) গঢ়ি তোলাত গুৰুত্ব দিয়াত তেওঁ "সমবায়" নামৰ গ্ৰন্থ এখন প্ৰণয়ন কৰি প্ৰকাশ কৰিছিল। এইখন গ্ৰন্থৰ পুণৰমুদ্ৰণৰ এতিয়াও দৰকাৰ।

স্বৰ্গীয় কনকলাল বৰুৱা আদিৰ প্ৰচেষ্টাত আৰম্ভ হোৱা বৰ্ত্তমান "আছাম মিউজিয়ম"ৰ বুনিয়াদ কাম বা অনুসন্ধান সমিতিৰ লগত গোস্বামী চাৰ ওতঃপ্ৰোতঃ ভাৱে জড়িত আছিল। আৰু কেইবছৰ মান তাৰ সম্পাদক আছিল। কামৰূপ অনুসন্ধান সমিতিৰ The Journal of Assam Research Society ত গোস্বামী চাৰৰ গবেষণা মূলক প্ৰবন্ধ প্ৰকাশ পাইছিল।

আমি কটনত পঢ়াৰ সময়খিনিত গোস্বামী চাৰ কটন কলেজৰ ছাত্ৰ ইউনিয়নৰ সভাপতি আছিল। সেই হিচাবে ছাত্ৰ ইউনিয়নৰ দ্বাৰা আয়োজিত অনুষ্ঠান বোৰত তেখেতে সভাপতিত্ব কৰিব লাগিছিল। ছাত্ৰ ইউনিয়নৰ দ্বাৰা আয়োজিত বিতৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, প্ৰতি-যোগিতা আদি তেতিয়া ইংৰাজীতে হৈছিল। আৰু এই অনুষ্ঠান বোৰ ছুডমাৰ্ছন হলৰ মঞ্চত অনুষ্ঠিত হৈছিল। অনুষ্ঠান বোৰৰ এটা শৈঠিল্যপূৰ্ণ অৱস্থাত কটন কলেজৰ ছাত্ৰক কোনোও বাকৰুদ্ধ কৰি ৰাখিব নোৱাৰিছিল আৰু প্ৰায়েই এটা হুলস্থুলীয়া পৰিবেশ প্ৰেক্ষাগৃহত ঘটিছিল। কিন্তু গোস্বামী চাৰে সভাপতিৰ আসনৰ পৰা মাজে মাজে দি থকা "Witty and Humourous" মন্তব্য বোৰত হাঁহিৰ খলকনি পাৰ হৈ যোৱাৰ লগে লগে প্ৰেক্ষাগৃহত সম্পূৰ্ণ নীৰৱতা বিৰাজ কৰিছিল। ছাত্ৰক শাসনত আনিবলৈ গোস্বামী চাৰৰ এই মনোবিজ্ঞান

পূর্ণ পদ্ধতি মন কৰিবলগীয়া আছিল.

১৯২৭ চনৰ মডেলৰ কেনডাচৰ হুদ থকা "ফোর্ড" গাড়ী এখন গোস্বামী চাৰৰ আছিল। আমি কটনত পঢ়াৰ সময়ত গোস্বামী চাৰে যুদ্ধৰ দিনৰ চেভ্রোলেট ষ্টেচন ওৱাগন গাড়ী এখন কিনিছিল। জাৰ হ'ক, জহ হ'ক, গোস্বামী চাৰৰ হাতত ছাটি এটি প্রায়েই আছিল। হাতঘড়ীটোৰ ওপৰত চামৰাৰ সাফৰ এটি লগোৱা আছিল। ঘড়ীটোৰ সময় চাব লগীয়া হলে সাফৰটো গুচাইহে সময় চাব লাগিছিল। দ্রুত গতিৰ বাবে এখন গাড়ী, ৰ'দ ৰবষুণ নিবাৰণৰ বাবে এটি ছাটি আৰু সময় নির্দ্ধাৰণৰ বাবে হাতত এটি সুৰক্ষিত ঘড়ী থকাতো ঘৰৰ পৰা আহি অনাৰ্ছ'ৰ ক্লাছ পাওঁতে চাৰৰ প্রায়েই ১০/১৫ মিনিট পলম নোহোৱাকৈ নাছিল। অৱশ্যে অনাৰ্ছ'ৰ ছাত্র বুলি পিছৰ পাছ ক্লাছৰ অধ্যাপক সকলে তেওঁলোকৰ শ্রেণীত আমি সোমোৱাত পলম হোৱাত অপৰাধ নধৰিছিল। প্রথমতে চকু পোন্দাই সোধে "Whose class it was?" আমি নৰম ভাৱে উত্তৰ দিওঁ, Prof. U. K. Goswami's Sir, তেতিয়া সকলো ঠাণ্ডা।

নবগ্রহলৈ যোৱা চেনিকুঠীৰ বাস্তাৰ কাষত যেতিয়া গোস্বামী চাৰে নিজা ঘৰ সজাবলৈ ধৰিছিল, তেতিয়া ষ্টেচন ওৱাগন গাড়ীখনে গৃহ নির্মাণৰ কামত বেচ সহায় কৰিছিল।

অধ্যাপক উমাকান্ত গোস্বামীক কোট-প্যাণ্ট পিন্ধা আমি দেখা নাছিলোঁ। প্রায়েই ধুতি-পাঞ্জাবী পিন্ধিছিল। জাৰৰ দিনত গৰম কাপোৰৰ পাঞ্জাবী আৰু কান্ধত এন্দি চাদৰখন প্রায়েই আছিল। Zig-Zag পেপাৰত পকাই নেভিকাট মিক্সাৰৰ চুৰট হুপিছিল। মিক্সাৰৰ চুৰট হুপাৰ মাত্রা পিছত বৰ বেছি হোৱাত গেষ্ট্রিক আদি পেটৰ অসুখৰ পৰা চাৰে প্রায়েই ভুগিছিল। গেষ্ট্রিক অসুখটোৰ বাবেই চাৰে মাছ মহঙৰ বাবে পিছত নির্বিকাৰ হৈ প্রায়েই লঘু আহাৰ ভোজন কৰিছিল।

১৯৪৮ চনত অধ্যাপক উমাকান্ত গোস্বামী চাৰে কটন কলেজৰ

অধ্যক্ষ পদত অধিষ্ঠিত হৈ তাৰ পিছত অসমৰ শিক্ষাধিকাৰ (D.P.I.) হয়। শিক্ষাধিকাৰ কার্য্যালয় তেতিয়া শিলঙত আছিল। গোস্বামী চাৰ শিক্ষাধিকাৰ হৈ থকা সময় ছোৱাত মহেন্দ্রমোহন চৌধুৰী শিক্ষামন্ত্রী আছিল। মই ইকনমিক্সত ভাল ভাৱে অনার্ছ লৈ বি, এ, পাছ কৰাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত ইকনমিক্সত এম, এ পঢ়িবলৈ মাহে ১০০ টকীয়া Post Graduate Scholarship এটা পাইছিলো। বোধহয় এই Scholarship টোৰ অনুমোদনৰ ওৰিতে নিশ্চয় গোস্বামী চাৰ আছিল; তাৰ বাবে মই চিৰ কৃতজ্ঞ।

সুখ্যাতিৰে এম, এ; বি, এল পাছ কৰা এজন মেধাবী ছাত্র,- ছাত্রৰ মনস্তাত্বিক দিশটো অধ্যয়ন কৰি মৰমৰ শাসনেৰে শ্রদ্ধা ভক্তি অর্জন কৰি, এখন বৃহৎ বিশ্ববিদ্যালয়ৰ ভিতৰতে নিজে শিকোৱা বিষয়ত ছাত্রক সর্বোচ্চ নম্বৰ পোৱাৰ যোগ্যতা দিব পৰা এনে অভিজ্ঞ শিক্ষা-বিদ শিক্ষাধিকাৰ হৈ থকা সময়খিনিৰ ভিতৰত প্রতিষ্ঠিত হৈ পৰা, এজন সুদক্ষ প্রশাসক আৰু অসমীয়া সাহিত্যৰ ক্ষেত্রত বিস্তৃত ভাৱে নহলেও গবেষণামূলক সীমিত প্রবন্ধ কিছুমানৰ মাজেৰে নিজক প্রতিষ্ঠা কৰিব পৰা এজন বহুমুখী প্রতিভাশীল ব্যক্তি হিচাবে অধ্যাপক উমাকান্ত গোস্বামী অসমবাসীৰ চিৰ নমস্য হৈ থাকিব।

অসমৰ শিক্ষাধিকাৰ হিচাবে ১৯৫৩ চনত অবসৰ লৈ ১৯৫৬ চনত গোস্বামীদেৱে নশ্বৰ দেহ ত্যাগ কৰে।

—+—

গোঁৱৰণ

শ্ৰীমথুৰা নাথ গোস্বামী

স্বাধীনতাৰ আগৰ তুলনাত ভাৰতৰ সমবায় আন্দোলনৰ ভূমিকা কিছু পৰিবৰ্তন হৈছে। পৰিকল্পনা আৰম্ভ কৰাৰ পিছত চৰকাৰে নিজে কৃষি উন্নয়নত বিশেষ দায়িত্ব লোৱা কাৰণে সমবায় আন্দোলন পৰিকল্পিত গতিত আগবাঢ়িছে। আগতকৈ সমবায় সমিতিৰ সংখ্যা বাঢ়িছে আৰু নতুন নতুন প্ৰকাৰৰ সমবায় উদ্যোগ প্ৰতিষ্ঠা কৰা হৈছে। কিন্তু সমবায়ত বিশ্বাস কৰা প্ৰকৃত সমবায়ীৰ সংখ্যা প্ৰয়োজন অনুপাতে বঢ়া নাই। তাৰ কাৰণ সমবায় সম্পৰ্কে শিক্ষাৰ অভাৱ।

৺উমাকান্ত গোস্বামীৰ "সমবায়" পঞ্চাছ বছৰৰ আগতে লিখা কিতাপ। লিখক অসমৰ এজন বিশিষ্ট শিক্ষাবিদ আছিল। তেখেতৰ পত্নীয়ে যুগুতোৱা জীৱনালেখ্যত গোস্বামীদেৱৰ বিষয়ে জানিবলগীয়া কথা সকলোখিনি সন্নিবিষ্ট কৰা হৈছে। সেই কথা দোহাৰিবৰ প্ৰয়োজন নাই, কিন্তু এটা কথা বহলাই নকলে অধ্যাপক গোস্বামীৰ কৰ্ম্ম জীৱনৰ কাহিনী অসম্পূৰ্ণ হৈ থাকিব। গোস্বামীদেৱৰ শিক্ষাগুৰু ব্ৰাউন চাহাবৰ বিষয়ে জীৱনালেখ্যত উল্লেখ কৰা হৈছে। আৰ্থাৰ এড্‌বাৰ্ড ব্ৰাউন কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস আৰু আন্তৰ্জাতিক আইনত ট্ৰাইপছ সম্মানেৰে পাছ কৰা এজন প্ৰসিদ্ধ অধ্যাপক আছিল। তেখেতৰ ছাত্ৰৰ ভিতৰত এই লিখকো এজন আছিল। ব্ৰাউন চাহাবৰ দৰে এজন অধ্যাপকৰ স্নেহ ভাজন হোৱাটো গোস্বামীদেৱৰ গুণৰ পৰিচয়। ব্ৰাউন চাহাবে শ্ৰেণীত কেৱল নিৰ্দ্দিষ্ট পাঠ্য-পুথিৰ পৰা পালমৰা পাঠ আবৃত্তি নকৰি ছাত্ৰক বিষয় একোটাৰ ভিতৰলৈ সোমাবলৈ শিকাই তেখেতৰ বক্তৃতা সজীৱ কৰি তুলিছিল। তেখেতৰ বক্তৃতাৰ পৰা আমি সমসাময়িক জগতৰ ঘটনাবলীৰ ঐতিহাসিক পটভূমি জানিব পাৰিছিলোঁ। মহাত্মাগান্ধীৰ সত্যাগ্ৰহ আন্দোলন সম্বন্ধে অধ্যাপক ব্ৰাউনে প্ৰায়েই

ছাত্ৰৰ লগত খোলা-খুলি ভাবে আলোচনা কৰিছিল আৰু আন্দোলনত যোগ দিয়া ছাত্ৰসকলৰ প্ৰতি সহানুভূতীশীল হোৱা কাৰণেই তেখেতে চাকৰি কাল পূৰ্ব নৌহওঁতেই অবসৰ লবলগীয়া হৈছিল।

অধ্যাপক গোস্বামীয়ে ব্ৰাউন চাহাবৰ ঠাইত ১৯৩৩ চনত নিযুক্তি পোৱাৰ পৰা ১৯৪৬ চন লৈকে মই তেখেতৰ সহযোগী হিচাপে কটন কলেজৰ অৰ্থনীতি বিষয়ৰ অধ্যাপনাৰ কাম কৰিছিলোঁ। তেখেতৰ বিষয়ে জানিবলৈ মোৰ যথেষ্ট সুবিধা হৈছিল। তেখেতে নিজে কলেজত ভাৰতীয় অৰ্থনীতি (Indian Economics) বিষয়টো পঢ়াই ভাল পাইছিল আৰু ছাত্ৰসকলকো বিষয়টোৰ প্ৰতি আকৃষ্ট কৰিবলৈ যত্ন কৰিছিল। সমবায় আন্দোলনত তেখেতৰ বিশেষ আগ্ৰহ জন্মাৰ এটা কাৰণ আছিল। অধ্যাপক গোস্বামীয়ে তেখেতৰ গাঁৱৰ ঘৰৰ লগত ঘনিষ্ট সম্বন্ধ ৰাখিছিল আৰু প্ৰায় প্ৰতি শনিবাৰেই ঘৰলৈ গৈ তাৰ গাঁৱৰ মানুহৰ আৰ্থিক সমস্যাবোৰ বুজিবলৈ চেষ্টা কৰিছিল। তেখেতৰ বিশ্বাস হৈছিল যে দুখীয়া কৃষকে যদি একে লগতে সমবায় অনুষ্ঠান পাতি নিজৰ উদ্‌গতিৰ উপায় নকৰে, তেনেহলে তেওঁলোকে অৱস্থাৰ উন্নতি কৰিব নোৱাৰে। সমবায় আন্দোলনৰ অগ্ৰগতিৰ অন্তৰায় বিলাক পৰীক্ষা কৰি তেখেতে অনুভৱ কৰিছিল যে সমবায় নীতি ভালকৈ কামত খটাৰ নজনা কাৰণে সমিতি বিলাকৰ অৱস্থা দিনক-দিনে বেয়া হৈ পৰিছিল। 'সমবায়ৰ উন্নতিৰ প্ৰধান অবলম্বন হৈছে জন সমূহৰ মাজত সমবায় নীতিৰ প্ৰচাৰ।' সেই প্ৰচাৰৰ আহিলা যোগাবৰ কাৰণে অধ্যাপক গোস্বামীয়ে এই পুথি ১৯৪১ চনতে লিখি উলিয়ায়। কিতাপ-খন সমবায় প্ৰেমী বাইজৰ কামত আহিব। প্ৰকৃত সমবায়ী ওলাওক আৰু সমবায় আন্দোলন সাৰ্থক হওক বুলি ৺গোস্বামীদেৱে যত্ন কৰি লিখা কিতাপখনৰ দ্বিতীয় সংস্কৰণটো বাইজৰ হাতত দিবলৈ আগবাঢ়ি অহা বাবে আমি তেখেতৰ সহধৰ্মিণীৰ শলাগ লৈছোঁ।

—×—

শিক্ষাবিদ উমাকান্ত গোস্বামী দেৱৰ দিনপঞ্জী আৰু ব্ৰাউন চাহাবৰ চিঠি

ডঃ মামনি ৰয়ছম গোস্বামী

মোৰ পিতা শিক্ষাবিদ উমাকান্ত গোস্বামী দেৱে শৈশৱত মোক কেনে ধৰণে অভিভূত কৰি ৰাখিছিল এই কথা মই মোৰ স্মৃতিগ্ৰন্থ "আধা লেখা দস্তাবেজ"ত কিছু লেখিছিলো। পিছলৈ জীৱনৰ কিছুমান দুৰ্যোগ পূৰ্ণ দিনত পিতাই স্কুলীয়া ছাত্ৰ অৱস্থাত থাকোতে লিখা এই 'দিনপঞ্জীয়ে' কেনে ধৰণে মনলৈ এক ঐশ্বৰিক শক্তি আনি দিছিল সেই কথা কাগজ কলমেৰে ঠিক প্ৰকাশ কৰিব নোৱাৰি।

পিতাৰ 'দিনপঞ্জী' পঢ়িলে তাৰ হয় সেই কোমল বয়সতে তেওঁ এক আধ্যাত্মিক জগতত বিচৰণ কৰিছিল। তেওঁৰ দৃষ্টিত দৃশ্য আৰু অদৃশ্য দুয়োখন জগত উন্মুক্ত হৈ উঠিছিল।

১৯১৩ চনত কলেজিয়েট স্কুলত পঢ়াৰ সময়ত পিতাই অজস্ৰ কিতাপ পঢ়িছিল। এইবোৰৰ ভিতৰত 'এইডছ অফ থিঙ্কিং (Aids of thinking), ইউনিভাৰ্চাল ৱৰচিপ (Universal worship) "কৰ্ম্মযোগ", "Riddle of Life", 'অমৰ চন্দ্ৰিকা', 'পানিনিসাৰ' ইত্যাদি অনেক গ্ৰন্থৰ নাম তেওঁৰ দিনপঞ্জীত পোৱা যায়।

'কাৰ্জন হল' পুথিভড়ালৰ লগত পিতাৰ অভিন্ন সম্বন্ধ আছিল। এই পুথিভড়ালটো তেওঁৰ 'দিনপঞ্জীৰ' অনেক পৃষ্ঠাত মহা আড়ম্বৰেৰে বহি আছে। তাৰ হয় স্কুলৰ বাহিৰেও অনেক সময় তেওঁ এই পুথি-ভড়ালতেই অতিবাহিত কৰিছিল। পিতাৰ বৰ্ণনাবোৰৰ পৰা ধাৰণা হয় এই কাৰ্জন হলতেই সেই সময়ৰ গুৱাহাটীৰ সকলো সৰু ডাঙৰ অনুষ্ঠান সংঘটিত হৈছিল। পিতাই লিখা মতে দহ জুন ১৯১৩ চনত বাণিকা বাবুই তেওঁৰ বেদান্ত মিশ্ন লাইব্ৰেৰী ভাঙি নিজৰ সমস্ত কিতাপ

কার্জন হলক দান দিছিল। সাত জুন ১৯১৩ চনত এই কার্জন হলতেই কবি ৺দ্বিজেন্দ্রলাল বয়ৰ সম্বৰ্দ্ধনা সভাৰ আয়োজন হৈছিল। তাত কামাখ্যা বাগচিয়ে গীত গাইছিল, প্রবোধ লাহিড়ীয়ে দ্বিজেন্দ্রলাল বয়ৰ জীৱনী সম্বন্ধে সুন্দৰ বচনা শুনাইছিল। আশুবাবু সভাপতি আছিল বুলিও উল্লেখ কৰা আছে। এঘাৰ জুন ১৯১৩ চনত পিতাই ভৃগু নামৰ ছাত্ৰ বন্ধুটিৰ মুখে এফ, এ পৰীক্ষাত স্বৰ্গীয় বাণীকান্ত কাকতী দেৱে ইউনিভার্সিটিৰ ভিতৰত প্রথম হোৱা বুলি শুনি অতিশয় আনন্দিত হোৱাৰ কথা উল্লেখ কৰা আছে। ১৯১৩ চনৰ ২৮ জুনৰ দিনা কার্জন হলতে কাকতীৰ বাবে অভ্যর্থনা সভা পতাৰ কথা উল্লেখ আছে। এই সভাত প্রবোধ সান্যাল, আশুবাবু, চন্দ্রকান্ত শর্মা, আগৰৱালা আদিয়ে বক্তৃতা দিছিল। কাকতীদেৱক মালা পিন্ধোৱা, গান বাজনা কৰা ইত্যাদি কথাবো সুন্দৰ উল্লেখ আছে। কাকতীদেৱৰ এনে সম্মান দেখি পিতাই মনত বৰ আনন্দ পোৱাৰ কথাও উল্লেখ কৰা আছে। আন এঠাইত ঈশ্বৰ চন্দ্র বিদ্যাসাগৰৰ স্মৃতি সভাও কার্জন হলত হোৱাৰ কথা উল্লেখ আছে। সেই সময়ত কলেজিয়েট স্কুলত অসমীয়া আৰু বঙালী ছাত্রৰ ভিৰ আছিল। তেওঁলোকৰ মাজত এক ধৰণৰ বিচিত্র সম্বন্ধ আছিল। স্কুলৰ উৎসৱ সমুহতো অসমীয়া আৰু বঙালী দুয়ো দলেই নিজৰ নিজৰ নাটক কৰিছিল।

পিতাই ষোল্ল জানুৱাৰী ১৯১৩ চনত লিখিছিল—

"আজি আধাৰাতি মানৰ পৰা জ্বৰ এবে। পুৱা মুঠেই জ্বৰ নাই; বৰ দুর্বল লাগে। কেইটামান ভাত খাই স্কুলক যাওঁ। প্রথম দুই ঘণ্টা থাকি বিদায় লৈ গুছি আহো। আহি শুই থাকো। এনেতে 'Rehersal' কৰিবলৈ সকলো আহি পায়। 'বঙালী' বিলাকে দলে আছনাৰ ৰমত, অসমীয়া বিলাকে (কালি মদন বাবুই তেওঁৰ ৰমত 'Rehersal' কৰা বাবে বৰ খং কৰিছিল, কিন্তু আজি নিজে মাতি নিয়াত) হলতে rehersal কৰে। বঙালী বিলাকৰ ভগৱতী ও শৰদিন্দুই বৰসুন্দৰ act কৰে। মই বঙালী rehersal টো আগ গোড়া চাওঁ; অসমীয়া

থিয়েটাৰতকৈ বঙ্গালী থিয়েটাৰ বহুত গুণে ভাল হব বুলি বিশ্বাস হয়। ... ...বোর্ডিঙৰ চাৰিও পিনে গান harmonium আদিৰ কোঢ়াল লাগি পৰে। .....আজি গধূলি স্কুললৈ আহা ম্যাজিক চাব যাওঁ।"

কুৰি জানুৱাৰী ১৯১৩ চনত তেওঁ লেখিছিল—

"আজি পুৱা ৬৷৷০ বজাত উঠি প্ৰাতঃকৃত্য কৰি আহি 'অমৰ'ত প্ৰবেশিকা পঢ়ি পাচত বজাৰৰ পৰা আহি Lambs tale পঢ়ি গা-ধুব যাওঁ। .....আজি স্কুলৰ পৰা ১৷৷ বজাত আহোঁ। বঙ্গালী আৰু অসমীয়া লৰা বিলাকৰ মাজত মনান্তৰ বেছি হোৱাত আৰু বিশেষকৈ বঙ্গালী বোৰে অসমীয়া বিলাকক অপমানজনক ব্যৱহাৰ কৰাত সকলো অসমীয়া লৰাই জুন বান্ধি থিয়েটাৰ নেচাবৰ থিৰ কৰে। কিন্তু ভগৱতী বাবু আদিয়ে অতি সবিনয়ে ক্ষমা প্ৰাৰ্থনা কৰাত আৰু অসমীয়া মাষ্টৰ কেইজনেও যাব বোলাত সকলোয়ে চাব যায়। থিয়েটাৰ বৰ সুন্দৰ হয়।"

ৱঙালী শিক্ষক সকলৰ প্ৰতিও পিতাৰ মনত যে অসীম শ্ৰদ্ধা আছিল, এই কথা কেইবা ঠাইতো স্পষ্ট হৈ আছে।

স্কুলত হোৱা যাত্ৰা আৰু থিয়েটাৰৰ কথা ডায়েৰীৰ অনেক ঠাইত বৰ্ণনা কৰা আছে। 'গদাধৰ' নামৰ যাত্ৰা এখন সেই সময়ত জনপ্ৰিয় আছিল যেন ভাৱ হয়। তেওঁ একধৰণৰ 'Social gathering" চাব যোৱাৰ কথাও কেইবা ঠাইতো উল্লেখ কৰিছে।

উদাহৰণ স্বৰূপে ১৯১৩ চনৰ ফেব্ৰুৱাৰী মাহৰ এক তাৰিখে তেওঁ লেখিছে—

"..... গোবিন্দ বাবুৰ লগত ইয়াত universal worship পঢ়ি social gathering চাব যাওঁ। "Leader caught in his own trap," "pantomine" আৰু ধকৰা মহাজনৰ দৃশ্য দেখুৱায়। এটা গ্ৰামোফন আৰু এক পাৰ্টি 'band party' ও আনে। দেউৰ পিতাক আছে। বহুত মানুহ নাহে, বৰ সুশৃঙ্খল ভাৱে গাওঁলীয়া ভদ্ৰলোক সকলৰ অভ্যৰ্থনা নহয়। পাছত Professor Nag আহি Magic

দেখুৱাব ধৰে।"

স্কুলত সৰস্বতী পূজা বৰ ধামধুমকৈ হোৱা আৰু এই উৎসৱত থিয়েটাৰ কৰাৰ কথা অনেক ঠাইত উল্লেখ আছে। হেডমাষ্টৰে যে এই উৎসৱত gymnastic কৰিবলৈও উৎসাহিত কৰিছিল এই কথাৰো উল্লেখ আছে। stage কৰা, গেট বন্ধা, বিভিন্ন সাজ-পোছাক পিন্ধা ইত্যাদিৰ বৰ বিচিত্ৰ বৰ্ণনা পিতাই দিছে। খোৱা লোৱাৰ পয়োভৰো হৈছিল। লুচি, সন্দেশ সকলোৱে পেট ভৰাই খাব পাৰিছিল। পূজাৰ পিচদিনা সৰু সৰু লৰা-ছোৱালীয়ে হেৰোৱা বস্তু পাই বুলি পিত পিতাই ফুৰিছিল।

এই দিনপঞ্জীৰ মাজত স্পষ্ট হৈ আছে ছাত্ৰ অৱস্থাৰ এক অপলুম চিত্ৰ।

সঙ্গীত আৰু ফুটবল খেলি তেওঁ বৰ ভাল পাইছিল। জনার্দ্দন আৰু শুক্লেশ্বৰ মনোৰম প্ৰকৃতিৰ সৌন্দৰ্য্যৰ মাজত বহি গান গোৱাৰ কথা দিনপঞ্জীৰ অনেক স্থানত উল্লিখিত আছে।

ফুটবল পিতাৰ বৰ প্ৰিয় খেল আছিল। গুৱাহাটীৰ জৰ্জ ফিল্ডতে তেওঁলোকে ফুটবল খেলিছিল। অসমীয়া ছাত্ৰ বঙালী ছাত্ৰ সকলোৱে মিলিজুলি খেলিছিল। পিতাই বেডমিণ্টন খেলিও বৰ ভাল পোৱাৰ কথা উল্লিখিত আছে। পিতাৰ দিনপঞ্জীৰ পাততে এইদৰে খেলৰ কাহিনী পঢ়ি মই বৰ ৰস পাইছিলো। ৰস পাইছিলো এই বাবেই যে পিতাই যে কেতিয়াবা কিবা খেল খেলিব পাৰে এই কথা মই একেবাৰে কল্পনা কৰিব নোৱাৰিছিলো। সোতৰ মাৰ্চ ১৯১৩ চনৰ সোমবাৰৰ 'দিনপঞ্জী'ত ব্ৰাহ্মণ আৰু শুদ্ৰৰ ভিতৰত হোৱা খেল এখনৰ কথা বৰ্ণনা কৰি লেখিছিল। ..."আজি ব্ৰাহ্মণ ও শুদ্ৰৰ মাজত মেচ হয়। আমি এক গোল দিওঁ, আজি মোৰ হকী stick ভাঙে। আহি জনার্দ্দনত গান গাওঁ..." ইত্যাদি। হকীখলৰ দাম যে এক টকা ছয় অনা আছিল এই কথাও দিনপঞ্জীৰ পৰা গম পাওঁ।

সেই সময়ত গুৱাহাটীৰ এই স্কুলত ছাত্ৰ সকলে সাহিত্য চৰ্চ্চা, নৈতিক শিক্ষা ইত্যাদিতো মনোযোগ দিছিল।

ফ্রেব্রুৱাৰীৰ ষোল্ল তাৰিখ ১৯১৩ চনত তেওঁ লেখিছিল—

"……আজি ১২॥০ মান বজাত আমি এখন মিটিং পাতো। তাত "সুনীতি সঞ্চাৰিণী সভা" নাম গুছাই 'associating club' বা 'মিলন' নাম দিয়া হয়। এখনকৈ মাহিলী কাকত ও মিটিঙৰ লগত মেলাৰো বন্দোবস্ত কৰি admission fee আদি লোৱাৰ নিয়ম কৰা হয়। মোক editor, আনন্দিক assistant editor, বংশীক captain আৰু ৰমাক field captain পতা হয়। আজি গোটেই দিনটো ৰৰঘুণতে যায়। গধূলি গোবিন্দ বাবুৰ লগত ভৱলুমুখৰ পৰা ফুৰি আহি জনার্দ্দনত গান গাওঁ। ৰাতি খিচিৰি খাওঁ। ১১ বজাত শুই থাকো।"

এবাৰ ছাত্ৰ সকলে সেই সময়ৰ ডিষ্ট্ৰিক কমিচনাৰ বগা চাহাবক কেনেদৰে জোকাই বং চাইছিল, তাৰো এক সুন্দৰ বৰ্ণনা আছে। ডি, চি গৰাকীক শিলগুটি দলিয়াই জোকোৱা এই ছাত্ৰ সকলক প্ৰধান শিক্ষকে শাস্তি দিব খুজিছিল, আৰু লক্ষী বাবুয়ে কেনেদৰে ৰক্ষা কৰিছিল তাৰো সুন্দৰ বৰ্ণনা 'দিনপঞ্জীত' দিয়া আছে। স্কুলত পঢ়ি থকাৰ সময়তো পিতাৰ মনত নিজৰ সত্ৰৰ প্ৰতি থকা অনন্য টানৰ কথা বৰ স্পষ্টকৈ জানিবপৰা যায়। কিছুমান বৰ সৰুসুৰা কথাকে তেওঁ বৰ মনোমোহাকৈ লিখি থৈ গৈছে। এই 'দিনপঞ্জীৰ' পৰাই গম পোৱা যায়, সেই সময়ত আমৰঙা অৰ্থাৎ পিতাৰ সত্ৰত বাঘৰ বৰ প্ৰকোপ আছিল। মাউত আদিয়ে সত্ৰত মৰা ৰাঘৰ ছাল পিতা থকা ছাত্ৰাবাসলৈকে দেখুৱাবলৈ লৈ আহিছিল। দুই এঠাইত এই ছাল বগা চাহাবহঁতে কিনিলোৱাৰ কথাও বৰ্ণনা কৰা আছে। আমাৰ হাতীৰ মাউতে এই বাঘৰ ছালখোৰ আনি গুৱাহাটীৰ কাছাৰিত বিক্ৰী কৰিছিল। পিতাই ৩০ জানুৱাৰী ১৯১৩ চনত বৰ্ণনা কৰা মতে সত্ৰতে মৰা বাঘৰ ছাল দুখন মাত্ৰ পোন্ধৰ টকাতে বিক্ৰী কৰাৰ কথা উল্লেখ কৰা আছে।

গাঁৱত বছেকীয়া সভাখন বৰ জাক জমক ভাৱে হৈছিল। পিতাক নিবলৈ সত্ৰৰ পৰা হাতী পঠিয়াইছিল। বাইজে ঘৰত চানি দিবলৈ

আছিছিল। যাইজক সান্দহ খুটওরা 'খোলা' খন বব ডাঙব কবা হৈছিল। সভাব 'চানি' ইত্যাদি দিবলৈ তালুকদাব পাবা ইত্যাদি গাৱঁব যাইজ উঠি আছিছিল।

বছেবেকীয়া এই উৎসবত হিলৈ ইত্যাদি নিজব ঘবতে তৈয়াব কবা হৈছিল। ১৯১৩ চনব মার্চ মাহব পাঁচ তাৰিখে পিতাই লিখিছিল। —"আজি পুৱা ৭ বজামানত উঠি মুখ হাত ধুই চবাত বহি থাকোতে আতাই হিলৈব কাৰবাব কবিবব নিমিত্তে কিছুমান বাইকাব ঠানি আনি পুবায়। পাছত খুবা আহুনাই সহিতে গন্ধক ও সোবা আদি বটি বাখাব তৈয়াব কবে। আতাই এইদবে খুচবা কাম বিলাক কবি থকা দেখি আচবিত হওঁ।"

অনেকে ঘবতে 'যক্ষোব' তৈয়াব কবাব প্রমাণ পিতাব দিনপঞ্জীব পবা পোৱা যায়।

পিতাব লগত তেওঁব ককাকব কেনে ধবণব গভীব সম্বন্ধ আছিল সেই কথাব ঘব স্পষ্ট প্রমাণ পোৱা যায়। তাব ছয় ককাকে তেওঁক লৈ অনেক সপোন দেখিছিল। গৌবৱো কবিছিল।

গাৱঁব ঘবব পদা পিতাক নিয়া মেলা কবিবলৈ প্রায়ে হাতী পঠিয়াইছিল। ১৯১৩ চনব এক মার্চব বর্ণনাত কেনেদবে এটা হাতীব পিঠিত পিতাব খুবাক, বন্ধু সূর্য্য ঠাকুব আক যমাই ঠেচা-ঠেচিকৈ বহি গৈছিল এই কথাব সুন্দব বর্ণনা দিয়া আছিল। গাৱঁব পবা অহা হাতীব আপডাল পিতাই নিজেই কবিছিল। ছাত্রাবাসব ওচবত থকা বব গছব ঠানি কাটি দিছিল। ক'ল গছো আনি খুৱাইছিল।

সেই সময়ত গুৱাহাটী চহবব ভিতবলৈ হাতী অনা আক বিশেষকৈ বাতি হাতী অনা নিয়া কবা ক্ষেত্রত কিছু বাধা আছিল যেন ধাবণা হয়। ১৯১৩ চনব দহ মেত তেওঁ লেখিছিল—"বাতি ১১ বজামানত ঘব বুলি যাওঁ। বাতি হাতীটোৱে অলপ দাঁতি কবে। খুব লাহে লাহে যায়। ঘাটত গাদী সোলোকাত দুবাব মান নামি বাজো। চহবক বাতি হাতী অনাত তকন ঝুকনে বেয়া পোৱা বুলি পেহাব মুখে শুনো।"

কোনো কোনো স্থানত এগৰাকী অধিকাৰে আন এগৰাকী অধিকাৰৰ হাতী চিকাৰ ইত্যাদিৰ বাবে ধাৰলৈ লোৱাৰ কথাও পিতাৰ, 'দিনপঞ্জীৰ' পৰা গম পোৱা যায়। হাতীলৈ চিকাৰলৈ যোৱাৰো অনেক বৰ্ণনা পোৱা যায়। দক্ষিণ পাৰৰ গোসাঁই সকলৰ ঘৰত হাতী এক গৌৰৱৰ বস্তু আছিল।

পিতাৰ দিনপঞ্জীৰ পৰা জনা যায় সেই সময়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ব্ৰহ্মপুত্ৰ নদীখনো এক অভিন্ন অঙ্গৰ দৰে আছিল। এই নদীৰ বালিত ছাত্ৰ সকলে খেলিছিল। কেতিয়াবা ভোজভাত খাব গৈছিল।

১৯১৩ চনৰ জুন মাহৰ এক তাৰিখে লেখা এটা বৰ্ণনা হৃদয় স্পৰ্শ কৰা আছিল "আজি পুৱা ৫ বজাত উঠি মুখ হাত ধুই ফুৰি আহি Hero worship পঢ়ি পাচত প্ৰবেশিকা ও অনুবাদ পঢ়ি পাক কৰিব যাওঁ। ১২॥. বজা মানত ভাত খাই উঠোঁ। আজি নদীৰ মাজেদি এটা বাঁহৰ ভূৰত এজন মানুহ উটি চিয়ঁৰি যোৱা দেখি উত্তৰ পাৰৰ পৰা দুখন মান আৰু ইয়াৰ পৰা জাহাজৰ জালি বোটখন লৈ মনা আহুনা যায়। ভূৰত ৭ জন মানুহ আহিছিল বোলে, কিন্তু মাজতে ভূৰখন দুই খণ্ড হৈ বাকী ৬ জন তাত উটি যায়। ..... ইত্যাদি !"

ব্ৰহ্মপুত্ৰৰ দৰে কামাখ্যা মন্দিৰৰো অনেক বৰ্ণনা পিতাৰ দিনপঞ্জীত পোৱা যায়। বিভিন্ন পূজাৰ বাবে আগবঢ়োৱা বলি বিধানৰ বৰ্ণনা পোৱা যায়। স্বৰ্গীয় কে. চি. বৰুৱাই পতা কামাখ্যাৰ ওচৰৰ এক আশ্ৰমলৈ পিতাই প্ৰায়ে অহা-যোৱা কৰিছিল।

দিনপঞ্জীৰ অনেক পৃষ্ঠাত পিতাৰ নিৰ্ম্মল চৰিত্ৰ স্পষ্ট হৈ উঠিছে। স্কুলত পঢ়ি থকা ছাত্ৰৰ এনে সংযমৰ কাহিনী বৰ বিৰল।

১৯১৩ চনৰ জানুৱাৰী মাহৰ তেৰ তাৰিখে দুজন অভিভাৱকে তেওঁক নিজৰ লৰা দুটাক চকু বাখিব কওঁতে তেওঁ লেখিছিল—

—"..... বাজি মৌজাদাবে তেওঁৰ অশ্বিনী আৰু খগেন্দ্ৰক ঘৰলৈ Seat ঠিক কৰি যায়। ..... গধূলি অশ্বিনী আৰু খগেন্দ্ৰই বিছনা আদি ঠিক কৰি আছিল। মৌজাদাবে মোক ঘৰ আগ্ৰহ কৰি চকু

ৰাখিব অনুৰোধ কৰে। খৰচ আদি মোৰ হাততেই দি যায়। হে দয়াময় মই যেন সদাই সিহঁতক সক ভাইৰ নিচিনা দেখি তেওঁৰ অনুৰোধ পালি মোৰ কৰ্ত্তব্য পালন কৰিব পাৰো ..... "

আন এঠাইত এটা ঘকৰা কন্দলৰ কথা উল্লেখ কৰি শেষত লেখিছিল—"মই যদি নিজৰ প্ৰাণ উৎসৰ্গা কৰিও এই গৃহ বিবাদৰ ওৰ পেলাব পাৰিলোহেঁতেন তথাপি তাত আনন্দে প্ৰস্তুত হ'লোহেঁতেন।

পিতাৰ এই অনন্য দিনপঞ্জীৰ মাজত তেওঁৰ নিৰ্ম্মল চৰিত্ৰ যেনেদৰে প্ৰকাশ পাইছে তেনেদৰে সেই সময়ৰ দক্ষিণ কামৰূপৰ সামাজিক অৱস্থাৰ ছবিও অতি মনোৰম হৈ প্ৰকাশ পাইছে।

— দুই —

প্ৰখ্যাত অধ্যাপক আৰ্থাৰ ব্ৰাউনে দিয়া চিঠি সমূহ :

বৃটিছ পণ্ডিত, বিষয়া ইত্যাদিৰ লগত কিছুমান ভাৰতীয় লোকৰ অতুলনীয় বন্ধুত্ব আৰু সহৃদয়তা থকাৰ প্ৰমাণ অনেক আছে।

অনেক ভাৰতীয় পণ্ডিতে বৃটিছ শাসনক যে অতি উচ্চত স্থান দিছিল তাৰো অজস্ৰ প্ৰমাণ আছে। পণ্ডিত পৰমানন্দ পাণ্ডে কবিৰাজৰ "শ্ৰীজয়োই প্ৰশস্তি" বা "A Panegyric to, His Majesty king George V and Emperor of India and a short History of Delhi." নামৰ কিতাপখন বৃটিছ শাসনৰ ৰূপালী জয়ন্তী উপলক্ষে সংস্কৃত আৰু ইংৰাজী ভাষাত ১৯৩৫ চনৰ মে মাহত ৰচনা কৰা হৈছিল। কিতাপখনৰ শেষ পৃষ্ঠাত পঞ্চম জৰ্জক উপলক্ষ কৰি লেখকে লেখিছিল—

—"O Emperor of India, when your Majesty of excellent wisdom is holding the reign of India, the whole country is whitened with your fame—which itself is as white as Lotus and Kund flower.

It seems to me that it caused such white things as Airavate, the great white elephant of Indra, the oceans of curd and milk; to have come out of the imagination of poets, though they do not really exist in the universe. O Emperor of India, George V, May your pious fame be sung by the people of country, so long as the Sun, the moon and the stars on the fermanents shine so long as the diamond—like water of the Ganges rolls on the head of Shiva and so long as the story of Rama's, Ramraj is sung by the poets in the land. ....., In the good reign of His Majesty let there be prosperity in the kingdom, the enemies (of His Majesty) be destroyed. May peace and religious duties prevail among subject of His Majesty. May the Glory of His Majesty shine over all the quarters."

বিভিন্ন ভাৰতীয় ভাষাত ১৯০২ চনৰ সপ্তম এডৱার্ডৰ অভিষেকক লৈয়ে নানান ৰচনা হৈছিল। এইবোৰৰ ভিতৰত তেলেগু ভাষাত ৰচিত তিকপতি ভেঙ্কেট কাভালুৰ নাটক "শ্রীমদেদ ৱাৰহু পাট্টাভিচেকমৰ" ১৯০৪ খৃষ্টাব্দত ৰচনা কৰা হৈছিল। এই নাটকৰ মাজত তেলেগু নাট্য কলাৰ এক অপূৰ্ব্ব নিৰ্দশন পোৱা যায়। এই তেলেগু ভাষাৰে তিকপাতি ভেঙ্কেট শাস্ত্রীয়ে মহাৰাণী ভিক্টোৰীয়াৰ মৃত্যুৰ সময়তো শোকৰ কবিতা ৰচনা কৰিছিল। অসমীয়া সাহিত্যতো বৃটিছ বিষয়া আৰু অসমীয়া লোকৰ আদৰ আৰু প্রীতিৰ কিছুমান অপূৰ্ব্ব নিৰ্দশন পোৱা যায়। প্রখ্যাত ঔপন্যাসিক ৰজনীকান্ত ৰৰদলৈ দেৱে তেওঁৰ 'তাম্রেশ্বৰী মন্দিৰ' নামৰ উপন্যাসৰ এঠাইত বৃটিছ শাসনৰ

প্ৰশংসা কৰিছিল। চাৰ ডেভিদ স্কটে তেওঁক বুৰঞ্জী মূলক উপন্যাস-বোৰ লেখিবলৈ প্ৰেৰণা দিছিল।

প্ৰখ্যাত সাহিত্যিক পদ্মনাথ গোহাঞি বৰুৱাই চাৰ হেন্‌ৰি কটনক বিদায় দিয়াৰ সময়ত ৰচনা কৰা কবিতা পটি স্বয়ং হেন্‌ৰি চাহাৰ বৰ অভিভূত হৈছিল। ১৮৩৮ চনৰ শিৱসাগৰৰ জিলাধিপতি কেপ্তেইন ব্ৰডিৰ (Captain Brodi) লগত অসমীয়া মানুহৰ প্ৰীতিৰ কাহিনীও সৰ্ব্বজন বিদিত। কিছুমান অসমীয়া ছাত্ৰক তেওঁ নিজৰ খৰচেৰেও পঢ়ুৱাইছিল। দেৰোওৱা মাটিত কাম কৰা পাইক সকলৰ আৰ্থিক উন্নতিৰ প্ৰতিও তেওঁ চকু দিছিল। এই গৰাকী চাহাবক লৈ অনেক গীতমাত ইত্যাদিও অসমীয়া সমাজত প্ৰচলিত আছিল।

চাৰ ডেভিদ স্কট ("agent to the Governor General of the North-East Frontier of Bengal and Commissioner of Revenue Circuit in the District of Assam, North-Eastern part Rangpur and Sylhet") অসমলৈ আহি সাধাৰণ প্ৰজাৰ সৈতে সম্পূৰ্ণ ৰূপে মিলি গৈছিল। ১৮৩১ খৃষ্টাব্দত তেওঁৰ মৃত্যু হৈছিল চেৰাপুঞ্জি চহৰত। তেওঁৰ সমাধিত লেখা আন কথাৰ লগত তলত লেখা কথা খিনিও আছিল।

—"His name will long be held in grateful remembrance and veneration by the native population to whom he was justly endeared by his impartial dispensation of justice, his kind and consolatory manners, and his constant and unwearying endeavours to promote their happiness and welfare."

পিতাৰ দক্ষিণ কামৰূপৰ ৰঙদোৱা চাহবাগানৰ জাৰ্মান চাহাব গিলমেনৰ লগত থকা সাধাৰণ মানুহৰ সম্বন্ধ এতিয়া এক কিম্বদন্তিলৈ ৰূপান্তৰিত হৈছে। মোৰ পিতাৰ কেইবাগৰাকীও বৃটিছ বিষয়াৰ

লগত বৰ মধুৰ সম্পৰ্ক আছিল। এই সময়তে সম্ভৱ মোৰ ককা ৰঘুনাথ গোস্বামীয়ে লেখা "তাৰকাসুৰ বধ" নামৰ কিতাপখন বৃটিছ চৰকাৰৰ দ্বাৰা বাজেয়াপ্ত কৰা হৈছিল। শৈশৱত মই পিতাৰ লগত বৃটিছ বিষয়া এগৰাকীৰ ঘৰলৈ প্ৰায়ে গৈছিলো। এই বিষয়া গৰাকী হেপিভিলাৰ ওচৰত আছিল। কিন্তু পিতাৰ আৰ্থাৰ ব্ৰাউনৰ লগত থকা বন্ধুত্ব অনন্য আছিল। আৰ্থাৰ ব্ৰাউন সেই সময়ত কটন কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক আছিল। ইয়াৰ আগেয়ে তেওঁ ভাৰতৰ বৃটিছ চৰকাৰৰ ইকনিম এড্‌ভাইজাৰৰ পদত অধিষ্ঠিত আছিল। তেওঁ বিশ্ব বিখ্যাত অৰ্থনীতিবিদ আছিল বুলি অনেকৰ মুখত শুনিছিলো।

আৰ্থাৰ ব্ৰাউনৰ লগত পিতাৰ আন্তৰিকতাৰ ছবি বিশেষকৈ ব্ৰাউন চাহাবে পিতালৈ দিয়া চিঠিবোৰৰ মাজত উজ্জ্বল হৈ আছে। ১৯১৮ চনৰ পৰা ১৯৩৮ চনলৈ একেবাৰে নিয়মিয়া ৰূপে ব্ৰাউন চাহাবে পিতালৈ চিঠি লেখিছিল। এই ওঠৰ বছৰৰ চিঠি পিতাই বৰ যত্নেৰে জমা কৰি ৰাখিছিল। আৰ্থাৰ ব্ৰাউনে এই চিঠিবোৰ বিভিন্ন স্থানৰ পৰা লেখিছিল। পিতাই চিলেটৰ মুৰাৰী চাঁদ কলেজত থকাৰ সময়ত তেওঁ অনেক চিঠি গুৱাহাটীৰ পৰা লেখিছিল। কিছুমান লেখিছিল শ্বিলঙত থকা তেওঁৰ ঘৰ "ইদেনদেল"ৰ পৰা। চিমলা আৰু দিল্লীৰ দহ নম্বৰ কিং জৰ্জ এভিনিউৰ পৰাও চিঠি দিছিল। লণ্ডনৰ ৩৯ নম্বৰ "চিডনি এভেনিউ"ত থকা 'ৱেভাৰলি' নামৰ তেওঁৰ ঘৰৰ পৰাও চিঠি দিছিল। কেম্ব্ৰিজৰ ক্ৰুকলিন নামৰ তেওঁৰ ঘৰ আৰু চাছেক্সৰ 'উডকক' নামৰ ঘৰৰ পৰাও তেওঁ চিঠি লেখিছিল। চুৱেজ কেনেলত উপস্থিত হোৱা ষ্টিমাৰৰ পৰাও তেওঁ চিঠি লেখিছিল। এই ষ্টিমাৰৰ নাম আছিল- "British India steam Navigation Co Ltd. S. S. Mashobra."

এই চিঠিবোৰৰ মাজত ব্ৰাউন চাহাবৰ পিতালৈ থকা অকৃত্ৰিম স্নেহৰ ভাৱ প্ৰকাশ পাইছে। হাতৰ আখৰ ভাল নোহোৱা বাবে

কিছুমান চিঠি তেওঁ টাইপ কৰি পঠিয়াইছিল।

এই চিঠিবোৰৰ মাজত অসমৰ কেইবাগৰাকীও যশস্বী সন্তানৰ সৈতে তেওঁৰ সহৃদয়তাৰ প্ৰমাণ পোৱা যায়। এই সকলৰ ভিতৰত বুৰঞ্জীবিদ কনকলাল বৰুৱা, ন্যায়ধীশ পাৰ্ব্বতী কুমাৰ গোস্বামী, অৰ্থ-নীতিবিদ মঁথুৰা মোহন গোস্বামী, সাহিত্যিক অম্বিকানাথ বৰা আদিৰ উল্লেখ আছিল।

পিতাৰ সুখ-দুখৰ সময়ত ব্ৰাউন চাহাবৰ চিঠি আহিছিল। প্ৰথম শ্ৰেণীৰ অনাৰ্ছ পোৱাৰ সময়ত যেনেদৰে লণ্ডনৰ চাছেক্সৰ পৰা চিঠি দিছিল তেনেদৰে ১৯২১ চনত পিতাৰ প্ৰথমা পত্নী স্বৰ্গীয়া প্ৰতিভাদেৱীৰ সৈতে বিবাহৰ সময়তো চিমলাৰ নম্বৰ থ্ৰি পাৰ্কৰ পৰা অভিনন্দন জনাই ১৫ আগষ্ট ১৯২১ চনত চিঠি দিছিল। এই একেখন চিঠিতে তেওঁ লেখিছিল—

"I have your photograph hanging in my study (one in the group which used to hang in our room at Cotton College) and I point you out to my friends as my successor at Cotton College."

[১৯৫০ চনত যেতিয়া পিতা কিছু সময়ৰ বাবে কটন কলেজৰ অধ্যক্ষ হৈছিল তেতিয়া সম্ভৱ আৰ্থাৰ ব্ৰাউন জীয়াই থকা নাছিল।]

পিতাৰ প্ৰথমা পত্নীৰ মৃত্যুৰ সময়তো আৰ্থাৰ ব্ৰাউনে সান্ত্বনা দি লেখা চিঠিৰ নমুনা মজুত আছিল।

আৰ্থাৰ ব্ৰাউনৰ চিঠিবোৰৰ মাজত সেই সময়ৰ শিক্ষাৰ কেন্দ্ৰ কটন কলেজৰ বাতাবৰণ পৰিষ্কাৰ হৈ আহিছিল। চিঠিবোৰ সেই সময়ৰ কটন কলেজৰ ঐতিহাসিক দলিলৰ দৰে আছিল।

অধ্যক্ষ চুডমাবচনৰ মৃত্যুৰ পাছত ১৯২৭ চনৰ ২১ মাৰ্চত চিলেটত থকা পিতালৈ তেওঁ লেখিছিল—

My dear Umakanta,

I trust you got safely back to Sylhet all right and that every thing is as well as possible with you and yours.

Two days ago the Principal and staff of the Cotton College sat in solemn pandemoniuom on the most sacred day of the College year : as I have acquired the gift of second sight in theosophist circles I quite clearly saw the astral spirit of Mr. Sudmerson hovering round the Principal's chair and seemingly writhing in agony at some of the principles which were laid down : I failed however to see any sign of the appearance of the astral spirit of Mr Crottin in the chair where Mr. P. C. Roy sat in majesty and state.....”

আর্থাৰ ব্রাউনে ভাৰিছিল যে ভাৰতত শিক্ষা পোৱা পণ্ডিতেহে কটনত শিক্ষকতাৰ কাম পোৱা উচিত। সেয়ে তেওঁ ১৯৩২ চনৰ ১৬ জুলাইত অধ্যক্ষ ডক্টৰ থমচনৰ বিষয়ে পিতালৈ লেখিছিল—“Dr Thomson is not over in favour of men with English qualifications. He thinks lecturers ought normally to hope to succeed to professorships, and that it would be wrong to supersede a very good lecturer with Indian qualification, by much younger man with mediocre European qualifications. His idea is that if a man becomes straightaway a professor, because he has European qualifications, these latter ought to be of first class quality—other wise there is no justification is pushing aside existing Lecturers

and this latter course is found to give rise to great difficulty and trouble"

এই কলেজর অধ্যাপক সকলক যে সেই সময়ত বাহিৰৰ সভা-সমিতিলৈ পঠোৱা হৈছিল এই কথাও ব্রাউন চাহাবে পিতালৈ দিয়া চিঠিৰ পৰা আমি গম পাইছিলো। গুৱাহাটীৰ পৰা ১৬/১২/২৮ তাৰিখে লেখা চিঠিত তেওঁ উল্লেখ কৰিছে—

"From this College Professors Muhibullah and Bhuyan have just had a little jaunt to Lahore to attend the congress of Orientalists. Professor L. N. Chatterjee also got permission to go but didn't avail himself of it. You may wonder at this untill I tell you that Professor L. N. Chatterjee got permission to go at his own expense whereas the former went at Government expense. However thay have gone and returned. Professor Bhuyan found himself quite lost at Lahore He was offered hospitality at the quarters provided for the Bengalee visitors but feeling a stranger there he managed to smuggle himself into one of the Muhammedan quarters in order not to be separated from Professor Muhibullah. A touching example of Hindu Mussulman unity in Assam"

ব্রাউন চাহাবে উল্লেখ কৰা এই ভূঞা নামৰ অধ্যাপক গৰাকী নিশ্চয় অধ্যাপক সূর্য্যকুমাৰ ভূঞাই আছিল।

হিন্দু মুছলমানৰ বন্ধুত্বৰ কাহিনী আকৌ এবাৰ তেওঁ গুৱাহাটীৰ পৰা লিখা ১৯২৯ চনৰ এপ্ৰেল মাৰ্চৰ চিঠিত প্ৰকাশ কৰিছিল। কিছু অংশ মই তুলি দিলো—

…You are sharing a mator service with the Khan Bahadur… another example of Hindu-Musulman unity which is very gratifying. The distance from the College must be great nuisance to all the staff of the Murarichand. Could't you manage to buy land and build some sort of place for yourself near the college. In this way you would escape both conveyance charge, and local income tax, and recover, when you leave Sylhet, it would have a good selling value. You could easily get loan from Government for this purpose,

…. ব্রাউন চাহাবে পাবিবাবিক বিষয়েও পিতাক অনেক পবামর্শ দিছিল। তেওঁব আন্তবিকতাবে ভবা চিঠিবোব পঢ়িলে ভাব হয় তেওঁ যেন পিতাব অভিভাবকেই আছিল।

গুৱাহাটীব পবা ১৯২৯ চনব ২৩ জুলাইত চিলেটত থকা পিতালৈ দিয়া এখন চিঠিত স্পষ্ট ভাবে তেওঁ প্রকাশ কবিছিল—

—"…I can more sympathise with you since I know from personal experience exactly how you feel, and although you and I belong to different civilisations, yet in the vital and elementary things of life, human nature is everywhere much the same."

পিতাব প্রতি থকা স্নেহ আৰু বিশ্বাসব এক অপূর্ব্ব নির্দশন ব্রাউন চাহাবব আন এখন চিঠিত পোৱা যায়। অৱসব লৈ তেওঁ ইংলণ্ডলৈ যোৱাব সময়ত স্থিলঙত থকা তেওঁব পত্নীক এবি থৈ যাব লগীয়া হৈছিল। তেওঁব পত্নী খাচীয়া পাহাবব ছোৱালী আছিল। এই পত্নীব প্রতি তেওঁব কেনে ধবণব চিন্তা আছিল পিতালৈ দিয়া চিঠিখন পঢ়িলে পাঠকে ধবিব নোৱাবিব।

আঙন চাহাবত চিঠিব নমুনা

Hotel Cecil
Delhi
March 26th 1930.

My dear Umakanta

I got your letter of March 21st & have today sent a certificate for you to the Principal Cotton Cotton with the regret that he will consider your application & send it to you. This is an account of Cotton College rules — the matter

I wish you every luck but you must not have much hope and also see do not let your mind & activity be distracted from your M A work. I think myself that most likely an Indian Service man will be wanted but first you can try to get another to wait for you. Try and get reliable information from Sarkar and D. P. I's office as to what is happening & cases at Delhi I am quite in the dark When you write to you convey thanks from me for your kind letter of congratulation & tell him I wish him every luck in his coming Law Exam and in his life afterwards

I am off to Simla tonight. My address there will be G. P. O. Simla

Yours sincerely
Arthur Brown

ব্ৰাউন চাহাবে নিসঙ্কোচে প্ৰকাশ কৰিছিল যে তেওঁৰ অনেক কঠিন দিনত এই মহিলাই তেওঁৰ সান্ত্বনা আৰু সুখ হৈ আছিল। সেয়ে তেওঁ লেখিছিল—"but for whom I couldn't possibly have remained on all those years at Gauhati without the grave risk of finding myself in padded room of a madhouse."

ব্ৰাউন চাহাবে অনেক ভৱা চিন্তা কৰি এই চিঠি লেখিছিল। পত্নীৰ বাবে কৰি যোৱা উইলখনৰ trustee ৰ কথা উল্লেখ কৰি তেওঁ লেখিছিল—"They will include the Khan Bahadur, Maulavi Ikram Rasul, the Superintendent of Excise at Sylhet, Mr. Harold Henry creed of the survey of India (who has a house and a Khasi wife at Shillong) Girindra Babu at Gauhati and probably (i-e unless he can grant in his offiicial certificate or exemption in which case he can hardly appear as an interested party) Mr. Reginald Ashe present Assistant Commissioner for Income Tax for Assam. Both Mr. Ashe and Maulavi Ikram Rasul can advise as to how to deal with income tax trouble (ifany) ...the Maulavi has himself a large amount of 3½% Government paper and gets refunds of income tax every year. You will see I have made the trustees as strong as possible; But they are all accept. Girindra fairly old, or as in Mr Ashe's case not likely to be permanently in Assam, I should much like to add you to the number my dear Umakanta if you will kindly allow me to do so.

I need not give you more details just now, because as I said Professor Rawland Thomas will be the sole acting trustee : but I have shown you exactly the amount of responsibility on you in case you should be ever the sole acting trustee."

…ইত্যাদি। এই "will" ত তেওঁৰ পৰিবাৰে দ্বিতীয় স্বামী গ্ৰহণ কৰাত কোনো বাধা বখা নাছিল।

…সেই সময়ৰ ৰাজনৈতিক বাতাবৰণৰ বিষয়েও ব্ৰাউন চাহাব সজাগ হৈ আহিছিল। এই গুৰুত্বপূৰ্ণ সময়ৰ উল্লেখ ষোল্ল নৱেম্বৰ ১৯২৮ চনত গুৱাহাটীৰ পৰা তেওঁ লেখা চিঠিত স্পষ্ট হৈ আছে।

……And on Jan 2nd, the Simon Commission arrive at Pandu and take the motor for Shillong. I hope none of our students will be so foolish as to be pushed forward to take part in one of those futile demonstrations we read about, with the result of getting themselves suspended and causing no manner of trouble. But if thay are so foolish, then I trust that for the credit of the English Department of the college they will spell poor old Simon's name properly and not (as a procession in the U.P) appear with the inscription.

—"GO BACK SYMEON"

…… ইত্যাদি।

১৯ নৱেম্বৰ ১৯৩০ চনৰ চিঠিত তেওঁ আকৌ লেখিছিল। …Gauhati is perfectly quiet politically just now and I hope it is the same with you at Sythete. The murder of Lieut-Colonel Simpson in writers Building was

9, The Park
Simla. E
May 28th 1926

My dear Umakanta.

Some weeks ago I received a letter from Sj Ambicanath Bose about you and the vacancy at Cotton College I did not answer it at the time because I was very pressed with work and I then thought I had better wait until Mr Cunningham returned before writing to Mr Sudhansu as Mr Sudhansu was unwilling to give the post of himself until it was a question of making a P.E.S. appointment instead of an I.E.S. But would leave it over for Mr. Cunningham I meant to write to Ambicanath about this when I was too pressed by work for leave I could do. I had a bad attack of bronchial pneumonia through going into a damp house

and you removed to the hospital in a critical condition. I am out of the hospital now and I hear from Mr Sidhwa[illegible] today ago that Mr Cunningham is back. If you can spare the time write and tell me (or ask Mr Cunningham to) how the position stands at Cotton College as far as you have an concerned and if and how I can help you. I know nothing of what may have happened since Mr Cunningham left us here. I should be glad also if you could kindly explain to Mr Cunningham how it was I never received his letter. I cannot answer it now for I have lost it and do not know his Calcutta address but keep your main attention on M.A. and don't worry yourself about anything else.

Yrs sincerely
Arthur Balfour

however a most ghastly business. I know the Building very well and this makes me feel the tragedy the more."

প্রফেছাৰ আৰ্থাৰ ব্রাউন আৰু পিতাৰ মাজত আন্তৰিকতা কিমান গভীৰ আছিল তেওঁৰ এই চিঠিখোৰ পঢ়িলেহে গম পোৱা যায়। পিতাই যেনেদৰে তেওঁৰ ব্যক্তিগত জীৱনৰ যন্ত্ৰণা আৰু আনন্দৰ কথা খোলা খুলি ভাৱে ব্রাউন চাহাবক লেখি জনাইছিল। তেনেদৰে ব্রাউন চাহাবেও নিজৰ হৃদয়ৰ কথা পিতালৈ লেখিছিল। লেৰে ব্রাউন চাহাবৰ মাতৃ-পত্নী সকলোৱে পিতাক জানিছিল আৰু চিঠি পালে বৰ আনন্দ প্ৰকাশ কৰিছিল। কৰ্ম্ম ক্ষেত্ৰত আৰু পাৰিবাৰিক জীৱনত পিতাৰ উন্নতিৰ বাবে তেওঁ কেনে ধৰণে সৰ্বমঙ্গলং কৰণেৰে সৈতে চিন্তা কৰিছিল আৰু উপদেশ দিছিল সেই কথা তেওঁৰ চিঠিখোৰত স্পষ্ট হৈ আছে। ভবিষ্যতলৈ ব্রাউন চাহাবৰ সকলোখোৰ চিঠি কিতাপ আকাৰে প্ৰকাশ কৰিবলৈ আগ্ৰহ থাকিল।

(ব্রাউন চাহাবৰ চিঠিখোৰ যত্নেৰে সৈতে ইমান দিন বাখি থোৱাৰ বাবে মোৰ দাদা সত্যব্ৰত গোস্বামীৰ ওচৰত আমি কৃতজ্ঞ হৈ থাকিলো)

—×—

স্মৃতিচাৰণ

সাহিত্যাচার্য্য শ্রীযজ্ঞেশ্বৰ শর্ম্মা

১৯২১-২২ চনত উমা গোস্বামী যোৰহাটলৈ যোৱা গম পাই আমি কেইজনমান স্কুলীয়া ছাত্রই তেওঁক লগ ধৰিবলৈ মন কৰিলো। গোস্বামী-দেউ প্রথম শ্রেণীৰ এম. এ.। সেই সময়ত কৃষ্ণকান্ত সন্দিকৈৰ বাহিৰে প্রথম শ্রেণীৰ এম.এ. নাছিল। শহুৰেক শৰৎ গোস্বামী নর্ম্মাল স্কুলৰ চুপাৰিনটেনডেণ্ট আছিল। তেওঁক এদিন ঘৰতে লগ পালো। শৰৎ গোসাঁয়ে মোক যোৰহাটৰ স্কুলৰ এজন জিজ্ঞাসু ছাত্র বুলি চিনাকি দিছিল। উমা গোস্বামী সৰল হাঁহি হাঁহি মুখ আৰু বসাল ব্যক্তি আছিল। কথাবার্ত্তাত মোৰ শ্রদ্ধা উপজিল। তেখেতে ভালেখিনি উপদেশ দিলে।

১৯২৩ চনত কটন কলেজত ভর্ত্তি হলো। দুর্গাপ্রসাদ বুজৰবৰুৱাই আমাৰ তিনিজন ছাত্রক উমা গোসাইৰ ঘৰলৈ লৈ যায়। তেতিয়া তেওঁ ওকালতি কৰে; কিন্তু মাজে মাজে অস্থায়ী ভাৱে কটন কলেজত অধ্যাপনা কৰে। তেখেতে মোক দেখিয়েই চিনি পালে। আমাক পঢ়া-শুনা সম্বন্ধে উপদেশ দিলে। তেখেতৰ পঢ়া কোঠালীত নানা বিষয়ৰ কিতাপ দেখিলো। তেখেতৰ বহুত বিষয়ত বাপ আছিল। "Peoples Book" চিৰিজৰ কিছুমান কিতাপো তেখেতৰ হাতত আছিল। তাৰে কেইখনমান আমাক পঢ়িবলৈ দিলে। সেই কেইখন টলষ্টয় আৰু কার্লমার্ক্সৰ বিষয়ে আছিল। আমাক মাজে মাজে তেওঁৰ তালৈ যাবলৈ কৈছিল, আমিও মাজে মাজে গৈছিলো।

সত্যনাথ বৰা চুকোৱাৰ পাছত দিবাকৰ গোস্বামীৰ নিযুক্তি লৈকে উমা গোস্বামীয়ে কটন কলেজত সপ্তাহে দুঘণ্টাকৈ অসমীয়া পঢ়াইছিল। এঘণ্টা তৃতীয় বার্ষিক, এঘণ্টা প্রথম বার্ষিকত। কাছাৰীলৈ যাওঁতে হাতত গাউন আৰু ডায়েৰীলৈ কলেজত সোমাই ক্লাছ কৰি যায়।

তেখেতে নানা সাকৰা আৰু জানিবলগীয়া কথা আমাক কয়। ল্লাডষ্ট বহি থাকোতেই মকেলে তেখেতক বেবি ধৰেহি আৰু হাকিম আহিল বুলি কয়। উমা গোসাঁয়ে মকেলক নিৰ্ভয় দি পঠাই দিয়ে (প্ৰায় ১৯২৭ চনত)।

ইয়াৰ অলপদিন পিছত মুৰাৰি চাঁন্দ কলেজত স্থায়ীৰূপে নিযুক্ত হয়। ১৯৩২ কি ১৯৩৩ চনত যোৰহাটত তেখেতৰ প্ৰথম ভাৰ্য্যাৰ বিয়োগ হয়। সেই সময়ত তেখেতক দেখা কৰিবলৈ গৈছো। ইতিমধ্যে তেওঁ গুৱাহাটীৰ কটন কলেজলৈ বদলিহৈ আহিল আৰু কিছুদিন হোষ্টেলৰ চুপাৰিনটেণ্ডেণ্ট হৈ আছিল। ইতিমধ্যে মই মগাওঁ কলেজলৈ অধ্যাপক ৰূপে আছিলো। গুৱাহাটীত তেখেতে মোক লগ পাইছিল, ঘৰলৈ মাতি নিছিল। পণ্ডিত কনক চন্দ্ৰ কাব্যতীৰ্থই সম্পাদনা কৰা মাধৱ কন্দলীৰ ৰামায়ণৰ তেখেতে এখন পাণ্ডিত্য পূৰ্ণ পাতনি লেখিছিল আৰু সেই পাতনিও শুনাৰৰ কাৰণে মোক উপযুক্ত বুলি ভাবিছিল।

১৯৪১ চনত মই কটন কলেজত অস্থায়ী ভাৱে এবছৰ কাম কৰো। তেতিয়া তেখেতক প্ৰায়েই পাওঁ আৰু ঘৰলৈকো মাতে। D.P.I. হোৱাত তেখেতক ছিলঙতো লগ পাওঁ। Text Book Committee ৰ মই মেম্বাৰো আছিলো। এবাৰ মেম্বাৰ সকলক ঘৰত খাবলৈ (ভাত খাবলৈ) নিমন্ত্ৰণো কৰিছিল।

উমা গোস্বামী কিছুদিন কামৰূপ অনুসন্ধান সমিতিৰ সম্পাদকো আছিল। তেখেতৰ অধ্যয়ণৰ পৰিধি বহল আছিল আৰু বহু বিষয়ত ৰাপ আছিল। তেওঁ মফঃস্বললৈ গলে মাজে সময়ে অতি ভিতৰৰ ঠাইৰ পাওঁ বিলাকত সোমাই অতি ভিতৰৰ ঠাইৰ মানুহবিলাকৰ খুজ লৈছিল। তেখেতৰ অসুস্থ অৱস্থাত দুৰ্গেশ্বৰ শৰ্ম্মাৰ এজন লৰাৰ লগত দেখা কৰিবলৈ যোৱাৰ কথাও মনত পৰে, এয়ে শেষ দেখা।

সৰল, সদালাপী, witty মানুহ, অলপো অহঙ্কাৰ নাছিল। তেখেতৰ পুণ্য স্মৃতিলৈ মোৰ শ্ৰদ্ধা ৰ'ল।

—x—

ভিনিহিৰ স্মৃতি

শ্ৰীমতী সুপ্ৰভা গোস্বামী

৺উমাকান্ত গোস্বামী, ৺শৰৎচন্দ্ৰ গোস্বামীদেৱৰ ভাঙৰ জোঁৱাই আৰু মোৰ ভিনিহি আছিল।

বাইদেউৰ আগবিয়া বা পাচবিয়াৰ কথা মোৰ মনত নপৰে। সকলে পৰা ভিনিহিক মই দেখিছিলো। তাৰ বাহিৰে মোৰ সৰু কালডোখৰত ভিনিহিৰ বিষয়ে ও বিশেষ কথা মনত নাই।

বাইদেউইতৰ প্ৰথম সন্তান ৺অতুল। বাইদেউৰ পোন্ধৰ বছৰ বয়সতে হৈছিল। ভিনিহিইত গুৱাহাটীত থকা সময়তে, প্ৰায় দুই বছৰীয়া হৈ গ্ৰহণী ৰোগত অতুলৰ মৃত্যু হয়। ভিনিহি আৰু বাইদেউক শোকত প্লাতুৰ আকুল হৈ পৰা দেখা নাছিলো। দুয়ো যেন বৰ স্তব্ধ হৈ পৰিছিল। নীৰৱ নিঠৰ কাঠৰ দৰে। মাই শোকত আকুল হৈছিল। পিতাই ধৈর্য্য ধৰি আছিল। শোকৰ বা মৃত্যুৰ প্ৰকৃত স্বৰূপ বুজিব পৰা বয়স মোৰ নাছিল। মই ভিনিহি আৰু বাইদেউৰ লগে লগে থাকিছিলো। কি ভাবি বা কিয় নাজানো।

ভিনিহি আমাৰ ঘৰলৈ গলে, তেওঁ আগধৰি নামাতিলে নিজে নিজে আগবাঢ়ি নগৈছিলো। ভিনিহিৰ স্বাভাৱিক গহীন প্ৰকৃতিৰ বাবে সকলে মোৰ মনত অহেতুক এটা লাজ আৰু সংকোচ আছিল। ভিনিহিয়ে হাঁহি মাতি কথা ক'লেহে ওচৰলৈ গৈছিলো।

অতুলৰ মৃত্যুৰ কিছুদিন পাছত ভিনিহিএ ছিলেটৰ মুৰাৰীচান্দ কলেজত চাকৰী পালে। সেই সময়ত আমি ছিলঙত আছিলো। বাই আৰু ভিনিহিও, ছিলেটলৈ যোৱাৰ আগতে, ছিলঙত কেইদিন মান আছিল গৈ।

তেওঁলোকে চেৰাপুঞ্জীয়ে দি সুৰমা উপত্যকাৰ ডোলাগঞ্জ হৈ ছিলেট লৈ গৈছিল। ছিলেটৰ পৰা চেৰাপুঞ্জীলৈ মটৰেদি গৈ, শিলঙৰ বাজাৰে মানুহে কঢ়িওৱা 'খাপা'ৰ ওপৰত মহি বা গোজ কাঢ়ি ডোলাগঞ্জ হৈ

যাব লাগিছিল। তোলাগঞ্জত থেল ধৰি ছিলেটলৈ গৈছিল। বাইদেউৰ বাবে 'খাপা' লোৱা হৈছিল, তিনিহি খোজকাঢ়ি গৈছিল। আমি তেওঁলোকক চেৰাপুঞ্জীলৈ আগবঢ়াই থবলৈ গৈছিলো।

আমি ছিলঙত থকা সময়তে বাই আক তিনিহি আকৌ ছিলঙলৈ আহিছিল। বাইকলৈ কেইদিনমান পাচতে তিনিহি কৰ্ম্মস্থানলৈ গৈছিল। ছিলঙতে বাইদেউৰ দ্বিতীয় সন্তান শ্ৰীমান দেবব্ৰতৰ (বাপা)ৰ জন্ম হৈছিল। এদিন স্কুলৰ পৰা ঘূৰি আহি দেখো আমাৰ ঘৰত কেছুৱা এটি হৈছে, বৰ ফূৰ্ত্তি লাগিছিল, ইয়াৰ কেই মাহ মানৰ মুৰত তিনিহিএ আহি বাপা আক বাইদেউক লৈ গলহি। এই বাবে সক বয়সত মোৰ তিনিহিৰ ওপৰত মনে মনে খং উঠিছিল। এইবাৰ কেছুৱা থকাত তেওঁলোক গুৱাহাটী হৈ ছিলেটলৈ গৈছিল।

এই সময়তে পিতা স্কুলসমূহৰ ইনচ্‌পেক্টৰ হৈ যোৰহাটলৈ আহিল। কিছুদিনৰ পাছত বাইদেউহঁতো যোৰহাটলৈ আহিল। মই ডেকিয়া অলপ ভাঙৰ হৈছিলো। আমাৰ লগত 'মাজু' (শ্ৰী প্ৰবোধ চন্দ্ৰ গোস্বামী) ও আছিল। মাজে মাজে ছুপৰীয়া সময়ত, অলপ বাবান্দাত, বাই তিনিহিৰ লগত বহিবলৈ আমাক মাতিছিল। একোদিন তিনিহিএ গল্প শুনাইছিল। নানা কাহিনী, বহস্য গল্প, নানা দেশৰ কথা, ইতিহাসৰ কথা বৰ বস লগাই কৈছিল। আমি মন্ত্রমুগ্ধৰ দৰে শুনিছিলো। Sherlock Holmesৰ পৰা কিছুমান গল্প তেওঁ এনে সবসবীয়া কৈ কৈছিল যে তেওঁ নিজে কৈ নিদিলে ধৰিবই পৰা নহৈছিল যে সেইটো তেওঁ ইংৰাজী গল্পৰ পৰা কৈছে। তাৰাৰ ওপৰত এনেকুৱা অধিকাৰ আছিল।

বাই তিনিহিহঁত যোৰহাটত থকা সময়তে মোক চাৰলৈ মোৰ ভাবী শহুৰ ৺গোলাপ চন্দ্ৰ গোস্বামী যোৰহাটলৈ আহিছিল। তিনিহিএ মোক তেখেতৰ আগলৈ লৈ গৈছিল। কোনো আৰম্বৰ নোহোৱাকৈ, আনকি হাতত তামোলৰ বটা এখনো নোলোৱাকৈ। স্বাভাৱিক ভাবে তিনিহিৰ লগত মই এইকেমলৈ লৈ বহিছিলো। মোৰ ভাবী শহুৰে দুই চাৰি কথাৰ পাছত মোক ইংৰাজী আৰু সংস্কৃত কিতাপৰ পৰা পঢ়ি শুনাবলৈ ক'লে; মই অন্ধ অন্ধ সৰ্ক সৰ্ক কৈ পঢ়িছিলো। তাকে দেখি তিনিহিয়ে

"আমাৰ মাইছানাবো ভয় লাগিছে নেকি" বুলি, অভয়সূচক মিচিকিয়া হাঁহি এটা মাৰি মোৰ কাষত আহি বহিলহি, মই বৰ সকাহ পাইছিলো।

ইয়াৰ কিছুদিনৰ পাছত তিনিহি ছিলেটলৈ ঘূৰি গৈছিল। কেই মাহ মানৰ মূৰত বাইদেউৰ তৃতীয় সন্তান তুতু (সুব্রতা)ৰ জন্ম হৈছিল। তুতুৰ জন্মৰ এঘাৰ দিন পাছত মোৰ বিয়া হৈছিল।

ছয়মাহ মান পাছত, বাইদেউহঁতক নিবলৈ বুলি, তিনিহি আহি কেইদিন মান যোৰহাটত থাকিলহি। মোৰ স্বামী, কেইমাহ মান পাছত বিলাতলৈ উচ্চশিক্ষাৰ বাবে যাব। এইবাবে, সেইদিন কেইটা খোৱা লোৱা, নিমন্ত্রণ আমন্ত্রণৰ মাজতে পাৰ হৈছিল। ঘৰৰ সকলোৰে একেলগে ফটোও তোলা হয়। আমাৰ 'আবু', পিতাৰ মাকো এই সময়ত আমাৰ লগতে আছিল। সকলোৰে গ্রুপফটো এটা লোৱা হৈছিল। তাৰ বাহিৰেও, বাই তিনিহি তেওঁলোকৰ লৰা-ছোৱালী দুটা, মই, মোৰ স্বামী আৰু আব্রুক মাজতলৈও এটা ফটো তোলা হয়।

কেইদিন মান পাচত তিনিহিহঁত ছিলেটলৈ গল। ইতিমধ্যে মোৰ স্বামীও বিলাতলৈ গল। ইয়াৰ প্রায় এবছৰ মান পাচতে বাইদেউৰ অসুখৰ খবৰ পাই, মাই আৰু পিতা ছিলেটলৈ গৈছিল। মোক কামপুৰৰ শহুৰৰ ঘৰত থৈ গৈছিল। বাইদেউৰ অসুখ ভাল হোৱাত এমাহ মানৰ পাচত পিতাইঁত উভতি আহিল।

এইবাৰ প্রায় দুইবছৰৰ মূৰত বাইদেউহঁত যোৰহাটলৈ আহিছিল। তিনিহিএ তেওঁলোকক থৈ কেই দিনমান পাছত কৰ্মস্থানলৈ ঘূৰি গৈছিল। সেই একেলগে যোৰহাটলৈ অহা।'সেয়েই যোৰহাটত একেলগে আছিলো। সেইটো ১৯৩১ চনৰ মাজ মানৰ কথা আছিল।

বাইদেউ অ'কৌ সন্তান সম্ভবা আছিল। ডাঙৰ ল'ৰাটোৰ পাচ বছৰ বয়স। ছোৱালী জনীৰ তিনিবছৰ। বাইদেউৰ স্বাস্থ্য পাতি ভালে আছে। খাই-বৈ ফুৰা চৰা কৰি, হাঁহি-মাতি স্বাভাৱিক ভাৱে আছে। ঘৰত সকলোৰে নিকৱেগ সুখ-শান্তিৰে যথানুশাৰে চলি আছে।

কিন্তু সেই নিকৱেগ সুখ-শান্তি আনন্দৰ এদিন অকস্মাতে নিঠুৰ ভাৱে অন্ত পৰিল। ১৯৩২ চনৰ ২ অক্টোবৰ তাৰিখে বাতিপুৱা বাইদেউৰ

তেওঁৰ চতুৰ্থ সন্তান ল'ৰা এটি জন্মদি মৃত্যুৰ কৰাল গ্ৰাসত পৰিল। সেই আকস্মিক ভয়ংকৰ শোকাঘাতে মাই-পিতা আৰু আমাৰ গোটেই যোৰহাটবাসীক বিষাদগ্ৰস্ত কৰি পেলাইছিল।

ভিনিহিলৈ কোনোৱাই খবৰ দিছিল। তিনিদিনৰ পাছত তেওঁ ছিলেটৰ পৰা আহি পাইছিল। বাৰান্দালৈ উঠা চিৰিখনৰ মুখত মোক থিয়হৈ থকা দেখি, ধৈৰ্য-সংযত কিন্তু শোকত অভিভূত হৈ মৃদু মাতেৰে মোক শুধিছিল—"মাইছানা! বায়েৰে বোলে নাই।"

মই উত্তলি অহা কান্দোন বন্ধ কৰিবলৈ দৌৰি ভিতৰলৈ গ'লো। ভিনিহি যোৰহাটৰ পৰা নিজ ঘৰলৈ গৈছিল, বাইদেউৰ শ্ৰাদ্ধ আদি কৰিবলৈ।

হঠাতে মনত গভীৰ আঘাট পাই মাইৰ হাৰ্টৰ অসুখ হ'ল। বাহিৰত ধৈৰ্যৰ প্ৰতিমূৰ্ত্তি পিতাৰো শোকত অন্তৰখন দহি আছিল। মোৰো মন বা বয়স পানীকেচুৱাৰ তত্ত্বাৱধান লব পৰা নহয়। সেই দেখি প্ৰথম অৱস্থাত কেচুৱাটো কেইদিনমান নাৰ্চৰ তত্ত্বাৱধানত ৰখা হৈছিল। বাইদেউৰ শ্ৰাদ্ধাদিৰ পাছত ভিনিহি যোৰহাটলৈ ঘুৰি অহাত কেচুৱাটিক ঘৰলৈ অনা হ'ল। কেইদিনমান কাঠৰ মানুহৰ দৰে থাকি এইবাৰ ভিনিহি অকলশৰে ছিলেটলৈ গুচি গ'ল।

অকণমান কেচুৱাটো, আৰু দুটা সৰু সৰু ল'ৰা-ছোৱালী পিতা মাইৰ লগত থাকিল। কেচুৱাৰ হাঁহিৰ কলকলনিৰে যোৰহাটৰ ঘৰখনত হাঁহি বিৰিঙিল। ল'ৰাটিৰ নাম মই 'দাদুল' থৈছিলো। কিন্তু ভগৱানে এইকণ আনন্দও সহিব নোৱাৰিলে। দাদুলৰ অসুখ হ'ল, ডাক্তৰে 'ব্ৰঙ্কাইটিচ' বুলি ক'লে। সেইদিনত 'ব্ৰঙ্কাইটিচৰ' ডাক্তৰী ঔষধ নাছিল। সকলোৱে পতিআতি কাটি কৰি দহমহীয়া দাদুলে আমাক শোক সাগৰত বুৰাই তাৰ জন্মদাত্ৰী মাতৃৰ ওচৰলৈ গুচি গ'ল।

এই দুখসংবাদ পাই ভিনিহি আকৌ আহিল। মাত্ত কথা নাই। আৱশ্যক হলেহে দুই চাৰিষাৰ কথা।

এই ঘটনাৰ কিছুকাল পিছত "অম্বিকা বাই"ৰ লগত বিবাহ হ'ল। তাৰ পিছত ভিনিহি ডি. পি. আই হৈ ছিলঙলৈ গ'ল। ভেতিয়া আমি

ছিলঙতে থাকো। ভিনিহিইঁতব লগত প্রায়ে পিকনিক আদি কবিছিলো। মন্ত্র, মামনি, ভন্তিইঁত সক সক। মন থলেই যেতিয়াই তেতিয়াই যাব পবা এখন ঘব আছিল। সেয়ে তেওঁ অন্নসব লৈ যোৱাব পিছত ছিলঙত ভিনিহিইঁতব অভাব আমি বব অনুভব কবিছিলো।

১৯৪৪ চনত দিল্লীত পিতাব সন্ন্যাস বোগ হৈ হঠাতে মৃত্যু ঘটাব সময়ত, মই গুৱাহাটীব পানবজাবব ঘবত অকলে আছিলো। ভিনিহি আক অম্বিকা বাইও এই খবব পাই, পুৱাই এই মর্ম্মান্তিক খববটো দিবলৈ মোব ওচবলৈ গৈছিল। তেওঁলোকে একো নকওতেই তেওঁলোকব মুদা ভবি দেখি, তৎমুহূর্ত্তে মই বুজি পাইছিলো কি ঘটিল, নিস্তব্ধহৈ মই বহি পবিছিলো। মোব অজানিতে মুখব পবা ওলাইছিল "মোব পিতি নাই, মোব আক কোনো নাই।" ভিনিহিয়ে সর্বসাধাবণব দবে সান্ত্বনাব কথা নকৈ নীবৱে মোব কাষলৈ আহি মুখত মবমেবে হাত এখন থৈ কৈছিল "তোমাব নহয় আমিও পিতৃহীন হলো। আমাব সকলোবে কোনো নোহোৱা হ'ল।" সেই খিনি কথা কোৱাব সুব আক মাতত তেওঁব মনব গভীব সহানুভূতি উপলব্ধি কবিব পাবিছিলো।

ভিনিহিইঁত ছিলঙব পবা অহাব পাচতো ছিলঙব পবা আহি গুৱাহাটীত থকা হলে ভিনিহিইঁতব ঘবলৈ গৈছিলো। চাহ ভাত খাইছিলো। তেওঁ কর্কট বোগত আক্রান্ত হোৱা সময়তো মাজে মাজে তেওঁব ওচবলৈ আহিছিলো। তেতিয়া মোব লবা-ছোৱালী সক। স্কুললৈ যোৱা বয়সব আছিল। মন থাকিলেও ঘনাই আহিব নোৱাবিছিলো।

ভিনিহিব মৃত্যু সংবাদ পাই সেই দিনাই আমি ছিলঙব পবা গুৱাহাটীলৈ আহিছিলো। শেষব সময়খিনিত, ভিনিহি বিছনাত পবি আছিল যদিও, তেওঁব মৃত্যুব পাছত এজন মানুহব ব্যক্তিত্বই পূর্ণ কবি যোৱা ঘবখন উদং হৈ গৈছিল।

বাই ভিনিহি নাই যদিও, 'অম্বিকাবাই' এ বাইদেউব শূণ্যস্থান পূর্ণ কবি বাই জনীব চেনেহব দোল দাল এতিয়াও টানি ধবি আছে।

—x—

To

Sjt. Umakanta Goswami M. A., B. L., A. B. S.

Senior Professor of Economics,

Cotton College, Gauhati.

Revered Sir,

Our language fails to give vent to our innermost feelings on this occasion of parting with one who was so very dear and near to this Premier College of Assam. While expressing our utmost delight and hearty congratulations on your having been promoted to the present onerous job of the D. P. I. of Assam, we the students of Cotton College are yet extremely sorry at your going away from this Premier Institution.

Esteemed Sir,

Your happy association with this College for the last quarter of a century will always be cheerfully remembered by the students of the past as well as of the present. Your valuable contributions as a professor in the Cotton College are still fresh in the memory of us all. As a friend, philosopher and guide of the students, your position was unique. A high standard of humour, and savoury wit was always a characteristic feature of all your lectures. As a witty and eloquent speaker, as a sound thinker, as a popular professor, as a sobre gentleman, and last though not least, as a strict disciplinarian you were an asset to the Cotton College during a period of which our Alma Mater can rightly be proud for maintaining a high standard of education in the province.

Beloved Sir,

Your gentlemanly and amiable behaviour with the students endeared you to all of us who had come in contact with you. In addition to this as the Vice President of the C. C. U. S. you gave us wise counsel and ungrudging assistance more particularly during the past few troublesome years, Yourself an ex-Cottonian, you always kept the College over everything else. Whenever there was the call of the College or of the students you never spared yourself. With a heart full of large sympathies, catholicity of views and sober wisdom, you resolved problems in a manner, happy for all, however threatening these appeared to be. Parting from such a beloved teacher is more particularly painful. But part we must as you are going to shoulder a greater responsibility which affects us no less. So let us face this parting bravely with the hope that you will be there to guide the destiny of the growing generation of Assam. In happiness and sorrow, in sun shine and darkness the student community of Assam in general and of the Cotton College in particular will look up to you as the proper guardian. May the almighty father grant you a long, happy and prosperous life and greater strength to enable you to give a new lead in Assam's Educational spheres in the near future.

We remain Sir,

5. 2. 49 Yours in loving admiration

STUDENTS OF THE COTTON COLLEGE,
GAUHATI.

আসাম শিক্ষাবিভাগের মহামান্য ডি. পি. আই

পরম শ্রদ্ধেয়

শ্রীযুত উমাকান্ত গোস্বামী এম. এ. বি. এল

মহোদয়ের করকমলে

শ্রদ্ধাঞ্জলি।

—)●(—

দেব!

আজ
মানি লাজ
অর্পিব কেমনে?
দীন অর্ঘ্য তোমার চরণে
দীনতায় ম্লান-দীর্ণ কুণ্ঠিত সম্ভার
এ কী যোগ্য-হে দেব! তোমার?

(২)

তাই
সততই
কুণ্ঠা জাগে মনে
দেবতায় আজি পূজিব কেমনে

মনে শুধু বিষাদের বেদনা ঘনায়—
দেব! তব যোগ্য অর্ঘ্য পাইব কোথায়?

(৩)

ক্ষুদ্র
আমি অতি
হাই সঙ্কুচিত হয়ে—
এ ক্ষুদ্র ভক্তি-পূর্ণ ডালাখানি,
দাঁড়াস্থ পায়ের কাছে—তুচ্ছ উপহার
তুলিয়া কী নিবে দেব। করুণাতে তোমার

১৩-৯-৫০ ইং—

শ্রদ্ধাবনত—
শ্রীকনক রঞ্জন দাশ।
বেবেজ্ঞা হেমলোচন বুনিয়াদি বিদ্যালয়

উদাবন্দ বুনিয়াদী শিক্ষাকেন্দ্র।
শিলচর : কাছাড়

শ্রদ্ধাস্পদ শ্রীযুক্ত উমাকান্ত গোস্বামী, এম-এ,
অধ্যাপক মহোদয় করকমলেষু

দেব !

কর্ম্মজীবনের মধ্যপথে আজ তোমার বিদায়; তাই আমাদের ক্ষোভ, তাই আমাদের অভিমান। দিনান্তে কর্ম্ম শেষে সূর্য্য যখন শ্রান্তদেহে সন্ধ্যার স্বর্ণাঞ্চলে সুপ্তি-শান্তির আশায় অস্তমিত হন, তার বিরহে ত কেউ কাঁদিয়া অস্থির হয় না; কাহারো ত অশ্রু ঝরিয়া পড়ে না। এ যে চিরন্তনের গতি অনিবার্য্য, অপরিবর্ত্তনীয়, অপরিহার্য্য। কিন্তু মধ্যপথে যখন তাকে মেঘ আবৃত করিয়া দেয়, তখনি হয় দুঃখ, বেদনা তখনি হয় অপ্রমেয়। তুমিও যদি কর্ম্মাবসানে জন্মভূমির সুশীতল ক্রোড়ে প্রত্যাবর্ত্তন করিতে তখন হয়ত তোমার যাত্রাপথ অশ্রুসিক্ত, মঙ্গল-ঘট নয়নজলে পরিপূর্ণ হইত না।

তোমার উপর দিয়া আধিব্যাধিত ঝড় বহিয়া গিয়াছে; দুঃখ যন্ত্রণার সংঘাতেও তুমি অবিচলিত চিত্তে ধৈর্য্যের সহিত মঙ্গলময় ভগবানের বিধান আশীর্ব্বাদর মতই গ্রহণ করিয়াছ। এই জীবন সংগ্রামে তোমার গতি, তোমার আদর্শ, তোমার লক্ষ্য একটুও স্খলিত হয় নাই। আজ তোমাকে সান্ত্বনা দিবার মত আমাদের কিছু নাই। তবে, আমরা যাহা হারাইলাম, আমাদেরই প্রতিবেশী বন্ধুরা তাহা পাইবে, আমাদের এই ই সান্ত্বনা। কিন্তু মানব মন স্বার্থপর—তাই আমাদের ব্যথার অভিব্যক্তি সান্ত্বনা ছাপাইয়া উঠে।

আজ বিদায় বেলায় তোমার পূজার অর্ঘ্য কী দিয়া রচনা করিব দেব? কী আমাদের আছে? তোমারি ঔদার্য্যে মুকুলিত অশ্রুসিক্ত এই অঞ্জলি গ্রহণ করিয়া ধন্য কর— এই আমাদের প্রার্থনা। ইতি—

তোমারই স্নেহমুগ্ধ—
মুরারিচাঁদ বিদ্যাপীঠের ছাত্র-ছাত্রীবৃন্দ।

—গোস্বামীদের

অপ্রকাশিত

লিখনীসমূহ—

ৰৱনগৰ সাহিত্য সম্মিলন

অভ্যর্থনা সমিতিৰ সভ্যসকল, সম্পাদক ডাঙৰীয়া আৰু উপস্থিত ভদ্ৰ মহোদয় সকল! আজিৰ এই সাহিত্য সভাত মোক সভাপতিৰ পদ দি যি উদাৰতা আৰু মৰমৰ পৰিচয় দিলে, তাক মই কথাৰে প্ৰকাশ কৰিব নোৱাৰো। মই বয়সত আপোনালোকৰ অনেকতকৈ কণিষ্ঠ। অভিজ্ঞতাতো হীন! আৰু সুদূৰ সাহিত্য তীৰ্থৰ পথৰ এটি নিঃকিন যাত্ৰী মাথোন। আপোনালোকৰ মৰম আৰু আশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি মই অকপটে স্বীকাৰ কৰিছো যে আজিলৈকে মই সাহিত্য ক্ষেত্ৰত আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিবলগীয়া কোনো কাম কৰিব পৰা নাই। চিৰকলীয়া গতানুগতিক প্ৰথা অনুসাৰে বিশ্ববিদ্যালয়ৰপৰা ওলাই কলেজত অধ্যাপনা কৰা সামান্য অভিজ্ঞতাখিনিৰ পিছতে সংসাৰ সমুদ্ৰৰ ঢৌ-বতাহত ছিগি ভাগি আজি আপোনালোকে মৰম কৰি দিয়া এই উচ্চ পদৰ গৌৰৱ যে কিদৰে ৰক্ষা কৰিব পাৰিম তাক ভাবি পোৱা নাই। আজি উপযুক্ত মানুহক এই সমাদৰখিনি দিয়া হলে তেওঁলোকে যে কিমান সাকৱা কথাৰে আপোনাসকলক তৃপ্ত কৰিলেহেঁতেন তাক ভাবি মই সচাঁকৈয়ে মনত বৰ কষ্ট অনুভৱ কৰিছো। আশাকৰোঁ আপোনাসকলৰ শুভ আশীৰ্ব্বাদত আজিৰ এই কাম কোনোপ্ৰকাৰে পালন কৰি শেষত মই সকলোখিনি ত্ৰুটিৰ বাবে ক্ষমা লাভ কৰিম।

যি অসম সাহিত্য সভাৰ শাখাৰূপে আপোনাসকলৰ এই সভাই কাৰ্যক্ষেত্ৰত ভৰি দিছে, সেই অসম সাহিত্য সভাই এতিয়া ৭ম বছৰত ভৰি দিছে। সম্পাদক আৰু কাৰ্যকাৰকসকলৰ চেষ্টাৰ ফলত অলপ দিনৰ ভিতৰতে নানা বিষয়ে ইয়াৰ কাৰ্যক্ষেত্ৰ বিস্তাৰিত হৈছে। এই বছৰৰ ভিতৰত যোৰহাট, গোৱালপাৰা, ৰঙপেটা, তেজপুৰ, ডিব্ৰুগড় আদি ঠাইত অধিবেশন পাতি নানা কালে ইয়াৰ শাখা-প্ৰশাখা বিস্তাৰিত কৰিছে। বুদ্ধিত চোকা, কিন্তু কামত কিছু এলেহুৱা আমাৰ এই

কামৰূপৰ অধিবাসীসকলৰ মাজতো এই সভাই প্ৰভাৱ বিস্তাৰ কৰি কামৰূপৰ টান মাটিতো ইয়াৰ শিপা মেলিছে। আই সৰস্বতীৰ ওচৰত প্ৰাৰ্থনা যেন তেওঁৰ মধুৰ বীণাৰ টানত আমাৰ এই নিচলা দেশতো সাহিত্য বিজ্ঞানৰ সুপ্ত প্ৰতিভা যেন জাগি উঠে।

এতিয়া আন কথা কবলৈ যোৱাৰ আগতে আজিৰ এই সভা ক্ষেত্ৰৰ বিষয়ে দু-আষাৰমান কথা নকৈ নোৱাৰো। এই ৰৱনগৰ পূৰ্ব্বতে আহোম ৰজাৰ এখন দুৱাৰ যেন আছিল। কোচ ৰজা সকলৰ দিনৰ কথাকে নকও, এশবছৰ মান আগৰ কথা ভাবিলে তাহানি কালৰ মানৰ উপদ্ৰৱ, অসমীয়াৰ লগত মানৰ যুদ্ধ আৰু মান ভাঙ্গনিত অসম দেশৰ নিচলা মানুহৰ দুৰ্গতি, সেই বিপ্লৱৰ সময়ত অসমীয়া নাৰীৰ সাহস, আৰু তাৰ লগে লগে ইয়াৰ আগৰ দিনৰ বকৱাসকলৰ কাৰ্যকলাপৰ কথা মনত আহি পৰে। আজি য'ত অটব্য হাবি তাত আগেয়ে অশেষ সুখ-সমৃদ্ধিশালী গাঁও আছিল। আজি য'ত বাঘ-ভালুকে দিনতে গুজবিছে, সেই ঠাই আগতে জন কোলাহলেৰে মুখৰিত আছিল। এতিয়া এই বনৰীয়া জন্তুৰে ভৰা ইকৰাণি আৰু অৰণ্যলৈ চালে আৰু তাৰ মাজে মাজে পূৰ্ব্বৰ অধিবাসী সকলৰ ঘৰ দুৱাৰৰ ভগ্নাৱশেষ চকুত পৰিলে পুৰণি কথাবিলাক সপোনৰদৰে লাগে। আৰু সেই সপোনৰ মাজত আমাৰ প্ৰসিদ্ধ লিখকৰ সুললিত লেখনিৰে চিত্ৰিত এজনী অসম জীয়াৰীৰ কৰুণ সৰল মূৰ্তি আহি মনত দেখা দিয়ে। এই ৰৱনগৰৰ মনোমতী অসম ফুলনিৰ এটি সুন্দৰ ফুল। আৰু এই ফুলটিৰ সৃষ্টিৰ বাবে আমি সকলো অসমীয়াই ৰৱদলৈ ডাঙৰীয়াৰ ওচৰত ঋণী। অসমৰ সাহিত্য ক্ষেত্ৰত সুপৰিচিত এই ৰৱনগৰস্থ সাহিত্য সভা বহা যে, কেনে উপযুক্ত কাম হৈছে তাক আপোনাসকলে বিশেষ অনুভৱ কৰিব পাৰিব।

অসমীয়া ভাষাৰ বিস্তাৰ :

আমাৰ ভাষা সম্বন্ধে আন কথা কোৱাৰ আগেয়ে ইয়াৰ বিস্তাৰ সম্বন্ধে আৰু ইয়াৰ লগত আন আন ভাষাৰ তুলনাত ইয়াৰ বৰ্তমান অৱস্থা সম্বন্ধে দু-আষাৰ মান কথা কোৱা যাওঁক। অসমীয়া ভাষাৰ

সুকীয়া সম্পদ আৰু ভৱিষ্যতলৈ ই নানা ফালে কিমান বিস্তাৰ লাভ কৰিব পাৰে তাৰ বিষয়ে পাছত কোৱা হ'ব। আপোনালোক আটায়ে জানে যে জগতত ভিন্ন ভিন জাতি আৰু দেশৰ মাজত যেনেকৈ আত্ম-প্রতিষ্ঠাৰ নিমিত্তে প্রতিযোগিতা (Struggle of supremacy) চলে সেইদৰে ভাষা আৰু ধর্মৰ মাজতো লৌকিক প্রতিযোগিতা অনুভৱ নকৰাকৈ থাকিব নোৱাৰি। এই প্রতিযোগিতাই নানা আকাৰ ধৰিব পাৰে। যেতিয়া ই প্রত্যেক সমষ্টিৰ ব্যক্তিত্ব আৰু সুকীয়া সম্মানক তুচ্ছ জ্ঞান কৰি আনক গাৰ বলেৰে হেঁচি তল নিয়াবলৈ চেষ্টা কৰে তেতিয়া ই এটা আসুৰিক মূর্তি ধাৰণ কৰে। কিন্তু যেতিয়া পৰস্পৰৰ অস্তিত্ব আৰু স্বার্থৰ প্রতি শ্রদ্ধা ৰাখি মাথোন নিজ উন্নতিৰ নিমিত্তে চেষ্টা কৰে তেতিয়া ই মঙ্গলময় হৈ পৰে। আমাৰ অসমীয়া জাতি আৰু লগে লগে অসমীয়া ভাষায়ো যে এনেকুৱা দুয়োৰকম প্রতিযোগিতাৰ হাতত পৰিব সি অতি স্বাভাৱিক কথা। প্রথম বিধৰ প্রতিযোগিতা হিংসামূলক কিন্তু দ্বিতীয়বিধৰ নহলে আমাৰ হাত ভৰিহে অৱশ হব।

অসমীয়া আৰু বঙলা ভাষা :

আমি আটায়ে জানো যে যেতিয়া অসম প্রথমে ইংৰাজৰ তললৈ আহে তেতিয়া ইয়াৰ শাসন কার্যৰ সুচলৰ অর্থে যিবিলাক কর্মচাৰীৰ দৰকাৰ হল তাৰ বহুতখিনি বঙ্গদেশৰপৰা অনা হ'ল। বঙ্গদেশৰ লোক সংখ্যা ইমান সৰহ যে ভৰা পাত্রৰ পানীৰদৰে অলপ বৃদ্ধি পালেই চাৰিওপিনে বাগৰি পৰে। ইংৰাজসকলে অসমীয়া লোকতকৈ কর্মচাৰী-সকলৰ লগত বেছি ঘনিষ্ঠ হৈ উঠিছিল। শেষত বঙালীসকলৰ নিজ ভাষাৰ বিস্তাৰৰ নিমিত্তে স্বাভাৱিক প্রবৃত্তি, ইংৰাজ গৱর্ণমেণ্টৰ উদাসীনতা আৰু লগে লগে আমাৰ নিজ ঠাইৰ মানুহৰ উদ্যমহীনতা এই তিনওটা লগ লাগি গোটেই অসমতে অসমীয়া ভাষা শুচি বঙালী ভাষা চলিবলৈ উপক্রম হৈছিল। এইদৰে চলিলে যে অসমীয়া ভাষা আজিকালি কি অৱস্থাত পৰিলহেঁতেনগৈ তাৰ ঠিকনা নাই, কিন্তু বিধিৰ বিধানত অসমীয়া ভাষা এটি সুকীয়া ভাষা হৈ থকাই স্থিৰ হ'ল।

এই সময়ত আমাৰ ইয়ালৈ অহা মিছনেৰি চাহাৰ সকলৰ সহানুভূতি আৰু আনন্দৰাম ঢেকিয়াল ফুকন প্ৰভৃতি দূৰদৰ্শী পুৰুষসকলৰ চেষ্টাৰ কথা কোনেও পাহৰিব নোৱাৰে। অসমত বঙলা ভাষাৰ পৰিবৰ্তে অসমীয়া ভাষাৰ প্ৰচলন সম্বন্ধে আজি প্ৰায় এশ বছৰমান আগেয়ে অসমৰ উজ্জ্বল ৰত্ন ঢেকীয়াল ফুকন ডাঙৰীয়াই অতিশয় শান্তভাৱে আৰু দূৰ দৃষ্টিৰে সৈতে যি উদাৰ মত প্ৰকাশ কৰি গৈছে তাৰ ওপৰত আজিলৈ আৰু বিশেষ নতুন কথা কবলৈ নাই। মুঠতে কবলৈ গলে ঢেকীয়াল ফুকন ডাঙৰীয়াই বঙলা ভাষাক দিবলগীয়া সকলোখিনি সম্মান দি আৰু তাৰ সম্পূৰ্ণ গৌৰৱ স্বীকাৰ কৰিও অতিশয় উদাৰভাৱে অসমত অসমীয়া ভাষা প্ৰচলন সম্বন্ধে আপোন মত, ব্যক্ত কৰিছিল। সেই সময়ত এনেকুৱা অভিজাত্যপূৰ্ণ কথা এনেদৰে প্ৰকাশ কৰি তেওঁ অসীম জ্ঞানৰ পৰিচয় দিছিল। অসমীয়া ভাষাৰ উচ্চ শিক্ষাৰ নিমিত্তে নৰ্মাল স্কুল স্থাপন কৰাৰ সম্বন্ধে ইমান দিনৰ আগেয়ে তেওঁ সুন্দৰ অভিমত প্ৰকাশ কৰি গৈছে। জাতীয় শিক্ষা আৰু জাতীয় ভাৱ প্ৰচাৰৰ বাবে অসমত অসমীয়াতে শিক্ষা দিয়া নৰ্মাল স্কুলৰ দৰে উচ্চ শ্ৰেণীৰ স্কুল স্থাপন কৰাৰ উপকাৰিতা তেখেতে ইমান দিন আগেয়ে বুজি পাইছিল। অসমীয়াৰ সুকীয়া উৎকৰ্ষণা (Culture) আৰু সুকীয়া ভাৱ যিনি অসমীয়া শিক্ষাৰ কেন্দ্ৰস্বৰূপ নৰ্মাল স্কুলত শিক্ষকসকলে এতিয়া বিস্তাৰ কৰিব পাৰিব।

অসমীয়া ভাষাৰ জনবল :

অসমীয়া ভাষাৰ বিস্তাৰ আৰু অসমীয়া কোৱা মানুহৰ সংখ্যা ইত্যাদি কথা ভাবি চালে আমাৰ ভাষা আনৰ মাজতো প্ৰচাৰ হোৱাৰ যে কিমান আৱশ্যক তাক তলত লিখা গণনাবোৰৰ পৰাই বুজিব পাৰি। বৃটিছ গৱৰ্ণমেণ্টৰ তলত বিভিন্ন ঠাই 'অসম প্ৰদেশ' বুলি গণ্য ভাৰ লোক সংখ্যা প্ৰায় ৭৬ লাখ। অৱশ্যে খুচুৰা সংখ্যাবোৰ এৰি দি মুঠ সংখ্যাখিনিকহে ইয়াত ধৰা হৈছে। অসমত এই ৭৬ লক্ষ মানুহৰ মাজত

মুঠতে প্রায় ১৭ লক্ষ অর্থাৎ চাবিভাগৰ এভাগতকৈও কম মানুহে হে অসমীয়া কথা কয়। দহ বছৰৰ আগেয়ে অসমত মিয়ান লোক সংখ্যা আছিল এত্তিয়া ভাতকৈ প্রায় দহ লক্ষ বাঢ়িছে, কিন্তু অসমীয়া কথা কোৱা মানুহৰ সংখ্যা এক লক্ষও বঢ়া নাই। অসমত বঙলা কোৱা মানুহৰ সংখ্যা ৩৫ লক্ষতকৈও ওপৰ। এই সংখ্যা দুটিলৈ চালে ভাষাৰ অনুপাতত আমাৰ প্রদেশখনৰ নাম অসম হোৱাটো ভ্রমজনক যেনহে লাগে। অসমত অসমীয়া আৰু বঙলা ভাষাৰ বাহিৰেও হিন্দী ভাষা কোৱা মানুহৰ সংখ্যা প্রায় চাৰে চাৰি লক্ষ, ৰড়ো আৰু কছাৰী ভাষা কোৱা আঠৈ লক্ষ, খাচীয়া ভাষা কোৱা দুই লক্ষ, গাৰো ভাষাৰ প্রায় ডেৰ লক্ষ, মুণ্ডাৰি ভাষাৰ প্রায় এক লক্ষ আৰু মিৰি ভাষাৰ প্রায় আধা লক্ষ মানুহ আছে। ইয়াৰ বাহিৰেও ২০/২৫ হেজাৰ আন আন নানা প্রকাৰ যেনে, উড়িয়া, বিহাৰী আৰু দাক্ষিণাত্যৰ ভাষা কোৱা মানুহ অসমত আছে। এই অলপ সংখ্যাৰ লোকৰ মাজত যাতে অসমীয়া ভাষাৰ প্রচাৰ হয় তাৰ বাবে সকলো অসমীয়াই দৃষ্টি বখা আৱশ্যক।

আমাৰ ভাষাই এই সক সুবা শ্রেণীবোৰকো যদি নিজৰ কৰি লব নোৱাৰে তেতিয়াহলে আন ঠাইত যে ই বিস্তাৰ লাভ কৰিব পাৰিব তাৰ আশা কম। ইয়াৰ আগেয়ে কিন্তু অসমীয়া ভাষাই আহোম প্রভৃতি আন আন ভাষাৰ মানুহক আপোন কৰি লব পাৰিছিল। মিৰি মিকিৰ আদি দাঁতি কাষৰীয়া আন আন ভাষাৰ বহুত মানুহে অসমীয়া ভাষাত সোমাই পৰিছিল। আমি অসমীয়া ভাষা কলেজ, বিশ্ববিদ্যালয় আদিতো প্রচলিত হোৱা দেখি সন্তুষ্ট হবলৈ বিচাৰোঁ। কিন্তু অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা যে কিমান কম তালৈও আমি এবাৰ মন কৰি চোৱা উচিত। অসমৰ নিচেই অলপ সংখ্যক মানুহ আৰু ভাবে ব্রহ্মপুত্র উপত্যকাৰ জিলা কেইখনতহে প্রায় আধাতকৈও কম অসমীয়া কোৱা মানুহ আছে। ব্রহ্মপুত্র উপত্যকাৰ গুই ওপৰত মানুহৰ হিচাবত, অসমীয়া কোৱা ১১ লক্ষ মানুহতে আমাৰ

সুৰমা উপত্যকাটো বিশেষকৈ কাছাৰ আৰু ছিলেট জিলা দুখন বঙ্গদেশৰ লগত যোগ হৈ যোৱাৰ বিষয়ে এটি আন্দোলনৰ কথা মাজে মাজে কাণত পৰে। এইবাৰৰ অসম লেজিচলেটিভ্ কাউন্সিলৰ সভ্য-সকলে সুন্দৰকৈ বুজাই দিছে যে এই দুখনি জিলা অসমৰ পৰা আঁতৰি গলে অসম প্ৰদেশৰ চৰকাৰৰ আৰ্থিক উন্নতিহে হব। ছিলেটীয়া মেম্বাৰসকলেও অসম এৰি যোৱাত তেওঁলোকৰ একো আপত্তি নাই বুলি জবাব দিছে। আশাকৰোঁ এইবিষয়ে তেওঁলোকে সচাঁকৈয়ে সবল ভাবে নিজৰ মনৰ ভাব ব্যক্ত কৰিছে।

অসমীয়া ভাষা ব্ৰহ্মপুত্ৰৰ ভৈয়ামৰ জিলা কেইখনতেই আৱদ্ধ আৰু তাৰ ভিতৰত অসমীয়া কোৱা মানুহ আধা মানো নহয়। চাহ বাগিচাত কাম কৰা মানুহ আৰু চাকৰি আদি কৰিবলৈ আনঠাইৰপৰা আহি ইয়াতেঁ বসতি কৰি থকা মানুহৰ মাজত অসমীয়া ভাষাৰ প্ৰচলন হলে অসমৰ সকলো জাতিৰ ঐক্যৰ এটি উপাদান সৃষ্টি হব। তাৰ বাবে প্ৰত্যেক অসমীয়াই চেষ্টা কৰা কৰ্তব্য।

আপোনাসকলে হয়তো শুনি আচৰিত হব পাৰে যে, মই এনেকুৱা দুই এজন মানুহৰ লগত কথা কৈ পাইছো যিসকলে অসমীয়া ভাষাটো সুকীয়া হৈ থকাতো অপ্ৰয়োজনীয় বুলি ভাবে। এওঁলোকৰ মনত অসমৰ ভাষা বঙলা হৈ যোৱা হলে বিশেষ কষ্ট নহলহেঁতেন। ইমান কম মানুহৰ ভাষা এটাই ভাৰতবৰ্ষৰ এচুকৰপৰা কেতিয়াবা যে এটি প্ৰধান ভাষা বুলি গণ্য হব তাৰ আশা তেওঁলোকৰ মনত কম। ওপৰত দিয়া সংখ্যাবিলাকলৈ চালে অৱশ্যে আমাৰ মনতো কেতিয়াবা এনেকুৱা এটা নিৰাশ ভাব আহিব পাৰে। কিন্তু অকল মানুহৰ সংখ্যাইহে যে ভাষা ডাঙৰ-সক কৰে এনে নহয়। নিজ নিজ ভাষাৰ চৰ্চ্চা মানৱ জাতিৰ এটা স্বাভাৱিক বিশেষত্ব ; ভাৰতবৰ্ষৰ ইমূৰৰ পৰা সিমূৰলৈকে অলেখ ভাষাৰ খেলি মেলি দেখিলেও ই যে জাতীয় ঐক্য গঠনত বাধা নজন্মোৱাকৈও থাকিব পাৰে তাক আমি উন্নত দেশলৈ চালে বুজিব পাৰোঁ। ইউৰোপ আমেৰিকাৰ নানা উন্নত দেশত অলেখ ভিন ভিন ভাষা কোৱা মানুহৰ

বসতি আছে। গোটেই ভাৰতত এটা সাধাৰণ ভাষা চলাৰ আয়োজন মাজে মাজে বক্তৃতা প্ৰবন্ধ আদিত দেখা যায়। কিন্তু সেই বুলি সক সক ভাষাবোৰৰ অস্তিত্ব লোপ পেলোৱাৰ আৱশ্যক বুলি কোনেও বুকু ডাঠি কৰ নোৱাৰে। এই সাৰ্বজনিক ভাষাটো সংস্কৃত হব লাগে বুলি স্বৰ্গীয় সাৱদা চৰণ মিত্ৰ প্ৰভৃতি মণিষীসকলে উত্থাপন কৰিছিল। আন এদলে আকৌ ইংৰাজী ভাষাহে সাৰ্বজনিক ভাষা হোৱাৰ উপযুক্ত আৰু সম্প্ৰতি ই বহুত পৰিমাণে তাৰ কাম কৰা বুলিয়ে কয়। আনহাতে হিন্দী ভাষাহে আমাৰ দেশত উপযুক্ত হ'ব বুলি বেছিভাগ স্বদেশহিতৈষী মানুহেই উল্লেখ কৰিছে। মহাত্মা গান্ধীও হিন্দী ভাষা ভাৰতৰ সাৰ্বজনিক ভাষা হোৱাৰ পক্ষপাতী; কিন্তু এই সাৰ্বজনিক ভাষা (Lingua Franca) যিয়েই নহওক অসমীয়া, বঙালী, মহাৰাষ্ট্ৰী আদি বেলেগ বেলেগ ভাষাৰ উন্নতিৰ অৰ্থে যত্নবান হোৱাত কাৰো আপত্তি হব নোৱাৰে। জাতীয়তাৰ (Nationalism) লগত যেনেকুৱা সম্পৰ্ক ভাৰতৰ বেলেগ বেলেগ কথিত ভাষা আৰু সাৰ্বজনিক ভাষাৰ মাজতো তেনেকুৱা সম্পৰ্ক।

একত্বৰ আৱশ্যক বুলিয়ে বহুত্বৰ বিনাশ কৰিব লাগে এনে কোনো কথা নাই। বহুত্বৰ মাজতেই একত্ব অৰ্থাৎ unity in variety ওলাই পাৱে। বৈচিত্ৰ্যহীন একত্ব আৰু শৃঙ্খলাহীন বহুত্ব দুয়োটাই বেয়া। বিশেষকৈ অসমীয়া ভাষা এটি ইমান উচ্চশ্ৰেণীৰ ভাষা যে ইয়াক আন কোনো স্বাৰ্থৰ বাবেই পিছ পেলাব নোৱাৰি। অসমীয়া ভাষাৰ বিকাশৰ নিমিত্তে ইয়াৰ ঘৰুৱা সম্পদ ইমান আছে যে আন বহুতৰে এনে সম্পদ নাই।

আমাৰ সাহিত্য সম্পদ:

অসমীয়া ভাষাৰ পুঁজি আৰু সম্পদৰ বিষয়ে আগেয়ে মোতকৈ বেছি উপযুক্ত লিখকে বিশদভাবে আলোচনা কৰি গৈছে। আমাৰ সাহিত্য ক্ষেত্ৰত সুপৰিচিত পণ্ডিত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই তেওঁৰ অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত এই বিষয়ে সুন্দৰভাবে

আলোচনা কৰি গৈছে। তেখেতে উল্লেখ কৰিছে যে চীন দেশৰ পৰিব্রাজক হিউয়েন চাঙৰ দিনৰেপৰা এই দেশৰ মানুহৰ সাহিত্যানুৰাগৰ পৰিচয় পোৱা যায়। অনেক শতিকাৰ আগৰেপৰা সাঁচিপাতত লিখা থিবিলাক পুৰণি পুথি বহুমূলীয়া ধন বিতৰ দৰে অসমীয়াই যতনেৰে সাঁচি থোৱা দেখা যায়। সেইবিলাকেই অসমীয়াৰ সাহিত্যানুৰাগৰ প্ৰধান সাক্ষী হৈ আছে। সাহিত্যানুৰাগী এই দেশৰ মানুহৰ সংখ্যা লেখত ধৰ সৰহ নহলেও অকল তেওঁলোকৰ সাহিত্যানুৰাগৰ গুণেই ইমান বিদেশীয় ঢৌ বতাহৰ মাজতো অসমীয়া ভাষাই নিজৰ অস্তিত্ব বজাই ৰাখিব পাৰিছে। ইমান বেমেজালিৰ মাজতো আত্মৰক্ষা কৰি থাকিৰ পৰাটোৱেই প্ৰমাণ কৰে যে অসমীয়া ভাষাৰ এনেকুৱা কিছুমান শক্তি, সম্বল Vitality আছে যি আন অনেক ভাষাত নাই।

আমাৰ ভাষাৰ প্ৰধান পুঁজি হৈছে গাৱেঁ গাৱেঁ প্ৰচলিত গীত-বিলাক। সাহিত্যত পদ্য সদায় গদ্যৰ আগৰ সৃষ্টি। কবি গুৰু বাল্মিকীয়ে প্ৰথমে কবিতাৰেহে জগত মোহিত কৰিছিল। মানুহৰ মুখে মুখে প্ৰচলিত গীত বিলাক নিচেই আদিম আৰু অকৃত্ৰিম বস্তু। এই গীতবিলাকৰ অনেক শ্ৰেণীও আছে। উজনিৰপৰা নামনিলৈকে নানা ছন্দে নানা আকাৰে প্ৰচলিত হৈ আহিছে। এই গীতবিলাকেই অসমীয়া জাতিৰ শিশু অৱস্থাৰ অস্ফুট আবেগখিনি ফুটাই তুলিছে। এই গীত বিলাকতে অসমীয়াৰ অকৃত্ৰিম জাতীয়ত্ব সুন্দৰৰূপে মূৰ্তিমান হৈ উঠিছে। আমাৰ আৰু উৎকৰ্ষতা (culture)ৰ এই অকৃত্ৰিম অভিব্যক্তিখিনি প্ৰত্যেক অসমীয়াৰে ধৰ আদৰৰ বস্তু। এই গীতবিলাকৰ সমুদায়খিনি গোটালে অসমীয়াৰ এটি সুন্দৰ গীতি সাহিত্যৰ ভড়াল গঠিত হৈ উঠিব পাৰে। তাৰ পৰা যে ভাষাতত্ব আৰু সমাজতত্ব সম্বন্ধে বহুত মৌলিক আলোচনা হব পাৰে তাকো আটায়ে নিশ্চয় স্বীকাৰ কৰিব।

ডাকৰ ভণিতা :

'ডাকৰ ভণিতা'ৰ নিচিনা ভণিতাবোৰ আমাৰ ভাষাৰ আৰু এক সম্পদ। এই ভণিতাবিলাকত যুগ যুগান্তৰৰ পৰা চলি অহা কিছুমান

সত্য প্রবাদ বাক্যৰ আকাৰে সোমাই আছে। সংগ্রহ কৰিব পাৰিলে আমাৰ ভাষাত ডাকৰ ভণিতাবোৰৰ দৰে অনেক ভণিতা আৱিষ্কাৰ হ'ব পাৰে। এই ভণিতা বিলাকৰ যে এটা সুকীয়া বিশেষত্ব আছে তাক আমি পঢ়িলেই গম পাওঁ।

মন্ত্র সাহিত্য :

আমাৰ দেশৰ 'মন্ত্র' আৰু বেজালি পুথি বোৰ আমাৰ এটা অপূর্ব সাহিত্য। কামাখ্যা দেৱীৰ পীঠস্থান কামৰূপ নামটোৱে অতীত কালৰে পৰা গোটেই ভাৰততে ভয় ভক্তি আৰু বিস্ময় উৎপন্ন কৰি আহিছে। য'তে ত'তে মন্ত্রৰ লগত কামৰূপ, কামাখ্যা দেৱীৰ উল্লেখ দেখা যায়। ভাৰতৰ আন আন ঠাইৰ মানুহে অসম নামটো শুৱুজিলেও কামৰূপ বুজিব। এই দেশৰ আৰ্য, মঙ্গোলীয়, দ্রাবিড় প্রভৃতি কেইবাটাও জাতিৰ আৰু সভ্যতাৰ শাক্ত বৈষ্ণৱ বৌদ্ধ আৰু জড়োপাসনা প্রভৃতি কেই-বাটাও ধর্মৰ ঘাত-প্রতিঘাতত কোনো ঠাইত নোহোৱা কিছুমান অপূর্ব বস্তুৰ সৃজন হৈছে। আমাৰ দেশৰ মন্ত্র সাহিত্য তেনেকুৱা এটি অপূর্ব বস্তু। এই মন্ত্রবোৰ সংগ্রহ কৰা এতিয়া অতি আৱশ্যক হৈ পৰিছে।

ধর্ম সাহিত্য :

ধর্ম সাহিত্য আমাৰ ভাষাৰ সর্ব্বপ্রধান সম্পত্তি। আমাৰ সাহিত্যৰ সকলো বিভাগতকৈ এই বিভাগটো বেছি চহকী। প্রায় সাতশমান বছৰৰ আগৰেপৰা ইয়াত সাহিত্যৰ সহায়েৰে ধর্ম প্রচাৰ চলিছে। কত্র কন্দলী হেম সৰস্বতী, মাধৱ কন্দলী, দুর্গাৰৰ, পীতাম্বৰ, শ্রীশ্রীশঙ্কৰদেৱ, মাধৱদেৱ, ভট্টদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলী প্রভৃতি অনেক কবিয়ে আমাৰ ধর্ম সাহিত্য বিস্তাৰ কৰি গৈছে। প্রায় ৪০০ বছৰৰ আগেয়ে শ্রীশঙ্কৰ-দেৱ, মাধৱদেৱে আদিয়ে যিবোৰ ধর্ম সম্বন্ধীয় নাটক লিখি হৈছে সেইবোৰ অসমীয়া সাহিত্যৰ এক অনুপম সম্পদ। ভাৰতবর্ষৰ আধুনিক ভাষা-বোৰৰ ভিতৰত অনেকতেই এনেধৰণৰ সুকুমাৰ সাহিত্যৰ প্রচলন হোৱা নাছিল। এইবোৰৰ মাজেৰে অসমীয়া সাহিত্যৰ গৌৰৱ প্রকাশ পাইছে।

সঙ্গীত :

অসমীয়া সাহিত্যৰ আৰু এটি সম্পদ হৈছে সঙ্গীত। শ্ৰীশঙ্কৰদেৱৰ আদিৰ দিনৰেপৰা সঙ্গীত ধৰ্মপ্ৰচাৰৰ সহায়ক ৰূপে চলি আহিছে। অসমীয়া সঙ্গীত সাহিত্য আৰু ধৰ্ম সাহিত্যৰ একেলগে উদ্ভৱ হৈছে বুলি ক'ব পাৰি। বৰ্ত্তমান কালত ভাৰতৰ আধুনিক আন আন বহুতো ভাষাৰ সঙ্গীত সাহিত্যৰ উন্নতি হৈছে। কিন্তু অসমীয়া ভাষাৰ সঙ্গীত সেই আগৰ অৱস্থাতেই আছে। সম সাময়িক ভাৱে চালে চাৰিশ বছৰৰ আগৰ অসমীয়া ভাষাক আন কোনো লগৰীয়া ভাষাতকৈ সঙ্গীত বিষয়ত হীন বুলিব নোৱাৰি। অসমৰ সঙ্গীতাচাৰ্য লক্ষীৰাম বৰুৱাই কৈ গৈছে যে, শ্ৰীশঙ্কৰদেৱৰ সময়তে লিখা গীতবিলাকক আধুনিক বাদ্য যন্ত্ৰেৰে তাল মান দি উলিয়ালে বৰ বিতোপন হৈ উঠিব পাৰে।

গদ্য সাহিত্য :

আঁগেয়ে উল্লেখ কৰিছো যে, সকলো দেশতে গদ্য সাহিত্যৰ আগতে পদ্য সাহিত্যৰ উদ্ভৱ হোৱা দেখা যায়। মানুহৰ চিন্তাধাৰাক যেতিয়া কথিত ভাষাৰে এটা নিয়মাবদ্ধভাৱে প্ৰকাশ কৰিব পৰা হয় তেতিয়াহে গদ্য সাহিত্যৰ উদ্ভৱ হয়। পদ্য সাহিত্যত স্ত্ৰীভাৱ প্ৰবল আৰু গদ্য সাহিত্যত পুৰুষ ভাৱ প্ৰবল। শিশু অৱস্থাত ল'ৰাই যেনেকৈ মাকক প্ৰথমে আশ্ৰয় কৰে সেইদৰে সাহিত্যৰ শিশু অৱস্থাতো মানুহৰ ভাৱে প্ৰথমে পদ্যক আশ্ৰয় কৰে। চিন্তাশক্তি কিছু পৈনত হৈ উঠিলেহে প্ৰকৃত গদ্য সাহিত্যৰ সৃষ্টি হয়। চাৰিশ বছৰমান আগেয়ে লিখা হোৱা অসমীয়া ভাষাৰ কথা-গীতা, কথা-ভাগৱত, কথা-ৰামায়ণ আদি গদাৰ পুথিয়ে অসমীয়া ভাষা যে বহুকাল আগতে পুৰঠ হৈ উঠিছিল তাৰে পৰিচয় দিয়ে। সৰ্ব্বজনপূজ্য বিজ্ঞানাচাৰ্য চাৰ পি, চি, ৰায়ে কৈ গৈছে যে ষোল শতিকাতে অসমীয়া সাহিত্যই যি অৱস্থা লাভ কৰিছিল বঙলা ভাষাই তেনেকুৱা অৱস্থা ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আৰু বঙ্কিম চন্দ্ৰৰ দিনতহে পাইছিল। ইমান পুৰণি কালৰ অসমীয়া গদ্য পুথি-

সমূহক আজিকালিৰ যিকোনো ভাষায়ে গৌৰৱৰ বস্তু বুলি নিশ্চয় ৰখানিব।

ভাষাতত্ত্ববিদসকলে ইমান পুৰণিকলীয়া গদ্য সাহিত্যৰ বাবে অসমীয়া ভাষাক অতি উচ্চ শ্রেণীত ঠাই নিদিয়াকৈ নিশ্চয় থাকিব নোৱাৰে।

বুৰঞ্জী সাহিত্য :

অসমীয়া ভাষাৰ আৰু এটি অপূৰ্ব বস্তু হৈছে অসমৰ বুৰঞ্জী সাহিত্য। বুৰঞ্জী শব্দটো আহোম ভাষাৰ শব্দ। আৰু বুৰঞ্জী লিখা আহোমসকলৰ এটি প্ৰধান বিশেষত্ব আছিল। অসমীয়া ভাষাত আৰু আহোম ভাষাত অকল যে নিজ দেশৰ বুৰঞ্জী লিখা হৈছিল এনে নহয়। ওচৰ চুবুৰীয়া আন আন ঠাইৰ বুৰঞ্জীও লিখা হৈছিল। লিদিনা মাথোন গুৱাহাটীৰ কামৰূপ অনুসন্ধান সমিতিয়ে লণ্ডনৰ 'ইণ্ডিয়া অফিছ লাইব্ৰেৰী'খপৰা প্ৰায় দুশবছৰৰ আগেয়ে অসমীয়া ভাষাত লিখা দিল্লীৰ বাদচাহ সকলৰ বুৰঞ্জী উদ্ধাৰ কৰিছে। দেশৰ বিপ্লব আৰু পৰাক্ৰমী বিষয়াসকলৰ পৰস্পৰ হিংসা-হিংসিৰ ফলত এনেকুৱা কিমান বুৰঞ্জী ধ্বংস হৈ গৈছে তাৰ একো ঠিকনা নাই। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই নিজ বংশৰ দোষ ঢাকিবৰ অৰ্থে বহুত বুৰঞ্জী নষ্ট কৰা কথা আমি আটায়ে শুনিছো। যি হওক পুৰণি কালৰ ভাল মানুহৰ ঘৰে ঘৰে বুৰঞ্জী থকাৰ প্ৰমাণ এতিয়াও পোৱা যায়। ইযাৰ বাহিৰেও ঘৰে ঘৰে যিবিলাক বংশাৱলী আছে তাকো বুৰঞ্জীৰ এটি শাখা বুলিব পাৰি।

গতিকে দেখা যায়, অসমৰ পুৰণি পুথিবিলাক অসমীয়া ভাষাৰ এটি প্ৰধান কীৰ্ত্তিস্তম্ভ। যিসকলে অসমীয়া ভাষাৰ বৰ্ত্তমান অৱস্থা দেখি ইয়াৰ গুৰুত্ব সম্বন্ধে সন্দেহ কৰে তেওঁলোকে এই পুৰণি পুথি-বিলাক চালেই বুজিব পাৰিব যে অসমীয়া ভাষাৰ কোনো এটা মৌলিক দোষ বা Constitutional দোষ নাই। বৰ্ত্তমান দৰিদ্ৰ অৱস্থাটো কেৱল আমাৰ ত্ৰুটীৰ বাবেই হৈছে।

অসমীয়া সাহিত্যৰ যুগ বিভাগ :

প্ৰত্যেক গঠনশীল বস্তুৰে উন্নতিৰ স্তৰসমূহক বেলেগ বেলেগ যুগত ভাগ কৰিব পাৰি। স্বৰ্গীয় চাৰ আশুতোষৰ উদগনিত কলিকতা বিশ্ব-বিদ্যালয়ৰপৰা উলিয়াবলৈ কাৰবাৰ কৰা 'অসমীয়া সাহিত্যৰ চানেকি'ত অসমীয়া সাহিত্যৰ বিভিন্ন যুগসমূহক সুন্দৰকৈ দেখুৱাবৰ চেষ্টা কৰা হৈছে। যিসকলে অসমীয়া ভাষাৰ পুৰণি পুথি সম্বন্ধে অলপ অচৰপ জানিবলৈ ইচ্ছা কৰে তেওঁলোকে আজি-কালি এই লিখকৰ তত্বাৱধানত থকা গুৱাহাটীৰ কামৰূপ অনুসন্ধান সমিতিৰ পুথিভঁড়াল চাই আহিব পাৰে।

অসমীয়া সাহিত্যৰ প্ৰথম যুগৰ আৰম্ভ প্ৰায় ৬০০ শতিকাৰেপৰা হোৱা বুলিব পাৰি। অৱশ্যে এই যুগ বিভাগ নানা জনে নানাভাৱে কৰিব পাৰে। চীন দেশৰ পৰিব্ৰাজক হিউৱেন চাঙে এই ৬০০ শতিকাৰ সময়তে ভাৰতবৰ্ষলৈ আহে। ৬০০ শতিকাৰপৰা ৮০০ শতিকাৰ ভিতৰত অসমীয়া ভাষাত কোনো পুথি লিখাৰ প্ৰমাণ পোৱা নাযায়। কিন্তু তথাপি হিউৱেন চাঙে কৈ গৈছে যে অসমীয়া মানুহৰ সাহিত্যানুৰাগ এটা লক্ষ্য কৰিবলীয়া কথা। এই যুগত লিখিত সাহিত্যৰ সূত্ৰপাত নহলেও গৰখীয়া গীত, বিহুগীত ইত্যাদি নানা আকাৰে গীতি সাহিত্য মানুহৰ মুখে মুখে চলি আহিছিল। এই যুগটোক অসমীয়া সাহিত্যৰ গীতি যুগ বুলিব পাৰি।

গীতি যুগৰ পিছতেই মন্ত্ৰ আৰু ভণিতাবোৰে প্ৰথম লিখিত আকাৰ ধাৰণ কৰে; ৮মৰ পৰা ১২শ শতিক লৈ এই মন্ত্ৰ আৰু ভণিতাবোৰৰ যুগ বুলিব পাৰি।

১২ শ শতিকাৰপৰা ১৪৫০ চনলৈকে এই সময়ৰ ভিতৰত পুৰাণ, ৰামায়ণ ইত্যাদি সংস্কৃত পুথিৰ প্ৰথমে অসমীয়াত অনুবাদ হোৱা দেখা যায়। কবি হেম সৰস্বতী, মাধৱ কন্দলী, পীতাম্বৰ দ্বিজ আদি লিখক সকলে এই সময়তে বৈষ্ণৱ গ্ৰন্থৰ সূত্ৰপাত কৰে। ১২ শ শতিকাৰ পৰা ১৪৫০ চনলৈকে এই আঠৈশ বছৰক আদি বৈষ্ণৱ যুগ বুলিব পাৰি।

অসমীয়া সাহিত্যৰ চতুৰ্থ যুগ চৈধ্য শতিকাৰ মাজভাগৰ পৰা আৰম্ভ হয়। এই সময়তে অসমীয়া সাহিত্য আকাশৰ পূৰ্ণ চন্দ্ৰ শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাৱ হয়। তেৱেঁই অসমীয়া সাহিত্যৰ এটা নবযুগ (Renascence) আনি দিয়ে। অসমৰ প্ৰধান বৈষ্ণৱ কবিসকলৰ সৱহভাগেই এই সময়ত আবিৰ্ভাৱ হয়। এই যুগটোক বৈষ্ণৱ যুগ বুলিব পাৰি।

ষোড়শ শতিকাৰপৰা অষ্টাদশ শতিকা অৰ্থাৎ আহোম ৰাজত্বৰ শেষ অৱস্থালৈকে এই প্ৰায় দুশমান বছৰৰ ভিতৰতে অসমীয়া সাহিত্যই নতুন পথত আগবাঢ়ে। কিন্তু সমাজ বিপ্লৱ ৰাজনৈতিক বিপ্লৱ আদিৰ বাবে সাহিত্যৰ ক্ষেত্ৰত যিমান উন্নতি আশা কৰা যায় সিমান উন্নতি নহ'ল। অসমীয়াৰ চিন্তাৰপৰা নানা বিষয়ে নানা ৰচনা প্ৰকাশ পালেও বিশেষ মৌলিক ভাৱৰ কোনো কিতাপ এই সময়ত দেখা নেযায়। এই যুগটোক আন একো নুবুলি অসমীয়া সাহিত্যৰ বিস্তাৰ যুগ বুলিব পাৰি।

অষ্টাদশ শতিকাৰ পৰা অসমীয়া সাহিত্যৰ বৰ্ত্তমান যুগ আৰম্ভ হয়। এই যুগত অসমীয়া ভাষাই নানাকালে বিস্তাৰ লাভ কৰিছে। আগেয়ে একেভাবে একেৰাহে চলি থকা জীৱনৰ গতিৰপৰা ওলাই অসমীয়া ভাষাই নানা বৈচিত্ৰ্যৰ মাজেদি যাবলগীয়াত পৰিছে। ৰুচিছৰ ৰাজত্বৰ লগে লগে অসমলৈ বিদেশী মানুহ সুগমে আহিব পৰা হ'ল। প্ৰকৃতিৰ নিজান কোণত লুকাই থকা এই অসমত বহুত নতুন মানুহ আহিল। ইয়াত কিছুদিনৰ নিমিত্তে তেওঁলোকে নিজ ইচ্ছামতে নানা প্ৰকাৰ লীলাখেলা (experiment) কৰিব সুবিধা পালে। ইয়াৰপৰা অসমীয়াৰ যেনেকৈ এপিনে লাভ হৈছে তেনেকৈ এপিনে হানিও হৈছে। অসমীয়া ভাষাৰ অৱস্থাৰ ব্যতিক্ৰম এই সময়ৰপৰা সৱ মনোযোগেৰে লক্ষ্য কৰিবলগীয়া।

অসমীয়া ভাষাৰ ইতিহাসৰ পিনে চালে যদিও ইয়াৰ ঐশ্বৰ্যৰ ওচৰত মূৰ নোদোৱাকৈ থাকিব নোৱাৰি তথাপি এইটো স্বীকাৰ কৰিব লাগিব যে ইয়াৰ ধৰ্ম্ম সাহিত্য প্ৰচুৰ পৰিমাণে থাকিলেও ইয়াত সাধাৰণ মানুহৰ

জীৱন ধাৰা প্ৰকাশ কৰা (secular) সাহিত্যৰ অভাৱ আছিল। অসমৰ এই ব্যাপক সাহিত্যৰ অভাৱে কিছুমান ৰৰ গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে।

খৃষ্টীয় ১৮৩৮ চনলৈ দেশীয় আদালত বিলাকত দেশীয় ভাষাৰে কাৰ্য কৰ্ম হৈছিল। পিছত এই দেশৰ ভাষা যে বঙলা ভাষাৰ এটা অপভ্রংশহে এই কথা ঠাইৰ হোৱাত পাঠশালা আৰু কাছাৰি বিলাকত বঙলা ভাষা চলিবৰ নিয়ম হল। এই সময়ত কাপ্তান জেনকিনচ্ চাহাব অসমৰ চীফ কমিছনাৰ আছিল। এইজনা চীফ্ কমিছনাৰৰ দিনত অসমৰ আন বহুত উপকাৰ হলেও অসমীয়া ভাষাৰ প্ৰতি তেওঁৰ ভুল-ক্ৰমে ঘোৰ অবিচাৰৰ কাৰণ বিচাৰিলে আমি পাম-অসমীয়া জন-সাধাৰণৰ সাহিত্য চৰ্চ্চা সেই সময়ত বেছি হৈ উঠা নাছিল। মোৱামৰীয়া বিদ্রোহ, মান ভাঙ্গনি, ইংৰাজ ৰাজত্বৰ আৰম্ভণি আদি নানা কাৰণত দেশত ৰাজনৈতিক বিপ্লব, সমাজ বিপ্লব আদি হৈ সাহিত্য সম্বন্ধে জনমত অস্পষ্ট হৈ পৰিছিল। অসমীয়া ভাষাই ইমানদিনে অসমলৈ অহা আহোম প্ৰভৃতি জাতিবিলাকক আপোন কৰি লব পাৰিছিল। কিন্তু এই সময়ত একে হেঁচাই তললৈ যাব লগীয়াত পৰিল। অসমীয়া ভাষাৰ পুনৰুদ্ধাৰৰ বাবে আমি আমেৰিকান ব্যাপ্তিষ্ট মিছনৰ মিছনেৰি বিলাকৰ ওচৰত কৃতজ্ঞ নহৈ নোৱাৰো। ১৮৩৫ চনত গুৱাহাটীত উচ্চ ইংৰাজী স্কুল বহে। আৰু ১৮৪৬ চনত মিছনেৰি সকলে 'অৰুণোদই' নামে এখনি অসমীয়া মাহেকীয়া সংবাদ পত্ৰ প্ৰকাশ কৰে। 'অৰুণোদই'ৰ আবিৰ্ভাৱ বৰ্ত্তমান যুগৰ ভাষা ইতিহাসত চিৰ স্মৰণীয় ঘটনা। সেই সময়ৰ মানুহে 'অৰুণোদই' বুলিলে মাহিলি কাকত বুলিহে ভাবিছিল। এই সময়ত অসমৰ উজ্জ্বল ৰত্ন আনন্দৰাম ঢেকীয়াল ফুকনৰ আবিৰ্ভাৱ হয়। এই-জনা পুৰুষৰ কীৰ্ত্তি কলাপ ৰথানিৰলগীয়া কথা। অসমীয়া আৰু বঙলা ভাষা সম্বন্ধে তেওঁ প্ৰায় এশ বছৰৰ আগতে যি মত প্ৰকাশ কৰি গৈছে তাক আমি প্ৰথমতে উল্লেখ কৰিছো। এই সময়ত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড ডেলহাউচিয়ে অসমৰ উন্নতি আৰু সেই কালৰ আন্ আন্

কথাৰ বিষয়ে তথ্য অনুসন্ধান কৰিবলৈ সদৰ আদালতৰ জজ মিলচ চাহাবক অসমলৈ পঠিয়ায়। মিলচৰ বিপোর্টৰ ভিতৰত আনন্দৰাম ঢেকীয়াল ফুকনে অতি সাকৰা কথাৰে লিখা এটি সৰু বিপোর্ট পোৱা যায়। তেওঁ অসমীয়া ভাষা সম্বন্ধে সেই বিপোর্টতেই অত্যন্ত সাকৰা কথা কৈ গৈছে। ইংৰাজী ১৮৫৮ চনত ঢেকীয়াল ফুকনে 'অসমীয়া লৰাৰ মিত্র' দুই খণ্ডত এখন কিতাপ প্রকাশ কৰিছিল। এইদৰে এওঁলোকৰ চেষ্টাৰ ফলত অসমীয়া ভাষালৈ লাহে লাহে বঙ্গা আৰু বাইজৰ আগ্রহ বাঢি আহে। ইংৰাজ ৰাজত্বৰ ফলত বাহিৰা উৎপাত আক্রমণবোৰ নোহোৱা হোৱাত অসমীয়া মানুহে ভাষা চর্চ্চাত মনোযোগ দিবলৈ আহৰি পায়। ১৮৭১ চনত বঙ্গদেশৰ লেফ্‌টানাণ্ট গৱর্ণৰ চাৰ জর্জ কেম্বেল চাহাব এই দেশলৈ আহে। তেওঁ অসমীয়া ভাষা এই দেশৰ বিদ্যালয় আৰু বিচাৰালয় বিলাকত চলাবলৈ হুকুম দিয়ে। সেই সময়ৰ পৰা অসমীয়া ভাষা আজিলৈ চলি আছে।

হেমকোষ—অসমীয়া ভাষাৰ এই ভাগ্য বিপর্য্যয়ৰ সময়ত 'হেমকোষ' উদ্ভব এটা উল্লেখযোগ্য কথা। অভিধান নহলে কোনো ভাষাৰে শৃঙ্খলা নেলাগে। যদিও উৎপত্তি হিচাবে ভাষাৰ সৃষ্টি আগেয়ে আৰু অভিধান ব্যাকৰণ আদি পাছত। অসমীয়া ভাষাত অভিধান প্রকাশ কৰিবলৈ প্রথমে মিছনেৰি সকলে চেষ্টা কৰে। ১৮৬৭ চনত মিছনেৰি ব্রনছন চাহাবে এখন অভিধান প্রকাশ কৰে। সেই অভিধান এতিয়া পাবলৈ নাই। এইখন অভিধান সিমান ভাল নোহোৱা দেখি ৺হেম চন্দ্র বৰুৱাই এখন উন্নত প্রণালীৰ অভিধান উলিয়াবলৈ প্রথমে হাতত লয়। হেমচন্দ্র বৰুৱাৰ স্থান অসমীয়া ভাষাত বহুত ওপৰত। তেওঁ ১৮৬০ চনতে এখন অসমীয়া ব্যাকৰণ বচনা কৰিছিল। অসমীয়া ভাষাত হেমচন্দ্র বৰুৱাৰ স্থান ইয়াৰপৰাই বুজিব পৰা যাব যে, আজিলৈকে তেওঁ লিখি থৈ যোৱা ব্যাকৰণ, অভিধান দুখনিৰ বাহিৰে আন কোনেও তেনেকুৱা পুথি উলিয়াব পৰা নাই। স্বর্গীয় হেমচন্দ্র বৰুৱাই অভিধানখনিৰ দুটা বেলেগ বেলেগ সংস্করণ উলিয়াবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁৰ মৃত্যু

হোৱাত সেই কাম সমাধা কৰিব নোৱাৰিলে। তেওঁৰ মৃত্যুৰ পিছতহে ১৯০০ চনত হেমকোষ ছপা হৈ প্ৰকাশ পায়।

অভিধান আৰু অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰকাশ হোৱাৰ পাছত অসমীয়া ভাষাৰ এটা আধুনিক নিৰ্দ্দিষ্ট গঢ় লাগি আহে। অভিধান আৰু ব্যাকৰণ ভাষাৰ একোখন ঠিকাপত্ৰ (document) ৰ নিচিনা ; ভাষাৰ উন্নতিৰ লগে লগে অভিধানৰো সংস্কাৰ হব লাগে। আন আন উন্নত ভাষাত দেখা যায় যে কেইবছৰমানৰ পিছতেই একোখন নতুন অভিধানৰ প্ৰয়োজন হৈ পৰে। পুৰণি সংস্কৰণ বিলাক অকামিলা বুলি মানুহে নতুন সংস্কৰণহে বিচাৰে। অসমীয়া ভাষাত এটা গুৰুতৰ ব্যতিক্ৰম এয়ে যে, আগৰ যি 'হেমকোষ' সেই 'হেমকোষে'ই আছে। ইমান দিনে যে কিমান নতুন নতুন মাত কথা অভিধানত সোমাবলগীয়া হৈ বৈ আছে তাৰ লেখ নাই। কিছুমান মানুহে নতুন মাত কথা নিজ ভাষাক সোমাবলৈ অনিচ্ছুক। অসমীয়াৰ বিশুদ্ধতা লোপ পাবৰ ভয়ত তেওঁলোকে ভাষাক কোনোফালে আগবাঢ়িব নিদি অভিধানৰ চাৰিও-পিনে এটা গড় বান্ধিব খোজে। শিক্ষিত মানুহৰ এনেকুৱা মত হোৱাটো অতিশয় শোচনীয় অৱস্থাৰ পৰিচায়ক। অসমীয়া ভাষাই যি এটা হেমকোষৰ চোলা আজি ডেৰকুৰি মান বছৰৰ আগেয়ে পিন্ধিছে তাক আৰু সোলোকাই ডাঙৰ কৰিব পৰা নাই। অসম সাহিত্য সভাই বৰ্ত্তমান নতুন অসমীয়া অভিধান আৰু ব্যাকৰণ সুচাৰুৰূপে প্ৰকাশ কৰিবলৈ কাৰবাৰ কৰিছে। সেই কামৰ বাবে অসম সাহিত্য সভাৰ দাতা আৰু পৃষ্ঠপোষক ৰায়বাহাদুৰ বাধানাথ সন্দিকৈ ডাঙৰীয়া আৰু অসম সাহিত্য সভাৰ কৰ্ম্মকৰ্তা সকলো অসমীয়াৰ শলাগৰ পাত্ৰ।

বৰ্ত্তমান যুগত পৃথিবীৰ সকলো ভাষাই নানা প্ৰকাৰ নতুন নতুন বিদ্যা আৰু নতুন ভাৱ আয়ত্ব কৰি চহকী হৈছে। ভাষাবোৰৰ পৰস্পৰৰ মাজত আদান প্ৰদান হোৱা বাবে সকলো ভাষাৰ মানুহেই জগতৰ জ্ঞান বিজ্ঞানৰ উন্নতি নিজ নিজ ভাষাতে হৃদয়ঙ্গম কৰিব পৰা হৈছে। আন্তৰ্জাতিক বাণিজ্য (International trde) ৰ ফলত যেনেকৈ

দেশ বিদেশৰ বস্তু ঘৰতে বহি পোৱা হৈছে সেইদৰে মৌলিক আলোচনা অনুকৰণ অনুবাদ আদি প্ৰকৰণৰ ফলত নানা প্ৰকাৰ জ্ঞান-বিজ্ঞান নিজ ভাষাতে পোৱা হৈছে। এই উন্নতিৰ পথত যি ভাষাই আগুৱাব নোৱাৰে সেই ভাষা অসম্পূৰ্ণ। ভাষাৰ লগত জাতীয়তাৰ বিশেষ সম্বন্ধ। ভাষা জাতীয় ভাবৰ দাপোনৰ নিচিনা। ভাষাৰ বলতহে মানুহৰ ভাবনাবিলাকে সাজপাৰ পিন্ধি এটা দৃশ্যাবয়ৱ ল'ব পাৰে। ভাষাৰ ডাঙৰ সৰু বিচাৰিলেই জাতিৰো ডাঙৰ সৰু ওলাই পৰে। আৰু ভাষাৰ ওপৰতেই ভিন্ ভিন্ জাতি বা সমাজৰ এটা সুকীয়া অস্তিত্ব (individuality) নিৰ্ভৰ কৰে। অসমীয়া আৰু বঙালী ভাষাৰ ভিতৰত সামাজিক আৰু ব্যৱহাৰিক নানা সামঞ্জস্য থাকিলেও অসমীয়া আৰু বঙালী ভাষাৰ সুকীয়া চৰ্চ্চা থাকে মানে অসমীয়া আৰু বঙালী দুটা সুকীয়া উৎকৰ্ষতা (Culture) সুকীয়াকৈ বাচি উলিয়াব পৰা হৈ থাকিব। ভাষা যে অকল কায়িক পৰিশ্ৰম কৰিব নলগা আমোলা বিষয়া মানুহৰহে চৰ্চ্চাৰ বস্তু এনে নহয়। দেশৰ বতাহ পানীৰ ওপৰত যেনেকৈ সকলোৰে সমান অধিকাৰ সেইদৰে ভাষা চৰ্চ্চাৰো সকলোৰে সমান অধিকাৰ।

উজনি আৰু নামনি অসমৰ ভাষা ঃ অসমত উজনি আৰু নামনি এই দুই খণ্ডৰ ভাষাৰ ভিন্নতাৰ বিষয়ে বহুত দিনৰেপৰা কোন্দা মেলা চলিছিল। উজনি অসম আৰু নামনি অসমৰ ভাষাৰ সমস্যাৰ কথা বোধকৰোঁ এতিয়া সকলোৰে কাণত পৰিছে। এই সমস্যাৰ কথা ভাবি কোনো ঠাইৰ মানুহে লেখনি বন্ধ কৰিবলৈ হলে আত্মহত্যা কৰাৰ নিচিনাহে হব। বেলেগ বেলেগ জিলাত কোন্দা ভাষাৰ অলপ ভিন ৰূপ পোৱা যায়। যিবিলাকে নামনি অসমৰ ভাষা ভাল নে উজনি অসমৰ ভাষা ভাল সেইটো থিৰাং হবলৈ লেখনি তুলি চাই আছে তেওঁলোকৰ লিখিবৰ কথাও হয়তো বেছি নাই। ভাব থাকিলে সি যি কোনো প্ৰকাৰে এটা মূৰ্ত্তি ধৰি ওলাব পাৰে। আৰু এইদৰে প্ৰকাশ কৰাত য'তে বেছি প্ৰতিভা প্ৰকাশ পায় সেই ভাষাই চলে।

অৱশ্যে মই ইয়াৰদ্বাৰা নকও যে যেয়ে যিহকে পায় তাকে কণা মুণাকৈ লিখি প্ৰকাশ কৰিব লাগে। শিক্ষিত মানুহসকলৰ ভাষাত ভিন ভিন জিলা আৰু অঞ্চল অনুসৰি অলপ লৰচৰ থাকিলেও বহুত পৰিমাণে এইবোৰৰ মাজত ঐক্য সমতাও নেথাকি নোৱাৰে। ভিন ভিন জিলাৰ শিক্ষিত মানুহৰ লিখাত যদি কিবা অলপ তাৰতম্য ঘটেও সি সদায় এটি নিৰ্দ্দিষ্ট সীমাৰ মাজত আৱদ্ধ থাকিব। বঙ্গদেশৰ ভিন ভিন অঞ্চলৰ মানুহৰ লিখাত এনেকুৱা সামান্য প্ৰভেদ আছে। পূৰ্ব্ববঙ্গ আৰু পশ্চিম বঙ্গৰ মানুহ বিলাকৰ মাজত এনেকুৱা প্ৰভেদ থাকিলেও এটা বঙলা ভাষা নহৈ থকা নাই। অসমৰ ভিন ভিন অঞ্চলৰ মানুহৰ লিখাৰ মাজতো যদি কিবা অলপ প্ৰভেদ ঘটে তাৰ বাবে কোনেও হাহাকাৰ লগোৱা উচিত নহয়। স্বাধীন গতিত থাকিলে সৱলোৱে এদিন এটা কেন্দ্ৰত মিলিবগৈ। ভিন ভিন অঞ্চলৰ মানুহৰ মাজত এনেকুৱা প্ৰতিযোগিতা উদাৰভাৱে চলিলে ইয়াৰদ্বাৰা হানি নহৈ বৰং মহৎ ফলহে হ'বগৈ। উদাৰ নীতিত চলিলে এই প্ৰতিযোগিতা উন্নতিৰ পথত কাৰ্যকৰী হব। যি মাত কথাই এদিন লিখকসকলৰ লেখাৰ ফালে সকলোৱে মনোযোগ আকৰ্ষণ কৰিব পাৰে সেয়ে এদিন আনক চেৰ পেলাই একাধিপত্যও কৰিব পাৰিব। গুণীৰ এইদৰে আত্মপ্ৰতিষ্ঠাত জগতৰ লাভহে আছে, হানি নাই। এই প্ৰতিযোগিতা বৰ মধুৰ আৰু জীৱনৰ এটা প্ৰধান লক্ষণ। বঙ্গদেশৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ লিখাৰ ধৰণক প্ৰথমতে বহুতে নিন্দা কৰিছিল। কিন্তু সেইবাবে ৰবি ঠাকুৰৰ লিখা আজি কোনেও নপঢ়াকৈ থকা নাই। বঙলা ভাষাই ৰবি ঠাকুৰৰ লিখাৰ বাবে দুখীয়া হোৱা নাই। আমি কটকটীয়া বান্ধোনৰ ভিতৰত চলি থকাৰ আৱশ্যক কতো নাই। এই কথা যে আমি এটা নিৰূপিত সীমাত আৱদ্ধ থাকিবৰ বাবেই কৈছো এনে নহয় তাক আগেয়েও বহলাই কৈ আহিছো।

অসমীয়া ভাষাৰ আধুনিকতা :

আধুনিক চিন্তাক্ষেত্ৰত অসমীয়া ভাষাই এখোজ-দুখোজকৈ আগবাঢ়ি নোযোৱাকৈ থকা নাই। কিন্তু যিখিনি আগবাঢ়িছে সিও নিজৰ

এটা জাগ্রত ইচ্ছাৰ কিন্তু ফল নহয়। পাৰিপাৰ্শ্বিক অৱস্থাৰ ঠেলাত পৰিহে হৈছে। আমি সদায় মনত ৰাখিব লাগিব যে, অসমীয়া ভাষাত মানুহৰ মনোমত কিতাপ নোলালে আন ভাষাৰ কিতাপ মানুহে পঢ়িবই। ইয়াত ভাল বা বেয়া পাবৰ একো নাই। আন ভাষাৰ সোৱাদ লোৱাত ব্যস্ত হৈ থাকিলে তাত বাধা নিদি আমি ৰবং অসমীয়া ভাষাতো সকলো প্ৰকাৰৰ মনোমত বস্তু কেনেকৈ প্ৰকাশ কৰিব পাৰি তাৰ বাবেহে চেষ্টা কৰিব লাগে। বাইজৰ হকে ল'ৰা, বুঢ়া, তিৰোতা আটায়ে আন ভাষাৰ কিতাপ পঢ়িব এৰি অকণ অসমীয়া ভাষাৰ চেৰেলা মেমেৰা কিতাপ প্ৰকাশ হলে যে তাকে কিনি আগৰপৰা গুৰিলৈ পঢ়ি থাকিব তাক আশা কৰা টান। অৱশ্যে অসমীয়া বুলিয়েই গুণাগুণৰ বিচাৰ নকৰি যদি কোনোবাই কিবা এটা কিতাপ কিনে তেনেহলে আমি বেয়া নাপাওঁ; ৰবং লিখকৰ কপাল ভাল বুলি ধন্যবাদহে দিম। আধুনিক চিন্তাক্ষেত্ৰত অসমীয়া ভাষাৰ তলত লিখা দুই এখন কিতাপৰ নাম বিশেষকৈ উল্লেখ কৰিব পাৰি। অৱশ্যে তেনেকুৱা আন বহুত কিতাপ থাকিব পাৰে, কাৰণ আমি কোনো সম্পূৰ্ণ তালিকা সংগ্ৰহ কৰিব পৰা নাই। আমি ইয়াত কেৱল যিবিলাক বেলেগ বেলেগ বিষয়ত অসমীয়া ভাষাত স্বাধীন ভাৱৰ কিতাপ ৰচনা কৰাৰ আভাস পোৱা যায় তালৈহে লক্ষ্য কৰিছো। ইয়াকে আমি Modernism in Assamese Language বা অসমীয়া ভাষাৰ নতুনত্ব বুলিব পাৰো। অসমীয়া ভাষাত ঘাইকৈ শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ আৰু দামোদৰদেৱ আদিকে কেন্দ্ৰ কৰি ধৰ্মভাৱ আৰু দলাদলিৰ ভাবেৰে মিহলি কিছুমান কথা সঘনে গ্ৰন্থৰ আকাৰে বা কিতাপৰ আকাৰে লিখা হয়। এনেধৰণৰ কিতাপৰ বাহিৰেও বিজ্ঞানৰ নতুন নতুন বিষয়ত মানুহৰ মন আগুৱাবপৰা কিতাপ প্ৰকাশ হলে আমি আৰু নিশ্চয় সুখী হম। অকল একে ভাৱৰ কথা কৈ পাণ্ডুলি থাকিলে আমি অসমীয়া মানুহক ভাৱৰ দুখীয়া বুলি দুখ পাব পাৰো। আজি প্ৰায় ৩০ বছৰ আগেয়ে স্বৰ্গীয় লক্ষ্মীধৰ শৰ্ম্মাৰ শকুন্তলা আৰু প্ৰাকৃতিক বিজ্ঞান প্ৰকাশ পায়। প্ৰাকৃতিক বিজ্ঞান সম্বন্ধে ইংৰাজী আদি আন আন ভাষাত

কত লক্ষ কিতাপ ওলাল। ছেক্সপীয়েবব প্রত্যেকখন নাটকবে কিমান হেজাব বিধব নতুন নতুন সমালোচনা ওলাল কিন্তু অসমীয়া ভাষাত সেই দবব মৌলিক ভাবব বা স্বাধীন সমালোচনাব কিতাপ মুঠেই ওলোৱা নাই বুলিলেও হয়। প্রায় ৩০ বছবমান আগেয়ে শ্রীযুত সত্যনাথ ববা ডাঙবীয়াব 'সাহিত্য বিচাব' প্রকাশ হ'ল। অসমীয়া সাহিত্য সম্বন্ধে সমালোচনামূলক তেনে কিতাপ আৰু বেছি নাই। সাহিত্য বুলিলে অকল পদ্য আৰু উপন্যাস আদিকে বুজায়। ইয়াব অর্থ অতি ব্যাপক ভাবেও ধবিব পাবি। মুঠতে সাহিত্য মানে কিছুমান কিতাপ যিবিলাক কিতাপ মানব জীবনব বিষয়ে লিখা হয়। যিবিলাক কিতাপে মানুহব মনত বিমল আনন্দ দিয়ে আৰু যিবিলাক কিতাপে আমাব মন আৰু হৃদয় আকর্ষণ কবিব পাবে সেই সকলোকে আমি ব্যাপক ভাবে সাহিত্যব অঙ্গ বুলিব পাবো। কৃষি, বিজ্ঞান, ভূগোল আদি সকলো বিষয়বে কিতাপক আমি ব্যাপকভাবে সাহিত্য বুলি ধবিব পাবো। মুঠতে কবলৈ গলে সাহিত্য মানুহব সকলোপ্রকাব ভাবনা বহন কবোঁতা বথ। শ্রীযুত ভাবত চন্দ্র দাস ডাঙবীয়াই আজি কুবিবছবমান আগতে খেতিব বিষয়ে কিতাপ এখন প্রকাশ কবি অসমীয়া ভাষাক চহকী কবি গৈছে। তেনে কিতাপ আৰু বেছি প্রকাশ হলে অসমীয়া ভাষাব গৌবব বাঢ়িব। এই-দবে বেলেগ ভাবেবে লেখা তলত লিখা কিতাপ কেইখনব নাম উল্লেখ কবিব পাবি। যেনে -- শ্রীসত্যনাথ ববাব 'আকাশ বহস্য', শ্রীযুত বেনুধব বাজখোৱাব "খওক,বা কোষ", শ্রীদেৱানন্দ বৰুৱাব "অসমীয়া ভাষাব মৌলিক বিচাব", শ্রীদেৱেন্দ্রনাথ বেজবৰুৱাব "অসমীয়া ভাষা আৰু সাহিত্যব বুবঞ্জী", শ্রীলক্ষ্মীনাথ বেজবৰুৱাব 'শঙ্কবদেৱ', "কৃপাবব ববৰুৱাব কাকতব টোপোলা" "উত্তবনি", আৰু সক গল্পব কিতাপ কেইখনিয়ে প্রধান। শ্রীলক্ষ্মীনাথ বেজবৰুৱাব স্থান বর্তমান অসমীয়া সাহিত্য ক্ষেত্রত অতি উচ্চত। তেওঁব প্রত্যেকখন কিতাপেই অসমীয়া ভাষাব এটি ডাঙব সম্পত্তি। যি চুটিগল্প সাহিত্যিই বঙ্গব ভাষাক এনে মনোবম কবি তুলিছে আৰু সক সক লেখক সকলব চর্চ্চাব বিষয় হৈছে, সেই গল্প সাহিত্যক

যেজবৰুৱা ডাঙৰীয়াই অসমীয়া ভাষাত প্ৰথমেই প্ৰকাশ কৰিছিল। তেওঁৰ পাছত শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াই কিছুমান গল্প লিখিছে। গোস্বামী ডাঙৰীয়াই কিছুমান বিষয় আলোচনাও কৰিছে।

স্বামী প্ৰশান্ত মূৰ্ত্তিৰ লিখিত "শ্ৰীমদ্ভাগৱত গীতা" ধৰ্ম সম্বন্ধীয় এখন উন্নত গ্ৰন্থ। শ্ৰীকমলাকান্ত ভট্টাচাৰ্যৰ "গুটিদিয়েক চিন্তাৰ ঢৌ", শ্ৰীৰজনীকান্ত পদুমপতি, গুণাভিৰাম বৰুৱা, কাশীনাথ তামুলীফুকন, পদ্মনাথ গোহাঞিবৰুৱা আদিৰ ইতিহাসৰ কিতাপসমূহত স্বাধীন চিন্তাৰ আভাস পোৱা যায়। এইবোৰৰ বাহিৰেও প্ৰবন্ধ আকাৰেও অনেক মৌলিক ৰচনা প্ৰকাশ পাইছে; মাহিলী কাকতো প্ৰকাশ পাইছে। ছাত্ৰ সম্মিলনৰ পৰা ওলোৱা সম্মিলন প্ৰবন্ধাৱলী কেইখনো অতিশয় মূল্যবান বুলি মই ভাবোঁ। বৰ্ত্তমান বৰ্ণমালা সংস্কাৰৰ আলোচনা খিনিয়েও অসমীয়া সাহিত্যত ভাষা সম্বন্ধে স্বাধীন মত প্ৰচাৰৰ পৰিচয় দিয়ে। এই বৰ্ণমালা সংস্কাৰৰ পক্ষে আৰু বিপক্ষে বহুতবে বহুত কথা কব লগীয়া থাকিব পাৰে। কিন্তু এনেকুৱা মৌলিক আলোচনাই প্ৰমাণ কৰে যে অসমীয়া মানুহে নিজ ভাষা সম্বন্ধে গভীৰ ভাবে ভাবে। মানুহে ভাল পায়লে যেয়া পায় তাকৈ চাইছে ভাষা আলোচনা কৰিবলগীয়া হলে জগতৰ আধাখিনি সাহিত্যৰ উত্তৰেই নহলহেঁতেন।

উপন্যাসসমূহ ভাষাৰ এটা অতি প্ৰয়োজনীয় অঙ্গ। ভিক্টৰ হুগো, টলষ্টয় প্ৰভৃতিৰ নিচিনা উপন্যাসিক সকল সাহিত্যৰ একোজন বিশ্বকৰ্মা সদৃশ। এওঁলোকৰ উপন্যাস যে জগতৰ কিমান ভিন ভিন ভাষাত অনুবাদ হৈছে তাৰ ঠিকনা নাই। এই উপন্যাস সাহিত্য নহলে আজিকালিৰ কোনো ভাষায়ে মানুহৰ চিত্ত আকৰ্ষণ কৰিব নোৱাৰে। বঙালী ভাষাই বঙ্কিম চন্দ্ৰ, ৰবীন্দ্ৰনাথ, শৰৎ চন্দ্ৰ আদি উপন্যাসিকসকলৰ লিখাৰ বলতেই জগতত খ্যাতি লাভ কৰিছে। অসমীয়া ভাষাত শ্ৰীৰজনীকান্ত বৰদলৈৰ 'মনোমতী' এখন সুন্দৰ উপন্যাস। এইখনৰ বাহিৰে অসমীয়া ভাষাত আন বেছি উল্লেখযোগ্য উপন্যাস প্ৰকাশ হোৱা নাই। অসমীয়া ভাষাত আৰু কিছুমান উপন্যাস নোলালে সময়োপযোগী সাজপাৰত নিভাঁজ সুধীৰা হৈ থাকিব।

আজিকালি সাহিত্যৰ ক্ষেত্ৰত নাটক, উপন্যাস, সৰু গল্প, ধাৰাবাহিক ভাবে প্ৰকাশ পোৱা আদিয়ে শতকৰা নব্বৈজন শিক্ষিত মানুহৰ মন আৱদ্ধ কৰি থাকে। সাহিত্যৰ এই সকলো আহিলা-পাতি অসমীয়া ভাষাই এতিয়াও কৰি লব পৰা নাই। আজিকালি আন আন ভাষাৰ অৱস্থাৰ সৈতে বিজাই চালে অসমীয়া ভাষাৰ কিছুমান ত্ৰুটি ওলাই পৰিব। অসমীয়া ভাষাৰ পুৰণি পুথিৰ ভঁড়াল ডাঙৰ বুলি গপতে গঙ্গা-টোপ হৈ থাকিলে কাম নচলিব। সেইকাৰণে যিবিলাক বিষয়ত অসমীয়া ভাষাৰ বিশেষ অভাৱ সেইবিলাক বিষয় চৰ্চ্চা কৰিবলৈ লাগি যোৱা প্ৰত্যেক অসমীয়াৰে একান্ত আৱশ্যক। নহলে আৰু কিছুদিনৰ পিছতে আমাৰ মানুহে ইংৰাজী আৰু বঙলা ভাষাৰ অতি উচ্চশ্ৰেণীৰ কিতাপবোৰ পঢ়ি নিজৰ ভাষাক সেইবিলাক ভাষাৰ তুলনাত অতি নিকৃষ্ট বুলি ভাবিবলৈ বাধ্য হ'ব। তেতিয়া এই ভাষাক আনবোৰৰ শাৰীলৈ তুলি অনা একেবাৰেই অসম্ভৱ হৈ পৰিব। অসম অতি পুৰণি দেশ। ইয়াত পৰ্ব্বত পাহাৰৰ মাজত অতীতৰ কত স্মৃতি লুকাই আছে তাৰ সীমা নাই। সেইবিলাকৰ সম্বন্ধে বিশেষ আলোচনা এতিয়ালৈ একো হোৱা নাই। অসমত নানা জাতিৰ সংঘৰ্ষৰ ফলত সমাজতত্ত্ব, জাতিতত্ত্ব বিষয়ে যিমান নতুন নতুন তথ্য উলিয়াব পৰা হৈছে সেইবোৰৰ বিষয়ে এতিয়াও চৰ্চ্চা আৰম্ভই হোৱা নাই। গীত, নাটক, উপন্যাস আদি লিখাত মনপুতি লাগি যোৱা মানুহৰ অসমত এনেকুৱা অভাৱ যে তাক ভাবি আচৰিত হব লাগে। ভাষাতত্ত্ব, ভাষা আৰু জাতিৰ ইতিহাস আদিৰ সম্বন্ধে আলোচনা কৰিবলগীয়া ইমান কথা আছে যে অকল তাকে লিখিয়েই বহুত লিখকে জীৱন নিয়াৰ পাৰে। পাশ্চাত্য ভাষাৰপৰা আনি অসমীয়া ভাষাত সুমুৱাব লগীয়া ইমান কথা আছে যে তাৰ বাবে আমি সকলোৱে আন কাম এৰি এশ বছৰমান আন আন ভাষাৰপৰা অসমীয়ালৈ অনুবাদ কৰিবলৈ লাগি গলেও একো লাজৰ কথা নহয়। মাহিলী কাকত, দৈনিক আৰু সাপ্তাহিক কাকত আদিৰ অৱস্থা এনেকুৱা যে সকলো শিক্ষিত মানুহেই নানা ভৱহৰ আন ভাষাৰ কাম বাখিবলৈ আৰম্ভ কৰে। কেৱল

স্বদেশ প্রীতিৰ পৰিচয়ৰ বাবেহে অৰ্থাৎ কোনো আৱশ্যকতা বোধ কৰাৰ বাবে নহয় এনে ভাৱত অসমীয়া কাকতৰ বাবে দুই এক পইচা খৰচ কৰাও অৱশ্যে দেখা যায়।

আধুনিক যুগত ভাৰতত নানা তৰহৰ কিতাপ নহলে নচলে। পুৰণি পুথিৰ ভঁড়াললৈ আঙুলিয়াই থাকিলে নহব। মুকলি মনেৰে আমি আন আন ঠাইৰপৰা আহৰণ কৰা জ্ঞানখিনি আমাৰ ল'ৰা তিৰোতাই বুজিব পৰাকৈ নিজ ভাষাত প্ৰকাশ কৰিবৰ বাবে চেষ্টা কৰিব লাগিব। নহলে আমাৰ জাতীয় ভাৱৰ অভিব্যক্তিৰ বাবে সদায় পৰমুখাপেক্ষী হৈ থাকিব লাগিব। নহলে আমি কিবা দৰকাৰী কথা কব লাগিলেই আন ভাষাৰ গাত আউজিব লাগিব। চিৰকাল আন ভাষাৰ কিতাপ পঢ়িয়েই মনৰ তৃপ্তি লগাব লাগিব। আৰু যিসকল মানুহে অসমীয়াৰ বাহিৰে আন ভাষাৰ চৰ্চ্চা নাৰাখে তেওঁলোকৰ মনৰ সৈতে শিক্ষিত সকলৰ মনৰ সদায় এটা প্ৰভেদ বৰ্ত্তমান থাকিব। সকলোতকৈ শোচনীয় কথা হব যে, বৰ্ত্তমান জগতৰ নানা বৈচিত্ৰ্য দেখি আমাৰ মনত যিখিনি ভাৱ ফুটি উঠে সি প্ৰকাশৰ বাবে নিজ ভাষাৰ যদি সহায় নাপায় সেই ভাৱবোৰ দেশৰ মানুহৰ কোনো কামত নাহিব। নিজৰ ভাবৰ মতে লেখনিৰে চিত্ৰ আঁকাৰ যি এটা পৰম আস্বাদ আছে সেয়ে আই সৰস্বতীৰ প্ৰধান দান। অসমীয়া সেই আস্বাদৰপৰা সদায় বঞ্চিত থাকিবনে?

— ১ —

বুনিয়াদী শিক্ষা

বুনিয়াদী শিক্ষা অসমত আৰম্ভ হবৰ বেছিদিন হোৱা নাই। বুনিয়াদী শিক্ষা আৰম্ভ কৰিবলৈ হলে এজনৰ ঘৰ-বাৰী আদিতকৈও নতুন ধৰণৰ শিক্ষিত শিক্ষকৰ বেছি প্ৰয়োজন। বুনিয়াদী শিক্ষাই শিক্ষাৰ নিয়মত আৰু ছাত্ৰসকলৰ চৰিত্ৰত যি পৰিবৰ্তন আনিব খোজে তাৰ বাবে প্ৰধান আৰ্হি হৈছে শিক্ষকসকলৰ ব্যক্তিত্ব। প্ৰথমে শিক্ষকসকলৰ শিক্ষাৰ নিমিত্তে 'ট্ৰেইনিং স্কুল' পতাৰ আৱশ্যক। কিছুমান শিক্ষকক সেৱাগ্ৰাম আৰু 'জামিয়া মিলিয়া'তে শিক্ষা দি অনা উচিত। তেওঁলোকৰ সহায়ত অসমত শিক্ষকসকলক শিক্ষা দিবৰ চেষ্টা কৰা হয়। ১৯৫০ চনৰ মাৰ্চ মাহৰ একত্ৰিশ তাৰিখলৈ ভাৰত চৰকাৰে Post War Development Scheme ৰ টকাৰে চিলং, উদৰবন্দ, তিতাবৰত বুনিয়াদী, বহা, আৰু দুখনৈত ৬টা ট্ৰেইনিং স্কুল সজা হয়। ইয়াৰ বাবে প্ৰায় ৩১ লক্ষ টকা খৰচ কৰা হয়। ইয়াৰ আকৌ ২২ লক্ষ টকা অকল স্কুল ঘৰ সজাতে খৰচ হয়। 'শ্ৰমিক বুনিয়াদী', 'উচ্চ বুনিয়াদী' (senior Basik) শিক্ষাৰ বাবে খোৱাং, চাৰি আলি, হাউলি, সাপতগ্ৰাম ইত্যাদি স্থান নিৰ্ণয় হয়। অসমৰ শিক্ষা ব্যৱস্থাত বিশ্ববিদ্যালয় আৰু কলেজ বিলাকৰ বাহিৰেও তলত দিয়া শিক্ষানুষ্ঠান সমূহ দেখা যায়—প্ৰাইমেৰি স্কুল, বেচিক স্কুল, মাধ্যমিক স্কুল, হাইস্কুল, নৰ্মাল স্কুল, প্ৰাইমেৰি শিক্ষক সকলৰ শিক্ষাৰ কেন্দ্ৰ, বুনিয়াদী শিক্ষক সকলৰ শিক্ষাৰ কেন্দ্ৰ, টেক্‌নিকেল আৰু ইঞ্জিনিয়াৰিং স্কুল, সংস্কৃত শিক্ষাৰ বাবে টোল, ইচলামীয় শিক্ষাৰ বাবে মাদ্ৰাচা প্ৰভৃতি নানা ধৰহৰ শিক্ষাৰ কেন্দ্ৰ আছে। হাইস্কুলবোৰত ভোকেচনেল শিক্ষাৰ নিমিত্তে আৰু বয় স্কাউটৰ শিক্ষাৰ নিমিত্তে সুকীয়া বন্দোবস্ত আছে। প্ৰত্যেক অনুষ্ঠানৰ বাবেই যোৱা কেইবছৰত সাধ্যানুসৰি নানাভাৱে চেষ্টা কৰা হৈছে। কেইবছৰমান ভাৰত চৰকাৰৰপৰা পোৱা সহায় বন্ধ হৈ যোৱাত সংস্কাৰৰ অগ্ৰগতিয়ে বিষম বাধাৰ সম্মুখীন

হয়। কিন্তু এই অভাবস্বত্বেও যিখিনি কাম কৰা হৈছে তাৰ পৰিমাণ নিচেই কম নহয়। বৰ্ত্তমান বছৰত অসমত ১৯৪৪-৪৮ চনত ৯১৪৪ খন প্ৰাইমেৰী স্কুলৰ ভিতৰত ৬২৫ খন গৱৰ্ণমেণ্টে চলোৱা, ৬১১ খন সাহায্যপ্ৰাপ্ত আৰু ৯২৩ টা সাহায্য নোপোৱা। ইয়াৰ ভিতৰত ৬৭৫২ টা স্কুল বোৰ্ডৰ অধীনত আছে।

যোৱা ১৯৪৮ চনৰ শেষভাগত ১।১২।৪৮ তাৰিখে প্ৰাইমেৰী স্কুল-বিলাকক এখন প্ৰাইমেৰী এডুকেশ্যন বোৰ্ড'পাতি তাৰ অধীনলৈ নিয়া হয়। ইয়াৰ আগতে প্ৰাইমেৰী স্কুল বিলাকৰ অধীনত লোকেল বোৰ্ড আৰু শিক্ষা বিভাগৰ দ্বৈত শাসন প্ৰচলিত আছিল। ইয়াৰপৰা কামত নানা প্ৰকাৰ বেমেজালি উপস্থিত হৈছিল। প্ৰাইমেৰী Education Act ৰ দ্বাৰা এই বেমেজালি অন্তহাৰ ওৰ পেলোৱা হয়। প্ৰাইমেৰী স্কুলবিলাকৰ উপযুক্ত পৰিদৰ্শনৰ বাবে চব্ ইন্সপেক্টৰ আৰু এসিষ্টেণ্ট চব্ ইন্সপেক্টৰ বিলাকৰ সংখ্যা বঢ়োৱা হয়। আগেয়ে প্ৰাইমেৰী স্কুলৰ শিক্ষকসকলৰ মাজত নানা শ্ৰেণীৰ অনুপযুক্ত লোক দেখা গৈছিল। তেওঁ-লোকক পুনঃ শিক্ষাৰ নিমিত্তে শিক্ষকৰ শিক্ষাকেন্দ্ৰৰ সংখ্যা দিনক দিনে বঢ়াই অনা হৈছে। এতিয়া এটা বিশেষ পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে প্ৰাইমেৰী স্কুলৰ শিক্ষক পদত বথা নহব বুলি স্থিৰ কৰা হৈছে।

—×—

শিক্ষা আৰু প্ৰজাতন্ত্ৰ

সৰু ল'ৰাই প্ৰথম ভাগ আৰম্ভ কৰোতেই পঢ়ে "লেখা পঢ়া কৰে যেয়ে গাড়ী ঘোঁৰাত চৰে সেয়ে"। প্ৰথম ভাগ পঢ়ি প্ৰথমতে শব্দৰ ভাব যেনেকৈ গ্ৰহণ কৰে তেনেকৈ তাৰ ৰহস্য বোধ হোৱাৰ লগে লগে নতুন শিকাকৰে উদগনিও পায়। "অহে মোৰ প্ৰিয় ল'ৰা উপদেশ ধৰা কায়োমনোবাক্যে তুমি বিদ্যা শিক্ষা কৰা।"—এনেধৰণৰ বাক্যই তেওঁ-লোকক উৎসাহিত কৰে। আমাৰ দেশতহে যে এনেকুৱা কথাৰে প্ৰথম ভাগ লিখা হয় এনে নহয়, সকলো দেশতেই এনেকুৱা কথাৰে সৰু ল'ৰাৰ মনত আখৰ শিকাৰ লগে লগে উৎসাহ দিবলৈ চেষ্টা কৰা হয়। ল'ৰাই গাড়ী ঘোঁৰাত উঠাৰ অৰ্থ বুজক বা নুবুজক গাড়ী ঘোঁৰাত উঠাৰ আশাৰে ল'ৰাই পঢ়িবলৈ উৎসাহিত হয়। আমি সদায় দেখোঁ, খেতিয়কৰ ল'ৰাই সকতে স্কুললৈ নগলে বাপেক-মাকে সুবিধামতে তেওঁলোকক এটা কামত লগাই দিয়ে। যেনে—সকতে গৰু ছাগলী চৰাব পঠিয়ায়, অলপ ডাঙৰ হলে বাপেকৰ লগত খেতিপথাৰ কৰিবলৈ যায় নাইবা আৰু কিবা তেনে ধৰণৰ কামত নিযুক্ত হয়। খেতি কৰিব জনাও এটা বিদ্যা আৰু লিখা-পঢ়া শিকাও এটা বিদ্যা। বিদ্যাৰ হেনো সৰু বৰ নাই। তথাপি "অহে মোৰ সৰু ল'ৰা উপদেশ ধৰা কায়োমনোবাক্যে তুমি বিদ্যা শিক্ষা কৰা" বোলোতে আমি লেখা পঢ়া কৰাটোকেহে ধৰি আহিছোঁ। লেখা পঢ়া মানে আমি general education বা সাধাৰণ জ্ঞান আহৰণকে বুজোঁ। অনাদি কালৰেপৰা মুঠতে বিদ্যা বুলিলে এই সাধাৰণ বিদ্যা বুলি মানুহে বুজি আহিছে; আজিকালি জীৱন যুদ্ধত তৎ নেপাই ব্যৱসায় বিদ্যাৰ (vocational training) বাবে ককাঁলত টঙালি বান্ধি আবেদন নিবেদন কৰা দেখা গৈছে। পুৰণি কালত লেখা-পঢ়া বিদ্যাটোৰ প্ৰতি বহুত মানুহৰ এটা নিৰাশ ভাব আহি পৰিছে। বহু সময়ত বিদ্যাত পাৰ্গত মানুহ সকলক শাৰীৰিক পৰিশ্ৰমজনক কামত বিমুখ দেখা

যায়। সেইবাবে এনে এটা বিশ্বাস হয় যে লেখা পঢ়া বিদ্যাটোৰ লগত vocational training বা ব্যৱসায় শিক্ষাৰ যেন কিবা সম্বন্ধ আছে।

আগৰ যি দৰ্শন সাহিত্য, ইতিহাস আদিৰ ওপৰত পণ্ডিতসকলে জ্ঞান দেৱীক প্ৰতিষ্ঠা কৰিছিল, সেই শাস্ত্ৰবিলাক প্ৰায় তেনে ধৰণেই আছে। পাঠকসকলৰ মতিগতিত অলপ লৰচৰ হব পাৰে, কিন্তু পাঠ্য বস্তুখিনি হলে তেনেদৰেই আছে। প্ৰখ্যাত, দুষ্প্ৰাপ্য শাস্ত্ৰ আদি সকলোৱে সহজে পোৱা হৈছে। যি দৰ্শন, সাহিত্য, পুৰাণি ইতিহাস আদিয়ে এই বিশাল মানৱ সমাজৰ সৰ্বপ্ৰধান সম্পত্তি, সেই শাস্ত্ৰ বিলাকৰ সংখ্যা কমা নাই, ববং নানা উপায়ে তাত নতুন নতুন বস্তুৰ সংযোগ হৈছে। তথাপি এই লেখা-পঢ়া বিদ্যাটোৰ ওপৰত মানুহৰ আজি ইমান বিৰক্তিকৰ ভাৱ কিয়?

লেখা-পঢ়া কৰিলে যে গাড়ী ঘোঁৰাত উঠিব পাৰি—এযাৰ কথাই মানুহৰ মনত লেখা-পঢ়া সম্বন্ধে এটা ধাৰণাহে দিছে। দেখা যায় যে বহুত লেখা-পঢ়া জনা মানুহে গাড়ী ঘোঁৰাত উঠি ফুৰিবৰ সুবিধা পোৱা নাই। সাহিত্য, দৰ্শন আদিত পণ্ডিত অনেকেই তেওঁলোকৰ জীৱন কালত জন সমাজৰ অপৰিচিত হৈ ঘোৰ দৰিদ্ৰতাত জীৱন কটাই গৈছে। বহুতো প্ৰখ্যাত কবি, সাহিত্যিক আছে যিসকলৰ প্ৰতিভাত সমস্ত ভূ-মণ্ডল ব্যাপ্ত, তেওঁলোকৰ থকা ঠাই কোন জিলা, কোন চহৰ তাৰো নিৰূপণ হোৱা নাই। কালিদাস, শেক্সপীয়েৰ কোন গাৱঁত উপজিছিল, কোন গাৱঁত তেওঁলোকৰ মৃত্যু হ'ল—ইত্যাদি বিষয়ে বাক বিতণ্ডা চলি আছে। তেওঁলোকৰ মৃত্যুৰ পাছত তেওঁলোকৰ স্মৃতি চিহ্ন ৰাখিবলৈ যত্ন কৰা মানুহৰ সংখ্যা অলেখ আৰু তাৰ বাবে হাজাৰ টকাৰ ববঙণিৰো অভাৱ নাই। কিন্তু জীয়াই থকা দিনত তেওঁলোকে দুবেলা দুমুঠি ভাত খাবলৈ পালে নে নাই তাৰেই ঠিকনা নাই। আকৌ গাড়ী ঘোঁৰাত উঠি ফুৰা মানুহৰ ভিতৰত বহুতক লেখা-পঢ়াৰ বৰ ভক্ত হোৱা দেখা নেযায়। বহুত চহকী মানুহে আকৌ লেখা পঢ়াটোক খেলাৰ বস্তু বুলিছে ভাবে। সাধাৰণতে লেখা-পঢ়া থকা মানুহ শ্ৰেণীৰ থকা মেলাত স্পষ্ট

হৈ পৰা মার্জিত কচি বা বিনয়ক তেওঁলোকে দুৰ্বলতা বা অকৃতকার্যতাৰ চিন বুলিহে ভাবে। এই ধনীসকল বা capitalist class এ নিজকে নিজে ভাগ্যবান বুলি ভবাত দোষ ধৰিব নোৱাৰি। কাৰণ তেওঁলোকে আনতকৈ সুস্বাদু ভোজন কৰিব পাৰে, অনেক দামী সাজ পাৰো পিন্ধাৰ সুযোগ পায়।

. সমাজৰ বিৰুদ্ধে বহুত ঠাইত প্ৰতিকাৰৰ সূচনাও হৈছে। যিহওক এই বিষয়ে বহলাই কব লাগিলে বৰ্ত্তমান নানা ৰকমৰ সমাজ বিপ্লৱৰ কথা মনত পৰে। এই বিলাকৰ বিষয়ে বহলাই আলোচনা বেলেগ ঠাইতহে কৰা হ'ব। মুঠতে এওঁলোকে নিজৰ ব্যৱসায় পথত কৃতকার্য হৈ সেই পুৰণিকলীয়া মেমেৰা লেখা-পঢ়া বিষয়টোক সংসাৰৰ ভূ নোপোৱা পঢ়াশালিৰ পণ্ডিতৰ বিষয় বুলিহে কব খোজে। ব্যৱসায়ৰ বাটত কৃতকার্য হোৱা এই capitalist class টোৱে যেতিয়া education ইত্যাদিৰ কাৰণ, শিক্ষা আৰু তাৰপৰা পোৱা অনুশীলনৰ (culture) ওপৰত এনেকৈ কটাক্ষ কৰা কথাটো পশ্চিমৰ দেশত সম্ভৱ হৈছে। ভৱিষ্যতলৈ আমাৰ দেশতো এনে অৱস্থা হ'ব পাৰে। আমাৰ দেশত এনেকুৱা এটা capitalist class এতিয়াও গঠিত হোৱা নাই। কিন্তু এওঁলোকতকৈ বহুত তল খাপৰ এক শ্ৰেণীৰ মানুহে সাধাৰণ লেখা পঢ়াক মাথোন এটা খেলাৰ বস্তু বুলি অৱহেলা কৰা দেখা গৈছে। চৰকাৰী চাকৰি কৰা হাকিম, আমোলা, কনিষ্টবল আদিয়ে সাধাৰণ লেখা-পঢ়াক এটা চাকৰি পাবৰ প্ৰথম আহিলা বুলিহে ভাবে। বাটকৰাই গছৰ তলত ভাত বান্ধি খাই দৰকাৰ নোহোৱা বস্তু গছৰ তলত দলিয়াই পেলাই থৈ যায়, সেইদৰে বিশ্ববিদ্যালয়ৰ পৰীক্ষা পাছ কৰি এওঁলোকে সাধাৰণ স্কুল কলেজত পঢ়া কিতাপখিনি অদৰকাৰী বুলি পেলাই থৈ যায়। নিজৰ চাকৰি বজাই বাখিবলৈ যি অলপ কলম স্পৰ্শ কৰাৰ আৱশ্যক সেইখিনিৰ বাহিৰে বেলেগ সময়ত তেওঁলোকে কিতাপ খুচৰি তেওঁলোকৰ মূল্যবান সময় নষ্ট নকৰে। সাধাৰণ লেখা-পঢ়াত সময় কটোৱা আৰু তাৰদ্বাৰা বিনয় অৰ্জন কৰাটো কিছু অপমানজনক বুলি ভাবে। সোনা

মহাদবে এটা শ্রেণীব মানুহ পৃথিবীত দপদপাই ফুবে। এওঁলোকক সমাজব সভ্য মানুহব মাজত গানব অধিকাব বুলিব পাবি। এওঁলোক যি ঠাইত থাকিব তাবপবা আই সবস্বতীয়ে ভয়তে দূবতে পলায়ন কবে। সাধাবণ লেখা-পঢ়া আক বিনয় এনেকুবা অবস্থাত পবিছেগৈ যে চাবিও-ফালব ব্যবহাবিক (technical) আক বিশেষ বিশেষ specialised কিটিপত ভবষা কবি মানুহে সাধাবণ শিক্ষাব ফালে একেবাবে পিঠি দিয়াত পবিছেগৈ।

সাধাবণ শিক্ষাব লগত ব্যবহাবিক আক ব্যবসায়গত বিদ্যাব সামঞ্জস্য থকা বুলি ভবা কথাটোৱে গুবিবেপবা মানুহব মনত ভুল ধাবণা দিব পাবে। সাধাবণ বিদ্যা শিক্ষাব লগে লগে আন বিলাক কথাও চলাব লাগিব। এবা এবি হলেই সমাজত ভয়ানক অবাজকতা হৈ পবিব। সদাগব, ব্যবসায়ী, ইঞ্জিনিয়াব, ডাক্তব, যুদ্ধব সেনাপতি ইত্যাদি সকলোবে বেলেগ বিশেষ বিশেষ শিক্ষাব এটা উমৈহতীয়া সাধাবণ শিক্ষা লাগে। এই সাধাবণ শিক্ষা নহলে সমাজত যে কি অবস্থা হব তাক কল্পনাতহে ঠিকমতে ভাবিব পাবি। এজন ডাক্তবে হেনো বিজ্ঞানব বলেবে মানুহ তৈয়াব কবিবলৈ চাইছিল। তেওঁ বাসায়নিক উপায়ে মানুহব গাব তেজ মাংস আদি গঠন কবিছিল। বৈদ্যুতিক শক্তিবে আটাইবোব পুতলাক চলিবলৈ শক্তিও দিলে। কিন্তু তেওঁ মানুহব মস্তিষ্কত যি এটা বিবেক শক্তি আছে সেইটো দিব নোৱাবিলে। তাব ফলত তেওঁ তৈয়াব কবা মানুহ-বিলাক এক প্রকাব বল বিশিষ্ট গতিশীল পুতলাহে হ'ল। এই পুতলা-বিলাক তেওঁব কাবখানা ঘবত ঠিয় কবাই থৈ এদিন কববালৈ যাওঁতে কোনোবাই কেনেবাকৈ সিহঁতব গাত বিজুলি তাব এডাল স্পর্শ কবাই দিলে। সিহঁত কিছুমান সজীব মানুহ পুতলা হৈ পবিল। কিন্তু সিহঁতব বিবেক নাই, মন নাই। সিহঁতে ইটোৱে সিটোব লগত মবামবি কবিব ধবিলে। কাবখানা ঘবত ভুমুল কাণ্ড উপস্থিত হ'ল। মবা-মবি কবি আধামান অকামিলা হ'ল। কিছুমান মবি গ'ল। বৈজ্ঞানিকজন আহি পাওঁতে মাবিলে তেওঁলৈ কেইটামানে খেদা। উপায় নেপাই তেওঁ এটা থালব

ওচবলৈ পলাই গ'ল। যন্ত্র কেইটাই তেওঁক খেদি যাওঁতে খালত পৰি অকামিলা হৈ ভাগি ছিগি মৰি থাকিল। পাশ্চাত্য দেশতো সমাজৰ ভিন ভিন দলৰ মাজত যি এটা ঘোৰ প্রতিযোগিতা আহি পৰিছে তাক এনেকুৱা এখন যুদ্ধ বুলিহে ভাবিব পাৰি। এটা সাধাৰণ শিক্ষাৰ অভাৱ হ'লে আৰু মানুহে বিদ্যা বুলিলে কেৱল স্বার্থ সিদ্ধিৰ কিতাপ বুলিহে ধৰিলে এনেকুৱা অদ্ভুত পৰিণাম নহৈ নাথাকে।

প্রাচীন কালত জগতত অভিজাত বুলি গর্ব কৰা উচ্চ বংশৰ অলপ সংখক মানুহে সমাজক নেতৃত্ব কৰি আহিছিল। তেওঁলোকৰ প্রভাৱত সাধাৰণ শ্রেণীৰ মানুহ বিলাকে কোনো গুৰুত্বৰ কথা কৈ নিজৰ মত প্রকাশ কৰিব নোৱাৰিছিল। দাসত্ব প্রথাৰ প্রচলন থকা বাবে দাস শ্রেণীৰ যিবিলাক মানুহ আছিল সিহঁতে কেৱল আজ্ঞা পালন কৰিয়েই জীৱন কটাৱলগীয়া হৈছিল। বাকীখিনি মানুহেও তেওঁলোকৰ ওপৰ শ্রেণীৰ মানুহৰ লগত কোনো কথাতে সমানে সমানে কথা কব নোৱাৰিছিল। ৰাজতন্ত্র আৰু অভিজাততন্ত্রৰ শাসন প্রণালী এনেকুৱাই আছিল। আনকি অনেক দার্শনিকে প্রমাণ কৰিব খুজিছিল যে কিছুমান মানুহ জন্মৰপৰাই হীন শ্রেণীৰ। কিছুমান মানুহৰ বুদ্ধি বৃত্তি উচ্চ শ্রেণীৰ। কিছুমানে ওপৰ খাপলৈ কোনোমতেই উঠিব নোৱাৰে। এয়ে বিধাতাৰ বিধান যেতিয়া সমাজৰ শৃঙ্খলাও তেনেকুৱাই আছিল। তেতিয়া অৱশ্যে কেৱল ওপৰ খাপৰ মানুহখিনিৰহে বুদ্ধিৰ চর্চ্চাৰ আৱশ্যক আছিল। বাকীখিনি মানুহ গৰুবদৰে থাকিলেও একো অসুবিধা নাছিল কাৰণ সিহঁতে কোনো কামতে কর্তৃত্বৰ বাৰ নেপায়। বর্ত্তমান জগতত প্রজাতন্ত্রৰ বাবে এই সকলোবিলাক বন্দোৱস্ত ওলট-পালট হৈ গৈছে।

জন্মগত অধিকাৰৰ দাবী কৰি ডাঙৰ মানুহ বোলাব খুজিলেও তাৰ প্রতিবাদ কৰা মানুহৰ অভাৱ নাই। প্রজাতন্ত্রৰ আদর্শ এই যে দেশৰ শাসন কার্যত সকলো মানুহৰ সমান ক্ষমতা থাকিব। আইন আদি গঠন কৰোতেও সকলোৰে সমান ক্ষমতা থাকিব। ভোট সকলোৰে

একোটাকৈ। ধনী মানুহ হলেও এটা ভোটবহে ক্ষমতা থাকিব। এনে অবস্থাত বজা-প্রজা বুলি আক দুটা বেলেগ শ্রেণী নেথাকে। যুক্তৰাজ্যত দেখিছোঁ যে যি আজি প্রজা হৈ আছে সি সমস্ত দেশৰ শাসনকর্তা অর্থাৎ প্রেচিডেণ্ট হ'ব পাৰে। কিছুমান দিনৰ পাছত প্রেচিডেণ্ট গৈ আকৌ সাধাৰণ প্রজাতন্ত্রৰ শ্রেণীভুক্ত হব পাৰে। প্রজাতন্ত্রৰ আদর্শই এনেকুৱা। এই আদর্শ যি ঠাইতে যিমান সফল হৈছে সেই ঠাই ৰাজনীতিৰ ক্ষেত্রত সিমান উন্নত বুলি গণ্য কৰা হৈছে। আমেৰিকা, চুইজাৰলেণ্ড আদি দেশ এই বিষয়ত বহুত উন্নত বুলি পৰিগণিত হৈছে। আন আন ঠাইতো উন্নত প্রজাতন্ত্র পাবলৈ সকলোৱে হাহাকাৰ কৰিব ধৰিছে। জার্মানী আক কছিয়াৰ ৰাজবংশ আক ডাঙৰীয়া শ্রেণীৰ মানুহ বিলাকে এই প্রজাতন্ত্রৰ বাটত বিঘিনি বুলি পৰিগণিত হোৱা গতিকে তেওঁলোকৰ কিছুমানক খেদা হ'ল। কিছুমানক কাটি মাৰি অন্ত কৰা হ'ল আক কিছুমান কলৈ গ'ল কি হ'ল তাৰ ঠিকনা নোহোৱা হ'ল। ইংলণ্ড আক ফ্রান্সত এনেকুৱা অভিনয় আগতে হৈ গৈছে।

এতিয়া বজা আক বাইজৰ মাজত এটা নির্দিষ্ট প্রভেদ নাই। বজা বুলি বেলেগ এটা জাতি নাই। আগেয়ে বজা বুলি যিজনক সকলোৱে মানিছিল তেওঁ ভাল হলে বহুতখিনি ভাল কাম কৰিব পাৰিছিল। প্রজাসকলে চলাওতাৰ নির্দেশ মতে চলিবলৈ বাধ্য আছিল। কিন্তু আজিকালি বাইজেই বজা। বাইজৰ ভাল বেয়াৰ ওপৰতহে দেশৰ মঙ্গল অমঙ্গল ঘাইকৈ নির্ভৰ কৰে। সাধাৰণ শিক্ষাৰ আজিকালি যিমান প্রয়োজন আন কোনো সময়তে সিমান প্রয়োজন নাছিল। আজিকালি বাইজে অকল শাসন মানি চলিব শিকালেই নহয়। আনক শাসন কৰিবও শিকিব লাগে। প্রভু আক ভৃত্য দুয়োৰে কাম প্রত্যেক মানুহেই শিকিব লাগে। আজি প্রায় আঠ হেজাৰ বছৰৰ আগেয়ে প্রাচীন সমাজ মাজত যি আদর্শ প্রজাতন্ত্র শাসন প্রণালীৰ উদ্ভব হৈছিল তাক মহামতি এৰিষ্টটলে বিশেষভাবে উল্লেখ কৰি থৈ গৈছে। প্রাচীন কালৰ প্রজাতন্ত্রৰ

সেই আদর্শতকৈ তাৰ পিছৰ আন কোনো আদর্শই আৰু ওখ খাপৰ হোৱা নাই। সেই প্রজাতন্ত্রৰ কালত যি শিক্ষা আছিল তাত ৰজা আৰু প্রজাৰ কর্তব্যৰ শিক্ষা অর্ন্তভুক্ত থাকিব লাগিব বুলি তাহানি কালতে নির্ণয় কৰা হৈছিল।

—x—

জান আৰু শিক্ষাৰ গধত শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন

অসমত শিক্ষা ব্যৱস্থাৰ উন্নতি সাধনৰ বিষয়ে চিন্তা কৰিবলৈ হলে প্ৰথমতে ইয়াত এতিয়ালৈকে যিটো ব্যবস্থা চলি আহিছে তাৰ উপযোগিতা আৰু দোষ-গুণ আদিৰ বিষয়ে এটা স্পষ্ট ধাৰণা আমাৰ মনত ৰাখিব লাগিব। ভাৰতত ইংৰাজৰ আমোলত যোৱা দুই শতাব্দীৰ ভিতৰত যি শিক্ষা ব্যৱস্থাৰ উদ্ভৱ হৈছে অসমৰ শিক্ষা ব্যৱস্থাও তাৰে এটা অঙ্গ মাথোন। ভাৰতে স্বাধীনতা পোৱাৰ পিছত অসমত সুকীয়া বিশ্ব-বিদ্যালয় স্থাপন হ'বৰ আজি মাথোন তিনিবছৰমান হ'ল। অসমৰ বাবে সুকীয়াকৈ শিক্ষাৰ পৰিকল্পনা কৰিবৰ সময় আৰু সুযোগ এতিয়া লাহে লাহে দেখা দিছেহি। এই সুযোগ অহাৰ লগতে প্ৰকৃততে কি প্ৰকাৰ শিক্ষাৰ আৱশ্যক তাকে স্থিৰ কৰিবলৈ নিজৰ শক্তি আৰু সামৰ্থ বঢ়াই উন্নতিৰ পথত আগুৱাবৰ বাবে গুৰুতৰ দায়িত্বই দেখা দিছে।

শিক্ষা বুলিলে কি বুজায়? শিক্ষাৰ প্ৰকৃত অৰ্থ আৰু উদ্দেশ্য সম্বন্ধে প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ অলেখ মনিষীয়ে আলোচনা কৰি গৈছে। এই আলোচনা দিনে দিনে যে বৃদ্ধি হৈ আহিব তাত সংশয় নাই। শিক্ষাৰ মৌলিক তাৎপৰ্য সম্বন্ধে বাহুল্যভাৱে আলোচনা কৰিবৰ ঠাই ইয়াত নহয়। আমি চমুকৈ মাথো ইয়াকে ক'ব পাৰোঁ যে, প্ৰত্যেক ব্যক্তিৰ ভিতৰতে নিজৰ আৰু সামাজিক মঙ্গলৰ অৰ্থে যি শক্তি বীজ আছে তাৰ সম্পূৰ্ণ বিকাশ কৰিবৰ নিমিত্তে কৰা চেষ্টাৰ নামেই শিক্ষা। শিক্ষাৰ আদৰ্শ স্থিৰ কৰোঁতে অকল ব্যক্তি বা অকল সমষ্টিৰ মঙ্গলৰ কথা চিন্তা কৰিলে নহ'ব, ব্যক্তি আৰু সমাজ দুয়োটাৰে স্বাৰ্থ আৰু উন্নতিৰ মাজত সামঞ্জস্য ৰাখি শিক্ষাৰ নীতি নিৰ্দ্ধাৰণ কৰিলেহে প্ৰকৃত মঙ্গলময় পথ বিচাৰি পোৱা হয়। এটালৈ চাই আনটোলৈ আওকাণ কৰিলে আমাৰ বিপদহে হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। ব্যক্তি আৰু

সমাজৰ মঙ্গল কিহবপৰা হয় সেই কথা আকৌ প্ৰত্যেক দেশৰ সংস্কৃতি, চিন্তাধাৰা, জীৱনৰ আদৰ্শ আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। সেই বিষয়ত প্ৰকৃত দেশহিতৈষীসকলৰ মাজতো মতভেদৰ যথেষ্ট সম্ভাৱনা আছে। এই সম্বন্ধে মৌলিক আলোচনাৰ পথতো বেছিকৈ আগুৱাবৰ ঠাই ইয়াত নহয়।

আমাৰ দেশৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰোতে আগতে ইয়াৰ এটা চমু ইতিহাস মনত আনিবলগীয়া হয়। ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ অতি প্ৰাচীন আৰু ই অতীতৰ হেজাৰ-হেজাৰ বছৰৰ পৰা নানাপ্ৰকাৰ বিপ্লৱ আৰু দুৰ্যোগ অতিক্ৰম কৰি এতিয়ালৈকে নিজৰ এটা সুকীয়া অস্তিত্ব আৰু বিশেষত্ব ৰক্ষা কৰি একাদিক্ৰমে চলি আহিছে। ভাৰতী সংস্কৃতিৰ ওপৰত অৱস্থাৰ বিপৰ্যয়ৰ ফলত সাময়িক-ভাৱে মলিনতাৰ চেকা পৰিলেও এতিয়ালৈকে ইয়াৰ প্ৰাণশক্তি নষ্ট কৰিবপৰা নাই। ইয়াৰ প্ৰাচীন শিক্ষা-পদ্ধতিৰ এটা বিশেষ গুণ নাথাকিলে এতিয়ালৈকে ভাৰতীয় সভ্যতা জীয়াই থাকিব নোৱাৰিলেহেঁতেন। কিন্তু সময়ৰ লগে লগে এই অৱস্থাৰ যিখিনি পৰিবৰ্তনৰ আৱশ্যক তাক আমি ঠিকভাৱে কৰি লব পৰা নাই।

ইউৰোপীয়সকলে প্ৰথমতে ভাৰতলৈ অহা সময়তো বা ইয়াৰ প্ৰাচীন শিক্ষা ব্যৱস্থা একেবাৰে লোপ পাই যোৱা নাছিল। আগৰ কালৰ নালন্দা, তক্ষশীলা ইত্যাদি বিশাল অনুষ্ঠানসমূহ বহুদিনৰ আগতে লোপ পাই গ'ল। কিন্তু সেইসকলৰদ্বাৰা অনুপ্ৰাণীত টোল, পঢ়াশালি, মাদ্ৰাছা, মোক্তাৰ আদিৰ সহায়েৰে প্ৰাচীন শিক্ষা ব্যৱস্থা কোনো প্ৰকাৰে চলি আছিল। বৰ্তমান যুগত ইয়াত যি শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন হ'ল তাৰ প্ৰথম সূত্ৰপাত হয় উনৈশ শতিকাৰ আৰম্ভত পৰা। এই নতুন প্ৰৱৰ্তনত আগভাগ লৈছিল খৃষ্টীয়ান মিছনেৰীসকলে। পৰ্তুগীজসকলে ভাৰতৰ পশ্চিম বেপাৰৰ কেন্দ্ৰ স্থাপন কৰাৰ লগে লগে তেওঁলোকৰ আদৰ্শ অনুযায়ী কিছুমান শিক্ষাৰ অনুষ্ঠান পাতিছিল। পৰ্তুগীজ সকল ৰোমান কেথ'লিক আছিল। তেওঁলোকৰ প্ৰভাৱ ভাৰতত পৰা লোপ পোৱাৰ লগে লগে সেই অনুষ্ঠানবোৰৰ অন্ত পৰে। তেওঁলোকৰ দিনতে স্থাপিত

ছেণ্ট জেভিয়াৰ্ছ কলেজ এতিয়ালৈকে আছে। তাৰ পাছত প্ৰটেষ্টাণ্ট সকলে পূৰ্ব্ব উপকূলৰ মাদ্ৰাজ অঞ্চলত দুই এখনকৈ স্কুল পাতি ইংৰাজী শিকাব আৰম্ভ কৰে। 'ইষ্ট ইণ্ডিয়া কোম্পানী' গঠিত হোৱাৰ পাছৰপৰা ইংৰাজ মিছনেৰী সকলে মাদ্ৰাজৰপৰা আৰম্ভ কৰি বঙ্গদেশত তেওঁলোকৰ কৰ্মক্ষেত্ৰ বিস্তাৰ কৰে। বঙ্গদেশৰপৰা লাহে লাহে মিছনেৰীসকলৰ কাৰ্য-ক্ষেত্ৰ অসমতো আহি দেখা দিয়ে। এওঁলোকৰ তাহানি কালৰ উদ্যোগ আৰু আয়োজনৰ নিদৰ্শন এতিয়ালৈকে ভালেমান আছে।

প্ৰায় ১৮১৩ চনলৈকে শিক্ষাবিষয়ত কোম্পানীৰ কোনো নিৰ্দ্দিষ্ট নীতি গঢ়ি উঠা নাছিল। ভাৰতত ইংৰাজী ভাষা আৰু বিজ্ঞানৰ চৰ্চ্চা চলাব লাগিবনে, নে ভাৰতৰ প্ৰাচীন শিক্ষা পদ্ধতিৰ যি অৱশেষ আছিল তাকে অনুসৰণ কৰিয়েই শিক্ষা ব্যৱস্থা নিৰ্ণয় কৰা হব এই সম্বন্ধে ৰাজা ৰামমোহন ৰায়কে মুখ্য কৰি ভাৰতীয় মণিষী, ইংৰাজী শিক্ষাবিদ আৰু কোম্পানীৰ কৰ্মচাৰীসকলৰ মাজত প্ৰশ্নসভাৱে আলোচনা আৰু তৰ্ক বিতৰ্ক চলিবলৈ ধৰে। অৱশেষত লৰ্ড বেণ্টিঙ্কৰ আমোলত মেকুলে চাহাবৰ চেষ্টাত ইংৰাজী ভাষাৰ সহায়েৰে ভাৰতত ইউৰোপীয় জ্ঞান-বিজ্ঞান আৰু শিক্ষা আৰম্ভ কৰাটোকে স্থিৰ কৰা হয়। ভাৰতৰ ইতিহাসত ই এটা প্ৰধান ঘটনা।

১৮৫৩ চনত চাৰ্লচ উদ্‌চাহাবে ব'ৰ্ড অব ডিৰেক্টৰৰ পক্ষৰপৰা ভাৰতীয় শিক্ষা সম্বন্ধে এটা বিপ'ৰ্ট লেখি ভাৰত চৰকাৰৰ গুচৰত দাখিল কৰে। ভাৰতত ইয়াৰ পাছত যি শিক্ষা ব্যৱস্থাৰ অভ্যুদয় হৈছে তাৰ মূলত আছিল এই উদ্‌ চাহাবৰ বিপ'ৰ্ট। এই বিপ'ৰ্ট'ত প্ৰাথমিক আৰু লোকশিক্ষাৰ আৱশ্যকতা, মাতৃভাষা চৰ্চ্চাৰ আৱশ্যকতা, ব্যৱসায়ীমূলক শিক্ষা, শিক্ষক-সকলৰ শিক্ষাৰ অনুষ্ঠানত সাহায্য দিয়া, বিশ্ববিদ্যালয় স্থাপন আদি সকলো কথাৰ আভাস দিয়া হয়। ১৮৫৭ চনত কলিকতা, বোম্বাই আৰু মাদ্ৰাজত বিশ্ববিদ্যালয় স্থাপিত হয়। উদ্‌ চাহাবৰ নিৰ্দ্দেশ অনুসাৰে ভাৰতীয় প্ৰদেশ সমূহত একোটাকৈ সুকীয়া শিক্ষা বিভাগ গঠিত হয়। আৰু প্ৰত্যেক প্ৰদেশতে একোজনকৈ "ডিৰেক্টৰ অব্‌ পাব্লিক ইন্‌ষ্ট্ৰাক্‌চন'

নিযুক্ত হয়। ১৮৫৭ চনত কলিকতা বিশ্ববিদ্যালয়ব প্রথম এনট্রেন্স আৰু ১৮৫৮ চনত বি, এ, পৰীক্ষা আৰম্ভ হয়।

ইয়াব পিছত লৰ্ড বিপণব আমোলত ১৮৮২ চনত এখন ভাৰতীয় শিক্ষা কমিচন আৰু লৰ্ড কার্জনব দিনত এখন 'ইউনিভার্চিটি কমিচন' যহে। ১৯১১ চনত স্বৰ্গীয় গোপাল কৃষ্ণ গোখলে "ইম্পিবিয়েল লেজিচলেটিভ্ কাউন্সিল"ত প্রাথমিক শিক্ষা বিস্তাবব এখন বিল দাঙি ধবে। অৱস্থা অনুযায়ী প্রাথমিক শিক্ষা বাধ্যতামূলক কবাবো উল্লেখ ইয়াত থাকে। যদিও গোখলেব প্রস্তাবিত বিল কাউন্সিলত পাচ নহ'ল, তথাপি ১৯১২ চনবপবা প্রাথমিক শিক্ষাব লগে লগে মাধ্যমিক শিক্ষাব বিস্তাব আৰু বিশ্ববিদ্যালয়ব সংস্কাব সম্বন্ধে আলোচনা চলিবলৈ ধবে ১৯১২ চনত শিক্ষা আন্দোলনব পিছত এখন নতুন শিক্ষা কমিচন বহুৱাব কথা উঠে। কিন্তু প্রথম মহাযুদ্ধ আৰম্ভ হোৱাব বাবে সি হৈ মুঠিল। প্রথম মহাযুদ্ধব শেষব ফালে ১৯১৭ চনত মাইকেল চেদলাব চাহাবব সভাপতিত্বত কলিকতা ইউনিভার্চিটি কমিচন বাহে। স্বৰ্গীয় ছাব আশুতোষ এই কমিচনব সভ্য আছিল। ১৯১৯ চনত চেদলাব চাহাবব বিপর্ট প্রকাশ পায়। এই বিপর্টত ভাৰতীয় শিক্ষাব প্রত্যেকটো স্তবৰে বিস্তাবিত আলোচনা কবা হয়। ১৯২০ ব পবা ১৯৩০ লৈকে দহ বছবব ভিতবত আলিগড়, বেঙ্গুন, লক্ষ্ণৌ, ঢাকা, দিল্লী, নাগপুব, অন্ধ্র আৰু প্রায় প্রত্যেক প্রদেশতে প্রাথমিক শিক্ষা বিষয়ক আইন প্রবর্ত্তন কবা হয়। লগে লগে মাধ্যমিক শিক্ষাব বিষয়েও আলোচনা চলিবলৈ ধবে। মাধ্যমিক শিক্ষাত ছাত্রসকলে যাতে নিজ নিজ কচি আৰু জীৱনব লক্ষ্য অনুসবি টেকনিকেল বিষয়ক আৰু কৃষি শিল্প আৰু ব্যৱসায় সম্বন্ধে শিক্ষা লাভ কবিব পাবে তাব বাবে আলোচনা চলাবলৈ ধবে। এইদবে বিভিন্নদিশত শিক্ষাব বিস্তাব হোৱাব লগে লগে মানুহব মন আন এটা চিন্তাই অধিকাব কবিবলৈ ধবে। আনপ্রকাবে উন্নত ধবণব হলেও ই যদি ভাৰতব জাতীয় ভাৱত অনুপ্রাণীত নহয় তেনেহলে ইয়াবদ্বাবা প্রকৃত উন্নতি সাধন হব

নোৱাৰে। ৰাজনৈতিক আন্দোলনৰ জাতীয় শিক্ষাৰ বাবে আগ্রহ দিনক দিনে বেছি হৈ আহিব ধৰে।

ইংৰাজ আমোলত ভাৰতীয় ইতিহাসলৈ চালে আমি লক্ষ্য কৰো যে মোগল সাম্রাজ্য ধ্বংস আৰু মহাৰাষ্ট্ৰ প্রভাৱপৰা হোৱা নানা প্রকাৰ খেলিমেলিৰ পিছত যেতিয়া 'ইষ্ট ইণ্ডিয়া কোম্পানী' আহি ইয়াত প্রভাৱ বিস্তাৰ কৰিবৰ সুবিধা পায় তেতিয়া আটাইৰে মনত এনেকুৱা এটা ধাৰণা হৈছিল যে অৰাজকতাতকৈ যিকোনো এটা নির্দ্দিষ্ট শাসন প্রণালী আমাৰ অত্যন্ত আৱশ্যক। কোম্পানীৰ দিনত এটা নির্দ্দিষ্ট শাসন প্রণালী গঢ়ি উঠাৰ পিছত মানুহৰ মনত আন এটা ধাউতি আহে যে এই শাসন প্রণালী দেশৰ এটা শান্তিৰক্ষাৰ যন্ত্রবিশেষ নহৈ ই তাতকৈ উন্নত ধৰণৰ আৰু জনহিতকৰ হবই লাগিব নহলে ইয়াৰ একো সার্থকতা নাই। এই অর্থে ভাৰতত 'মর্লে-মিণ্টো ৰিফর্ম', 'মণ্টেগো-চেমচ্‌ফোর্ড ৰিফর্ম' আদি শাসন সংস্কাৰৰ যুগ আহে।

ইয়াৰ লগে লগে আৰু এটা কথা মানুহৰ মনলৈ আহে যে, স্বায়ত্ব শাসন নহলে কোনো শাসনকে সুশাসন বুলিব নোৱাৰি। ইয়াৰ পিছত আহে স্বাধীনতা লাভৰ বাবে এটা নতুন জাগৰণ। আংশিক পৰিমাণে পাই থকা স্বায়ত্ব শাসনৰ কোনো অর্থ নাই। যিকোনো জাতিৰ প্রকৃত উন্নতি আহিব পাৰে পূর্ণ স্বাধীনতাৰপৰাহে।

ভাৰতৰ শিক্ষা ইতিহাসতো আমি এনেকুৱা ভাৱৰে এটা ক্রম-বিকাশ লক্ষ্য কৰোঁ। "ইষ্ট ইণ্ডিয়া কোম্পানী'ৰ আমোলত আমি ভাৰতত এটা ব্যাপক ভাৱৰ শিক্ষা প্রণালী গঠন হ'বলৈ ধৰা দেখো। সেইসময়ত সেই প্রণালীৰে আমাৰ দেশ কিছুকালৰ কাৰণে সন্তুষ্ট থাকিব-লগীয়া হৈছিল। ইয়াৰ পাছত আহে মানুহৰ আগ্রহ ধাউতি এই শিক্ষা-প্রণালী উন্নত কৰিবৰ অর্থে। এইবাৰে নানা প্রকাৰ 'কমিচন', আদি বহাৰ উল্লেখ কৰা হৈছে। তাৰ পাছত আটাইৰে মনত এই এটা কথা জাগে যে শিক্ষাত যদি জাতীয় আদর্শ নাথাকে তেন্তে তাক কোনো প্রকাৰে সুশিক্ষা বুলিব নোৱাৰি। এতিয়া আমাৰ কর্ত্তব্য হৈছে

এই যে আমাৰ শিক্ষাৰ ব্যৱস্থা যাতে নানা তৰহৰ বিষয়ৰ জ্ঞান অৰ্জ্জনতে আৱদ্ধ নাথাকি প্ৰকৃত জাতীয় জীৱনৰ আদৰ্শ অনুসৰি গঢ় লয়।

এই উদ্দেশ্যে ১৯৩৭ চনত মহাত্মা গান্ধীয়ে শিক্ষা সংস্কাৰৰ অৰ্থে এটা নতুন ধৰণৰ গবেষণা আৰম্ভ কৰে। ১৯৩৮ চনত এই গবেষণাৰ আদৰ্শ অনুসৰি বুনিয়াদী শিক্ষাৰ পৰিকল্পনা ৰচিত হয়। শিক্ষাৰ অনুষ্ঠান বিলাকত প্ৰথম স্তৰবেপৰা শিক্ষাৰ ভেটি নতুন ভাৱত গঢ়ি তুলিব নোৱাৰিলে আমাৰ জাতীয় জীৱনকো নতুন ভাৱত গঢ়ি তোলাটো সম্ভৱ হৈ নুঠিব। 'বুনিয়াদী' শিক্ষা পদ্ধতিৰ আঁচনিৰ পিছত আমি পাওঁ এই পদ্ধতিৰ দ্বাৰা অনুপ্ৰাণীত "চার্জেণ্ট পৰিকল্পনা" আৰু এই সময়ৰ ভিতৰতে পতা হয় ডক্তৰ ৰাধাকৃষ্ণনৰ সভাপতিত্বত হোৱা "ইউনিভাৰ্চিটি কমিচন"। আমাৰ দেশৰ শিক্ষা ব্যৱস্থাৰ ক্ৰমবিকাশ আৰু তাৰ সংস্কাৰ সম্বন্ধে লিখিবলগীয়া হলে এখন বিৰাট গ্ৰন্থ হ'ব। একে উশাহতে মহাভাৰত কোৱাৰদৰে ইয়াত মাথোন দুটামান কথা উল্লেখ কৰা হ'ল।

এতিয়া অসমত শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ নিমিত্তে যোৱা কেইবছৰৰ ভিতৰত যি কাম হাতত লোৱা হৈছে সেই বিষয়ে অলপ আলোচনা কৰা যাওক। বৰ্তমান বছৰত অসমত ১১ কোটি ৬০ লক্ষ টকাৰ ভিতৰত ১ কোটি ৭০ লক্ষ টকা শিক্ষা বিভাগৰ কাৰণে দিয়া হৈছে। ইয়াৰপৰা দেখা যায় যে সম্পূৰ্ণ আয়ৰ প্ৰায় শতকৰা ১৫ টকা শিক্ষাৰ কাৰণে নিৰ্দ্দিষ্ট হৈছে। এই খৰচৰ পৰিমাণ ভাৰতৰ কোনোবা দুই এখন প্ৰদেশৰ খৰচতকৈ অলপ কম হব পাৰে। নানাপ্ৰকাৰ প্ৰাকৃতিক দুৰ্যোগ আৰু চিৰকলীয়া দাৰিদ্ৰ্যৰ মাজতো অসম চৰকাৰৰ এই পৰিমাণৰ খৰচ নিশ্চয় গৌৰৱৰ কথা।

১৯৪৮ চনৰ জানুৱাৰী মাহত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হয়। প্ৰথম বছৰৰেপৰাই এই বিশ্ববিদ্যালয়ে 'মেট্ৰিকুলেচন' 'ইণ্টাৰমেডিয়েট' আৰু বি. এ. বি. এছ ছি পৰীক্ষা চলাবলৈ আৰম্ভ কৰে। ইয়াৰ লগে লগে কেইটামান বিষয়ত পোষ্ট গ্ৰেজুয়েট, বি. কম আৰু বি. টি. পঢ়োৱা আৰম্ভ কৰিছে। ছজনমান উপযুক্ত ছাত্ৰক পোষ্ট গ্ৰেজুয়েট

শিক্ষাৰ নিমিত্তে বৃত্তি দিয়াৰো ব্যৱস্থা হৈছে। মৌলিক গৱেষণাৰ বাবে চাৰিজন ছাত্ৰক "বিচাৰ্ছ ফলাৱশ্বিপ" দিয়া হয়। এই বিশ্ববিদ্যালয়ৰ অধীনত এখন চৰকাৰী কলেজ আৰু একৈশখন সাহায্যপ্ৰাপ্ত কলেজ আছে। সাহায্যপ্ৰাপ্ত কলেজৰ বাবে দুবছৰৰ আগতে প্ৰায় ডেৰলাখ টকা দিয়া হৈছিল। এই বছৰ তাৰ পৰিমাণ প্ৰায় চাৰে তিনি লাখ হৈছে। এইটো উল্লেখ নকৰিলেও হ'ব যে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰপৰাই অসমৰ শিক্ষা ব্যবস্থাৰ এটা নতুন যুগ আৰম্ভ হোৱা বুলিব পাৰি।

অসমৰ শিক্ষা ব্যৱস্থাত বিশ্ববিদ্যালয় আৰু কলেজৰ বাহিৰেও 'প্ৰাইমেৰী স্কুল', মাধ্যমিক স্কুল', 'হাইস্কুল', 'বুনিয়াদী স্কুল', 'নৰ্মাল স্কুল' আছে। প্ৰাইমেৰী শিক্ষকসকলৰ শিক্ষাৰ কেন্দ্ৰ, বুনিয়াদী শিক্ষকসকলৰ শিক্ষাৰ কেন্দ্ৰ, হিন্দী শিক্ষাৰ্থীসকলৰ শিক্ষাৰ কেন্দ্ৰ, অসমীয়া শিক্ষাৰ বাবে পৰ্ব্বতীয়া শিক্ষকসকলৰ শিক্ষাৰ কেন্দ্ৰ, সামাজিক শিক্ষাৰ বাবে বয়স্ক সকলৰ স্কুল, টেকনিকেল আৰু ইঞ্জিনিয়াৰিং স্কুল, সংস্কৃত শিক্ষাৰ টোল, ইছলামিক শিক্ষাৰ বাবে মাদ্ৰাচা, নেচনেল কেডেট ক'ৰ্পচ, বয়স্কৰ শিক্ষাৰ অনুষ্ঠান ইত্যাদি অনেক অনুষ্ঠান আছে।

ওপৰৰ প্ৰত্যেক শ্ৰেণীৰ অনুষ্ঠানৰ বাবে সাধ্য অনুসৰি যোৱা কেইবছৰ নানাভাৱে সংস্কাৰ আনিবলৈ চেষ্টা কৰা হৈছে।

প্ৰাইমেৰী স্কুলবিলাক আন সকলোবোৰ অনুষ্ঠানৰ আধাৰস্বৰূপ। আগেয়ে প্ৰাইমেৰী স্কুলবিলাক "Local Body" আৰু শিক্ষা বিভাগৰ অধীনত এটা দ্বৈত শাসনৰ তলত আছিল। আৰু ইয়াৰপৰা নানা প্ৰকাৰ বেমেজালি উপস্থিত হৈছিল। নতুন প্ৰাইমেৰী ব্লক হোৱাৰ পাছত ১৯৪৮ চনৰ শেষ ভাগত প্ৰাইমেৰী স্কুল বিলাকৰ পৰিদৰ্শনৰ কাম সুচাকৰূপে চলাবৰ নিমিত্তে 'চৰ ইন্সপেক্টৰ' আৰু "এছিষ্টেণ্ট ইন্সপেক্টৰৰ" সংখ্যা বঢ়োৱা হয়।

আগৰেপৰা প্ৰাইমেৰী স্কুলৰ শিক্ষকসকলক উপযুক্ত কৰি তোলোতে ভালেমান দিন লাগিব। কিন্তু অবিৰাম গতিৰে কামত আগবাঢ়ি যোৱা

হৈছে। প্রাইমেৰী স্কুলসমূহৰ ভিতৰত ঠায়ে ঠায়ে একোটা আদর্শ স্কুল (Model School) পাতিবলৈ আৰম্ভ কৰা হৈছে। ভালেমান স্কুলত কৃষি আৰু শিল্পৰ সজুলি দি ছাত্রসকলক কার্যকৰী জ্ঞান দিবৰ চেষ্টা কৰা হৈছে।

শিক্ষকসকলৰ দৰমহা যোৱা কেইবছৰৰ ভিতৰত আগতকৈ তিনিগুণ বঢ়োৱা হৈছে। ১৯৪৯ চনৰ ১ ফেব্রুৱাৰীৰপৰা অসম চৰকাৰে বাধ্যতামূলক প্রাইমেৰী শিক্ষা চলাবলৈ স্থিৰ কৰে।

অনেক দিনৰ আগতে মহামতি গোখলেৰদ্বাৰা পৰিকল্পিত বাধ্যতামূলক প্রাথমিক শিক্ষা প্রথমতে অসম চৰকাৰে অসীম সাহসেৰে হাতত লয়। বাধ্যতামূলক শিক্ষাৰ অঞ্চল দিনে দিনে বঢ়াই অনা হৈছে। প্রাথমিক শিক্ষাৰ বাবে খটোৱা খৰচৰ পৰিমাণ বর্তমান বছৰত ৬৫ লক্ষ্য মান হৈছেগৈ।

মাধ্যমিক স্কুলবিলাকৰ মাজত কিছুমান বিভাগো আছে। যেনে,

(a) Middle Vernacular School
(b) Middle English School
(c) Middle Madrasa School and Middle English Madrasa
(d) Middle Sanskrit School.

বর্তমান প্রায় চাৰিশ Middle English School আৰু তিনিশৰো অধিক Middle Vernacular School আছে। এইবিলাক স্কুলত শিক্ষা দিবৰ কাৰণে নর্মাল স্কুল পাছ কৰা শিক্ষকৰ আৱশ্যক। অসমত আগেয়ে যোৱহাট আৰু ছিলচৰত মাথোন দুখন নর্মাল স্কুল আছিল। যোৱা দুবছৰৰ ভিতৰত চতিয়া আৰু হাউলীত নতুনকৈ দুখন নর্মাল স্কুল পতা হৈছে। মাধ্যমিক শিক্ষা যাতে এটা পূর্ণাঙ্গ ভাৱৰ শিক্ষা হয় তাৰ বাবে যত্ন লোৱা হৈছে।

অনেক ছাত্রই মাধ্যমিক পৰীক্ষা পাচ কৰিয়েই তেওঁলোকৰ শিক্ষা শেষ কৰিবলগীয়াত পৰে। সেই মাধ্যমিক পৰীক্ষাটো সুশৃঙ্খল আৰু

উন্নত ধৰণৰ কৰিবৰ নিমিত্তে এটা সুকীয়া বোৰ্ডৰ অধীনলৈ অনাৰ বিষয়ে আলোচনা আৰম্ভ হৈছে। ইয়াৰপৰা হাইস্কুলৰ শিক্ষা উন্নত হব বুলি আশা কৰা যায়। মাধ্যমিক আৰু প্ৰাইমেৰী স্কুলবিলাকৰ উপযুক্ত পৰিদৰ্শনৰ নিমিত্তে ডেপুটী ইন্সপেক্টৰবিলাকৰ সংখ্যা বঢ়োৱা হৈছে। পাৰ্ব্বত্য অঞ্চলৰ শিক্ষালৈও বিশেষ মনোযোগ দিয়া হৈছে। অলপতে নগা পাহাৰ আৰু মুচাই পাহাৰত একোজনকৈ ডেপুটী ইন্সপেক্টৰ দিয়া হৈছে।

১৯৫০ চনৰ পাছত ভাৰত চৰকাৰে টকা দিব নোৱাৰো বুলি কোৱাত 'বুনিয়াদি শিক্ষা'ৰ প্ৰচাৰত এটা ভীষণ বাধা আহি পৰে। তথাপি 'বুনিয়াদি' বিভাগে প্ৰায় নব্বৈখন প্ৰাইমেৰী স্কুল 'বুনিয়াদি'লৈ লৈছে। ম্বিলং আৰু বহাত দুখন উচ্চ বুনিয়াদি বিদ্যালয় আৰম্ভ কৰা হৈছে। শিক্ষা প্ৰচাৰৰ বাবে উপযুক্ত বেচৰকাৰী স্কুলকো সাহায্য দিয়া হয়। কিছুমান বাধা পোৱাৰ পাছত বুনিয়াদি শিক্ষা নতুন উদ্যমেৰে প্ৰচাৰ কৰিবৰ বাবে চেষ্টা আৰম্ভ হৈছে। বুনিয়াদি শিক্ষাৰ মৰ্ম্ম আমাৰ মানুহে এতিয়াও ভালদৰে বুজিবৰ চেষ্টা কৰা নাই।

আমাৰ দেশৰ নিৰক্ষৰতা দূৰীকৰণৰ অৰ্থাৎ Mass Literacy Department ক সংস্কাৰ কৰি আৰু এটা নতুন অধ্যায়ৰ দি এটা Adult Education অৰ্থাৎ বয়স্কসকলৰ শিক্ষা পদ্ধতি আৰম্ভ কৰা হৈছে। ইয়াকে সামাজিক শিক্ষা বা Social Education বোলা হয়।

এজন মানুহক কেৱল আখৰ চিনোৱাই যথেষ্ট নহয় প্ৰত্যেক মানুহে শ্ৰেষ্ঠ নাগৰিক হিচাবে তেওঁৰ দায়িত্বৰ কথাও বুজিব লাগিব।

—×—

স্থানীয় স্বায়ত্ব শাসন

আমাৰ নিজ ঠাইৰ অর্থাৎ নিজৰ গাওঁ, চহৰ, মহকুমা বা জিলাৰ শিক্ষা, স্বাস্থ্য, বেহা-বেপাৰ, বাট-ঘাট, যান-বাহন আদি সম্বন্ধে আমাৰ দৈনিক জীৱনত লাগতীয়াল কথাবিলাক স্থানীয় মানুহৰ বিচাৰ আৰু বিবেচনাৰে চলাবৰ নিমিত্তে আজিকালি যিটো নিয়ম কৰা হৈছে তাক "স্থানীয় স্বায়ত্ব শাসন" বোলা হয়। স্থানীয় স্বায়ত্ব শাসনৰ মৰ্ম্ম আগৰ দিনতো আমাৰ দেশত গ্ৰাম সমাজ আদিত মানুহে বুজিব পাৰিছিল। বহুত-পৰিমাণে ইয়াক কামতো খটাইছিল। কিন্তু যোৱা দুশমান বছৰৰ ভিতৰত নানা কাৰণত অতি প্ৰাচীন কালৰেপৰা আমাৰ দেশত চলি অহা গাঁৱলীয়া পঞ্চায়ত আৰু সমাজ আদিত বাধা আহে আৰু কাৰ্য্য-কৰী ক্ষমতা লোপ পাই যায়। এতিয়া চৰকাৰে আকৌ নতুন ধৰণে সেইবিলাকক জীৱিত কৰা আৱশ্যক বুলি বুজিব পাৰিছে। চৰকাৰ এই-বিষয়ে চেষ্টা কৰিছে। যিটো চৰকাৰী বিভাগে এই সম্পৰ্কে কাম চলায় সেইটো বিভাগক স্থানীয় স্বায়ত্ব শাসন বিভাগ (Department of Local Self Government) বোলা হয়। ভাৰতবৰ্ষত ১৯১৯ চনত নতুন শাসন সংস্কাৰ হোৱাৰেপৰা একোজন মন্ত্ৰীয়ে প্ৰত্যেক প্ৰদেশতে এই স্বায়ত্ব শাসন বিভাগটো চলাবলৈ লৈছে।

আমাৰ দেশত বৰ্ত্তমান স্থানীয় স্বায়ত্ব শাসনৰ বাবে কলিকতা, বোম্বাই, মাদ্ৰাজ আদি মহানগৰীৰ মিউনিচিপালিটিবিলাকক কৰ্পোৰেচন (Corporation) বোলা হয়। কৰ্পোৰেচনৰ লগে লগে এইবিলাক নগৰৰ উন্নতিৰ কাৰণে "ইমপ্ৰুভমেণ্ট ট্ৰাষ্ট" (Improvement Trust) বা ডেভেলপমেণ্ট ট্ৰাষ্ট (Development Trust) আদি খোলা হৈছে একোটা কৰ্পোৰেচনৰ কাম বহুত। একোটা কৰ্পোৰেচনৰ আয় ব্যয়ৰ পৰিমাণও সৰু সুৰা একোখন প্ৰদেশৰ আয় ব্যয়তকৈও বেছি বুলি কলে বঢ়াই কোৱা নহ'ব।

অনেক চহৰত 'মিউনিচিপালিটি' আছে। এই মিউনিচিপালিটি বিলাকে কৰ লগাই টকা আয় কৰে। সেই টকা চহৰৰ স্বাস্থ্য, শিক্ষা, বাট ঘাট আদিৰ মেৰামতি, চহৰৰ পানী, পোহৰ দিয়া, চহৰ পৰিষ্কাৰ কথা আদি নানা কামত খৰচ কৰা হয়। চহৰৰ মানুহে ভোট দি এই মিউনিচিপালিটিবোৰ চলোৱা মানুহক নিৰ্বাচিত কৰে। আগেৰে চৰকাৰে নিযুক্ত কৰা মানুহক মিউনিচিপালিটি চলোৱা কামত বহুতখিনি দায়িত্ব দিয়া হৈছে। কিন্তু এতিয়া চহৰত বাসকৰা মানুহে ভোট দি মিউনিচিপালিটি চলোৱা কমিটিৰ প্ৰায় সকলোখিনি সভ্যকে নিযুক্ত কৰিবলৈ লৈছে। মিউনিচিপালিটি নহলে মানুহ নিৰাপদে থকাৰ কোনো উপায় নোহোৱা হ'লহেঁতেন। আটাইবোৰ চহৰত এতিয়াও মিউনিচিপালিটি হৈ উঠা নাই। কিন্তু মিউনিচিপালিটিৰ সংখ্যা দিনক দিনে বাঢ়ি আহিছে। ১৯৩৫-৩৬ চনত গোটেই বৃটিছ ভাৰতবৰ্ষত ৭৮১ টা মিউনিচিপালিটি আছিল। ১৯২৫-২৬ চনত গোটেই ভাৰতবৰ্ষৰ হিচাবত দেখা যায় যে বৃটিছ ভাৰতবৰ্ষত ২৩১৬ খন চহৰৰ ভিতৰত ৭৬৭ খন চহৰত হে মিউনিচিপালিটি হৈছে। আৰু গোটেই ভাৰতবৰ্ষত চহৰত বাস কৰা মুঠ ৩০৫ লক্ষ মানুহৰ মাজত ১৯০ লক্ষ মানুহে মিউনিচিপালিটিৰ সুযোগ পাইছে। মিউনিচিপালিটি বিলাকে মানুহৰ সম্পত্তি, দোকান-বজাৰ, যান-বাহন, আমদানি বপ্তানি, পানী পোহৰ, আমোদ প্ৰমোদ, ব্যৱসায়-বাণিজ্য আদিৰ ওপৰত টেক্স বহুৱাই আয় কৰে। এই আয়ক চহৰৰ শিক্ষা, স্বাস্থ্য আদি চলোৱা কামত খৰচ কৰে। চহৰৰ অধিবাসীসকলে নিৰ্বাচন কৰা প্ৰতিনিধিসকলে চৰকাৰে মনোনীত কৰা কেইজনমান প্ৰতিনিধিৰ লগত যোগ হৈ মিউনিচিপালিটিৰ কাম চলায়। এই প্ৰতিনিধি-বিলাকক কমিছনাৰ বোলে। মিউনিচিপালিটিৰ কমিছনটোক মিউনিচিপালিটি বৰ্ড বোলে, এই ব'ৰ্ডৰ মুৰব্বীজনক 'চেয়াৰমেন' বোলে। এই বৰ্ডৰ সভ্য বেছিভাগ মিউনিচিপালিটিতে বৰ্ডৰ সভাপতিজন আৰু কমিছনাৰ সকলবৰ্দ্ধাৰা নিৰ্বাচিত হয়। কোনো কোনো ঠাইতহে চেয়াৰ-মেনজন চৰকাৰবৰ্দ্ধাৰা মনোনীত হয়। ১৯২৫-২৬ চনৰ হিচাবত পোৱা যায়

যে, বৃটিছ ভাৰতবৰ্ষত মুঠ ৭৪৯ খন মিউনিচিপালিটিৰ ভিতৰত ৬৮১ খন মিউনিচিপালিটিৰ চেয়াৰমেন নিৰ্বাচিত কৰা হৈছিল। বাকী ৬৮ খন মিউনিচিপালিটিৰ চেয়াৰমেন চৰকাৰৰ দ্বাৰা মনোনীত হৈছিল।

কৰ্প'ৰেচন—কলিকতা, বোম্বাই, মাদ্রাজ আদি মহানগৰীত মিউনিচিপালিটিৰ কাম চলাবৰ নিমিত্তে এ'কোটা ডাঙৰ প্ৰতিষ্ঠান আছে। সেইবোৰক কৰ্প'ৰেচন বোলে। কৰ্প'ৰেচন চলোৱা সভ্যৰ সভাপতিজনক মেয়ৰ বোলা হয়। ৯২ জন সভ্যৰ ভিতৰত দহজন চৰকাৰে মনোনীত কৰা সভ্য আছে। আটাইকেইজন সভ্যই গোট খাই ৫ জন বেলেগ সভ্য নিৰ্ব্বাচিত কৰে। এওঁলোকক এল্ডাৰমেন বোলা হয়। এল্ডাৰমেন কেইজনৰ সৈতে মুঠ সভ্য সংখ্যা ৯২ জন।

কলিকতা, বোম্বাই আদি চহৰৰ আকাৰ যেনে বৃহৎ সেইদৰে ইয়াৰ কৰ্প'ৰেচনবোৰৰ কাম আৰু আয় ব্যয়ো অনেক বেছি।

নিজৰ ঠাইৰ মানুহে নিজৰ কথা ভালদৰে বুজিব পাৰে। নিজৰ কি কি অভাৱ আৰু কোনটো কথা কেনেদৰে হলে সুবিধা হয় তাক ভালদৰে বুজি পায়। বাহিৰৰ মানুহ যিমানেই বুদ্ধিবান আৰু উপযুক্ত নহওক তেওঁলোকে এইবিলাক কাম কৰি দিব ওলালে শাসন কাৰ্য্যৰ প্ৰতি মানুহৰ কেতিয়াও বাপ নাথাকে।

দ্বিতীয়তে, নিজে টকা তুলি তাক চলোৱা নিজৰ মতে হব বুলি আশা কৰিব পাৰি। আনৰ মুখলৈ চাই থাকিলে ঠিকমতে টকা পোৱা নাযায়েই। তাৰ উপৰি টকা পালেও তাক হিচাবমতে খৰচ কৰিবলৈ সাধাৰণ মানুহৰ প্ৰবৃত্তি নেথাকিবও পাৰে।

তৃতীয়তে স্থানীয় স্বায়ত্ব শাসনৰপৰা মানুহে শাসনৰ কামৰ বাবে শিকনি পায়। শাসন কাৰ্য চলোৱা অতি টান কাম। স্থানীয় স্বায়ত্ব শাসনও মানুহে নিজৰ মৌজা; নিজৰ চহৰ বা নিজৰ গাওঁ আদিত ভোট দি সভ্য নিৰ্ব্বাচন কৰে আৰু তাৰপৰা ভোট দিয়াৰ অৰ্থ আৰু তাৰ দায়িত্ব ভালদৰে বুজে।

আমাৰ দেশত বৰ্তমান সময়ত স্থানীয় স্বায়ত্ব শাসনৰ বাবে কলিকতা, বোম্বাই, মাদ্রাজ আদি নগৰত একোটাকৈ কৰ্পবেচন পতা হৈছে। সক সক নগৰবিলাকত মিউনিচিপালিটিও আছে। কৰ্পবেচনৰ যোগে এই-বিলাক নগৰত ইম্‌প্রুভমেণ্ট ট্রাষ্ট (Improvement Trust) আৰু ডেভলপ্‌মেণ্ট ট্রাষ্ট (Development Trust) খোলা হৈছে। নগৰৰ বাহিৰেও গাৱঁলীয়া ঠাইবিলাকত জিলা বোৰ্ড, লোকেল বোৰ্ড, ইউনিয়ন বোৰ্ড আদি আৰু ইয়াৰ প্ৰত্যেকটোৰ সম্বন্ধে নতুন নতুন কাৰ্যকৰী কমিটি পতা হৈ আছে।

—×—

মুদ্রা আৰু বিনিময়

নিচেই আদিম কালত মানুহৰ জীৱন যাত্ৰাৰ প্ৰণালী অতি সহজ ভাৱৰ আছিল। আৰু জীৱন ধাৰণৰ বাবে লাগতিয়াল বস্তুৰ প্ৰতি মোহো অতি কম আছিল। সেই দেখি সেই সময়ত এজোজন মানুহে নিজৰ বাবে দৰকাৰী বস্তুখিনি নিজেই কৰি লব পাৰিছিল। কিন্তু মানুহে যেতিয়া আদিম অৱস্থাৰপৰা আঁতৰি আহি ঘৰ-বাৰী আৰু সমাজ পাতি উন্নত অৱস্থালৈ আহিবলৈ ধৰিলে তেতিয়া সেই উন্নতিৰ লগে লগে বস্তু উৎপন্ন কৰাৰ বিষয়তো কিছুমান নতুন প্ৰণালীয়ে দেখা দিলেগ অতি পূৰ্ব্বতে একোজন মানুহৰ সহজ আৰু আদিম ধৰণৰ জীৱন যাপনৰ কাৰণে যি কেইবিধ বস্তুৰ দৰকাৰ হৈছিল তাৰে নিজৰ নিজৰ বণিজ ঘৰতে কৰি লব পাৰিছিল। কিন্তু সমাজৰ উন্নতিৰ লগে লগে মানুহে নিজ শক্তিৰ প্ৰকৃতি অনুসাৰে বেলেগ বেলেগ কামত লাগি যাবলৈ ধৰিলে। ইয়াকেই বোলে শ্ৰম বিভাগ বা Division of Labour.

শ্ৰম বিভাগৰ ফলত এয়ে হল যে এদল মানুহে নিজৰ সুযোগ অনুসাৰে কিছুমান বস্তু উৎপন্ন কৰে, কিন্তু আন এদলে আন বস্তুহে উৎপন্ন কৰে। নিজৰ শক্তি আৰু শিক্ষা অনুসাৰে বস্তু বাচি লৈ উৎপন্ন কৰাৰ বাবে উৎপন্নৰ পৰিমাণ বেছি হল। কিন্তু ইয়াৰ লগে লগে এজনে নিজৰ উৎপন্ন বস্তু সলাই আনে উৎপন্ন কৰা বস্তু বিচাৰি লব লগাত পৰিল। এইদৰেই হ'ল বিনিময় অৰ্থাৎ 'Exchange' ৰ উৎপত্তি।

আজিকালি বিনিময়ৰ সকলো কাম মুদ্ৰাৰ সহায়েৰে চলোৱা হয়। এজন মানুহে যদি কাপোৰ বোৱে তেনেহলে তেওঁ কাপোৰ বেচি তাৰ ধনেৰে নিজৰ আৱশ্যকীয় চাউল, লোণ, তেল আদি কিনিব পাৰে। মুদ্ৰাৰ প্ৰচলন হোৱাৰ বাবে এবিধ বস্তুৰ সলনি আন এবিধ কেনেকৈ

পাব পৰা হব তাৰ বাবে মানুহে ভাবিব নালাগে। মুদ্রাৰ প্রচলনৰপৰা আমাৰ কিমান সুবিধা হৈছে তালৈ হয়তো আমি মনেই নকৰোঁ। কিন্তু মুদ্রাৰ প্রচলন নাথাকিলে আমি সংসাৰ চলোৱাত কিমান অসুবিধাত পৰিব লাগিলহেঁতেন তাক বস্তু সলনি বা barter ৰ বিষয়ে ভাবিলেই অনুমান কৰিব পাৰি। অকল বস্তুৰ সাল সলনি কৰি চলিব লাগিলেই ভালেমান কথাৰ মিল হব লাগে। প্রথমতে ধৰি লোৱা হওক যে, এজন মানুহৰ ঘৰত ধান আছে, আন এজনৰ ঘৰত মৰাপাট আছে। এতিয়া ধান থকা মানুহজনৰ যদি মৰাপাটৰ আৱশ্যক হয় তেনেহলে ধান সলাই মৰাপাট পাবৰ বাবে মৰাপাট থকা মানুহজনৰো ধানৰ আৱশ্যক হব লাগিব। এজনৰ অভাৱৰ সৈতে আন এজনৰ মিল নহলে বস্তু সাল সলনি হব নোৱাৰে। সুবিধামতে বস্তুৰ সাল সলনি কৰি লব পাৰিলে দুয়োপক্ষৰ লাভ হয়, আক বস্তু লওঁতা আক বস্তু দিওঁতা দুয়োজনৰে উপকাৰ হয়। কিন্তু আজিকালি জীৱিকাৰ উন্নতি হোৱাৰ লগে লগে প্রত্যেকজন মানুহৰ ইমান বিবিধ ধৰণৰ বস্তুৰ আৱশ্যক হৈ পৰিছে যে আগৰধৰণে বস্তুৰ সাল সলনি কৰি চলা অসম্ভৱ। মুদ্রা, টকা-পইচা আদিৰ প্রচলন হোৱাৰপৰা মানুহে যজাৰত নিজ ইচ্ছামতে বস্তু কিনা বেচা কৰিব পাৰে।

বস্তু সলনি কৰোঁতে যিমানবিলাক জটিল সমস্যা আহি পৰে তালৈ চালে মুদ্রা প্রচলনৰপৰা যে আমাৰ কিমান উপকাৰ হৈছে তাক সহজে বুজিব পৰা যায়।

আকৌ সলনিত ডাঙৰ বিপদো আছে। ধৰা হওঁক এজন কাপোৰ বোৱা মানুহৰ কাপোৰ আছে আক এই কাপোৰ সলাই সি চাউল লোণ, তেল আদি কিনিব লাগে। ধৰি লোৱা যাওঁক যে মানুহজনে তৈয়াৰ কৰা কাপোৰখনৰ বদলি এমোন চাউল বা ডেৰমোন লোণ নাইবা দহ সেৰ মিঠাতেল পোৱা যায়। কিন্তু মানুহজনক লাগে মুঠে পাঁচ সেৰ চাউল, এসেৰ লোণ আক আধাসেৰ মিঠাতেল। এতিয়া সি কাপোৰখন টুকুৰা টুকুৰকৈ কাটিলেহে এইবিলাক বস্তুৰ দামেৰে সৈতে কাপোৰৰ

পৰিমাণ মিলাব পাৰিব। কিন্তু সি কাপোখন টুকুৰা-টুকুৰকৈ কাটিলে কাপোৰখন একেবাৰে নষ্ট হৈ যাব, আৰু তাক কোনেও গ্ৰহণ নকৰিব; সেই মানুহজনে এই বস্তুবোৰ পোন্ধা অসম্ভৱ হৈ পৰিব।

আকৌ ধৰা হওঁক এজন মানুহৰ ছাগলী এজনী আছে। ছাগলী-জনী সলাই কাগজ পেঞ্চিল, লোণ, তেল আদি কিনিব লগাত পৰিলে এনেকুৱা হব পাৰে যে ছাগলীজনীৰ পঞ্চাশ ভাগৰ এভাগেৰেহে লোণ তেল চাউল, তিনিভাগৰ এভাগেৰেহে কাপোৰ কানি কিনিব লগাত পৰিব। তেতিয়া তেওঁ ছাগলীজনী টুকুৰা-টুকুৰ কৰি কাটিলেহে হব। কিন্তু সেইদৰে কাটিলে ছাগলীৰ আৰু অস্তিত্বই নেথাকিব। কিন্তু ছাগলীৰ গৰাকীয়ে সেইবিলাক বস্তু কিনি লওঁতে কিমান যে অসুবিধাত পৰিব লাগিব তাক ভাবিলে আচৰিত হব লাগিব। মুদ্ৰাৰ প্ৰচলনৰ কাৰণে আমি এই অসুবিধাবোৰৰ কথা কল্পনাও কৰিব নোৱাৰো।

বস্তুৰ সলনিৰ বিষয়ে আৰু বহলাই কোৱাৰ আৱশ্যক নাই। টকাই হৈছে সাধাৰণ বিনিময়ৰ ঘাই আধাৰ স্বৰূপ। যেতিয়া টকাৰ ব্যৱহাৰ চলে তেতিয়া আটায়ে নিজ নিজ বস্তুৰ মূল্য টকাৰ হিচাপত কৰে। টকা মানুহে নেখায় কিন্তু টকা সকলোৱে বিচাৰে কিয়নো টকাৰে আন সকলো দৰকাৰী বস্তু পাব পাৰি। এইবাৰে টকাৰ যদিও নিজৰ মূল্য একো নাই সি বস্তুৰ মূল্যৰ ওপৰত কৰ্তৃত্ব কৰি আছে। কাগজৰ টকা অৰ্থাৎ Paper Money ৰ বিষয়ে এই কথা সম্পূৰ্ণকৈ খাটে। কিন্তু এটা কথা পাহৰিব নালাগিব যে বস্তু সলনি মূল ভাবটো প্ৰাকৃতিক, সি কৃত্ৰিম নহয়। উৎপাদন কাৰ্যত লাগি থকা সকলো মানুহে বস্তু বেচিব লগাত পৰিব আৰু কিনিবও লাগিব। গতিকে বিনিময় কথাটো স্বভাৱজাত। মুদ্ৰাই এই বিনিময়ক সহায়হে কৰে। বিনিময় বস্তু সলনিৰে এটা ৰূপান্তৰ মাথোন। অৰ্থনীতিবিদসকলে আধুনিক আন্তৰ্জাতিক বাণিজ্য (International trade) আৰু আদিম বস্তুৰ সলনিৰ মাজত এটা প্ৰকৃতিগত সামঞ্জস্য যে আছে তাক বিশ্লেষণ কৰি দেখুৱাইছে।

— x —

হিন্দু ধর্ম

হিন্দু ধর্ম অতি প্রাচীন ধর্ম। ধর্মশাস্ত্র সমূহৰ মাজত সামান্য বিৰোধও আছে। অনেক শাস্ত্রই বিধি নিষেধেৰে হিন্দুজাতিৰ জীৱনৰ গতি নিয়ন্ত্রিত কৰিছে। এই নানাবিধ নিষেধৰ প্রতাপতে হিন্দু জাতি এটা সম্পূর্ণ গণ্ডীৰ ভিতৰত আৱদ্ধ হৈ আছে। এইবাবেই হিন্দুজাতিৰ পৰিসৰ ক্রমে কমি গৈছে। অথবা এই কাৰণেই আনহাতে হিন্দুজাতি ইমানদিনে জীয়াইও আছে। অতীত কালবেপৰা হিন্দুয়ে এই বদ্ধ অৱস্থাত জীৱন যাপন কৰি আহিছে। এই সংযম অৱস্থাত থকাত সম্পূর্ণ অভ্যস্ত বুলিহে হিন্দুৰ পক্ষে এই বিধি নিষেধ মানি চলা সম্ভৱপৰ হৈছে। হিন্দুৰ জীৱন তৰণীও দুটা বিৰোধী শক্তিৰ আকর্ষণত পৰি এফালে প্রাচীন নীতি আৰু বিধি নিষেধৰ শিকলিৰে বান্ধি, আনহাতে বিপুল শক্তিশালী সময়ৰ সোঁতে অনবৰত টানিব লাগিছে।

এই বিধি নিষেধে যিয়েই নকৰক আৰু এইবোৰৰ পৰা আমি যিমানেই অসুবিধা নাপাওঁ, তথাপি এইবোৰৰ এটা উপকাৰো আছে। এইবোৰ নহলে আমাৰ জীৱন যাত্রা কোনোমতে নির্বাহিত নহয়। প্রবৃত্তিবোৰে ইচ্ছামতে বিচৰণ কৰিলে ব্যক্তি বা সমষ্টিৰ জীৱন দুর্ব্বহ হৈ পৰে। তাকে সংযত কৰি সহজ সবল গতিত এটা লয়, ছন্দলৈ আমি তাল মান বান্ধি চলিবলৈ হলে বিধি নিয়মৰ প্রয়োজন। বিধি নিষেধ, ৰীতি-নীতিয়ে এইবাবেই বোধহয় হিন্দুৰ সমাজত সমাদৰ লাভ কৰি আহিছে।

স্মৃতি মানে হ'ল স্মৰণ। স্মৰণ কৰিবলৈ হলে আগে এটা বস্তুৰ সৈতে প্রত্যক্ষ হব লাগিব আৰু তাকে পাছত অনুভূতি কৰাই হৈছে স্মৰণ। আমাৰ স্মৰণৰ এই পূর্ব্বানুভূত বস্তু হৈছে বেদ বা শ্রুতি। শ্রুতি শব্দৰ সাধাৰণ অর্থ হল শুনা কথা। বেদেই হিন্দু শাস্ত্রৰ গুৰু আৰু বেদেই সকলো বিধি নিষেধ স্মৃতিৰ আকৰ। বেদ নোহোৱা

বিধি নিষেধ হিন্দুৰ মান্য নহয় আৰু তাৰ প্ৰভুত্বও নচলে। গতিকে বেদত আশ্ৰয় লৈছে সকলো অনুশাসনে হিন্দুৰ ওপৰত প্ৰভুত্ব চলাবলৈ সুবিধা পাইছে। বৈদিকসকলৰ (তথা হিন্দুৰ) মতে বেদেই সত্য, জ্ঞানময়। ইয়াৰ বাণী গাঁৱ বলেৰে কোৱা বাণী নহয়। যুক্তিৰ বলত বেদৰ বাণী লিখা হৈছে।

শব্দ নাথাকিলে আমি ধৰ্ম বুলি এটা বস্তুৰ অস্তিত্বকে নাপালোঁ-হেতেন। প্ৰাচীন মীমাংসাৰ প্ৰথম অধ্যায়ত এই শব্দৰ বিষয়ে অনেক যুক্তি তৰ্কৰ অৱতাৰণা কৰা হৈছে। বাক্যৰ প্ৰয়োজন কোনো এটা অনুভূত বা জ্ঞাত বস্তুক আনক অনুভৱ কৰোৱা। স্মৃতি শাস্ত্ৰ বাক্যময় আমি সকলো মানুহে পূৰ্বে অনুভূত কোনো এটা বস্তুক স্মৰণ কৰি তাকে বাক্যৰ দ্বাৰা আনক জনাও। গতিকে আমাৰ কথাবোৰ স্মৃত অৰ্থাৎ প্ৰকাশক। এনেদৰে ক'ব পাৰো, মনু আদি মহৰ্ষিসকলে নিজে প্ৰণয়ন কৰা গ্ৰন্থত তেওঁলোকে কোনো উপায়েৰে জনা বস্তুবোৰকে স্মৰণ কৰি লিখি থৈ গৈছে। সেয়েহে সেই শাস্ত্ৰবোৰক 'স্মৃতি শাস্ত্ৰ' বা "স্মৰণ গ্ৰন্থ" বোলা হয়। গতিকে পূৰ্বে অনুভূত কোনো বস্তুবিষয়ক জ্ঞানকে স্মৃতি বা স্মৰণ বোলা হয়—যাক আমি সোঁৱৰণো বোলো। পূৰ্বে কোনো প্ৰমাণৰদ্বাৰা যদি কথাটো বা বস্তুটো জনা নাযায় তাৰ স্মৰণ বা তাক সুবুঁৰি বাক্যৰে প্ৰকাশ কৰা অসম্ভৱ। ভট্টপাদে তন্ত্ৰ-কৰ্ত্তিকত কৈছে—

"পূৰ্ব্ব বিষয় বিজ্ঞানং স্মৃতি কথ্যতে
পূৰ্ব্ব জ্ঞানাদ্ধনা তস্যা প্ৰামাণ্যং নবেধ্যায়তে।"

প্ৰশ্ন হব পাৰে, মনু আদি মহৰ্ষিসকলে প্ৰকাশ কৰা অৰ্থবোৰ কেতিয়া প্ৰত্যক্ষ কৰিছিল? কি প্ৰমাণেৰে কেনেকৈ অনুভৱ কৰিছিল। এই প্ৰশ্নৰ সমাধানত পূৰ্ব্ব মীমাংসাত স্মৃত্য ধিকৰণৰ অৱতাৰণা কৰি যুক্তি তৰ্কৰে সিদ্ধান্ত কৰি গৈছে। বাহুল্যৰ ভয়ত ইয়াত সেইবোৰ আলোচনা কৰা নহ'ল। মাত্ৰ দুই এটা সমৰ্থন বাক্যহে দিয়া হ'ল। তেওঁলোকৰ মতে যি বস্তুৰ অস্তিত্বৰ ওপৰত যাৰ সত্তা নিৰ্ভৰ কৰে

তাৰ অস্তিত্ব জনা যায়। যেনে—সাধাৰণতে মানুহৰ স্থূলতা সু-স্বাস্থ্য, সু খাদ্যৰ ওপৰত নির্ভৰ কৰে। গতিকে স্থূলতা দেখিলে তাৰ কাৰণ প্রত্যক্ষ নহলেও কাৰণ সুখাদ্যৰ অনুমান কৰিব পাৰি বা আছে বুলি লব পাৰি। এই স্মৃতি শাস্ত্র বচনায়ো নিজৰ প্রকাশিত অর্থৰ অনুভূতিৰ অস্তিত্বৰ ওপৰত নির্ভৰ কৰে। গতিকে ইয়াৰদ্বাৰা (স্মৃতি বচনা কার্যৰদ্বাৰা) মনু আদি মহর্ষি সকলৰ প্রকাশিত অর্থ বিষয়ক অনুভূতি আছিল বুলি অনিচ্ছা স্বত্বেও স্বীকাৰ কৰিব লাগিব। মহর্ষি মনুয়ে কয়—"বেদক শ্রুতি আৰু ধর্মশাস্ত্রক শ্রুতি বোলা যায়। এই শ্রুতি আৰু স্মৃতিক প্রতিকূল তর্কৰে মীমাংসা কৰিব নালাগে। যিহেতু তাৰপৰাই ধর্মই স্বতঃস্ফূর্তভাৱে প্রকাশ পাইছে। ভাষ্যকাৰ মেধাতিথিয়ে লিখিছে—

"যৎ কার্য্য মর্ম্মপ্রাপ্ত্যর্থং তদ্ধর্ম্ম
শাস্ত্রেং যত্র ধর্ম্ম শিষ্যতে কর্ত্তব্য
তথা প্রতীয়তে সা স্মৃতি।
যত্র শ্রায়তে ধর্ম্মশাসনে শব্দ সা শ্রুতি
যত্রচ স্মর্যতে সা স্মৃতি স্মৃতিশ্চ ধর্ম্ম।"

অমৰসিংহ আৰু শুক্রাচার্যই কয় বেদ অন্ৱবোধী। ধর্মৰ স্মৰণ যত আছে আৰু য'ত অর্থশাস্ত্রৰ কীর্ত্তন আছে তাৰ নাম স্মৃতি।

হিন্দুৰ জীৱনৰ গতি দুটা; এটা ঐহিক আৰু আনটো পাৰত্রিক। যি বিধি বা নিষেধ জীৱনৰ কোনো উদ্দেশ্য সাধনতে সহায় নকৰে সি স্বতন্ত্রতে অপ্রমাণ বা নিৰর্থক হ'ব। গতিকে আমাৰ 'স্মৃতি'ৰ বিধি নিষেধবোৰ আমাৰ জীৱন সংগ্রামত এটা প্রয়োজন আছে বুলি ধৰিব লাগিব। যি বস্তুটি জীৱনৰ অস্তিত্বৰ লগত ওতঃপ্রোতভাৱে জড়িত তাক এৰিবৰ চেষ্টা কৰিলেও সি সহজে এৰা নিদিয়ে। গতিকে তাক কু-সংস্কাৰ বুলি বা সংকীর্ণতা বুলি ত্যাগ কৰিবলৈ যোৱাতকৈ সংস্কাৰ আৰু প্রসাৰ কৰি লোৱাটোৱেই বুদ্ধিমানৰ কাম হ'ব। আমাৰ স্মৃতি শাস্ত্রত এনে কিছুমান কথা আছে যিবোৰ বোলে সকলো ঠাইতে সকলো সময়তে আমাৰ জীৱনৰ লগত ওতঃপ্রোতভাৱে জড়িত হৈ আছে।

এই খাপ নোখোৱা কথাবোৰৰ লগতেই যেন আমাৰ টনা আজোঁৱা। গতিকে এই স্বভাৱতে খাপ নোখোৱা কথাবোৰ বাদ দিবও নোৱাৰি অথচ তাক ব্যৱহাৰ কৰিবা মানি চলিবও নোৱাৰি। এই কাৰণেই মূলতে স্মৃতি এক হলেও তাক দেশ আৰু কাল অনুযায়ী স্বাভাৱিকভাৱ মাজেদি খাপ খুৱাই লবৰ চেষ্টাতে ভাৰতৰ নানা ঠাইত "সমাজ তত্ত্ববিদ" সকলে ধর্মশাস্ত্ৰৰ অনুশাসন বোৰক দেশ কালৰ অনুকূলে ব্যাখ্যা কৰি নানা মতৰ সৃষ্টি কৰি গৈছে। আৰু তাৰ প্ৰকৃত অর্থ নুবুজি বা বুজিও তাক অৱমাননা কৰি অথবা তাক কাৰ্যকৰী কৰিব নোৱাৰি আজি হিন্দু সমাজ ছেদিলি ভেদেলি হৈছে। নানা কু-মত আৰু কু-তৰ্কৰ আশ্ৰয়ত পাপ পঙ্কিল হৈছে। হিন্দু সমাজৰ আজি কর্ণধাৰ বিহীন তৰীৰ দৰে অৱস্থা হৈছে। তীব্ৰ সোঁতত পৰা তৰীৰ যেনে অৱস্থা হয় ঠিক তেনে অৱস্থা হৈছে। আজিও যদি আমি পূৰ্ব্বাচার্যসকলৰ প্ৰদর্শিত পথেৰে আৰু তেওঁলোকে দেখুওৱা উপায়েৰে স্মৃতি শাস্ত্ৰৰ বিধি নিষেধৰ স্বভাৱৰ লগত পৰিচিত হব পাৰোঁ, তেনেহলে হয়তো সমাজৰ পঙ্কিল আবর্জনাবোৰ কিছু আঁতৰিব। আমাক এটা স্বস্তিৰ নিশ্বাস লবলৈ অৱসৰ দিব। আমি স্মৃতি শাস্ত্ৰৰ আলোচনাত পূৰ্ব্বাচার্য সকলৰ সাহায্য নলৈ নিজৰ সঙ্কীর্ণ দৃষ্টিৰে তেওঁলোকক সঙ্কীর্ণমনা বুলি আক্ষেপ কৰি নিজৰ কলুষ দৃষ্টি প্ৰয়োগ কৰোঁ বুলিহে তাৰ সমস্যাবোৰ আমাৰ কাৰণে অসাধ্য বোধ হয়।

সাধাৰণতে স্মৃতি শাস্ত্ৰক দুটা ভাগত ভগাব পাৰি। যেনে অদৃষ্টার্থক আৰু দৃষ্টার্থক। অথবা ধর্ম আৰু কর্মমূলক। যেনে—ভগ্নিবিবাহ নিষেধ। ইয়াত আমি নিষেধৰ একো অর্থকে বিচাৰি নাপাওঁ আৰু কিয় যে নিষেধ কৰিলে এনে প্ৰশ্নই মানুহৰ মনত নুঠে। ইয়াৰ নিষেধৰ ফল হল অদৃষ্ট গতিকে ই ধর্মার্থক স্মৃতি যাৰ হেতু জনা যায় তাৰ আকৌ প্ৰামান্যই নাথাকে। কিয়নো যদি এনেয়ে সি মানুহৰ বোধগম্য হেনে-হলে তাৰ বাবে শব্দ প্ৰামান্যৰ আৱশ্যক কি? দৃষ্টার্থক স্মৃতিৰ প্ৰামান্যও নাই। ধর্ম, অর্থ, কাম মোক্ষ এই চতুৰ্বর্গক বঞ্চা কৰিবলৈকে স্মৃতিৰ

প্রয়োজন। তাৰ বাবেই স্মৃতি ইয়াৰ ভিতৰত অৰ্থ আৰু কামনা প্রতিপাদক। স্মৃতি দৃষ্টার্থ হব পাৰে গতিকে দেশ আৰু কালৰ অনুকূলে সেই স্মৃতিৰ পৰিবর্তন হব পাৰে। ভাষাৰ সৈতে ব্যাকৰণৰ যেনে সম্বন্ধ ইহঁতৰ সৈতেও স্মৃতিৰ তেনে সংশ্লিষ্ট সম্বন্ধ আগেয়ে দেখুওৱা হৈছে যে বেদ অপৌৰুষেয় নিত্য অভ্রান্ত সত্য আৰু স্বতঃ প্রমাণিত। কিন্তু স্মৃতি হৈছে বেদ সাপেক্ষক। স্মৃতিয়ে যুগে যুগে বা কাণে কাণে দেশভেদে পৰিবর্তন হৈ থাকে। ইয়াৰ বিধান ঋষিসকলে কৰি গৈছে।

আজি আমাৰ সম্মুখত যিবোৰ সমস্যাই দেখা দিছে সেইবোৰ সাক্ষাতভাবে বেদৰ আলম লৈ উৎপন্ন হোৱা নাই। যিবোৰ সাক্ষাত-ভাবে বেদৰ আলম লৈ হোৱা সমস্যা তাক নির্দ্বিবাদে মানি চলাটোৱেই তাৰ সমাধান। বিধবা বিবাহ, অস্পৃশ্যতা বর্জন আদি সমস্যাবোৰৰ বাই অবলম্বন স্মৃতি শাস্ত্র আৰু মানুহৰ অভিকচি। তাৰ বাবে সাক্ষাতভাবে বেদক দায়ী কৰিব নোৱাৰি। স্মৃতি যদি বেদৰদৰে স্বতঃ প্রমাণিত আৰু অপৌৰুষেয় অপৰিবর্তনশীল হ'লহেঁতেন তেনেহলে তাৰ সমাধানো বেদৰ আলম নোহোৱা সমস্যাৰ দৰে হ'লহেঁতেন। কিন্তু স্মৃতিৰ স্বভাৱ পৰিবর্তন হয়।

এতিয়া স্মৃতিৰ যিকোনো অংশকে আমি অপ্রামান্য বুলি অবমাননা কৰিব নোৱাৰো; তেনে কৰিলে—

"যোঽ বে মন্যেত তে মূলে হেতু শাস্ত্রাশ্রয়া
দ্বিজঃ স সাধুর্ভির্বহি কার্য্যো নাস্তিকো বেদ নিন্দকঃ (২/১১ মনু)"

ইয়াক এটা সামঞ্জস্যতাৰ মাজেদি সিদ্ধান্ত কৰিব লাগিব। বেদ আকৌ কর্মপ্রধান, গতিকে কর্ম নহলে বেদোক্ত লঙ্ঘন কৰা হব। "অম্নায়স্য ক্রিয়ার্থত্বাদানর্থক্য মতদর্থানাম্। (১।২।১।২। মীমাংসা দর্শন)" গীতাত ভগবানে কৈছে—

"মানবস্তু কর্ম্মনি।"

স্মৃতি শাস্ত্রৰ ভিতৰত মনুৰে প্রাধান্য বেছি। কিন্তু মনুৰ বিপৰীত আচৰণ বহুত হ'ব লাগিছে, আৰু তাৰো যথেষ্ট প্রাধান্য আছে। এতেকে

বুজা যায়-মনু হ'ল সার্ব্বজনীন। আৰু যুগ স্বীকাৰ কৰা সকলৰ পক্ষে সকলো যুগতে দেশ কাল অনুসাৰে ইয়াৰ বিপৰীত বা তাৰ কম বেছি আচাৰো চলি আহিছে। আৰু সেই কাৰণে তাৰ বাবে যুক্তিৰ বিশেষ আৱশ্যক। বৃহস্পতিৰ উক্তি আছে—

"কেবলং শাস্ত্রমাশ্রিত্য নকর্ত্তব্যোর্থ নির্ণয়
যুক্তিহীন বিচাৰেতু ধর্ম্মহানি
সময়শ্চাপি সাধুনাং প্রজায়তে
প্রমাণং প্রমাণং বেদবৎ ভবেৎ।"

'কেৱল শাস্ত্রক আশ্রয় কৰি অর্থ ঠিক নকৰিব ; যুক্তিহীন বিচাৰত ধর্মহানি হয়।' অর্থাৎ এঠাইত আছে 'নষ্টে মৃতে প্রৱজিতে ক্লীবেচ পতিতে পতৌ" এনেদৰে ব্যৱস্থা কৰি স্ত্রীৰ দ্বিতীয় পতি গ্রহণৰ ব্যৱস্থা কৰিছে। কিন্তু অন্য ঠাইত তাৰে নিষেধ কৰিছে আৰু নিন্দা কৰিছে। গতিকে অগত্যা তেনেস্থলত যুক্তিৰদ্বাৰা সামঞ্জস্য ৰাখি অন্য অর্থ কৰিব লাগিব। সাধুসকলৰ সিদ্ধান্ত সমূহো বেদবাক্যৰদৰে প্রমাণিত হব। কিন্তু এই সিদ্ধান্ত বেদৰ অবিৰোধী অর্থাৎ অনুকূল হব লাগিব।

[স্বর্গীয় গোস্বামীদেৱৰ দীঘলীয়া প্রৱন্ধৰ এটা অংশহে ইয়াত প্রকাশ কৰা হ'ল।]

ধৰ্ম্ম

এদিন এগৰাকী সন্ন্যাসীয়ে গঙ্গা স্নান কৰি থাকোতে দেখিলে দুৰৈত এটা চেলাই পানীত পৰি পাৰবপিনে আহিবলৈ প্ৰাণপনে চেষ্টা কৰি আছে। চৌৰ কোবত সি কিন্তু উঠি আহিব পৰা নাই। তাৰ এই বিপদ দেখি এই সৰ্ব্বভূত হিতৈষী সন্ন্যাসীৰ অন্তৰত দয়া উপজিল। তেওঁ চেলাডালক ৰক্ষা কৰিবলৈ পানীত নামিল।

নদীৰ পাৰত বহি থকা এজন মানুহে ক'লে "বাবা, আপুনি কি কৰিছে? সেইডাল মহা হিংস্ৰ প্ৰাণী। তাক আপুনি কিয় ৰক্ষা কৰিব লৈ গৈছে? এতিয়া পানীত পৰিছে মৰক।" সন্ন্যাসীজনে সেই কথালৈ মন নকৰি চেলাটো ধৰোতে সি দিলে হাতত কামোৰ মাৰি। সন্ন্যাসীজনে যন্ত্ৰণাত উঃ উঃ কৰি উঠিল। পাৰত থকা মানুহজনে ক'লে "প্ৰভু, মই কৈছিলো নহয়, আপুনি কেনে পালে এতিয়া?"

সন্ন্যাসীয়ে ক'লে, "মই ইয়াক উদ্ধাৰ কৰিবই লাগিব। ইয়াৰ ধৰ্ম মানুহক কামোৰা। সেইদেখি মোকো কামুৰিলে। কিন্তু মোৰ ধৰ্ম প্ৰাণীক উপকাৰ কৰা। ই তাৰ নিজৰ ধৰ্ম ৰাখিলে। এতিয়া মইহে মোৰ ধৰ্মৰপৰা ভ্ৰষ্ট হ'মনে?" সেই বুলি হাতত গামোছা মেৰাই লৈ তেওঁ আকৌ চেলাডাল তুলিবলৈ আগুৱাই গ'ল।

—x—

সৰস্বতী পূজা

আজি দেৱী সৰস্বতীৰ পূজা। সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্রী দেৱী। আৰ্য জাতিৰ সাধনা আৰু কল্পনাৰ সুন্দৰ মূৰ্তি স্বৰূপা। আই সৰস্বতীয়ে ভিন ভিন দেশত ভিন ভিন মূৰ্তি ধৰি পৃথিৱীৰ সকলো মনীষীৰ মনো-ৰাজ্য অধিকাৰ কৰি আহিছে। মানৱ জাতিয়ে আজিলৈকে যিমান বিলাক শক্তিৰ অধিকাৰী হ'ব পাৰিছে তাৰ মাজতে আই সৰস্বতীয়ে দিয়া শক্তিখিনি অতি মহান। ইয়াৰ দ্বাৰা মানুহ পশুতকৈও শ্রেষ্ঠ হব পাৰিছে।

আই সৰস্বতীক পূজা কৰা এক অনন্য সভ্যতাৰ চিহ্ন। ধন, জন, ক্ষমতা, ৰাজ্য আদিৰ বাবে পূজা কৰা এক কথা আৰু আই সৰস্বতীক পূজা কৰা এক অন্য কথা। আই সৰস্বতীয়ে মানুহক দিয়ে-বিদ্যা জ্ঞান। এই পূজা কোনো লোভৰ পূজা বা লাভৰ পূজা নহয়। অন্যশ্চে পূজাৰ অর্থই হৈছে-জ্ঞান লাভ। কিন্তু এই লাভৰ সৈতে আনবোৰ লাভৰ আশা পৃথক। আই সৰস্বতী কেনে সুন্দৰ আৰু উজ্জ্বল। তেওঁ কাৰো মনত ভয়ৰ সঞ্চাৰ নকৰে। তেওঁৰ হাতত কোনো অস্ত্র নাই। আছে মাথো-পুথি আৰু বীণা। আই সৰস্বতী সঙ্গীতৰো দেৱী। সেই সঙ্গীতক যেয়ে ভাল নাপায়, সি কিমান দুর্ভগীয়া আৰু কিমান ভয়ানক। মানুহক শোকত সান্ত্বনা আৰু হতাশাত আশা দিবৰ নিমিত্তে এই সঙ্গীত। আইৰ আন হাতে আছে-পুথি। জ্ঞান লাভ যে অকল কঠোৰ ব্রত নহয়, জ্ঞান লাভ যে আনন্দৰ খনি তাক সোঁৱঁৰাই দিবলৈ আই সৰস্বতীয়ে এহাতে পুথি, আনহাতে বীণা লৈছে। এই স্নিগ্ধ সৌম্য মূৰ্তিয়ে মানুহৰ কোমল প্রাণত অনন্য আকর্ষণৰ জনম দিয়ে। মনত ভয় লগাবলৈ আই সৰস্বতীয়ে কেতিয়াও চেষ্টা নকৰে। মুখত হাঁহি, হাতত জ্ঞান, আৰু প্রাণত সঙ্গীত। আইৰ বাহন ৰাজহংস। নির্মল পানীৰ ওপৰত ভাঁহি তেওঁ ভক্তৰ সম্মুখত উপস্থিত হয়।

আই সৰস্বতীৰ ভক্তবোৰ কোন? সেইসকল কবি আৰু দাৰ্শনিক। যিসকল কোনো পাৰ্থিব ক্ষমতাৰ অধিকাৰী নহৈও আজি জগতত সকলোতকৈ বেছি ক্ষমতাশালী। মহাকবি কালিদাস, হোমাৰ, শেক্সপীয়েৰ ক'ত উপজিছিল কবলৈ মানুহ নাই। তেওঁলোকৰ ধন আৰু ৰাজ্য নাছিল। তথাপি আজি তেওঁলোকতকৈ ডাঙৰ কোন?

অন্তৰ আৰু বাহিৰৰ ৰূপ এনেকুৱা বাক কাৰ আছে? মহাকবি কালিদাসেও যাৰ ৰূপ বৰ্ণনা কৰি ওৰ পেলাব পৰা নাই; মহা মহা দাৰ্শনিক সকলেও যাৰ অনুভৱ ৰূপ অনুভৱ কৰি ওৰ পেলাব পৰা নাই; যাৰ হাতত সঙ্গীত, বাহন ৰাজহংস আৰু চাৰিওকাষে পদুম তেওঁক দেখিলে শান্তি নেপাৰ কোন দুৰ্ভগীয়াই?

আই সৰস্বতী ব্ৰহ্মাৰ মানস কন্যা। সৃষ্টিকৰ্তায়ো যেন তেওঁক হাতেৰে গঢ়ি উলিয়াব পৰা নাই। যি একোটি মানৱ প্ৰতিমাক মহা মহা কবিসকলেও বৰ্ণনা কৰি কথাৰে প্ৰকাশ কৰিব নোৱাৰে। যি মানস ছবিক মহা মহা চিত্ৰকৰসকলেও তুলিকাৰে পৰিপুষ্ট কৰিব নোৱাৰে, আই সৰস্বতী সৃষ্টিকৰ্তাৰ সেই মানস প্ৰতিমা। দেৱী সৰস্বতীৰ যি প্ৰতিমা আমি আগত দেখোঁ সেইটো দেৱীৰ প্ৰকৃত স্বৰূপতকৈ হয়তো কিছু ভিন্ন। ব্ৰহ্মাই যাক কল্পনাৰেহে ভাবি পাইছিল তাৰ ঠিক স্বৰূপ আমি জানো হাতেৰে গঢ়ি উলিয়াব পাৰোঁ? যিসকলে আই সৰস্বতীৰ প্ৰতিমা হাতেৰে গঢ়ি উলিউৱা ব্যৰ্থ বুলি ভাৱে আৰু প্ৰতিমাৰদ্বাৰা ঈশ্বৰ আৰাধনাৰ বিৰোধিতা কৰে, তেওঁলোকেও আজি সৰস্বতীৰ যি ৰূপ কল্পনা কৰা হৈছে তাক দেখি ধন্য হৈছে। মনৰ ভাৱ ছবিৰে আঁকি উলিয়াবৰ চেষ্টা আটাইবে প্ৰশংসনীয় আৰু এই চেষ্টাতেই জগতত কলা বিদ্যাৰ উৎপত্তি। ক্ষীণ বুদ্ধিৰ মানৱে আই সৰস্বতীৰ যি ৰূপ গঢ়ি তুলিছে তাক দেখি কবি সকলো মোহিত হৈছে।

আৰ্যসকলে আই সৰস্বতীক ভগৱানৰ পত্নী কল্পনা কৰিছিল। নদীৰ নামেৰে তেওঁৰ নামকৰণো আৰ্যসকলে কৰিছিল। গঙ্গা আৰু যমুনা নদীয়ে মানৱ জাতিৰ কিমান কল্যাণ সাধিছে তাক সকলোৱে

জানে। আই সৰস্বতীক নদী নাম দি আৰ্য জাতিয়ে সৰস্বতীক পূজা কৰিব বিচাৰিছে। আৰু তাৰ দ্বাৰা নিজৰ উচ্চ হৃদয় আৰু সভ্যতাৰ পৰিচয় দিছে।

অনেক দেৱতাৰ নামেৰে অনেক মন্দিৰ উৎসৰ্গা কৰা হৈছে। কিন্তু আই সৰস্বতীৰ বাবে মন্দিৰ কৰিবৰ আৱশ্যক নাই। সমস্ত মানৱৰ মনোৰাজ্যই আই সৰস্বতীৰ মন্দিৰ। সমস্ত মানৱৰ কল্পনাই সেই মন্দিৰৰ গঠন আৰু সমস্ত জ্ঞানীলোকেই সেই মন্দিৰৰ সেৱক। সমস্ত হৃদয়ৰ আবেগেই সেই মন্দিৰৰ পূজাৰ ফুল। পৰমেশ্বৰ সকলো মানৱৰ অন্তৰতে আছে। কিন্তু যদি বিশেষ এটা দিন বা কোনো বিশেষ সময় পৰমেশ্বৰক ধাৰণা কৰিবৰ বাবে সকলো জাতিয়ে উপযোগী বিবেচনা কৰে তেনেহলে বসন্ত কালৰ শুক্লা পঞ্চমী তিথি নিশ্চয় আই সৰস্বতীক ধাৰণা কৰিবৰ নিমিত্তে উপযুক্ত সময়।

আহা, আমি আটায়ে আই সৰস্বতীৰ প্ৰতিমা চাই ভাবিবলৈ চেষ্টা কৰোঁ, জ্ঞান, বিদ্যা, সঙ্গীত তিনিও মিলিলে কেনে সৌন্দৰ্যৰ উৎপত্তি হয়! আহা, আমি আটায়ে ভাবিবলৈ চেষ্টা কৰোঁ জ্ঞানৰ প্ৰকৃত স্বৰূপ কেনে? যদি দেৱীৰ এই মূৰ্তিয়ে আমাক সেই অসীম বস্তুৰ কিবা আভাস দিয়ে তেনেহলে আহা, আমি সেৱা কৰি কওঁ — হে আই, তুমি এই মূৰ্তিৰ ৰশ্মিৰে যেন জগতৰ অজ্ঞান অন্ধকাৰ দূৰ কৰা। তোমাৰ হাতৰ শাস্ত্ৰৰে যেন জগতত জ্ঞান-বিজ্ঞান বিস্তাৰ কৰা। তোমাৰ বীণাৰে যেন জগতত দুখ অশান্তি, হাহাকাৰ পাহৰাই পেলোৱা। তুমি পদুম ফুলৰ মাজত যেনেকৈ উদয় হৈছা সেইদৰে মানৱ জাতিৰ হৃদয় সাগৰতো সদ্ভাৱৰ ফুল ফুলাই যেন উজ্জ্বল হোৱা।

২৩ মাঘ, ১৩৩৪
ৰবিবাৰ

—×—

ৰবীন্দ্ৰ নাথ ঠাকুৰ

বিশ্ব কবি ৰবীন্দ্ৰ নাথৰ খ্যাতি আজি বিশ্ব বিয়পি পৰিছে। ৰবীন্দ্ৰনাথৰ সাহিত্যই আজি ৰবীন্দ্ৰনাথকে অমৰ কবি যোৱা নাই এই সাহিত্যই ভাৰতকো পৃথিবীৰ আগত দাঙি ধৰিছে। ৰবীন্দ্ৰনাথৰ কবিতা আৰু সাহিত্যই গোটেই পৃথিৱীৰ সমাদৰ পোৱা বাবে তেওঁক বিশ্ব কবি বোলা হয়।

কলিকতাৰ বিখ্যাত ঠাকুৰবাড়িত ১৮৬১ খৃষ্টাব্দৰ মে মাহত এই-গৰাকী মহাপুৰুষৰ জন্ম হৈছিল। এই ঠাকুৰবাড়ি ধন, ঐশ্বৰ্য, মান, মৰ্যাদা, শিক্ষা-জ্ঞানৰ চৰ্চা আদি সকলো ফালৰ পৰাই বিখ্যাত আছিল। তেওঁৰ ককাক দ্বাৰকানাথ ঠাকুৰ বিলাতলৈ গৈ সেই সময়ত ইংৰাজ সমাজত পৰম সমাদৰ পাইছিল। তেওঁৰ চলন-ফুৰণ, আগন্তুক সকলৰ প্ৰতি আদৰ অভ্যৰ্থনা আদিৰ পয়োভৰ দেখি বিলাতৰ মানুহে তেওঁক প্ৰিন্স দ্বাৰকানাথ নাম দিছিল। ৰবীন্দ্ৰনাথৰ পিতাক দেবেন্দ্ৰনাথ ঠাকুৰৰ নৈতিক বল আৰু জ্ঞানৰ বাবে সাধাৰণ মানুহে তেওঁক মহৰ্ষি দেবেন্দ্ৰ নাথ আখ্যা দিছিল। এটা কথা মনত ৰাখিবলগীয়া যে, ৰবীন্দ্ৰনাথৰ জন্মৰ সময়ৰ কলিকতা, আজিৰ কলিকতাতকৈ বহুত বেলেগ আছিল। কলিকতাত তেতিয়া আজিৰ নিচিনা বিজুলি বাতিৰ চিক্‌মিকনি নাছিল। অৱস্থাপন্ন মানুহৰ ঘৰতো সৰিয়হ বা এড়াৰ গুটিৰ তেলেৰেহে চাকি জ্বলোৱা হৈছিল। ট্ৰাম গাড়ী, মটৰ গাড়ী একো নাছিল। এনে এটা পৰিবেশৰ মাজত আমাৰ কবিজন ডাঙৰ হ'ব লগা হৈছিল।

ঠাকুৰ পৰিয়ালৰ ৰীতিমতে ৰবীন্দ্ৰনাথৰ বিশেষ তত্ত্বাৱধান লবৰ নিমিত্তে সকতে এজন চাকৰ ৰাখি দিয়া হৈছিল। চাকৰজন আছিল ভাল বুধিয়ক। শিশু ৰবীন্দ্ৰনাথে যাতে ঘৰৰ বাহিৰত বেছিকৈ ঘুৰুটিয়াই ফুৰিব নোৱাৰে তাৰ বাবে ল'ৰাটিক এঠাইত বহুৱাই লৈ কাঠৰ টুকুৰা আৰু খৰি আদিৰে এটা সীমা দি তাক দেখুৱাই কয়, "মনত আছেতো,

চিন পাব হৈ যাওঁতে সীতাব কি দশা হৈছিল ?" ৰবীন্দ্রনাথে নিচেই সৰুবেপৰা ৰামায়ণৰ গল্প শুনিছিল, আৰু পঢ়িবপৰা হ'বৰে পৰা ৰামায়ণ পঢ়িছিল। গতিকে জানি শুনি সীতাৰ নিচিনা অৱস্থাত পৰিবলৈ যাব কিয় ? চাকৰজনে মোকলাই নিদিয়ালৈকে ঘৰৰ ভিতৰতে চুপ চাপ বহি আছিল।

ৰবীন্দ্রনাথ আছিল সাধু কথাৰ কাৰণে একেবাৰে বলিয়া ল'ৰা। সঁচা ঘটনাতকৈ তেওঁ সাধু কথাহে ভাল পাইছিল। বেছিকৈ চিনাকী মানুহ দেখিলে তেওঁ টানি ধৰে-সাধু কথা কবলৈ। সাধুকথা পালে তেওঁক আৰু একোকে নালাগে। অৱশ্যে সাধুকথাৰ মাজেৰেই গোটেই দিনটো কটাই দিব নোৱাৰে। তেওঁৰ লিখা-পঢ়াৰ নির্দিষ্ট কৰ্টিন ইমান কড়া আছিল যে তেওঁৰ বাবে দিনটোৰ ভিতৰত এনেয়ে একো নকৰাকৈ কটাৰৰ সময় একেবাৰে নাছিল।

ৰবীন্দ্রনাথে আঠ/ন বছৰ বয়সত কিদৰে চলিব লাগিছিল শুনিলে আচৰিত হব লাগে। সূর্য উঠাৰ আগেয়ে তেওঁ বিচনাৰপৰা উঠি কছৰৎ কৰে। তাৰ পিছত আছে-মানৰ দেহৰ গঠনৰ বিষয়ে শিকাবলৈ এজন শিক্ষক। ইংৰাজীত ইয়াকে বোলে-এনাটমী (Anatomy) শিক্ষা। ইয়াৰ পিছত ন বজালৈকে আন এজন শিক্ষক আহি অঙ্ক, বুৰঞ্জী, বিজ্ঞান জ্যামিতি আৰু বঙলা সাহিত্য শিকায়। ন বজাৰ পিছত গা পা ধুই তেওঁ ভাত খাই স্কুললৈ যাব। স্কুলৰপৰা অহাৰ পিছত তেওঁক জিমনাষ্টিক অর্থাৎ অঙ্গ সঞ্চালন শিকোৱা হয়। জিমনাষ্টিক মাষ্টৰ নৌ যাওঁতেই আহে ড্রয়িং মাষ্টৰ। আকৌ সন্ধিয়াৰ লগে লগে ইংৰাজী শিক্ষা আৰম্ভ হয়। এনে নিয়মৰ মাজতেই তেওঁ কেইবাবছৰো কটাইছিল। কিন্তু পঢ়াৰ বাবে ইমান যত্ন ললে হ'ব কি ? লৰাৰ হলে ইফালে পঢ়াত বৰ মনোযোগ নাই। স্কুলৰ চাবিবেৰৰ মাজত আৱদ্ধ হৈ থাকিবলৈ তেওঁৰ ভাবুক মনটোৱে কোলোমতে সম্মতি নিদিয়ে। পঢ়াৰ এই কটকটিয়া ব্যৱস্থা মানি চলাটো তেওঁৰ পক্ষে টান হৈ পৰিল। পাছত লাহে লাহে স্কুলৰপৰা পলাবলৈও আৰম্ভ কৰে। তেওঁৰ ককায়েক

ইতিক পার্চী শিকাবলৈ এজন মৌলবী আছিছিল। সেই সময়ত মোগল বাদশাহ সকলৰ আমোলৰ নিয়মমতে ডাঙৰ মানুহৰ ঘৰৰ ল'ৰাই পার্চী জনাটো এটা অতি আৱশ্যকীয় কথা আছিল। পার্চী শিকোৱা মৌলবীজন আছিল এজন অদ্ভুত ধৰণৰ মানুহ। তেওঁ সদায় নিজৰ ভাৱতে বিভোৰ আছিল। ৰবীন্দ্রনাথে তেওঁৰ ওচৰলৈ গৈ তেওঁক খুব ডাঙৰ মানুহ বুলি প্রশংসা কৰে, আৰু প্রায়ে মিছাকৈয়ে সোণকালে ছুটি খুজি দৰখাস্ত এখন লৈ যায়। ইমানেই নহয়। তেওঁ মনত এদিন বুদ্ধি সাজিলে যে, গা অসুখ হ'লে নিশ্চয় ছুটি পাব। কিন্তু তেওঁৰ গাৰ গঠন আৰু স্বাস্থ্য এনে সুন্দৰ আছিল যে কেতিয়াও তেওঁৰ গাৰ অসুখ নহয়। সেইদেখি মনৰ বেজাৰত তেওঁ জ্বৰ হওঁক বুলি কেই-বাদিনো জাৰ কালি বাহিৰত শুই আছিল। কিন্তু তেওঁৰ ভাগ্যত জ্বৰ হলে মুঠেই মুঠিল। শেষত এটা বুদ্ধি উলিয়ালে-পেটৰ কামোৰ! মাকৰ ওচৰলৈ গৈ তেওঁ কয়, "মা, মোৰ খুব পেট কামুৰিছে।" মাকে বুজি পায় ল'ৰাৰ কেনেকুৱা পেটৰ কামোৰ! যি হওক মাকে কোৱাত শিক্ষকে বিদায় লয়। ইয়াৰ পিছত অৱশ্যে ভাল হৈ উঠে। স্কুলৰ বছেৰেকীয়া পৰীক্ষাত ৰবীন্দ্রনাথে বঙলা সাহিত্যত আটাইতকৈ বেছি নম্বৰ পালে। শিক্ষকসকলৰ চকু খিয় হল। হেড্‌মাষ্টৰে ৰবীন্দ্রনাথৰ পৰীক্ষাৰ বহী আকৌ পৰীক্ষা কৰোৱায়। সেইবাৰ তেওঁ আগতকৈ বেছি নম্বৰহে পালে। সেই সময়ত সকলো অৱস্থাপন্ন পৰিয়ালৰ ইংৰাজী ভাষাৰ প্রতি প্রবল ধাউতি আছিল। কিন্তু ঠাকুৰ পৰিয়াল এই কথাত অলপ ব্যতিক্রম আছিল। তেওঁলোকৰ ভিতৰত ইংৰাজীতকৈ বঙলা সাহিত্যহে বেছিকৈ চর্চা হৈছিল। অমনোযোগী ছাত্র হলেও বঙলা সাহিত্যত ৰবীন্দ্রনাথৰ বিশেষ খ্যাতি আছিল। আৰু তেওঁ সাহিত্য ঘৰ ভাল পাইছিল।

এই পলহীয়া লৰাটিৰ আকৌ মাষ্টৰ হবলৈও মনত ঘৰ হেঁপাহ আছিল। তেওঁ বাৰান্দাৰ ৰেলিং বোৱক ছাত্রৰূপে কল্পনা কৰি এচাম এডাল লৈ ৰেলিংবোৱক কোবাইছিল আৰু মনে মনে হাঁহিছিল।

এই লবাটিয়ে এদিন বিখ্যাত শান্তি নিকেতন প্রতিষ্ঠা কবি সঁচাকৈয়ে ভাবতবাসীব গুক গিবি কবিছিল। সেই শিক্ষানুষ্ঠানত তেওঁ এচাবিব পবিবর্তে মবমেবেহে শিক্ষা দিছিল।

ববীন্দ্রনাথব বয়স যেতিয়া আঠ বছব আছিল তেতিয়াই তেওঁব ভাগিন জ্যোতিপ্রসাদে এদিন তেওঁক চৈধ্য আখবীয়া কবিতা কেনেকৈ লিখিব লাগে শিকাই দিলে। তেওঁক নতুন কবিতা কিছুমান লেখিবলৈও আদেশ দিলে। ভাগিনিয়েকব আদেশমতেই ববীন্দ্রনাথে কবিতা লিখিবলৈ আবম্ভ কবে। এয়ে তেওঁব কবিতা লিখাব অনাড়ম্বব জয়যাত্রা! এবাব স্কুলব অধ্যক্ষব আদেশমতে ববীন্দ্রনাথে কবিতা লিখি স্কুলত পাঠ কবিলে। সকলোবে ক'বলৈ ধবিলে এইটো তেওঁ নিজে লিখা কবিতা নিশ্চয় নহয়। কোনোবে ক'লে-মই কবাবত পঢ়িছোবেই! কাইলৈ কিতাপখন আনি দেখুবাম। কোনোবে কিন্তু কবিতা আনি প্রমাণ কবিব নোবাবিলে।

কবিতা লিখাবদবে ববীন্দ্রনাথে গানো শিকিছিল-সঙ্গবেপবাই। তেওঁব কণ্ঠ আছিল বব কোমল। সেইদেখি তেওঁব গান শুনি আটায়ে খুব ভাল পাইছিল। বাব বছব বয়স নৌ হওঁতেই ববীন্দ্রনাথে পিতাকব লগত হিমালয় ভ্রমণ কবিব গৈছিল। তাবপবা ফিবি অহাব পিছত আকৌ তেওঁক স্কুলত নাম লগাই দিয়ে। কিন্তু তাবপবা বিশেষ লাভ নহ'ল। বাধ্য হৈ স্কুলবপবা নাম কাটি আনি ঘবতে ইংবাজী আৰু সংস্কৃত সাহিত্য শিকোৱাব ব্যৱস্থা কবা হয়। জ্ঞানাঙ্কুব নামে আলোচনী এখনত ববীন্দ্রনাথব প্রথম কাব্য বনফুল ছপা হয়। ববীন্দ্রনাথব তত্ত্বাৱধানত "ভাবতী কাকত" প্রকাশ কবা হয়। ববীন্দ্রনাথে এই কাগজব সম্পাদনাত বিশেষভাবে সহায় কবিছিল।

সোতব বছবীয়া ববীন্দ্রনাথে উচ্চ শিক্ষাব বাবে বিলাতলৈ গৈছিল। কিন্তু সাহিত্য চর্চাত হেঁপাহ থকাব কাবণে তেওঁ আকৌ ঘবলৈ ফিবি আহে, আৰু সাহিত্য চর্চাত নিজব জীৱন অর্পণ কবে।

(১১।৯।৫৩)

—×—

মহাপুৰুষ শঙ্কৰাচাৰ্য

আমাৰ দেশ ভাৰতবৰ্ষ, দাৰ্শনিক আৰু আধ্যাত্মিক জ্ঞান চৰ্চাৰ বাবে পৃথিৱীৰ মাজত প্ৰাচীন কালৰপৰাই বিখ্যাত আছিল। অনেক দাৰ্শনিক যোগী আৰু ঐশ্বৰিক তত্ত্ব অনুসন্ধান কৰা মহাপুৰুষে ইয়াত জন্ম গ্ৰহণ কৰি ভাৰতক পূণ্যভূমি কৰি থৈ গৈছে। তেওঁলোকৰ কাৰ্য কলাপৰ চিহ্ন স্বৰূপে ইয়াত অলেখ ধৰ্মশাস্ত্ৰ, দাৰ্শনিক মতবাদ, তীৰ্থ, আশ্ৰম, মঠ-মন্দিৰৰ সৃষ্টি হৈছে। এইবোৰে জ্ঞান চৰ্চাৰ মহিমা প্ৰকাশ কৰি দেখুৱাইছে। সেয়ে আজি পৃথিৱীয়ে ভাৰতক মূৰ দোৱাইছে। ভাৰতৰ দাৰ্শনিক সকলৰ মাজত শঙ্কৰাচাৰ্য প্ৰধান। তৰাৰ মাজত পূৰ্ণিমাৰ চন্দ্ৰ যেনেকৈ জিলিকে, সেইদৰে ভাৰতৰ জ্ঞানীসকলৰ মাজত শঙ্কৰাচাৰ্য জিলিকি আছে। তেওঁ ভাৰতক যি দান দি গৈছে সি অসীম। ইয়াত বৌদ্ধ ধৰ্মই স্বীকৃতি লাভ কৰাৰ পিছত পূৰ্বৰ বৈদিক ধৰ্ম সুপ্তপ্ৰায় হৈ নানাপ্ৰকাৰ কু-সংস্কাৰ সৃষ্টি হৈছিল। ভাৰতবৰ্ষা যেতিয়া প্ৰাচীন ধৰ্ম জ্ঞান লোপ পাই যাব লগীয়া হৈছিল, তেতিয়াই মহাপুৰুষ শঙ্কৰাচাৰ্যই জন্ম গ্ৰহণ কৰি ঘোৰ অন্ধকাৰৰ পিনে গতি কৰা সনাতন হিন্দু ধৰ্মক ৰক্ষা কৰিছিল। আমাৰ গীতা শাস্ত্ৰত এটা কথা আছে যে যেতিয়া পৃথিৱীত ধৰ্মভাৱ কলুষিত হয় অধৰ্ম প্ৰবল হৈ উঠে; পৃথিৱীত দুষ্টসকলৰ মইমতালি বেছি হৈ আহে আৰু সাধু-লোকসকল অত্যাচাৰত জৰ্জৰিত হয়, তেতিয়া এই সংসাৰত ধৰ্মৰ ভেটি পুনৰ স্থাপন কৰিবৰ অৰ্থে ভগবানে অৱতাৰ গ্ৰহণ কৰে। তেওঁ প্ৰকাশ হৈ পৃথিৱীক ৰক্ষা কৰে। ভাৰতীয় ধৰ্মৰ এটা ঘোৰ বিপ্লৱ আৰু সন্ধিক্ষণত শঙ্কৰাচাৰ্যৰ আবিৰ্ভাৱৰপৰা আমি গীতাৰ এই কথাৰ মৰ্ম অনুভৱ কৰিব পাৰোঁ।

এইজন মহাপুৰুষৰ জন্মৰ সময় সম্বন্ধে মতভেদ দেখা যায়। খুব সম্ভৱ তেওঁ ৭৮৮ খৃষ্টাব্দত জন্ম গ্ৰহণ কৰিছিল। মাদ্ৰাজ প্ৰদেশৰ

পশ্চিম অঞ্চলত সাগৰৰ পাৰত কেৰল নামে এখন ৰাজ্য আছিল। এই কেৰল প্ৰদেশৰ কালটি নামে এখন গাঁৱত শঙ্কৰাচাৰ্যৰ জন্ম হৈছিল। তেওঁৰ পিতাকৰ নাম শিৱগুৰু আৰু মাকৰ নাম সতী আছিল। (কোনো কোনোৰ মতে, আকৌ তেওঁৰ মাকৰ নাম বিশিষ্টা দেবী আৰু তেওঁৰ জন্ম হয় চিদাম্বৰ নামে গাঁৱত।) শঙ্কৰৰ জন্মৰ সময় সম্বন্ধে অৱশ্যে সঠিক বিৱৰণ পোৱা নাযায়। তেওঁৰ শিষ্য মাধবাচাৰ্যৰ "শঙ্কৰ দিগ্বিজয়" নামৰ গ্ৰন্থত মাথোন এইদৰে উল্লেখ আছে—"সূৰ্য, মঙ্গল আৰু শনি যেতিয়া নিজ নিজ তুঙ্গত আৰু বৃহস্পতি কেন্দ্ৰত আছিল, তেতিয়া শিৱগুৰুৰ পত্নী সতীৰ গৰ্ভত শঙ্কৰাচাৰ্যৰ জন্ম হয়। জ্যোতিষীসকলে এনে কোনো ৰাশি গণনাত যি সময় পায় সি অনুমান ১৮৮ খৃষ্টাব্দ মানত পৰেগৈ। ইয়াৰ বাহিৰে আন আন প্ৰমাণৰপৰাও তেওঁৰ জন্ম এই সময়ত হয় বুলি অনুমান কৰিব পাৰি। তেওঁৰ জন্ম সম্বন্ধে নানা অলৌকিক প্ৰবাদ আছে। শিৱগুৰু এজন ৰব ধাৰ্মিক ব্ৰাহ্মণ আছিল। তেওঁৰ ধন সম্পত্তি বহুত থাকিলেও বুঢ়া বয়সলৈকে কোনো সন্তান নাছিল। তেওঁৰ পত্নী সতীদেৱীৰ মনৰ দুখ গুচাবৰ অৰ্থে তেওঁ শিৱৰ উপাসনাত জীৱন উৎসৰ্গা কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁলোক স্বামী-স্ত্ৰী দুয়ো ফল-মূল মাথোন খাই শিৱক আৰাধনা কৰিবলৈ ধৰিলে। তেওঁলোকৰ পূজা আৰু ভক্তিত সন্তুষ্ট হৈ স্বয়ং শিৱই তেওঁলোকক দেখা দি তেওঁলোকে কি কামনা কৰে সুধিলে। ব্ৰাহ্মণে তেওঁক এটি পুত্ৰ প্ৰাৰ্থনা কৰিলে, তেতিয়া ভগৱান শিৱই সুধিলে—"তোমাক এটি মাথোন গুণবান কম আয়ুসৰ পুত্ৰ লাগে নে মূৰ্খ আৰু অজ্ঞানী মান পুত্ৰ লাগে ?" শিৱগুৰুৱে এটি মাত্ৰ গুণবান পুত্ৰ ভিক্ষা কৰিলে। শিৱই তেতিয়া "সেয়ে হওক।" বুলি কৈ অন্তৰ্দ্ধান হল। এইদৰে শঙ্কৰৰ জন্ম হ'ল। শিৱ অৰ্থাৎ শঙ্কৰৰ নামে জন্ম হোৱাত তেওঁৰ নামো শঙ্কৰ ৰখা হ'ল।

শঙ্কৰাচাৰ্যৰ জীৱনৰ কাৰ্যকলাপ সম্বন্ধে নানা প্ৰকাৰ অলৌকিক কাহিনীৰ উল্লেখ দেখা যায়। জ্যোতিষীসকলে গণনা কৰি তেওঁৰ আয়ুস মুঠে ৮ বছৰহে পায়। তাৰ পাছত তেওঁৰ গুৰুৰ আশীৰ্বাদত

আয়ুস ষোল্ল বছৰ হয়গৈ। ইয়াৰ পাছত আকৌ শিৱৰ বৰ অনুসাৰে তেওঁৰ বয়স বত্রিছ বছৰ হয়গৈ।

শঙ্কৰাচার্যই সকৰেপৰা সমস্ত সংসাৰ অসাৰ বুলি অনুভৱ কৰি সন্ন্যাস ধর্ম গ্রহণ কৰে। তেওঁৰ মাকে তেওঁৰ একমাত্র ল'ৰাটিয়ে বিয়া কৰাই যাতে গৃহস্থ জীৱন যাপন কৰে তাৰ বাবে বৰকৈ অনুৰোধ কৰিছিল। শঙ্কৰচার্যৰ সৰুতে পিতৃ বিয়োগ হয়। তেওঁ মাকৰ একান্ত অনুগত আছিল। তেওঁৰ মাতৃভক্তি সম্বন্ধে নানাপ্রকাৰ কাহিনী শুনা যায়। সন্ন্যাস ধর্ম লোৱা বাবে মাকে মনত বেজাৰ কৰা দেখি তেওঁ বৰ বিমোৰত পৰে। সংসাৰ যে অনিত্য এই কথা মাকক বুজাবলৈ ধৰে। শঙ্কৰাচার্যই জানে যে মাকৰ আশীর্ব্বাদ নহলে কোনো কামতেই সফল হব নোৱাৰে। সেইবাবে মাকক নানাপ্রকাৰে বুজোৱাৰ পিছতহে তেওঁৰ পৰা সম্মতি পাইছিল। তেওঁৰ মাকে সদায়ে ঘৰৰপৰা ভালেখিনি দূৰৈৰ পূর্ণা নদীলৈ খোজ কাঢ়ি গৈ স্নান কৰিছিল। এদিন খুব চোকা বদত এইদৰে গা ধুবলৈ যাওঁতে বাটতে মুর্চা গৈ পৰি যায়। এই কথা দেখি শঙ্কৰাচার্যই মাকক তুলি লৈ আহি তেওঁৰ যন্ত্রণা গুচাবৰ নিমিত্তে শিৱক আৰাধনা কৰিব ধৰিলে। শিৱই তেওঁক দেখা দি কি বৰ লাগে সোধাত তেওঁ কলে যে, তেওঁক আন একো বস্তু নালাগে মাথোন মাকৰ কষ্ট দূৰ কৰিবৰ নিমিত্তে নদীখন যাতে মাকৰ ওচৰলৈ আহে তাৰহে এটা ব্যৱস্থা লাগে। শিৱই "সেয়ে হওক" বুলি কৈ অন্তর্দ্ধান হ'ল। প্রবাদ আছে যে সেই সময়ৰপৰা পূর্ণা নদী তেওঁৰ ঘৰৰ ওচৰেদি বৱলৈ ধৰিলে।

সাত বছৰ বয়সতে শঙ্কৰাচার্যই দর্শন, পুৰাণ, স্মৃতি শাস্ত্র, ইতিহাস আদিত শাস্ত্র জ্ঞান লাভ কৰাৰ দৃষ্টান্ত আছে। এনে দৃষ্টান্ত আন কতো পোৱা নাযায়।

এইবিলাক প্রবাদমূলক কথা এৰি দি শঙ্কৰাচার্যৰ যিবিলাক কীর্ত্তি দেখিবলৈ পাওঁ সেইবিলাক যুগমীয়া কীর্ত্তি। তেওঁ ধর্ম প্রচাৰৰ নিমিত্তে আৰু একান্তভাৱে জীৱন যাপন কৰিবৰ নিমিত্তে সন্ন্যাসীসকলৰ সম্প্র

আৰু মঠ স্থাপন কৰে। সন্ন্যাসীসকলৰ সৰু-সুৰা অনুষ্ঠান অৱশ্যে আগৰপৰা নথকা নহয়। কিন্তু শঙ্কৰাচার্যই এনেকুৱা মঠ আৰু আশ্রম স্থাপনৰ নিয়ম যিভাৱে আৰম্ভ কৰে সি এতিয়াও ভাৰতবর্ষত বিখ্যাত হৈ আছে। বহুতে অনুমান কৰে যে এনেকুৱা সন্ন্যাসীসকলৰ মঠ বা আশ্রম পতা আদর্শ তেওঁ বৌদ্ধসকলৰ মঠৰপৰা গ্রহণ কৰিছিল।

শঙ্কৰাচার্যৰ জীৱনকাল মাত্র বত্রিছ বছৰ বুলি জনা যায়। কিন্তু এই অতি কম সময়ৰ ভিতৰতে তেওঁ অলৌকিক শক্তি আৰু জ্ঞানবদ্বাৰা সেইকালৰ অলেখ প্রকাৰ ধর্মমতৰ অৱলম্বন কৰা পণ্ডিত, দার্শনিক সকলক পৰাজয় কৰি বৌদ্ধধর্মৰ প্রভাৱত মলিন হৈ যোৱা হিন্দুধর্মক উচ্চতম ভেটিত স্থাপন কৰি প্রতিষ্ঠিত কৰে। তেওঁ খণ্ড বিখণ্ড ভাৰতক একতাৰে বান্ধিবলৈ সক্ষম হ'ল। এই ভাৰতত কত ৰাজ্য আৰু সভ্যতাৰ উত্থান পতন হল; প্রবল সম্রাটসকলৰ দিনত ৰাজনৈতিক একতাই কতবাৰ চকামকাকৈ দেখা দি আকৌ অস্তমিত হল, কিন্তু শঙ্কৰাচার্যই ভাৰত দিগ্বিজয় কৰি যি সাংস্কৃতিক একতা স্থাপন কৰি গ'ল সি অনন্ত কাললৈ থাকি গ'ল।

তেওঁৰ ৩২ বছৰৰ এটা চমু জীৱনতেই যি কাম সাধন কৰি গল তাক সাধাৰণ মানুহে লক্ষ লক্ষ বছৰতো কৰা সম্ভৱ নহয়। শঙ্কৰাচার্যই স্থাপন কৰি যোৱা মঠ বিলাকৰ ভিতৰত চাৰিটা প্রধান। সেই চাৰিটা মঠৰ স্থান হৈছে দ্বাৰকা, মহীশূৰ, পুৰী আৰু বদৰীকাশ্রম। তেওঁ সেইযুগৰ পণ্ডিতসকলৰ পৰস্পৰ বিৰোধী অনেক মত খণ্ডন কৰি কুমাৰিকাৰপৰা বদৰিকাশ্রমলৈ, দ্বাৰকাৰপৰা কামৰূপলৈ যি দিগ্বিজয় কৰে তাৰ তুলনা পৃথিৱীত আৰু পাবলৈ নাই।

অষ্টম শতাব্দীত ভাৰতত এঠাইৰপৰা আন ঠাইলৈ যোৱাযে কিমান কষ্টকৰ কথা আছিল তালৈ চাই এই বিশাল দার্শনিক শঙ্কৰাচার্যক পৃথিৱীৰ ভিতৰত এজন সর্বশ্রেষ্ঠ প্রতিভাশালী মহা-মানৱ বুলি জগতে চিৰকাললৈ স্বীকাৰ কৰিবই লাগিব। তেওঁৰ ভক্তসকলে তেওঁক শিৱৰ অৱতাৰ বুলি পূজা কৰে।

শঙ্কৰাচার্যৰ অদ্বৈতবাদ আৰু তেওঁৰ দার্শনিক চিন্তাই ভাৰতক যেনেদৰে প্রতিষ্ঠা কৰিছে তাকে দেখি পশ্চিমৰ পণ্ডিতসকলে বিস্ময় মানিছে। তেওঁ এই মানবীয় জীৱনত যি গুৰুভক্তি, মাতৃভক্তি আদিৰ দৃষ্টান্ত দেখুৱাই গৈছে সি চিৰকাললৈ থাকিব।

—×—

আমাৰ 'টোল'বোৰ

আজি দেখা যায় যে, দেশত কংগ্ৰেছ বুলি যি এটা বিৰাট অনুষ্ঠান আছে সি চৰকাৰৰপৰা সাহায্য নিবিচৰাকৈও চলিব পাৰিছে। ঠিক সেই-দৰেই মানুহৰ আগ্ৰহ থাকিলে 'টোল' বিলাকো চৰকাৰৰ সাহায্য নোহোৱাকৈ চলিব পাৰিব। যদি নোহোৱে তেনেহলে বুজিব লাগিব যে, মানুহৰ আগ্ৰহ নাই; আৰু যদি আগ্ৰহ নাই তেনেহলে 'টোল' থকাৰো আৱশ্যক নাই। টোলবোৰৰ গুৰুত্ব নুবুজাৰ বাবে যে মই এনেকুৱা ভাৱত কৈছোঁ সেইটো যেন মানুহে ভুল নুবুজে। টোলসমূহ আমাৰ অতি আদৰৰ আৰু আমাৰ হিন্দুসমাজৰ এটা ঘাই ধৰণীস্বৰূপ। সেই বাবেহে ইযাক চৰকাৰী সমস্যালৈ টানি নানি আমাৰ নিজৰ কৰি ৰাখিবৰ চেষ্টা কৰা উচিত।

যিসকল লোকে শ্ৰাদ্ধ কৰা, দেৱ দেৱী পূজা কৰা আদি বিষয়ত আস্থাবান, তেওঁলোকৰ বাবে টোলবোৰ অতিশয় প্ৰয়োজনীয়। সেইবাবে মানুহে শৰাধ কৰাৰ বাবে বা দেৱ-দেৱীৰ পূজাৰ অৰ্থে চৰকাৰৰ সাহায্য বিচৰাটো হাস্যকৰ কথা। মিছনেৰীসকলৰ ভালেমান সম্প্ৰদায়ৰ খৰচ আদি চৰকাৰৰ পৰা চলোৱা নহয়। সাধাৰণ মানুহে নিজ খৰচেৰেই এইবোৰ চলাইছে। আমাৰ টোলবিলাকো সেই শ্ৰেণীতে পেলোৱা উচিত।

সমাজৰ ধৰ্মভাৱ বৃদ্ধি হয় আৰু সমাজৰ মঙ্গল হয় নিজ চেষ্টাৰ পৰাহে।

—x—

মহাপুরুষ সন্তদেব

খৃষ্টাব্দ পোন্ধব আক ষোল্ল শতিকাত অসমত বৈষ্ণব ধর্ম প্রচাব আক সমাজ সংস্কাবব যি চল আহে তাব গুবিয়ালস্বৰূপে সন্তদেব বা সন্তভূষণ দেব অন্যতম। আচার্য সন্তদেব সম্বন্ধে বৈষ্ণব চবিত পুথি বিলাকত আক তেওঁৰ বংশধব সকলব বংশাবলীত এইদবে পোৱা যায়

"জম্বুদ্বিপে ভাবতখণ্ডি
ভূ-ভাগে পূন্যশালিনী।
কনৌজ ইতি বিখ্যাতা।
নগবী সর্ব্ব সম্মাতা।
তস্যা সদাচাব মহাত্মা শাণ্ডিল্য বংশে
ভবিতা বিদ্বান দয়ানুচ্চ সমাতনীখ্যে।
বেদ বেদাঙ্গ সমাব বেতাধবামবঃ
গগনার্ত্তব ঘুগ ধবণি শাকে ভবনেতস্য।
দ্বিজম্য গোল কেশ চ সমবতবি
যাতি সন্তদেব নাম্না গুৰুৰূপ
ধবো জগৎহিত কাম্যযোগ।"

সন্তদেবব জন্ম প্রকৃতপক্ষে শক ১৪৪০ মৈ ১৪৬০ এতিয়াও ঠিক কবিব পবা নাই। সন্তদেব দামোদবদেবব সহকর্মী হিচাপে নিযুক্ত হয়। দামোদব-দেবব চবিত্রাবলীত সন্তদেবব বিষয়ে বহলভাবে উল্লেখ আছে—

"একদিনা দামোদবে সভাত থাকিয়া
বুলিলন্ত বাক্য সন্তদেবক চাহিয়া।
শুনা সন্তদেব তুমি দক্ষিণক যোৱা,
তৈতে লোক ভজাই নাম ধর্ম প্রবাহোৱা।
সকবা বিলম্ব এতিক্ষণে চলিয়োক
মন্ত্রক থাপিয়া তুমি তৈতে বহিয়োক।

শুনি সন্তদেৱ মনে মহাৰঙ্গ ভৈল।
দামোদৰ পাৱে নমি শীঘ্ৰে চলি গৈলা।
গৰৈমাৰি থানে গৈয়া সত্ৰ পাতিলন্ত
লোকক ভজাই তেওঁ তৈতে ৰহিলন্ত।"

আন এঠাইত আছে—

"লোহিতৰ দক্ষিণ কুলে সন্ত চলি গৈলা
গৰৈমাৰি স্থানে ধৰ্ম প্ৰৱৰ্ত্তায়া বৈলা।

সন্তদেৱে ঘাইকৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ ফালে ধৰ্ম প্ৰচাৰ কৰিছিল। শঙ্কৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰোঁতে বৈষ্ণৱ ধৰ্মৰ মূল গ্ৰন্থ পঞ্চৰাত্ৰ "মাৰ্গৰ" "সাত্বক তন্ত্ৰ" আদিৰ নিৰ্দিষ্ট পথ অনুকৰণ কৰিছিল। দেশ কাল পাত্ৰ চাই যত যিখিনি পৰিবৰ্তনৰ আৱশ্যক হয় তাক মুকলিভাবে কামত লগাইছিল। ষোড়শ শতিকাৰ আৰম্ভনিতে লোহিতৰ দক্ষিণ অঞ্চলৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থালৈ চালে দেখা যাব যে, এই ঠাইত নানা প্ৰকাৰ পৰ্ব্বতীয়া আৰু আধা পৰ্ব্বতীয়া জাতিয়ে গাইগুটীয়াকৈ বসবাস কৰিছিল। তাৰ মাজে মাজে হিন্দু ধৰ্মৰ বীজ সিচঁৰিত হৈ পৰিলেও পুলি-পোখা মেলি ঠন ধৰি উঠিব পৰা নাছিল। কোচ, আহোম আদি ৰজাসকলৰ প্ৰভাৱ মাজে মাজে আহি পৰিছিল। সেয়ে ইয়াৰ অধিবাসীসকলে ৰাজনৈতিক খেলিমেলিৰ মাজত জীৱন কটাবলগীয়া হৈছিল। নিজৰ ধন-প্ৰাণ ৰক্ষাৰ্থে এটি উদ্বেগময় অৱস্থাত দিন কটাইছিল। সাৰ্বজনীন হিন্দু ধৰ্ম বুলি কোনো এটা কথাই ইয়াত শিপাই উঠিব পৰা নাছিল। এনে অৱস্থাত এইবোৰ অঞ্চলৰ ধৰ্মপ্ৰচাৰ আৰু সমাজ সংস্কাৰৰ কাৰ্য্য যে কিমান জটিল আছিল তাক সহজে অনুমান কৰিব পাৰি।

সন্তদেৱৰ আদিসত্ৰ কামৰূপৰ দক্ষিণ অঞ্চলৰ গৰৈমাৰি আছিল। গৰৈমাৰি বৰ্তমান ছয়গাঁৱৰ উত্তৰ পশ্চিম কোণে ১২ মাইল দূৰৈত অৱস্থিত। এই ঠাইৰ পূৰ্ব্বৰ নাম ভোজপুৰ। দামোদৰদেৱৰ নিজৰ স্থাপিত সত্ৰ পাটবাউসীৰ পুৰ কালে বংশীগোপালদেৱৰ স্থাপিত সত্ৰ আটিয়া আছে

গড়মুৰ কুকুৰাবাহী আৰু পশ্চিমফালে শ্রীবলদেৱদ্বাৰা স্থাপিত সত্ৰ গোবিন্দপুৰ।

গৰৈমাৰিৰ আন এটি নাম যে ভোজপুৰ আছিল তাক শ্রীশ্রীশিৱসিংহ স্বৰ্গদেৱৰ ভূমি দান পত্ৰত লিখা আছে। স্বৰ্গদেউ শিৱসিংহৰ ১৭১৪-৪৪ খৃষ্টাব্দত গৰৈমাৰি, আমৰাঙা, ডুবযোনি, খিদিৰপুখুৰী, বজাৰাপাৰা তামোলদি, বকো মৌজা স্তগত খামাৰ আৰু ছয়গাঁৱঁৰ ওচৰৰ কাজেলিকুৰাত ৰামদেৱ গোসাইক সত্ৰ পাতিবৰ কাৰণে নিষ্পিখেৰাজ মাটি দিছিল। জেনকিন্স চাহাবৰ দিনত ১৮৩৪-৬১ খৃষ্টাব্দত ডুবযোনি বজাৰাপাৰা তামোলদি, খামাৰ আৰু কাজেলিকুৰা খেৰাজ কৰা হয়। গৌৰীকান্ত গোসাঁইৰ দিনত বজাৰাপাৰাখন শিষ্যসকলৰ অনুৰোধত পট্টাদাৰীসকলক নিজা পট্টা কৰি লৰ দিয়ে। তামুলদি আৰু কাজেলিকুৰা, খিদিৰ পুখুৰীৰ ফালৰ এজন খামাৰৰ হাতত পৰাত ইস্তফা দিয়া হয়। খামাৰ অৱশ্যে কিছুদিন ধৰ্ম্মেশ্বৰী দেৱী নামৰ গোসানী এগৰাকীৰ হাতত আছিল। কিন্তু পাছত তেওঁৰ হাতৰপৰা গাৱোঁ মৌজাদাৰ নামে এজন মুখিয়ালে খামাৰৰ মাটিখিনি হস্তগত কৰে।

খামাৰত এটি নামজলা মন্দিৰ আৰু গোপীনাথৰ বিগ্রহ আছিল। খামাৰ অঞ্চলত গাৱোঁ আদি পর্ব্বতীয়া জাতি আছে। বনগাওঁ মৌজাৰ মানুহ আৰু খামাৰৰ মানুহ মিলি গোপীনাথ বিগ্রহৰ খৰচ ইত্যাদিৰ দায়িত্ব পালন কৰি আছিল। এইক্ষেত্রত পর্ব্বতীয়া অঞ্চলৰ মানুহেও যোগ দিছিল। এই অঞ্চলৰ সত্ৰবোৰ চলাবৰ নিমিত্তে গৰৈমাৰিৰ অধিকাৰ সকলে আমৰাঙাত পাম পাতি থাকিব লগা হৈছিল। দুই এজন গোসাঁই কেতিয়াবা অকলে আৰু কেতিয়াবা সপৰিয়ালে ইয়াত আহি বসতি কৰিছিল। কিন্তু গৌৰীকান্ত গোসাঁয়ে যৌৱন অৱস্থাতে মান ভাঙোনৰ সময়ত আমৰাঙালৈ একেবাৰে উঠি আহে আৰু ইয়াতেই উপাসনাৰ কেন্দ্র পাতে। ১৩০৪ শকৰ ৰৰ ভূঁইকপৰ সময়ত গৰৈমাৰি সত্ৰ একেবাৰে ধ্বংসপ্রাপ্ত হয়। এই ভূঁইকপত গৰৈমাৰিৰ বিখ্যাত শিলেৰে বন্ধোৱা মন্দিৰ আৰু বহুতো মূল্যবান সম্পত্তি নষ্ট হয়। ইয়াৰ আগেয়েও

মান ভাঙোনৰ সময়ত সত্ৰৰ গোসাঁই সকলৰ বহুতো পুৰণিদিনৰ সা-সম্পত্তি পুথি আদি ধ্বংস হয়। ইয়াৰ ফলত ধ্বংসপ্ৰাপ্ত গৰৈমাৰিৰ-পৰা গোপীনাথ বিগ্ৰহক লৈ আহি ওচৰৰে জামবাৰী নামে ঠাইত এখন সত্ৰ স্থাপন কৰা হয়। আগৰ শিষ্য-ভকতসকল বাধ্য হৈ জামবাৰীলৈ উঠি আহে। ওচৰৰ গাওঁবোৰতো সিঁচৰিত হৈ পৰে। এইবিলাকৰ বংশধৰসকল এতিয়াও জামবাৰীত দেখিবলৈ পোৱা যায়। ১৩০৮/০৯ শকত গোপীনাথ বিগ্ৰহটি একেবাৰে আমৰাঙালৈ লৈ অহা হয়। এইদৰে গৰৈমাৰি জনাজাত হৈ শেষত পৰিত্যক্ত হয়। আমৰাঙা বাহৰ গুচি গুকসকলৰ নিগাজী বাসস্থান হৈ পৰে। গৰৈমাৰি গোসাঁই সকলৰ লগত উজনিৰ গড়মূৰ সত্ৰৰ কিবা এটা সম্পৰ্ক থকা বুলি আগৰেপৰা এটা প্ৰবাদ চলি আহিছে।

আগতে উল্লেখ কৰা হৈছে যে সন্তদেৱে বিশেষকৈ দক্ষিণ কুলত যবন উদ্ধাৰৰ কামত মনোযোগ দিছিল। সেইসময়ত অহিন্দু বুলি পৰিচিত হোৱা কছাৰী, গাৰো আদি সকলোকে হিন্দু ধৰ্মত তুলি দি উদ্ধাৰ কৰিছিল। তেওঁৰ বংশধৰসকলকো এই কামৰ বাবে নিৰ্দেশ দিছিল। কামৰূপৰ দাতিকাষৰীয়া বাণী বজা, লুকিবজা, মৰোৱা পুৰিয়া বজা প্ৰভৃতি বজাসকলক এইদৰে বৈষ্ণৱ ধৰ্মত তুলি লোৱা হয়। বাণী বজাই ধৰ্মপুৰ (ধৰমপুৰ), বঙালপুখুৰী, সাতবৰিয়া আৰু শৰণীয়া বুলি চাৰিখন গাওঁ তামৰ ফলিত লিখি দি গোসাঁইক দান কৰিছিল। কিন্তু বাণী বজাই এইদৰে গ্ৰামদান কৰিব নোৱাৰে বুলি বৃটিছ শাসকে এই সকলোখিনি মাটিকে খেৰাজ কৰে। ইয়াৰ ফলত বঙলাপুখুৰী, খিদিৰ পুখুৰীৰ ভাগত পৰে। আজিলৈকে সেইদৰে আছে। বাকীখিনি মাটি এতিয়ালৈকে আমৰঙাৰ ভাগত আছে। মাতবনৰীয়া গাৱঁৰ এক অংশ বৰ্তমান পাট হাসধীয়া লাটৰ অন্তৰ্ভুক্ত হৈছে। বাকী আধা নাৰ গাৱঁৰ লাটৰ অন্তৰ্ভুক্ত হৈছে।

— × —

এটা দৈত্য আৰু এজাক দেৱশিশু

এখন চহৰৰ মাজত এটা ডাঙৰ প্ৰাসাদ আছিল। প্ৰাসাদটিৰ চাৰিওফালে ওখ প্ৰাচীৰ। প্ৰাসাদৰ বাগিচাত নানাধৰণৰ ফল-ফুলৰ গছ আছিল। এই গছত পৰি নানাধৰণৰ চৰায়ে গান গাইছিল। ইয়াত এখন ফুলৰ বাগিচাও আছিল। গছ-গছনিৰ মাজত প্ৰাসাদটি ৰৰ মনোমোহা দেখা গৈছিল। আচৰিত কথা এয়ে যে এই ঘৰৰ মালিক হৈছে-এটা দৈত্য। তাৰ নাম আপোন-পেটীয়া দৈত্য।

আপোন-পেটীয়া দৈত্যৰ ল'ৰা-ভিৰোতা নাই। দুটামান চাকৰহে আছে। সিহঁতেই তেওঁক বান্ধি বাঢ়ি দিয়ে। কিন্তু থাকে তেওঁৰপৰা নিলগত।

এটা ডাঙৰ কুঠৰিত দৈত্যৰ টকাৰ বাকছ কেইটাত কাপোৰ কানিও ভৰি আছে। সি সদায়ে একোছা ছাৰি লগত লৈ থাকে। তাত এশপাতমান ৰেলেগ ৰেলেগ ছাৰি আছে। কোনপাত ছাৰিৰে কোনটো বাকছৰ তলা খোলা যায় তাৰ নম্বৰ লগোৱা আছে। দৈত্যই সেই ছাৰি-জোতা ডিঙিৰ এডাল হাৰত ওলোমাই থৈ দিছে। শুই থাকোতে বুকুৰ মাজত লৈ থাকে। কোনেও সেই ছাৰিৰ ওচৰলৈ যাব নোৱাৰে। দৈত্যৰ কোনো নাই। আছে মাথো সঙ্গী ছাৰি বাকছ। আৰু কিছুমান ডাঙৰ ডাঙৰ তলা। আৰু আছে এটা আলমাৰিত কিছুমান নথি-পত্ৰ।

দৈত্যই পুৱাই উঠি বাগিছাখনত এবাৰ টহল দিয়ে কোনোবাই কিবা নিচেনেকি চায়। ইটাৰ দেৱালত থকা আটাইবোৰ ফুৱাৰৰ তলাবোৰো ভালকৈ চায়। কিজানিবা চাকৰবোৰে বজাৰলৈ যাওঁতে কোনোবাখন ফুৱাৰৰ তলা খোলাই এৰিছে?

দৈত্যই বাগিছাত যি ফল ফুল হয় আটাইবোৰ বেচি অলেখ পইচা পায়। চৰাই-চিৰিকতিকো খাবলৈ নিদিবহে মন। কিন্তু চৰাই

চিনিকতিয়ে খোৱাটো একেবাৰে বন্ধ কৰা নহয় টান। এইদৰে গোটেই বাগিছা খন দিনৌ এবাৰ পৰীক্ষা কৰি দুপৰীয়া ভাত খাই দৈত্যটো শুই থাকে। সেই টোপনি একেবাৰে গধুলিলৈকে থাকে। গধুলি অলপ ইফালে সিফালে ফুৰি নিশা চাকি লগাই মাটৰ খত-পত্ৰবোৰ চায়। সেইবোৰ চাই আকৌ আগৰদৰে সুন্দৰকৈ জাপি থৈ দিয়ে। তাৰপিছত জমা-খৰচ লিখে। বাকছৰ টকা মিলাই চায়।

চাকৰবোৰকো ধমক দিয়ে আৰু সিহঁতে বজাৰৰপৰা কিবা পইচা চুৰ কৰিছে নেকি চাবলৈ সিহঁতৰ জেপ আৰু শোৱা বিছনা পৰীক্ষা কৰি চায়। এইবোৰ কাম কৰোঁতে ৰাতি দহমান বাজে। তাৰ পাছত সি ভাত খাই আকৌ শুই থাকে। নিশা কোনো মানুহ দৈত্যটোৰ পকি ৰেৰাৰ ভিতৰলৈ যাবলৈ সাহ কৰিব নোৱাৰে। কিন্তু দিনত যেতিয়া দৈত্যটোৱে চাৰি ঘণ্টামান শোৱে তেতিয়া তাৰ গছৰ পকা ফল আৰু সুন্দৰ ফুলবোৰৰ লোভত পৰি বাহিৰৰ দুই এটি প্ৰাণীয়ে কেতিয়াবা অলপ ভুমুকিয়াই চাব খোজে।

এদিন দৈত্যটো শুই আছিল। এনেতে হঠাৎ ৰৰষুণ আহিল। আৰু প্ৰাসাদৰ চাল ফুটি পানী বৈ দৈত্যটোৰ কাণত সোমাল। দৈত্য-টোৱে চক খাই সাৰ পালে। কাণৰ পানী মচি প্ৰথমে কেনেকৈনো পানী পৰিল তাৰ ভূ ললে। চালৰ ফুটা ভাল কৰোঁতে কিমান খৰছ পৰিব সেইটোও ভাবি চালে। ৰকণ দেৱতাক গালি শপনি পাৰি আকৌ ওপৰলৈ গৈ দেখে যে বিছনাখনো তিতি গৈছে। গুৰ নোৱাৰি সি বাহিৰলৈ ওলাই আহি দেখে এটা অতি মনোৰম কিন্তু দৈত্যটোৰ পক্ষে অতি অসহনীয় দৃশ্য।

বাগানত মহা হুলস্থুল। কিছুমান সৰু সৰু ল'ৰা-ছোৱালীয়ে ৰৰষুণক ভ্ৰূক্ষেপ নকৰি গছে গছে উঠি পকা ফল খাইছে। এই অতি ধুনীয়া অকণ অকণ ল'ৰা-ছোৱালী.বাৰৰ হাঁহি-মাতে গোটেইখন ফুলনি খলক লগাইছে। সিহঁতৰ মুখৰ হাঁহি আৰু ফুলি থকা ফুলবোৰৰ হাঁহি-ভুৰোবো যে কোনটো বেছি সুন্দৰ ধৰিব নোৱাৰা হৈছে। সিহঁতৰ কি [illegible]!!

কাৰো গাত সাজ-পোছাক নাই। দুখন হাতৰ ওপৰত দুখন দুখন সৰু সৰু পাখি। কাৰোবাৰ বঙা কাৰোবাৰ বগা, কাৰোবাৰ নীলা। এজোপা গছৰ-পৰা সিজোপা গছলৈ যেন উৰিহে যাব সিহঁত! কোনোটোৰ বয়স দেখিলে মাথোন ডেৰ বছৰমান যেনহে লাগে। কোনোটোৰ আকৌ দুবছৰ যেন লাগে চাৰিবছৰৰ বেছি অৱশ্যে এটিও নাই। দৈত্যই যেনি চায় তেনি মাথোন এইবোৰ ল'ৰা-ছোৱালী দেখা পালে। সকলোৱে ফল খাইছে আৰু হাঁহিছে। ফুল ছিঙি চুলি আৰু কাণত সুমুৱাই লৈছে। হাঁহিছে, গান গাইছে আনন্দতে মতলীয়া হৈ পৰিছে। ইহঁতৰ সংখ্যা দুকুৰিমান হ'ব। ইহঁতে যে কিমান পইচাৰ ফল নষ্ট কৰিলে সেইটো ভাবি প্ৰথমে দৈত্যৰ দুৰ্যোধ খং উঠিল।

..... সৰু সৰু ল'ৰা-ছোৱালীবোৰে অৱশ্যে দৈত্যটো সাৰ পোৱা কথা গমকে পোৱা নাই। সিহঁতে সেইসময়ত দৈত্যটো যে সাৰ পাই পাৰে আজি অতদিনে জনা নাছিল। সিহঁত এনে ব্যস্ত যে দৈত্যটোৱে খণ্ডত জলি পকি সিহঁতলৈ যে কৈতিয়াবাৰপৰা চাই আছে সেইকথা গম পোৱা নাই। শেষত বাগিছাৰ লোকচান আৰু তাৰ প্ৰতি অৱজ্ঞা এই দুয়োটা কথাতে জলি পকি সি ভয়ানক গৰ্জন কৰি জুম পাতি থকা পাঁচটামান শিশুৰ উদ্দেশ্যে চোচা ললে। দৈত্যই সেই আটাইকেইটাকে মোহাৰি পেলাবৰ নিমিত্তে দুয়ো হাত আগবঢ়াই দিলে। কিন্তু দৈত্যৰ চেষ্টা বৃথা হ'ল। দৈত্যৰ গৰাহৰপৰা কেনেকৈ পিছলি আটাইকেইটা শিশু অন্তৰ্দ্ধান হ'ল দৈত্যই কবকে নোৱাৰিলে। সিহঁতৰ গান হাঁই-উকমি বন্ধ হল। আটাইবোৰে বান্দৰ পোৱালী জপিওৱাৰ দৰে জপিয়াই মেল খাই থকা এখন সৰু দুৱাৰেৰে অন্তৰ্দ্ধান হ'ল। কাকো ধৰিব নোৱাৰি দৈত্যই খণ্ডত দুৱাৰ মেলি যোৱা বাৰে চাকৰ দুটাৰ পিনে চোচা ললে। কিন্তু সিহঁতে গধাকী শুই থকা সময়ত কৰবাত ফুৰিবলৈ ওলাই গৈছিল। দৈত্য শুই উঠা সময়ত অলপ আগতে চাকৰ দুটা ফিৰি আহি দেখে যে সিহঁতৰ গধাকী আগতেই শুই উঠি হাতত টাঙোন লৈ সিহঁতলৈ খাপ লৈ আছে। টাঙোনৰ কোৱাত সিহঁতে

সৈ লগে যে আজি বহুত দিনবেপৰা সেই অকণ অকণ ল'ৰা-ছোৱালী-বোৰৰ বাবে আৰেলি এখন দুৱাৰ খুলি দিয়ে আৰু সেই বাটেদি সিহঁতে আহি সদায় ফল-মূল খাই যায়। গছবোৰত ইমানকৈ ফল লাগিছে যে সিহঁতে পেট ভৰাই খাই গলেও ফল হানি হোৱা বুলি গম পোৱা নাযায়। চাকৰ দুটাই ক'লে যে সিহঁতে ল'ৰা-ছোৱালীবোৰক আন কাৰো ঘৰত দেখা নাই। সিহঁতে কৰবাৰপৰা আহি দুৱাৰ খুলি দিবলৈ কাকো-কাকুতি কৰে। উপায় নেপাই সিহঁতে দুৱাৰ খুলি দিছে। আচৰিত কথা এয়ে যে, শিশুবোৰে ফল খাবলেপৰা গছৰ ফল আকৌ দুগুণে বাঢ়িছে। দৈত্য কিন্তু সন্তুষ্ট নহ'ল। চকু পকাই ধৰি সিহঁতক আকৌ দুই তিনিটা গোৰ সোধালে।

পিছদিনা দৈত্যই প্ৰত্যেকখন দুৱাৰৰ মুখতে একোখনকৈ কাঠৰ ফলি আঁৰি দিলে। এই ফলিত লেখা আছিল যাতে তেওঁৰ বাগিচাত সোমাই কোনেও ফল নেখায়। খালে আইনৰ মতে ব্যৱস্থা লোৱা হ'ব। অৰ্থাৎ মোকৰ্দমা কৰি চোৰক হয় ফাটেক নহয় জৰিমনা নাইবা বেতৰ কোৰ দিয়া হব। এই ন'টিচ দেখি ল'ৰা ছোৱালীবোৰে ভয়ত ওচৰ নচপা হ'ল। কিন্তু বাগানত এটা ডাঙৰ পৰিবৰ্ত্তন ঘটিল। বাগানত চৰায়ে আৰু নেমাতে, ফুল ফুলে, গছত ফল নধৰে। গোটেইখন নিমাত নিস্তব্ধ। যমপুৰীৰদৰে লগা হ'ল। লাহে লাহে শীতকাল আহিল। শীতত গছ-লতা আটাইবে পাত শুকাই সৰি পৰি একো নাইকিয়া হ'ল। কিন্তু শীতৰ পিছত আৰু বসন্ত নাহিল। গছত আকৌ নতুন পাত নাহিল। দৈত্যৰ বাগিচা, য'ত আগেয়ে সংসাৰৰ সকলো সুন্দৰ চৰাই আৰু পখিলাৰ আবাস আছিল এতিয়া তাত কাউৰী এটাও নপৰা হ'ল।

দৈত্যৰ মন শোক বেজাৰেৰে ভৰি পৰিল। বাগানৰ অৱস্থা যেনে-কুৱা হ'ল, দৈত্যই এতিয়া আগৰদৰে বাগানবোৰ চাই সুখুৰে। কাৰণ চোৰে চুৰ কৰিবলৈ বাগানত একোৱে নাই। আগেয়ে যত ফল-ফুল ধৰিছিল সেইবোৰ এতিয়া শুকান ধৰি হ'ল। এদিন কেইজনী ল'ৰা

গছত কিবা প্রকাৰে জুই লাগি দৈত্যৰ ঘৰৰ এখন চাল পুৰি ভস্ম হৈ গ'ল। দৈত্যই ভাত খাব নোৱাৰা হ'ল। বাতি টোপনি নহা হ'ল। ঘৰৰ বস্তু অযত্নত যেনি-তেনি পৰি ৰ'ল। দৈত্য খীণাই শুকাই যাবলৈ ধৰিলে।

এইবাৰ দৈত্যই ভাবিলে সেই অকণ অকণ ল'ৰা-ছোৱালী বোৰক খেদি পঠোৱাৰপৰাহে তাৰ এনেকুৱা হ'ল। সেই ল'ৰা-ছোৱালীবোৰক আকৌ নিমন্ত্রণ কৰি আনিবৰ কাৰণে ঈশ্বৰক প্রার্থনা কৰিবলৈ ধৰিলে। চাকৰহঁতক পঠিয়াই সি নানা ঠাইত বিচাৰিলে। কিন্তু চহৰৰ ক'তো সেই সুন্দৰ ল'ৰা-ছোৱালী বোৰক বিচাৰি নাপালে। চাকৰহঁতে ক'লে,— "সেইজাক দেৱশিশু আছিল। সিহঁত এই পৃথিৱীৰ সাধাৰণ ল'ৰা-ছোৱালী নহয়।"

দৈত্যই তেতিয়া বজাৰৰপৰা দিনৌ ফল ফুল কিনি আনি সেই শিশুহঁতক উদ্দেশ্যি কয়, "বোপাটিহঁত, তহত আহ। মোৰ এই ফল-ফুলখিনি গ্রহণ কৰ।" এইবুলি সি কান্দি কাটি থাকিব ধৰিলে। ফল-ফুলবোৰ শুকাই পচি যায়, কিন্তু কোনো নাহে। সি সেইবোৰ পেলাই দি দিনৌ নতুনকৈ ফল-ফুল কিনি আনি সজাই থয়। এইদৰে ফল ফুল কিনোতে দৈত্যৰ বাকছত এটিও পা-পইচা নোহোৱা হ'ল। দৈত্যই এইবাৰ নেথাই মৰিবলৈকে ঠিক কৰিলে। এইদৰে থাকোতে দৈত্যই এদিন সেই ফল ফুলবোৰৰ সম্মুখত দীঘল দি পৰি টোপনি গ'ল।

হঠাৎ শব্দ কেতবোৰ শুনি দৈত্য সাৰ পাই উঠিল। উঠি দেখে যে বাগানত আকৌ চৰায়ে মাতিছে, গছবোৰৰ পাত আহিছে, ফুল ফুলিছে, ফল পকিছে আৰু সেই অকণ অকণ ল'ৰা-ছোৱালীবোৰে বাগানত পিয়াপি দি ফুৰিছে। কেৱে দৈত্যৰ কাণৰ ওপৰত, কেৱে মুখৰ ওপৰত উঠি ফল খাই ধেমালি কৰিব ধৰিছে। দৈত্যৰ শৰীৰ শীতল পৰি গল। সি উঠি কান্দি কান্দি তাৰ সেই দাঢ়ি-গোফে ভৰা ভোৱোলা মুখেৰে এটি এটিকৈ আটাইকেইটা দেৱশিশুক চুমা খাবলৈ ধৰিলে। একেদিনাই দৈত্য আকৌ আগৰদৰে ভজমজীয়া হৈ উঠিল। তাৰ আগৰ

সেই কঠুৱা মাত নোহোৱা হ'ল। চকুৰ দৃষ্টি শীতল হল। সি সদায়ে সেই ল'ৰা-ছোৱালীবোৰৰ লগত ধেমালি কৰি ফুৰিবলৈ ধৰিলে। সিহঁতক ফল পাৰি দি খুৱাবলৈ ধৰিলে।

এইদৰে থাকোতে দৈত্যৰ ছয়কুৰি বছৰ পূৰা হওঁতে এদিন দিনতে খাই-বৈ উঠি শুলে কিন্তু আৰু সাৰ নেপালে। তাৰ জীৱটোক আটাই-বোৰ ল'ৰা-ছোৱালীয়ে স্বৰ্গলৈ বাট দেখুৱাই লৈ গল। তাৰ শটো যিডোখৰ ঠাইত পৰি ৰ'ল তাত এডাল ডাঙৰ আইঁত গছ গজিল। সেই আইঁত ডালত দিনৌ হেজাৰ হেজাৰ চৰায়ে ফল খাই থাকে। দৈত্যৰ সেই আগৰ পকী ঘৰ নাই। বাগিচাখনো নাই। তাৰ মাজেদি এটা চৰকাৰী আলি পৰিছে আৰু আলিৰ কাষত সেই আইঁত গছ জোপাৰ তলত ভাগৰুৱা-বাটকৱাই বদত আহি জিৰণি লৈ যায়।

—x·

অনুকৰণ

অনুকৰণ প্ৰাণীজগতৰ এটি স্বাভাৱিক মনোবৃত্তি। জীৱন যাত্ৰা নিৰ্বাহৰ নিমিত্তে যিমানখিনি কথা জানিবলগীয়া আৰু যিমানখিনি কাম কৰিবলগীয়া হয়, তাৰ বহুতখিনিয়ে অকল এই অনুকৰণৰদ্বাৰা সাধিত হয়। যদি মানুহে বা ইতৰ জন্তুবিলাকে সকলোখিনি কাম নিজৰ অভিজ্ঞতাৰদ্বাৰাহে শিকিব লগা হ'লহেতেন তেনেহলে কেইটিমান গুৰিৰ কথা শিকোতেই সমস্ত জীৱন কাটি গ'লহেঁতেন। প্ৰাণীতত্ত্ববিদ পণ্ডিতসকলেও এই অনুকৰণ প্ৰবৃত্তিৰ অসীম ক্ষমতা স্বীকাৰ কৰিছে। ইয়াৰদ্বাৰা যে প্ৰাণীজগতৰ বিকাশ আৰু সহায় হৈছে তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

এই অনুকৰণ নানা ৰকমৰ হব পাৰে। সাংসাৰিক জীৱনৰ বাবে যিবিলাক কামৰ আৱশ্যক তাত অনুকৰণ সদায় বিদ্যমান। ভৰিৰে খোজ কঢ়া, হাতেৰে কাম কৰা, মুখেৰে ভাত খোৱা, কথা কোৱা ইত্যাদি অঙ্গ প্ৰত্যঙ্গৰ ব্যৱহাৰ প্ৰথমতে অনুকৰণৰপৰাই শিকা হয়।

এটি শিশু যদি সঙ্গীসকলৰপৰা একেবাৰে পৃথক হৈ পৰে তেনেহলে সি কি কৰিব সেই বিষয়ে যদি মনে মনে ভাবি চাওঁ তেনেহ'লে এই অনুকৰণৰ অস্তিত্ব অনুভৱ কৰিব পাৰি। সাংসাৰিক জীৱন ধাৰণৰ নিমিত্তে কৰা এই প্ৰথম অনুকৰণৰ বাহিৰে আৰু এবিধ ওখ খাপৰ অনুকৰণ আছে। অৰ্থাৎ মনোৰাজ্যৰ ভিতৰতো অনুকৰণৰ খেলা আছে। ইয়াৰ প্ৰভাৱ স্বভাৱ-চৰিত্ৰ, বুদ্ধি-বৃত্তি, কল্পনা আদিৰ ওপৰত প্ৰতিফলিত হয়। আমি দেখিবলৈ পাওঁ যে দ্বিতীয়বিধ অনুকৰণৰ লগত ঘাইকৈ মানুহৰহে সম্বন্ধ আছে। মানুহৰ বাহিৰে ইতৰ প্ৰাণীৰ ভিতৰত এই অনুকৰণৰ ফলাফল কেনেকুৱা হয় তাক ঠিক কৈ ক'ব নোৱাৰি। মাজে মাজে শুনা যায় কিছুমান ঘৰচীয়া জন্তুয়ে অদ্ভুতভাৱে অনুকৰণ কৰে। এটা বান্দৰ পুহিলে কেতিয়াবা সি গৰাকীৰ নিচিনাকৈ চকীত বহি টেবিলত

খানা খাবলৈ শিকা শুনা যায়। কুকুৰ, হাতী, গৰু, মেকুৰী, ভালুক আদি জন্তুৰেও মানুহে কৰা নানা কাম অনুকৰণ কৰা দেখা যায়। ইয়াৰ গতি আগৰবিধ অনুকৰণৰ গতিতকৈ সুক্ষ্ম। অনুকৰণৰ ফলত হোৱা মানসিক তাৰতম্য জন্তুৰ মাজত নিচেই কম। ই মানুহৰ ভিতৰত কিন্তু খুউৰ প্ৰবল।

কেচুৱা এটাই নিজৰ মনৰ ভাব কথাৰে প্ৰকাশ কৰিব পৰাৰ আগতেও আনৰ কাম কাজ দেখি নিজে তাৰ আৰ্হি লয়। ল'ৰা-ছোৱালীৰ ভৱিষ্যত বুদ্ধি বৃত্তিৰ ওপৰত এনেকুৱা কামৰ প্ৰভাব থকা বুলি বহুতে স্বীকাৰ কৰে। সিহঁতে যেতিয়া ডাঙৰ হৈ আনৰ কাম-কাজ লক্ষ্য কৰিব-পৰা হয় তেতিয়া সেই প্ৰথম অৱস্থাতে তেওঁলোকে গ্ৰহণ কৰা অনুকৰণৰ প্ৰভাব বৰ বেছি বুলি বোধ হয়। ভোকত তত্ নেপাই মানুহে যিদৰে যি খাদ্যকে সম্মুখত পায় তাকেই ভাল বেয়া বিবেচনা নকৰাকৈ গ্ৰহণ কৰে, সেইদৰে নিজৰ বিবেক শক্তিৰ উত্তৰ নোহোৱাত ল'ৰা-ছোৱালীৰ স্বভাৱতে অনুকৰণশীল মনে যি দৃষ্টান্তকে আগত পায় তাৰেই কিছু অনুকৰণ কৰে। এই অনুকৰণ প্ৰৱণতা সকতে ইমান বেছি হয় যে, দুটা একে ঘৰৰ ল'ৰাক যদি একে সময়ত, ভিন ভিন অৱস্থাত ভিন ভিন সমাজত ৰাখি থোৱা হয়, সিহঁতৰ স্বভাৱ একেবাৰেই ভিন ভিন হৈ যাব পাৰে। সিহঁতৰ মাজত যে মৌলিক কিবা ঐক্য থাকিব পাৰে তাক সুক্ষ্মভাবে বিচাৰিলেহে পোৱা যায়। আমি সকলোৱে অনুভৱ কৰোঁ যে সকতে আমি যিমান সোনকালে কোনো কথা আয়ত্ব কৰিব পাৰোঁ ডাঙৰ হলে সিমান সোনকালে নোৱাৰোঁ। কিন্তু সেইবুলি অনুকৰণশীলতা বয়সৰ লগত যে একেবাৰেই নোহোৱা হৈ যায় এনে নহয়। ডাঙৰ হলে অনুকৰণৰ ইমান বস্তু আহি হাতত পৰে যে, কোনোটোৱেই মনক একেবাৰে এপিঠিয়াকৈ লব নোৱাৰে।

এই অনুকৰণশীলতাৰপৰা মানুহৰ যেনেকৈ বেয়া হব পাৰে সেইদৰে বহুত সময়ত ভালো হব পাৰে। ই এটা মানুহৰ স্বাভাৱিক মনোবৃত্তি। ভিন ভিন অৱস্থাত ই মানুহক ভিন ভিন ফালে আকৰ্ষণ কৰিব পাৰে।

মানুহতকৈ ইতৰ প্ৰাণীজগতত অনুকৰণেই হৈছে প্ৰাকৃতিক শিক্ষাৰ প্ৰধান আহিলা। মানুহৰ মাজতো ই এটি শক্তিশালী মনৰ বৃত্তি। পৰস্পৰৰ অনুকৰণৰ প্ৰকৃতিয়ে মানুহৰ সুকীয়া ব্যক্তিত্ব বিকাশত বাধা জন্মাই সমাজত একেলগে থাকিবপৰা এক অন্যন শক্তি দান কৰিছে।

আজি কালি নানা ভাৱৰ অলেখ কিতাপৰপৰাও মানুহৰ মন চঞ্চল হৈ পৰে, সুস্থিৰভাৱে মনটোৱে যেন কোনোপিনে লক্ষ্য স্থিৰ ৰাখি এখোজ দুখোজকৈ আগবাঢ়িব নোৱাৰে।

কিন্তু এই ভাৰৰ খেলি-মেলিৰ মাজতো একোটা সামঞ্জস্য হ'ব পাৰে বুলি আশা কৰিব লাগিব। মনৰ দুৱাৰ মুকলি কৰি দি মনৰ ওপৰত সকলো প্ৰকাৰ প্ৰভাৱ পেলাই যিটো ব্যক্তিত্ব গঠন কৰা হ'ব সেয়েহে প্ৰকৃত ব্যক্তিত্ব। সকলো খাদ্যকে খাই জীণ নিয়াই নিজৰ তেজ মাংসৰ এই ব্যক্তিত্বক মিহলি কৰি লব লাগিব।

—×—

উমাকান্ত গোস্বামীদেৱৰ ডায়েৰীৰ কেইখিলামান পাত

শ্ৰীসুব্ৰতা বৰুৱা

উমাকান্ত গোস্বামীদেৱ আছিল অত্যন্ত মেধাবী ছাত্ৰ। ধীৰ, স্থিৰ, পৰিশ্ৰমী। শিক্ষাৰ প্ৰতি থকা তেখেতৰ অসীম ধাউতিৰ পৰিচয় সৰু কালিৰে পৰা চৰিত্ৰত স্পষ্ট হৈছিল। ইয়াৰ পৰিচয় তেখেতৰ শিক্ষা জীৱন আৰু পাছত কৰ্ম জীৱনৰ মাজত প্ৰকাশ হৈছিল। তেখেতৰ অধ্যয়ণৰ প্ৰতি থকা স্পৃহা আৰু সকলো কামেই নিয়াৰিকৈ কৰাৰ চেষ্টাৰ প্ৰকাশ পাইছিল জীৱনৰ সকলো ক্ষেত্ৰতে।

১৯১৮ চনত প্ৰথম ডোখৰত গুৱাহাটীত Cotton College ত পঢ়া সময়ৰ আৰু একে বছৰৰে পাছত কলিকতালৈ M. A. পঢ়িবলৈ যোৱা সময়ৰ এখন ডায়েৰীৰ অলপ ইয়াত তুলি দিয়া হ'ল। ডায়েৰী খনৰ প্ৰথম পাতত লিখা আছিল 'Stray Thoughts' বুলি। আকৌ ১৯৩৫ চনত লিখা এখন ডায়েৰীৰ পৰাও কিছু তুলি দিয়া হ'ল। এই-খনত লিখা আছিল "Attempt to live." এই ডায়েৰী দুখনেই মোৰ হাতত পিতৃ স্মৃতিৰ একমাত্ৰ চিহ্ন হিচাবে আছে। দুইখন ডায়েৰীয়ে ইংৰাজীত লিখা।

১৯১৮ চন, ১ ফেব্ৰুয়াৰী :—

"In the morning I feel much refreshed. After regular, exercise I begin to read "Problem of wages" when Harmohon Goswami comes to get an application written to the University Registrar asking for permission to appear in the Matriculation Exam.... ... ...

.....Mr. Brown delivers a good lecture on party Govt. and lends me one of his note books on Economics which was written while he was in England.

.....In the evening my father comes to see me. He gives me Rs. 40/-. He says that my mother's health is dwindling. I determined to send some medicines of slow and old fever from which she is suffering, though she has not told to do so, fearing that I may be in want of money."

এই খিনিৰ পৰা বুজা যায় উমাকান্ত গোস্বামীদেৱৰ অধ্যয়ণৰ প্ৰতি থকা একান্ত অনুৰাগ আৰু লগতে মাতৃৰ প্ৰতি থকা গভীৰ স্নেহ আৰু শ্ৰদ্ধা।

ইয়াৰ পাছত তেখেতে বোধহয় B. A. পাছ কৰি কলিকতালৈ M. A. পঢ়িবলৈ প্ৰথমবাৰ যায়।

২১ আগষ্ট, বুধবাৰ, ১৯১৮ চনৰ ডায়েৰীৰ পৰা :—

Our M. A. classes are opened from this day. I can not attend the classes of Mr. Cayajee and Mr. Chattaraj for not being able to know the rooms where I am to go. In the third period I attend the classes of Dr. P. N. Banarjee.

.....He begins his lecture on public Administration of India.

সম্পূৰ্ণ ডায়েৰী খন কেতিয়াবা প্ৰকাশ কৰিব পাৰিলে সেই সময়ৰ বহুত কথা আৰু উমাকান্ত গোস্বামীদেৱ সম্বন্ধে, তেখেতৰ কৈশোৰ কালৰ কথা জনা যাব।

ইয়াৰ পাছতে মোৰ হাতত থকা ১৯৩৫ চনৰ এখন ডায়েৰীৰ পৰা। ইয়াত মাত্ৰ কেইলিখামান পাততহে লিখা আছে, বাকীবোৰ উকাপাত। এইখনৰ নাম দিছিল "My attempt tolive." এই সময়ত উমাকান্ত গোস্বামীদেৱ Cotton College ৰ Economics ৰ

শিক্ষক আছিল। তেখেতে কেবাঠাইতো প্রথমা পত্নী প্রতিভা দেবীৰ কথা উল্লেখ কৰিছে। লগতে প্রথম পত্নীৰ সন্তান দুটি সম্বন্ধেও উদ্বিগ্নতা প্রকাশ কৰিছে। কিন্তু তেখেতে দ্বিতীয়া পত্নী শ্রীমতী অম্বিকা দেবী গোস্বামীৰ স্বাস্থ্য আৰু সুখ সুবিধাৰ প্রতিও গভীৰ অনুভূতিৰে চিন্তা কৰাৰ কথা পোৱা যায়। এই সময়তে তেখেতে "সমবায়" নামৰ কিতাপখন লিখিবলৈ আৰম্ভ কৰাৰ কথাও উল্লেখ আছে। লগতে নিজৰ গাওঁ আমবাঙাৰ হাতীৰ মাউত কানীয়া কালটুৰ বাবে কানি কিনাৰ "পাছ" লবলৈ চেষ্টা কৰাৰ কথাও আছে। তেখেত সেই সময়তে পানবজাৰ ছোৱালী স্কুলৰ লগতো জড়িত আছিল। এই সম্বন্ধে ডায়েৰীত লিখাৰ পৰা কিছু তুলি দিয়া হ'ল।

23.4.35.

"My wife's ailment continues. I go to Miss Das. She examines her."

ইয়াত তেখেতৰ দ্বিতীয়া পত্নী শ্রীমতী অম্বিকা দেবী গোস্বামীৰ কথা কৈছে। Miss Das সেই সময়ৰ মহিলা ডাক্তৰ স্বর্গীয় হৰিকৃষ্ণ দাসৰ কন্যা ডাক্তৰ তিলোত্তমা বৰচৌধুৰী।

27.4.35

In the afternoon I do some amount of translation work of the cooperative society rules.

29.4.35

In the afternoon I see Bijoy Babu and got the application to the Syndicate for awarding the silver medal in memory of my late wife typed."

এইয়া তেখেতৰ প্রথমা পত্নী প্রতিভা দেবীৰ কথা কৈছে। তেখেতৰ ডাঙৰ ল'ৰা-ছোৱালী দুটি ককাক স্বর্গীয় শৰৎ চন্দ্র গোস্বামীৰ হেপাজতে আছিল। সেই শিশু দুটি সম্বন্ধে উদ্বেগৰ কথা পোৱা যায় এইখিনিতে—

30.4.35

"I do not know how Bapa and Tutu are, what they are being taught and what they are thinking of me."

ইয়াত তেখেতৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীদেবব্ৰত গোস্বামী আৰু জ্যেষ্ঠা কন্যা শ্ৰীমতী সুব্ৰতা বকৰাৰ কথা লিখিছে।

5.5.35

In the morning I go with Kaltu to Prabhat Babu for obtaining a pass for purchasing opium for Kaltu.

হাতী মাউত কালটুয়ে কানি খাব নোৱাৰিলে অসুস্থ হৈ পৰিছিল। সেই সময়ত কানীয়া সকলে কানি কিনিবলৈ "পাছ" লব লাগিছিল।

10.5.35

"In the morning I go to Prabhat Kusum Babu to see if an opium pass may be obtained for Kaltu. The authorities seem to have made some mistake in being so strict in giving pass even to the confirmed addicts.

17.8,35

"In the evening a tea party arranged in the Uzanbazar Theatre Hall to honour Dr. Kakati. The D. C. presided and Mr. N.C. Bordolai speaks".

এই আছিল Dr. বাণীকান্ত কাকতিদেৱে Ph. D. উপাধি লাভ কৰাৰ কথা।

27.8.35

"Much has been made of the affairs of the appointment of a Headmistress for the Girl's High School. I do not know why the Bengali people have begun to think it so hotly. That the Headmistress of the High School of Gauhati which is an Assamese town is quite a simple matter and this aught to be taken by the Bengali people as quite normal."

এই আছিল স্বর্গীয়া ৰাজবালা দাসক পানবজাৰ স্কুলৰ হেডমিষ্ট্রেচ কৰা সম্বন্ধে লেখা।

মোৰ পিতৃৰ ডায়েৰীৰ কিছু কিছু লিখনী ইয়াত দিলোঁ। তেখেতৰ সম্পূর্ণ ডায়েৰীবোৰ আৰু চিঠি বিলাক প্রকাশ হলে বহুতো কথা জানিব পৰা যাব বুলি আশা কৰোঁ।

—×—

শিক্ষাবিদ উমাকান্ত গোস্বামীদেৱে তেখেতৰ কৃতিত্বৰ বাবে পোৱা বিভিন্ন পদক সমূহ—

(ক্ৰমানুসাৰে)—

(১) মেট্ৰিকুলেচন পৰীক্ষাত সংস্কৃত বিষয়ত বিশেষ কৃতিত্বৰ বাবে

(২) মেট্ৰিকুলেচন পৰীক্ষাত অসমীয়া বিষয়ত বিশেষ কৃতিত্বৰ বাবে

(৩) মেট্ৰিকুলেচন পৰীক্ষাত সংস্কৃত বিষয়ত বিশেষ কৃতিত্বৰ বাবে

(৪) মেট্ৰিকুলেচন পৰীক্ষাত বিশেষ কৃতিত্বৰ বাবে হেমচন্দ্ৰ বৰুৱা পদক (কটন কলেজিয়েট স্কুল, গৌহাটী)

(৫) ১৯২০ চনত এম, এ পৰীক্ষাত বিশেষ কৃতিত্বৰ বাবে

(৬) কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম, এ পৰীক্ষাত বিশেষ কৃতিত্বৰ বাবে

(৭) ৫ম জৰ্জ, কুইন এলিজাবেথৰ পদক

(৮) বঙ্গ-বাণীৰ পদক

(৯) ব্ৰটিচ বাণীৰ পদক।



(১)



(২)



(৩)

(৪)

(٤)

(٥)

(৫)



(৭)

(৬)